বিপশিনা

হীৰক জয়ন্তী বৰ্ষ স্মৃতিগ্ৰন্থ

শিৰসাগৰ ছোৱালী কলেজ, শিৰসাগৰ



সম্পাদক

ড° ৰশ্মিৰেখা গগৈ

শিৱপ্ৰসাদ মিলি

Scanned with OKEN Scanner

বিপশিনা

হীৰক জয়ন্তী স্মৃতিগ্ৰন্থ

সম্পাদকদ্বয়
ড° ৰশ্মিৰেখা গগৈ
শিৱ প্ৰসাদ মিলি



BIPASHANA : Diamond Jubilee Souvenir of Sibsagar Girls' College, Sivasagar, Assam, Published by The Diamond Jubilee celebration Committee and Editedby Dr. Rashmi Rekha Gogoi and Siva prashad Mili, Printed at Binayak Offset Sivasagar.

'বিপাশনা'ৰ সম্পাদনা সমিতি

সভাপতি

শ্ৰীযুত প্ৰেম গগৈ

সম্পাদক

ড° ৰশ্মিৰেখা গগৈ, শিৱ প্ৰসাদ মিলি

সদস্য

সংগীতা হাজৰিকা, অভিজিত ৰৰপূজাৰী, ড° শান্তনা দুৰৰা সন্দিকৈ, ড° মেদিনী হাজৰিকা, কল্যাণজিৎ কোঁৱৰ, ড° উৎপল দত্ত, জয়জ্যোতি গগৈ

প্ৰকাশ কাল

১১ ফেব্ৰুৱাৰী, ২০২৫

প্ৰকাশক

হীৰক জয়ন্তী উদ্‌যাপন সমিতি, শিৱসাগৰ ছোৱালী কলেজ

মূল্য ঃ ২০০/- টকা

বেটুপাত ঃ পলাশ বুঢ়াগোহাঁই

বেটুপাত পৰিকল্পনা ঃ ড° ৰশ্মিৰেখা গগৈ

অক্ষৰবিন্যাস ঃ পম্পী গগৈ, অমৰ গগৈ

মুদ্ৰণ ঃ বিনায়ক অফচেট, শংকৰ মন্দিৰ পথ, শিৱসাগৰ

Scanned with OKEN Scanner

উছর্গা

বিংশ শতিকাৰ সত্তৰ দশকতে যিসকলৰ মনত নাৰী উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাৰ ভাব উদয় হৈছিল, যিসকলৰ অনলস প্ৰচেষ্টা, যিসকলৰ কায়িক আৰু আৰ্থিক সহযোগিতাৰে কলেজখন প্ৰতিষ্ঠা হৈছিল, যিসকলৰ ত্যাগৰ বিনিময়ত শিৱসাগৰ ছোৱালী কলেজখনে আজি এই শুভ মুহূৰ্তত হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে— সেইসকল খ্যাত-অখ্যাত স্বনামধন্য ব্যক্তিৰ নামত স্মৃতিগ্ৰন্থখনি উছর্গা কৰা হ'ল।

সম্পাদনা সমিতি
'বিপাশনা'

Scanned with OKEN Scanner

কলেজ সংগীত

কথা ঃ কৰবী ডেকা হাজৰিকা (প্ৰাক্তন ছাত্ৰী)
সুৰ ঃ প্ৰবীণ হাজৰিকা, শিৱসাগৰ

আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি
আমি এজাক সপোন সোণালী।।
দূৰৰ আকাশে মাতে আশা ছটিয়াই
জ্ঞান আৰু বিজ্ঞানে মাতে ৰিঙিয়াই
নিত্য নতুন এই মহাবিশ্বত
পোহৰৰ কণিকা লওঁ বুটলি।।
শিক্ষাৰ সাধনাৰ বন্তি জ্বলাওঁ
নিজেও উজ্বলি উঠো দেশকো উজ্জ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক
দেশৰ মাটিত তুমি সিঁচি দিলা
জ্ঞানৰ জোনাক
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক।।

Scanned with OKEN Scanner

সশ্রদ্ধ সোঁৱৰণ

শিৱসাগৰ জোৰালী কলেজত বিভিন্ন সময়ত বিভিন্ন বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰয়াত আৰু কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা অধ্যাপক-অধ্যাপিকাসকল

তোষেশ্বৰ দত্ত

মৃদিৰাম পহিকীয়া

ধীৰেন বৰকটকী

ড° সুৰেন্দ্ৰ কুমাৰ সোমনী

নীলিমা বৰুৱা



এখৰুদি দুৱৰা

ড° মুনীন্দ্ৰ নাথ বৰসোঁহাই

মহঃ হাফিজুৰ ৰহমান

জীতেন্দ্ৰনাথ শৰ্মা ৰবদলৈ

ধীৰেন্দ্ৰ কুমাৰ তালুকদাৰ

অৰুণ চন্দ্ৰ বৈশ্যৰ

শিৱীৰ কুমাৰ ভট্টাচাৰ্য

অনিতা বৰুৱা

দিলীপ কুমাৰ চক্ৰৱৰ্তী

সুৰেশ মুকুল

ড° মণিমালা ৰবঠাকুৰ চক্ৰৱৰ্তী

দুৰ্গা শৰ্মা

মমতা ৰবা

মহিদুল হোছেন

Scanned with OKEN Scanner

সশ্রদ্ধ সোঁৰৰণ



From Left to Right (Top row)—Sri G. C. Baruah, T. Dutta, M.A.B.L., Principal & Secretary, Sri G. P. Baruva, Treasurer
Sri P. C. Barooah, President, Sri A. C. Bezbaruah, B.L., Sri R. Misra, S.D.O., Sibsagar.
(Second row) Sri S. B. Baruah, M.A., Sri A. L. Gohain, B. L., Sri B. N. Borpuzari, LL.B., Sri T. C. Sarmah, B.L
Sri J. Ahmed, M.A., B.L., Sri K. P. Chanda, B.L.

ৰবীন হাজৰিকা
প্ৰাক্তন উচ্চ বৰ্গৰ সহায়ক
০১-১১-১৯৬৮ — ১৬-০৯-১৯৯৩
(কৰ্মৰত অৱস্থাত মৃত্যু)

ৰিপুনাথ দত্ত
প্ৰাক্তন তদাৰকী সহায়ক
০১-০৯-১৯৭৩ — ৩০-১১-১৯৯৫



প্ৰমোদ গগৈ
প্ৰাক্তন তদাৰকী সহায়ক
২০-১১-১৯৮৬ — ০১-১২-২০২১
(কৰ্মৰত অৱস্থাত মৃত্যু)

গগন চন্দ্ৰ কাকতি
প্ৰাক্তন উচ্চ বৰ্গৰ সহায়ক
০২-১২-১৯৭৪ — ৩০-০৯-২০১৫

সংগীতা দাস বৰুৱা
প্ৰাক্তন প্ৰশাখা সহায়িকা
২৮-০৭-১৯৯৫ — ২৫-১১-২০২৪
(কৰ্মৰত অৱস্থাত মৃত্যু)

শিৰসাগৰ ছোৱালী কলেজত বিভিন্ন সময়ত বিভিন্ন দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰয়াত আৰু কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা কৰ্মচাৰীসকল

ৰতিকান্ত বৰুৱা
প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী
১৮-০৪-১৯৮২ — ১৯-০১-১৯৯৬

ফটিক শইকীয়া
প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী
০১-১১-১৯৬৬ — ২৮-০২-১৯৯৮

মানিক বৰা
প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী
০৩-০১-১৯৭২ — ০১-১০-২০০৬
(কৰ্মৰত অৱস্থাত মৃত্যু)



কৈলাশ দত্ত
প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী
২৪-০১-১৯৮৭ — ৩০-০৯-২০১৪

প্ৰশান্ত শইকীয়া
প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী
২৭-০৮-২০০৮ — ২৮-০৮-২০২৩
(কৰ্মৰত অৱস্থাত মৃত্যু)

Scanned with OKEN Scanner

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam



দিছপুৰ
চি এম এছ. ৭/২০২৩/২৪৪৫
৭ মাঘ, ১৪৩১ জাকৰাপ
২১ জানুৱাৰী, ২০২৫ ইং

শুভেচ্ছাবাণী

শিৰসাগৰ ছোৱালী কলেজৰ হীৰক জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান অহা ৯ ৰ পৰা ১১ ফেব্রুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৰণিকা প্ৰকাশৰ দিহা কৰাটো নিতান্তই প্ৰশংসনীয়।

নাৰী শিক্ষাৰ বিকাশৰ উদ্দেশ্যে বহু শিক্ষানুৰাগীৰ প্ৰচেষ্টাত গঢ় লৈ উঠা শিৰসাগৰ ছোৱালী কলেজে বৃহত্তৰ অঞ্চলৰ বিদ্যায়তনিক ক্ষেত্ৰলৈ সমৃদ্ধ ৰৰঙণি যোগাইছে। এই শিক্ষানুষ্ঠানৰ বিদ্যাৰ্থী সমাজে সামাজিক, সাংস্কৃতিক তথা বৌদ্ধিক ক্ষেত্ৰখনলৈ যোগোৱা অবিহণা উত্তৰ প্ৰজন্মৰ প্ৰেৰণাৰ উৎস।

হীৰক জয়ন্তী উদযাপন কৰা এই শিক্ষানুষ্ঠানখনে অগণন শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যৎ নিৰ্মাণ কৰিছে। বৰ্তমানৰ বিদ্যাৰ্থীসকলৰ সুন্দৰ ভৱিষ্যৎ কামনা কৰি মই কেৱল এটা কথা যোগ দিব খোজো। জীৱনৰ উত্তৰোত্তৰ উন্নতি তথা বৃহৎ কৰ্মযজ্ঞ সমাপনৰ বাবে বুদ্ধি আৰু প্ৰতিভাৰ লগতে যি দুটা গুণৰ সমাহাৰ ঘটিব লাগে সেয়া হৈছে আশা আৰু ধৈর্য। প্ৰতিগৰাকী বিদ্যাৰ্থীৰ সম্মুখত জীৱনটোক উজলাই তোলাৰ পথ মুকলি হৈ থাকে। তাৰ বাবে প্ৰয়োজন এক আশাবাদী মন আৰু ধৈর্যৰে লক্ষ্যত উপনীত হোৱাৰ মানসিকতা। মানুহে যদি নিজৰ জীৱনটো মূল্যহীন কৰি নোতোলে তেন্তে কোনো মানুহনে জীৱন মূল্যহীন হ'ব নোৱাৰে। মহৎ প্ৰতিভা বুলিলে আমি সাধাৰণতে যিটো বুজো সি আচলতে সৰ্বসাধাৰণ মানুহতকৈ অধিক ধৈর্যৰ বাহিৰে আন একো নহয়। কঠোৰ অনুশীলন আৰু কামৰ প্ৰতি একাত্ম অনুভৱে ধৈর্যৰ বীজ অংকুৰিত কৰে। শিক্ষা জীৱন এক সাধনা ক্ষেত্ৰ। এই ক্ষেত্ৰখনত ধৈর্যৰে নিজৰ প্ৰতিভাক বিকশাই তুলিলে জীৱনটো সফল হোৱা বুলি ক'ব পাৰি।

প্ৰবাদপ্ৰতিম ৰাজনীতিবিদ উইনষ্টন চাৰ্চিলে কৈছিল যে বাৰে বাৰে ব্যৰ্থতাৰ মুখ দেখিও উদ্যমহীন নহৈ আগুৱাই যোৱা পৰাটোৰ মাজত লুকাই আছে সফলতাৰ চাবি-কাঠী। জীৱনৰ পঢ়াশালিত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে জীৱনত আহৰণ কৰা অভিজ্ঞতা। জীৱনত আমি নিজকে সংস্থাপিত কৰাৰ পাছত কোনেও প্ৰশ্ন নকৰে যে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত আমাৰ ফলাফল কি আছিল। এই পৃথিৱীত তিষ্ঠি থাকিবলৈ যিকেইটা গুণৰ সৰাতোকৈ প্ৰয়োজন, সেয়া হৈছে পৰিস্থিতিৰ সৈতে খাপ খোৱা পৰা, প্ৰয়োজন অনুসৰি উদ্ভাৱন কৰিব পৰা আৰু সকলোৰে সৈতে মিলি যাব পৰা গুণ। এই গুণ কেৱল পঢ়াশালিৰ শ্ৰেণীকোঠাৰ মাজতে যে আহৰণ কৰিব পাৰি তেনে নহয়। তাক আহৰণ কৰিব পাৰি পঢ়াশালিৰ বাহিৰৰ বৃহৎ চোতালখনতো।

আমি যিসকল ব্যক্তিক সফল বুলি গণ্য কৰোঁ তেওঁলোক কোনো পৃথক সমাজৰ বা সংস্কৃতিৰ পৰা ওলাই নাহে। তেওঁলোকো আমাৰ মাজৰে একো একোজন ব্যক্তি। অৱশ্যে একে হ'লেও যিবোৰ গুণে তেওঁলোকক পৃথক কৰে সেই গুণবোৰৰ বিষয়ে আমি সকলোৰে জনা উচিত। এবাৰৰ বাবে হ'লেও সেইবোৰৰ বিষয়ে গভীৰভাৱে চিন্তা কৰি চোৱা উচিত। ধৈর্য সেই গুণসমূহৰ অন্যতম আৰু আশা, ভগৱানে দিয়া মহত্তম উপহাৰবোৰৰ এটা।

মই স্মৰণিকাখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শর্মা)

Scanned with OKEN Scanner

বণোজ পেগু
মন্ত্রী
শিক্ষা আৰু জনজাতি পৰিকল্পনা (ডেয়াম)

সত্যমেব জয়তে

ব্লক-আই, (পুৰণি মুখ্যমন্ত্রীৰ কার্যালয়)
প্রথম মহলা, জনতা ভৱন, দিশপুৰ
গুৱাহাটী-৭৮১০০৬
দূৰভাষ : ০৩৬১-২২৩৭০২৩
৯৯৫৪৭-০৩৮২৫

শুভেচ্ছাবাণী

শিৱসাগৰ জিলাৰ ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠান শিৱসাগৰ হোৱালী মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উদযাপন কৰিবলৈ ওলোৱাৰ বাৰ্তা লভি সুখী হৈছোঁ।

ভাৰতৰ সংবিধানত প্ৰায় সকলো গণতান্ত্ৰিক দেশৰ দৰে পুৰুষ-মহিলা উভয়ৰে শিক্ষাৰ সম-অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰা হৈছে। আজি এনে অধিকাৰৰ ভিত্তিতে দেশে নাৰী শিক্ষাৰ ক্ষেত্ৰত এক উল্লেখনীয় সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। পৰস্পৰাগতভাৱে শতিকাজুৰি ঘৰুৱা কামৰ মাজতে সোমাই থকা নাৰীয়ে আজি পুৰুষৰ সমানে জ্ঞান-প্ৰযুক্তি, শিক্ষা-সংস্কৃতি আদি সকলো ক্ষেত্ৰতে আগভাগ ল'বলৈ সক্ষম হৈছে। নাৰীসকলৰ ক্ষেত্ৰত শিক্ষাৰ জৰিয়তে আহৰিত এটি মৰ্যাদাপূৰ্ণ জীৱন প্ৰাপ্তিৰ যি দীৰ্ঘকালীন ইতিহাস আছে, তাত আন শিক্ষানুষ্ঠানসমূহৰ দৰে শিৱসাগৰ হোৱালী মহাবিদ্যালয়ৰ অবিহণাও শলাগনীয়। মহাবিদ্যালয়খনে সুদীৰ্ঘ ৬০ বছৰীয়া বিদ্যায়তনিক যাত্ৰাৰে ৰাজ্যখনৰ মহিলা সবলীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। হীৰক জয়ন্তী বৰ্ষৰ এই ক্ষণত আমি আশা ৰাখিছোঁ ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানখনে এই যাত্ৰা সদায়ে অটুট ৰাখি আমাৰ ছাত্ৰীসকলক দেশৰ সৰ্বোচ্চ সমৃদ্ধিৰ একোগৰাকী অন্যতম অংশীদাৰ হোৱাৰ অনুপ্ৰেৰণা যোগাব।

হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠান উপলক্ষে প্ৰকাশিতব্য স্মৃতিগ্ৰন্থ 'বিপাশনা'ই নাৰী শিক্ষাৰ দিশত যোগাত্মক বাৰ্তা বহনেৰে পাঠক সমাজৰ আদৰ লাভ কৰক, এই আশাৰে শিৱসাগৰ হোৱালী মহাবিদ্যালয়ৰ পৰিয়াল তথা সমূহ শুভাকাংক্ষীলৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ডাঃ বণোজ পেগু)

অধ্যাপক জিতেন হাজৰিকা
উপাচার্য

ডিব্রুগড় বিশ্ববিদ্যালয়
ডিব্রুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ : ০৩৭৩-২৩৭০২৯৯
ইমেইল : vc@dibru.ac.in

শুভেচ্ছা বাণী

উচ্চ শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে উজনি অসমৰ বুৰঞ্জীয়ে পৰশা শিৰসাগৰ জিলাৰ ঠিক কেন্দ্ৰস্থলত এক বৃহত্তৰ অঞ্চলক সামৰি ১৯৬৪ চনতে শিৰসাগৰ ছোৱালী কলেজখন প্ৰতিষ্ঠা কৰা হৈছিল। আনন্দৰ বিষয় এয়ে যে প্ৰতিষ্ঠা দিন ধৰি কলেজখনে ৰাজ্যখনৰ মহিলা শিক্ষাৰ ক্ষেত্ৰখনত এক উল্লেখ যোগ্য ভূমিকা পালন কৰি আহিছে।

আমি জানি আনন্দিত হৈছোঁ যে সময়ৰ লেখেৰে মহাবিদ্যালয়খনে হীৰক জয়ন্তী বৰ্ষৰ কাৰ্য্যক্ৰমণিকা অবিৰতভাৱে পালন কৰি অহা ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠানটি সামৰিবৰ প্ৰয়াস কৰিছে আৰু তাৰে লগতে সংগতি ৰাখি মহাবিদ্যালয়খনে 'বিপাশনা' নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। আমি আন্তৰিকতাৰে অনুষ্ঠানটিৰ সফলতা কামনা কৰি স্মৃতিগ্ৰন্থখনো সমল-সমৃদ্ধ হৈ আটকধুনীয়াকৈ প্ৰকাশ পাব বুলি আশা ৰাখিছোঁ।

ঐক্যবদ্ধ প্ৰয়াসটিৰ সৈতে জড়িত হৈ থকা সমুহ ব্যক্তি-প্ৰতিষ্ঠানলৈ আমাৰ অভিনন্দন যাচিছোঁ, স্মৃতিগ্ৰন্থখনিৰ পাঠক-সমাজলৈ আমাৰ শুভেচ্ছা আৰু আগন্তুক ভোগালী বিহুৰ উপলক্ষে শুলগ জানাইছোঁ।

দিনাংক: ০৮ জানুৱাৰী, ২০২৫

(জিতেন হাজৰিকা)

Scanned with OKEN Scanner

অখিল গগৈ
Akhil Gogoi
MLA, 108-Sibsagar LAC
Sivasagar, Assam

House No. 40,
Near Milan Vidyapith LP School
Nizarapar, Chandmari,
Guwahati-781003
ASSAM

Ref .....

Date .....

শুভেচ্ছা বার্তা

শিৱসাগৰ জিলাৰ শিক্ষাৰ এক বাটকটীয়া শিক্ষানুষ্ঠান ঐতিহাসিক শিৱসাগৰ ছোৱালী কলেজৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা বুলি জানিব পাৰি নথৈ সুখী হৈছোঁ। নাৰী শিক্ষা প্ৰদানৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা কলেজখনে জিলাখনৰ শৈক্ষিক, সামাজিক তথা বিদ্যায়তনিক ক্ষেত্ৰখন সদায় সমৃদ্ধ কৰি আহিছে।

তিনি দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা শিৱসাগৰ ছোৱালী কলেজৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তীৰ শুভ ক্ষণত সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু, কৰ্মচাৰী আৰু উদ্‌যাপন সমিতিৰ লগতে শিৱসাগৰবাসী বাইজলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ। এই মহৎ অনুষ্ঠানটিৰ লগত সংগতি ৰাখি "বিপাশনা" নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি অতি আদৰণীয় আৰু প্ৰশংসনীয়। স্মৃতিগ্ৰন্থখনিত নিশ্চয়কৈ ঐতিহাসিক কলেজখনৰ গৌৰৱময় ইতিহাসৰ প্ৰতিফলন ঘটিব।

আশাকৰোঁ স্মৃতিগ্ৰন্থখন কলেজখনৰ সমূহ নবীন-প্ৰবীন শিক্ষাৰ্থী তথা শিক্ষাগুৰুসকলৰ লগতে শুভাকাংক্ষীসকলৰ সেউজীয়া অনুভৱৰ বটবৃক্ষ হৈ ৰ'ব। শিৱসাগৰ ছোৱালী কলেজখনৰ উত্তৰোত্তৰ তথা গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানটিৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলোঁ।

অখিল গগৈ

(অখিল গগৈ)

সভাপতি, বাইজৰ দল

বিধায়ক, ১০৮ নং শিৱসাগৰ বিধানসভা সমষ্টি

তাৰিখ : ২৮ জানুৱাৰী, ২০২৫ চন

Scanned with OKEN Scanner

Aayush Garg, IAS
District Commissioner
Sivasagar

শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অগ্ৰণী স্ত্ৰী শিক্ষাৰ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজৰ হীৰক জয়ন্তী বৰ্ষ উদযাপন কৰা হৈছে বুলি জানিবলৈ পাই সুখী হৈছোঁ।

মহাবিদ্যালয়খনিৰ হীৰক জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি "বিপাশনা" নামেৰে স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ বাবে লোৱা প্ৰচেষ্টাক আদৰণী জনাইছোঁ। স্মৰণিকাখনিত প্ৰকাশ পাব লগা লেখনি সম্ভাৰে সকলোৱে সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব বুলি মই আন্তৰিকতাৰে কামনা কৰিলোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰীবৃন্দ তথা সমূহ শিক্ষক-কৰ্মচাৰীলৈ অনুষ্ঠানটিৰ এই গৌৰৱময় সময়ত আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে উচ্চ শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

তাৰিখঃ ৩০/০১/২০২৫

শ্ৰদ্ধাৰে

(আয়ুষ গৰ্গ, ভাঃপ্ৰঃসেঃ)
জিলা আয়ুক্ত, শিৱসাগৰ

Scanned with OKEN Scanner



অধ্যক্ষৰ একলম

উজনি অসমৰ নাৰী শিক্ষাৰ অগ্রণী অনুষ্ঠান শিৱসাগৰ ছোৱালী কলেজে ১৯৬৪ চনৰ জন্মলগ্নৰে পৰা সোণোৱালী বাট বুলি ষাঠিটা বছৰ অতিক্রম কৰাটো এক ঐতিহাসিক কথা। মহাবিদ্যালয়খনিৰ এই বিকাশৰ যাত্রাত চামিল আছে অনেকজনৰ আশা-ত্যাগ, সপোন আৰু আছে বহু স্মৰণীয় মুহূৰ্তৰ বর্ণিল অধ্যায়। এখন স্মৃতিগ্রন্থই অনুষ্ঠান এটাৰ লগত জড়িত এনেবোৰ স্মৃতি সজীৱ কৰি তোলাৰ লগতে জন্মলগ্নৰে পৰা বর্তমানলৈকে সামগ্রিক সময়ছোৱাৰ এক অৱলোকন কৰাবো অৱকাশ দিয়ে। অনুষ্ঠান এটাৰ লগত সম্পর্কিত হৈ থকা শুভাকাংক্ষী ব্যক্তিসকলৰ তথা ৰাইজৰ বাবে এখন স্মৃতিগ্রন্থ হৈ পৰে আৱেগৰো প্রতিভূ।

মোৰ দৃঢ় বিশ্বাস, শিৱসাগৰ ছোৱালী কলেজৰ হীৰক জয়ন্তী সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি প্রকাশ কৰা 'বিপাশনা' নামৰ স্মৃতিগ্রন্থখনে অন্যান্য বিষয়ৰ লগতে সকলোবোৰ দিশ সামৰি আটক ধুনীয়াকৈ প্রকাশ পাব।

সম্পাদকদ্বয়ৰ লগতে এই প্রকাশন প্রক্রিয়াৰ লগতে জড়িত সংশ্লিষ্ট সকলোলৈকে ধন্যবাদ জনাইছোঁ।

ড° প্রতিম শর্মা
অধ্যক্ষ
শিৱসাগৰ ছোৱালী কলেজ

Scanned with OKEN Scanner

সভাপতিৰ আসনৰ পৰা

"Women do not need to find a voice, they have a voice and they need to feel empowered to need it, and people need to be encouraged to listen." - **Meghan Markle**

এখন সমাজ, এটা জাতি, এখন দেশ অগ্ৰসৰ হ'বলৈ নাৰী জাতিৰ কণ্ঠস্বৰ প্ৰবল হ'ব লাগে আৰু স্ব-নিয়োজন হোৱাত সমাজৰ গুৰু দায়িত্ব থাকিব লাগিব। সবল মানৱ সমাজ গঠনৰ ক্ষেত্ৰত নাৰীসকল প্ৰকৃতাৰ্থত সু-শিক্ষিত হোৱাতো বাঞ্ছনীয়। সমীক্ষা আৰু তাৰ বিশ্লেষণত তথ্য ভিত্তিত প্ৰকাশ হোৱা বিবৰসমূহে নাৰীৰ সামাজিক শৈক্ষিক বৌদ্ধিক উন্নয়নে সামগ্ৰিক দেশ আৰু জাতিৰ উন্নয়নত প্ৰধান ভূমিকা গ্ৰহণ কৰে সেইটো প্ৰকাশ হৈছে। সু-শিক্ষিত নাৰী সমাজ উন্নত মানৱ সমাজ। স্বাধীনোত্তৰ কালত দেশৰ শিক্ষা বিস্তাৰ, শিক্ষাৰ গুৰুত্বতা, শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তা শিক্ষাৰ প্ৰাথমিকতা আৰু উদ্দেশ্য-সামাজিক স্থল লগতে অৰ্থনৈতিক উন্নয়নত শিক্ষাৰ গুৰুত্ব।

ভাৰতবৰ্ষ প্ৰাচীন সভ্যতাৰ দেশ। অতীতৰ পৰা নাৰী শিক্ষাই প্ৰভূত্ব লাভ কৰিছে। শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত লিংগগত বৈষম্য ভাৰতত নাছিল। অসমত নাৰীৰ শিক্ষাৰ ইতিহাসত আহোম ৰাজত্বত প্ৰাথমিক প্ৰয়োগ পৰিলক্ষিত হয়। অৱশ্যে নাৰী শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্য প্ৰদেশসমূহতকৈ অসমত আনুষ্ঠানিক উচ্চ নাৰী শিক্ষা প্ৰৱৰ্তন কিছু পলমকৈ হোৱা যেন ধাৰণা কৰিব পাৰি। ১৯৩৯ চনত অসমত প্ৰথমখন ছোৱালী মহাবিদ্যালয় "সন্দিকৈ ছোৱালী মহাবিদ্যালয়" গুৱাহাটীত প্ৰতিষ্ঠা হোৱাৰ বহু বছৰৰ পাছত সত্তৰত সপ্তমখন ছোৱালী মহাবিদ্যালয় ৰূপত ১৯৬৪ চনত "শিৱসাগৰ ছোৱালী কলেজ"খন প্ৰতিষ্ঠা হয়।

আহোম ৰাজত্বৰ আৰম্ভণি উজনি অসমতে, শিৱসাগৰ অঞ্চলটো ৰাজশাসনৰ প্ৰাণকেন্দ্ৰ। ইয়াতেই বিভিন্ন জাতি-উপজাতি, জনগোষ্ঠীৰ সংস্কৃতিৰ মিশ্ৰণ ঘটিছিল। আকৌ ৰাজনৈতিক দৃষ্টিকোণৰ পৰা আহোমসকল কেতিয়াবা কোনো বিষয়ত সাম্ৰাজ্যবাদী হৈ উঠিছিল যদিও সাংস্কৃতিক সমন্বয় সাধন আৰু সামাজিক উন্নয়নত প্ৰকৃতাৰ্থত নতুন সংযোজন ঘটাইছিল। শিৱসাগৰ এটা ইতিহাসৰ নাম। এই শিৱসাগৰ নামেৰে প্ৰতিষ্ঠা কৰা হয় শিৱসাগৰ ছোৱালী কলেজ। প্ৰতিষ্ঠা বৰ্ষ ১৯৬৪ চন, জুলাই মাহৰ ৮ তাৰিখ। অসমৰ ভিতৰতে এখন সু-নাম থকা ঐতিহ্যমণ্ডিত মহাবিদ্যালয় শিৱসাগৰ ছোৱালী কলেজ প্ৰাকৃতিক পৰিবেশত ইতিহাসে সম্বল দিয়া শিৱদ'ল, বিষ্ণুদ'ল, দেৱীদ'ল, ৰৰপুখুৰী (শিৱসাগৰ

Scanned with OKEN Scanner

পুখুৰী)। ইয়াৰ কাষতে অৱস্থিত এই পৱিত্ৰ জ্ঞান মন্দিৰ এই মহাবিদ্যালয় ১৯৬৪ চনত শিৱসাগৰ কালিপ্ৰসাদ মেম'ৰিয়েল ভৱনত কেইগৰাকীমান ইচ্ছুক শিক্ষা অনুৰাগী ছাত্ৰীক লৈ শিক্ষাদানৰ জৰিয়তে এই কলেজ আৰম্ভ হয়। এই চহৰৰ প্ৰতিভাসম্পন্ন বিদ্বান সমাজকৰ্মী গুণী-জ্ঞানী ব্যক্তিৰ একক প্ৰচেষ্টাত গঢ় লৈ উঠে এই কলেজখন। বিশেষভাৱে নাম ল'ব লগা ব্যক্তিসকল হ'ল— মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, সাংসদ প্ৰফুল্ল চন্দ্ৰ বৰুৱা, বিধায়ক পুষ্পধৰ চলিহা, গি�ৰিন্দ্ৰনাথ গগৈ, ঠানুৰাম গগৈ, অধিবক্তা বৈদ্যনাথ বৰপূজাৰী, প্ৰণৱ গগৈ, আনন্দ্ৰ চন্দ্ৰ বেজবৰুৱা, তাৰিণী চৰণ শৰ্মা, তোষেশ্বৰ দত্ত, কিৰণ চন্দ্ৰ গগৈ, অমৃতলাল গোহাঁই, শিক্ষাবিদ গোবিন্দ চন্দ্ৰ বৰুৱা, পৰাগ চলিহা, গুণ বৰুৱা, মেলিনা ৰামস্বামী, ফুলেশ্বৰী দত্ত, অজিত কুমাৰ গগৈ, বিভূতি চলিহা, যাদৰ ঠাকুৰ, নাৰায়ণ বৰুৱা, হেম হাজৰিকা, বিশিষ্ট সমাজকৰ্মী গিৰিজা প্ৰসাদ বৰুৱা, যতীন্দ্ৰ নাথ শইকীয়া, কমলচন্দ্ৰ চুতীয়া, দুৰ্গেশ্বৰ শইকীয়া, চাৱলৰাম খেমকা, জালালুদ্দিন আহমেদ, তাৰা বেগম, সত্যব্ৰত চলিহা, সহজানন্দ ভৰালী।

নীতি বচনত কোৱা হয়— "ৰাইজে নখ জোকাৰিলে নৈ বয়।" আকৌ কোৱা হয়— 'মাউখে উটিলে গুড়ি পৰুৱাৰো মৰণ নাই' কথাষাৰ বাস্তৱ। ইয়াৰ স্বৰূপ হ'ল শিৱসাগৰ ছোৱালী কলেজ। শিৱসাগৰৰ ৰাইজৰ হেঁপাহ, উৎসাহ, কৰ্মস্পৃহা, উদ্যমী মনোভাৱ তাৰ প্ৰকৃত ৰূপ এই ছোৱালী শিক্ষা অনুষ্ঠান। সময়ত কলেজখনে নিজা মাটি পালে আৰু এপদ দুপদকৈ কলেজৰ নিজা গৃহ নিৰ্মাণ হ'ল। প্ৰতিষ্ঠাপক অধ্যক্ষ তোষেশ্বৰ দত্তদেৱৰ নেতৃত্বত কলেজখন ক্ৰমে আগবাঢ়িল। সেই সময়ৰ শিক্ষক-ছাত্ৰী লগতে পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্যবোধে নতুন পৰিচয় প্ৰদান কৰি কলেজ সুন্দৰ ৰূপত গঢ় দিবলৈ সক্ষম হ'ল। আধ্যাত্মিক কেন্দ্ৰস্থানত অৱস্থিত শৈক্ষিক স্ত্ৰী-শিক্ষাৰ প্ৰাণকেন্দ্ৰ শিৱসাগৰ ছোৱালী কলেজ। এই মহাবিদ্যালয় শিৱসাগৰ চহৰৰ সুন্দৰতাৰ অপৰূপ প্ৰতীক। নিয়ম-নীতি, শৃংখলাবদ্ধতা, সময়োবদ্ধতা, পৰিস্কাৰ-পৰিচ্ছন্নতা এই কলেজৰ মূল মন্ত্ৰ। যোগ্য ব্যক্তিক কলেজ পৰিচালনাৰ দায়িত্ব অৰ্পণ অধ্যক্ষ-অধ্যাপকৰ সহানুভূতিপূৰ্ণ একাত্মক উদ্যোমী কৰ্মপ্ৰচেষ্টা মহাবিদ্যালয়খনৰ উন্নয়নৰ মূল শক্তি।

আৰম্ভ কৰা শিক্ষাদান প্ৰথম অৱস্থাত কেৱল কলা শাখা, তাৰ বহু বছৰৰ বিৰতিত ১৯৮৯-৯০ শিক্ষা বৰ্ষৰ পৰা বিজ্ঞান শাখাত শিক্ষা প্ৰদান ব্যৱস্থা কৰা হয়। দুইটা শাখাতে প্ৰায় সকলো বিষয়ত সন্মান (বৰ্তমান মেজৰ) পাঠ্যক্ৰম ব্যৱস্থা কৰা হৈছে। কলা শাখাৰ দুটা বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষা গ্ৰহণৰ বিশ্ববিদ্যালয়ে অনুমতি প্ৰদান কৰিছে। অনুমোদিত কেবাটাও অধ্যয়ন কেন্দ্ৰৰ দ্বাৰা বিশেষ বিষয়ৰ শিক্ষা দিয়াৰ লগতে দূ�ৰ সংযোগ শিক্ষাৰ যোগেদি স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ শিক্ষা গ্ৰহণৰ যাৱতীয় পাঠ্যক্ৰম কলেজত আছে। ইয়াৰ উপৰিও বহুকেইটা বৃত্তিমূলক পাঠ্যক্ৰম কলেজত প্ৰবৰ্তন কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা গঠিত নাক (NAAC) ৰ মুঠ তিনিবাৰ মূল্যায়ন কৰি প্ৰতিবাৰতে B^+ গ্ৰেড লাভ কৰিছে। শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতি চূড়ান্ত কৰ্মৰ

Scanned with OKEN Scanner

পৰীক্ষাৰ ফলাফলসমূহ অতীতৰ পৰা সাম্প্ৰতিক সময়লৈকে আশা কৰা দৰে যথেষ্ট উন্নত মানদণ্ডৰ। এইখিনিতে কলেজৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে প্ৰায় ২১ গৰাকীমান অধ্যক্ষ নিযুক্তি লাভ কৰিছে। কিন্তু ইয়াৰ মাজত কেৱল ৮ গৰাকীহে স্থায়ী অধ্যক্ষ। বৰ্তমান অধ্যক্ষ ড" প্ৰতিম শৰ্মাদেৱে প্ৰায় ৮ বছৰ আইনী যুঁজৰ পিছত যোৱা ১ এপ্ৰিল ২০২৪ চনত স্থায়ী অধ্যক্ষৰূপে মহামান্য উচ্চতম ন্যায়ালয়ে নিযুক্তি প্ৰদান কৰিছে। এই সময়ছোৱাত অযথা কলেজখনৰ ক্ষতি কৰিলে। আমি এনে কাৰ্য সমৰ্থনযোগ্য বুলি বিবেচনা নকৰো।

ইতিমধ্যে মহাবিদ্যালয়ৰ হৈ যোৱা সোণালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰকাশ পোৱা 'উপায়ন' নামৰ স্মৃতিগ্ৰন্থত কলেজৰ সকলো দিশ প্ৰকাশ কৰি দুজন অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ শ্ৰী সোণাৰাম বৰুৱা আৰু শ্ৰীযুতা যমুনা ৰৰগোহাঁইয়ে আলোচনা কৰিছে। সেই প্ৰকাশিত প্ৰবন্ধ হ'ব শিৱসাগৰ ছোৱালী কলেজৰ এখন ইতিহাস। বৰ্তমান কলেজৰ বয়স ৬১ বছৰ। সেইহেতু সকলো একত্ৰিত হৈ উদ্‌যাপন কৰা হ'ব হীৰক জয়ন্তী বৰ্ষ। অৱশ্যে যোৱা ৮ জুলাই, ২০২৪ তাৰিখে হীৰক জয়ন্তী বৰ্ষৰ শুভ আৰম্ভ কৰা হ'ব আৰু প্ৰস্তাৱিত ২০২৫ বৰ্ষৰ ৯, ১০, ১১ ফেব্ৰুৱাৰী তাৰিখে তিনিদিনত সামৰণি অনুষ্ঠান পালন কৰা হ'ব।

সদৌ শেষত, আমাৰ মিনতি এই হীৰক জয়ন্তীৰ সফল সমাপ্তিত এই ঐতিহ্যমণ্ডিত নাৰী শৈক্ষিক প্ৰতিষ্ঠানটিয়ে সামগ্ৰিকভাৱে সমাজৰ উত্তৰণৰ দিশত নৱ-সংযোগ ঘটাই যোগাত্মক দিশত গতি কৰিব। কলেজ পৰিচালনা সমিতি আৰু হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতিৰ দায়িত্ব বহন কৰি আপোনালোকৰ প্ৰতি ক্ষণতে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ কামনা কৰিলো। শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠাত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা সকলো সন্মানীয় ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠা দিনৰে পৰা বৰ্তমানলৈকে কৰ্মৰত, অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীৰ লগতে শিক্ষাৰ্থী সকলোকে আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ।

ড° যোগেশ বৰা
সভাপতি
হীৰক জয়ন্তী উদ্‌যাপন সমিতি

Scanned with OKEN Scanner

সম্পাদকীয়

সুদীর্ঘ ছশ বছৰীয়া আহোম ৰাজত্বকালৰ ইতিহাসৰ ছাঁ পোহৰেৰে আলোকিত শিৱসাগৰৰ অন্যতম নাৰী উচ্চ শিক্ষাৰ অনুষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজ'। আৰম্ভণিতে সেইসকল মহান ব্যক্তিৰ নাম স্মৰণ কৰিছোঁ, যিসকলে বহু আর্থিক নাটনিৰ মাজত থাকিও কলেজখনি প্রতিষ্ঠা কৰি সাগৰ তলিৰ শংখৰ সন্ধান দেখুৱাই গ'ল। ১৯৬৪ চনৰ পৰা ২০২৪ চনলৈকে এক দীঘলীয়া পৰিক্রমা। এই পৰিক্রমাত সময়ৰ বহু সোঁতৰ স'তে মুখামুখি হৈ অনেক ঘটনা পৰিঘটনা অতিক্রমি হাজাৰ জ্ঞানান্বেষী, ভৰিষ্যত প্রয়াসীয়ে ইয়াতেই জীৱনৰ প্রথম কলেজীয়া শিক্ষাৰ আনুষ্ঠানিক জ্ঞান অর্জন কৰি জীৱনত সঠিক পথৰ সন্ধান লাভ কৰিছে। আৰম্ভণিতে ৰাইজৰ দান বৰঙণিৰে প্রতিষ্ঠা হোৱা কলেজখনৰ ক্রমাৎ আৱয়বিক পৰিৱর্তন যিদৰে ঘটিছে, তেনেদৰে বিদ্যায়তনিক দিশৰ লগতে আনুষংগিক দিশতো অনুষ্ঠানটিয়ে এক আয়তন লাভ কৰিছে। প্রাসঙ্গিকভাবে উল্লেখ্য অতীত আৰু বর্তমানৰ পৰা লাভ কৰা অভিজ্ঞতাৰে আমি প্রত্যেকেই যোগাত্মক ধ্যান-ধাৰণাৰে কলেজখনৰ উত্তৰণৰ অংশীদাৰিত্ব হ'ব পাৰিব লাগিব। এটা অনুষ্ঠানৰ উত্তৰণৰ গতি অব্যাহত ৰাখিবলৈ অনুষ্ঠানটোৰ প্রতিজন সদস্যৰ সক্রিয় অংশগ্রহণ নিতান্তই গুৰুত্বপূর্ণ। প্রতিষ্ঠাকালৰে পৰা কলেজখনৰ বহু স্মৃতিৰ টুকুৰা সংৰক্ষিত হৈ ৰব এই স্মৃতিগ্রন্থত। পৰিবর্তনৰ বুকুত অনাগত দিনৰ প্রজন্মই ইয়াৰ পৃষ্ঠা লুটিয়াই স্মৃতিৰ টুকুৰাবোৰ খেপিয়াই চাব পাৰিব। নষ্টালজিক আৱেগৰ কৌমুদীত অৱগাহনেৰে হৃদয়ৰ পৰা হৃদয়লৈ প্রেৰিত হ'ব হিৰণ্ময় আৱেশ। সহৃদয় পাঠকে স্মৃতিগ্রন্থখনি হাতত লৈ যিদৰে অনুভৱ কৰিব পাৰিব শিক্ষানুষ্ঠানটিৰ মাদকতাভৰা জন্ম যন্ত্রণা, তাৰ লগে লগেই বুজিব পাৰিব অনভিজ্ঞ সম্পাদকৰ নিঃসহায়তা।

স্মৃতিগ্রন্থখনিত ধ্রুপদী ভাষা মর্যাদাপ্রাপ্ত সদ্য স্বীকৃত অসমীয়া ভাষাৰ লেখনিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। প্রাসঙ্গিকভাবে উল্লেখ কৰিব বিচৰা হৈছে যে হীৰক জয়ন্তী বর্ষ উদ্‌যাপন সমিতিৰ সম্পাদক তথা কলেজৰ বর্তমানৰ অধ্যক্ষ ড° প্রতিম শর্মাদেৱে অসমীয়া শিতানৰ দায়িত্ব ৰশ্মিৰেখা গগৈক আৰু ইংৰাজী ভাষাৰ লেখনিৰ দায়িত্ব শিৱপ্রসাদ মিলিৰ ওপৰত ন্যস্ত কৰাত আমি যিমান দূৰ সম্ভৱ নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ যত্ন কৰিছোঁ। অসমীয়া শিতানটো আমি চাৰিটা থুলত ৰূপ দিয়াৰ প্রয়াস চলাইছো। প্রথম ইতিহাসৰ ছাঁ-পোহৰত শিৱসাগৰ সম্পর্কে এটা আভাস দাঙি ধৰি দ্বিতীয় শিতানত অতীত আৰু বর্তমানৰ বুকুৰেদি কলেজখনৰ ভিতৰ চ'ৰাত বিচৰণ কৰাৰ প্রয়াস কৰা হৈছে। তৃতীয়টো চিন্তন শিতানত সাম্প্রতিক অসমৰ শৈক্ষিক, ভাষিক আৰু সাহিত্যৰ আৱহাৱা সম্পর্কে কিছু চিন্তা-চেতনা দাঙি ধৰিবলৈ যত্ন কৰিছোঁ। বিশেষকৈ অসমীয়া ভাষা সাহিত্যৰ

Scanned with OKEN Scanner

তিনিগৰাকী প্ৰতিষ্ঠিত সাহিত্যিক তথা আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰীৰ লগতে অসমৰ চিন্তাশীল, যুক্তিনিষ্ঠ লেখকৰ লেখনি সন্নিৱিষ্ট কৰি ভবিষ্যত প্ৰজন্মৰ বাবে আগবঢ়ালোঁ। পাছৰ পৰ্যায়ত কলেজৰ শৈশৱ, কৈশোৰৰ সময়ছোৱাত যৌৱন অতিবাহিত কৰা প্ৰাক্তন ছাত্ৰী, বয়স আৰু জীৱনৰ জ্ঞান গভীৰতাৰে পৰিপূৰ্ণ কৰি তোলা সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত নাৰীৰ অনুভৱ-উপলব্ধিক আকৌ এবাৰ চোৱাৰ ইচ্ছাৰে ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থৰ পৰা কিছু কথা পুনৰ্মুদ্ৰণ কৰা হৈছে। শেষত প্ৰতিষ্ঠাকালৰে পৰা ছাত্ৰীসকলৰ সৃজনীশীল দৃষ্টিৰ সজীৱ প্ৰকাশ ঘটা কলেজৰ আলোচনীখনৰ পৰা প্ৰতিনিধিত্বমূলকভাবে কেইটামান সম্পাদকীয় পুনৰ প্ৰকাশ কৰা হৈছে। তেনেদৰে ইংৰাজী শাখাত মুঠ নটা গুৰুত্বপূৰ্ণ লেখা সন্নিৱিষ্ট কৰা হৈছে। এখনি আটকধুনীয়া স্মৃতিগ্ৰন্থ আমি গ্ৰন্থিত কৰিব পৰা নাই। কলেজৰ ৰূপালী জয়ন্তী বৰ্ষৰ 'স্মৃতিৰূপা' আৰু সোণালী জয়ন্তী বৰ্ষৰ আলোচনীখনক সাৰথি কৰি অনাকাংক্ষিত বিভিন্ন মুহূৰ্তক অতিক্ৰমি কলেজ পৰিয়ালৰ মাথোঁ কেইগৰাকীমান সদস্যৰ লগতহে যোগাযোগ কৰিবলৈ সক্ষম হ'লো। সন্মানীয় সদস্যসকলৰ আৰু বেছি লেখনিৰে সমৃদ্ধ কৰিব পৰা হ'লে স্মৃতিগ্ৰন্থখনিয়ে এক বিশেষ ৰূপ ল'লেহেঁতেন। তথাপি, বৌদ্ধ দৰ্শনৰ বিপাশনা শক্তিয়ে, দৃষ্টিয়ে সকলোকে মানসিক প্ৰশান্তি দিয়াৰ লগতে শক্তিশালী কৰি তোলক। এয়ে আমাৰ কাম্য।

কৃতজ্ঞতা - যিসকল ব্যক্তিয়ে নিজৰ বহুমূলীয়া সময় অতিবাহিত কৰি আমালৈ লেখা আগবঢ়ালে, সেইসকলক সহৃদয়তাৰে কৃতজ্ঞতা জনাইছোঁ। শিৱসাগৰ ছোৱালী কলেজ পৰিচালনা সমিতি তথা হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি ড° যোগেশ বৰা ছাৰ, সন্মানীয় অধ্যক্ষ ড° প্ৰতিম শৰ্মা দুয়োজনৰ উৎসাহ আৰু সহযোগিতাৰ বাবে সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছোঁ। হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিয়ে এইক্ষেত্ৰত আমাৰ ওপৰত ৰখা আস্থাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। সম্পাদনাৰ ক্ষেত্ৰত সততে সহায়ৰ হাত আগবঢ়োৱা সহকৰ্মী সংগীতা, শান্তনা আৰু অভিজিতৰ লগতে সম্পাদনা সমিতিৰ প্ৰতিজন সদস্যৰ ওচৰত আমি কৃতজ্ঞ।

একাধিক প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে বিজ্ঞাপনৰ জৰিয়তে আমাৰ প্ৰতি সহযোগিতা আগবঢ়াইছে, এই সুযোগতে তেখেতসকলক নমস্কাৰ জনাইছোঁ। বিনায়ক অফছেটৰ গৰাকী শ্ৰীমান ৰাজা আৰু প্ৰেছৰ অক্লান্ত কৰ্মী শ্ৰীমান পলাশ, পম্পীকে ধৰি প্ৰতিগৰাকী কৰ্মকৰ্তাকে সস্নেহ ধন্যবাদ জনাইছোঁ।

আজি আমি অনুভৱ কৰিছোঁ হীৰক জয়ন্তী উদ্‌যাপনে কলেজ পৰিয়ালৰ সকলোকে একত্ৰিত হোৱাৰ মিলন ক্ষেত্ৰ প্ৰস্তুত কৰিছে। সম্পাদক হিচাপে আমাৰ বিনম্ৰ প্ৰয়াস আমি পৰস্পৰে পৰস্পৰৰ হাতে হাত ধৰি সুহৃদজনৰ দুহাতত এখনি আটকধুনীয়া স্মৃতিগ্ৰন্থ তুলি দিয়াৰ। এইক্ষেত্ৰত যদি সফল হ'ব পাৰিছো তাৰ মূলতে হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ আৰু সকলো বিফলতাৰ ভাৰ সম্পাদকদ্বয়ে কান্ধ পাতি লৈছোঁ। স্মৃতিগ্ৰন্থখনিত থাকি যোৱা অনিচ্ছাকৃত ভুল ত্ৰুটীৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

সম্পাদকদ্বয়
ৰশ্মিৰেখা গগৈ
শিৱপ্ৰসাদ মিলি

Scanned with OKEN Scanner

সূচীপত্ৰ

❖ ছাঁ পোহৰত শিৱসাগৰ

- আহোম যুগৰ ৰংপুৰৰ শিক্ষা — প্ৰেম গগৈ/১৯
- বুকুত বুৰঞ্জীৰ বৰ্ণাঢ্য বৈভৱ ঃ ৰাপহী মঠাদাঙৰ ৰংৰূপ — বিপুঞ্জয় গগৈ/২৫
- শিৱসাগৰত পৰ্যটন উদ্যোগৰ প্ৰচুৰ সম্ভাৱনীয়তা — ড° উৎপল দত্ত/২৮
- অসমীয়া সাহিত্যৰ বিশালতাৰ বুকুত শিৱসাগৰৰ নাৰীৰ প্ৰতিভাৰ প্ৰতিফলন — ড° বশ্মিৰেখা গগৈ/৩৪

❖ অতীত আৰু বৰ্তমানৰ বুকুত শিৱসাগৰ ছোৱালী কলেজ

- শিৱসাগৰ ছোৱালী কলেজ — যমুনা বৰগোহাঁই/৫০
- এৰি অহা দিনৰ স্মৃতিৰে দুআষাৰ — সোণাৰাম বৰুৱা/৬৫
- মাধুকৰী মাত্ৰাৰ এযুগ — ড° হেমন্ত কুমাৰ ফুকন/৭১
- সোঁৱৰণীৰ ৰঙপেলা মেলি — মনোৰাৰা বেগম/৮৬
- শিৱসাগৰ ছোৱালী কলেজৰ বিজ্ঞান শাখাৰ পঁয়ত্ৰিছ বছৰীয়া বৰ্ণিল পৰিক্ৰমা.... — ভাস্কৰ দত্ত দীপশিখা দত্ত ভূঞা/৮৯
- সোঁৱৰণীৰ কুঁৱলী ফালি কলেজৰ কৰ্মচাৰীসকল আৰু কিছু অনুভৱ — ৰাজকুমাৰ কনচেং/৯৩
- কেন্দ্ৰীয় গ্ৰন্থাগাৰ আৰু তথ্য কেন্দ্ৰ, শিৱসাগৰ ছোৱালী কলেজ ঃ অতীত আৰু বৰ্তমান — অভিজিত ৰবপূজাৰী/৯৬
- শিৱসাগৰ ছোৱালী কলেজৰ "প্ৰাক্তন ছাত্ৰী মঞ্চ"ৰ ইতিহাস বিচাৰি ... — চিত্ৰলেখা গগৈ/১০৩
- শিৱসাগৰ ছোৱালী কলেজৰ মণ্টেছৰী শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী — গৌৰিকা দেৱী/১০৭
- কণ কণ চৰাইৰ চুবুৰি ঃ সংস্কৃতি প্লে' স্কুল — ড° ৰাজশ্ৰী ফুকন/১০৯
- শিৱসাগৰ ছোৱালী কলেজ এক চমু ইতিবৃত্তি — অধ্যক্ষ মঃ হাফিজুৰ ৰহমান/১১২
- আমি কাম কৰি অহা কলেজখন — দ্ৰোণকান্ত কলিতা/১২২

❖ চিন্তন

- নতুন শিক্ষানীতি আৰু অসমৰ কলেজসমূহ — হেম ফুকন/১২৮
- অসমীয়া সাহিত্যৰ বিকাশ, বিস্তাৰ আৰু সমৃদ্ধিত অনুবাদৰ ভূমিকা — ড° কৰবী ডেকা হাজৰিকা/১৩৬

Scanned with OKEN Scanner

- একবিংশ শতিকাৰ অসমীয়া ভাষালৈ ধ্রুপদী মর্যাদা ঃ প্রত্যাহ্বান, সমস্যা আৰু সমাধান ✍ড° **অর্পণা কোঁৱৰ**/১৪২
- লেখকৰ সপোন আৰু যন্ত্রণা ✍**ইছমাইল হুছেইন**/১৫৯
- যুক্তিৰ কষটি শিলেৰে বন্ধা ✍**দিগন্ত ওজা**/১৬২
- যুৱক-যুৱতীৰ হাততেই সমাজখন ✍**চামচুল বাৰিক**/১৬৭
- বীৰেন বৰকটকীৰ কবিতা ✍ড° **জ্যোতিৰেখা হাজৰিকা**/১৭১
- বৈষ্ণৱ যুগৰ নাৰী ঃ মধ্যকালীন অসমৰ সামাজিক প্রস্থিতি ✍ড° **অৰুন্ধতী মহন্ত**/১৮৯

❖ **বিবিধা**

- হেৰুৱা দিনৰ স্মৃতি ✍**আস্মা চেতিয়া** ✍ড° **ৰীতা শর্মা** ✍**অলকা চেতিয়া** ✍**দীপালী শর্মা বৰুৱা** ✍**অনিমা বৰকাকতি** ✍**ৰতিপ্রভা গগৈ** ✍**অমলা দেৱী**/১৯৭
- ১৯৬৪ চনত প্রতিষ্ঠা হোৱা শিৱসাগৰ ছোৱালী কলেজৰ প্রথমখন কলেজ আলোচনীৰ সম্পাদকীয় ✍**জ্যোতি ঠাকুৰ**/২১৭
- সাংস্কৃতিক বিপ্লৱৰ সূচনা ✍**জ্যোতিৰাণী সিংহা**/২২০
- আলোচনী সাহিত্য আৰু সমাজ ✍**নিৰজা বৰুৱা**/২২২
- সাহিত্য আৰু সমাজ ✍**অনুৰূপা দুৱৰা**/২২৪
- শত পুষ্প বিকশিত হওক ✍**নন্দিতা গগৈ**/২২৬
- দুঃসময়ৰ সাহিত্য আৰু ইয়াৰ কিছু চিন্তাধাৰা ✍**দীপজ্যোতি শইকীয়া**/২২৯
- অনন্ত অপাৰ মহা শব্দ শাস্ত্রৰ মহাসিন্ধু মথি আমি আহৰণ কৰো জ্ঞানৰ অমৃত ✍**বিনীতা চেতিয়া**/২৩১
- কোনে কয় নুপুৱায় আঁউসীৰ ৰাতি ✍**নিকুমণি দিহিঙ্গীয়া**/২৩৪

Scanned with OKEN Scanner

ছাঁ পোহৰত শিৱসাগৰ

আহোম যুগৰ ৰংপুৰৰ শিক্ষা

প্রেম গগৈ

আহোম যুগৰ ৰংপুৰত শিক্ষা বুলি ক'লে সেই সময়ত বিশেষকৈ অসমৰ উজনি খণ্ডত প্রচলিত শিক্ষা ব্যৱস্থাকে বুজিব লাগিব। তেৰশ শতিকাত আহোমসকলে পাটকাই পাৰ হৈ আহি সৌমাৰ খণ্ডত এক সুকীয়া ৰাজ্য স্থাপন কৰিছিল। তাই আহোমসকলে প্রথম অৱস্থাত তেওঁলোকে লগত কঢ়িয়াই অনা আচাৰ-ব্যৱহাৰ, সংস্কৃতি, শিক্ষাকে ব্যৱহাৰ কৰিছিল যদিও তেওঁলোকৰ উদ্দেশ্য আছিল এখন সুকীয়া ৰাজ্য স্থাপন কৰা। সেই কাৰণে প্রথমজনা ৰজা চাওলুং চ্যুকাফাই ব্রহ্মপুত্র উপত্যকালৈ লিখিত সামগ্রী, জ্যোতিষ চর্চা, লিখিত পুথি-পাঁজি লগত লৈ আনি তেওঁলোক যে সেই সময়ৰ স্থানীয় লোকতকৈ শ্রেষ্ঠ এই কথা প্রতিপন্ন কৰিব পাৰিছিল।

ৰংপুৰ নগৰখন ১৬৯৬ শকৰ ফাগুন মাহত স্থাপন কৰা হৈছিল। সাতসৰী অসম বুৰঞ্জীত আছে যে ১৬৯৬ শকৰ ফাগুনত ৰুদ্রসিংহ ৰজা হৈ শিওৱি ঘৰত উঠি সিংহাসনত বহি সাতদিন ৰং আনন্দ কৰি পাত্রমন্ত্রী সমস্তকো যোগ্যতা অনুসৰি বঁটা বাহন দিলে আৰু পুখুৰীৰ উত্তৰে বাহৰ কৰি ৰংপুৰ নাম থলে। সেই সময়ত তাহানিৰ অবিভক্ত শিৱসাগৰ নগৰ সামৰি সমগ্র শিৱসাগৰ অঞ্চলকে ৰংপুৰ বুলি কোৱা হৈছিল।

Sibsagar District Gazetter ত এনেদৰে উল্লেখ আছে- 'As the Ahoms gained ascendancy and cansolidated their power, the seats of learning were also shifted to eastern Assam, more particularly to Sibsagar and began to thrive স্বৰ্গদেউসকলৰ ৰাজত্বকালত শিক্ষাৰ প্রাণকেন্দ্র শিৱসাগৰ অর্থাৎ ৰংপুৰত কেন্দ্রীভূত হৈছিল আৰু ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি শিক্ষাই অসমৰ আকাশ উজ্বলাই তুলিছিল। কিন্তু এই শিক্ষা ব্যৱস্থা অতি সীমিত আছিল। কিয়নো সেই সময়ত কোনো এক নির্দ্ধাৰিত শিক্ষা পদ্ধতি নাছিল। গুৰুকুল প্রথা ক্রমাৎ নিশকটীয়া হৈ আহিছিল। যদিও এই যুগত পদ্ধতিগত শিক্ষা ব্যবস্থা নাছিল তথাপি সকলোৱে বিভিন্ন ধৰণৰ শিক্ষা নানা ধৰণেৰে লাভ কৰিবলৈ সমর্থ হৈছিল, যি পুথিগত শিক্ষা নাছিল। যিজন গুৰু বা বিদ্বান ব্যক্তি যি বিষয়ত পাৰ্গত আছিল তেওঁ সেই বিষয়ত শিক্ষা প্রদান কৰিছিল। সর্বসাধাৰণ কাড়ী, পাইক, চমুৱাৰ পুত্রই কোনো পুথিগত শিক্ষা লাভ কৰিব নোৱাৰিছিল। মাত্র ডা-ডাঙৰীয়া, গোঁসাই-ব্রাহ্মণ আৰু ৰাজপৰিয়ালৰ

Scanned with OKEN Scanner

মাজতহে ঘৰৰা শিক্ষা আৰু শিক্ষকৰ ব্যবস্থা আছিল। ধর্মীয় শিক্ষাসমূহ সত্রসমূহৰ যোগেদি দিয়া হৈছিল। নৈতিক শিক্ষাৰ বাবে ব্যবহাৰ কৰা হৈছিল অতীতৰ পৰা প্রচলিত হৈ অহা ডাকৰ বচন, ফকৰা-যোজনা, পটন্তৰ ইত্যাদি। অৱশ্যে বাইলুংসকলে আহোম ধর্মীয় সংক্রান্ত শিক্ষা আৰু চিকিৎসকৰ তত্ত্বাবধানত বুৰঞ্জী, জ্যোতিষ আদিৰ আহোম ভাষাত চর্চা আৰু শিক্ষা দিয়া হৈছিল। (স্বাধীনতা সূর্যৰ ক্রমক্ষয়ীমান পোহৰত অসম বুৰঞ্জী) স্বর্গদেউসকলে পিচত হিন্দু ধর্ম গ্রহণ কৰাত বিশেষকৈ জয়মতি সিংহৰ ৰাজত্ব কালৰ পৰা শিক্ষা ব্যবস্থা নকৈ ঠন ধৰি উঠে। এওঁ সত্র স্থাপন কৰাৰ উপৰিও শিক্ষা বিস্তাৰতো ৰৰঙণি নানা প্রকাৰে আগবঢ়াইছিল বুলি জনা যায়। ৰাজকীয় প্রত্যক্ষ সহযোগ লেখকসকল পণ্ডিতসকলক মাটি-বৃত্তি দান কৰি এনে কার্যত ব্রতী হ'বলৈ অনুপ্রাণিত কৰিছিল। "Energetic and enterprising people from this part of the country visited far away places like Nawadip and banaras in quest of learning, and scholars and learned men, due in a large measure to the patronage of the rulers, visited and often settled permanently in this land..... স্বর্গদেউ ৰুদ্রসিংহ এনে কার্যত আগৰণুৱা আছিল। কুঁৱৰী টোলত ৰাজকুমাৰীসকলক পঢ়াৰ বাবে বনী প্রমথেশ্বৰীয়ে টোল স্থাপন কৰিছিল আৰু স্বর্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত গুৱাহাটী আৰু বংপুৰত ভালেকেইখন মুছলিম শিক্ষাৰ বিদ্যালয় আছিল। ৰুদ্রসিংহই ভালেকেইখন বিদ্যালয় তেওঁৰ ৰাজ্য কালত স্থাপন কৰিছিল বুলি উল্লেখ পোৱা যায়। তেওঁৰ সুযোগ্য পুত্র শিৱসিংহই দেউতাকৰ এনে আদর্শ অনুকৰণ কৰিছিল। ৰুদ্রসিংহ স্বর্গদেউৰ ৰাজ কবি ৰামনাৰায়ণ ওৰফে কবিৰাজ চক্রৱর্তী, 'আনন্দ লহৰী'ৰ ৰচক অনন্ত আচার্য্য আৰু 'মার্কণ্ডেয় চণ্ডী'ৰ অনুবাদক ৰুচিনাথ কন্দলিৰ আত্ম পৰিচয়ত অষ্টাদশ শতিকাৰ শিক্ষানীতি সম্পর্কে কিছু আভাস পাব পাৰি। এইবোৰ বিদ্যালয়ত সংস্কৃত সাহিত্য, জ্যোতিষ দর্শন আদি শিক্ষাৰ উপৰিও কাইথেলী শিক্ষাৰ প্রচলন থকাৰ কথা জানিব পাৰি। মাটিৰ হিচাপ পত্র ৰখাৰ নিয়ম, গণিত, নথি-পত্র, চিঠি লিখা পদ্ধতি, মাটিৰ জোখ-মাখ আদিৰ প্রয়োজনীয় শিক্ষাৰ ব্যবস্থা আছিল। (স্বাধীনতা সূর্যৰ ক্রমক্ষয়মান পোহৰত অসম বুৰঞ্জী)। উল্লেখযোগ্য যে, কাইথেলী বিদ্যা এই বিদ্যাত পাৰ্গত লোকৰ ঘৰত গৈহে ল'ব লাগিছিল আৰু এনেদৰে তেওঁৰ ঘৰখন বিদ্যালয়ৰ দৰে হৈ পৰিছিল। যদিও সেই সময়ত আনুষ্ঠানিক বিশেষ শিক্ষাৰ প্রতিষ্ঠান প্রভৃত নাছিল। আজি এই কথা ক'ব পৰা যায় যে, ত্রয়োদশ শতিকাৰ পৰা ওঠৰ শ শতিকাৰ আৰম্ভণিলৈকে বিভিন্ন ধৰণেৰে শিক্ষা ব্যবস্থাই বিস্তাৰ লাভ কৰিছিল। মান-মৰাণৰ বিদ্রোহ, আভ্যন্তৰীণ কন্দল আদিৰ প্রতাপত অসমৰ তথা শিৱসাগৰৰ শিক্ষা আৰু সাংস্কৃতিক জীৱন বিপর্যস্ত হৈ পৰিছিল।

অসমৰ জাতীয় জীৱনত তাই আহোমসকলৰ অৱদান সদায় স্মৰণীয়। তেওঁলোকৰ ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান আদিয়ে অসমৰ সংস্কৃতিত গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আহিছে। আহোম ৰাজত্বৰ শিক্ষা এক অতি স্পর্শকাতৰ বিষয়। শিক্ষা বুলি ক'লে অকল পঢ়াশলীয়া বা গুৰুগৃহত লাভ কৰা শিক্ষাই যে যথেষ্ট নহয় সেয়া আহোমসকলে বুজিছিল। আচলতে বিদ্যা হ'ল সর্বশক্তিমান। আহোম ৰাজত্বত এই সর্বশক্তিমান শিক্ষাকে স্বর্গদেউসকলে বিভিন্ন শিতানত ভাগ কৰি বুৰঞ্জী, চৰিত পুথি,

আহোম ভাষাৰ শিক্ষা, সংস্কৃত ভাষাৰ শিক্ষা, সোণ ৰূপৰ অলংকাৰ বনোৱা শিক্ষা, বাঁহ কাঠ, বেত শিল্পৰ শিক্ষা, কৃষি কর্মৰ শিক্ষা, হাঁহ-কুকুৰা, গৰু-গাহৰি, ম'হ পালন শিক্ষা, যুদ্ধত ব্যবহৃত জন্তুৰ শিক্ষা, বাণিজ্যিক শিক্ষা আদিয়েই প্রধান।

তাই আহোম ভাষাৰ শিক্ষাৰ যোগেদি আহোম যুগৰ সাহিত্যৰ জগতখন বহুৰূপে বিকশিত হৈ উঠিছিল। সেই যুগত সংস্কৃত আৰু অসমীয়া ভাষাৰ চর্চাৰ লগতে তাই আহোম ভাষাৰ চর্চাও বিশেষভাৱে কৰা হৈছিল। আহোম যুগত অসমীয়া আৰু সংস্কৃত ভাষাই যিদৰে বিকাশ লাভ কৰিছিল একেদৰে তাই ভাষাও বিকশিত হৈছিল। কিন্তু বর্তমান সময়ৰ মানুহে আহোম যুগৰ অসমীয়া ভাষা সাহিত্যৰ বিষয়ে যিমানে জানে তাই সাহিত্যৰ বিষয়ে সিমানে অজ্ঞ হৈ আছে। অসমৰ বুৰঞ্জী সংস্কৃতি সভ্যতাৰ দিশ উন্মোচিত কৰিবলৈ হ'লে আহোম যুগৰ তাই ভাষাৰ সাহিত্যসমূহ, পুথিসমূহ অধ্যয়ন কৰাৰ একান্ত আৱশ্যকতা আছে। অসমীয়া ভাষা-সাহিত্যৰ লগত সংস্কৃত ভাষা-সাহিত্যৰ যিদৰে ওতঃপ্রোত সম্পর্ক আছে তেনেদৰে অসমৰ তাই ভাষা-সাহিত্যৰ লগতো অসমীয়া ভাষাৰ সম্পর্ক এৰাব নোৱাৰা। আহোম যুগৰ তাই সাহিত্যত প্রধানকৈ বুৰঞ্জী সাহিত্যই বিকাশ লাভ কৰিছিল। ইয়াৰোপৰি ধর্মীয় সাহিত্যৰ বিকাশে অন্যতম। অন্যহাতে জ্যোতিষ পুথি, যোজনা পুথি, চিকিৎসা পুথি, সৰু বৰ অসংখ্য শব্দকোষ পুথিও এই আহোম যুগৰ অন্যতম অৱদান। এইটো উল্লেখযোগ্য যে, অসমত তাই ভাষাতেই প্রথম অসমীয়া ভাষাৰ লগত সম্পর্ক ৰক্ষা কৰা শব্দকোষ লিখা হৈছিল।

তাই আহোমসকল নিজা ভাষা সংস্কৃতিত অতি চহকী আছিল। দেশত তাই আহোম ভাষাৰ শিক্ষা দিবৰ বাবে স্বর্গদেউসকলে তাই আহোম পণ্ডিত নিয়োগ কৰিছিল। এই সেৱাৰ বাবে তাই পণ্ডিতে ৰজাঘৰৰ পৰা সাতশ পুৰা মাটি আৰু কুৰি গোট লগুৱা লিকচৌ পাইছিল। সহকাৰী পণ্ডিতসকলে ছয় পুৰা মাটি লাভ কৰাৰ উপৰিও ছপোৱা পাইক পাইছিল। সেই সময়ত চিৰিং ফুকন আৰু বৰ চিৰিং ফুকন নামৰ দুজন বিষয়া আছিল। তেওঁলোকে আহোম ভাষা শিক্ষা দিয়াৰ ওপৰত চকু ৰাখিছিল। শিক্ষার্থীসকলে অম্ল (অভিধান) খন জানি উঠাৰ পিচত অন্য তাই ভাষাৰ পুথি পঢ়িবলৈ পাইছিল। প্রায়বিলাক সম্ভ্রান্ত আহোমৰ ল'ৰা-ছোৱালীক নিয়মীয়াকৈ তাই আহোম ভাষাৰ শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। 'বৰৰজা' ফুলেশ্বৰী কুঁৱৰীয়ে ৰংপুৰৰ মেটেকাত 'বৰৰজাৰ পঢ়াশালি' নামেৰে এখন স্কুল খোলাৰ কথা বুৰঞ্জীত পোৱা যায়।

সংস্কৃত ভাষাক মর্যাদা প্রদান কৰি তেওঁলোকে এটা মহৎ কাম কৰিছিল। অসমৰ অনার্য সংস্কৃতিৰ সৈতে আর্য সংস্কৃতিৰ সমন্বয় সাধনৰ বাবে আহোম স্বর্গদেউসকলে সংস্কৃত ভাষা শিক্ষাৰ ব্যৱস্থা কৰিছিল। তেওঁলোকে অসমীয়া ভাষাক গঢ় দি ৰাষ্ট্রভাষাৰ মর্যাদা দি যি দৃষ্টান্ত দাঙি ধৰিলে পৃথিবীৰ বুৰঞ্জীতে এনে দ্বিতীয় উদাহৰণ নাই। অসমীয়া ভাষা-সংস্কৃতি বিকাশৰ বাবে স্বর্গদেউসকলে অনেক সংস্কৃত ভাষাৰ পণ্ডিতক মাটি-ভেটি দি স্থাপন কৰি টোল পাতি দিছিল। ইয়াৰোপৰি কেইবাজনো স্বর্গদেৱে সংস্কৃত ভাষা ভালকৈ জানিছিল। স্বর্গদেউ লক্ষ্মীসিংহ ৰাজপাটত বহা আগতে ৰমানন্দ নামৰ

Scanned with OKEN Scanner

এজন পণ্ডিতৰ টোলত বিদ্যা শিক্ষা গ্ৰহণ কৰাৰ কথা জনা যায়। স্বৰ্গদেউ ৰুদ্ৰসিংহই সংস্কৃত ভাষা শিক্ষা আহৰণৰ অৰ্থে নৱদ্বীপ, কাশী আদি ঠাইলৈ শিক্ষাৰ্থী পঠাইছিল। এইজনা স্বৰ্গদেৱে 'ভাস্বতী' নামে এখন জ্যোতিষ শাস্ত্ৰ পুথি সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰোৱাইছিল। এই অনুদিত পুথিৰ দ্বাৰাইও ৰাজকোঁৱৰসকলক শিক্ষা দিয়া হৈছিল। উপযুক্ত শিক্ষা পাই ৰামচন্দ্ৰ বৰপাত্ৰই 'যোগিণীতন্ত্ৰ' অসমীয়ালৈ অনুবাদ কৰিব পাৰিছিল।

সত্ৰ আৰু নামঘৰবোৰত ধৰ্মীয় বা নৈতিক শিক্ষা দিয়া হৈছিল। মেধি, সাতোলা আৰু গাঁওবুঢ়াসমূহেই আছিল অবৈতনিক শিক্ষক আৰু নামঘৰেই আছিল বিদ্যালয়। অভিজ্ঞতা, জ্ঞান, উচিত-অনুচিত, কৰা-নকৰা, লাগে-নেলাগে আদি অনেক কথাৰ জ্ঞান সত্ৰাধিকাৰ, সন্ত-মহন্ত, গোসাঁই আদিয়ে দিছিল। দেশৰ প্ৰজাৰ মাজত নৈতিক শিক্ষাৰ যাতে বিকাশ হয় তাৰ বাবে স্বৰ্গদেউসকলে সত্ৰসমূহক পৃষ্ঠপোষকতা কৰিছিল। নামঘৰে নামঘৰে গৈ ধৰ্মৰ নৈতিক শিক্ষা, দিয়া, কীৰ্ত্তন ভাগৱত আদি পাঠ কৰা ব্যাখ্যা কৰা নিয়ম আছিল। অন্যহাতে আহোম পুৰোহিত মহন, দেওধাই, বাইলুংসকলে তাওবাদ, ফুৰালুং আৰু অনেক নীতি কথা শিকাইছিল। আহোম ভাষাত থকা নীতি শ্লোকবোৰ গাই শুনোৱা হৈছিল আৰু তাৰ ভাৱাৰ্থ, গূঢ়াৰ্থ আৰু ব্যঞ্জনা বুজাই দিয়া হৈছিল। এইটো উল্লেখযোগ্য যে, স্বৰ্গদেউ কমলেশ্বৰ সিংহই নীতি শিক্ষা দিবৰ বাবে 'নীতি লতাংকুৰ' পুথি অসমীয়ালৈ অনুবাদ কৰাইছিল।

সেই সময়ত আহোম ৰাজ্যত স্ত্ৰী শিক্ষাৰো প্ৰচলন আছিল। পৰিয়ালৰ মাক-দেউতাকেই আছিল শিক্ষক-শিক্ষয়িত্ৰী। তাঁত ব'বলৈ, সূঁতা কাটিবলৈ, ফুল তুলিবলৈ, বুটা বাচিবলৈ, গুণা কৰিবলৈ আৰু তাঁত বোৱাৰ সমস্ত কাৰ্যৰ শিক্ষা মাকে জীয়েকহঁতক দিছিল। প্ৰত্যেক ঘৰতে একাধিক তাঁতশাল আছিল। ঘৰতে পুথিগত শিক্ষাও দিয়া হৈছিল। ঘৰৰ পঢ়াশালিতে পঢ়ি প্ৰত্যেক নাৰীয়ে শিক্ষা আহৰণ কৰিছিল। সেই সময়ত ভাল শিক্ষিতা নাৰীৰ সংখ্যা কম নাছিল। চাওচিং কুঁৱৰী এগৰাকী বিদুষী মহিলা আছিল। তেওঁৰ পৰামৰ্শমতে স্বৰ্গদেৱে গড়গাঁও নগৰৰ গড় আৰু বৰপাত্ৰ গোহাঁই বিষয়বাব সৃষ্টি কৰিছিল। বুৰঞ্জীত আছে এইগৰাকী বিদুষী নাৰীয়ে 'ভৰিৰে আহোম আখৰকো লেখিছিল।' বৰৰজা ফুলেশ্বৰী কুঁৱৰী, ৰাণী অম্বিকা বা মদাম্বিকা, ৰাণী সৰ্বেশ্বৰী, স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ বোৱাৰী প্ৰমদা কুঁৱৰী আদি বিদ্যানুৰাগী আছিল বুলি বুৰঞ্জীত তথ্য পোৱা যায়।

বুৰঞ্জী আহোম ভাষাৰ শব্দ 'বু' মানে অতীত, নজনা 'ৰণ' মানে শিক্ষা আৰু 'জী' মানে ভঁৰাল। অৰ্থাৎ নজনা কথাৰ শিক্ষাৰ ভঁৰাল। বুৰঞ্জীত অতীতৰ কথাই থাকে। বুৰঞ্জীসমূহত দেশৰ কথা, বিদেশৰ কথা, বংশ পৰিয়াল, শাসন, শিক্ষা-দীক্ষা, যুঁজ-বাগৰ, জয়-পৰাজয়, শৌর্য-বীর্য, ৰাজনীতি, সমাজনীতি আদি কথা থাকে। সেই কথাবোৰ সম্ভ্ৰান্ত আহোম পৰিয়ালে জনা, অধ্যয়ন কৰা আৰু লিখি সংৰক্ষণ কৰাটো এক পবিত্ৰ আৰু মহান কৰ্তব্য বুলি বিবেচনা কৰিছিল। বুৰঞ্জী লিখাৰ প্ৰথা স্বৰ্গদেউ চাওলুং চ্যুকাফা অসমলৈ অহাৰ পৰাই অসমত সৃষ্টি হৈছিল।

কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰতো অসম দেশ আগৰণুৱা আছিল। কুটিৰ শিল্পৰ বাবে আহোমসকল

বিশেষভাবে জনাজাত আছিল। আহোম ৰাজত্বত দেশখনৰ নাগৰিকসকলৰ বাবে বিভিন্ন ধৰণৰ ফলপ্ৰসূ কৰ্মমুখী আঁচনি আছিল। স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত মোমাই তামুলী বৰবৰুৱাই গাঁও সংগঠনৰ দায়িত্ব পাইছিল। তেওঁ নতুনকৈ গাঁও সংগঠন কৰি কুমাৰ, কমাৰ, সোণাৰি, সোণোৱাল, ৰূপোৱাল আদিক সুকীয়া সুকীয়াকৈ পতাৰ দিন ধৰি শিক্ষালোৱ বংশগত হৈ পৰে। নামঘৰৰ পৰা পাইকৰ নিৰঞ্জন কৰাৰ ফলটো কুটীৰ শিল্পলোৱ বংশগত হৈ পৰে। শিলকুটি খনিকৰ, ধেনুচোঁচা, যাঠিপতিয়া আদি খেলৰ মানুহে নিজ নিজ খেলত থাকি বিদ্যাৰ কামলোৱ কৰি গৈছিল। বিশেষকৈ এই কামবোৰৰ বাবে ৰজাঘৰৰ পৰা পৰিদৰ্শনৰ ব্যৱস্থা কৰি দিহা পৰামৰ্শ দিয়াৰ ব্যৱস্থা আছিল।

আহোম যুগত স্থপতি বিদ্যাৰ উল্লেখযোগ্য উৎকৰ্ষ সাধন হৈছিল। চাং ৰং ফুকনৰ অধ্যক্ষতাত স্থাপত্যৰ কামবোৰ নিয়ান্ত্ৰিকৈ কৰোৱা হৈছিল। এইগৰাকী চাং ৰং ফুকনৰ অধ্যক্ষতাত তৈয়াৰ কৰা নক্সা আদি স্বৰ্গদেউৰ অনুমোদনৰ পিচতে নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল আৰু যুদ্ধকালীন ক্ষিপ্ৰতাৰে কামবোৰ কৰিছিল। অধ্যক্ষই এইবোৰৰ হিচাপ নিকাচো সুচাৰুৰূপে ৰাখিছিল। স্থপতি বিদ্যা লোলোতে দৌল, দেৱালয়, মঠ মন্দিৰ, ৰাজ কাৰেং, সাঁকো, মৈদাম আদি নিৰ্মাণৰ কামলোৰেই প্ৰধান আছিল। ইয়াৰ লগতে ভাস্কৰ্য্য সমানে আগবাঢ়ি গৈছিল। স্থপতি কৰ্মক জীৱন্ত কৰি তুলিবৰ বাবে বহুণ কৰা এটা খেলৰ সৃষ্টি কৰা হৈছিল। প্ৰধানকৈ মুছলিম সম্প্ৰদায়ৰ লোকক এই কাৰ্যত নিয়োগ কৰা হৈছিল।

বিভিন্ন প্ৰকাৰৰ বাচন-বৰ্তন তৈয়াৰ কৰাৰ শিক্ষাও এই যুগত এক অন্যতম শিক্ষা আছিল আৰু ইয়াৰ বাবে শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। কুমাৰে মাটিৰ চৰু, কলহ ইত্যাদি আৰু কাঁহাৰ খেলটোৱে কাঁহ পিতল বিবিধ সামগ্ৰী তৈয়াৰ কৰিছিল। 'তাম' তাই ভাষাৰ শব্দ। তামৰ ফলি, নানা অলংকাৰ, কাঁহী বাতি আদি তৈয়াৰ কৰা হৈছিল। মৰিয়াই মৰিয়াই বাচন বৰ্তন তৈয়াৰ কৰা বাবে মৰিয়া নামৰ এটা খেলৰো সৃষ্টি হৈছিল। এই বাচন বৰ্তনবোৰে অসমৰ বাহিৰতো সমাদৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছিল। সেই সময়ত যদিও আনুষ্ঠানিক বিজ্ঞান শিক্ষাৰ অনুষ্ঠান নাছিল তথাপি বিজ্ঞান বিষয়ৰ সাধাৰণ জ্ঞান প্ৰতিজন আহোম মানুহৰে আছিল। বিশেষকৈ পুখুৰী এটা খন্দা, পুখুৰী নক্সা নিৰ্মাণ, 'দ' পাৰ আদি কেনে হ'ব তাক আগতেই নিৰ্মাণ কাৰ্যত জড়িত সকলক বুজাই দিয়া হৈছিল। একেদৰে দৌল-দেৱালয়, কাৰেং, শিলাসাঁকো আদি নিৰ্মাণৰ ক্ষেত্ৰতো বনুৱাসকলক উপযুক্ত কৰি লোৱা হৈছিল। এই বিজ্ঞান মানসিকতা সেই সময়ত সকলোৰে মাজত আছিল। চিকিৎসাৰ বিষয়ৰ শিক্ষাও আহোম যুগত পিচপৰা নাছিল। গছৰ গুটি, গছৰ ছাল, শিপা, বন, লতা আদি ঔষধ হিচাপে ব্যৱহাৰ কৰা হৈছিল। আদা, জালুক, পাণৰ পিপলি, শিলিখা, জাইফল, যম লাখুটি, পুৰণা গুৰ, জন্তুৰ তেল আদিও চিকিৎসা ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল। চিকিৎসক ৰূপে বেজবৰুৱাৰ উপৰিও অনেক সৰু ডাঙৰ বেজ আছিল। জীৱ জন্তুৰ চিকিৎসাও কৰা হৈছিল। 'হস্তীবিদ্যাৰ্ণৱ' পুথি ইয়াৰ জ্বলন্ত উদাহৰণ।

আহোম যুগৰ আটাইতকৈ উল্লেখনীয় শিক্ষা হ'ল সামৰিক শিক্ষা। আহোম স্বৰ্গদেউসকলে বুজি পাইছিল যে অপৰাজেয় সামৰিক শক্তিৰ অবিহনে দেশৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাটো সম্ভৱ নহয়।

গতিকে এই বিভাগটো মজবুত কৰিবৰ বাবে নানা ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। পুৰুষ নাৰী উভয়ে এই সামৰিক শিক্ষা গ্ৰহণ কৰিব লাগিছিল। অৱশ্যে সত্ৰাধিকাৰ, ভকত-বৈষ্ণৱ, গোসাঁই, মহন্ত আদিয়ে সামৰিক শিক্ষা গ্ৰহণ কৰিব লগা নহৈছিল। জল স্থল উভয়তে সৈনিকসকলক পাৰ্গত কৰাৰ দায়িত্ব আছিল সেনাপতিসকলৰ। সেনাপতিসকলে শিক্ষা প্ৰদান কৰি নিপুণ সৈনিক তৈয়াৰ কৰিছিল। ধনু-কাঁড় মৰা, যাঠী দলিওৱা, তৰোৱাল চালনা, হিলৈ বৰতোপ ফুটুৱা, নাৱত উঠি যুদ্ধ কৰা, নাও বোৱা, বোৱতী সোঁতত নাও স্থিৰে ৰখা, ব্ৰহ্মপুত্ৰৰ দৰে নদীত নাও মেলি ইপাৰ সিপাৰ হ'ব পৰাকৈ ৰাস্তা বনোৱা আদি শিক্ষাবোৰ দিয়া হৈছিল। এটা ৰতোপৰ গুলী কিমান দূৰৈত পৰিব পাৰে, কিমান খাৰ বান্ধদৰ প্ৰয়োজন তাৰো হিচাব যোদ্ধাসকলে জানিব লাগিছিল। শিক্ষা লাভ কৰা সকলৰ পঞ্জীয়ন কাম বজা ঘৰৰ পৰা কৰা হৈছিল। যুদ্ধৰ কলা-কৌশল প্ৰদৰ্শন কৰাটো যোদ্ধাসকলৰ নিয়ম আছিল।

আহোম যুগৰ শিক্ষা এটা বিশাল বিষয়। ইয়াত এখন ৰাজ্যৰ বাবে প্ৰয়োজনীয় সকলো শিক্ষাই সোমাই আছে। এনে শিক্ষা থকা বাবেহে আহোম ৰাজ্য ছয়শ বছৰ পৰ্য্যন্ত টিকি আছিল আৰু মোগলে সোতৰবাৰকৈ আক্ৰমণ কৰিও দেশ ল'ব পৰা নাছিল।

ৰংপুৰ যিহেতু আহোম ৰাজত্বৰ কেন্দ্ৰবিন্দু আছিল। গতিকে ৰংপুৰত ৰাজত্ব কৰা আহোম স্বৰ্গদেউসকলে ৰংপুৰত যি শিক্ষা প্ৰৱৰ্ত্তন কৰিছিল সি সমগ্ৰ অসমতে বিয়পি পৰিছিল।■

অসমৰ এজন বিশিষ্ট কবি, সাহিত্যিক শ্ৰীযুত প্ৰেম গগৈ শিৰসাগৰৰ।

Scanned with OKEN Scanner

বুকুত বুৰঞ্জীৰ বৰ্ণাঢ্য বৈভৱ ঃ ৰূপহী মঠাদাঙৰ ৰংৰূপ

বিপুঞ্জয় গগৈ

বুকুত ৰংঘৰক সাৱতি লৈ থকা ৰূপহী পথাৰ সংলগ্ন আমাৰ বুৰঞ্জী বিখ্যাত মঠাদাং গাঁওৰ দৰে উজনি অসমত আৰু তিনিখন মঠাদাং গাঁও আছে। এখন দিখৌ নদীৰ উত্তৰ পাৰে থকা মঠাদাং, এখন গোলাঘাটৰ ধোদৰ আলিৰ ফালে থকা মঠাদাং আৰু আন এখন আছে লক্ষীমপুৰৰ ফালে। পিছে ঘাই মঠাদাং গাঁওখন যে ৰূপহী পথাৰৰ সংলগ্নখনেই তাক বুৰঞ্জী আৰু ভৌগোলিক স্থিতিৰে ঠাৱৰ কৰিব পাৰি। মঠাদাং গাঁওৰ নামটোৱেই ইয়াৰ তাই মংগোলীয় গুৰিৰ কথাটো ব্যঞ্জিত কৰে।

ছশ বছৰীয়া (১২২৮-১৮২৬) আহোম ৰাজত্বৰ বুৰঞ্জীত মঠাদাং গাঁওৰ নামটো বিভিন্ন ধৰণে উচ্চাৰিত হৈছে। আজিৰ মঠাদাং গাঁওৰ মানুহৰ উপাধি গগৈ, ৰাজখোৱা, লাহন, দিহিঙ্গীয়া আদি হ'লেও বুৰঞ্জীত থকা,যুদ্ধত নেতৃত্ব লোৱা 'মঠাদাঙীয়া ফুকন'ৰ উল্লেখে ইয়াত যে এই ফুকন খেলৰো মানুহ আছিল তাক ভাবিব পাৰি। ৰাজ্যখনত থকা চাৰিখনকৈ মঠাদাং গাঁওৰ ভিতৰত এই ৰূপহী পথাৰৰ সংলগ্ন ৰূপহী মঠাদাং গাঁওখনেই বুৰঞ্জীৰ বিভিন্ন বৈভৱ লৈ আমাক মঠাদাঙীয়া হিচাপে গৌৰৱান্বিত কৰে।

আমাৰ ৰূপহী মঠাদাং গাঁওৰ দিখৌ নৈৰ উত্তৰ পাৰে থকা কমাৰফদীয়া গাঁওক সেই গাঁওৰেই যশস্বী সন্তান ডিম্বেশ্বৰ নেওগে 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ' বুলি কোৱাৰ দৰে আমিও গৌৰৱৰে ক'ব পাৰোঁ যে আমাৰ ৰূপহী মঠাদাং গাঁওখনো ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ বুলি।

ৰূপহী মঠাদাং গাঁওৰ মাজেদি বুৰঞ্জীৰ বিভিন্ন ঘটনাৰ সাক্ষী দিখৌ নৈ বৈ গৈছে। ক'বলৈ গ'লে আমাৰ গাঁৱৰ উজনি নামনিৰ দুয়োটা খণ্ডকেই দিখৌ নৈয়ে মেৰাই আছে। আমাৰ গাঁৱৰ পথাৰখনেই হৈছে অনেক ইতিহাসৰ স্মাৰক ৰূপহী পথাৰ। এই ৰূপহী পথাৰৰ বুকুত ৰংঘৰ থকা কথাটোৱেই কব যে আমাৰ এইখন ৰূপহী পথাৰৰ বুকুতেই আহোম ৰজাৰ দিনত অনুষ্ঠিত হোৱা বিভিন্ন খেল-ধেমালি আৰু ৰঙ-ৰহইচৰ কথা। আকৌ গাঁওখনৰ উত্তৰে যদি দিখৌ নৈ বৈ গৈছে, ইয়াৰ মাজেদি গৈছে ৰজা দিনীয় বিখ্যাত দুবৰিয়ণী আলি। এই আলি ভটিয়াপাৰৰ পৰা মেটেকা

বগীদ'লৈকে নির্মাণ কৰিছিল চাওফা ৰুদ্রসিংহই (১৬৯৫-১৭১৪)।

আমাৰ ৰূপহী মঠাদাং সংলগ্ন এই দুৰৱিয়ণী আলি আৰু দিখৌ নৈৰে যে তাহানিতে ৰজাৰ দিনত যুদ্ধ আৰু যাতায়াতৰ ব্যৱস্থা হৈছিল সেয়া সহজ অনুমেয়।

ৰংঘৰ নির্মাণ কৰা ৰুদ্রসিংহৰ দ্বিতীয় পুত্র প্রমত্ত সিংহৰ দিনৰে পৰা লক্ষীসিংহ হৈ গৌৰীনাথ সিংহৰ দিনলৈকে এই কালখণ্ডত আমাৰ মঠাদাং গাঁৱৰ স্থিতি আৰু গুৰুত্ব অধিক জনা যায়। বিশেষকৈ গৌৰীনাথ সিংহৰ দিনত যি মায়ামৰীয়া বিদ্রোহীৰ দৌৰাত্ম্য চলিছিল সেই ১৭৬৯ চনৰেই পৰা আমাৰ মঠাদাং গাঁৱৰ নামটো বিভিন্ন ধৰণে উচ্চাৰিত হৈছে বুৰঞ্জীত। ১৭৮৭ চনত আমাৰ ৰাজমন্ত্রী পুর্ণানন্দ বুঢ়াগোহাঁয়ে মায়ামৰীয়াক ভেটিবলৈ বিবুধি গড় সাজিও মায়ামৰীয়াক ভেটিবলৈ অপৰাগ হ'লেও পিছলৈ বুঢ়াগোহাঁইৰ কৌশলত মায়ামৰীয়া পৰাস্ত হয়। এই পৰাজিত মায়ামৰীয়াৰ নেতাবোৰক আমাৰ ৰাজমন্ত্রী পুর্ণানন্দ বুঢ়াগোহাঁয়ে যি শাস্তি দিলে তাৰ সৈতে আমাৰ মঠাদাং গাঁও জড়িত হৈ আছে। প্রখ্যাত বুৰঞ্জীবিদ্ সর্বানন্দ ৰাজকুমাৰে তেওঁৰ সুখ্যাত 'ইতিহাসে সোঁৱৰা ছশ বছৰ' বুৰঞ্জীত মায়ামৰীয়া যুদ্ধৰ প্রসংগত আমাৰ ৰূপহী মঠাদাং গাঁৱৰ কথা লিখিছে। বুৰঞ্জীবিদজনৰ তথ্য অনুসৰি পৰাজিত মায়ামৰীয়াৰ নেতা বহুখিনিক আমাৰ ৰূপহী মঠাদাং গাঁৱৰ দিখৌৰ ডুবি এটাৰ পাৰলৈ মাতি আনি এই দ' ডুবিত গতিয়াই পেলাই হত্যা কৰিছিল। আজি আমাৰ মঠাদাং গাঁৱৰ নামনি ভাগত যি 'মতামৰীয়া ঘাট' আছে সেই মতামৰীয়া ঘাটেই হৈছে সেই মোৱামৰীয়াক মাতি মৰা ঘটনাৰ সজীৱ স্মাৰক মতামৰীয়া ঘাট। এই ঐতিহাসিক নামটোৰ পৰাই আমাৰ গাঁৱৰ নামনি ভাগক মঠাদাং গাঁৱৰ মাজৰেই 'মতামৰীয়া গাঁও' বুলিও কয়। কেতবোৰ বুৰঞ্জীত উল্লেখ থকা মতে আমাৰ প্রবল প্রতাপশালী ৰাজমন্ত্রী পুর্ণানন্দ বুঢ়াগোহাঁয়ে আজি আমাৰ জি. জি. এছ. চাৰিআলিৰ দুবৱিয়ণী আলিৰ দাঁতিত বাস কৰিছিল। মানে আমাৰ ৰূপহী মঠাদাং গাঁৱৰ পৰাই ৰাজমন্ত্রী জনাই বিভিন্ন ঐতিহাসিক ঘটনা সংঘটিত কৰাৰ অনুঘটক হৈছিল।

আমাৰ ৰূপহী মঠাদাং গাঁৱৰ চৌপাশৰ গাঁও বা অঞ্চলবোৰো হৈছে আমাৰ গাঁৱৰ বিভিন্ন ঘটনাৰ সাক্ষীয়েই নহয় ইয়াৰ অংশীদাৰো। আমাৰ গাঁৱৰ সংলগ্ন পূব দিশত থকা দিছিয়াল, ঢুলীয়াপাৰ, মৌপুৰীয়া আৰু পশ্চিম দেশত থকা লাহিঙিয়া, বনগাওঁ আৰু ভটীয়াপাৰ হৈছে একোখন ঐতিহাসিক গাঁও বা অঞ্চল। ৰজা দিনীয় চাৰিটা বিখ্যাত পাৰ কাঠপাৰ, চেৰেকাপাৰৰ লগতে আছে আমাৰ গাঁৱৰ সংলগ্ন ঢুলীয়াপাৰ আৰু ভটীয়াপাৰ। এইবোৰ ঠাইত আহোম ৰজা ৰুদ্রসিংহই বিত্তিয়াল মানুহবোৰ বহুৱাইছিল। ভাটিৰ দেশৰ পৰা মানুহ আনি বহুৱাইছিল ভটীয়াপাৰত।

আমাৰ মঠাদাং গাঁও যিটো মৌজাৰ অন্তর্ভুক্ত তাৰ নাম মেটেকা বনগাঁও মৌজা। এই মেটেকা অঞ্চললৈকে ৰুদ্রসিংহই আহোম ৰজাৰ ৰাজধানী আনি যি ৰংপুৰ নগৰ গঢ়িছিল সেই ৰংপুৰ নগৰৰ প্রায় ভিতৰুৱা হৈছিল আমাৰ ৰূপহী মঠাদাং গাঁওখন। সেয়ে আমাৰ মঠাদাং গাঁওখন ৰজা আৰু ৰাজধানীৰ বিভিন্ন সুখ সুবিধা লাভ কৰাৰ লগতে বিভিন্ন যুদ্ধ বা বিদ্রোহৰ বিষম ফলবোৰো যে ভোগ কৰিছিল তাক অনুমান কৰা কষ্ট নহয়। মাজতে মোৱামৰীয়া মান আৰু মহামাৰীৰ মাৰঘাত

Scanned with OKEN Scanner

মঠাদাং গাঁৱতো পৰিছিল নিশ্চয়। তথাপি আমাৰ মঠাদাং গাঁও তাৰ সংলগ্ন আন কেইখন গাঁৱৰ সৈতে পুনৰ ঠন ধৰি উঠিল। স্বাধীনতা আন্দোলনৰ পৰা বিদেশী খেদা আন্দোলনৰ সময়লৈকে আমাৰ ৰূপহী মঠাদাং গাঁৱৰ অংশ গ্ৰহণ আছে।

মূলতঃ কৃষিজীৱী হ'লেও গাঁওখনে স্বাধীনোত্তৰ সময়ত দেশলৈ অহা শিক্ষা আৰু বিভিন্ন বৃত্তিত সংস্থাপন এইবোৰৰো অংশীদাৰ হৈছে।

আমাৰ ৰূপহী মঠাদাং গাঁৱৰ মাটিৰ তলৰ পৰা অ' এন জি চিৰ দহটামান খাদৰ পৰা পাইপেৰে যিমান খাৰুৱা তেল বিগত সময়খিনিত নিছে তাৰ যদি দশমিক শূন্য এক শতাংশৰ মূল্যও আমাৰ ৰূপহী মঠাদাং গাঁৱৰ মানুহক দিয়াহেঁতেন আমাৰ গাঁৱৰ প্ৰতি ঘৰৰ মানুহৰ ঘৰ সোণেৰে সজাৰ পিছতো আৰু হাজাৰ কৌটি ধন থাকি গ'লহেঁতেন।

আমাৰ ৰূপহী মঠাদাং গাঁৱৰ মাজত প্ৰাথমিক আৰু উচ্চ মাধ্যমিক দুয়োখনেই বিদ্যালয় আছে।

শিক্ষা সংস্কৃতি আৰু সাহিত্য শিল্প চৰ্চাৰ ক্ষেত্ৰতো আমাৰ ৰূপহী মঠাদাং গাঁৱৰ নাম আছে। দেশ সমাজৰ বিভিন্ন অবক্ষয়ে আমাৰ ৰূপহী মঠাদাং গাঁৱৰ মানুহকো স্পৰ্শ কৰিছে। তথাপি নল মৰি গজালি ওলোৱাৰ নীতিৰে এইবোৰ ৰোধ কৰা বা পৰিপূৰণ কৰা নতুন প্ৰজন্মৰো জন্ম হৈ আছে।

আমাৰ দৰে কৰ্মসূত্ৰে যিসকলে গাঁৱৰ বাহিৰত আছোঁ সেই সকলেও দৰাচলতে আমাৰ অতি আপোন এইখন ৰূপহী মঠাদাং গাঁৱক অবিৰত বুকুত লৈয়েই আমি মঠাদাং গাঁৱৰ সন্তান বুলি গৌৰৱান্বিত হৈ থাকোঁ।

অসমৰ এগৰাকী সুপৰিচিত নিবন্ধকাৰ, শিৱসাগৰৰ ব্যক্তি শ্ৰীযুত ৰিপুঞ্জয় গগৈ বৰ্তমান গুৱাহাটীৰ বাসিন্দা।

Scanned with OKEN Scanner

শিৱসাগৰত পর্যটন উদ্যোগৰ প্রচুৰ সম্ভাৱনীয়তা

ড°উৎপল দত্ত

জ্ঞান অন্বেষণৰ বাবেই হওঁক অথবা অৱসৰ বিনোদনৰ বাবেই হওঁক নাইবা ব্যৱসায়জনিত কাৰণতেই হওঁক সকলো মানুহৰে ফুৰাৰ এক হেঁপাহ থাকে। সেয়েহে মানুহে দৈনন্দিন ব্যস্ততাপূর্ণ জীৱনৰ সকলো কামকাজ একাষৰীয়াকৈ ৰাখি সময়ে সময়ে আনস্থানলৈ ফুৰিবলৈ যায়। এই ভ্রমণৰ স্থান স্বদেশৰ ভিন্ন প্রান্ত হ'ব পাৰে অথবা বিদেশৰ কোনো স্থান হ'ব পাৰে।

পর্যটন বর্তমান এক উদ্যোগলৈ পর্যবসিত হৈছে। ভাৰতবর্ষত পর্যটন উদ্যোগত দেশৰ মুঠ কর্মনিযুক্তিৰ ৮.৭৮ শতাংশই কর্মসংস্থাপন লাভ কৰিছে। ভাৰতলৈ বছৰি ১৭.৯ মিলিয়ন আন্তঃৰাষ্ট্রীয় পর্যটকৰ আগমণ ঘটিছে। অসমতো বছৰি পর্যটকৰ সংখ্যা বৃদ্ধি পাইছে। অসম চৰকাৰেও পর্যটন উদ্যোগৰ বিকাশৰ বাবে ২০০৮ চনতেই অসম পর্যটন নীতি গ্রহণ কৰি পর্যটন উদ্যোগক এক গতি প্রদান কৰাৰ হকে অগ্রসৰ হৈছে। কিন্তু অদ্যপৰিমিত অসম পর্যটন উদ্যোগে আশানুৰূপ ভাবে ঠন ধৰি উঠিব পৰা নাই। অসমৰ শিৱসাগৰ জিলাখনো পর্যটনৰ দিশৰ পৰা যথেষ্ট গুৰুত্বপূর্ণ যদিও পর্যটন উদ্যোগলৈ পর্যবসিত কৰাত বিশেষ আঁচনি গ্রহণ কৰা পৰিলক্ষিত হোৱা নাই। কিন্তু শিৱসাগৰ এনে এক স্থান য'ত আঁচনি প্রস্তুত কৰি অগ্রসৰ হ'লে অতি শ্রীঘ্রেই ইয়াত পর্যটন উদ্যোগ হিচাপে গঢ় দিব পৰা যাব।

শিৱসাগৰ হৈছে মহাপৰাক্রমেৰে অসমত ছশ বছৰ ৰাজত্ব কৰা আহোমসকলৰ একালৰ অন্যতম ৰাজধানী ৰংপুৰ। তেতিয়া শিৱসাগৰৰ নাম আছিল ৰংপুৰ। ১৭৩৩ খ্রীষ্টাব্দত আহোম স্বর্গদেউ শিৱসিংহৰ দ্বিতীয় পত্নী অম্বিকা কুঁৱৰীয়ে নগৰত এক বিশাল সাগৰ সদৃশ পুখুৰী খন্দোৱাই ইয়াৰ নাম ৰাখিলে শিৱসাগৰ পুখুৰী আৰু ইয়াৰ পাৰত মুক্তিনাথ শিৱ, বিষ্ণু আৰু দেৱীদ'ল নির্মাণ কৰোৱায়। এই পুখুৰীৰ নামেৰে পাছলৈ ৰংপুৰ নগৰৰ পৰিবর্তে ঠাইখনৰ নাম শিৱসাগৰ হৈছিল। শিৱসাগৰ নগৰৰ পাঁচ কিঃমিঃ দক্ষিণে অৱস্থিত জয়সাগৰ। শিৱসাগৰ পুখুৰী খন্দোৱাৰ আগতেই স্বর্গদেউ ৰুদ্রসিংহই ১৬৫৭ খ্রীঃত মাত্র ৪৫ দিনৰ ভিতৰতে তেখেতৰ মাতৃৰ স্মৃতিত সাগৰ সদৃশ আন এক পুখুৰী খন্দোৱাই নাম ৰাখিছিল জয়সাগৰ পুখুৰী। ইয়াৰ পাৰতেই জয়দৌল আৰু ঘনশ্যাম দ'ল (নাতিগোঁসাই দ'ল)

Scanned with OKEN Scanner

বিদ্যমান। জয়সাগৰ পুখুৰী শিৱসাগৰ পুখুৰীতকৈ যথেষ্ট ডাঙৰ।

জয়সাগৰ আছিল আহোম স্বৰ্গদেউসকলৰ ৰাজনগৰ। ১৬৯৯ খ্ৰীঃত স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰত নিৰ্মাণ কৰিছিল কাৰেং তথা তলাতল ঘৰ। এই গৃহ আছিল সেই সময়ৰ সচিবালয়। ইয়াত ৰাজ্য শাসনৰ পৰা আৰম্ভ কৰি যিকোনো ৰাজনৈতিক কূট-কৌশল তথা বহিঃৰাজ্যৰ প্ৰতিনিধিৰ সৈতে উচ্চ পৰ্যায়ৰ আলোচনাও সম্পন্ন হৈছিল। সাতমহলীয়া এই তলাতল ঘৰৰ পৰা দিখৌ নদীক সংযোগ কৰি সুৰংগৰ ব্যৱস্থাও কৰা হৈছিল।

জয়সাগৰৰ কাৰেং ঘৰৰ বিপৰীতে ঐতিহাসিক ৰংঘৰ। হাঁহ কণীৰ আকৃতিৰ ৰংঘৰ আছিল আহোম স্বৰ্গদেউসকলৰ লগতে ডা-ডাঙৰীয়াসকলৰ মনোৰঞ্জনৰ অন্যতম প্ৰাণকেন্দ্ৰ। বিভিন্ন ধৰণৰ ৰং-ৰহইচ উপভোগৰ অন্যতম প্ৰাণকেন্দ্ৰ ৰংঘৰৰ শিখৰত বহি স্বৰ্গদেউ, ডা-ডাঙৰীয়াসকলে মালযুঁজ, হাতীযুঁজ, ম'হযুঁজ, শেন-কণুৰাৰ যুঁজ উপভোগ কৰাৰ লগতে এই ৰংঘৰতেই আহোম স্বৰ্গদেউসকলে অসমীয়াৰ বিহুক ৰাজকীয় মৰ্যাদা প্ৰদান কৰি সাত বিহু অনুষ্ঠিত কৰিছিল। শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১০কিঃমি দক্ষিণলৈ স্বৰ্গদেউ শিৱসিংহৰ পত্নী ফুলেশ্বৰী কুঁৱৰীয়ে ১৭২৩ খ্ৰীঃত এক বৃহৎ পুখুৰী আৰু দ'ল নিৰ্মাণ কৰিছিল যাক গৌৰীসাগৰ পুখুৰী হিচাপে জনা যায়। ইয়াৰ কিছু উত্তৰলৈ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নামদাং শিলৰ সাঁকো। ৰংপুৰ নগৰৰ দক্ষিণদ্বাৰ হিচাপে পৰিচিত এই সাঁকো নিৰ্মাণ কৰোৱাইছিল স্বৰ্গদেউ ৰুদ্ৰসিংহই।

জয়সাগৰত আহোম যুগৰ এক কীৰ্তিচিহ্ন হৈছে ৰঙ্গনাথ শিৱমন্দিৰ। তেতিয়াৰ পৰা এতিয়াও এই ৰঙ্গনাথ শিৱমন্দিৰত নিয়মিতভাৱে পূজা অৰ্চনা চলি আছে। এই মন্দিৰৰ বিগ্ৰহ বিশ্বনাথৰ পৰা অনা শালগ্ৰীৱ শিৱ ৰঙ্গনাথৰ। ৰঙ্গনাথ দ'লৰ কাষতেই ২১ টা খট্‌খটীৰে ফাকুৱা দ'ল। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মাতৃৰ স্মৃতিত জয়াৰ সোণৰ মূৰ্তি বনাই ইয়াত মৈদাম দি তাৰ ওপৰত দ'ল নিৰ্মাণ কৰাইছিল।

ইয়াৰ বাহিৰেও স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই জয়সাগৰত নিৰ্মাণ কৰাইছিল হৰগৌৰী দ'ল। ৰংপুৰ কাৰেঙৰ দক্ষিণলৈ গড়ৰ পাছফালে স্বৰ্গদেউ লক্ষ্মীসিংহই নিৰ্মাণ কৰাইছিল গৌৰীভদ্ৰ দ'ল। জয়সাগৰৰ সমীপত স্বৰ্গদেউ জয়ধ্বজ সিংহই নিৰ্মাণ কৰোৱাইছিল পুৰণি পুখুৰী অঠাই সাগৰ। ইয়াৰ বিপৰীতে স্বৰ্গদেউ লক্ষ্মীসিংহই ৰুদ্ৰসিংহৰ নামত ৰুদ্ৰসাগৰ পুখুৰী নিৰ্মাণ কৰি পাৰত শিৱমন্দিৰ নিৰ্মাণ কৰোৱায়। জয়সাগৰৰ পূবলৈ বগীদ'ল। ইয়াত আছে ৰাজমাও দ'ল আৰু পুখুৰী। ইয়াৰ বাহিৰেও দিখৌনৈৰ সমীপত জয়ধ্বজ সিংহই নিৰ্মাণ কৰোৱায় গৰখীয়া দ'ল। পূবলৈ সাত কিলোমিটাৰ নিলগৰ বেতবাৰী অঞ্চলত আজিও বিদ্যমান বৰপাত্ৰগোঁহাইসকলৰ মৈদাম। দিচাং নৈৰ পাৰতো আছে বহুবোৰ দ'ল দেৱালয়।

আহোম যুগৰ এটি মেটমৰা কীৰ্তিচিহ্নৰে পৰিপুষ্ট শিৱসাগৰ। মাথোঁ এয়াই নহয় আহোমসকলে নিৰ্মাণ কৰা দ'ল দেৱালয় সমূহত প্ৰতিফলিত হৈছিল তেওঁলোকৰ সংস্কৃতি। তেওঁলোকৰ শিল্পকলাক মীৰজুমলাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে তেওঁৰ লগত অহা চাহাবুদ্দিন তালিচে গড়গাঁৱত থকা কাঠেৰে নিৰ্মিত ৰাজকাৰেঙৰ কাৰুকাৰ্য প্ৰত্যক্ষ কৰি অভিভূত হৈ ইয়াত বাঢ়ৈ শিল্পকলাৰ এক

অনন্য সৃষ্টি বুলি অভিহিত কৰিছিল।

আহোমসকলে গড়গাঁৱতো নির্মাণ কৰিছিল ৰাজধানী। স্বর্গদেউ চুক্লেংমুঙে দিহিঙৰ পৰা ৰাজধানী তুলি আনি গড়গাঁৱত স্থাপন কৰিছিল। স্বর্গদেউ ৰাজেশ্বৰ সিংহই ১৭৪২ খ্ৰীঃত ইয়াক সাতমহলীয়াকৈ পকী ৰূপ প্রদান কৰে। গড়গাঁৱৰ মাজেদি শিৱসাগৰৰ পৰা প্রায় ২৫ কিলোমিটাৰ নিলগত নগা পাহাৰ, নামনিত চৰাইদেউ। স্বর্গদেউ চ্যুকাফাই প্রথমে ইয়াতেই ৰাজধানী স্থাপন কৰিছিল। এই স্থানতেই আজিও আহোম যুগৰ জীৱন্ত সাক্ষী হিচাপে থিয় হৈ আছে মৈদামসমূহ। এই স্থানত স্বর্গদেউ, কোঁৱৰ-কুঁৱৰীসকলক মৈদাম দি সমাধিস্থ কৰা হৈছিল। ইয়াত বহুসংখ্যক মৈদাম আজিও বিদ্যমান। ইজিপ্তৰ পিৰামিডৰ দৰে এই মৈদামবোৰ পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দু বুলিব পাৰি। ইয়াৰ সমীপত গড়, পুখুৰী, দেওশাল এতিয়াও বিদ্যমান। শ ধোৱা পুখুৰী, টেঙা পুখুৰী, পেটুধোৱা পুখুৰী, চিৰিং ফুকনৰ পুখুৰী, ধোৱা পুখুৰী, বৰগোহাঁই পুখুৰী, লেঙীবৰ পুখুৰী, ঘোঁৰা বৰুৱাৰ পুখুৰী আদি বহুবোৰ ৰজাদিনীয়া পুখুৰী আজিও দেখা যায়।

আহোম যুগৰ শিৱমন্দিৰসমূহৰ গঠন আছিল চাৰিকোণীয়া। গড়গাঁৱৰ ৰাজকাৰেঙৰ পৰিকল্পনাত দক্ষিণ পূব এছিয়াৰ প্রভাৱ বিদ্যমান। জয়দ'ল, দেৱী দ'ল আদিৰ গঠন ভঙ্গিমাত সূক্ষ্ম ঘন সিৰ থকা, বিষ্ণু দ'লবোৰ সাতচক্র থকা, জয়দ'লৰ গাত দ্রাঘিমা আৰু অক্ষৰেখাৰ দৰে ২৪ডাল ৰেখা আৰু সেই অনুপাতে দ্রাঘিমাৰ দৰে ৰেখা কলচীৰ তলৰ পৰা দ'লৰ মাজভাগলৈ বিস্তৃত। ইয়াৰ গা অংশত অকোৱা-পকোৱা লতা ফুল। হাতী, ঘোঁৰা, বাঘ, হৰিণ, কুকুৰ, ঘঁৰিয়াল, মগৰ আদি জন্তু ইয়াত খোদিত কৰা হৈছে। চিকাৰীয়ে হৰিণা চিকাৰ কৰা, হাতীৰ যুঁজ, বাঘৰ যুঁজ, চাউদাং, ঘোঁৰাই টনা ৰথ আদিও খোদিত কৰা হৈছিল জয়দ'লত। খোদিত কৰা হৈছিল বিভিন্ন দেৱ-দেৱীৰ মূর্ত্তি। লগত আছে ৰাম সীতাৰ মূর্ত্তি আৰু বহুতো ভাস্কর্য। মুঠতে গোটেই দ'লটোতে শিল্পীয়ে লৌকিক অলৌকিক আৰু প্রাকৃতিক জগতখনক ধৰি ৰখাৰ এটা প্রচেষ্টা চলাইছিল। শিৱ মন্দিৰসমূহত শিৱ, দেৱী আদিৰ ভাস্কর্য দিয়াৰ বিপৰীতে বিষ্ণু মন্দিৰসমূহত বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহ খোদিত কৰা হৈছিল।

শিলত কটা ভাস্কর্যৰ বাহিৰেও প্রাক আহোম যুগত টেৰাকটা ভাস্কর্যই স্থান লাভ কৰিছিল। ঘনশ্যাম (নাতি গোঁসাই) দ'ল আছিল কিছু সুকীয়া। তোৰণ, পথ, ভোগঘৰ আদিত গৌড়ীয় ভাস্কর্য দেখা যায়। ইয়াৰ মাজত ৰামায়ণৰ আখ্যান প্রতিফলিত হৈছিল। বালি-সুগ্রীৱৰ যুঁজৰ লগতে ইয়াত লতাফুলৰ মাজে মাজে বানৰ, সৈন্য আদি খোদিত কৰা হৈছিল। মাজত লঙ্কাধিপতি ৰাৱণকো খোদিত কৰা হৈছিল। গছলতিকাৰ মাজে মাজে বহুবোৰ শিৱলিংগ দেৱ-দেৱীৰ লগতে বিষ্ণুৰ অৱতাৰেও ইয়াৰ ভাস্কর্যত স্থান লাভ কৰিছিল।

আহোম যুগৰ প্রতিটো কীর্তিচিহ্নতে সেই যুগৰ ভাস্কর্য ইমান সুন্দৰভাৱে প্রতিফলিত হৈ আছে যে সেইবোৰ গৱেষণাৰ কেঁচা সমল। এই ভাস্কর্য আৰু স্থাপত্যসমূহৰ যোগেদি সেই সময়ৰ

Scanned with OKEN Scanner

শিল্পকলা, ভাস্কর্য, ধর্মভাব, চিন্তা-চর্চা, আচাব-ব্যবহাব গবেষণা কবাব যথেষ্ট থল আছে। শিবসাগব নগবব প্রায় ১৬কিঃমিঃ উত্তবত দিখৌ ব্রহ্মপুত্রব প্রায় সংগম স্থলীত অবস্থিত আজান পীব দবগাহ। ছুফী সাধক আজানপীবে সোতব শতিকাত অসমলৈ আহি সেইসময়ব মহাপুৰুষ শংকবদেবব আর্দশবে ইছলাম ধর্মব প্রচাব চলাই বাজদ্রোহত পবিছিল। পিছলৈ স্বর্গদেবে ভুল বুজি পাই তেওঁক দিখৌমুখত সংস্থাপিত কবিছিল। হিন্দু-মুছলমানব সম্প্রীতিব অপূর্ব নির্দশন স'বাগুবি চাপবিব আজান পীব দবগাহ আদি পর্যটকব অন্যতম আকর্ষণব কেন্দ্রবিন্দু।

শিবসাগবব পবা প্রকাশ পাইছিল অসমব প্রথমখন বাতবি-কাকত 'অৰুণোদই'। ১৮৩৫ চনব মার্চ মাহত আমেবিকাব পবা ধর্ম প্রচাবব বাবে অহা নেভাবেণ্ড নাথান ব্রাউন, ও.টি. কাট্টাব, মাইলচ ব্রনছন, ডেনফোর্ড, এ. কে গার্ণী আদি মিছনেবীসকলে অসমত অসমীয়া ভাষাব দুবৱস্থা উপলব্ধি কবি অসমীয়া ভাষা উত্তবণব হ'কে ১৮৪৬ চনত 'অৰুণোদয়ই সংবাদপত্র' নামে এখন আলোচনী আকাবব বাতবি কাকত প্রকাশ কবে। অসমীয়া ভাষা উন্নতিব ক্ষেত্রত অৰুণোদই সংবাদপত্রই যি ভূমিকা পালন কবিছে সেইয়া অকল্পনীয়। ইয়াত প্রকাশিত বচনা আধুনিক অসমীয়া সাহিত্যব গদ্যব ভেঁটি বুলি ধবিব পাবি।

শিবসাগব জিলাব চাহ বাগিছাসমূহো পর্যটকব এক প্রাণকেন্দ্র। চাহশিল্পব ভেঁটি বচনা কবাত শিবসাগব জিলাব এক গুৰুত্বপূর্ণ ভূমিকা আছে।

শিল্প সংস্কৃতিব ক্ষেত্রত শিবসাগব যথেষ্ট আগবঢ়া। জনগোষ্ঠীয় সমাহাবেবে পবিপুষ্ট শিবসাগব সম্প্রীতিব এক নির্দশন। সকলো জনগোষ্ঠীব আচাব-আচবণ, কৃষ্টি-সংস্কৃতিয়ে শিবসাগবক এক বর্ণিল পবিবেশ সদায়েই দান কবি আহিছে। এইয়াও পর্যটনব এক অবিচ্ছেদ্য অংগ।

পর্যটন পূর্বে মাথো মনোবঞ্জনব বাবেহে কবা হৈছিল যদিও ইয়াব সংজ্ঞা বর্তমান সলনি হৈছে।

শিবসাগব এনে এক অঞ্চল য'ত ইতিহাস খুচবি পোৱাব সমল আছে। আহোম যুগব সংস্কৃতি, স্থাপত্য, ভাস্কর্য গভীবভাবে গবেষণা কবাব মেটমবা ভঁবাল হৈছে শিবসাগব। আহোম ভাস্কর্যব নির্মাণশৈলী, পুখুবীসমূহ, তেওঁলোকব বাজনীতি, শাসন পদ্ধতি এইবোব গবেষণাব সমল। উপযুক্ত প্রচাবব যোগেদি আমি বাহিবা পর্যটকক আকর্ষণ কবিব পাবো নিশ্চয়।

গতিকে শিবসাগব এখন পর্যটন নগব হিচাপে গঢ় দিয়াটো অতি সহজ হৈ আছে। কিন্তু এইক্ষেত্রত সঠিক ৰূপত আগবাঢ়িব পাবিলেহে ই সম্ভব হৈ উঠিব। দূর্ভাগ্যজনকভাবে সাম্প্রতিক সময়লৈকে সম্ভাবনাতেই বৈ যোৱা যেন অনুভব হয়। এইক্ষেত্রত আমি কেনেদবে আগবাঢ়িম সেয়াহে মূল আলোচনাব বিষয়।

আমি কেনেদবে আগবাঢ়িব পাবো ঃ

পর্যটন নগব হিচাপে গঢ় দিয়াব ক্ষেত্রত চবকাব, জিলা প্রশাসন, বিভিন্ন সংগঠন আৰু সাধাবণ নাগবিকব সহায় সহযোগিতাব লগতে প্রয়োজন এক বলিষ্ঠ ধনাত্মক চিন্তাধাবাব। প্রথমেই নগবখন

Scanned with OKEN Scanner

ইয়াৰ সমীপৱৰ্তী এলেকাসমূহৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ একান্তই প্ৰয়োজন। ২০১৩-১৪ চনত শিৱসাগৰ জিলাৰ তদানীন্তন উপায়ুক্ত এচ. এচ. মীনাক্ষী সুন্দৰমৰ চেষ্টাত শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত গ্ৰহণ কৰা মিছন গ্ৰীণ শিৱসাগৰক ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে ধৰি লৈ ৰাইজে এই অভিযানত হাত উজান দিয়াটো অতিকে প্ৰয়োজনীয় বিষয় হিচাপে বিবেচিত হৈছিল। কিন্তু সম্প্ৰতি এই বিষয়ত কিছু স্থবিৰতা আহি পৰিল। দ্বিতীয়তে ৰাজনৈতিক জনপ্ৰতিনিধিসকলে বিশেষ তৎপৰতাৰে সমগ্ৰ বাট পথ উন্নয়নৰ লগতে ৰেলপথ, ৰেলষ্টেচনৰ সা-সুবিধা সুন্দৰ ৰূপত সজাই পৰাই তোলাৰ ব্যৱস্থা কৰিব লাগিব। পৰ্যটনৰ উন্নয়নৰ বাবে প্ৰয়োজন হ'ব বিমান বন্দৰৰ। জনপ্ৰতিনিধিৰ সহযোগিতা অবিহনে এই কাৰ্য্য সাধাৰণ লোকৰ বাবে অসাধ্য। হোটেল উদ্যোগ, বিদ্যুৎ, খোৱা পানীৰো সুন্দৰ ব্যৱস্থা হ'ব লাগিব। ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণ তথা সৌন্দৰ্যবৰ্ধনৰো মাত্ৰা অধিক হ'বই লাগিব।

শিৱসাগৰ নগৰক মূল কেন্দ্ৰ হিচাপে লৈ বহুকেইটা যাত্ৰা আৰম্ভ কৰাৰ থল আছে। ইয়াৰ কেইটামান মাথো এনেধৰণৰ হ'ব পাৰে-

১) পুৱাৰ যাত্ৰা আৰম্ভ হ'ব শিৱদৌলৰ পৰা, শিৱসাগৰ নগৰৰ তিনি দ'ল, টাই যাদুঘৰ, বৰপুখুৰী, পিয়লি ফুকনৰ ফাঁচী দিয়া স্থান, ৰংঘৰ, জয়মতী দ'ল, জয়সাগৰ পুখুৰী তথা ইয়াৰ সমীপত থকা 'পহুগড়', য'ত হাজাৰ হাজাৰ পৰিভ্ৰমী পক্ষীয়ে বিচৰণ কৰে। সন্ধিয়ালৈ এই যাত্ৰাৰ সামৰণি পৰিব তলাতল ঘৰৰ লাইট এণ্ড ছাউণ্ড অনুষ্ঠানত। ইয়াৰ মাজতেই তলাতল ঘৰৰ প্ৰাঙ্গনত থলুৱা খাদ্য সম্ভাৰৰ জুতি আৰু থলুৱা সামগ্ৰীৰ বজাৰ।

২) শিৱদ'ল প্ৰাঙ্গনত যাত্ৰা আৰম্ভ কৰি কোনো লোকে গতি কৰিব পানীদিহিং পক্ষী অভয়াৰণ্যলৈ। এই যাত্ৰাত প্ৰত্যক্ষ কৰিব পাৰিব চাহ বাগান। বুজিব পাৰিব চাহপাত প্ৰস্তুতকৰণ প্ৰক্ৰিয়া। ৰাজমাইত থলুৱা পৰম্পৰাগত আহাৰৰ লগতে থলুৱা সম্পদৰ বজাৰ। এই যাত্ৰাৰো অন্ত পৰিব তলাতল ঘৰৰ লাইট এণ্ড ছাউণ্ড অনুষ্ঠানত।

৩) পূবৰ পিৰামিড স্বৰূপ চৰাইদেউ মৈদাম থলীলৈ যাত্ৰা আৰম্ভ হ'ব শিৱদ'ল প্ৰাঙ্গনৰ পৰাই। বাটত গড়গাঁৱৰ কাৰেং ঘৰ। চৰাইদেউৰ আশে-পাশে থকা বিভিন্ন ৰজাদিনীয়া পুখুৰী আৰু আন আন কীৰ্তিচিহ্নসমূহো হ'ব পাৰে পৰ্যটনৰ উৎস। চৰাইদেউত প্ৰয়োজন এক যাদুঘৰৰ। বিয়লি নিৰ্ধাৰিত স্থানত পৰম্পৰাগত খাদ্যৰ জুতি আৰু থলুৱা সামগ্ৰীৰ বজাৰ।

৪) শিৱসাগৰৰ পৰা আজানপীৰ দৰগাহলৈ হ'ব পাৰে আন এক যাত্ৰা। ইয়াৰ লগতে থাকিব ৰামখাঁপীঠ দেৱালয়। দিচাংমুখত হ'ব পাৰে বটিং ব্যৱস্থা। দিচাংমুখৰ বালিত থলুৱা খাদ্যৰ জুতি তথা জনগোষ্ঠীয় সম্ভাৰৰ বজাৰ। প্ৰাকৃতিক পৰিৱেশৰ মাজত একাত্ম কৰাৰ সুবিধা পাব এই যাত্ৰাত।

৫) জয়সাগৰৰ পুখুৰীৰ পাৰটো সুন্দৰ ৰূপত সজাই তোলাৰ থল আছে। পৰ্যটকক এই পুখুৰীৰ পাৰত হাতী অথবা ঘোঁৰাত বিচৰণ কৰাৰ ব্যৱস্থা কৰিব পৰা যায়।

Scanned with OKEN Scanner

এইয়া মাথোঁ কেইটামান উদাহৰণহে। চিন্তা কৰকচোন, যদি এনে হয় আমাৰ উত্তৰ পুৱৰ্ষ কিমান লাভান্বিত হ'বঙ্গ কিমানে কর্ম সংস্থাপন লাভ কৰিবঙ্গ হ্রাস পাব নিবনুৱা সমস্যা। অর্থনৈতিকভাৱে চৰকাৰৰ লগতে আমাৰ ভৱিষ্যত প্রজন্মও বাৰুকৈয়ে টনকিয়াল হ'ব। ছিংগাপুৰ, থাইলেণ্ড, মালয়েছিয়া আদি পর্যটনৰ বাবেই বিশ্ববিখ্যাত। একমাত্র পর্যটন উদ্যোগেই সেইবোৰ ৰাষ্ট্রৰ অর্থনীতিৰ ভেঁটি। আমিনো নোৱাৰিম কিয়? ঐতিহাসিক সম্পদক প্রাকৃতিক সম্পদৰ সমাহাৰেৰে আমি শিৱসাগৰক নিশ্চয় এক সুকীয়া ৰূপ প্রদান কৰি পর্যটকৰ আকর্ষণৰ কেন্দ্রৰূপে গঢ় দিব পাৰো, যাৰ জৰিয়তে আমাৰ ভৱিষ্যত প্রজন্মই লাভ কৰিব জীয়াই থকাৰ পথ। এইয়াই 'ইকটুৰিজিম'। এই সপোনক বাস্তবায়িত কৰাৰ হকে প্রয়োজন মাথোঁ ইতিবাচক চিন্তাৰ, জনসাধাৰণৰ সঁহাৰি তথা জনপ্রতিনিধিৰ শুভ ইচ্ছা। শিৱসাগৰক তেতিয়া নিশ্চয় আমি বিশ্ব পর্যটনৰ মানচিত্রলৈকো লৈ যাব পাৰিম ■

সহায়ক গ্রন্থ ঃ

১) শিৱসাগৰ জিলাৰ পুৰণা কীর্তিচিহ্ন (সংক্ষিপ্ত) ক্ষুব্ধ চন্দ্র সন্দিকৈ, ২০০২ চন।
২) ৰংপুৰৰ ৰেঙণি, স্মৃতিগ্রন্থ, প্রথম সংখ্যা, শিৱসাগৰ জিলা প্রশাসনৰ দ্বাৰা প্রকাশিত, ২০১৪ চন।

শিৱসাগৰৰ এজন সমাজ সচেতন ব্যক্তি ড° উৎপল দত্ত শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক।

Scanned with OKEN Scanner

অসমীয়া সাহিত্যৰ বিশালতাৰ বুকুত শিৱসাগৰৰ নাৰীৰ প্ৰতিভাৰ প্ৰতিফলন

ড° ৰশ্মিৰেখা গগৈ

ঐতিহ্যমণ্ডিত শিৱসাগৰ আহোম যুগৰে পৰা কলা-সংস্কৃতি আৰু সাহিত্য চৰ্চাৰ প্ৰাণকেন্দ্ৰ। এক বিশাল আৰু ব্যাপক অঞ্চল সামৰি লোৱা শিৱসাগৰ লোকসাহিত্য সৃষ্টিৰো অন্যতম থলী। নিচুকনি গীতৰ পৰা বিয়ানামলৈকে ভিন্ন গীত-মাত-কথাত শিৱসাগৰ নাৰীৰ প্ৰতিভা আজিও অক্ষুন্ন। অলিখিত যুগৰে পৰা আৰম্ভ হোৱা শিৱসাগৰ নাৰীৰ সাহিত্য ৰচনাৰ ইতিহাসে পৰৱৰ্তী কালত লিখিত সাহিত্যৰ মাজেদি এক পৰিমণ্ডল গঢ়ি তুলিছে। নাৰীৰ মন আৰু প্ৰতিভাই সৃষ্টিৰ বিভিন্ন ৰূপৰ মাজেদি প্ৰতিফলিত হৈ অসমৰ সাহিত্য ক্ষেত্ৰত ঐশ্বৰ্য দান কৰিছে।

মানৱ মনৰ আটাইতকৈ সূক্ষ্ম অথচ মনোৰম অভিব্যক্তি লোকসাহিত্যৰ অন্যতম বিভাগ লোকগীতবোৰে নিৰ্দিষ্ট সুৰেৰে অনেকৰ কণ্ঠেৰে প্ৰৱাহিত হৈ আহি পৰৱৰ্তিত, পৰিমাৰ্জিত আৰু সংশোধিত ৰূপত মানুহৰ মন জয় কৰি আহিছে। কিছুমান লোকগীতত নাৰীমনৰ স্পষ্ট প্ৰকাশ পৰিলক্ষিত হয়। অৱশ্যে সাধুকথা, প্ৰৱচন, ফকৰা যোজনা আদিৰ মাজেদিও নাৰীমনৰ প্ৰতিফলন ঘটে। অসমীয়া সমাজত প্ৰচলিত এনে বহু লোকসাহিত্য নাৰীয়ে ৰচনা কৰা বুলি অনুমান কৰিব পাৰিলেও শিৱসাগৰৰ নাৰীয়ে ৰচনা কৰা বিষয়ে নিশ্চিতভাৱে ক'ব নোৱাৰি। কিন্তু এইবোৰৰ মাজতে এনে কিছুমান লোকগীত আছে, যিবোৰ অন্তৰঙ্গ প্ৰমাণৰ ভিত্তিত নাৰীয়ে ৰচনা কৰা বুলি ভাবিব পাৰি।

লোকগীতবোৰৰ ভিতৰত বিয়ানাম, আইনাম, লখিমী সবাহৰ গীত, অপেচৰা সবাহৰ নাম, বিবিধ পূজা-পাতলৰ গীত নাৰীৰ একচেটিয়া সম্পদ। যদিও এই গীতবোৰত সামগ্ৰিকভাৱে মানুহৰ চিৰন্তন অনুভূতিৰে জীৱনধৰ্মী কথাবোৰ প্ৰকাশ পায়, তাৰ মাজতে অঞ্চল বিশেষৰ ঐতিহ্যও নথকা নহয়। যিদৰে উজনি অসম, নামনি অসম অথবা গোৱালপৰীয়া লোকগীতৰ মাজত স্পষ্ট পাৰ্থক্য চকুত পৰে। বিশেষতঃ গীতবিলাকত সন্নিবিষ্ট থকা ঠাইৰ নাম, আচাৰ ৰীতি, গায়ন পদ্ধতি, ভাষাৰ ঠাঁচ আৰু সুৰ আদিলে লক্ষ্য কৰি এই পাৰ্থক্য নিৰ্ণয় কৰিব পাৰি। প্ৰকৃততে অঞ্চলভেদে গীতবিলাকত কিছু ভিন্নতা থকাটো স্বাভাৱিক। তেনেদৰে শিৱসাগৰ অঞ্চলতো প্ৰচলিত লোকগীতসমূহৰ নিজস্ব

Scanned with OKEN Scanner

দিশ আছে, যাৰ সহায়ত সেই গীতসমূহ শিৱসাগৰৰ নাৰীৰ ৰচনা বুলি নিশ্চিত হ'ব পাৰি। এইক্ষেত্ৰত বিশেষকৈ গাঁও অঞ্চলত প্ৰচলিত গীতৰ আধাৰত নিৰ্ণয় কৰিব পাৰি। বিবিলাক লোকগীতক আমি শিৱসাগৰৰ নাৰীৰ ৰচনা বুলি ক'ব পাৰো, সেইবিলাকৰ ভিতৰত বিয়ানাম, ভেকুলী বিয়া, ধাইনাম, লখিমী সবাহৰ নাম, বিহুনাম উল্লেখযোগ্য।

লোকগীতৰ অন্যতম অংগ বিয়ানাম। অনুষ্ঠানৰ নিৰ্ভৰ এই বিয়ানাম মূলতঃ নাৰীৰ ৰচনা। ইয়াৰ মাজত নাৰী জীৱনৰ চিত্ৰ পূৰ্ণ ৰূপত ফুটি ওলাইছে। নাৰী মনস্তত্ত্বৰ স্পষ্ট আৰু সজীৱ প্ৰকাশ ঘটা বিয়ানামবোৰৰ মাজত শিৱসাগৰ ঠাইৰ নামৰ পৰা, সাজপাৰৰ উল্লেখৰ পৰা আৰু ব্যক্তিৰ নাম উল্লেখৰ পৰা শিৱসাগৰৰ নাৰীৰ ৰচনা বুলি ঠাৱৰ কৰিব পাৰি। শিৱসাগৰৰ ঠাইৰ নাম, আলি পদুলি, নৈ আদি নামৰ সংযোগ ঘটাই গোৱা কিছুমান বিয়ানাম আছে। উদাহৰণস্ৰূপে— 'পঞ্চ আয়তীয়ে পাঁচোটি টেকেলি/ঐ ৰাম ঘিলা বৰণীয়া পানীহে/ৰামচন্দ্ৰই সুধিলে কয় কিয়ে বুলি/দিখৌ বৰেঘাটৰ পানীহে।' দৰা কইনাক গা ধুৱাবৰ বাবে দূৰৈৰ পুখুৰী, নৈ আদিৰ পৰা পানী তুলি অনা হয় ঘট বা টেকেলিত। পানী তুলি আনি নোওৱাৰ পিছত মূৰত চাউল দি বিয়ানাম গায় আৰু মাজে মাজে উৰুলি দিয়ে। সাধাৰণতে পাঁচ বা সাত গৰাকী আয়তীয়ে কইনাৰ মূৰত চাউল দিওঁতে গায় এনেদৰে— "আগে দিয়া পাছে দিয়া/পঞ্চ আয়তীয়ে কি ৰাম/পঞ্চ আয়তীয়ে/অঠাই সাগৰৰে পানী তুলি/আইদেউৰ মূৰত দিয়ে কি ৰাম ৰাম"। কইনা ৰভাতলত বহুৱাই ৰাখোঁতে গায় এনেদৰে- "জাঁজী গৰা খহিব, দিখৌমুখত পৰিব/মায়ে মৰম কৰাদি কোনে মৰম কৰিব।" এনেবোৰ নামত উল্লেখ থকা দিখৌৰ বৰেঘাট, অঠাই সাগৰ, জাঁজী গৰা, দিখৌমুখ আদি ঠাইৰ নামৰ উল্লেখৰ পৰা শিৱসাগৰ নাৰীয়ে ৰচনা কৰা বিষয়ে নিশ্চিত হ'ব পাৰি। তেনেদৰে শিৱসাগৰ অঞ্চলত প্ৰচলিত প্ৰায়সংখ্যক বিয়ানামতে আহোম যুগত ব্যৱহৃত সাজপাৰৰ সঘন উল্লেখ পোৱা যায়। আহোমসকলৰ প্ৰধান বসতিস্থল আছিল শিৱসাগৰৰ বিভিন্ন অঞ্চল। আহোম যুগত এই অঞ্চলত ব্যাপকভাৱে কিংখাপ, মেজাংকৰি, পাট মুগাৰ প্ৰচলন আছিল। বিয়ানামত ইবোৰৰ সঘন উল্লেখ পোৱা যায়। আকৌ বিয়ানামত থকা ব্যক্তিবিশেষৰ উল্লেখৰ পৰাও শিৱসাগৰৰ নাৰীৰ ৰচনা হোৱাৰ সম্ভাৱনা বেছি। জয়মতী চৰিত্ৰৰ উল্লেখ থকা বিয়ানামৰ পৰা নাৰীসকলৰ ইতিহাস চেতনাৰ প্ৰকাশ ঘটাৰ লগতে নাৰী জীৱনৰ প্ৰতি থকা দায়বদ্ধতাৰ কথাও জনা যায়। উল্লিখিত দিশৰ উপৰি কিছুমান বিয়ানাম মূলতঃ শিৱসাগৰৰ গাঁও অঞ্চলত প্ৰচলিত। নোৱাই তোলনি বিয়াত গোৱা এটি বিয়ানাম আছে, যিটি জাঁজী জামুগুৰি অঞ্চলত প্ৰচলিত আছিল "আবেলি বেলিকা কানাই নুলিয়াবা/চিলাই থাপে মাৰি নিব/চিলাই থাপে মাৰি মদাৰত তুলিব/বুঢ়ীমাক বাউলী হ'ব।' এনেধৰণৰ বিয়ানামত নাৰীয়ে পালন কৰা আচাৰ অনুষ্ঠানৰ লগতে নাৰীমনৰ সুন্দৰ অনুভূতিৰ প্ৰকাশ ঘটিছে।

তেনেদৰে ভেকুলী বিয়াৰ নাম, ধাইনাম, লখিমী সবাহৰ নাম আদিৰ মাজত প্ৰতিফলিত ঠাইৰ নাম, গ্ৰাম্য জীৱনৰ ছবিৰ লগতে আহোম দেৱতাৰ উল্লেখ আৰু আচাৰ ৰীতিৰ ফালৰ পৰাও

শিৱসাগৰৰ নাৰীৰ ৰচনা হোৱাৰ সম্ভাৱনা। পৰিৱেশ পৰিস্থিতি অনুসৰি নাৰীমনৰ পৰা স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পোৱা লোকগীতবোৰে অসমীয়া লোকসাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে।

লিখিত সাহিত্য সৃষ্টিত শিৱসাগৰৰ নাৰী ঃ

লিখিত সাহিত্যত শিৱসাগৰৰ নাৰীৰ সৃষ্টি প্ৰতিভা কেনেদৰে স্ফুৰণ ঘটিছে, সেই কথা বিচাৰ কৰিবলৈ হ'লে অৰুণোদই কালৰ পৰা চাব লগা হয়। অসমৰ সমাজ জীৱনলৈ পৰিৱৰ্তন কঢ়িয়াই অনা খ্ৰীষ্টিয়ান মিছনেৰীসকলে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ কাৰণে বিভিন্ন দিশত মূল্যৱান অৱদান আগবঢ়াইছিল। তাৎপৰ্যপূৰ্ণ যে, মিছনেৰীসকলে তেওঁলোকৰ কৰ্মক্ষেত্ৰৰূপে বাছি লৈছিল শিৱসাগৰ। তেওঁলোকে শিৱসাগৰত নিগাজীকৈ 'শিৱসাগৰ মিছন প্ৰেছ' নাম দি এটা ছপাশাল পাতি লৈছিল আৰু এই প্ৰেছৰ পৰাই ১৮৪৬ চনৰ অৰুণোদয় কাকতখন প্ৰকাশ হয়। এই চনৰ জানুৱাৰী মাহৰ পৰা প্ৰকাশ পোৱা এই কাকতখনে বিভিন্ন দিশত ধৰ্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞান সম্পৰ্কীয় গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ লগতে থলুৱা লেখক সৃষ্টিত অৰিহণা যোগায়। অৱশ্যে অৰুণোদয়ৰ পাতত থলুৱা লিখকৰ প্ৰমাণ পোৱা নাযায়। প্ৰকৃততে জোনাকী যুগৰ পৰাহে শিৱসাগৰৰ নাৰী লেখিকাৰ কথা পোৱা যায়।

অৰুণোদই কালত স্থানীয় লেখিকাৰ কথা জনা নাযায়। কিন্তু বিদেশী নাৰীসকলে শিৱসাগৰতে থাকি সাহিত্য ৰচনা কৰিছিল। যিহেতু তেওঁলোকে শিৱসাগৰতে সুদীৰ্ঘকাল থাকি অসমীয়া ভাষা সাহিত্যক নিজৰ বুলি লৈ সাহিত্য ৰচনা কৰিছিল, তেওঁলোকক আমি সেই সময়ৰ শিৱসাগৰৰ নাৰীৰ মৰ্যাদা দিব পাৰোঁ।

এইক্ষেত্ৰত প্ৰথমেই নাম ল'ব পাৰোঁ ইলাইজা হুইটনি ব্ৰাউন, যিগৰাকীয়ে অসমীয়া ভাষা সাহিত্য জগতত উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। ৰেভাৰেণ্ড নাথান ব্ৰাউনৰ পত্নী অৰুণোদইৰ পাতত ই.হুব. নামেৰে চমুকৈ উল্লেখ থকা এইগৰাকী লেখিকাৰ বিষয়ে অসমীয়া সাহিত্যৰ আলোচনাত বিভিন্ন ধৰণৰ পোৱা যায়। শ্ৰীমতী ব্ৰাউনে ১৮৩৬ চনতে অসমলৈ আহিলেও ১৮৪১ চনৰ পৰা ১৮৫৫ লৈকে শিৱসাগৰতে থাকি কৰ্মক্ষেত্ৰৰূপে বাছি লৈছিল। ১৮৪০ চনত ব্ৰাউনে 'গগনাৰ পুথি' নামেৰে অংক বিষয়ক পুথি ৰচনা কৰিছিল। মিছনেৰীসকলে প্ৰতিষ্ঠা কৰা পঢ়াশালিৰ পাঠ্যক্ৰমৰ অভাৱ দূৰ কৰাত পুথিখনে বিশেষভাৱে সহায় কৰিছিল। তেওঁ ৰচনা কৰা 'ভূগোলৰ বিৱৰণ' পুথিখন প্ৰকাশ পায় ১৮৫১ চনত শিৱসাগৰ বেপ্তিষ্ট মিছন প্ৰেছৰ। ১৪২ পৃ.ৰ এই পুথিখনেও পঢ়াশালীয় পাঠ্যপুথিৰ অভাৱ দূৰ কৰাত সফল হৈছিল। এইক্ষেত্ৰত এইখন আছিল প্ৰথম প্ৰচেষ্টা। শ্ৰীমতী ব্ৰাউনে অসমীয়া শিশু সাহিত্যলৈ আগবঢ়োৱা উল্লেখনীয় অৱদান হৈছে— শ্ৰীমতী ব্ৰাউনৰ সাধুৰ পুথি, মৃত্যু হোআ পাদুৰি বাৰ্ক চাহাবৰ বিৱৰণ, An account of Ramgoti ৰ অনুবাদ ৰামগতিৰ বিৱৰণ, ধৰমি চহৰীয়া এজনৰ বিৱৰণ আদি। সহজ-সৰল ভাষাৰ এই লেখাসমূহ মিছনেৰীসকলে আগবঢ়োৱা গদ্য সাহিত্যৰ ভিতৰত অন্যতম। শিৱসাগৰতে থাকি অসমীয়া ভাষা সাহিত্যৰ বিকাশ সাধনাত ব্ৰতী হোৱা আন

Scanned with OKEN Scanner

এগৰাকী বিদেশী নাৰী হৈছে হেৰিয়েট বি এল কট্টাৰ। ১৮৪৩ চনৰ পৰা ১৮৫৩ চনলৈকে শিৱসাগৰত থাকি শ্ৰীমতী কট্টাৰে ইংৰাজী আৰু অসমীয়া শব্দকোষ 'Vacabulary and Phrases' প্ৰস্তুত কৰিছিল। শিশু সাহিত্যৰ ক্ষেত্ৰতো অৱদান আগবঢ়োৱা শ্ৰীমতী কট্টাৰে ১৮৪৪ চনত ভূগোল, বিজ্ঞানকে ধৰি নানা তথ্য বিষয় সম্বলিত এখন পুথি প্ৰকাশ কৰি উলিয়াইছিল। আৰ.বি. ৰাৰ্ড নামৰ মিছনেৰী নাৰীগৰাকীয়েও শিৱসাগৰতে কিছুকাল থাকি ভাষা সাহিত্যৰ বিকাশত ব্ৰতী হৈছিল। ১৮৫০ চনত অসমলৈ অহা ৰাৰ্ড দম্পতিয়ে ১৮৬০ চনৰ অক্টোবৰত শিৱসাগৰলৈ আহে। শ্ৰীমতী ৰাৰ্ডে অৰুণোদই পত্ৰিকাত তেওঁ কিছুবছৰ সম্পাদনাৰ কাম কৰাৰ কথা জনা যায়। এইগৰাকী বিদেশী নাৰী অসমীয়া সংবাদ পত্ৰৰ ইতিহাসত প্ৰথম মহিলা। অৰুণোদয়ই সম্পাদনা কৰাৰ লগতে তেওঁ শ্ৰীমতী কট্টাৰ 'Vocabulary and Phrases' গ্ৰন্থখন সংশোধন কৰি উলিয়াইছিল। তেওঁৰ ১৮৬৪ চনত 'Brief Vocabulary in English and Assamese with Redimentary Exercise' আৰু ১৮৮৪ চনত 'A Glimpse of Assam' প্ৰকাশ পায়। তাৰ উপৰি 'পাপ ক্ষেমা পোআ এজনী', 'গুৰু আহিল তোমাক মাতিছে' আৰু 'বাঁৰীৰ মিত্ৰ' নামৰ তিনিখন গ্ৰন্থ লিখি উলিয়াইছিল। আকৃতিত ক্ষুদ্ৰ গ্ৰন্থ কেইখনৰ সাহিত্যিক মূল্য বিশেষ নাথাকিলেও সমকালীন অসমীয়া সাহিত্যৰ পটভূমিত একেবাৰে অস্বীকাৰ কৰিব নোৱাৰি। ১৮৭৬ চনৰ মাৰ্চ মাহত শিৱসাগৰ মিছন প্ৰেছৰ দায়িত্ব গ্ৰহণ কৰা ৰেভাৰেণ্ড এ.কে.গৰ্ণিৰ পত্নী মেৰী এফ.লৰেন্স ওৰফে শ্ৰীমতী গৰ্ণিয়ে ১৮৫২ চনতে বাংলা ভাষাত ৰচিত কেথেৰিণ মূলানৰ 'ফুলমতী ও কৰুণাৰ বিৱৰণ' গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰি ১৮৭৭ চনত প্ৰকাশ কৰে। এই উপন্যাসখনেই অসমীয়া উপন্যাসৰ আৰম্ভণি বুলি ক'ব পাৰি। স্বাভাৱিকতে এনে মৰ্যাদা দাবী কৰিব পৰা গ্ৰন্থখনৰ মূল্য অসমীয়া সাহিত্যত গুৰুত্বপূৰ্ণ।

অসমীয়া সাহিত্যৰ আৰম্ভণি পৰ্যায়ত শিৱসাগৰৰ নাৰীৰ অৱদান বুলি কওঁতে প্ৰধানকৈ এই খ্ৰীষ্টান নাৰী কেইগৰাকীৰ কথাই ক'ব লাগিব। অসমীয়া ভাষা সাহিত্যৰ গঠনৰ পটভূমিত এই বিদেশী নাৰীকেইগৰাকীৰ সৃষ্টিকৰ্মই পৰৱৰ্তী কালৰ নাৰী সমাজৰ বাবে পথ প্ৰদৰ্শন কৰি থৈ গ'ল।

১৮৮৯ চনৰ জানুৱাৰী মাহত কলিকতাত জোনাকী কাকতৰ প্ৰথম সংখ্যা প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া সাহিত্য ক্ষেত্ৰত অন্য এক যুগৰ সূচনা ঘটে। এই সময়ছোৱাক দ্বিতীয় মহাসমৰৰ আগলৈকে অৰ্থাৎ ১৯৪০ চনলৈকে সামৰি লোৱা হয়। জোনাকী কাকতত কেন্দ্ৰ কৰি গঢ় লৈ উঠাৰ কাৰণে এই সময়ছোৱাৰ সাহিত্য ক্ষেত্ৰক 'জোনাকী যুগৰ সাহিত্য' ৰূপে অভিহিত কৰা হয়। এই সময়ছোৱাৰ আৰম্ভণি পৰ্যায়ৰ সাহিত্য আন্দোলনৰ অগ্ৰণী ব্যক্তিসকলৰ মাজত নাৰীৰ ভূমিকা বিশেষভাৱে পৰিলক্ষিত নহয়। পৰৱৰ্তী কালত বিংশ শতাব্দীৰ তৃতীয় দশকত সাহিত্য ক্ষেত্ৰলৈ নাৰীৰ আগমন যথেষ্ট পৰিমাণে ঘটে। ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন' আৰু মহিলাৰ দ্বাৰা সম্পাদিত প্ৰথম মহিলা আলোচনী 'ঘৰ জেউতি'য়ে এই ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। অন্যহাতে 'ঘৰ জেউতি'খন প্ৰকাশ পাইছিল ১৯২৮ চনত শিৱসাগৰৰ পৰা। স্বাভাৱিকতে এই সময়ৰ পৰা সাহিত্য

Scanned with OKEN Scanner

চর্চাৰ ক্ষেত্ৰত শিৱসাগৰৰ নাৰীসকল আগবাঢ়ি অহাৰ সুবিধা লাভ কৰিছিল। জোনাকীৰ জোনাকত যিসকল শিৱসাগৰ নাৰীয়ে তেওঁলোকৰ বিশিষ্ট অৱদানেৰে অসমীয়া সাহিত্যক বিশালতা দান কৰিছে, সেইসকলৰ বিষয়ে উল্লেখ কৰিব বিচৰা হৈছে।

সৃষ্টিশীল অনুভূতিক লিখিত ৰূপ দিয়া শিৱসাগৰ নাৰীসকলৰ ভিতৰত অন্যতম হিমলা বৰুৱানী। জন্মসূত্ৰে যোৰহাটৰ হ'লেও বিবাহসূত্ৰে তেওঁ শিৱসাগৰ সোনাৰিৰ স্থায়ী বাসিন্দা হৈছিল। বঙলা ভাষাৰ মাধ্যমেদি স্কুলীয়া শিক্ষা লাভ কৰা হিমলা বৰুৱানীয়ে সৰুৰেপৰা বঙলা গল্প, উপন্যাস, ধৰ্মপুথি আদি পঢ়িছিল। তেওঁৰ একমাত্ৰ কবিতা পুথি 'বিননি' প্ৰকাশ পায় ১৯৩৩ চনত। পুথিখনত সন্নিবিষ্ট কবিতাসমূহৰ মাজত তেওঁৰ ব্যক্তিগত জীৱনৰ গভীৰ বেদনাবোধ আৰু ভগৱানৰ প্ৰতি অভিমান প্ৰকাশক কবিতাসমূহৰ মাজত এক ৰহস্যবাদী সুৰৰ প্ৰকাশ ঘটিছে। কবি হৃদয়ৰ চিৰন্তন আবেদনে কবিতাসমূহক একক আৰু অনন্য কৰি তুলিছে। কবিতাসমূহত এফালে আছে মাতৃপ্ৰেম, আনফালে আছে ভগৱানৰ প্ৰতি গভীৰ উপলব্ধি। যথেষ্ট অধ্যয়নশীল হিমলা বৰুৱানীয়ে কবিতাৰ উপৰিও বিভিন্ন প্ৰৱন্ধ পাতি লিখিছিল। ১৮৫০ শকত জয়সাগৰৰ পাৰত বহা জয়মতী উৎসৱৰ আদৰণি সমিতিৰ ভাষণ আছিল অতি সাৰগৰ্ভ। তেওঁ কৈছিল- "এটা বিদ্ৰোহ, বাহিৰৰ এটা প্ৰকাণ্ড জড়তাৰ বিপক্ষে বিদ্ৰোহ আৰু সেই বিদ্ৰোহৰ মূলত এটা সত্য আৰু প্ৰেমৰ এটি গভীৰ সাধনা আৰু সেই সাধনাৰ আধাৰ এটি প্ৰাণ।" তেওঁৰ এই অভিভাষণে নাৰীশক্তিক জগাই তুলিছিল। সাহিত্য চর্চাৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতা প্ৰকাশ পাইছে তেওঁৰ উদগণিতে মোক্ষদা প্ৰসাদ বৰুৱাই উলিওৱা 'ঘৰ জেউতি' নামৰ হাতে লিখা আলোচনীখনৰ জৰিয়তে। আলোচনীখনত 'মহাত্মা' নামৰ এটা কবিতা প্ৰকাশ পাইছিল। এই কবিতাটো আছিল তেওঁৰ শেষ কবিতা। আন এগৰাকী শিৱসাগৰৰ নাৰী নিকুঞ্জলতা চলিহা। কম বয়সতে বিবাহপাশত আৱদ্ধ হোৱা নিকুঞ্জলতাই সাংসাৰিক দায়িত্ব পালন কৰিও সাহিত্য চর্চাত মনোনিৱেশ কৰিব পৰাটো তাৎপর্যপূর্ণ। প্ৰকৃততে যি সময়ত অসমৰ সমাজ জীৱনত নাৰী শিক্ষাৰ বিশেষ প্ৰসাৰ ঘটা নাছিল, তেনে সময়তে সামান্য আক্ষৰিক জ্ঞানেৰে তেওঁ অসমীয়া সাহিত্যলৈ আগবঢ়াই থৈ গৈছে 'স্তুতিমালা' নামৰ পুথিখন। সাতচল্লিশিটা স্তুতিগীত সন্নিবিষ্ট পুথিখনত থকা আটাইবোৰ ৰচনা তেওঁৰ মৌলিক সৃষ্টি, পঢ়িলে বুজিব পাৰি। নাৰায়ণ স্তোত্ৰৰে আৰম্ভ হোৱা পুথিখনত গণেশ, গোসাঁই স্তৱকৰ পৰা কৃষ্ণ বন্দনা, গোপীসকলৰ স্তুতি, নাগপত্নীসকলৰ স্তুতি, গজেন্দ্ৰস্তুতি, অদিতিৰ স্তুতি, সৰস্বতী, ভগৱতী, লক্ষ্মীদেৱীৰ প্ৰতি প্ৰাৰ্থনামূলক গীতৰ উপৰিও বাৰমাহী গীত, পচতি গীত, জন্মাষ্টমীৰ নাম আদি প্ৰাৰ্থনা সন্নিবিষ্ট হৈছে। এই আটাইবোৰৰ মাজত তেওঁৰ আধ্যাত্মিক দৃষ্টিভংগী প্ৰকাশ পাইছে। স্তুতিমালা নামটোৰ মাজতো এইভাৱে প্ৰকট হৈ উঠিছে। পুথিখনত ভক্তিৰসৰ প্ৰকাশে এক বিশেষ মর্যাদা দান কৰিছে বুলি ক'ব পাৰি। নিকুঞ্জলতাই পুথি ৰচনা কৰাৰ উপৰি তেওঁৰ উদগণিতে কমলালয়া কাকতি আৰু কনকলতা চলিহাৰ যৌথ সম্পাদনাত 'ঘৰজেউতি' প্ৰকাশ পাইছিল। এনেদৰে সাহিত্য সংস্কৃতি চর্চাৰ বাবে আনকো উৎসাহ যোগাব পৰাটো সমকালীন সমাজৰ পটভূমিত

Scanned with OKEN Scanner

কম গুৰুত্বপূৰ্ণ নহয়। আন এগৰাকী নাৰী কমলালয়া কাকতি। চেষা বছৰ বয়সতে কমলাক্ষ্যা কাকতিৰ লগত বিয়া হোৱা কমলালয়াই স্বামীৰ দ্বিতীয় বিবাহৰ প্ৰতিলাদাত ১৮৮৯ চনত পিতৃগৃহলৈ উভতি আহে আৰু তেতিয়াৰ পৰা সাহিত্য চৰ্চাৰ লগত জড়িত হৈ পৰে। কমলালয়া কাকতিয়ে যি সময়ত পতিগৃহ ত্যাগ কৰিছিল, সেই সময়ত তেনে এগৰাকী মহিলাৰ বাবে অসমীয়া সমাজগনক সহজ নাছিল। কিন্তু তেনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো তেওঁ নিজক প্ৰতিষ্ঠা কৰাত নহয়, নাৰীসকলৰ বাবে যুগৰ বতৰা কঢ়িয়াই আনিলে। ঘৰ জেউতিত প্ৰকাশিত সম্পাদকীয়সমূহত তেওঁৰ মানসিক চিন্তা জগতৰ পৰিচয় পোৱা যায়। এটা সম্পাদকীয়ত লিখিছিল- "যেই যেই কাম কৰিবলৈ হ'লে এনেহাৰ আৱশ্যক। গোটেই অসমৰ তিৰোতাসকলে ঐকাৰ নামোনাত আবদ্ধ হৈ নানা ধৰণৰ চিন্তাধাৰাক কেন্দ্ৰীভূত কৰি এটা সঠিক ধাৰালৈ আনিব পাৰে আৰু লগে লগে ভবিষ্যতে অসমীয়া তিৰোতাৰ প্ৰকৃত কাৰ্যকৰী শিক্ষাৰ বাট মুকলি হয় এয়ে ঘৰ জেউতিৰ একমাত্ৰ লক্ষ্য।" স্ত্ৰী শিক্ষা প্ৰসাৰৰ ওপৰত গুৰুত্ব দি লিখা 'অসমীয়া ছোৱালীক বুজনি' নামৰ প্ৰবন্ধটো (ঘৰ জেউতি, ১৮৮৯ শক, প্ৰথম বছৰ, তৃতীয় সংখ্যা) উচ্চ পৰ্যায়ৰ চিন্তাপ্ৰসূত লেখনী। তদুপৰি মহাভাৰত, ৰামায়ণ আদি পঢ়ি বিভিন্ন চৰিত্ৰসমূহৰ বিষয়ে তেওঁ সূক্ষ্ম আলোচনা আগবঢ়াইছিল। এইক্ষেত্ৰত কোঁৱৰপুৰ মহিলা সমিতিৰ সভানেত্ৰীৰূপে আগবঢ়োৱা তেওঁৰ অভিভাষণখনিৰ সাহিত্যিক মূল্য অপৰিসীম। প্ৰকৃততে দেশ বিদেশৰ নাৰীসকলৰ সংবাদ দাঙি ধৰাৰ উপৰিও বিভিন্ন লেখক লেখিকাৰ লেখনি প্ৰকাশ কৰা 'ঘৰ জেউতি'ৰ জৰিয়তে কমলালয়া কাকতিৰ যি সাহিত্যিক কৰ্মৰাজিৰ প্ৰকাশ ঘটিছে, সেয়ে অসমীয়া সাহিত্য জগতত তেওঁক বিশেষ মৰ্যাদা দান কৰিছে। কমলালয়াই কেবল শিৱসাগৰতে নহয়, সমগ্ৰ অসমৰ নাৰীসকলৰ মাজত এক সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তুলিছিল। যিসময়ত অসমীয়া সমাজত পশ্চিমীয়া সভ্যতাই ভুমুকিহে মাৰিছিল, স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত নাৰী সমাজ আগবাঢ়ি যাব পৰা নাছিল, তেনে সময়তে সম্পূৰ্ণ পশ্চিমীয়া শিক্ষা পদ্ধতিৰে কলিকতাৰ বেথুন স্কুলত স্কুলীয়া শিক্ষা লাভ কৰা এগৰাকী শিৱসাগৰৰ নাৰী হেমলতা বৰুৱা। অৱশ্যে শিক্ষাৰ ক্ষেত্ৰত তেওঁ বিশেষভাবে আগবাঢ়ি যাব নোৱাৰিলে যদিও সাহিত্য ক্ষেত্ৰত তেওঁ আগবঢ়াই যোৱা অৱদান নুই কৰিব নোৱাৰি। তেওঁৰ নামত দুখন পুথি পোৱা যায় 'নামতী শৰাই' আৰু 'গৃহিণীৰ সাৰথি'। সাহিত্য ক্ষেত্ৰত অৱদান আগবঢ়োৱা আন এগৰাকী নাৰী কনকলতা চলিহা। শিৱসাগৰৰ চলিহা পৰিয়ালৰ বোৱাৰী কনকলতাই শাহুৰেক নিকুঞ্জলতা চলিহা আৰু ননদ কমলালয়াৰ সান্নিধ্যত বিশেষভাবে সাহিত্য চৰ্চাত মনোনিবেশ কৰে। কমলালয়া কাকতিৰ লগ হৈ উলিওৱা 'ঘৰ জেউতি'ৰ যুটীয়া সম্পাদকৰূপে তেওঁ সম্পাদকীয় লিখাৰ উপৰি ব্যক্তিগতভাবে কেইবাটাও প্ৰবন্ধ লিখিছিল। সিবিলাকৰ ভিতৰত-সাময়িক জগত, ঘৰ জেউতিৰ ভিতৰ চোতাল, নিখিল ভাৰত মহিলা সন্মিলনীৰ চমু বিৱৰণী, পঞ্জাৰ কেশৰীৰ মহাপ্ৰয়াণ, স্বদেশী দিয়াচলাইৰ কাৰখানা, কংগ্ৰেছৰ বাতৰি, বিজ্ঞান সাধিকা মাডাম কুৰী, বিপ্লৱ আন্দোলনত চীনা মহিলা আৰু বিলাতৰ ডাঃ মাৰউইচ স্টপচ্‌ৰ ফেমিলি ৰেলফেয়াৰৰ বিষয়ে লিখা প্ৰবন্ধ উল্লেখনীয়। এনেধৰণৰ লিখনিৰ মাজত

গভীৰ অধ্যয়নশীল মন তথা জ্ঞানৰ পৰিচয় পোৱা যায়। উচ্চ স্তৰৰ সংবাদধৰ্মী নিবন্ধ ৰচনাত দক্ষতা প্ৰদৰ্শন কৰা কনকলতা চলিহাই ঘৰ জেউতিৰ 'ভিতৰ চোতাল' শিতানত (ঘৰ জেউতি, দ্বিতীয় বছৰ,৭ম সংখ্যা, ১৮৫০ শক) 'তুৰ্কী বীবাঙ্গনা হালিদে এডিব' নামৰ প্ৰবন্ধত যি চিন্তা চেতনা আৰু ৰাজনৈতিক জ্ঞান সচেতনতাৰ প্ৰকাশ ঘটিছে, সেয়া প্ৰকৃততে তাৎপৰ্যপূৰ্ণ। এনে লিখনিৰ প্ৰাসংগিকতা আজিও নুই কৰিব নোৱাৰি। উল্লেখযোগ্য যে ১৯৩৫ চনত কনকলতা চলিহাৰ মৃত্যুৰ পাছত ঘৰ জেউতি আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ পৰে। প্ৰকৃততে কনকলতা চলিহাই তেওঁৰ চুটি কৰ্মময় জীৱনত অসমীয়া সাহিত্য ক্ষেত্ৰত প্ৰগতিবাদী চিন্তাধাৰাৰে অনুপ্ৰেৰণা যোগাই থৈ গ'ল। অসমীয়া সাহিত্য ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই যোৱা শিৱসাগৰৰ আন এগৰাকী নাৰী সুধা বৰুৱা। শিৱসাগৰৰ দিখৌৰ পাৰত ১৯০৭ চনত জন্ম গ্ৰহণ কৰা সুধা বৰুৱাৰ সম্পূৰ্ণ নাম আছিল সুধাংশু নিভাননা বৰুৱা। ভগৱতী প্ৰসাদ, পাৰ্বতী প্ৰসাদ বৰুৱাৰ ভগ্নী সুধা বৰুৱাই স্বাভাৱিকতে সাহিত্য সংস্কৃতি চৰ্চাৰ মাজত ডাঙৰ দীঘল হৈছিল। তেওঁ ভায়েক মোক্ষদা প্ৰসাদৰ সৈতে লগ হৈ ১৮৪৮ শকৰ বহাগ মাহৰ পৰা 'ঘৰ জেউতি' নামৰ এখন হাতেলিখা আলোচনী উলিয়াইছিল। প্ৰথম সংখ্যাতে 'জেউতি' নামৰ গল্প লিখাৰ উপৰি পৰৱৰ্তী সংখ্যাসমূহত কেইবাটাও গল্প আৰু কবিতা লিখিছিল। তেওঁ লিখা গল্প সেইসময়ত ছাত্ৰসকলৰ মুখপত্ৰ বিনন্দ চন্দ্ৰ বৰুৱা সম্পাদিত 'মিলন'ত প্ৰকাশ পাইছিল। সেই সময়ত প্ৰকাশিত গল্পসমূহ ১৯৮৪ চনত 'জীৱনৰ প্ৰথম পুৱা' নামেৰে সংকলন ৰূপত প্ৰকাশ পায়। ইয়াত সন্নিবিষ্ট ছয়টা গল্পৰ মাজত প্ৰতিটোতে গ্ৰাম্য জীৱনৰ চিত্ৰ অংকনত লেখিকাৰ পাৰদৰ্শিতাৰ প্ৰকাশ ঘটিছে। বিংশ শতিকাৰ ত্ৰিশৰ দশকতে সমকালীন অসমীয়া সমাজৰ নাৰীশিক্ষাৰ একপ্ৰকাৰ অনগ্ৰসৰ পৰিৱেশত হাতেলিখা আলোচনী প্ৰকাশ কৰি, বিভিন্ন কাকত আলোচনীত গল্প লিখি যি সৃষ্টিশীল অৱদান আগবঢ়ই থৈ গ'ল, সেয়া বিশেষভাবে স্বীকৃত। অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই থৈ যোৱা আন এগৰাকী শিৱসাগৰৰ নাৰী শশীপ্ৰভা দত্ত। শশীপ্ৰভাই স্কুলীয়া শিক্ষা বিশেষ লাভ কৰিব নোৱাৰিলেও সাহিত্যিক পিতৃ দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ অনুপ্ৰেৰণাত শৈশৱৰ পৰাই সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। ঘৰ জেউতি আলোচনীতে লিখিবলৈ আৰম্ভ কৰা শশীপ্ৰভাৰ ১৯৩৩ চনৰ চতুৰ্থ বছৰ, নৱম সংখ্যা আবাহনত প্ৰকাশ পাইছিল 'সপোন কুঁৱৰী' নামৰ কবিতা। তেওঁৰ কনকলতা, গোহাঞিৰৱৰালৈ শ্ৰদ্ধাঞ্জলি, নিমাত নিতাল দেশত, ত্ৰিশ জানুৱাৰী আদি উল্লেখযোগ্য কবিতা। অসম সাহিত্য সভাৰ আজীৱন সদস্য শশীপ্ৰভাৰ সাহিত্য সৃষ্টি কম হ'লেও তাৰ মাজেদিয়েই তেওঁৰ সাহিত্যিক দৃষ্টিভংগী প্ৰকাশ পাইছে। আন এগৰাকী শিৱসাগৰৰ লেখিকা আজলীতৰা নেওগ। সোতৰ বছৰ বয়সতে শিৱসাগৰৰ কমাৰফদীয়াৰ ডিম্বেশ্বৰ নেওগৰ লগত বিবাহপাশত আবদ্ধ হোৱা আজলীতৰা সৰুৰে পৰা সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী আছিল। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোঁতেই বায়েকৰ মৃত্যুত 'খুদকণ' নামৰ কবিতাৰে সাহিত্য ক্ষেত্ৰত প্ৰবেশ কৰা তেওঁ পৰৱৰ্তীকালত বাঁহী, ঘৰ জেউতি, ভ্ৰমৰ, অসমীয়া আদি পত্ৰিকাত কবিতা, নিবন্ধ আদি ৰচনা কৰিছিল। আৰবীয় উপাখ্যানৰ ভিত্তিত ৰচিত তেওঁৰ তিনিখন

Scanned with OKEN Scanner

গ্ৰন্থ— আমিবাবা আৰু দুকুৰি ডকাইত (১৯৩১), সিন্দবাদ আৰু সাতোটি জলযাত্ৰা (১৯৩৩), আলাউদ্দিন আৰু এটা চাকি (১৯৩৯)। ১৯৩৬ চনত 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' আৰু ১৯৩৭ চনত 'গুণাভিৰাম বৰুৱাৰ জীৱনী' প্ৰকাশ কৰিছিল। আটাইকেইখন পুথি শিশু প্ৰেমৰ সাৰ্থক নিদৰ্শন। শিশুসকলৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষ সাধনৰ চেষ্টা নিহিত আছে। ১৮৫৩ শকত বাঁহীত প্ৰকাশ পোৱা নাৰী জাগৰণ আৰু সমাজ সংস্কাৰ নামৰ প্ৰবন্ধটোত নাৰী জাগৰণৰ প্ৰতি প্ৰথম লেখিকাৰ সচেতনতাবোধ ফুটি উঠিছে। গভীৰ অধ্যয়নশীল মনৰ এইগৰাকী লেখিকাই গীতো বচনা কৰিছিল। কাকাচাহেৰ কালেলকাৰে তেওঁক বিদূষী মহিলা ৰূপে প্ৰশংসা কৰাৰ পৰা তেওঁৰ ভাষাজ্ঞানৰ পৰিচয় পোৱা যায়। ৩৬ বছৰীয়া জীবন কালত বিশেষকৈ অসমীয়া শিশু সাহিত্যলৈ দি যোৱা অবদানে তেওঁক অমৰ কৰি ৰাখিছে। ৯ বছৰ বয়সতে দিছিয়াল ছাত্ৰ সম্মিলনৰ সভাত ছাত্ৰশক্তি নামৰ স্ব-ৰচিত কবিতা পাঠেৰে সাহিত্য জগতত প্ৰৱেশ কৰা নাৰী ফুলেশ্বৰী দত্ত। বিদ্যালয়ত পঢ়ি থাকোঁতেই মুখপত্ৰ 'দেবী'ত 'স্বৰাজৰ সন্ধান' নামৰ স্বদেশপ্ৰেমমূলক নামৰ এটি কবিতা লিখে। ১৯৩৩-১৯৩৪ চন মানত বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত 'অৰুণ' নামৰ আলোচনীত বিভিন্ন কবিতা, নাদু আদি লিখিছিল। তেওঁৰ প্ৰথম ছপা গল্প 'অচিনি চিনাকি' ১৯৩৪ চনত আৱাহন কাকতত প্ৰকাশ পাইছিল। ১৯৩৭ চনৰ আবাহন কাকতত প্ৰকাশিত 'জনমদুখী' আৰু ১৯৪০ চনত 'মাতৃত্বৰ পৰিমাণ' দুটা উল্লেখযোগ্য। নন্দিতা বৰুৱা ছদ্মনামেৰে তেওঁ বিভিন্ন গল্প, কবিতা আদি লিখিছিল। আৱাহন, হিমাচল, দৈনিক অসম আদি কাকত আলোচনীত প্ৰকাশিত গল্পসমূহৰ সংকলন 'মৰহা ফুলৰ পাপৰি' ১৯৯২ চনত প্ৰকাশ পায়। ফুলেশ্বৰী দত্তই বাঁহী, আৱাহন, জয়ন্তী আদি আলোচনীৰ পাতত বহুতো কবিতা লিখিছিল। পৰবৰ্তী কালত অংগনা, সালংকৃতা আদি আলোচনীত কবিতা লিখিছিল। এইক্ষেত্ৰত মই অসমীয়া নাৰী কবিতা উল্লেখযোগ্য। নিবন্ধ সাহিত্যৰ ক্ষেত্ৰতো তেওঁৰ অৱদান উল্লেখনীয়। বিশেষকৈ নাৰী সম্পৰ্কীয় লিখনিৰ মাজত তেওঁৰ গভীৰ দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে। 'সাহিত্যলৈ অসমীয়া তিৰোতাৰ অৱদান' নাৰী সম্পৰ্কীয় এখন উল্লেখযোগ্য পুথি। লেখনিসমূহৰ মাজত প্ৰগতিবাদী ভাবধাৰাৰ প্ৰকাশ ঘটিছে। অতি সহজ সৰল ভাষাৰে ওঠৰতা গল্পৰ সমষ্টি 'জোনাকীৰ পোহৰ' (১৯৯৪), কীৰ্তনৰ কাহিনী (১৯৯৫) শিশু উপযোগী গ্ৰন্থ। প্ৰকৃততে বিংশ শতিকাৰ চতুৰ্থ দশকৰ আৰম্ভণিৰে পৰা আধীৰ দশকলৈকে অসমীয়া সাহিত্যলৈ সেৱা আগবঢ়োৱা ফুলেশ্বৰী দত্ত অসমীয়া সাহিত্যৰ এগৰাকী উল্লেখযোগ্য লেখিকা। ভাৰতীয় সাহিত্যৰ বুকুত শিৰসাগৰক এক বিশেষ পৰিচয় দান কৰা পণ্ডিত ব্যক্তি আধুনিক অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কবি, গীতিকাৰ, সাহিত্যিক নিৰ্মলপ্ৰভা বৰদলৈ। পঞ্চাশলীয়া দিনৰ পৰা কবিতা লিখিবলৈ আৰম্ভ কৰা বৰদলৈয়ে পঞ্চাশৰ দশকতে কবি হিচাপে আত্মপ্ৰকাশ কৰে। মহেশ্বৰ নেওগ সম্পাদিত 'ৰামধেনু'ৰ তৃতীয় বছৰ (১৯৫০)ত প্ৰকাশ পায় 'বাৰ্ণাড শ' নামৰ কবিতা। সেই সময়ত সদৌ অসম কবিতা প্ৰতিযোগিতাত এই কবিতাটো প্ৰথম হৈছিল। তেওঁ অসমীয়া কাব্য সাহিত্যলৈ মুঠ সাতখন কবিতা পুথি আগবঢ়াই গৈছে। প্ৰথম কাব্য সংকলন-

বন ফৰিঙৰ ৰং (১৯৬৭), দিনৰ পিছত দিন (১৯৭৭), সমীপেষু (১৯৭৭), অন্তৰঙ্গ (১৯৭৭), সুদীর্ঘ দিন আৰু ঋতু (১৯৮২), শব্দৰ ইপাৰে শব্দৰ সিপাৰে (১৯৯৪), অমিতাভ শব্দ (১৯৯৫) আৰু ১৯৯৬ চনত প্ৰকাশ পায় 'ড° নির্মলপ্রভা বৰদলৈৰ নির্বাচিত কবিতা'। এইকেইখনৰ ভিতৰত 'দিনৰ পিছত দিন' কাব্যগ্ৰন্থৰ বাবে 'অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ গ্ৰন্থ বঁটা' আৰু ১৯৮৩ চনত 'সুদীর্ঘ দিন আৰু ঋতু' কাব্যগ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰে। অসমীয়া সাহিত্যত এই বঁটা লাভ কৰা প্ৰথম মহিলা কবি। তেওঁৰ কবিতাৰ প্ৰধান বিষয়বস্তু মানৰ জীৱন। জীৱনৰ বিচিত্ৰ ৰূপ আৰু চৌপাশে দেখা পোৱা নানা সমস্যাৰে জর্জৰিত জীৱন জগতৰ অভিজ্ঞতাৰ পৰাই তেওঁ কবিতাৰ বিষয়বস্তু গ্ৰহণ কৰিছে। তেওঁৰ কবিতাৰ প্ৰসংগতে গীতসমূহৰ কথাও আহি পৰে। তেওঁৰ গীতৰ পুথি-সোণবৰণীয়া আই (১৯৮০), সুৰীয়া মাত (১৯৮২), সুৰযমুখী (১৯৮৫)। সাহিত্য সংস্কৃতি বিষয়ক উল্লেখযোগ্য গ্ৰন্থ হ'ল— কবিতাৰ কথা (১৯৮১), কবিতা দেশী বিদেশী (১৯৮৭), অসমৰ লোক কবিতা (১৯৮৮), নতুন কবিতা আৰু প্ৰকৃতি (১৯৮৮); সংস্কৃতি বিষয়ক - অসমৰ লোক সংস্কৃতি (১৯৭২), দেৰী (১৯৮৬) সাহিত্য আৰু সংস্কৃতি (১৯৮৭), শিৱ (১৯৮১) ইত্যাদি। ইয়াৰ ভিতৰত পাণ্ডিত্যপূর্ণ 'দেৰী' গ্ৰন্থৰ বাবে তেওঁ 'সৰস্বতী' উপাধি লাভ কৰিছিল। তেওঁৰ উপন্যাস জলপদ্ম, অনুবাদ সাহিত্য 'বিন্দু আৰু সিন্ধু', 'তুলসী দাস', 'মীৰাবাঈ', 'উৰিষ্যাৰ লোকসংস্কৃতি, ডাকঘৰ', 'আলামেলুৰ হুতাহ' সিংহ পোৱালিয়ে গুজৰিবলৈ শিকিলে, এছিয়াৰ সাধুকথা, শব্দৰ আকাশ আৰু অন্যান্য কবিতা, তাও তে চিং ইত্যাদি। ভ্ৰমণ কাহিনী 'বিস্ময়কৰ চীন আৰু চেৰী ফুলৰ দেশ জাপান, সম্পাদিত গ্ৰন্থ - এশ বছৰৰ অসমীয়া কবিতা, 'Assamese Short Story', 'অসমীয়া ভাষা সাহিত্য সংস্কৃতিত আর্যভিন্ন উপাদান' আদি ৰচনাৰে সাহিত্যৰ প্ৰতিটো দিশতে উল্লেখযোগ্য সংযোজন কৰি গৈছে। অসমীয়া, ইংৰাজী আৰু বাংলা ভাষাত মুঠ ৯৩ খন গ্ৰন্থ প্ৰণয়ন কৰিছিল। তেখেতৰ আত্মজীৱনী 'জীৱন জীৱন বৰ অনুপম'ত কেৱল বৰদলৈৰ জীৱন পৰিক্ৰমাৰে প্ৰকাশ ঘটিছে তেনে নহয়, অসমৰ সমাজ জীৱনৰ প্ৰতিফলন গ্ৰন্থখনত লক্ষ্য কৰা যায়। চুটিগল্প ৰচনাতো বৰদলৈৰ দক্ষতা প্ৰকাশ পাইছে। প্ৰকৃততে নির্মলপ্রভাৰ অনুপম আভাৰে ভাস্বত হৈ আছে অসমীয়া সাহিত্য। বিংশ শতিকাৰ ষাঠিৰ দশকতে অসমীয়া প্ৰন্ন সাহিত্যত আত্মপ্ৰতিষ্ঠা লাভ কৰা শিৱসাগৰৰ নাৰী ড° অণিমা দত্ত। অষ্টম শ্ৰেণীত পঢ়ি থাকোঁতেই নতুন অসমীয়া কাকতত 'মন্টুইঁতৰ হুঁচৰি' নামৰ গল্প লিখা শ্ৰীমতী দত্তই নতুন অসমীয়া আৰু অসমবাণী কাকতত নিয়মীয়াকৈ গল্প লিখি ষাঠিৰ দশকত মণিদীপ কাকতত আত্মপ্ৰতিষ্ঠা লাভ কৰে। তাৰউপৰি নীলাচল, উৰুলি, আমাৰ প্ৰতিনিধি, হিমাচল, জোনবিৰি আদিত গল্প লিখিছিল। প্ৰথম গল্প সংকলন- বেলিফুলৰ সপোন (১৯৬৩), কাঞ্চনজংঘা (১৯৯১) প্ৰকাশিত প্ৰবন্ধ সংকলন- Assam Vaishnavism (১৯৮৯), অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন (১৯৯৫), প্ৰৱন্ধ সঞ্চয়ন (২০০২)। গল্প লিখি প্ৰতিষ্ঠা লাভ কৰিলেও অণিমা দত্তই প্ৰৱন্ধৰ লগতে কবিতাও লিখিছিল। ১৯৫৩-৫৪ চনতে আসাম ট্ৰিবিউন কাকতৰ চিলড্ৰেন লীগ শিতানত কবিতা লিখিছিল। তেওঁৰ ১৯৯৬-

Scanned with OKEN Scanner

৯৭ চনত 'কাঞ্চনজংঘা' গল্পপুথিৰ বাবে 'বছৰটোৰ শ্ৰেষ্ঠ মহিলা সাহিত্যিক' হিচাপে বাসন্তী দেৱী বৰদলৈ বঁটাৰে সন্মানিত হৈছিল। তেওঁৰ গল্পসমূহ যিদৰে জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ সূক্ষ্ম কলাত্মক প্ৰকাশ, তেনেদৰে প্ৰৱন্ধসমূহো তেওঁৰ তথ্য সমৃদ্ধ চিন্তা চেতনাৰ স্বাক্ষৰ।

বিংশ শতিকাৰ প্ৰায় আৰম্ভণিতে বিশেষকৈ মহিলা আলোচনী ঘৰ জেউতিৰ পাতত কেইবাগৰাকীও লেখিকাৰ নাম পোৱা যায়। দেৱবালা চলিহা, হিৰণ্য প্ৰভা চলিহা, সত্যবতী বৰুৱা, সুপ্ৰভা চলিহা, হৈমৱতী বৰুৱানী, নিৰ্মলা চলিহা, ৰত্নাৱলী বেজবৰুৱা, দুৰ্বাসুন্দৰী গগৈ, মিনি এমঞ্জ আদি। উল্লেখযোগ্য যে বিংশ শতিকাৰ অসমীয়া সাহিত্যৰ অন্যতম সাহিত্যিক নলিনীবালা দেৱীও শিৱসাগৰৰে বোৱাৰী আছিল।

অলিখিত যুগৰ পৰা আৰম্ভ হোৱা শিৱসাগৰৰ নাৰীৰ সাহিত্য চৰ্চাৰ ইতিহাসে সম্প্ৰতি এক বিশাল আয়তন লাভ কৰিবলৈ সক্ষম হৈছে। মানুহৰ সৈতে মানুহৰ যোগাযোগৰ অন্যতম কলা সাহিত্য চৰ্চাৰ ক্ষেত্ৰত শিৱসাগৰ নাৰীয়ে সংখ্যাগত আৰু গুণগত উভয় দিশৰ পৰাই সফলতা লাভ কৰিছে।

এইক্ষেত্ৰত প্ৰথমেই উল্লেখ কৰিব পাৰি-ক্ষীৰদা কুমাৰী বৰুৱাৰ সাহিত্য চৰ্চাৰ কথা। তেওঁৰ প্ৰথম প্ৰকাশিত মহাত্মাৰ শতবাণী সংকলন (১৯৬৯)। ভ্ৰমণকাহিনী-স্মৃতিমুখৰ ইউৰোপ (১৯৭৭), দেৱস্থানম (১৯৮২), দেৱধাম (১৯৮৪) মন্দিৰৰ দুৱাৰে দুৱাৰে (১৯৮৮), নেপাল ভ্ৰমণ (১৯৮৮) আদি। এই পুথিকেইখনৰ উপৰিও বিভিন্ন কাকত আলোচনীত ভালেমান তত্ত্বগধুৰ প্ৰৱন্ধ লিখি অসমীয়া সাহিত্য ক্ষেত্ৰ চহকী কৰিছে। অসমীয়া ভ্ৰমণ সাহিত্যৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা আন এগৰাকী শিৱসাগৰৰ লেখিকা হৈছে হেমলতা দত্ত। তেওঁৰ 'অলকানন্দাৰ পৰা সাগৰ তীৰলৈ' (১৯৭৮) আৰু 'বিদেশৰ বাটে পথে' উল্লেখনীয়। 'আৰ্য্যবত্তৰ বীৰ' আৰু 'পঞ্চপাণ্ডৱৰ সাধু' নামৰ দুখন শিশু পুথিও ৰচনা কৰা দত্তৰ সাহিত্য প্ৰতিভাৰ পূৰ্ণ প্ৰকাশ ঘটিছে 'অতীতক সোঁৱৰো' নামৰ গ্ৰন্থখনত। এই দুগৰাকী পাছতে অসমীয়া সাহিত্যত 'অশ্ৰুকন্যা' উপন্যাসেৰে খোজ দিয়া অলেখ দ্বন্দ সংঘাত অতিক্ৰমি আগবঢ়া নাৰী গৰাকী হৈছে চিত্ৰলতা ফুকন। প্ৰথম গল্প সংকলন হৈছে 'চন্দন ধূপৰ ধোঁৱা', 'বিষন্ন ৰাতিৰ জোন'। তেওঁৰ উপন্যাস হৈছে 'অশ্ৰুকন্যা', 'অৰুন্ধতী' আৰু 'আলোকিত পথৰ সন্ধান'। আটাইকেইখন উপন্যাসতে নাৰীবাদী দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে। অন্যান্য ৰচনাৰ লগতে শিশু তথা চেমনীয়াৰ বাবে আগবঢ়াই থৈ গৈছে 'বন আমলখি, পোনাকন আৰু মই' আৰু 'সোণালী কন্যা'। অনাতাঁৰ নাটক 'মিথিলা', 'ৰাতি আৰু নুপুৰালে', 'নীড়ভঙা পক্ষীৰ অৰণ্য'; কাব্যগ্ৰন্থ— 'কনকচম্পা', 'হৃদয় বিচাৰি হৃদয়'; আত্মজীৱনী— 'হৃদয় নদীৰ পানচৈ' আদি। অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ বঁটা আৰু অসম লেখিকা সস্থাৰ প্ৰবীণা শইকীয়া বঁটা লাভ কৰা চিত্ৰলতা ফুকন এক আদৰ্শৰ প্ৰতীক। 'দোকমোকালিৰ গীত'ৰ দৰে পুথি ৰচনা কৰা এলি আহমেদ শিৱসাগৰৰ নাজিৰাৰ। ভালেসংখ্যক শিশু সাহিত্য ৰচনাৰে অসমীয়া শিশু সাহিত্যৰ ভঁৰাল চহকী কৰা এলি আহমেদে ইতিমধ্যে 'সাহিত্য অকাডেমিৰ বঁটা' লাভ কৰিছে। ২০১৭ চনত পদ্মশ্ৰী সন্মান লাভ কৰা এলি আহমেদ অসমীয়া সাহিত্য

Scanned with OKEN Scanner

ক্ষেত্রৰে নহয়, সংস্কৃতি জগতৰো এক উজ্জ্বল নক্ষত্র। 'দোকমোকালিৰ গীত', 'আমি অভিনয় কৰা নাই', 'ভাকুট কুট', 'মই কেতিয়া আইতা হ'ম', 'ৰংমনৰ মন আৰু তৰাফুল' আদিৰ লগতে 'মণিৰাম দেৱান', 'অসম বীৰাংগনা' দুখন উল্লেখযোগ্য গ্রন্থ। অসমীয়া সাহিত্যৰ প্রায় প্রতিটো দিশতে উল্লেখযোগ্য অৱদান আগবঢ়োৱা দেশ বিদেশৰ সাহিত্য ক্ষেত্রত আসন গ্রহণ কৰিবলৈ সক্ষম হোৱা অসমৰ এগৰাকী বিশিষ্ট সাহিত্যসেৱী ড° কৰবী ডেকা হাজৰিকা। নিচেই কম বয়সৰ পৰা গীত, কবিতা লিখা কৰবী ডেকা হাজৰিকাৰ সাহিত্য প্রতিভা বিস্তীর্ণ। ভ্রমণ কাহিনী, অনুবাদ সাহিত্য, শিশু সাহিত্য, উপন্যাস, দেশ বিদেশৰ সাধুকথাৰ মনোৰম ভাষাৰ অনেক পুথি অসমীয়া সাহিত্যলৈ আগবঢ়াই আহিছে। তেওঁৰ কাব্যগ্রন্থ— 'সুবাসিত যি যন্ত্রনা', 'মাটিৰ পৰা মেঘলৈ', 'চুলি নাবান্ধিবা যাজ্ঞসেনী', 'পৰীৰ বাঁহী' আৰু 'বা তুলবুল জোনাকত তুমি ক'ৰ ৰাতিৰ পৰী' লৈকে চিত্রকল্প সমৃদ্ধ কবিতাসমূহে পাঠকৰ মন আৰু হৃদয় চুই যায় গভীৰভাৱে। কৰবী ডেকা হাজৰিকাৰ প্রকাশিত কবিতাৰাজিৰ নির্বাচিত সংকলন হ'ল 'সাগৰ লতাৰ ফুল।' 'মাধৱদেৱৰ সাহিত্য, কলা আৰু দর্শন' নামৰ গৱেষণামূলক গ্রন্থৰ উপৰিও সাহিত্য আলোচনা বিষয়ক ভালেমান গ্রন্থ অসমীয়া সাহিত্য লৈ আগবঢ়াইছে। 'অসমীয়া সাহিত্যৰ ৰূপৰস', 'সাহিত্যৰ চিন্তাছাঁয়া', 'চর্যাপদ আৰু বৰগীত', 'অসমীয়া কবি আৰু কবিতা', 'কবিতাৰ ৰূপছাঁয়া', 'অসমীয়া কবিতা' আদি গ্রন্থ ৰচনা কৰাৰ উপৰিও ভালেসংখ্যক গ্রন্থ সম্পাদনা কৰিছে। অনুদিত গ্রন্থ— 'নির্বাচিত বাংলা কবিতা জীৱনানন্দ'; শিশু উপযোগী— 'জুনুকাৰ ৰাতি', 'চিকমিকৰ কাহিনী', 'সেউজী মনৰ কাহিনী'; ভ্রমণ কাহিনী— 'নীলা সাগৰ, সোণালী দেশ', উপন্যাস— 'জোনাকৰ আখৰ' আদি ৰচনাৰে অসমীয়া সাহিত্যক পূর্ণতা দান কৰিছে। অসমীয়া গীতি-সাহিত্যলৈও উল্লেখযোগ্য ৰৰাঙণি আগবঢ়োৱা আকাশবাণীৰ স্বীকৃত গীতিকাৰ এইগৰাকী সাহিত্যিকৰ ভাষাৰ সৰলতা আৰু মনোধর্মী বিশ্লেষণ লেখনিৰ অন্যতম দিশ। 'সুবাসিত যি যন্ত্রনা'পুথিৰ বাবে অসম সাহিত্য সভাৰ বাসন্তী ৰৰদলৈ বঁটা, সাহিত্য কর্মৰ সামগ্রিক অৱদানৰ বাবে অসম লেখিকা সন্থাই আগবঢ়োৱা 'প্রবীণা শইকীয়া বঁটা' লাভ কৰে। সাহিত্য অকাডেমী উত্তৰ-পূর্বাঞ্চলৰ আঞ্চলিক উপদেষ্টা সমিতিৰ আহ্বায়ক, অকাডেমিৰ কার্যবাহী সদস্যৰ দৰে বিভিন্ন অনুষ্ঠান প্রতিষ্ঠানৰ গুৰু দায়িত্ব পালন কৰা কৰবী ডেকা হাজৰিকাক ভাৰতৰ সমাজ-সাহিত্য-সংস্কৃতিমূলক স্বেচ্ছাসেৱী অনুষ্ঠান কল অব্ দ্য ব্রহ্মপুত্রই ২০১০ বর্ষত 'কাব্য হৃদয়' সন্মানেৰে সন্মানিত কৰিছে। শেহতীয়াকৈ ২০২৫ বর্ষৰ জানুৱাৰী মাহত অসম সাহিত্য সভাই সর্বোচ্চ সন্মান 'সাহিত্যাচার্য' প্রদান কৰে। প্রকৃততে ড° কৰবী ডেকা হাজৰিকা শিৱসাগৰৰ গৌৰৱ। শিৱসাগৰৰ আন এগৰাকী লেখিকা ড° অর্পণা মহন্তৰ 'অভিনৱ নাৰীৰ সন্ধানত' (১৯৯৩), 'তগৰৰ দুখ-দোষ আৰু অন্যান্য প্রবন্ধ' (১৯৯৯) 'অসমীয়া সাহিত্যত নাৰী' বিষয়ক অন্যতম গৱেষণাসমৃদ্ধ গ্রন্থ। ড° অঞ্জলি শর্মাৰ 'Among the Luminaries of Assam', 'ভাষা সাহিত্য প্রসঙ্গ', 'সূর্যকুমাৰ ভূঞাৰ জীবনী সাহিত্য', 'চন্দ্রপ্রভা' (জীবনী) গ্রন্থৰ উপৰিও অলেখ প্রবন্ধ বিভিন্ন আলোচনীত প্রকাশিত হৈছে। কলেজীয়া দিনৰে পৰা আলোচনীত মনোনিবেশ কৰা লংকাৰ

Scanned with OKEN Scanner

পানীবিলত জন্ম গ্রহণ কৰা যমুনা বৰগোহাঁই। প্ৰবন্ধ সংকলন— 'বিয়ানাম ঃ ঐতিহ্য আৰু পৰম্পৰা', 'এমুঠি জোনাক' (কাব্যগ্ৰন্থ); চুটিগল্প— 'হৃদয়ৰ পৰা হৃদয়লৈ'; গীতি কবিতাৰ পুথি 'লহৰৰ নাম জানো আছে': আত্মজীৱনী— 'মোৰ জীৱন ঃ ৰাগ ভৈৰৱ'; শিশু উপন্যাস— 'শুকুলা পক্ষীৰ গীত', শিশু পুথি— 'পূবেৰুণ', 'ভেকুলীৰ সাধু', 'ৰদালি এ ৰ'দ দে' আদি; নাটক— 'পোষ্ট মৰ্টেম', 'পদুম পাতৰ পানী', 'ছিন্ন মূল' আদি উল্লেখযোগ্য। চাৰিঙৰ এখুদি দুৱৰাৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'সাঁকো' (উপন্যাস), 'হৃদয়ৰ ছবি', 'এটি ৰূপৰ মঞ্জুষা আৰু এমুঠি তৰা' (গল্প), 'ৰুণুক জুনুক' (শিশু গল্প)ৰ উপৰিও তেওঁ নাটকৰ পাণ্ডুলিপিও ৰচনা কৰি গৈছে। কবিতা আৰু উপন্যাস দুয়ো ক্ষেত্ৰতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰা দীপালী ভট্টাচাৰ্য বৰুৱা। ১৯৮৩ চনত নাৰী সংগ্ৰামৰ ইতিহাস প্ৰতিফলিত কৰা উপন্যাস 'মাতৃ'ৰ বাবে অসম সাহিত্য সভাৰ গিৰিধৰ শৰ্মা সোঁৱৰণী বঁটা লাভ কৰে। আন দুখন উপন্যাস 'অৱগুণ্ঠন' আৰু 'সমুদ্ৰ মন্থন', 'অন্তৰ মানুহৰ পৃথিৱী'; কাব্য সংকলন 'বুকুৰ আঙুলিবোৰ পাহি মেলি দিলে' আৰু 'বিষাদ বৈভৱ'; গল্প সংকলন— 'অন্তৰ নামৰ অন্তেষপুৰ', জীৱনী— 'দিখৌপৰীয়া বীণবৰাগী', কবি হীৰেন ভট্টাচাৰ্যৰ জীৱনীভিত্তিক উপন্যাস 'ৰ'দে বৰষুণে', 'বেণু মিশ্ৰ ঃ পত্ৰে যাৰ পেইণ্টাৰ', 'জীৱন স্ৰষ্টা ৰাজেন বৰুৱা' আদিৰ উপৰি ভালেসংখ্যক গ্ৰন্থ সম্পাদনা কৰিছে। বিশেষতঃ অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা নিৰুপমা বৰুৱাই ভালেমান প্ৰবন্ধ, চুটিগল্প ৰেডিঅ' নাট আৰু একাংকিকা নাটক ৰচনা কৰি গৈছে। শিশুগ্ৰন্থসমূহৰ ভিতৰত 'আমাৰে মইনা শুৱ এ', 'সাধু সাধু সাধু', 'টিপ টিপ গুণ গুণ ভুক ভুক', 'বিতুপন আৰু বাওনা', 'দুই বান্দৰ বান্দৰীৰ বিদেশ যাত্ৰা' ইত্যাদি। শিশুসকলৰ মানসিক বুদ্ধি বৃত্তি আৰু ৰুচি বিকাশত সহায়ক ৰূপে এই গ্ৰন্থসমূহ অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰত উল্লেখনীয় সংযোজন। তেওঁ ৰচনা কৰা নাটসমূহ হ'ল— 'গ্ৰহ আৰু উপগ্ৰহ', 'কেমেৰুং', 'চেতনা', 'নতুন পুৰুষ', 'সংগ্ৰাম' ইত্যাদি। বিভিন্ন আলোচনীত ছাত্ৰাৱস্থাৰে পৰা কবিতা, চিন্তাসমৃদ্ধ প্ৰবন্ধ লিখা নাজিৰাৰ হেমপ্ৰভা শইকীয়াই ৰেখা বাগচীৰ সৈতে যুটীয়াভাৱে চৈয়দ আব্দুল মালিকৰ 'পোৰা গাঁৱত পহিলা ব'হাগ' নামৰ গল্প সংকলন ইংৰাজীলৈ অনুবাদ কৰি অসমীয়া সাহিত্যক প্ৰসাৰতা দান কৰিছে। 'মিলনপুৰৰ পাৰ্বতী' আৰু 'ৰাইজে নখ জোকাৰিলে নৈ বয়' নামৰ দুখন উপন্যাসৰ স্ৰষ্টা মিনাক্ষী বেজবৰুৱা। তেওঁৰ প্ৰকাশিত কবিতা পুথি 'এমুঠি কবিতাৰ জোনাক', প্ৰবন্ধ সংকলন— 'ভাৰতৰ ধৰ্মৰ ইতিহাসত এভুমুকি' আৰু কেইবাখনো উপন্যাস— 'পৰাজিত নায়িকা', 'মৃন্ময়ী', 'অন্য এক পৃথিৱী', 'হৃদয় বিগ্ৰহ' আদি। অসমীয়া সাহিত্যৰ আন এগৰাকী লেখিকা শিৱসাগৰৰ কোঁৱৰপুৰত জন্মগ্ৰহণ কৰা ড° অৰ্পণা কোৱঁৰৰ গৱেষণা গ্ৰন্থ 'The Karbi : The People and the Language', 'ভাষা সাহিত্যৰ অধ্যয়ন', 'ভাষা সাহিত্যৰ বিবিধ চিন্তা', 'ভাষা-বিজ্ঞান উপক্ৰমনিকা', 'ভাষা সাহিত্যৰ বিবিধ চিন্তা', আদি ভাষা-সাহিত্য বিষয়ক তথ্যপূৰ্ণ গ্ৰন্থ লিখি অসমীয়া ভাষা-সাহিত্যৰ বিকাশত সহায় কৰিছে। তেওঁৰ সম্পাদিত— 'ভাষা বিজ্ঞান পাৰিভাষিক কোষ' আৰু 'অভিধান তত্ত্ব' ভাষা বিষয়ক অনবদ্য অবদান। চুটিগল্প ৰচনাৰে অসমীয়া

Scanned with OKEN Scanner

সাহিত্যৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰা লেখক ইলা বৰগোহাঁই। নখনকৈ উপন্যাস ৰচনাৰে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত তেখেতে সমৃদ্ধিশালী কৰি তুলিছেহে মহানগৰ 'হে মহাসাগৰ', 'ফুল তৰা আৰু পখীৰ কাকলি', 'সূৰ্যমুখী ফুল' নামৰ তিনিখন সামাজিক নাটকৰ উপৰিও 'পিজৌ গাভৰু', 'ৰমণী গাভৰু', 'কুৰঙ্গনয়নী' আৰু 'কীৰ্তিচন্দ্ৰ বৰবৰুৱা' ৰচনাৰে অসমীয়া বুৰঞ্জীমূলক উপন্যাসক গতি দান কৰিছে। 'পুৱতি নগৰৰ সাধু' আৰু 'সোণালী বেলিৰ শৈশৱ' নামৰ দুখন শিশু উপন্যাস ৰচনা কৰি কৃতিত্বৰ স্বাক্ষৰ দিছে। তেওঁ ৰচনা কৰা দুখন শিশু উপযোগী নাট হ'ল— 'আমাৰ মা আৰু সেউজী ধৰণী ধুনীয়া'; আত্মজীৱনী— 'হিৰণ্ময় সময়', দুখন গল্প সংকলন—'শতিকাৰ গল্প' আৰু 'মোৰ বাবে তুমি নুৱৰা মালতী ফুল'। ড° মামণি গগৈ বৰগোহাঁইৰ— 'অসমীয়া উপন্যাস ঃ নাৰীৰ ৰচনাত নাৰী' শীৰ্ষক গৱেষণা গ্ৰন্থ আৰু ড° স্বৰ্ণলতা বৰুৱাৰ সৈতে যুটীয়াভাৱে লিখা 'অসমীয়া নাৰী ঃ অতীত আৰু বৰ্তমান'। ড° সুখ বৰুৱা কবি, গল্পকাৰ আৰু প্ৰবন্ধকাৰ। তেওঁৰ গৱেষণামূলক গ্ৰন্থ— 'আহোমসকলৰ উৎসৱ অনুষ্ঠান', প্ৰৱন্ধ সংকলন— 'বুৰঞ্জীয়ে পৰশা মধ্যযুগৰ সোণালী সুবাস', 'প্ৰবন্ধ সমীক্ষা', 'চিন্তা তৰংগ', 'টাই আহোমসকলৰ স্বকীয় ধৰ্ম-পৰম্পৰা', 'তাই আহোমসকলৰ ঋতুকালীন উৎসৱ' আদি গ্ৰন্থত অসমৰ সমাজ সংস্কৃতি প্ৰতিফলিত হৈছে। 'শব্দৰ স'তে আলাপ', 'দুৱৰিত নিয়ৰৰ মুকুতা সৰে', 'শব্দশিল্প - কাব্যগ্ৰন্থ'। তেওঁৰ একমাত্ৰ গল্প সংকলন 'অপৰাজেয়'। শিৱসাগৰৰ এগৰাকী সমাজ সচেতন লেখিকা মণিকা শইকীয়া প্ৰকাশিত গ্ৰন্থ— 'নাৰী আৰু শিক্ষা'। 'সাধু শুনো আহক', 'চাহ জনগোষ্ঠীৰ সাধু', 'মহামতি আকবৰ আৰু বীৰবল' স্বাক্ষৰতা অভিযানৰ বাবে লিখা গ্ৰন্থ। ড° নিৰুপমা মহন্ত প্ৰৱন্ধকাৰ আৰু ঔপন্যাসিক। তেওঁৰ গৱেষণামূলক গ্ৰন্থ— 'পুৰুষ সংহতিৰ সত্ৰসমূহৰ আচাৰ-ৰীতি আৰু উৎসৱ অনুষ্ঠান'। উপন্যাস— 'ৰসিক সুজান', 'সৰ্বগুণাকৰ', 'অপৰাজিতা', 'কনকলতা', 'কুণ্ডিলনন্দিনী' আদি। 'যেচন সুৰ পৰকাশ', 'ৰৱাৰ পো মাধৱ' জীৱনী। শিশু গ্ৰন্থ— 'জোনাকৰ দেশত মৌ' উল্লেখযোগ্য। শিশু সাহিত্যিক বঁটা প্ৰাপ্ত লেখিকা হিৰণ্ময়ী দত্তৰ অন্যান্য গ্ৰন্থসমূহৰ লগতে শিশু গ্ৰন্থসমূহ অসমীয়া সাহিত্যৰ উল্লেখযোগ্য সম্পদ। তেওঁৰ গল্প পুথি— 'আবেলিৰ ৰং' আৰু 'বিয়লিৰ বলুকাত জোনায়ে হাঁহে', 'শংকৰ গুৰু আমাৰে মাধৱ গুৰু আমাৰে' গ্ৰন্থৰ উপৰিও ভালেসংখ্যক শিশুনাট ৰচনা কৰিছে। 'কৰ্তব্য', 'মৰমীৰ মন', 'বহু দূৰলৈ', 'বিচাৰ', 'হে প্ৰভু তুমি ইমান ভাল', 'মিছলীয়াৰ মৃত্যু' আৰু 'আইতাকৰ মৰম' আদি শিশু নাট। 'জ্বলাজুই', 'নতুন পোহৰ', 'প্ৰতিবাদ', 'মূল্যবান', 'ঘৰে ঘৰে বন্তি' ইত্যাদি একাংকিকা বিশেষকৈ নাৰীসকলৰ বাবে ৰচনা কৰা। তেওঁৰ 'পদ্মশ্ৰী নলিনীবালা দেৱী', 'নিৰ্মলপ্ৰভা বৰদলৈ' আৰু 'যতীন্দ্ৰ নাথ দুৱৰাদেৱ' জীৱন চিত্ৰ প্ৰকাশক আলেখ্য। ড° অৰুন্ধতী মহন্ত মূলতঃ প্ৰৱন্ধকাৰ। তেওঁৰ গৱেষণামূলক গ্ৰন্থ— 'কৃষ্ণৰ ক্ৰমবিকাশ আৰু অসমীয়া সাহিত্য', 'প্ৰাচীনৰ অন্বেষণ', 'প্ৰৱন্ধ বীথিকা', শিশু উপন্যাস— 'মন দিগন্তত ঋতু', 'জোনাকত বহোঁ আহাঁ' ইত্যাদি। দিখৌমুখৰ সুভদ্ৰা বৰা গল্পকাৰ আৰু প্ৰৱন্ধকাৰ। প্ৰকাশিত গ্ৰন্থ— 'কথাশিল্পী ইমৰাণ শ্বাহ ঃ জীৱন কৃতি আৰু কৃতিত্ব', শিশু উপযোগী— 'মৌগুটিৰ

মৌমেল'; শিশু নাটক— 'আলোক পথৰ যাত্ৰী', 'আমিও তোমালোক হ'ম', 'সৰু বোৰাৰী', 'শেৱালী ফুলৰ ৰেলকাম' আদি। সোণাৰিৰ ৰতিপ্ৰভা গগৈয়ে ভাষা-সাহিত্য বিষয়ক ভালেমান প্ৰবন্ধ লিখিছে। প্ৰবন্ধ সংকলন দুখন— 'চৰাইদেউ মহকুমাৰ নৃগোষ্ঠীয় উপভাষা বিবিধতা'; পাৰ্বতী প্ৰসাদৰ জীৱনৰ আৰু কৰ্মৰ আলোচনা স্মৃতিৰ প্ৰদীপ। ড° মামণি বৰা খাৰঘৰীয়া মূলতঃ প্ৰবন্ধকাৰ। তেওঁৰ গৱেষণা গ্ৰন্থ 'প্ৰাকশংকৰী সাহিত্যত ক্ৰিয়াৰ ৰূপবৈচিত্ৰ্য', 'ভাষা আৰু অন্যান্য প্ৰসঙ্গ'। প্ৰবন্ধমূলক গ্ৰন্থ 'শিশুৰ চিন্তা চিত্ৰ'। ড° মায়াশ্ৰী গোস্বামীয়ে সুদীৰ্ঘ দিন শিৱসাগৰতে থাকি সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অৱদান আগবঢ়াই আহিছে। 'প্ৰবন্ধ বিংশতি', 'চৰ্যাগীতিকোষ', 'ভাষা-সাহিত্যৰ কৰণি' আৰু 'শিৱসাগৰৰ কন্যাক নগাসকল' উল্লেখযোগ্য সৃষ্টি। এই লেখকৰ কবিতা সংকলন 'সুহৃদ সমীপেষু' যুটীয়াভাবে সম্পাদিত প্ৰবন্ধ সংকলন 'শঙ্কৰদেৱৰ সৃষ্টিৰ আলোকৰেখা ঃ কল্পতৰু', 'বৰেণ্যজনৰ দৃষ্টিত শঙ্কৰদেৱ', 'নৱপ্ৰজন্মৰ দৃষ্টিত শঙ্কৰদেৱ' অসমীয়া সাহিত্যত শঙ্কৰদেৱ অধ্যয়নত এক গুৰুত্বপূৰ্ণ সংযোজন। বিভিন্ন কাকত, আলোচনীত কবিতা, প্ৰবন্ধ সিঁচৰতি হৈ আছে। বন্তিশিখা গোহাঁইৰ কাব্য সংকলন 'মন তই ক'ত'; উপন্যাস- 'জেৰাই'। স্বাতী কিৰণৰ প্ৰবন্ধ সংকলন 'প্ৰজ্ঞা বীথিকা', 'সাহিত্য মঞ্জৰী', 'সংস্কৃতি বীক্ষণ' আৰু 'সাহিত্য সংস্কৃতি জিজ্ঞাসা'। দিখৌমুখৰ লখিমী নেওগৰ বিবিধ বিষয়ৰ প্ৰবন্ধ সংকলন 'চতু�ৰংগ', দিপালী নেওগৰ 'শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন-দৰ্শন ঃ এক অৱলোকন' লিলি হাজৰিকাৰ 'মোৰ অনুভৱৰ ছন্দে ছন্দে' অসমীয়া গীতি-সাহিত্যতে এক সুন্দৰ সংযোজন। ৰেণুমালা বৰগোহাঞিৰ শিশু গল্পপুথি—'কাজিৰঙাৰ কাকুমণি', কবিতা পুথি— 'সোণমইনাৰ সপোন'; উপন্যাস— 'মধুপুৰত মামণি' অসমীয়া শিশু সাহিত্যৰ একো একোটি সম্পদ। ডিমৌৰ ধৰিত্ৰী কুৰীয়ে শিশু উপন্যাস 'মোহনা বাটৰ উচুপনি'ৰ বাবে অসম লেখিকা সংস্থাৰ দ্বাৰা পুৰস্কৃত হৈছে। স্নিগ্ধাৰাণী গগৈৰ কাব্য সংকলন 'সুললিত লগ্ন', 'কেকটাছৰ ফুল', 'শব্দৰ ঘৰ', 'ধূলিয়ৰি সুৰ', 'দিখৌ'। শিমলুগুৰিৰ ঊষা শইকীয়াৰ কাব্যগ্ৰন্থ 'জেতুকাৰ বোলেৰে', 'ধুমুহাৰ গগনা', 'হৃদয় ভঙা খবৰ'। কৃষ্ণা শইকীয়াৰ প্ৰকাশিত কবিতা সংকলন 'আহিবলৈ এই বাটেৰে', অন্যান্য গ্ৰন্থ— 'শিৱসাগৰ এক ঐতিহাসিক দৃষ্টি', 'অসম বুৰঞ্জীৰ কেইটামান বৰ্ণময় অধ্যায়'। দীপ্তিময়ী বুঢ়াগোঁহাই গগৈৰ প্ৰকাশিত গ্ৰন্থ 'হৃদয় মোৰ তেজীৰঙা গোলাপ', বিজুমণি দত্তৰ প্ৰকাশিত কাব্যগ্ৰন্থ 'এখন নৈ অলেখ ঢৌ'। অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি জুলিয়ানা বেগমৰ কবিতা পুথি 'পথাৰত চম্পাফুলৰ গান' আৰু 'মোক বিচাৰি লোৱা', প্ৰবন্ধ 'আবৃত্তি অমিত', 'কণ্ঠ আৰু কবিতা', ড° নীলাক্ষী বৰগোহাঞিৰ গৱেষণা গ্ৰন্থ 'Female dance tradition of Assam' ৰ উপৰিও অসমৰ সাহিত্য ক্ষেত্ৰৰ উজ্জ্বল নক্ষত্ৰসদৃশ দুজন প্ৰবাদ পুৰুষৰ জীৱনীভিত্তিক গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছে 'হোমেন বৰগোহাঞি' আৰু 'এক অবিৰত যাত্ৰাৰ পথিক' (ড° নগেন শইকীয়াৰ অভিনন্দন গ্ৰন্থ)। সম্প্ৰতি ডিব্ৰুগড়ৰ বাসিন্দা হ'লেও শিৱসাগৰৰ বকতা অঞ্চলত জন্ম গ্ৰহণ কৰা সুশীলা ৰাজবংশীয়ে সৰুকালৰে পৰাই সাহিত্য চৰ্চা কৰি আহিছে। গীতালি শইকীয়াৰ 'সাহিত্য কোষ', কবিতা পুথি 'জোনাকত বতাহৰ হাত'। ৰেণু গোৱালাৰ চাহ বাগিছাৰ

Scanned with OKEN Scanner

জনজীৱন আৰ্কষণীয় ৰূপত ফুটাই তোলা 'মই মাদলৰ আজন্ম প্ৰেমিক' নামৰ কবিতা সংকলন; জুৰি শইকীয়াৰ গল্প সংকলন 'গণশত্ৰু মন্ত্ৰী বৰুৱা আৰু অন্যান্য', 'মুনাফিক', 'সীমাৰ সিপাৰে', 'নেশ সমুদ্ৰৰ ঢৌ', উপন্যাস 'সৌমাৰ নন্দিনী', 'ৰাধিকা', 'সাঁজবাতি', 'নিষিদ্ধ যাত্ৰা', 'নাং হিং মূলা'; পূৰ্ণাংগ জীৱনী- 'কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণ' আদি। তেওঁ কেইবাখনো শিশুগ্ৰন্থও প্ৰণয়ন কৰিছে। ৰেখামণি বড়াৰ প্ৰকাশিত গ্ৰন্থ 'আহোম স্বৰ্গদেউসকল', 'অমৰ নাৰী', 'সাপ' আৰু 'উত্তৰণ' চুটিগল্প; মীনা ফুকন কোৱঁৰৰ 'অভিশপ্তা' গল্প সংকলন; বাসন্তী বৰুৱাৰ 'ঘৰ চিৰিকাৰ ক্ৰন্দন'; বন্তি ফুকনৰ গল্প সংকলন 'এখন নীলা ডায়েৰী'; আমগুৰিৰ অঞ্জনা গগৈৰ 'সীমান্তত সময়ৰ বতৰা' আৰু 'এশগৰাকী বৰেণ্য নাৰী' উল্লেখনীয় গ্ৰন্থ। এইসকলতকৈ কিছু প্ৰবীণ ম'ৰাবজাৰৰ চম্পা শেনচোৱা গগৈৰ একাঙ্কিকা 'প্ৰতিশ্ৰুতি' আৰু 'সৰাপাত', কবিতা সংকলন 'শৰত যেতিয়া নামে'। পুতুল দিহিঙ্গীয়া বৰুৱাৰ 'প্ৰৱন্ধ প্ৰবাহ', 'আহোম যুগৰ সোণালী সঁফুৰা', 'সাহিত্য সংস্কৃতিৰ কাণ্ডাৰী ড° লীলা গগৈ ৰচনাৰ ভূমিকা' অসমীয়া সাহিত্যত নুই কৰিব নোৱাৰি। অসম সাহিত্য সভাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত শিৱসাগৰ্ৰৰ এগৰাকী নাৰী স্বৰ্ণজ্যোতি বৰুৱা বৰবৰাৰ গ্ৰন্থকেইখন হৈছে 'আজীৱন সাহিত্য সাধক ইমৰাণ শ্বাহ', 'নক্ষত্ৰৰ আলোক' (সম্পাদিত) আৰু 'প্ৰৱন্ধ বীথিকা' (সম্পাদিত)। তুলিকা চেতিয়া য়েইনৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল 'মৌনতাৰ আত্মপাঠ', 'স্বপ্ন প্ৰেমৰ প্ৰাৰ্থনা' কবিতা সংকলন; জীৱনীভিত্তিক উপন্যাস-'স্বপ্নৰ স্বদেশ মোৰ অৰুণাচল'; গদ্য ৰচনা 'হাঁহিৰ আকাশ প্ৰেমৰ আকাশ'; ভ্ৰমণ কাহিনী- 'যাযাবৰী দিনলিপি' অসমীয়া সাহিত্যত এক আকৰ্ষণীয় সংযোজন। সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত 'ফচং' নামৰ শিশুগ্ৰন্থৰ লেখক মাধুৰিমা ঘৰফলীয়া, লিপি ফুকনৰ প্ৰকাশিত চুটিগল্প সংকলন- 'নীড়মুখী পখীৰ গান'। এনে বহু লেখিকাৰ কলমৰ পৰা ওলোৱা অলেখ গল্প, কবিতা, প্ৰৱন্ধ সংকলনে অসমীয়া সাহিত্যত ন ন সাহিত্যিক ধাৰণা দাঙি ধৰিবলৈ সক্ষম হৈছে আৰু সাহিত্য ক্ষেত্ৰক শক্তিশালী কৰাত সহায় কৰিছে।

উল্লিখিতসকলৰ লেখনিসমূহৰ উপৰিও আৰু বহু লেখিকাই অসমীয়া সাহিত্যৰ পথাৰখনত উৰ্ৰৱতা দান কৰি আহিছে। ঘনকান্তি গগৈগোঁহাই, অৰ্পণা গগৈ, মানসী গগৈ বৰুৱা, কুসুম ফুকন, নলিনী গগৈ, বন্তি ফুকন, ৰুণু দত্ত বৰা, শিখা দত্ত বড়া, অজন্তা শইকীয়া চুতীয়া, দীপ্তিৰাণী চাংমাই, কুন্তলা কল্যাণী সন্দিকৈ, নীলাক্ষী ফুকন বৰগোহাঁই, তনুজা বৰা, আস্মা চেতিয়া, ইন্দিৰা ফুকন, মালবিকা গগৈ দুৱৰা, মণিমালা দত্ত, কৰবী দেউৰী, ৰাণুপ্ৰভা দেউৰী, দময়ন্তী গগৈ, বন্তিশিখা গোহাঁই, বৰ্ণালী বৰুৱা, মৌচুমী দুৱৰা, দময়ন্তী চিক, উৰুলি কাশ্যপ, ৰীতামণি বৈৰাগী, অশ্ৰুমণি দত্ত ঘোষ, পিংকি দাস লিকচন আদি বহুতো নাৰীয়ে সাহিত্য চৰ্চা কৰি আছে। কেৱল সেয়ে নহয় সম্প্ৰতি ফেচবুকৰ দৰে চ'চিয়েল মিডিয়াত কবিতা, গল্প, উপন্যাস প্ৰকাশেৰে নতুন প্ৰজন্মৰ বহু নাৰীয়ে ভালেসংখ্যক পাঠকক আকৰ্ষণ কৰি আহিছে। ইন্দ্ৰাণী শৰ্মাৰ 'জে.ই.চি.', 'আৰিৰ', 'আবেলি' আদি উপন্যাসে বিশেষকৈ নতুন প্ৰজন্মক যথেষ্ট আকৰ্ষিত কৰি আহিছে।

Scanned with OKEN Scanner

সাম্প্রতিক কালত অসমীয়া ভাষাত যথেষ্ট সংখ্যক কাকত আলোচনীৰ প্ৰকাশে সাহিত্য চৰ্চাৰ এক পৰিবেশ গঢ়ি তুলিছে। আধুনিক শিক্ষাৰে শিক্ষিত হৈ বহু নাৰীয়ে প্ৰগতিশীল ধ্যান ধাৰণাৰে নাৰীৰ দুৰ্বল মনোভাৱ আঁতৰাই ভবিষ্যত প্ৰজন্মক গঢ় দিয়াৰ প্ৰয়াস কৰিছে। ভাষা সাহিত্যৰ বিকাশত তেখেতসকলৰ অৱদান গুৰুত্বপূৰ্ণ। অসমীয়া সাহিত্যৰ বিকাশ সাধনত শিৱসাগৰৰ নাৰীয়ে কেৱল মৌলিক ৰচনাৰে দক্ষতাৰ পৰিচয় দিছে এনে নহয়, অন্যান্য ভাষাৰ সাহিত্যৰ অনুবাদৰ মাজেদিও কলাত্মক পাৰদৰ্শিতাৰ স্বাক্ষৰ দিবলৈ সক্ষম হৈছে। ঊনবিংশ শতিকাৰ চল্লিশৰ দশকতে আৰ্ব্বীয় উপাখ্যানৰ সোৱাদ অসমীয়া পাঠকক দিবলৈ সক্ষম হৈছিল শিৱসাগৰৰ নাৰীয়ে। সেইকথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। পৰৱৰ্তীকালত নিৰ্মলপ্ৰভা বৰদলৈ, প্ৰবীণা শইকীয়া; সম্প্ৰতি অসমীয়া সাহিত্যত বিশেষ আসন লাভ কৰা কৰবী ডেকা হাজৰিকা, বিশিষ্ট বিজ্ঞানী ড° জয়ন্তী চুতীয়া, মামণি ৰয়চম হাঁইৰ দৰে লেখিকা সকলে অনুদিত সাহিত্যৰ অনবদ্য অৱদানেৰে পাঠকক বিশ্বসাহিত্যৰ স্বাদ দিয়াই নহয় অসমীয়া সাহিত্য ক্ষেত্ৰখন বিশ্বসাহিত্যৰ ৰং-ৰূপ-ৰেখাৰে সজাই তুলিব বিচাৰিছে।

এই প্ৰৱন্ধত আমাৰ অজ্ঞতাৰ বাবে অনিচ্ছাকৃতভাৱে বহু গৰাকী লেখিকাৰ বিষয়ে উল্লেখ কৰিবলৈ থাকি যোৱা স্বাভাৱিক। প্ৰকৃততে অসমীয়া সাহিত্যৰ বিশাল পথাৰখনত এই স্বনামধন্য শিৱসাগৰৰ লেখিকাসকল আমাৰ বাবে গৌৰৱ, আমাৰ বাবে একপ্ৰকাৰ অহংকাৰ। আমি আশা কৰোঁ- অনাগত দিনবোৰত আৰু বহু শিৱসাগৰৰ নাৰীয়ে সুস্থিৰ চিন্তা-চৰ্চাৰে, প্ৰগতিৰ বাটেৰে সামগ্ৰিকভাৱে অসমৰ সমাজ জীৱনৰ উত্তৰণত অৰিহণা আগবঢ়াব। ভৱিষ্যতৰ বুকুত উজলাই তুলিব শিৱসাগৰৰ মুখ; ভাৰতীয় সাহিত্যৰ বুকুতে আৱদ্ধ নাথাকি বিশ্বসাহিত্যৰ প্ৰেক্ষাপটত অসমীয়া সাহিত্যক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব।■

শিৱসাগৰ ছোৱালী কলেজৰ সহযোগী অধ্যাপিকা।

Scanned with OKEN Scanner

অতীত আৰু বৰ্তমানৰ বুকুত শিৱসাগৰ ছোৱালী কলেজ

শিৱসাগৰ ছোৱালী কলেজ

যমুনা বৰগোহাঁই

'শিৱসাগৰ ছোৱালী কলেজ' হয়, এখন শিক্ষানুষ্ঠানৰ নাম। আমাৰ কলেজৰ প্ৰতিজনৰ বাবে এটি মন পৰশা নাম। কন্যা মহাবিদ্যালয় বা মহিলা মহাবিদ্যালয় নহয়। সোমায়ে তোৰণখন, কলেজৰ লক্ষ্য— 'তমসো মা জ্যোৰ্তিগময়ম্' শিৱসাগৰ ছোৱালী কলেজ। এসময়ত ইয়াত কলেজ নাছিল— আছিল শিৱসাগৰ Settlement Building এটা। এতিয়া জাকজমকীয়া শিৱসাগৰ ছোৱালী কলেজখন।

শিৱসাগৰ, এটা নামেই নহয়— ই এক ইতিহাস। ইতিহাসে গৰকা ৰংপুৰ। এসময়ৰ প্ৰবল প্ৰতাপী আহোম ৰজাসকলৰ ৰাজধানী নগৰ। দ'ল-দেৱালয়, ৰৰপুখুৰী তাৰ সাক্ষী। এসময়ৰ স্বাধীন অসমৰ প্ৰাণকেন্দ্ৰই এতিয়া হৈ পৰিল অসমীয়া ভাষা সংস্কৃতিৰো প্ৰাণকেন্দ্ৰ। ভাষাৰ ওজা, সাহিত্য কাণ্ডাৰীৰ জন্ম হ'ল এই শিৱসাগৰতে। নাৰীৰ শিক্ষাৰ ক্ষেত্ৰত আহোম ৰাজৰমণীসকলে যত্নৰ ত্ৰুটি কৰা নাছিল। গড়গঞা ৰাণী চাউচিং কুঁৱৰী নিজেও বিদুষী আৰু বিদ্যানুৰাগী আছিল। তেওঁ বোলে ভৰিৰেহে আহোম আখৰ লিখিছিল। ৰাণী ফুলেশ্বৰী আৰু ভগ্নী অম্বিকাইও নাৰীৰ শিক্ষাৰ বাবে যত্ন কৰিছিল। ষাঠিৰ দশকত শিৱসাগৰ মহকুমাত প্ৰায় ৮০ খন হাইস্কুল আছিল। তাৰ ১৭ খনেই আছিল কেৱল ছোৱালীৰ বাবে। কিন্তু কেৱল ছোৱালীৰ উচ্চ শিক্ষাৰ বাবে কোনো অনুষ্ঠান নাছিল। শ্ৰদ্ধাৰ পৰাগ চলিহা ছাৰৰ জয়সাগৰত থকা শিৱসাগৰ কলেজত ছাত্ৰ-ছাত্ৰী উভয়ৰ বাবে শিক্ষাদান দিয়া হৈছিল। সকলো ঠিকে-ঠাকেই আছিল। যাতায়াত ব্যৱস্থা আজিৰ দৰে উন্নত নোহোৱাত, কেৱল এখন কলেজ বাছে দূৰৰ ছাত্ৰীসকলৰ সমস্যা সমাধান কৰিব পৰা নাছিল। হোষ্টেল ব্যৱস্থায়ো স্থানীয় ছাত্ৰী অভাৱবোৰ পূৰণ কৰিব পৰা নাছিল। গতিকে নগৰৰ এই প্ৰাণকেন্দ্ৰত ছোৱালী কলেজ এখনৰ বৰ প্ৰয়োজন আছিল। শুভাকাংক্ষীসকলে মনে-প্ৰাণে এই কথা আলোচনাও নকৰা নহয়।

মানুহৰ মাজত অকল আলোচনা-বিলোচনাতে বিষয়টি আৱদ্ধ নাথাকি সংবাদ পত্ৰতো ই প্ৰকাশ পালে। অতি শ্ৰদ্ধাসহকাৰে সেইজন মহান পুৰুষৰ নাম ল'বই লাগিব যাৰ অন্তৰত এই বিষয়টিয়ে তোলপাৰ লগাইছিল। ১৯৬৩ চনৰ অক্টোবৰ মাহৰ 'আসাম ট্ৰিবিউন' কাকতৰ 'Letters to Editor' শিতানত জনৈক প্ৰফুল্ল চন্দ্ৰ কাকতিৰ এখন চিঠি প্ৰকাশ পায়। শিৱসাগৰ উকীল সন্থাৰ ভালেকেইজন দূৰদৰ্শী ব্যক্তিয়ে বিষয়টিৰ গুৰুত্ব উপলব্ধি কৰি ততাতৈয়াকৈ ৰাজহুৱা সভা আহ্বান কৰিলে। শ্ৰদ্ধাৰ অধিবক্তা তোষেশ্বৰ দত্ত ছাৰৰ অভিমত' 'কোনোবা এদিন কিয় কালিলৈয়ে এখন সভা দিয়া যাওক।'

Scanned with OKEN Scanner

তাৰিখটো তেৱ হওক। শুভকৰ্মত বৈ থাকি লাভ নহয়।' এনেকৈয়ে অতি ক্ষীপ্ৰ গতিৰে কামবোৰ হৈ উঠিল আৰু আজি কলেজখন পঞ্চাছ বছৰীয়া হ'ল। সেই ৰাজহুৱা সভাখনেই হ'ল এখন কলেজৰ বাটকটীয়া। সভাখন অনুষ্ঠিত হ'ল স্থানীয় নাট্যমন্দিৰত— ১৩ অক্টোবৰ (১৯৬৩) তাৰিখে পুৱাবেলাতেই। এই সভাত সভাপতিত্ব কৰিছিল স্থানীয় শিক্ষাবিদ, টেক্‌নিকেল স্কুলৰ প্ৰধান শিক্ষক অজিত গগৈদেৱে। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকল হ'ল— প্ৰাক্তন সংসদী সদস্য প্ৰফুল্ল চন্দ্ৰ বৰুৱা, বিধায়ক পুষ্পধৰ চলিহা, অধিবক্তা বৈদ্যনাথ বৰপূজাৰী, প্ৰাক্তন বিধায়ক ঠানুৰাম গগৈ, নবীন চন্দ্ৰ ভাগৱতী, কমল চন্দ্ৰ চুতীয়া, অধিবক্তা প্ৰণৱ কুমাৰ গগৈ, অধিবক্তা তোষেশ্বৰ দত্ত, অধিবক্তা কিৰণ কুমাৰ গগৈ, সুৰেশ বৰঠাকুৰ, ফুলেশ্বৰী দত্ত।

সভাত উপস্থিত থকা সকলোৱে একেমুখে শিৱসাগৰ নগৰত এখন ছোৱালী কলেজ স্থাপন কৰা বিষয়ত পূৰ্ণ সমৰ্থন জনায় আৰু প্ৰস্তাৱ যোগে এই দিশত খৰতকীয়াভাৱে প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুক্ৰমে উপস্থিত সদস্যসকলক লৈ এখনি কৰ্ণধাৰ সমিতি (Steering Committee) গঠন কৰে। এই সমিতিৰ সভাপতি মনোনীত হয় সংসদী সদস্য প্ৰফুল্ল চন্দ্ৰ বৰুৱাদেৱ। উপ-সভাপতি শ্ৰদ্ধাৰ অজিত শইকীয়া আৰু শ্ৰী প্ৰণৱ কুমাৰ গগৈ। সভাত প্ৰয়োজন সাপেক্ষে অধিক সদস্য অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাৱ যোগে সিদ্ধান্ত লোৱা হয়। সেই অনুক্ৰমে কৰ্ণধাৰ সমিতিত অন্তৰ্ভুক্ত কৰা ব্যক্তিসকল হ'ল— মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, গিৰিন্দ্ৰনাথ গগৈ, শিৱসাগৰ মহকুমাৰ কেওজন বিধায়ক, তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ সঞ্চালক, সকলো চৰকাৰী কাৰ্যালয়ৰ মুৰব্বী বিষয়াসকল, স্থানীয় আটাইকেউখন হাইস্কুলৰ প্ৰধান শিক্ষকসকল, চাৱলৰাম খেম্‌কা, মাঙ্গালাল বাগ্‌চী, অধ্যক্ষ পৰাগধৰ চলিহা, জীউৰাম ভৰালী, ক্ষীৰদা কুমাৰী বৰুৱা, সৰজাৱতী কাকতি, লাৱণ্য হাজৰিকা, দেৱমালা দত্ত, মেলিনা ৰামস্বামী, ত্ৰৈলোক্যদা গগৈ, এন বৰুৱা, ডাঃ জগন্নাথ বৰুৱা, অধিবক্তা কালীপ্ৰসাদ চন্দ, অধিবক্তা জালালুদ্দিন আহমেদ, অধিবক্তা অমৃতলাল গোহাঁই, প্ৰফুল্ল কাকতি, অধিবক্তা আনন্দ চন্দ্ৰ কাকতি, অধিবক্তা টংকেশ্বৰ দিহিঙ্গীয়া, অধিবক্তা পীতাম্বৰ হাজৰিকা, জ্যোতিপ্ৰভা চলিহা, সহজানন্দ ভৰালী, কমলা বৰদলৈ, তাৰা বেগম, মহেন্দ্ৰ বৰা, গোবিন্দ চন্দ্ৰ বৰুৱা, জগন্নাথ ঠাকুৰ, বিভূতি চলিহা, যাদৱ ঠাকুৰ, পুতুল ফুকন, নাৰায়ণ বৰুৱা, হেম হাজৰিকা, পি.চি. দত্ত, বি.আৰ.দত্ত।

উক্ত সভাত গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি— "This meeting of the representatives of the Sibsagar public after the deliberation decided to start a girls' college at the Sibsagar town from the next session (1964) and necessary steps be taken towards that end and in right earnest." প্ৰাৰম্ভিক খা-খৰচৰ বাবে সমিতিৰ সদস্যসকলৰ পৰা ১০ টকাকৈ বৰঙনি তোলাৰ সিদ্ধান্ত লোৱা হয়।

পৰৱৰ্তী পৰ্যায়ত কৰ্ণধাৰ সমিতিৰ প্ৰথম বৈঠক ২২ অক্টোবৰ তাৰিখে কালীপ্ৰসাদ মেমৰিয়েল ভৱনত অনুষ্ঠিত হয়। উক্ত সভাত প্ৰস্তাৱিত কলেজখনৰ বাবে এখনি উপদেষ্টা সমিতি গঠন কৰি

Scanned with OKEN Scanner

দিয়া হয়। এই উপদেষ্টা সমিতিৰ সদস্যসকল হ'ল— প্ৰফুল্ল চন্দ্ৰ বৰুৱা (এম.পি), অজিত কুমাৰ গগৈ, যতীন্দ্ৰ নাথ শইকীয়া, ঠানুৰাম গগৈ, সহজানন্দ ভৰালী, তোষেশ্বৰ দত্ত, গোবিন্দ চন্দ্ৰ বৰুৱা, পুষ্পধৰ চলিহা, বৈদ্যনাথ বৰপূজাৰী, উমাচৰণ শৰণীয়া (মহকুমাধিপতি), তাৰিণী চৰণ বৰুৱা, গিৰিজা প্ৰসাদ বৰুৱা, আনন্দ চন্দ্ৰ বেজবৰুৱা, পৰাগধৰ চলিহা, গুণ বৰুৱা, চাৰুলৰাম খেমকা, প্ৰণৱ কুমাৰ গগৈ, তাৰা বেগম, মেলিনা ৰামস্বামী, ফুলেশ্বৰী দত্ত, জালালউদ্দিন আহমেদ। প্ৰয়োজন সাপেক্ষে অধিক সদস্য মনোনীত কৰিবৰ বাবে এই কমিটিক কৰ্তৃত্ব দিয়া হয়।

উক্ত সভাতে কলেজ প্ৰস্তুতি সমিতিৰ অস্থায়ী কাৰ্যালয় গান্ধী স্মাৰক নিধিৰ তত্ত্বপ্ৰচাৰক কেন্দ্ৰতেই আৰম্ভ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। মাহিলী ৭০ টকা দৰমহাত এজন পিয়ন নিযুক্তি দিয়াৰো সিদ্ধান্ত লোৱা হয়।

০৩-১১-১৯৬৩ তাৰিখৰ বৈঠকত কলেজ পৰিচালনা সমিতিয়ে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এই সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱিত কলেজখনৰ নাম 'শিৱসাগৰ ছোৱালী কলেজ' ৰখা হয়। ১৯৬৪ চনৰ জুলাই মাহত আৰম্ভ হ'বলগা শিক্ষাবৰ্ষৰ পৰাই কলেজখনি আৰম্ভ কৰা আৰু কলেজৰ যি কৰ্ণধাৰ সমিতিয়ে যি কাৰ্যনিৰ্বাহ কৰি আছিল সেই সমিতিক 'শিৱসাগৰ ছোৱালী কলেজ সমিতি'ৰূপে আৰু উপদেষ্টা সমিতিখনক কৰ্ণধাৰ সমিতিৰূপে গণ্য কৰিবলৈ আৰু কৰ্ণধাৰ সমিতিৰ সদস্যসকলৰ কেইজনমানক লৈ এখন সৰু কাৰ্যকৰী সমিতি (Executive Committee) গঠন কৰি দিবলৈ মূল সমিতিলৈ বিবেচনাৰ বাবে আগবঢ়োৱা লগতে আগন্তুক শিক্ষা বছৰৰ পৰাই কলেজীয়া শ্ৰেণীসমূহ স্থানীয় কালীপ্ৰসাদ স্মৃতিভৱনতে পুৰা আৰম্ভ কৰাৰ বাবে প্ৰস্তাৱ এই সভাই আগবঢ়ায়। সভাই তিনিখন সমিতি গঠন কৰি দিয়ে— ১। পুঁজি সমিতি ২। স্থান নিৰ্ণয় কৰা সমিতি ৩। শিক্ষা দান বিষয়ৰ Academic Comittee।

কলেজ স্থাপনৰ বিষয়ত অধিক সক্ৰিয়ভাৱে আগবঢ়াত সহায়ক হোৱাৰ বাবে কলেজৰ কাৰ্যকালৰ সময় পুৰা ৮ বজাৰ পৰা ১২ বজালৈ আৰু বিয়লি ৩ বজাৰ পৰা ৫ বজালৈ, দেওবাৰে আগবেলা খোলা ৰখাৰ সিদ্ধান্ত লোৱা হয়।

উপদেষ্টা সমিতিৰ বৈঠকত শিক্ষক নিযুক্তি বিষয়ত আলোচনা কৰা হয়। লগতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক সাক্ষাৎ কৰি কলেজ স্থাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰামৰ্শ আৰু ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে কলেজৰ বাবে পুঁজি সংগ্ৰহৰ কাম ১৭ নৱেম্বৰত আৰম্ভ কৰাৰ আৰু কালীপ্ৰসাদ স্মৃতি ভৱনত Trust Board ৰ ওচৰত কলেজৰ কামসমূহ অস্থায়ীভাৱে আৰম্ভ কৰিবলৈ ভৱনটি অস্থায়ীভাৱে আগবঢ়াবলৈ অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উপদেষ্টা সমিতিৰ ২৮-১১-১৯৬৩ তাৰিখত এখন বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু চৰকাৰৰ শিক্ষামন্ত্ৰীক স্মাৰকপত্ৰ সহিতে এটা দল লৈ লগ কৰাৰ সিদ্ধান্ত লোৱা হয়। এই সংক্ৰান্তত আনন্দ বেজবৰুৱাদেৱৰ নেতৃত্বত অজিত কুমাৰ গগৈ, গোবিন্দ চন্দ্ৰ বৰুৱা, যতীন্দ্ৰ নাথ শইকীয়া আৰু তোষেশ্বৰ দত্তক লৈ

Scanned with OKEN Scanner

গঠিত হোৱাৰ প্ৰস্তাৱ দিয়া হয়।

১৯৬৪ চন আৰম্ভ হওঁতেই অৰ্থাৎ ১ জানুৱাৰী ১৯৬৪ তেই Steering Committee ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক বহে। এই বৈঠকত উপদেষ্টা সমিতিৰ পৰামৰ্শ অনুযায়ী কলেজখন 'শিৱসাগৰ ছোৱালী কলেজ' হিচাপে নামকৰণ কৰাৰ সিদ্ধান্ত লোৱা হয়। উপদেষ্টা সমিতিৰ পৰামৰ্শ মতেই উপদেষ্টা সমিতিখনৰ Steering Committee আৰু আগৰ Steering Committee খনক কলেজ সমিতি হিচাপে গণ্য কৰাৰ সিদ্ধান্ত লোৱা হয়। লগতে কলেজৰ বাবে এখনি Adhoc Governing Body তলত দিয়া সদস্যসকলৰে গঠন কৰা হয়।

সভাপতি— প্ৰফুল্ল চন্দ্ৰ বৰুৱা

উপ-সভাপতি — অজিত গগৈ

সদস্যসকল— আনন্দচন্দ্ৰ বেজবৰুৱা, সহজানন্দ ভৱালী, গোবিন্দ চন্দ্ৰ বৰুৱা, তাৰিণীচৰণ শৰ্মা, অমৃতলাল গোহাঁই, চাৰুলৰাম খেমকা, জালালুদ্দিন আহমেদ, পৰাগধৰ চলিহা, পুষ্পধৰ চলিহা, মহকুমাধিপতি (শিৱসাগৰ), দুৰ্গেশ্বৰ শইকীয়া, বৈদ্যনাথ বৰপূজাৰী, সত্যব্ৰত চলিহা, ঠানুৰাম গগৈ, কমল চন্দ্ৰ চুতীয়া।

সাধাৰণ সম্পাদক — তোষেশ্বৰ দত্ত

যুটীয়া সঞ্চালক — যতীন্দ্ৰনাথ শইকীয়া, প্ৰণৱ গগৈ

কোষাধ্যক্ষ — গিৰিজা প্ৰসাদ বৰুৱা

এইখিনিতে এটা কথা নক'লে নহ'ব— যতীন্দ্ৰ নাথ শইকীয়াই তিনি তৰপীয়া ব্যৱস্থাৰ বিৰোধিতা কৰি সভাত কিছু কথা ক'বলৈ চেষ্টা কৰোতে সভাপতিয়ে অনুমোদন নিদিয়াত অসন্তুষ্ট হৈ সভাগৃহ ত্যাগ কৰে আৰু পিছত কলেজ সমিতিৰ সদস্য পদৰ ইস্তফা পত্ৰ পঠায়। এই সভাতে কালীপ্ৰসাদ স্মৃতি ভৱনৰ কৰ্তৃপক্ষই কলেজৰ শ্ৰেণীসমূহ সাময়িকভাৱে তাতে আৰম্ভ কৰিবলৈ অনুমতি দিয়াৰ কথা সদস্যসকলক অৱগত কৰোৱা হয়।

তদৰ্থে কলেজ পৰিচালনা সমিতিৰ Adhoc Governing Body ৰ ইয়াৰ পিছৰ প্ৰথম বৈঠক ১৬-০১-১৯৬৪ তাৰিখে অনুষ্ঠিত হয় আৰু জুলাই মাহত আৰম্ভ হয়। অহা শিক্ষা বছৰৰ পৰাই প্ৰাক্ স্নাতক আৰু স্নাতক শ্ৰেণীৰ প্ৰথম ৰাৰ্ষিকৰ ছাত্ৰীৰ নাম ভৰ্তি কৰাৰ ব্যৱস্থা হাতত ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লোৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ১০,০০০+৫,০০০ টকাৰ স্থায়ী আমানত ৩০ জানুৱাৰীৰ ভিতৰত সংগ্ৰহ কৰি বিধিগতভাৱে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত আবেদন জনাবৰ বাবে স্থিৰ কৰে। লগতে কলেজৰ অধ্যক্ষ আৰু শিক্ষক নিযুক্তিৰ বিষয়টি আলোচনা কৰি পদসমূহৰ বাবে স্থানীয়ভাৱে জাননী দিয়াৰ ব্যৱস্থা কৰে। কলেজত ভৰ্তি হ'ব খোজা দূৰণিৰ ছাত্ৰীসকলৰ বাবে এটি ছাত্ৰী নিৱাসৰ ব্যৱস্থা কৰিবলৈ সাধাৰণ সম্পাদকক দায়িত্ব দিয়ে। এই বৈঠকত কলেজৰ কাৰ্যালয় সহায়ক- হিচাপে শ্ৰী ত্ৰিলোচন দত্ত আৰু পিয়ন সাধন দত্তক নিযুক্তি দিয়া হয়।

Scanned with OKEN Scanner

তদর্থ পৰিচালনা সমিতিয়ে (২২-০১-১৯৬৪ তাৰিখে বহা) শ্রী তোষেশ্বৰ দত্তক অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ লগতে ইংৰাজী বিভাগৰ বাবে শ্রী জীৱন চন্দ্র ভট্টাচার্য, শিক্ষা বিভাগত নীলিমা বৰুৱাক, অসমীয়া বিভাগত অণিমা ভৰালী আৰু মিনতি বেজবৰুৱাক, অর্থনীতি বিভাগত মঃ হাফিজুৰ ৰহমানক আৰু ৰাজনীতি বিজ্ঞানৰ বাবে জয়চন্দ্র বড়াক অধ্যাপক/অধ্যাপিকা ৰূপে নিযুক্তি দিয়া হয়। অধ্যক্ষ তোষেশ্বৰ দত্তকে সাময়িকভাৱে বুৰঞ্জী বিভাগৰ পাঠদান কৰিবলৈ কোৱা হয়। ইতিমধ্যে ২০-০১-১৯৬৪ তাৰিখে কটন কলেজৰ তেতিয়াৰ অধ্যক্ষ নুৰুল ইছলাম ডাঙৰীয়াই বিশ্ববিদ্যালয়ৰ তৰফে কলেজ পৰিদর্শন কৰি যায়হি। ইছলাম ডাঙৰীয়াক যদিও প্রাক্ স্নাতক শ্রেণী প্রৱর্তনৰ বাবেহে পৰিদর্শনৰ দায়িত্বত বিশ্ববিদ্যালয়ে পঠিয়াইছিল কলেজ সমিতিৰ ফালৰ পৰা তেখেতক স্নাতক শ্রেণী সম্পর্কে এটি মন্তব্য যথাস্থানত দিবলৈ অনুৰোধ জনোৱা হৈছিল। ইফালে বেজবৰুৱা হাইস্কুলৰ ওচৰতে হোষ্টেল হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ এটা ঘৰ লোৱা হ'ল। হোষ্টেলৰ উপযোগীকৈ ঘৰটো সজাই-পৰাই ল'বৰ বাবে যথেষ্ট টকাৰ (৬০০০ ৰো ওপৰৰ) ব্যয় কৰিব লগা হয়।

কলেজৰ বাবে পুঁজি সংগ্রহ এক বিশেষ অভিযান ১৯৬৪ চনৰ ৬ জুনৰ পৰা ১২ জুনলৈ এসপ্তাহ জোৰাকৈ কলেজ সপ্তাহ উদ্‌যাপন কৰা হ'ল। নগৰৰ মানুহবিলাকৰ ঘৰে ঘৰে গৈ অর্থ সংগ্রহ কৰা হ'ল। এই কলেজ সপ্তাহত স্থানীয় স্কুল কলেজৰ ছাত্র-ছাত্রীসকলক লৈ কলেজৰ পৃষ্ঠপোষক, শুভানুধ্যায়ী ব্যক্তিসকলে এক বিৰাট শোভাযাত্রাৰ আয়োজন কৰিলে লগতে ৰাজহুৱা সভা, চিনেমা হলত ফলক প্রদর্শন আদিৰো ব্যৱস্থা কৰা হ'ল। কলেজ সপ্তাহৰ এই উদ্বোধনী অনুষ্ঠানত বিশেষভাৱে অংশগ্রহণ কৰিলে পদ্মশ্রী নলিনীবালা দেৱীয়ে। ৰাইজৰ আশীষ শিৰত লৈ শিৱসাগৰ ছোৱালী কলেজ আনুষ্ঠানিকভাৱে উন্মোচন হ'ল ০৮-০৭-১৯৬৪ তাৰিখে। সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য H.J. Taylor ডাঙৰীয়াই কলেজৰ দুৱাৰ মুকলি কৰে। উপাচার্য Taylor ডাঙৰীয়াক শিৱসাগৰলৈ অনাৰ ক্ষেত্রত বিশেষ আগভাগ লৈছিল সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা শিৱসাগৰৰ ছাত্র গুণ বৰুৱাই। আৰম্ভণিতে কলেজৰ ছাত্রীৰ সংখ্যা প্রাক্ স্নাতক শ্রেণীৰ ১৭ গৰাকী আৰু স্নাতক প্রথম বার্ষিকত ৩০জনী আছিল। এই ছাত্রীসকলক বিচাৰি কলেজ সমিতিৰ সদস্যসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হোৱা ছোৱালীবিলাকৰ ঘৰলৈ গৈ অভিভাৱকসকলক ব্যক্তিগতভাৱে লগ ধৰি তেখেতসকলৰ ছোৱালীবিলাকক কলেজত ভর্তি কৰিবলৈ অনুৰোধ জনাইছিল।

বৰ সুখৰ কথা ইতিমধ্যে কলেজৰ নিজা মাটিৰ পথ প্রশস্ত হ'ল। স্থানীয় অসামৰিক কর্তৃপক্ষই কলেজৰ বাবে ফুলেশ্বৰী ছোৱালী হাইস্কুলৰ কাষতে ৫.৫ বিঘা মাটি আৱণ্টন দিয়ে। দ্বিতীয়তে কলেজৰ বাবে আন এটা দিশত সৌভাগ্য উদয় হ'ল। শিৱদ'লৰ কাষতে থকা Settlement Building টোৰ নির্ধাৰিত কর্মসূচী অন্ত পৰাত খালী হোৱাৰ উপক্রম হৈছিল। কলেজ কর্তৃপক্ষই ইয়াৰ পূর্ণ সুযোগ গ্রহণ কৰিবৰ বাবে অকণো সময় নষ্ট নকৰি শ্বিলঙলৈ আৰু ৰাজহ মন্ত্রীক লগ ধৰিবলৈ পঠালে। নিশ্চই এই যাত্রা শুভ যাত্রা। মুখ্যমন্ত্রী চলিহাদেৱৰ আন্তৰিক প্রচেষ্টাৰ ফলত অসম চৰকাৰৰ ফালৰ

Scanned with OKEN Scanner

পৰা ১০,০০০ (দহ হাজাৰ টকা) টকাত Settlement Building টো শিৱসাগৰ ছোৱালী কলেজে লাভ কৰিলে। ০৪-০৭-১৯৬৬ তাৰিখে কলেজখন কালীপ্ৰসাদ স্মৃতিভৱনৰ পৰা বৰ্তমান ঠাইলৈ আনে।

লাহে লাহে শিৱসাগৰ ছোৱালী কলেজে নিজকে সগৌৰৱে থিয় কৰাব পৰা হ'ল। অভিভাৱকসকলে সঠিক দিশত আগবাঢ়ি নিজৰ ছোৱালীক এই কলেজত গতালে। T.D.C. 1st year (১৯৬৪-৬৭) ছাত্ৰীসকল হ'ল— ইভা ৰাজখোৱা ভট্টাচাৰ্য, বিনোদিনী দেৱী, নীলিমা হাজৰিকা, মায়াশীলা হাজৰিকা, বিন্দু দেৱী (শৰ্মা), আনন্দি দাস, অন্ন গোহাঁই, নীলিমা গোহাঁই, শান্তি চেতিয়া, আস্না চেতিয়া, হিৰণ্য গগৈ, কুঞ্জ ফুকন, দৈৱকী দেৱী, অঞ্চলি ঠাকুৰ, দীনময়ী সিনহা, জয়ন্তী বৰা, সন্ধ্যাৰাণী, দেৱযানী বৰকাকতি, লখিমী ঠাকুৰ, নিৰ্মালি গোহাঁই, দীপালী বৰঠাকুৰ...

১৯৬৪-৬৮ চনত কলেজৰ প্ৰথম Pre-University শ্ৰেণীৰ ছাত্ৰীসকল হ'ল— ৰীতা শৰ্মা, মঞ্জু দেৱী, ৰঞ্জুমণি বৰা, জ্যোতি ঠাকুৰ, আৰতি ঠাকুৰ, মুচফিকা দৌল্লা, নাজমা বেগম, ৰাণীমা বৰুৱা (দত্ত), বিনু দত্ত (সিনহা), বীণা চেতিয়া (গোহাঁই বৰুৱা), হিৰণ্য গগৈ (চেতিয়া), চফিকুন নাহাৰ ইছলাম, শুৱলা মজিন্দাৰ বৰুৱা, বন্তিশিখা ভূঞা, ৰতিপ্ৰভা গগৈ, হাচনা আৰা বেগম, কুইন বৰঠাকুৰ, নীলু দৌল্লা।

B.A. (T.D.C) Part II পৰীক্ষা (১৯৬৭ চনৰ এপ্ৰিল)ত হোৱা বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণৰ তালিকাত শিৱসাগৰ ছোৱালী কলেজৰ উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীৰ ৰোল নম্বৰ হ'ল— ৩, ৪, ৭, ৯, ১২, ১৩, ১৪, ১৬, ১৮, ১৯, ২৬, ৩৯, ৩১, ৩২, ৩৩, ৩৫, ১৬৬৪ (Withheld ২৩, ২৩) এই পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংচন লাভ কৰিবলৈ সমৰ্থ হৈছিল। সুখৰ কথা আমাৰ কলেজৰ আস্না চেতিয়াই তৃতীয় স্থানত এই সন্মান লাভ কৰিছিল।

১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল। গতিকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এলেকাত পৰা কলেজসমূহৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ নিজৰ অধীনলৈ নিয়ে। গতিকে আমাৰ শিৱসাগৰ ছোৱালী কলেজো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত পৰে।

আগতেই কৈ আহিছো কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হ'ল তোষেশ্বৰ দত্তদেৱ। তেখেতে বুৰঞ্জী বিভাগত পাঠদানো কৰিছিল। বুৰঞ্জী বিভাগত তেখেতৰ সহকৰ্মী আছিল কান্তেশ্বৰ ডেকাদেৱ। ইংৰাজী বিভাগত আছিল জীৱন ভট্টদেৱ আৰু ইন্দ্ৰসেন প্ৰসাদ গুপ্তাদেৱ। গুপ্তা গুচি যোৱাত অঞ্জলি বৰুৱাই সেই পদত থাকি শিক্ষাদান কৰিছিল। অসমীয়া ঐচ্ছিক, অসমীয়া আৰু অসমীয়া দ্বিতীয় ভাষা পঢ়াইছিল অনিমা ভৰালী আৰু মিনতি বেজবৰুৱাই। মিনতি বেজবৰুৱা গুচি যোৱাৰ পিছত তেখেতৰ ঠাইলৈ আহিল অঞ্জলি দেৱী। ৰাজনীতি বিজ্ঞান বিষয়টো পঢ়াইছিল বীৰেন্দ্ৰ নাথ তালুকদাৰ আৰু নিৰজা ফুকনে। নিৰজা ফুকন গুচি যোৱাত পিছৰ বছৰ আহিল চাহাবুদ্দিন আহমেদ ডাঙৰীয়া। অৰ্থনীতি বিষয়ৰ পাঠদান দিছিল হাফিজুৰ ৰহমানে। শিক্ষা বিভাগত পাঠদান দিছিল নীলিমা বৰুৱা আৰু ৰীণা

Scanned with OKEN Scanner

শর্মাই। ভূগোল বিষয়ৰ পাঠদান দিছিল অৰুণ ঠাকুৰে। গার্হস্থ্য বিজ্ঞান বিষয়টি পঢ়াবলৈ আহিছিল সুদূৰ কেৰেলাৰ আচাম্মাই। ৰাজনীতি বিজ্ঞান বিষয়টি পঢ়াইছিল জয়চন্দ্ৰ বৰাদেৰে।

ছাত্ৰীসকলৰ উচ্চ শিক্ষাৰ পথ প্ৰশস্ত কৰিবৰ বাবে কলেজ কৰ্তৃপক্ষই বিভিন্ন বিষয়ত সম্মান (Honours) খোলাত আগ্ৰহী হৈ পৰিল। এই অনুক্ৰমে প্ৰথম পৰ্যায়ত অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ সম্মান শ্ৰেণী ১৯৬৭-৬৮ শিক্ষা বৰ্ষত আৰম্ভ কৰা হয়। ১৯৭৪ চনত ইংৰাজী, ১৯৭৫ চনত শিক্ষা বিভাগ, ১৯৮২ চনত অৰ্থনীতি বিভাগ, ১৯৮৪ চনত ভূগোল বিভাগ, ১৯৮৯ চনত বুৰঞ্জী বিষয়ত সম্মান শ্ৰেণী খোলা হয়। এতিয়া গার্হস্থ্য বিজ্ঞান বিভাগতো খোলা হ'ল। এইখিনিতে এটা কথা নক'লে নহ'ব। ১৯৬৮ চনৰ ৬ নৱেম্বৰত মই এইখন কলেজৰ অসমীয়া বিভাগত যোগদান কৰো। অসমীয়া বিষয় শিক্ষক হিচাপে মই শ্ৰদ্ধাৰ দ্ৰোণ কলিতাদেৱ, আৰু নীলিমা ভট্টাচাৰ্যকহে পাইছো। ইংৰাজী বিভাগত সোণাৰাম বৰুৱা আৰু সমৰপতি স্যান্যালক পাইছো। ৰাজনীতি বিজ্ঞান বিভাগত ড° মুনীন গোহাঁইকো পাইছো। ভূগোল বিভাগত অৰুণ বৈৰাগী আৰু হৰেণ বড়াক পাইছো। গার্হস্থ্য বিজ্ঞান বিভাগত গিৰিকুমাৰী গগৈ আৰু শান্থা থমাচক পাইছো। অৰ্থনীতি বিভাগত সত্যভূষণ বৰুৱাদেৱক পাইছো। বুৰঞ্জী বিভাগত সুৰেন্দ্ৰ নাথ গোস্বামী, জিতেন শর্মা বৰদলৈক পাইছো। ১৯৬৮-৬৯ চনৰ পাছৰ পৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ এতিয়ালৈকে ভালেসংখ্যকে অৱসৰ গ্ৰহণ কৰিলে আৰু নতুন চামে সেই পদ পূৰণ কৰিছে।

এইখন শিৱসাগৰ ছোৱালী কলেজত পঢ়িবলৈ, পঢ়াবলৈ ছাত্ৰী, অভিভাৱক সকলোৱে আশা কৰে। দূৰ-দূৰণিৰ পৰা অহা ছাত্ৰীসকলৰ বাবে ছাত্ৰী নিৱাসৰ প্ৰয়োজনীয়তা বুজি আৰম্ভণিতেই বেজবৰুৱা হাইস্কুলৰ সন্মুখত এটি ভাড়া ঘৰত ৬০-৭০ জনী ছাত্ৰী থাকিব পৰা ব্যৱস্থা এটা কৰি লোৱা হৈছিল। ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা অনুদানৰ সহায়ত ফুলেশ্বৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত চৰকাৰৰ পৰা পোৱা মাটিত এটি দুমহলীয়া ছাত্ৰী নিবাস নির্মাণ কৰা হয়। এই ছাত্ৰী নিবাসৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা ৩,৪২,১২৩ টকাৰ লগতে অসম কলেজৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিলে। সেইখিনি সময়তে এনে দুটা দুমহলীয়া হোষ্টেল হয়তো আন কলেজত নাছিল। কথাতেই কয়— মানুহক নোজোৰে। ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান চাহিদালৈ চাই ১০০ টা আসনৰ হোষ্টেলে জোৰা নাই। ভাগ্যৰ কথা জনজাতি উন্নয়ন পৰিষদৰ পৰা ১৫ গৰাকী ছাত্ৰীৰ আসনৰ এটি অংশ সংযোজিত হৈছে— এতিয়া হোষ্টেলখনৰ আৰু প্ৰসাৰ কৰা হৈছে।

বর্তমান Science Block ৰ যিটো পুৰণি Building সেইটো এসময়ত লাইব্ৰেৰী আছিল। লাইব্ৰেৰীৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৩,৪২,১২৩ টকা আৰু অসম চৰকাৰৰ পৰা ৯,৩৭,৮৩০ টকাৰ অনুদান লাভ কৰা হৈছিল।

কলেজৰ গাতে লাগি থকা উপপ্ৰতি সমাহৰ্তা কার্যালয়টোৰ মাটিডোখৰ পাবৰ কাৰণে কলেজ

Scanned with OKEN Scanner

আৰম্ভণিৰ কিছুদিনৰ পিছৰ পৰাই যত্ন কৰা হৈ আহিছিল। জনতা চৰকাৰৰ দিনত এই মাটিডোখৰ পোৱাৰ এটা আশা দেখা গৈছিল। কিন্তু নানান কথাত হৈ নুঠিল। বৰকটকী ছাৰৰ ভাষাত— 'তথাপিও মই পৰিচালনা সমিতিৰ অনুমতি সাপেক্ষে যত্নৰ ত্রুটি কৰা নাছিলো। ৰাষ্ট্রপতি শাসনৰ দিনত ৰাজহ সচিবক লগ ধৰি তেখেতৰ পৰা লিখাই আনিবলৈ সমর্থ হৈছিলো। তেখেতে লিখিছিল যে বর্তমান ঠাইৰ পৰা উপপ্রতি সমাহর্তাৰ কার্যালয়টো উঠাই নিলে মাটিডোখৰ ছোৱালী কলেজক দিব লাগে।' সুখৰ কথা বৰকটকী ছাৰ জীয়াই থাকোতেই লক্ষী তামুলীদেৱ শিৱসাগৰৰ উপায়ুক্ত হৈ থাকোতে কম টকাতে মাটিডোখৰ কলেজক দিলে— য'ত কলেজ প্রেক্ষাগৃহটি দ্রুপদ বৰগোহাঁইদেৱৰ সাংসদ পুঁজিৰ ধন আৰু কলেজৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ দান-বৰঙণিৰ এটি প্রেক্ষাগৃহ-ৰভাঘৰৰ সৈতে থিৰ দিছে। এইখিনিতে কলেজখনৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে অধিষ্ঠিত হোৱা কলেজ অধ্যক্ষসকলৰ নাম ল'লে কলেজখনৰ অগ্রগতিৰ সম্পর্কত সুবিধা হ'ব—

শ্রদ্ধাৰ তোষেশ্বৰ দত্ত — ০৮-০৭-১৯৬৪ ৰ পৰা ২৪-০৫-১৯৬৯
মুহীৰাম শইকীয়া — ১৬-০৮-১৯৬৯ ৰ পৰা ২৩-১১-১৯৭০
নীলিমা বৰুৱা — ২৪-১১-১৯৭০ ৰ পৰা ৩০-০৬-১৯৭১
বীৰেন বৰকটকী — ০১-০৭-১৯৭১ ৰ পৰা ২৮-০২-১০৮৫
হাফিজুৰ ৰহমান — ০১-০৩-১৯৮৫ ৰ পৰা ০২-০২-১৯৯৮
বীৰেন তালুকদাৰ — ০৩-০২-১৯৯৮ ৰ পৰা ২৪-০২-২০০১
চাহাবুদ্দিন আহমেদ (ভাৰপ্রাপ্ত) — ০১-০৩-২০০১ ৰ পৰা ৩১-০৮-২০০১
সোণাৰাম বৰুৱা (ভাৰপ্রাপ্ত) — ০১-০৯-২০০১ ৰ পৰা ৩০-০৬-২০০৩
যমুনা বৰগোহাঁই (ভাৰপ্রাপ্ত) — ০১-০৭-২০০৩ ৰ পৰা ৩১-০১-২০০৪
দীলিপ কুমাৰ চক্রৱর্তী (ভাৰপ্রাপ্ত) — ০১-০২-২০০৪ ৰ পৰা ১৭-০৯-২০০৪
ড° হেমন্ত কুমাৰ ফুকন — ১৭-০৯-২০০৪ ৰ পৰা বর্তমানলৈ।

তোষেশ্বৰ দত্তদেৱে অশেষ কষ্ট কৰি নতুন কলেজখনৰ গুৱিৰ'ঠা ধৰিলে। তেখেতে শিক্ষক বাছনিৰ ক্ষেত্রত প্রাক্তন উপাচার্য (গুৱাহাটী বিশ্ববিদ্যালয়) কৃষ্ণকান্ত সন্দিকৈদেৱৰ অনুগামী— অর্থাৎ শিক্ষকসকলৰ গুণগত মান থাকিব লাগিব (প্রথম শ্রেণী নহ'লেও দ্বিতীয় শ্রেণীৰ প্রথম, দ্বিতীয় এনেকুৱা)। এবাৰ বোলে কৃষ্ণকান্ত সন্দিকৈদেৱক যোৰহাটৰ ঘৰত লগ কৰি শিৱসাগৰত এখনি ছোৱালী কলেজ খোলাৰ কথা ক'লত 'অ', এতিয়াহে সাৰ পালা' বুলি ক'লে। কিন্তু পাছৰ মাহতে শিৱসাগৰ ছোৱালী কলেজৰ নামত ৫০০ টকাৰ বৰঙণি পঠিয়াই দিলে।

মুহীৰাম শইকীয়া ছাৰে বেছিদিন অধ্যক্ষতা কৰা নাছিল বাবে কলেজৰ তেনে কাম কৰিবলৈ সুবিধাও নাপালে। তেখেত যোৱাৰ পাছত নীলিমা বাইদেৱে সুন্দৰকৈ কলেজখন চলাই নিলে। মই তোষেশ্বৰ দত্ত ছাৰক ভালদৰে লগ পাইছো। মুহী শইকীয়া ছাৰ শিৱসাগৰ কলেজত পঢ়োতে মোৰ

Scanned with OKEN Scanner

শিক্ষাগুৰু আছিল। নীলিমা বাইদেউক অধ্যক্ষাই নহয় সহকর্মীৰূপেও ভালেদিন পালো। বীৰেন বৰকটকী ছাৰৰ দিনত কলেজৰ শৈক্ষিক দিশৰ উন্নতি ঘটিলেও কলেজৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ কাম হৈ নুঠিল। ছাত্ৰীৰ চাহিদালৈ চাই শ্ৰেণী কোঠাৰ অভাৱ দেখা গৈছিল। সেই অভাৱ পূৰ কৰিবলৈ কেইটামান অস্থায়ী শ্ৰেণী কোঠাহে গঢ় লৈ উঠিছিল। হাফিজুৰ ৰহমানদেৱৰ দিনত শৈক্ষিক দিশৰ লগতে বৰ্তমানৰ ১৬, ১৭ নম্বৰ শ্ৰেণীকোঠাটো নিৰ্মাণ কৰা হৈছিল। বীৰেন তালুকদাৰৰ দিনত Science Block ত থকা লাইব্ৰেৰীটো বৰ্তমানৰ স্থানলৈ অনা হয়। তেখেতৰ দিনতে ড° মনমোহন সিঙে তেখেতৰ সাংসদ পুঁজিৰ পৰা দিয়া শকত অংকৰ ধনৰ বাবে বৰ্তমান ছাত্ৰী জিৰণি চ'ৰাৰ তলৰ ভৱনটি নিৰ্মাণ হ'ল আৰু স্বয়ং মনমোহন সিংদেৱে ভৱনটিৰ দ্বাৰ উদ্‌ঘাটন কৰে। প্ৰত্যেকজন অধ্যই কিন্তু শৈক্ষিক দিশটো খুব ভালকৈ চম্ভালিছিল। যাৰবাবে কলেজৰ ছাত্ৰীসকলৰ ফলাফল ভাল হৈছিল লগতে খেলা-ধূলা আদি দিশতো ছাত্ৰীসকল আগবাঢ়িছিল। কলেজৰ ৰূপালী জয়ন্তী বৰ্ষতেই শ্ৰদ্ধাৰ হাফিজুৰ ৰহমানদেৱৰ দিনত এক গুৰুত্বপূৰ্ণ পদক্ষেপ লৈ কলেজ কৰ্তৃপক্ষই বিজ্ঞান শাখা ১৯৮৯-৯০ শিক্ষা বছৰৰ পৰা মুকলি কৰিছে। নিৰ্দ্ধাৰিত বিষয়সমূহ যেনে— গণিত, ৰসায়ণ, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞানৰ শিক্ষাদান দিয়াৰ ব্যৱস্থা লোৱা হৈছে। বিজ্ঞান শাখা খোলাৰ বেলিকা শিৱসাগৰ কলেজৰ বিজ্ঞান শাখাৰ কেইজনমান শিক্ষকে সহায়, দিহা-পৰামৰ্শ দিয়াৰ উপৰিও শ্ৰেণীত পাঠদান কৰি দিও সহায় কৰিছিল। শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞানৰ বিষয় শিক্ষকসকলেও যথেষ্ট সহায়-সহযোগিতা আগবঢ়ালে। উল্লেখযোগ্য যে বিজ্ঞান ভৱন নিৰ্মাণৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ আয়োগে দুই লাখ টকাৰ আৰ্থিক অনুদানো দিলে। ছোৱালী হোষ্টেলৰ সন্মুখতে থকা মাটিডোখৰত ঘৰ সাজিব পৰা যাবনে— এনে দৃষ্টিৰে যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ ফালৰ পৰা মাটিডোখৰৰ Soil testing ৰ কামো সম্পূৰ্ণ হ'ল। ইতিমধ্যে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উত্তৰ পূৰ্বাঞ্চলৰ জেনেৰেল মেনেজাৰ আৰ.এন. মিশ্ৰৰ দ্বাৰা প্ৰস্তাৱিত বিজ্ঞান ভৱনৰ আধাৰশিলাও স্থাপন কৰা হ'ল সেই স্থানত। বিজ্ঞান ভৱনৰ কামত আশানুৰূপভাৱে আগবাঢ়িবলৈ, এই দিশত সকলো ধৰণৰ দিহা-পৰামৰ্শ দিবলৈ প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা ল'বলৈ কলেজৰ কেইজনমান শুভানুধ্যায়ী ব্যক্তিক উপদেষ্টা সমিতি গঠন কৰি দিয়া হ'ল। এই সমিতিৰ উদ্যোগত কেইজনমান ব্যক্তিৰ বদান্যতাৰ ফলত লাইব্ৰেৰীৰ ওপৰৰ প্ৰথম মহলাত শ্ৰেণী কোঠা নিৰ্মাণৰ কাম আগবাঢ়িল। এই সময়ত এই লাইব্ৰেৰীটো কলেজ থকা প্ৰধান ঠাইলৈ অনা হ'ল। ছোৱালী কলেজ আৰু ফুলেশ্বৰী ছোৱালী হাইস্কুলৰ সীমাতে থকা সামান্য মাটি এডোখৰ তাহানিৰ বাজহ মিনিষ্টাৰ পৰমা গগৈয়ে দয়া কৰি ছোৱালী কলেজক দিয়া বাবে শিৰ দ'লৰ ওচৰত একেবাৰে দ ঠাই পুতি বীৰেন তালুকদাৰ অধ্যক্ষ হৈ থাকোতে চৰকাৰী অনুদানেৰে গঢ় লৈ উঠিল লাইব্ৰেৰী। ছোৱালীৰ ডাঙৰ অভাৱ এটা পূৰণ হ'ল। আগৰ লাইব্ৰেৰীৰ কোঠাবোৰ বিজ্ঞান শাখাৰ শ্ৰেণী কোঠা হ'ল। কলেজৰ ৰূপালী জয়ন্তীতে আৰম্ভ হোৱা বিজ্ঞান শাখা খুলিবলৈ অনুমতি পোৱাৰ বাহিৰে কলেজে কোনো ধৰণৰ সঁহাৰি নাপালে। অ'.এন.জি.চি.ৰ পৰা পোৱা

Scanned with OKEN Scanner

টকাৰে তলৰ ভেটিটো হ'ল। কতবাৰ শিক্ষাধিকাৰৰ ওচৰলৈ তাঁত-বাতি কৰা হ'ল একো ফলেই নধৰিলে। বিজ্ঞান শাখাৰ বিভিন্ন বিষয়বিলাকত আমাৰ ছাত্ৰীয়ে ভাল প্ৰদৰ্শন কৰিবও পাৰিলে। ইয়াতে পঢ়া ছাত্ৰী ডাক্তৰ, ইঞ্জিনিয়াৰ হ'ল, কিন্তু আমাৰ শিক্ষকসকলৰ অৱস্থা পানীত হাঁহ নচৰা হ'ল। ছোৱালী কলেজত ছাত্ৰক শিক্ষাদান দিয়া নহয়। অথচ চিন্তা এটা কৰা হ'ল; কলেজ হোষ্টেলৰ সম্মুখত থকা Science Block ত বিজ্ঞান শাখাৰ বাবে ঘৰ-দুৱাৰ সজা হৈছে। প্ৰসংগক্ৰমে কথা এটা নক'লে নহ'ব। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পৰা পোৱা টকা আৰু জনৈক 'দাস'ৰ সৌজন্যত পোৱা ৫০ হাজাৰ টকাৰ অনুদানৰ যি ভৱন ইতিমধ্যে কলেজ শিক্ষকৰ তত্ত্বাৱধানতে তলৰ অংশ কৰা হ'ল বোলে মই অধ্যক্ষাৰ দায়িত্বত থাকোতে কামটো নো কি হ'ল তাক Enquiry কৰিবলৈ বুলি পৰিচালনা সমিতিটো দিছিলো। বহু বাক্-বিতণ্ডাৰ মাজত ছাত্ৰ আৰু ছাত্ৰী উভয়কে পঢ়াবলৈ বুলি অৰ্থাৎ প্ৰাইভেট জুনিয়ৰ কলেজ 'সংস্কৃতি' নাম দি এখনি জুনিয়ৰ কলেজ খোলা হ'ল। বিজ্ঞানৰ শিক্ষকসকলে কলেজৰে শ্ৰেণীকোঠা ভাৰাত লৈ তাতে হায়াৰ ছেকেণ্ডাৰি ক্লাছবোৰ কৰিবলৈ অনুমতি পালে। আজি ৬ টা বছৰে তেওঁলোকে শিক্ষাদান দিছে। সংস্কৃতি জুনিয়ৰ কলেজৰ নাম মানুহৰ মুখে মুখে। এই সাফল্যৰ বাবে বিজ্ঞানৰ শিক্ষকসকল ধন্যবাদৰ পাত্ৰ। তেখেতসকলক আৰ্থিক অলপ সকাহ দিব পৰাৰ অৱস্থা এটা হ'ল। লাগি থাকিলে মাগি নাখায়— বিজ্ঞান শাখা আৰম্ভ হোৱা পঁচিশ বছৰৰ মূৰত ভাগ্য দেৱতা সন্তুষ্ট হ'ল। এইবাৰ (২০১৩ চনত) চৰকাৰী স্বীকৃতিপ্ৰাপ্ত কলেজৰ তালিকাত আমাৰ কলেজৰ বিজ্ঞান শাখাই স্থান লাভ কৰিলে। বিজ্ঞান শাখাই এই বছৰ ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে।

শ্ৰদ্ধাৰ বীৰেন তালুকদাৰৰ দিনত যি দ ঠাঁই পুতি কলেজ লাইব্ৰেৰী স্থাপন কৰা হ'ল সোণাৰাম বৰুৱাদেৱৰ দিনত তাৰ ওপৰত আৰু এটা আছাম টাইপ সজা হ'ল। দ ঠাঁইত সজা বাবে লাইব্ৰেৰীৰ আলমাৰীবোৰ মজিয়াত বহি সোমাই যায়, চকীত বহিব নোৱাৰি মজিয়াত সোমাই যায়। মই উপাধ্যক্ষ হৈ থাকোতেই কলেজৰ কেণ্টিন আৰু লাইব্ৰেৰীৰ তত্ত্বাৱধায়ক আছিলো। কাৰণ ২০০৩ চনত নাক (NAAC) নামৰ সংগঠনে কলেজবোৰৰ পুনৰ মূল্যায়ন আৰু প্ৰত্যাহ্বানৰ দিহা কৰি কলেজবোৰ পৰিদৰ্শন কৰিব। গতিকে বিভিন্ন সমিতিবোৰ ইতিমধ্যে গঠন কৰি লোৱা হৈছিল। অনুদান আয়োগৰ পৰা পোৱা টকাৰে আমি দুয়ো লাইব্ৰেৰীৰ তলৰ মজিয়া ভাঙি নতুনকৈ বালি, পাথৰ, ৰ'ডৰ জালি দি প্লাষ্টাৰ কৰি পেলোৱা হ'ল। বিভিন্ন আচবাব-পত্ৰ লাইব্ৰেৰীলৈ কিনা হ'ল, যেনে— moving আলমাৰী, ওখ ওখ বেক, চকী-মেজ সংলগ্ন হৈ থকা বহা আসন, কিতাপ ইত্যাদি। শ্ৰদ্ধাৰ তালুকদাৰৰ দিনতে ড° মনমোহন সিঙৰ সাংসদ পুঁজিৰ ধনেৰে বৰ্তমান ছাত্ৰী জিৰণি কোঠাৰ তলত থকা ভৱনটি নিৰ্মাণ কৰা হ'ল। স্বয়ং মনমোহন সিংদেৱে এই ঘৰৰ দ্বাৰা উন্মোচন কৰিছিল। শ্ৰদ্ধাৰ তালুকদাৰৰ দিনত কলেজৰ তিনিওফালে সীমাবেৰা (Boundary Wall) দিয়া হয়। শ্ৰদ্ধাৰ বহমান ছাৰৰ দিনত বৰ্তমান ১৬-১৭ নম্বৰৰ শ্ৰেণীকোঠা থকা ভৱনটি (তিনি-চাৰি মহলাৰ বাবে হোৱাকৈ) নিৰ্মাণ কৰা হ'ল। তাৰ কাষতে থকা নীলিমা বৰুৱা সৌৱৰণী শিক্ষকৰ জিৰণি চ'ৰাটি সোণাৰাম বৰুৱাদেৱৰ দিনত নিৰ্মাণ

কৰা হয়। তাৰ ওপৰত আসাম টাইপ ঘৰটি প্ৰাক্তন ছাত্ৰী মণীষা মজিন্দাৰ বৰুৱাই তেওঁৰ শাহু আৰু শহুৰ দেউতাৰ নামে কলেজলৈ আগবঢ়াইছে। তেওঁলৈ আমাৰ অশেষ ধন্যবাদ থাকিল। সোণাৰাম বৰুৱাদেৱৰ দিনত এতিয়া থকা ১,২আৰু ৩ নম্বৰ শ্ৰেণীকোঠা থকা ভৱনটি নিৰ্মাণ কৰা হয়। তাৰ ওপৰত বৰ্তমানৰ অধ্যক্ষ ড° হেমন্ত ফুকনে কনফাৰেন্স হল নিৰ্মাণ কৰি দিয়ে। ঠিক সেই ঘৰটিৰ আগলৈ ফুলেশ্বৰী স্কুলৰ ফিল্ডৰ সীমাত এখন তৰাণি আছিল। মই অধ্যক্ষাৰ দায়িত্বত থাকোতে ফিল্ডৰ ফালৰ পৰা জংঘল কটাই মুকলি কৰাই লওঁ। তাতে ৫০ ট্ৰাক মাটি ভৰাই ঠাইডোখৰ সমান আৰু ওখ কৰাই দিওঁ। বৰ্তমানৰ অধ্যক্ষই লাইব্ৰেৰীৰ কাষলৈকে শ্ৰেণীকোঠা সজাই দিলে। অৱশ্যে প্ৰত্নতাত্ত্বিক বিভাগৰ নিৰ্দেশৰ বাবে তাৰ বেৰবিলাক বাঁহেৰে দিয়া হৈছে। সোণাৰাম বৰুৱাদেৱৰ দিনতে Vice Principal ৰ এটি আচুতীয়া কোঠা সজা হয়। আগৰ পুৰণি ঘৰবোৰ যেনে— ৪ নম্বৰ, ৭, ৮, ৯ নম্বৰ (যিটো ঘৰত এসময় কলেজৰ যাৱতীয় সভা-সমিতিবোৰ হৈছিল), ১১ নম্বৰ কোঠাটো যথেষ্ট মেৰামতি কৰা হয়। অফিচৰ পুৰণি ফ্লু'ৰবোৰ ভাঙি নতুনকৈ প্লাষ্টাৰ কৰা হয়। বৰ্তমানৰ অধ্যক্ষৰ কক্ষৰ কিছু সালসলনি কৰি সুন্দৰ কৰি তুলিছে। সোণাৰাম বৰুৱাদেৱৰ দিনতে কলেজৰ ৪ নং, ৭, ৮, ৯ নং, ১১ নং কোঠাৰ মাজত থকা আহল-বহল চোতালখন ফুলনি কৰিবৰ বাবে মাটি ভৰাই সমান কৰি ফুল ৰুবৰ বাবে উপযুক্ত কৰি তোলে। মই অধ্যক্ষাৰ দায়িত্বত থাকোতে তাত Hedge আৰু অন্যান্য ফুল ৰোৱাই এখন স্থায়ী জাক্‌জমকীয়া ফুলনিলৈ ৰূপান্তৰিত কৰো।

আপোনালোক সকলোৱে জানে অসমৰ কলেজবোৰ জগাই যোৱাকৈ "NAAC" নামৰ সহাটোৱে পৰিদৰ্শন কৰিছে। কলেজবোৰ ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়নৰ ভিত্তিত গ্ৰেড দিছে। মই অধ্যক্ষাৰ গুৰু দায়িত্ব লোৱাৰ লগে লগে সেই গধুৰ দায়িত্বও মোৰ কান্ধত পৰিল। শ্ৰদ্ধাৰ সোণাৰাম বৰুৱাৰ দিনতে ইয়াৰ বাবে সাজু হৈ বিভিন্ন তত্ত্বাৱধায়ক সমিতিও গঠন কৰি দিয়া হৈছিল। কলেজৰ বিপ'টো ইতিমধ্যে তেওঁলোকলৈ (NAAC) পঠোৱা হ'ল। দেখা গ'ল সমিতিবোৰে কামৰ আধা অংশও কৰা নাই। আন্তঃগাঁথনিৰ বিভিন্ন দিশ চাবলৈ যাক Convenor পতা হৈছিল তেওঁ নিজৰ চহীটোহে মাৰিছিল— কাম হ'লে নকৰিলে। মই লাইব্ৰেৰী আৰু কেণ্টিনৰ দায়িত্বত আছিলো। ইতিমধ্যে সোণাৰাম বৰুৱাদেৱ থাকোতেই অৰ্থাৎ মই উপাধ্যক্ষা হৈ থাকোতেই এই দিশটো আগবঢ়াই থৈছিলো। অধ্যক্ষা হৈ পুৰণি কেণ্টিনখন তলে তলে ভঙাই ওপৰৰ টিনপাত তেনেকৈ ৰাখি অলপ আটকধুনীয়া কৰাৰ কথা ভৰা হ'ল। কথামতে মূল কোঠাটো দুয়োফালে বঢ়াই বহল কৰি এটা বহল হলঘৰ কৰি, অফিচৰ লগতে লাগি থকা অংশটো শিক্ষকৰ বাবে আচুতীয়া কৰা হ'ল— বন্ধনশালখন একেবাৰে নতুনকৈ সজা হ'ল। হাফ ৰালৰ বেৰাৰ ওপৰ অংশ অৰ্থাৎ দুৱাৰ থকা ফালে গ্লাছ দি আৰু ইফালে জালিবেৰা দি ধুনীয়া কৰা হ'ল। ঠাইৰ অভাৱত আজিও সেই কেণ্টিনেই চলি আছে। মই উপাধ্যক্ষ দিলীপ চক্ৰৱৰ্তী লগ হৈ কলেজ চৌহদৰ নলা-নৰ্দমা, পথ-উপপথ পকী কৰালো। সীমাবেৰা (Boundary Wall) (চৌহদৰ) প্লাষ্টাৰ কৰাই ৰং দিয়ালো। সেই দেৱালবোৰত 'দেৱাল লেখন' লিখোৱা হ'ল।

Scanned with OKEN Scanner

গছ-গছনি সকলোতে নামফলক লগোৱা হ'ল। এতিয়া শিক্ষকৰ জিৰণি কোঠালৈ যোৱা পথছোৱাতে এখন দীঘল টিনৰ চালি— এজোপা নাৰিকল আছিল। এই চালিখনে ছাত্ৰী-শিক্ষক সকলোবে চাইকেল, মটৰচাইকেল ষ্টেণ্ড আছিল। ইয়াক সম্পূৰ্ণ ভাঙি চিঙি শিৱদ'লৰ ফালে থকা সীমাবেৰাকে কেন্দ্ৰ কৰি চাইকেল আদিৰ স্থায়ী ষ্টেণ্ড সজোৱা হ'ল। সেই ষ্টেণ্ডকে এতিয়াও ব্যৱহাৰ কৰি থকা হেছে। Science Block টো যথেষ্ট খৰচ-পাতি কৰি উন্নত কৰা হ'ল— বুধীন মিশ্ৰক ইয়াৰ দায়িত্ব দিয়া হৈছিল। ইয়াৰ উপৰিও কলেজৰ জন্মলগ্নতে স্থাপন হোৱা হোষ্টেলখনৰ বহু কাম কৰিব লগা হ'ল। চূণ-তেল-ৰং দিবলৈ হ'লে বহু সময়ৰ প্ৰয়োজন হ'ব। গতিকে আগৰ ৰঙটোকে দিব লগা হ'ল। হোষ্টেলৰ নলা-নৰ্দমাও পকীকৰণ কৰা হ'ল। কলেজ পৰিদৰ্শন কৰিবলৈ অহা দলটিয়ে ওপৰ মহলালৈ গৈ চাদৰ ওপৰত উঠি হোষ্টেলৰ প্ৰশংসা কৰি থৈ গ'ল। কলেজখন পৰিস্কাৰ আৰু সৰ্বাংগসুন্দৰ কৰোতে যথেষ্ট কষ্ট হ'ল। আনকি আধৰুৱা বহুতো কাম সমাপ্ত কৰা বাবে 'নাক'লৈ আৰু এটা 'ৰিপৰ্ট' পঠাব লগা হ'ল। শিক্ষক, শিক্ষয়িত্ৰী, অফিচৰ কৰ্মচাৰী সকলোৱে এনে মাৰ বান্ধি থিয় দিছিল যে মই মাত্ৰ ৭টা মাহহে অধ্যক্ষাৰ আসনত আছিলো। ভুকুতে কল পকাব লগা হ'ল। ২০০৩ চনৰ জানুৱাৰী মাহত দলটোৱে তন্ন-তন্নকৈ পৰিদৰ্শন কৰি B^+ Grade দিলে। আমাৰ এটাই minus point আমাৰ কলেজৰ যাৱতীয় ভূ-সম্পত্তি নিচেই তাকৰ, শিক্ষকসকলৰ মাজতো গৱেষণা কৰা শিক্ষকৰ সংখ্যা তেনেই নগন্য আছিল। ভূ-সম্পত্তিৰ বাবে তেতিয়াও স্থায়ী পট্টা নথকা 'বনিয়াবাৰী'ৰ কথা উল্লেখ কৰিছিলো আৰু শিক্ষকৰ কলনী হ'ব বুলি কৈছিলো। ২০০৪ চনৰ ৩১ জানুৱাৰীত মই অৱসৰ গ্ৰহণ কৰো। তাৰ আগে আগে মই দিলীপ চক্ৰৱৰ্তী লগলাগি কলেজৰ পুৰণি ফাইল ঘাটি-ঘুটি 'বনিয়াবাৰী' অঞ্চলৰ বাবে থকা শ্ৰদ্ধাৰ হাফিজুৰ ৰহমান ছাৰৰ দিনতে পোৱা এখন Land Possession Certificate পালো। শিৱসাগৰৰ তেতিয়াৰ মহকুমাৰ দায়িত্বত থকা কাঠকটিয়াৰ বুদ্ধি পৰমাৰ্শৰ মতে তাৰে এটা ফটোষ্টেট কপি কৰি আৰু স্থায়ী পট্টাৰ বাবে তেতিয়াৰ ডিচি গায়ত্ৰী বৰুৱালৈ আবেদন জনোৱা হ'ল। মোৰ যিহেতু কাৰ্যকাল স্তিমিত হৈ আহিল— নজনীয়া এখন কমিটি গঠন কৰি দিলো। দীলিপ চক্ৰৱৰ্তী ইতিমধ্যে নতুন অধ্যক্ষ হ'ল। তেওঁলোকে খুব কম অৰ্থৰ দ্বাৰাই পট্টাখন পালে। ইয়াৰ উপৰিও ফুলেশ্বৰী স্কুলৰ ফালে থকা সীমা বেৰাখন কিছুমান বাধাৰ বাবে মই দিব নোৱাৰিলো। দীলিপৰ দিনত সেই বেৰাখনো দিয়া হ'ল। গতিকে কম সময়ৰ ভিতৰতে দীলিপে বিশেষ কাম কৰিলে।

দীলিপ চক্ৰৱৰ্তীৰ পাছত ড° হেমন্ত ফুকনে কলেজখনৰ অধ্যক্ষৰ পদ অলংকৃত কৰি আছে। তেওঁ বনিয়াবাৰীৰ মাটিডোখৰৰ চাৰিওসীমাৰ সীমাৰেখা দিবৰ বাবে প্ৰস্তুতি চলালে। কাগজে-কলমে থকা ৭ বিঘা ১৮ লোছাৰ পৰা কিছু অংশ ওচৰে-পাজৰে বসবাস কৰা লোকে ইতিমধ্যে অধিগ্ৰহণ কৰিছিল। তেওঁলোকক কিছু কিছু অংশ এৰি দিয়া হ'ল। 'বনিয়াবাৰী' অঞ্চলটো কলেজৰ 3 No. Block বুলি ক'লেও ভুল কৰা নহয়। তাত ইউ.জি.চি. ধনেৰে এটা পকীঘৰ নিৰ্মাণ কৰা হ'ল। মীন পালন, হাঁহ পালন আদি কৰা হৈছে। কলখেতিৰ লগতে অন্যান্য বামখেতি এজন তত্বাবধায়কৰ

Scanned with OKEN Scanner

তলত কৰা হৈছে। অধ্যক্ষই কলেজলৈ নতুনকৈ সংযোজন কৰা PGDRD নামৰ পাঠ্যক্রমৰ ভিত্তিত কিছুমান স্ব-নিয়োজন আঁচনি তাত ৰূপায়ন কৰিছে। কলেজৰ 2 No. Block অর্থাৎ হোষ্টেলৰে প্রমুখ্য কৰি বিজ্ঞান শাখা, Home Science শাখা থকা ঠাইডোখৰত বিজ্ঞান ভৱনৰ লগতে কেঁচুৱা, মৌপালন আৰু সৌৰশক্তিৰ যোগান আঁচনি সফলতাৰে ৰূপায়ন কৰিছে। ইয়াৰ উপৰিও বর্তমান খেলা-ধূলাৰ সুবিধাৰ বাবে এটি Indoor Stadium নির্মাণ কৰা হৈছে।

ড° হেমন্ত ফুকনৰ দিনত অর্থাৎ 'নাক' নামৰ সন্থাটোৱে পৰিদর্শন কৰি থৈ যোৱাৰ পিছত কলেজখনৰ চকুত লগাকৈ উন্নতি হৈছে। ১৯৬৪ চনত নিজৰ ঘৰবাৰী নোহোৱা কলেজখন আজি তিনিটা চৌহদ, বিজ্ঞান চৌহদ আৰু গ্রাম্য উন্নয়নৰ বনিয়াবাৰী চৌহদ। দেশৰ যিকোনো এখন উচ্চস্তৰৰ কলেজৰ লগত ফেৰ মাৰিব পৰাকৈ EDUSAT, E-Library, ইণ্টাৰনেট জেৰক্স, শীত-তাপ নিয়ন্ত্রিত আধুনিক পুথিভঁৰাল, দৃশ্য-শ্রব্য সঁজুলি সংযুক্ত শ্রেণীকোঠা, আধুনিক ব্যায়ামাগাৰ, ইনডৰ ষ্টেডিয়াম, উন্নত মানৰ বিজ্ঞানাগাৰ, প্রয়োজনীয় সকলো সা-সুবিধাৰে প্রায় দুশ ছাত্রীৰ বাবে ছাত্রী নিবাস, এশৰো অধিক কম্পিউটাৰ, ছটাকৈ উচ্চ ক্ষমতাৰ জেনেৰেটৰ, সৌৰশক্তি চালিত শক্তি উদ্যান, বাতানুকূল কার্যালয় ইত্যাদিবোৰৰ উপৰিও শ্রীশঙ্কৰদেৱ আৰু ৰবীন্দ্রনাথ ঠাকুৰ অধ্যয়ন কেন্দ্র, আর্যভট্ট বিজ্ঞান কেন্দ্র, আঠোটা বৃত্তিমূলক আঁচনি, গ্রাম্য উন্নয়নৰ এবছৰীয়া ডিপ্লমা পাঠ্যক্রম, দূৰ শিক্ষা আঁচনিৰ ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয় আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ বহু কেইটা স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্রম কলেজত চলাই থকা হৈছে। এন.চি.চি. ৰ নিজা উইংছ কলেজতে থকা বাবে ছাত্রীসকলে এই বিষয়টিত পাৰদর্শিতা দেখুৱাবলৈ সক্ষম হৈছে। ২০১০ চনত 'নাক'ৰ দ্বাৰা দ্বিতীয়বাৰলৈ কলেজখন মূল্যায়ন হ'ল।

এখন শিক্ষানুষ্ঠানৰ মাপকাঠী হ'ল ছাত্র-ছাত্রীসকলে দেখুওৱা সাফল্য। নিচেই চালুকীয়া অৱস্থাতো সীমিত সা-সুবিধাৰ মাজত ছাত্রীসকলে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছিল। স্নাতক পৰীক্ষাত অর্থাৎ কলেজখনৰ প্রথম পৰীক্ষাত ড° আস্না চেতিয়াই ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ডিষ্টিংচন পোৱা ছাত্র-ছাত্রীসকলৰ ভিতৰত তৃতীয় স্থান দখল কৰিছিল। ১৯৬৭ চনতেই অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিষয়ত সন্মান (Honours) খোলা হৈছিল। ৰতি গগৈয়ে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ মাজত অসমীয়া বিষয়ত দ্বিতীয় শ্রেণীৰ প্রথম হৈছিল (প্রথম শ্রেণী নাছিল)। ১৯৭৩, ১৯৭৪, ১৯৭৬ চন অসমীয়া বিভাগৰ পৰা উত্তীর্ণ হোৱা ছাত্রীসকলে সুফল দেখুৱাইছিল। ১৯৭৩ চনতে স্নাতক পৰীক্ষাত অসমীয়া বিষয়ৰ সন্মানত ড° কৰবী ডেকা হাজৰিকাই প্রথম শ্রেণীৰ প্রথম স্থান পাইছিল। দীপালী বৰুৱা দ্বিতীয় শ্রেণীৰ প্রথম— এনেকৈ প্রথম তেৰটা স্থান কলেজলৈ আনিবলৈ সক্ষম হৈছিল। সেইদৰে সঞ্চিতা চলিহা আৰু অনুপমা বৰাই দ্বিতীয় শ্রেণীৰ প্রথম স্থান দখল কৰিছিল। কল্যাণী ভট্টাচার্যই দ্বিতীয় শ্রেণীৰ চতুর্থ স্থান লাভ কৰিছিল। বিশেষত্ব এয়ে তেওঁৰ মাতৃভাষা বেঙ্গলী। ১৯৭৪ চনত জিনা আহমেদে বি.এ. পৰীক্ষাত ডিষ্টিংচন পোৱা সকলৰ ভিতৰত তৃতীয় হৈছিল।

Scanned with OKEN Scanner

প্রাক্-স্নাতক জ্যোতিৰাণী সিংহই বিশ্ববিদ্যালয়ৰ ভিতৰত পঞ্চম স্থান লাভ কৰিছিল (১৯৭৫), মলা দেৱীয়ে ৰাজনীতি বিজ্ঞানত দ্বিতীয় শ্রেণীৰ প্রথম আৰু সেই বিষয়ৰ সম্মান বিষয়ত সর্বোচ্চ নম্বৰ পোৱাৰ বাবে ডিব্রুগড় বিশ্ববিদ্যালয়ে দিয়া আব্রাহাম লিংকন মেমৰিয়েল বঁটা লাভ কৰে (১৯৭৭); অমলা দেৱীয়ে প্রাক্-স্নাতক পৰীক্ষাত অষ্টম স্থান লাভ কৰে (১৯৭৭); ১৯৭৯ চনত অণিমা বৰাই শিক্ষা বিষয়ৰ সম্মানত প্রথম শ্রেণীৰ প্রথম স্থান লাভ কৰিছিল। ১৯৮৪ চনত বন্দনা বৰাই প্রাক্-স্নাতক পৰীক্ষাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯৮-৯৯ বৰ্ষত প্রণমিতা বৰুৱাই প্রাক্-স্নাতক শ্রেণীত অষ্টম স্থান দখল কৰিবলৈ সক্ষম হয়, ২০০০ চনত প্রাক্-স্নাতক পৰীক্ষাত মালেমা সুলতানা বহমানে চতুর্থ স্থান দখল কৰিবলৈ সক্ষম হৈছে। অকল শৈক্ষিক দিশতেই নহয়, খেল-ধুমাতো ছাত্রীসকলে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰা প্রায়ে শ্রেষ্ঠ প্রতিযোগীৰ বঁটা আনিছিল। 'নাক' পৰিদর্শন কৰি মূল্যায়ন কৰি থৈ যোৱাৰ পাছত কলেজৰ আন্তঃগাঁথনিৰ লগতে শৈক্ষিক দিশৰো উন্নতি ঘটিছে। আমাৰ ছাত্রীয়ে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। অসমীয়া মেজৰ বিষয়ত প্রথম শ্রেণীৰ প্রথম, ইংৰাজী বিষয়তো প্রথম শ্রেণীৰ প্রথম হোৱাৰ উদাহৰণ আছে। এনে সুযোগ-সুবিধাৰে কলেজখনৰ মুখত হাঁহি বিৰিঙাৰ। কলা আৰু বিজ্ঞান শাখাৰ সহস্ৰ সংখ্যক ছাত্রীয়ে প্রথম শ্রেণী লাভ কৰে।

কলেজখনৰ হে সেহে-কেহে বঁটা শিক্ষক-কর্মচাৰী ভালেকেইজন আমাৰ মাজৰ পৰা আঁতৰি গ'ল— তোষেশ্বৰ দত্তদেৱ, মুহী শইকীয়া, বীৰেন্দ্রনাথ বৰকটকী, নীলিমা বৰুৱা, সুৰেশ ফুকন, সুৰেন্দ্র নাথ গোস্বামী, জিতেন শর্মা বৰবৰুৱা, ড° মুনীন্দ্রনাথ বৰগোহাঁই, এখুদি দুৱৰা, অৰুণ চন্দ্র বৈশ্যৰ, কর্মচাৰীসকলৰ মাজৰ পৰা— বিপুলাধ দত্ত, ৰবীন হাজৰিকা, ফটিক শইকীয়া, মাণিক বড়া, ৰতিকান্ত বড়া আদিয়ে বিদায় ল'লে। তেওঁলোকৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

এতিয়া আমাৰ মাজত আছে গুণী-জ্ঞানী ভালসংখ্যক শিক্ষক-শিক্ষয়িত্রী। তেখেতসকলে গৱেষণা আদি কামত নিজক ব্যস্ত ৰাখিছে। মুঠতে সকলো দিশতে সমানে অহৰ্তা থকা শিক্ষক-শিক্ষয়িত্রীসকল আমাৰ কলেজৰ মূলধন। তেখেতসকলৰ বহুমূলীয়া শিক্ষাদানে ছাত্রীসকলৰ জীৱন গঢ়াত সহায় কৰক।

আমাৰ কলেজত পঢ়া বহুতো ছাত্রীয়ে জীৱনত সফলতা লাভ কৰিছে। বিশ্ববিদ্যালয়ৰ শীর্ষ বিষয়-বাব পোৱা ড° কৰবী ডেকা হাজৰিকা, ড° অর্পণা কোঁৱৰ, দিশপুৰ কলেজৰ প্রাক্তন উপাধ্যক্ষা ড° বীতা শর্মা, সোণাৰী কলেজৰ প্রাক্তন ভাৰপ্রাপ্ত অধ্যক্ষা ৰতি গগৈ— ইয়াৰ উপৰিও শিক্ষয়িত্রী বৃত্তি গ্রহণ কৰা ভালেকেইগৰাকী মেধাবী ছাত্রী আছে। চিকিৎসা মহাবিদ্যালয়তো আমাৰ ছাত্রীয়ে অধ্যাপিকাৰ দৰে পদ অলংকৃত কৰিছে। বিভিন্ন বৃত্তিমূলক চাকৰি কৰি জীৱিকা অর্জন কৰাৰ লগতে এয়াৰ হোষ্টেজ পদকো অলংকৃত কৰিছে। সাহিত্য, সংস্কৃতিলৈ অৱদানো আগবঢ়াইছে দীপালী ভট্টাচার্য বৰুৱা, লিপি ফুকন, কৰবী ফুকন আৰু অনেক। আমাৰ শিক্ষক-শিক্ষয়িত্রীসকলে সাহিত্য চর্চাত ব্রতী।

Scanned with OKEN Scanner

সেইসকলৰ মাজত ভালেকেইজনে প্ৰবন্ধ, কবিতা, চুটিগল্প লিখি সাহিত্যৰ ক্ষেত্ৰত অবিহণা যোগাইছে। ভাল গায়ক, গায়িকা আৰু বাদ্যযন্ত্ৰীও আছে। মুঠতে সোণালী বৰ্ষত সেই ছাত্ৰীসকলৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ।

এই সোণালী জয়ন্তী উদ্‌যাপন বৰ্ষটিত কলেজৰ যেন সোণালী দুৱাৰ খোল খায়। উদ্‌যাপন সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব বহন কৰি আগোনালোকক কলেজৰ বাস্তৱ ছবি এখন দিবলৈ ইচ্ছা কৰিও হয়তো মই বাৰে বাৰে থমকি ৰৈছোঁ মোৰ স্বাস্থ্যজনিত কাৰণত। য'ত মই উপস্থিত থাকিলে ভাল তাত মই শাৰীৰিকভাৱে থাকিব পৰা নাই। কলেজৰ সম্পাদসমূহৰ বহুবোৰ নিজে পৰিদৰ্শন কৰিব নোৱাৰি আনৰ ভাষ্য গ্ৰহণ কৰিছোঁ। আমাৰ কলেজ পৰিয়ালৰ যি একতা সেই একতা যেন এক আদৰ্শ হওক। জয়তু শিৱসাগৰ ছোৱালী কলেজ।■

(এই লেখাটো সোণালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থৰ পৰা সংগ্ৰহ কৰা হৈছে। —সম্পাদক)

শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা, ভাৰপ্ৰাপ্ত অধ্যক্ষ (০১-০৭-২০০৩ ৰ পৰা ৩১-০১-২০০৪) আৰু সাহিত্যিক পেঞ্চনাৰ।

Scanned with OKEN Scanner

এৰি অহা দিনৰ স্মৃতিৰে দুআষাৰ

সোণাৰাম বৰুৱা

আমাৰ দেশখনে স্বাধীনতা লাভ কৰা বছৰটোতে ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজখন আৰম্ভ কৰা হৈছিল শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত কালীপ্ৰসাদ স্মৃতি ভৱনত। পৰৱৰ্তী পৰ্যায়ত কলেজখন স্থায়ীভাৱে স্থানান্তৰিত কৰা হ'ল জয়সাগৰ পুখুৰীৰ উত্তৰ-পূব পাৰকেইটালৈ। প্ৰায় চাৰি কিলোমিটাৰ দূৰত্বৰ কলেজখনলৈ নগৰৰ লগতে পাৰ্শ্ববৰ্তী অঞ্চলৰ ছোৱালীবিলাকৰ কাৰণে খোজকাঢ়ি অহাযোৱা কৰা এটা সমস্যাই দেখা দিলে। প্ৰথম অৱস্থাত চৰকাৰী বাছ এখন কলেজ কৰ্তৃপক্ষৰ তৰফে পুৱাৰ ভাগত নিয়া আৰু আবেলি ভাগত অনাৰ বাবে বন্দোবস্ত কৰা হৈছিল যদিও সেই বাছ সেৱা সকলোৰে উপলব্ধ কৰিব পৰা নাছিল। তেনেতে শিৱসাগৰ নগৰৰ ফুকন নগৰ অঞ্চলৰ এগৰাকী জ্যেষ্ঠ নাগৰিক প্ৰয়াত ৰবীন কাকতিদেৱে আসাম ট্ৰিবিউন কাকতত এই যাতায়তৰ সমস্যাৰ পটভূমিত নগৰখনৰ পৰিসীমাৰ ভিতৰতে সুবিধাজনক ঠাঁই এডোখৰত আছুতীয়াকৈ কেৱল ছাত্ৰীসকলৰ বাবে খোলাৰ বিষয়টো উত্থাপন কৰিছিল। এই পত্ৰখনৰ সেই বিষয়টো লৈ স্থানীয় জ্যেষ্ঠ সমাজ সচেতন মহলত বিষয়টোৰ ওপৰত আলোচনা হ'ল, এখন ৰাজহুৱা সভা পাতি ১৯৬৪ চনৰ শিক্ষাবৰ্ষৰ পৰাই নগৰৰ মাজমজিয়াত এখন ছোৱালী কলেজ আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হ'ল। কাৰ্যকৰী সমিতিৰ সভাপতি হিচাপে তদানীন্তন লোকসভাৰ সদস্য প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ লগত স্থানীয় অধিবক্তা প্ৰয়াত তোষেশ্বৰ দত্ত আৰু জ্যেষ্ঠ নাগৰিক প্ৰয়াত যতীন শইকীয়াদেৱক যুটীয়াভাবে সম্পাদক হিচাপে মনোনীত কৰা হৈছিল। সমিতিখনে খৰতকীয়াভাৱে আগবাঢ়ি সেইসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য এইচ.জে. টেইলৰ ডাঙৰীয়াক আমন্ত্ৰণ কৰি আনি সেই বছৰৰে ৮জুলাই তাৰিখত স্থানীয় কালীপ্ৰসাদ স্মৃতি ভৱনতেই উদ্বোধন কৰায়। তাতেই কলেজ আৰম্ভ হ'ল যদিও পৰৱৰ্তী সময়ত যথাসম্ভৱ সোনকালে নগৰৰ ভিতৰতে কলেজখন পাতিবলৈ এডোখৰ ঠাঁইৰ অনুসন্ধান কৰিব লগা হ'ল। উদ্যোক্তাসকলৰ বাবে সৌভাগ্যৰ কথা যে তেনে সময়তে দ'ল চৌহদৰ কাষত থকা উপপ্ৰতি সমাহৰ্তাৰ কাষতে থকা Settlement office ৰ কাম শেষ হোৱাত সেই ঘৰটো খালী হোৱাৰ সম্ভাৱনাই দেখা দিলে। কলেজ পৰিচালনা সমিতিয়ে এই সুযোগতে ঘৰে-মাটিয়ে কলেজখন বাবে বিচাৰি এক সজাতি দল শিলঙলৈ পঠাই তদানীন্তন ৰাজহ মন্ত্ৰী প্ৰয়াত সিদ্ধিনাথ শৰ্মাক লগ ধৰি ৰাজহুৱা দাবীটো উত্থাপন কৰে। লগতে সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাদেৱকো এই সম্পৰ্কে এক

Scanned with OKEN Scanner

ইতিবাচক সঁহাৰি জনাবলৈ টানি অনুৰোধ জনালে। তাৰেই ফলশ্রুতিত ১৯৬৬ চনৰ পিছৰ পর্যায়ত কলেজখনে সেই চৌহদটো ঘৰে মাটিয়ে লাভ কৰিবলৈ সক্ষম হ'ল। এইখিনিতে সেইসময়ত কলেজ পৰিচালনা সভাৰ মাননীয় সদস্যসকলৰ ভিতৰত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ মাননীয় প্রয়াত প্রফুল্ল চন্দ্র বেজবৰুৱাদেৱ (সভাপতি), বিশিষ্ট চাহ উদ্যোগপতি গিৰিজাপ্রসাদ বৰুৱা (সম্পাদক), অধিবক্তা প্রয়াত আনন্দ চন্দ্র বেজবৰুৱা, কালিপ্রসাদ চন্দ, জালালুদ্দিন আহমেদ, প্রণৱকুমাৰ গগৈ, টেকনিকেল স্কুলৰ প্রধান শিক্ষক অজিত কুমাৰ গগৈ, বেজবৰুৱা হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক গোৰিন্দ চন্দ্র বৰুৱা আদি। নতুনকৈ স্থাপন কৰা কলেজখনত বিভিন্ন সময়ত দেখা দিয়া সমস্যাসমূহৰ সমাধান সম্পর্কত এখেতসকলৰ লগত শিক্ষকসকলৰ সজাতি দল গৈ আলোচনা কৰাৰ কথা মনত পৰে। কলেজখন যথাসম্ভৱ সোনকালে অসম চৰকাৰৰ ঘাটি মঞ্জুৰী কলেজৰ তালিকাত অন্তর্ভূক্ত কৰা বিষয়ত চৰকাৰৰ লগত খৰতকীয়া যোগাযোগ ৰখাৰ খাটিৰত শিক্ষক গোটৰ প্রতিনিধি গোটৰ এজন হৈ ওপৰুক্ত ব্যক্তি বিশেষৰ লগত সঘনাই আলোচনাত মিলিত হোৱাৰ কথা মনত পৰে। এই শিক্ষক গোটৰ প্রতিনিধিসকলৰ ভিতৰত জ্যেষ্ঠ সহকর্মী প্রয়াত নীলিমা বৰুৱা, প্রয়াত মঃ হাফিজুৰ ৰহমান, প্রয়াত সত্যভূষন বৰুৱা, প্রয়াত বীৰেন্দ্রকুমাৰ তালুকদাৰ, চাহাবুদ্দিন আহমদ আৰু এই চ'ৰাৰ লেখক অন্তর্ভুক্ত আছিলো।

আমি এই কলেজত যোগদান কৰা সময়ত (১৯৬৭চন) পাঠদান কৰা কোনো এটা বিষয়তে মেজৰ ক'র্চৰ পাঠদান মুকলি কৰা হোৱা নাছিল। সেয়েহে প্রতি বিষয়তে দুজনকৈহে প্রবক্তা নিয়োজিত হৈ আছিল। ইংৰাজী বিষয়ত আৰম্ভণিৰ সময়ত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কর্মৰত যোৰহাটৰ জীৱন ভট্টাচার্য্যদেৱৰ লগতে অসমৰ বাহিৰৰ আই.পি. গুপ্তা নামৰ এজন লোকে কিছুদিন পাঠদান কৰিছিল। কালক্রমত গুপ্তা চাহাবে গড়গাঁও কলেজত স্থায়ী সংস্থাপন লাভ কৰাত তেখেত গ'লগৈ। ভট্টদেৱেও বোধহয় বদলি হৈ গ'ল। মই সোমাওঁতে বিভাগটোত কর্মৰত অৱস্থাত কোনো নাছিল। মই যোগদান কৰা ১৫/২০ দিনমানৰ পিছত শিৱসাগৰ কলেজৰ পৰা এই কলেজত বিভাগটোৰ মুৰব্বী অধ্যাপকৰ নিযুক্তি পত্র লৈ সোমালহি প্রয়াত সমৰপতি স্যানাল। সীমিত সংখ্যক অধ্যাপক-অধ্যাপিকাৰ মাজত শিক্ষা বিভাগৰ জ্যেষ্ঠতাৰ ভিত্তিত স্থানীয় অধ্যাপিকা প্রয়াত নীলিমা বৰুৱাই উপাধ্যক্ষ হিচাপে কার্যনির্বাহ কৰি আছিল। তেখেতৰ বিভাগৰে আন এগৰাকী অধ্যাপিকা আছিল নগাঁৱৰ মহিলা প্রয়াত ৰীণা শর্মা। অসমীয়া বিভাগত আৰম্ভণিতে স্থানীয় প্রয়াত মিনতি বেজবৰুৱা আৰু অঞ্জলি শর্মা। পিছে মই অহাৰ আগতেই মিনতি বাইদেউৱে ইতিমধ্যে কলেজ এৰি গ'ল। তেওঁৰ ঠাইত আহিল নগৱৰ কাষৰীয়া বানমুখ অঞ্চলৰ প্রয়াত দ্রোন কান্ত কলিতা। বুৰঞ্জী বিভাগত আছিল কেৱল যোৰহাট তৰাজানৰ জিতেন্দ্রনাথ বৰদলৈ। সেইদৰে ভূগোল বিভাগত আৰম্ভণিতে স্থানীয় যুৱক অৰুণ ঠাকুৰ ডাঙৰীয়াই কিছুদিন লাগি আছিল যদিও নগৰ পৰিকল্পনা বিভাগত চৰকাৰী চাকৰি পাই তেখেত গ'লগৈ। তেখেতৰ ঠাইত যোৰহাট পুলিবৰ অঞ্চলৰ প্রয়াত হৰেন্দ্র নাথ বৰা আহিল। ৰাজনীতি বিভাগত

Scanned with OKEN Scanner

কর্মৰত অৱস্থাত আছিল টিহুৰ ডেকা প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰ আৰু আনজন শ্ৰী চাহাবুদ্দিন আহমদ, কাছাৰ জিলাৰ শিলচৰত সম্প্ৰতি ঘৰ বন্ধাই সপৰিয়ালে আছে। অৰ্থনীতি বিভাগত বলিয়াঘাট অঞ্চলৰ মহম্মদ হাফিজুৰ ৰহমান আৰু শিৱসাগৰ নগৰৰে প্ৰয়াত সত্যভূষন বৰুৱা। ইয়াৰ পূৰ্বে ৰহমান আৰু বৰুৱা দুয়োজনে এসময়ত যথাক্ৰমে মালিগাঁৱৰ ৰেলৱে বিভাগত আৰু শ্বিলঙত অসম চৰকাৰৰ কাৰ্যালয়ত কৰ্মৰত আছিল। দুয়ো ঘৰুৱা সমস্যাৰ খাতিৰত স্ব-গৃহলৈ ঘুৰি আহি এই কলেজত যোগদান কৰিছিল। অসমীয়া বিভাগৰ কলিতাও এসময়ত মালিগাঁৱত কৰ্মৰত আছিল। উজনি অসমৰ কলেজত সেই সময়ত সচৰাচৰ নথকা এটা বিষয় ছাত্ৰীসকলৰ বাবে দৰকাৰী বুলি ভবা গাৰ্হস্থ্য বিজ্ঞানৰ পাঠদান এই কলেজত আৰম্ভণিৰ পৰাই খোলা হৈছিল। প্ৰথম অৱস্থাত সুদূৰ কেৰেলা ৰাজ্যৰ এগৰাকী প্ৰৱক্তাই যোগদান কৰি বিষয়টোৰ পাঠদান কৰিছিল, পিছে মই যোগদান কৰাৰ আগতেই তেখেত গুচি গ'ল। নতুনকৈ কেৰেলাৰ আন এগৰাকী গাভৰু আহি সেই বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰিলেহি। তেওঁৰ নাম আছিল শান্তা থমাছ। ইংৰাজীত কথা বতৰা পাতে। তেওঁ থকাৰ সময়তে চেপন অঞ্চলৰ এগৰাকী গাৰ্হস্থ্য বিজ্ঞান বিষয়ত স্নাতক প্ৰয়াত গিৰিবালা গগৈয়ে ডেমনষ্টেটৰ পদত যোগদান কৰিছিলহি।

সময় বাগৰাৰ লগে লগে ছাত্ৰীৰ সংখ্যা বাঢ়িল। প্ৰাক বিশ্ববিদ্যালয় পাঠ্যক্ৰমৰ অতিৰিক্ত Section খুলিব লগা হ'ল। এনেতে অসমীয়া বিভাগৰ অঞ্জলি শৰ্মা বিবাহসূত্ৰে কলেজ এৰি গুৱাহাটী পালেগৈ। তেওঁৰ ঠাইত নতুনকৈ আহিল নাজিৰাৰ এগৰাকী জীয়াৰী, নাম নীলিমা ভট্টাচাৰ্য্য। উপৰঞ্চিভাবে তেওঁক কলেজৰ অস্থায়ী ছাত্ৰী নিবাসৰ অধ্যক্ষাও নিয়োগ কৰা হৈছিল। বেজবৰুৱা হাইস্কুলৰ সন্মুখভাগৰ এটা ভাৰা ঘৰত থকা ছোৱালী হোষ্টেলতে নতুন প্ৰৱক্তা গৰাকীকো থাকিবলৈ ব্যৱস্থা কৰি দিয়া হৈছিল।

ইতিমধ্যে ডিগ্ৰী স্নাতক পৰ্যায়ত অসমীয়া, ৰাজনীতি বিজ্ঞান, ইংৰাজী, অৰ্থনীতি বিভাগত সন্মান শ্ৰেণী প্ৰৱৰ্তন কৰাৰ চিন্তা আহিল। ইফালে সেই অনুক্ৰমে অসমীয়া বিভাগলৈ আহিল শিৱসাগৰৰে পানীবিল অঞ্চলৰ জীয়াৰী, শিৱসাগৰ নগৰৰ বোৱাৰী শ্ৰীমতী যমুনা বৰগোহাঁই আৰু কিছুদিনৰ পিছত গোলাঘাটৰ মনোৱাৰা বেগম। ইতিমধ্যে শিক্ষা বিভাগৰ ৰীণা শৰ্মাই বিয়া কৰাই শিৱসাগৰ এৰিলে। তেওঁৰ ঠাই ললেহি এগৰাকী বিবাহিতা মহিলা শ্ৰীযুতা অণিমা ভাগৱতীয়ে। ভূগোল বিভাগৰ হৰেণ বৰাদেৱৰ লগত যোগ হ'লহি কোঁৱৰপুৰ অঞ্চলৰ প্ৰয়াত অৰুণ চন্দ্ৰ বৈৰাগী। ইয়াৰ আগতে নাগালেণ্ডৰ ডিমাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে প্ৰয়াত বৈৰাগীয়ে কাৰ্যনিৰ্বাহ কৰিছিল। কেইমাহমানৰ পাছতেই জে.বি. কলেজত স্থায়ী নিযুক্তি পাই হৰেণ বৰাদেৱে গ'লগৈ। তাৰ ঠাইত শেষতীয়াকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ভূগোল বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি এই কলেজতে যোগদান কৰিলেহি শিৱসাগৰ নগৰৰ আমোলাপট্টি অঞ্চলৰ শ্ৰীমতী কিৰণ বৰুৱাই। সমান্তৰালভাৱে শিৱসাগৰ কলেজৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত প্ৰয়াত মুনীন্দ্ৰ নাথ

ৰগোহাঞি আৰু বুৰঞ্জী বিভাগত যোগদান কৰিলেহি ইতিপূৰ্বে যোৰহাট কলেজত কাম কৰি থকা স্থানীয় লোক প্ৰয়াত সুৰেন্দ্ৰ কুমাৰ গোস্বামীয়ে। বিভিন্ন বিষয়ত মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰাত ইংৰাজী বিভাগত নতুনকৈ যোগদান কৰিলেহি গৌৰীসাগৰৰ ওচৰৰে খনাখোকোৱা অঞ্চলৰ ডেকা প্ৰয়াত শিৰীষ কুমাৰ ভট্টাচাৰ্যই, এওঁ ইয়াৰ আগতে যোৰহাট কলেজত কিছুদিন অধ্যাপনা কৰা বুলি জানিছিলো। ৰাজনীতি বিজ্ঞান বিভাগত যোগদান কৰিলেহি স্থানীয় ডেকা প্ৰয়াত দিলীপ চক্ৰৱৰ্তীয়ে। গাৰ্হস্থ্য বিজ্ঞান বিভাগত যোগদান কৰিলেহি প্ৰয়াত মণিদীপা বৰঠাকুৰে।

সেই সময়ত সকলো শিক্ষকে ছাত্ৰীসকলক শিক্ষাদানৰ লগতে অন্যান্য দিশত সক্ৰিয় সহযোগিতা আগবঢ়াইছিল। কলেজৰ সভা সমিতি উৎসৱ পাৰ্বণত সকলো শিক্ষকে ছাত্ৰীসকলৰ লগত সক্ৰিয়ভাবে লাগি কামবোৰ সুচাৰুৰূপে আগবঢ়াই নিয়াত সহযোগ কৰিছিল। তৰ্ক প্ৰতিযোগিতাত ছাত্ৰীসকলক ঁবীৰেণ তালুকদাৰ আৰু চাহাবুদ্দিন আহমদে বিষয়ৰ সপক্ষে বিপক্ষে কেনেধৰণৰ যুক্তি দিব পৰা যায় সেইবিষয়ে শিকাইছিল। বাৰ্ষিক উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানবোৰ পৰিচালনা কৰাত ঁসত্যভূষণ বৰুৱা, ঁঅৰুণ বৈৰাগী, ঁশিৰীষ ভট্ট আৰু আমি নিজে সকলো প্ৰকাৰে ছাত্ৰীসকলৰ লগত সক্ৰিয়ভাবে লাগি ভাগি দিছিলোঁ। এইক্ষেত্ৰত নৃত্য-গীতত আমাৰেই এজন সুহৃদ স্থানীয় কমলালয়া বালিকা বিদ্যালয়ৰ শিক্ষক বন্ধু শ্ৰী মাখন বড়াই নিয়মীয়াকৈ সহযোগিতা আগবঢ়াইছিল। সঠিকভাৱে মনত পেলাব পৰা নাই যদিও অসমীয়া বিভাগত খুউব কেইমাহমানৰ কাৰণে পুৰণি আমোলাপট্টিৰ নীলিমা ফুকন নামৰ এগৰাকী ছোৱালীয়েও অধ্যাপনা কৰিছিল।

কলেজখন চৰকাৰৰ ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজৰ তালিকাত অন্তৰ্ভূক্ত হোৱাৰ আগৰছোৱা সময়ত কলেজৰ শিক্ষকসকলৰ আৰ্থিক অৱস্থা স্বচ্ছল নাছিল যদিও কলেজৰ ছাত্ৰীবাসৰ ছোৱালীসকলক বা ডিগ্ৰী ক্লাছৰ ছোৱালীবিলাকক দিচাংমুখ, বৰশিল আদিলৈ বনভোজ খাবলৈ নিয়া মনত পৰে। দিচাংমুখত এনে এটা বনভোজৰ সময়তে বিহুনাচত আমাৰ সকলোৰে শ্ৰদ্ধাৰ উপাধ্যক্ষা ঁনীলিমা বৰুৱাই ওপৰলৈ হাত দাঙি নচা ফটো একপি মোৰ ওচৰত এতিয়াও আছে। সঁচাকৈয়ে বৰ আনন্দদায়ক আছিল সেইবোৰ। ১৯৬৭ চনত মই কলেজখন লৈ অহাৰ সময়ৰ পৰা কলেজখনে ঘাটি মঞ্জুৰী লাভ কৰা সময়লৈ কলেজৰ অধ্যক্ষৰ কোঠাত আৰু কাৰ্যালয় বৰ্তমান যিটো আছে সেইটোৰেই আছিল। কলেজ কৰ্তৃপক্ষৰ ফালৰ পৰা নতুনকৈ নিৰ্মাণ কৰি লোৱা কেন্টিনখনো বোধহয় একেলগে বনোৱা হৈছিল। পিছে ইমান ডাঙৰ নাছিল। কলেজৰ কাৰ্যালয় আৰু কেন্টিনখনৰ মাজত এডোখৰ মুকলি ঠাই আছিল, য'ত এখন বেডমিন্টন কোৰ্ট পাতি শিক্ষক-ছাত্ৰীসকলে অৱসৰৰ সময়ত খেলাৰ সুযোগ লৈছিল।

প্ৰতিস্থাপক অধ্যক্ষ প্ৰয়াত তোষেশ্বৰ দত্ত এগৰাকী দক্ষ প্ৰশাসক বুলিয়েই স্বীকাৰ কেনি কৰিব লাগিব। কলেজখন এই পৰ্যায়লৈ আনি ইমান সুন্দৰ ঠাই এখনত স্থায়ীভাৱে প্ৰতিষ্ঠা কৰাত সফল হ'লহি। কলেজৰ শ্ৰেণী আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে তেখেত কলেজত থাকেই। শ্ৰেণীবিলাক ঠিকমতে চলিছেনে নাই, ছাত্ৰীসকলৰ ক'ত কি অসুবিধা আছে সেইবোৰ চাই ফুৰে। শিক্ষকসকলৰ

Scanned with OKEN Scanner

মাজত মত বিনিময় কৰে। ষ্টাফ মিটিং পাতি কলেজৰ সমস্যাবিলাক কেনেদৰে সমাধা কৰিব পৰা যায় সেইবিষয়ে আলোচনা কৰে। ইংৰাজী ভাষাত যথেষ্ট দখল থকা লোক। কলেজৰ মুখ্য সহায়ক হিচাপে তেখেতে যিজন অৱসৰী বয়োবৃদ্ধ লোক মকৰল কৰিছিল, সেইজন আছিল বেজবৰুৱা স্কুলৰ সন্মুখৰ পথটোৰ বাসিন্দা। নাম আছিল প্ৰয়াত ত্ৰিলোচন দত্ত। কামবোৰ অতি পৰিপাটি, ধুতি পাঞ্জাবী পৰিচিত এজন কমেও সত্তৰ বছৰীয়া লোক। ওখ-পাখ বগা, ধুনীয়া, কামত পাকৈত। বহী পত্ৰ বোৰ কতো কাট-কূট নাই। আখৰবোৰ গোট গোট, ধুনীয়া। Proceeding বহীয়েই হওক, Cash Book য়েই হওক, কতো কাট-কূট কৰাৰ চিন নাপায়। তেওঁ বহা চকীৰ পিছফালে থকা file ৰ ৰেকটোৰ পৰা ঘুৰি নোচোৱাকৈয়ে হাতখনেৰে টানি আনিব পাৰে। Type কৰা দেখিলে চাই থাকিবৰ মন যায়। বাক্যবোৰ এবাৰ চাই ললে কলৈকো নোচোৱাকৈয়ে পটাপট টাইপ কৰি আপোনালৈ আগবঢ়াই দিব পাৰে। কথা অৱশ্যে কম কয়, চাহ খোৱাত অতি নিয়মীয়া; যেতিয়াই তেতিয়াই নাখায়। তামোল চুৰট খোৱাও দেখা নাছিলো। তেখেতৰ সহায়ক হিচাপে আছিল প্ৰয়াত ৰবীন হাজৰিকা নামৰ এজন ডেকা ল'ৰা, যোৰহাটৰ চুঙি অঞ্চলত ঘৰ। তেওঁ দত্তদেৱক যথোচিতভাবে সহায় কৰিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হয়। অৱশ্যে কাম-বন স্বভাৱ চৰিত্ৰ সকলো ফালৰ পৰা শলাগিবলগীয়া। নতুন ল'ৰা হিচাপে কামবোৰ শিকিবৰ কাৰণে যত্নপৰ হৈছিল। শিক্ষক শিক্ষয়িত্ৰীসকলৰ লগত সৌজন্যসূচক আচৰণ কৰিছিল। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ফটিক শইকীয়া আৰু মাণিক শইকীয়াৰ প্ৰতিও সহানুভূতিশীল আছিল। ফটিক শইকীয়াৰ ঘৰ আছিল নামতিৰ খেমদৈ পুখুৰী অঞ্চলত। মাণিক শইকীয়াৰ ঘৰ শিমলুগুৰিৰ কাষৰীয়া গাওঁ এখনত। ফটিক শইকীয়াই কলেজৰ কাম বেঙ্ক, পোষ্ট অফিচ, দোকান বজাৰ সকলোলৈকে চাইকেল কোবাই ফুৰে। কলেজৰ কামত কলেজ পৰিচালনা সমিতিৰ সদস্যসকলৰ চিঠিপত্ৰ বিলাই ফুৰা কামৰ উপৰিও বিয়লি কলেজ ছুটীৰ পিছত কলেজৰ প্ৰয়োজনীয় ডেস্ক বেঞ্চ বনোৱা কামত লাগে। মানুহজনে যথেষ্ট কষ্ট কৰিব লাগিছিল, ভাগৰি পৰে তথাপি কান্ধৰ গামোচাখনেৰে মুখখন গুচি আপোনাক সম্ভ্ৰমেৰে কথা এবাৰ সুধিব। কলেজত প্ৰথমাৱস্থাত নৈশ চকীদাৰ নাছিল; শইকীয়াই ইয়াত ৰাতি থাকিছিল। ইমানৰ পাছতো মানুহজনৰ মুখত কোনো উচ্চবাক্য নাই। প্ৰয়াত মাণিক শইকীয়াই কলেজৰ কাগজ পত্ৰ ইফালে সিফালে নিয়া, পিৰিয়ড শেষ হলে ঘণ্টা মৰা, শিক্ষক শিক্ষয়িত্ৰীৰ বাবে চাৰ্কোলাৰ থাকিলে তাক সকলোকে দেখুৱাই চহী কৰাই লোৱা ইত্যাদি কামবোৰ কৰে। কলেজৰ লাইব্ৰেৰী বুলি এটা শ্ৰেণী কোঠাকেই ব্যৱহাৰ কৰা হৈছিল। স্থানীয় পুৰণা আমোলাপট্টিৰ শ্ৰীমতী বিনু দেৱী নামৰ ছোৱালী এগৰাকীয়ে লাইব্ৰেৰীয়ান হিচাপে কাম কৰা মনত পৰে।

১৯৬৯ চনৰ ১লা ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ কলেজখন চৰকাৰৰ ঘাটি মঞ্জুৰী কলেজৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত প্ৰয়াত তোষেশ্বৰ দত্তই কলেজ এৰি পুনৰ ওকালতি কৰিবলৈ গ'ল। নতুনকৈ শিৱসাগৰ কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক প্ৰয়াত মুহিৰাম শইকীয়াই কলেজখনৰ নতুন অধ্যক্ষ হিচাপে যোগদান কৰিলে। পিছে তেখেতে এটা বছৰো সম্পূৰ্ণ নহওঁতেই

Scanned with OKEN Scanner

নগাঁও কলেজত অধ্যক্ষৰূপে নিযুক্তি পাই ইয়াৰ পৰা গুচি গ'ল। তাৰ পৰৱর্তী পর্যায়ত শিৱসাগৰ কলেজৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰূপে কার্যভাৰ চলাই থকা এগৰাকী স্বাধীনতা সংগ্রামী, সু-সাহিত্যিক স্বনামধন্য প্রয়াত বীৰেণ বৰকটকীদেৱ অধ্যক্ষৰূপে কলেজখনত যোগদান কৰিলেহি। তেখেতৰ দিনতে কলেজখনত উন্নয়নৰ দিশত কলেজৰ শ্রেণী কোঠা বঢ়োৱা, নতুন লাইব্রেৰী নির্মাণৰ উপৰি দূৰণিবটীয়া ছাত্রীসকলৰ বাবে এটা দুমহলীয়া সুন্দৰ ছাত্রীনিবাস নির্মাণ আদি কামবোৰ যথাযথভাবে আগবঢ়াই নিব পৰা হৈছিল। ইয়াত কর্মৰত অৱস্থাতেই প্রয়াত বৰকটকীদেৱ অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ কামপুৰ অধিবেশনৰ সন্মানীয় সভাপতি নির্বাচিত হৈছিল। এই পৰিঘটনাই শিৱসাগৰ ছোৱালী কলেজৰো মান যশ বঢ়াইছিল।■

(বিঃ দ্রঃ- এই লেখাটিত ঘাটি মঞ্জুৰী লাভ কৰা সময়লৈকে সামৰি লোৱা হৈছে।)

শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্রাপ্ত ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আৰু ভাৰপ্রাপ্ত অধ্যক্ষ (৩১-০১-২০০১ ৰ পৰা ৩০-০৬-২০০৩) আছিল।

Scanned with OKEN Scanner

মাধুকৰী যাত্ৰাৰ এযুগ

ড° হেমন্ত কুমাৰ ফুকন

ব্ৰিটিছ ঔপনিৱেশিক চৰকাৰ তথা মিছনেৰী সকলে শিৱসাগৰতেই স্ত্ৰী শিক্ষাৰ বাবে ছোৱালী স্কুল স্থাপনৰ কাম আৰম্ভ কৰিছিল যাৰ ফলত পৰাধীন অসমতো ছোৱালীৰ বাবে এটা শৈক্ষিক পৰিবেশে গঢ় লৈ উঠিছিল। হয়তো ইয়াৰ ফলশ্ৰুতিতেই চাৰিং অঞ্চলৰ দুজনী বাইজনী সুধালতা দুৱৰা আৰু সুফলতা দুৱৰাই অসমৰ প্ৰথম মহিলা স্নাতক হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। স্বাধীনোত্তৰ কালছোৱাত প্ৰতিষ্ঠা হোৱা স্কুল-কলেজ সমূহৰ সৰহভাগেই ল'ৰা-ছোৱালী উভয়ৰে বাবে (Co-educational) খোলা হৈছিল যদিও কেৱল ছোৱালীৰ বাবেও যথেষ্ট সংখ্যক স্কুল আৰু কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। ওৱাহাটীত স্বাধীনতাৰ আগতেই ১৯৩৯ চনত নাৰী শিক্ষাৰ এগৰাকী বাটকটীয়া বাজা বালা দাস ভাণ্ডৰীয়ানীৰ প্ৰচেষ্টাত সন্দিকৈ ছোৱালী কলেজে প্ৰতিষ্ঠা লাভ কৰাৰ পাছত অসমৰ ভিন ভিন স্থানত ৰাইজৰ প্ৰচেষ্টাতে ছোৱালীৰ বাবে কলেজ প্ৰতিষ্ঠা হৈছিল। শিৱসাগৰতো কেইজনমান অগ্ৰণী, সমাজ হিতৈষী ভৱিষ্যদ্দশী ব্যক্তিৰ তৎপৰতাত ১৯৬৪ চনত 'শিৱসাগৰ ছোৱালী কলেজ' নামেৰে ছোৱালীৰ বাবে আছুতীয়াকৈ এখন উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান গঢ় লৈ উঠে। কলেজ পৰিয়ালৰ সদাস্মৰণীয় এনে ব্যক্তিসকলৰ ভিতৰত প্ৰফুল্ল চন্দ্ৰ কাকতি, টেকনিকেল স্কুলৰ প্ৰধান শিক্ষক অজিত কুমাৰ গগৈ, সাংসদ প্ৰফুল্ল চন্দ্ৰ বৰুৱা, বিধায়ক পুষ্পধৰ চলিহা, অধিবক্তা বৈদ্যনাথ বৰপূজাৰী, বিধায়ক থানুৰাম গগৈ, নবীন চন্দ্ৰ ভাগৱতী, কমল চন্দ্ৰ চুতীয়া, সুৰেশ বৰঠাকুৰ, অধিবক্তা প্ৰণৱ গগৈ, গিৰিজাপ্ৰসাদ বৰুৱা, অধিবক্তা কিৰণ কুমাৰ গগৈ, অধিবক্তা তোষেশ্বৰ দত্ত, যতীন্দ্ৰ নাথ শইকীয়া, ফুলেশ্বৰী দত্ত আদি বিশেষ উল্লেখনীয় ব্যক্তি। ইয়াৰোপৰি পৰৱৰ্তী সময়ত বিভিন্ন ধৰণেৰে কলেজখনক সাৰ-পানী যোগোৱা সকলৰ ভিতৰত পৰাগধৰ চলিহা, চাৰুলৰাম খেমকা, মাংগীলাল বাগ্‌ৰী, জীউতৰা ভৰালী, ক্ষীৰদা কুমাৰী বৰুৱা, সৰজাৱতী কাকতি, ত্ৰৈলোক্যদা গগৈ, ডাঃ জগন্নাথ বৰুৱা, কালিপ্ৰসাদ চন্দ, জালালুদ্দিন আহমেদ, অমৃতলাল গোহাঁই, প্ৰফুল্ল চন্দ্ৰ কাকতি, আনন্দ চন্দ্ৰ বেজবৰুৱা, পিতাম্বৰ হাজৰিকা, জ্যোতিপ্ৰভা চলিহা, কমলা বৰদলৈ, তাৰা বেগম, টংকেশ্বৰ দিহিঙীয়া, সহজানন্দ ভৰালী, মহেন্দ্ৰ বৰা, গোবিন্দ চন্দ্ৰ বৰুৱা, জগন্নাথ ঠাকুৰ, বিভূতি চলিহা, যাদৱ ঠাকুৰ, পুতুল ফুকন, নাৰায়ণ বৰুৱা, তাৰিণীচৰণ শৰ্মা, গুণ বৰুৱা, হেম হাজৰিকা আদিৰ নাম বিশেষ উল্লেখনীয়। কালীপ্ৰসাদ স্মৃতিভৱনতে ১৯৬৪ চনৰ জুলাই মাহৰ পৰা পাঠদানৰ কাম আৰম্ভ কৰা হয় আৰু পৰ্যায়ক্ৰমে ১৯৬৬ চনৰ জুলাই

মাহৰ ৪ তাৰিখে নিজা (বৰ্তমানৰ) চৌহদলৈ কলেজ স্থানান্তৰ কৰা হয়। পাছলৈ ১৯৮৯ চনত বিজ্ঞান শাখাৰ সংযোজন আৰু ছাত্ৰী নিবাসৰ বাবে ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পিছফালে দ্বিতীয় চৌহদ স্থাপন কৰি বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ আৰম্ভ কৰা হয় আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ (University Grants Commission - UGC) ৰ পৰা দ্বিতীয় অনুদানেৰে দুমহলীয়া বংপুৰ ছাত্ৰী নিবাস নিৰ্মাণ কৰা হয়।

কলেজৰ বৰ্দ্ধিত পৰিসৰৰ জোৰা মাৰিবলৈ প্ৰায় ১.৫ কিঃ মিঃ দূৰৰ বণিয়াবাৰীত প্ৰায় ৮ বিঘা মাটিৰ আন এটি চৌহদৰ বাবে চৰকাৰৰ পৰা আৱণ্টন পোৱা হয়। এনেদৰে তিনিটা চৌহদেৰে শিৱসাগৰ ছোৱালী কলেজে লেখত লৱলগীয়া কলেজ হিচাবে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে আৰু গৌৰৱেৰে ৬০ টা বছৰ অতিক্ৰমি হীৰক জয়ন্তী উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে।

কলেজৰ ষষ্ঠজন স্থায়ী অধ্যক্ষ হিচাবে আমাৰ কাৰ্যকাল আৰম্ভ হয় ২০০৪ চনৰ ১৭ ছেপ্টেম্বৰ বিশ্বকৰ্মা পূজাৰ দিনটোৰ পৰা। দুৰাৰোগ্য ৰোগত ছাটিফুটি কৰি পাৰ কৰা যন্ত্ৰণাকাতৰ দিনবোৰত ভৰা নাছিলো এদিন এনেকৈয়ে এখন কলেজৰ দায়িত্ব ল'বলৈ পাম আৰু যুগসাপেক্ষ পৰিকল্পনাৰে আগবঢ়াই নিয়াৰ সুযোগ পাম। কাৰ্যভাৰ লোৱাৰ আগলৈকে কলেজখন আলেঙে-আলেজেহে দেখিছিলো। অৰ্ন্তভাগৰ বিষয়ে ধাৰণা প্ৰায় নাছিলেই। সেয়ে যোগদান কৰি লৰালৰিকৈয়ে গোটেইখিনি জানিবুজি লোৱাৰ চেষ্টা কৰিছিলো। অধ্যক্ষ হোৱাৰ সপোন এটা আছিল, পঢ়ি থকা দিনৰ পৰা বিভাগীয় শিক্ষক হৈ থকা দিনলৈকে পাই অহা অধ্যক্ষ সকলৰ প্ৰশাসনিক দক্ষতা আৰু কলেজখনৰ সামগ্ৰিক উন্নয়নৰ বাবে তেওঁলোকে ৰূপায়ন কৰা বিভিন্ন আঁচনি সমূহৰ ছবিখন মনৰ মাজত আছিলেই, ইয়াৰোপৰি নিজৰ মনতো প্ৰয়োজনবোধ হোৱা বহুবোৰ নতুন কথা কলেজখনত সংযোজিত কৰাৰ হাবিয়াস এটাই উকমুকাই আছিল — এয়া যেন মোৰ বাবে সুৱৰ্ণ সুযোগ। মই যোগদান কৰাৰ দিনৰ পৰা কলেজখনক সুন্দৰ ৰূপত পৰিচালনা কৰাৰ, অভাৱখিনি সোনকালেই নাইকিয়া কৰাৰ, আন দহখনৰ লগত সমানে ফেৰ মৰাৰ, আধুনিক বিজ্ঞানসম্মত শিক্ষা প্ৰদানৰ সা-সুবিধাৰ ব্যৱস্থা কৰাৰ, নিয়ম-শৃংখলা বজাই ৰখাৰ, নতুন নতুন সময়সাপেক্ষ বিষয় সংযোজন কৰাৰ, কলেজখনক সমাজৰ কাষলৈ ওচৰ চপাই নিয়া আদি অনেক পৰিকল্পনা মনতে জুকিয়াই আগবাঢ়িছিলো, মনৰ জোখাৰে কলেজখন সজাই সমাজৰ আগত দাঙি ধৰাই আছিল মোৰ উদ্দেশ্য। এইখিনিতে এটা কথা উল্লেখ কৰি থওঁ যে, কলেজখনৰ দায়িত্ব লোৱাৰ সময়ৰ পৰাই এটা কথা ঠিৰাং কৰি লৈছিলো যে 'এইখন মোৰ কলেজ (আমাৰ নহয়), গতিকে ময়েই সকলো কৰিব লাগিব', 'আমাৰ কলেজ' বুলিলে মোৰ লগতে আৰু কোনোবা আছে গতিকে তেওঁলোকেও কৰিব জাতৰ ধাৰণা এটাই গা কৰিব যি কলেজখনৰ বাবে মংগলজনক নহয় — এনে এটা দৰ্শন (Philosophy) শিক্ষক - ছাত্ৰী - কৰ্মচাৰী সকলোকে দিবলৈ চেষ্টা কৰিছিলো, পিছে এনে অহংভাৱৰ দৰ্শন সকলোৰে গ্ৰহণীয় হয় নে নহয় নাজানো।

আমাৰ কাৰ্যকালত ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰী সকলোকে এটা অসুবিধামুক্ত সহজ-সৰল

Scanned with OKEN Scanner

(simple & flawless) পৰিৱেশ দিবলৈ চেষ্টা কৰা হৈছিল - সেয়া লাগিলে আন্তঃগাঁথনিৰ দিশতেই হওঁক বা শৈক্ষিক বিদ্যায়তনিক দিশতেই হওঁক, আর্থিক অনাটন আৰু প্রত্নতাত্ত্বিক বিভাগৰ হকা-বাধা এই সকলোবোৰ দিশতেই বাধাৰ প্রাচীৰ হৈ পৰিছিল যদিও সম্ভৱপৰ সকলো অনুদান প্রদানকাৰী সংস্থা আনকি চিনেমা জগতৰ শ্রদ্ধেয় অমিতাভ বচ্চনৰ দৰে প্রখ্যাত অভিনেতালৈও নিজৰ নাতিনীয়েকৰ কথা সোঁৱৰাই ২০০০ গৰাকী 'নাতিনী'ৰ সুবিধাকল্পে সহায় বিচাৰিবলৈ কুণ্ঠাবোধ কৰা নাছিলো। এনেবোৰ প্রচেষ্টাতে বিভিন্ন বিভাগৰ পৰা কিছু কিছু পৰিমাণে হলেও অনুদান পাবলৈ সক্ষম হৈছিলো আৰু প্রয়োজনীয়তাখিনি পূৰণ কৰিবলৈ অহোপুৰুষার্থ কৰিছিলো — কোনো কাৰণতে গুণাগুণ (Quality) ৰ ক্ষেত্রত আপোচ (compromise) কৰা নাছিলো।

শৈক্ষিক আৰু বিদ্যায়তনিক দিশত কার্যকালৰ আৰম্ভণিৰ পৰাই ছাত্রী আৰু শিক্ষক সকলৰ বাবে এক অনুপ্রাণিত কৰিবপৰা চাপমুক্ত সতেজ আৰু স্পন্দনশীল (pressureless, freshening & vibrant) পৰিৱেশ সূচনাৰ বাবে আঁচনি হাতত লোৱা হৈছিল — এনে কেতবোৰ আঁচনি আছিল-

১। শৈক্ষিক আৰু বিদ্যায়তনিক উন্নয়নমূলক
২। আন্তঃগাঁথনি উন্নয়নমূলক
৩। উদ্ভাৱনীমূলক নতুন চিন্তাৰ বাস্তৱায়ন

১.১ চেমিনাৰ (Seminar) ঃ

কার্যকালত কেইবাখনো ৰাষ্ট্রীয় আৰু এখন আন্তঃৰাষ্ট্রীয় চেমিনাৰৰ আয়োজন কৰা হৈছিল। যিকোনো পর্যায়ৰ এখন চেমিনাৰে বহুক্ষেত্রত প্রভাৱ পেলাব পাৰে — প্রস্তাৱনাৰ পৰা আয়োজন হোৱালৈকে কলেজত সৃষ্টি হোৱা পৰিৱেশ, ছাত্রী, শিক্ষক, অন্যান্য কর্মচাৰী সকলৰ দায়িত্বপূর্ণ কর্মসচেতনতা তথা ব্যস্ততা আৰু অনুষ্ঠিত হৈ যোৱাৰ পিছতো বহু দিনলৈ এক আলোচনাৰ বিষয় (analysis) হৈ পৰিৱেশটো আলোড়িত কৰি ৰাখে যি ছাত্রীসকলক ভৱিষ্যৎ জীৱনৰ প্রতি অলপ অলপ কৈ সাজু কৰি তোলে। আন্তঃৰাষ্ট্রীয় চেমিনাৰত দেশ-বিদেশৰ গৱেষক, অধ্যাপক আদিৰ সংস্পর্শলৈ অহাৰ সুযোগ আনি দিয়ে।

১.২ কর্মশালা (Workshop) ঃ

শংকৰদেৱ অধ্যয়ন কেন্দ্র, ৰবীন্দ্রনাথ ঠাকুৰ অধ্যয়ন কেন্দ্র, গ্রাম্য উন্নয়ন পাঠ্যক্রম (Post Graduate Diploma in Rural Development - PGDRD), গার্হস্থ বিজ্ঞান (Home Science), বায়টেক হাব (Biotech Hub), আর্যভট্ট বিজ্ঞান কেন্দ্র ইত্যাদি বিভাগত কেইবাটাও কর্মশালা আয়োজন কৰি কলেজৰ লগতে বাহিৰৰ ছাত্র-ছাত্রীকো নতুন বিষয়ৰ সোৱাদ দিয়া হৈছিল - যি তেওঁলোকৰ বাবে জীৱনজোৰা স্মৃতি আৰু প্রেৰণাৰ উৎস হৈ পৰিছিল। আর্যভট্ট বিজ্ঞান কেন্দ্রৰ যোগেদি দূৰবীণৰ (Binocular)ৰ সহায়ত আকাশ অধ্যয়ন, ৰাষ্ট্রীয় শিশু বিজ্ঞান সমাৰোহ (National Childrens' Science Congress - NCSC), ভাৰত জনবিজ্ঞান যাত্রা (Bharat Jana Vigyan Jatra - BJVJ)

Scanned with OKEN Scanner

আদিৰ যোগেদি প্ৰকল্প (Project) প্ৰস্তুতকৰণ আৰু বৈজ্ঞানিক মানসিকতা গঠন হোৱাৰ প্ৰচেষ্টা চলোৱা হৈছিল।

১.৩ ইংৰাজী বিষয়ৰ বিশেষ পাঠদান ঃ

কোৱা হয়, 'বাৰীৰ ঘাঁহে গোহালীৰ গৰুৰে ৰাহি নাহে'। সেয়ে কলেজত একাধিকবাৰ নিমন্ত্ৰিত প্ৰথিতযশা শিক্ষাবিদৰ যোগেদি ইংৰাজীৰ বিশেষ পাঠদান কৰোৱা হৈছিল — এইক্ষেত্ৰত অধুনালুপ্ত অসম মাধ্যমিক শিক্ষা পৰিষদৰ (SEBA) শিক্ষা বিষয়া তথা অল ইণ্ডিয়া ৰেডিঅ'ৰ ইংৰাজী প্ৰশিক্ষক শ্ৰদ্ধাৰ সপোন দুৰৱাই কলেজৰ ছাত্ৰীসকলক ইংৰাজীৰ পাঠদান কৰি উপকৃত কৰিছিল।

১.৪ মত বিনিময় (Interaction)ৰ সুবিধা ঃ

(ক) কেন্দ্ৰীয় এৰিমুগা গৱেষণা কেন্দ্ৰ, বকো (Central Muga Eri Research & Training Institute - CMERTI, Boko)ৰ বিজ্ঞানীৰ লগত ছাত্ৰীসকলৰ ভাৰ বিনিময়ৰ ব্যৱস্থা কৰি নতুন বিষয়ৰ সোৱাদ দিবলৈ চেষ্টা কৰা হৈছিল।

(খ) বিদেশত (বৰ্তমান লণ্ডনস্থিত Anaesthesia and Pain Medicine ৰ পৰামৰ্শদাতা) থকা নিজৰ কনিষ্ঠ ভাতৃ ডাঃ দেৱজিৎ ফুকন, MBBS, DA, FRCA, FFPMRCA, FIPP, EDRA ৰ লগত ছাত্ৰী সকলক মুখামুখি কৰোৱাই এক ভিন্ন স্বাদ দিবলৈ চেষ্টা কৰা হৈছিল।

(গ) একেদৰে জ্যেষ্ঠ ভাতৃ ডঁ শৰৎ কুমাৰ ফুকন, IPS, MSc., LLB, PhD (অৱসৰপ্ৰাপ্ত ডি. আই. জি.) কো তেওঁৰ ৰচিত বিভিন্ন কিতাপ (বিশেষকৈ Toponymy of Assam, Onomastics Assam, Hydronymy of Assam, Surnames of Assam, জয়মতী কুঁৱৰী, ওপজা মাটি আদি গ্ৰন্থ) সম্পৰ্কে ভাৰ বিনিময়ৰ ব্যৱস্থা কৰি কলেজৰ সভাকক্ষতে তেওঁৰ কেইবাখনো কিতাপ উন্মোচন কৰি ছাত্ৰীসকলক অনুপ্ৰাণিত কৰাৰ চেষ্টা কৰা হৈছিল।

(ঘ) নিত্যাচাৰ্য্য যতীন গোস্বামীদেৱ, শিল্পগুৰু ৰেৱ মহন্তদেৱ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী ইমৰান শ্বাহদেৱ আদিৰ দৰে বৰেণ্য ব্যক্তিৰ সান্নিধ্য দিয়াই এক অনুপ্ৰেৰণাদায়ক বাতাবৰণ সৃষ্টিৰ প্ৰয়াস কৰা হৈছিল।

১.৫ সামাজিক দায়িত্ব পালনৰ অনুশীলন ঃ

বুৰঞ্জী বিভাগক বিশেষভাৱে দায়িত্ব দি সামাজিক দায়িত্ব পালনৰ শিক্ষাত সহায়ক হোৱাৰ চিন্তাৰে শিৱসাগৰ পুখুৰীপাৰ স্থিত পিয়লি ফুকন পাৰ্কখন পালন (Adoption) কৰা হৈছিল।

বানপানীত জুকলা হোৱা একাংশক প্ৰয়োজন অনুসাৰে সাহায্য যোগানেৰে কলেজ পৰিয়ালে দায়িত্ববোধৰ পৰিচয় দিছিল।

সংক্ৰামক এইডচ্ ৰোগৰ সজাগতাৰ বাবে ৰাজ্যিক এইডচ্ নিয়ন্ত্ৰণ সমিতিৰ যোগেদি এটা ৰেড ৰিবন ক্লাৱ (Red Ribbon Club) গঠন কৰা হৈছিল আৰু প্ৰতি বছৰে বিশ্ব এইডচ্ দিৱস উদ্‌যাপনৰ লগতে এই বিষয়ৰ সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হৈছিল।

Scanned with OKEN Scanner

১.৬ সংস্কৃত শিকাৰ সুবিধা প্ৰদান ঃ

কলেজত সংস্কৃত বিষয় নথকাৰ বাবে ছাত্ৰীসকল এই দিশত বঞ্চিত হৈ আহিছিল আনহাতেদি প্ৰায় সকলো ভাষাৰ মাতৃস্বৰূপ সংস্কৃত ভাষাৰ চহকী সাহিত্যৰ সোৱাদ লোৱাৰ ক্ষেত্ৰতো সুবিধা পোৱা নাছিল— তেনেবোৰ কথা চিন্তা কৰিয়েই সংস্কৃতৰ এটা অনানুষ্ঠানিক পাঠ্যক্ৰম প্ৰবৰ্তন কৰা হৈছিল আৰু সংস্কৃত শিক্ষকৰ যোগেদি পাঠদান কৰোৱা হৈছিল।

১.৭ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)ত জড়িতকৰণ ঃ

প্ৰতি বছৰে শতাধিক ছাত্ৰীক ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত যোগদান কৰোৱাই সুচৰিত্ৰ গঠন, সতীৰ্থক সহায়, নিয়মানুবৰ্তিতা আৰু ধৰ্মনিৰপেক্ষতাৰ শিক্ষা দিয়া হৈছিল। নিৰ্বাচিত বহু ছাত্ৰী দিল্লীৰ স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱসৰ পেৰেডত যোগদানৰ সুবিধা পাইছিল। শিক্ষাৰ্থী বাহিনীৰ বাবে থকা বীৰ চিলাৰায় পুৰস্কাৰো কলেজৰ ছাত্ৰীয়ে পাবলৈ সক্ষম হৈছিল। ছাত্ৰীসকলৰ সুবিধাৰ বাবে নতুনকৈ এন. চি. চি. প্ৰশিক্ষক শিক্ষক নিয়োগ কৰাৰ উপৰিও তেওঁৰো প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল।

১.৮ সমৰকলাৰ প্ৰশিক্ষণ ঃ

ছাত্ৰীসকলক আত্মৰক্ষাৰ বাবে প্ৰশিক্ষকৰ যোগেদি কাৰাটে, জুদো আদি সমৰকলাৰ প্ৰশিক্ষণ দিয়া হৈছিল। যাৰ যোগেদি ছাত্ৰীসকল আত্মবিশ্বাসী আৰু স্বাৱলম্বী হোৱাৰ সুযোগ পাইছিল।

২. আন্তঃগাঁথনি উন্নয়ন ঃ

কার্যকালৰ আৰম্ভণিতে সভা-সমিতি পাতিব পৰা আধুনিক সা-সুবিধাযুক্ত সভাঘৰৰ অভাৱ, গোটেই বছৰ খোলা ৰখা পৰিষ্কাৰ-পৰিচ্ছন্ন এখন কেণ্টিনৰ অভাৱ, বিভাগসমূহৰ আছুটীয়া কোঠা (Departmental Office cum Common Room)ৰ অভাৱ, বিজ্ঞানসন্মত শিক্ষা প্ৰদানৰ বাবে আধুনিক আহিলা যেনে - কম্পিউটাৰ, স্মাৰ্ট ব'ৰ্ড, ইণ্টাৰনেট, ভি. ডি. অ'. আলোচনা কৰিব পৰা সবঞ্জামৰ অভাৱ, খৰতকীয়া যোগাযোগ (বিশেষকৈ বিভিন্ন বিভাগৰ লগত) অভাৱ, বিজ্ঞানাগাৰৰ আহিলাৰ অভাৱ, একঘেয়ামী শৈক্ষিক পাঠ্যক্ৰমৰ বৈকল্পিক ব্যৱস্থাৰ অভাৱ ইত্যাদি আছিল আমাৰ পোনচাটেই চকুত ধৰা পৰা অভাৱ। সীমিত কার্যকালত এই সকলোবিলাক ক্ষিপ্ৰতাৰে পূৰণ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছিল।

(ক) সভাগৃহ (Conference Hall) ঃ

যোগদানৰ (২০০৪) সময়ৰ পৰা দুটা শ্ৰেণীকোঠাৰ মাজৰ বেৰ (খুলিব পৰা) খুলি সভাগৃহ কৰাৰ ব্যৱস্থা (ফলত সভাৰ আগেপিছে সেই কোঠা দুটাৰ শ্ৰেণী অনুষ্ঠিত কৰিব নোৱাৰি) আমাৰ সমূলি পচন্দ হোৱা নাছিল। সেয়েহে সামান্য অৰ্থৰে সম্পূৰ্ণ নিজা পৰিকল্পনাৰে প্ৰথম মহলাৰ খালী পোৱা এঠাইত এটা গেলেৰীযুক্ত কবি সুদৃশ্য (প্ৰায় চাৰিশ লোক ধৰা) সভাগৃহ নিৰ্মাণ কৰিবলৈ সক্ষম হলো। এই সভাগৃহই কলেজৰ মৰ্যদা অক্ষুণ্ণ ৰখাত প্ৰভূত ৰৰঙণি যোগাইছে।

(খ) বিভাগীয় কোঠা (Departmental Office cum common room) ঃ

Scanned with OKEN Scanner

আমাৰ যোগদানৰ পৰলৈকে মাত্ৰ তিনিটা বিভাগৰহে নিজাকৈ বিভাগীয় কোঠা আছিল, বাকীবোৰ বিভাগৰ শিক্ষকসকলে সকলোৱে ব্যৱহাৰ কৰা একেটা সমূহীয়া কোঠাতে নিজা নিজা বিভাগৰ আলোচনা তথা আঁচনিসমূহো কৰিবলগা হোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল, প্ৰকৃততে 'ভিৱৰ' মাজত বহুবোৰ পৰিকল্পনাৰ অপমৃত্যু ঘটিছিল যি নিশ্চিত ৰূপত কলেজখনৰ সামগ্ৰিক উত্তৰণত বাধা হৈছিল। এনেবোৰ চিন্তাৰেই খৰতকীয়াকৈ অ'ৰ ত'ৰ পৰা জোৰা মাৰি সম্ভৱপৰ ঠাই, বাৰান্দা আদি আৱৰি সকলোবোৰ বিভাগৰ সুকীয়া বিভাগীয় কাৰ্যালয় তথা সমূহীয়া কোঠাৰ ব্যৱস্থা কৰা হ'ল। এই ব্যৱস্থাই নিজস্বতাবোধৰ (Sense of belongingness) জন্ম দি অধিক উৎসাহেৰে নিজ নিজ দায়িত্ব অধিক কাৰ্যকাৰীভাৱে ৰূপায়ন কৰাৰ সুবিধা দিলে আৰু কলেজৰ সামগ্ৰিক উন্নতিটো সহায়ক হ'ল।

(গ) ক্ষুদ্ৰ সভাগৃহ (Mini Conference Hall) ঃ

বিশেষ আলোচনা, ভি. ডি. অ'. আলোচনা, চেমিনাৰ আদিৰ বাবে উচ্চ শিক্ষানুষ্ঠানত আধুনিক সা-সুবিধাযুক্ত এনে এটা সভাগৃহ অতিকে প্ৰয়োজন। শিক্ষকৰ সমূহীয়া কোঠাৰ ওপৰৰ প্ৰথম মহলাত এনে এটা কোঠা (যিটো আমাৰ কাৰ্যকালৰ আৰম্ভণিতে কম্পিউটাৰ কোঠা কৰা হৈছিল) এ. চি., মাইক, প্ৰজেক্টৰ, স্মাৰ্ট স্ক্ৰীণ আদি সংযুক্ত কৰি সজাই পৰাই তোলা হৈছিল। এই অঞ্চলৰ কলেজ সমূহৰ মাজত প্ৰথমবাৰৰ বাবে আমাৰ কলেজতেই কেন্দ্ৰীয় বজাৰৰ ওচৰত থকা 'নীট' নামৰ কম্পিউটাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰ শ্ৰীপাৰ্থ প্ৰদীপ বৰা (বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অভিযন্তা)ৰ লগত সফলতাৰে ভি. ডি. অ'. কনফাৰেন্স কৰা হয়।

(ঘ) খোলা প্ৰেক্ষাগৃহ (Open Auditorium) ঃ

কলেজৰ সোণালী জয়ন্তী বৰ্ষতে (২০১৪) সকলো শিক্ষকৰ বৰঙণিৰে ইতিমধ্যে বনাই থোৱা মঞ্চৰ সন্মুখত মঞ্চ সংলগ্ন কৰি এটা বুজন আকাৰৰ খোলা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি উলিওৱা হয়। যিটোৱে কলেজৰ বিভিন্ন ডাঙৰ সভা-সমিতি, বাহিৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিন ভিন কাৰ্যসূচী, নৃত্য, নাট প্ৰদৰ্শন আদি কামবোৰ সম্পন্ন কৰাৰ সুবিধা হয়।

(ঙ) বিজ্ঞান চৌহদৰ সভাগৃহ (Conference Hall of Science Campus) ঃ

বিজ্ঞান চৌহদ তথা গাতে লাগি থকা ৰংপুৰ ছাত্ৰী নিবাসে সততে ব্যৱহাৰ কৰিব পৰাকৈ এটা নিয়মীয়া আকাৰৰ সভাগৃহ (দ্বিতীয় মহলত) সাজু কৰি উলিওৱা হয়।

(চ) খেলৰ সা-সুবিধা আৰু ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণ (Sports facilities & indoor stadium construction) ঃ

কাৰ্যকালৰ আৰম্ভণিতে দেখা পাইছিলো যে, কলেজত নিজাববীয়া খেলপথাৰ এখন নাই, পিছে চহৰৰ মাজত ২০০৪ চন বা তাৰ পিছত খেল পথাৰৰ বাবে কেইবাবিঘাও একেলগে থকা মাটি যোগাৰ কৰাটো বাস্তবিকতে অসম্ভৱ কথা, এনে এক বাস্তৱৰ সন্মুখীন হৈ মই নিজে এজন বাজ্যিক পৰ্যায়ৰ বাস্কেটবল খেলুৱৈ হিচাবে যথেষ্ট মানসিক অশান্তি পাইছিলো। যি কি নহওক বিজ্ঞান

চৌহদৰ একোণত কিছু ঠাই উলিয়াই বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা অনুদানেৰে এটা মধ্যমীয়া আকাৰৰ ইনড'ৰ ষ্টেডিয়াম নির্মাণ কৰিবলৈ সক্ষম হওঁ। বেডমিণ্টন, ভলী, টেবুল টেনিচ আদি খেল খেলুৱাৰ বাবে এই ষ্টেডিয়ামটো পর্যাপ্ত হৈছিল। ইয়াৰ লগতে সংলগ্ন কৰি দুটা খণ্ডৰ এটা আধুনিক ব্যায়ামাগাৰ (Gymnasium) প্রয়োজনীয় আহিলা সহিতে নির্মাণ কৰা হয়। প্রতিশ্রুত অনুদানৰ সম্পূর্ণখিনি (৪০ লাখ) হিচাব-পত্র দাখিলৰ পিছতো আদায় নোপোৱাৰ বাবে গৃহটি সম্পূর্ণ কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলো যদিও আধৰুৱা কৰা নাছিলো (প্রায় দহ শতাংশ পাবলৈ থাকিল)। খেল পথাৰত ব্যৱহৃত সকলোবোৰ খেলৰ সা-সামগ্রী ক্রয় কৰি ব্যৱহাৰৰ বাবে দিয়া হৈছিল।

(ছ) কেণ্টিন পুনৰ নির্মাণ (Reconstruction of Canteen) ঃ

ৰাতিপুৱাৰ পৰা আবেলিলৈকে বিভিন্ন ধৰণেৰে ব্যস্ত থাকোতে অকণমান জিৰণি আৰু অৱসাদ দূৰ কৰিবলৈ এটা পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশৰ এখন কেণ্টিনে প্রভূত সহায় কৰে। এনে চিন্তাৰেই কেণ্টিনখন প্রত্নতাত্বিক বিভাগৰ বাধাৰ মাজতো আটোম-টোকাৰিকৈ পুনৰ সজোৱা হয় আৰু খাদ্য তালিকাৰ চোৱাচিতা আৰু মূল্য নিয়ন্ত্রণৰ দায়িত্ব নির্বাচিত শিক্ষক গোটক দিয়া হয় যাতে উপযুক্ত মূল্যত গুণমান বিশিষ্ট আহাৰ পাব পাৰে।

(জ) বনিয়াবাৰী চৌহদ বেদখল মুক্ত তথা ব্যৱহাৰোপযোগী কৰণ (Eviction in Baniabari campus and Renovation) ঃ

কার্যকালৰ আৰম্ভণিতেই বনিয়াবাৰী চৌহদ চাবলৈ গৈ যি তিক্ত অভিজ্ঞতাৰ সন্মুখীন হলো সি মনটোক জেদী কৰি তুলিলে আৰু ঠিৰাং কৰিলো যে যিকোনো প্রকাৰে চৌহদটি (প্রায় ৮ বিঘা মাটি) বেদখল মুক্ত কৰি সুৰক্ষিত কৰিব লাগিব। ভবা মতেই তেতিয়ালৈকে কলেজে সংগ্রহ নকৰাকৈ থকা মাটিৰ কাগজ পত্রখিনি সংগ্রহ কৰি চৌহদটোলৈ সোমাব পৰা বাট এটা উলিয়াই (বেদখল কৰি চাৰিওটা দিশৰ পৰা সোমাব নোৱাৰা কৰি থোৱা) পৰিকল্পনা মতে অগ্রসৰ হ'লো।

মূল চৌহদ আৰু বিজ্ঞান চৌহদত প্রত্নতাত্বিক বিভাগৰ হকা বাধাৰ বাবে নতুন গৃহ আদি নির্মাণ কৰিব নোৱাৰা হোৱাতোৱে বনিয়াবাৰী চৌহদটো ব্যৱহাৰলৈ অনাটো অধিক জৰুৰী হৈ পৰিছিল। পুনৰোদ্ধাৰ কৰিবলৈ যাওঁতে বহু সময়, কষ্ট, অর্থব্যয় আৰু অপমানৰ সন্মুখীন হ'ব লগীয়া হৈছিল যদিও চিৰদিনৰ বাবে চৌহদটো নিজৰ কৰি লোৱাৰ আনন্দই মনটো আজিও আন্দোলিত কৰে। পুনৰুদ্ধাৰৰ পাচত ইতিমধ্যে নিজৰ ঘৰ-বাৰীৰ বাবে মাটি খান্দি নি সৃষ্টি কৰা সৰু বৰ গাঁতবোৰ একেলগ কৰি দুটা মাছ পুহিব পৰা পুখুৰী খন্দুৱাই মাছ, হাঁহ পালনৰ ব্যৱস্থা কৰো। এজন চতুর্থ বর্গৰ কর্মচাৰী পৰিয়াল সহিতে চৌহদটিতে চকিদাৰ হিচাবে থকাৰ ব্যৱস্থা কৰা হয়। কেইবা শ মাটি পেলাই চৌহদটো ৰবি খেতি কৰাৰ উপযোগী কৰা হয় আৰু চাৰি সীমাত পকী বেৰ আৰু লোহাৰ গেট নির্মাণেৰে নিষ্কণ্টক কৰি কাষে কাষে তিতা চঁপা, শিশু, নাহৰ, শিলিখা, বনচোম, চেগুণ আদি মূল্যবান গছ ৰোৱা হয় (এতিয়া ১২-১৩ বছৰৰ পাছত ডাঙৰ হ'ল নিশ্চয়)। প্রায় তিনি বিঘা মাটিত

কাজিনেমু, প্রায় তিনি বিঘা মাটিত আধুনিক টিচু কালচাৰৰ পুলিৰে কলখেতি, পুখুৰী দুটাত সমন্বিত মাছ-হাঁহ (Integrated) পালন, প্রায় ১ বিঘা মাটিত ফুল কবি, বন্ধা কবিৰ খেতি, পুখুৰীৰ পাৰে পাৰে শ্বিলঙৰ পৰা অনা মাটি কঠাল আৰু নগাঁৰৰ পৰা অনা পটলৰ খেতি কৰা হয়। এই সকলোবোৰ উৎপাদিত ফচল কলেজৰ ছাত্রী নিবাস আৰু শিক্ষক কর্মচাৰীৰ মাজত কম মূল্যতে বিক্রী কবি এটা পুঁজি (RGF - Resource Generating Fund) গঠন কৰা হয় যিটোৰ পৰা পৰৱর্তী বছৰৰ বাবে আধাৰ (Seed money) গঠন কৰা হয় লগতে চৌকিদাৰক হাত খৰচো দিয়া হয়। গ্রাম্য উন্নয়ন পাঠ্যক্রম (Post Graduate Diploma in Rural Development - PGDRD)ৰ ব্যৱহাৰিক (Practical) পাঠ্যক্রমৰ অন্তর্গত মৌ পালনৰ কেইবাটাও বাকচ এই চৌহদতে স্থাপন কবি মৌ উৎপাদনো কৰা হৈছিল। পাচলৈ ইয়াতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে এটি ছাত্রী নিবাস নির্মাণ কৰা হয় য'ত নিজৰ এটা উপ কার্যালয়ো (Sub-Office) চলোৱা হয়। ভাৰত চৰকাৰৰ নতুন আৰু পুনঃ নবীকৰণ যোগ্য শক্তি মন্ত্রণালয়ৰ (MNRE - Ministry of New and Renewable Energy) লগত কৰা যোগাযোগৰ ভিত্তিত পোৱা শক্তি উদ্যান (Energy Park) ৰ কেইবাটাও চ'লাৰ ষ্ট্রীট লাইট এই চৌহদত স্থাপন কৰাৰ ফলত বিনামূলীয়াকৈয়ে পোহৰৰ যোগাৰ হৈছিল। চৌহদটিত কাম সমূহ আগলৈও চলাই যাব পৰাকৈ (কিয়নো PGDRD পাঠ্যক্রমৰ বাবে কেৱল ৫ বছৰৰ বাবেহে অনুদান দিছিল) গঠন কৰা RGF টো পাচলৈ কিমান সুকলমে চলিছিল সেয়া আমাৰ জ্ঞাত নহয় যদিও ই চলি থকাটোৱেই আমাৰ কাম্য। উল্লেখযোগ্য যে চৰকাৰী কৃষি বিভাগেও আমাৰ কৃষি কর্মলৈ নিজেই আগবাঢ়ি আহি সহায় আগবঢ়োৱাতোও আমাৰ বাবে ডাঙৰ প্রাপ্তি।

(ঝ) শক্তি উদ্যান (Energy Park) স্থাপন ঃ

অসম বিজ্ঞান, প্রযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ (Assam Science Technology and Enviroment Council - ASTEC) আৰু ভাৰত চৰকাৰৰ নব্য আৰু পুনঃ নবীকৰণ যোগ্য শক্তি মন্ত্রণালয় (MNRE - Ministry of New and Renewable Energy) ৰ দ্বাৰা আমাৰ কলেজত এখন শক্তি উদ্যান (Energy Park) প্রতিষ্ঠাৰ বাবে প্রায় ২০ লক্ষাধিক টকাৰ সা-সামগ্রীৰ যোগান ধৰে। এই সামগ্রীসমূহৰ ভিতৰত ২টা ষ্ট্রীট লাইট বনিয়াবাৰী চৌহদত, দুটা মূল চৌহদত আৰু ৬টা বিজ্ঞান তথা ছাত্রী নিবাস চৌহদত প্রতিষ্ঠা কৰা হয়। ১০টা গৃহ চাকি (Home Light) য'ত প্রত্যেকটোতে চাৰিটাকৈ মুঠ ৪০টা ঘৰৰ ভিতৰত লগাব পৰা সৌৰ চাকি থাকে তাৰে চাৰিটা মূল চৌহদত (অধ্যক্ষৰ কোঠা আৰু কার্যালয়ত), ৪টা বিজ্ঞান ভৱনত আৰু বাকী ৩২টা ছাত্রী নিবাসৰ বাৰাণ্ডা, জিৰণি কোঠা, বাথৰুম, খোৱা কোঠা আদিত লগাই বিদ্যুৎ কর্তনৰ মোকাবিলা কৰিব পৰা হয় (সেই সময়ত বিদ্যুৎ কর্তন কেইবা ঘণ্টা জুৰি হৈছিল) আৰু বিদ্যুৎৰ ৰাহিও হয়। ইয়াৰোপৰি লৈ ফুৰিব পৰা ৮ টা চ'লাৰ লেটার্ণ আটাইকেইটা চৌহদত ব্যৱহাৰৰ বাবে ৰখা হয়। এটা চ'লাৰ ফোৱাৰা (Solar Foundation) মূল চৌহদৰ গ্রন্থাগাৰৰ কাষতে প্রতিষ্ঠা কৰা হয়, ৪টা চ'লাৰ কুকাৰৰ

দুটা পেৰাবলিক কুকাৰ আৰু গৰম পানীৰ বাবে এটা চ'লাৰ হিটাৰ ছাত্ৰী নিবাসত ব্যৱহাৰৰ বাবে স্থাপন কৰা হয়। এটা শস্য শুকুৱা যন্ত্ৰ (Solar dryer), এটা পাতিত পানী যন্ত্ৰ (Distilled Water Plant) ক্ৰমে উদ্ভিদ বিদ্যা আৰু ৰসায়ণ বিজ্ঞান বিভাগত ব্যৱহাৰ কৰিবলৈ দিয়া হয় — এই সকলোবোৰ সামগ্ৰী একে সময়তে বাহিৰৰ লোকৰ বাবে প্ৰদৰ্শনৰ (শক্তি উদ্যান স্থাপনৰ মূল উদ্দেশ্য) সুবিধা কৰি দিয়া হয়। এই উদ্যানে বিদ্যুতৰ ব্যৱহাৰ সীমিত কৰি তথা প্ৰয়োজনীয় পাতিত পানী যোগান, ৰন্ধন গেচ ৰাহি আদিতো সহায় কৰে।

(ঞ) **গ্ৰাম্য উন্নয়ন প্ৰকল্প ৰূপায়ন (Establishment of Rural Development Project)ঃ** ২০০৭ চনত বিঃ বিঃ অঃ আঃ (UGC) নতুন চিন্তাধাৰ প্ৰকল্প (Innovative Project) অনুযায়ী কলেজত এবছৰীয়া গ্ৰাম্য উন্নয়নৰ এটি পাঠ্যক্ৰম — গ্ৰাম্য উন্নয়নত স্নাতকোত্তৰ ডিপ্লমা (PGDRD – Post Graduate Diploma in Rural Development) খুলিবলৈ ৫ বছৰৰ বাবে অনুদান পোৱা হয়, এই পাঠ্যক্ৰম চলাবৰ বাবে এজন অধ্যাপককে ধৰি, কার্যালয় সহায়ক, লেবৰেটৰী সহায়ক আৰু অন্যান্য সহায়কাৰীৰ বাবে পর্যাপ্ত ধন পোৱা হয়। বনীয়াবাৰী চৌহদটোতে এই পাঠ্যক্ৰমৰ ব্যৱহাৰিক (Practical) কাম সমূহ সম্পাদন কৰা হয়। বিজ্ঞান চৌহদতে নিজা বিভাগ এটা খোলা হয় আৰু অন্যান্য ব্যৱহাৰিক সামগ্ৰী যেনে কেচু সাৰ উৎপাদন, মৌ পালন, ৰেচম পালন, কাঠফুলা উৎপাদন আদিৰ বাবে প্ৰয়োজনীয় সুবিধা (Facilities) কৰি দিয়া হয়। বিভাগীয় ছাত্ৰ-ছাত্ৰী (Co-educational Course) ৰ উপৰিও কলেজৰ ছাত্ৰী সকলকো উপৰুক্ত বিষয় বিলাকৰ প্ৰশিক্ষণ দিয়া হয়। সূতা কটা মেচিনৰ যোগেদি মুগা সূতা কটা, মেচিনৰ যোগেদি মৌ বিচনিৰ পৰা মৌ উলিওৱা, নিজ হাতে কামে কাঠফুলা খেতি, কেচুসাৰ উৎপাদন কৰা, টিচু কালচাৰৰ কল, কবি, নেমু খেতিৰ চোৱা চিতা কৰা ইত্যাদিবোৰ কলেজ তথা PGDRD ৰ ছাত্ৰ-ছাত্ৰী সকলে অতি আনন্দেৰে কৰিছিল আৰু জীৱনৰ বাবে কিছু নতুন অভিজ্ঞতা গোটাইছিল। উৎপাদিত সামগ্ৰী (কল, শাক-পাচলি, মাছ, কণী, কাঠফুলা, মৌৰস, ইউনিফর্মৰ চাদৰ আদি) ছাত্ৰী-শিক্ষক-কর্মচাৰী সকলক কম মূল্যতে যোগন ধৰি উপার্জনখিনি এটা নতুন পুঁজি (Resource Generating Fund - RGF)ত জমা ৰখা হৈছিল যাতে পৰৱৰ্তী বছৰবোৰত কামবোৰ চলাই নিয়াত সুবিধা হয় কিয়নো ৫ বছৰৰ পাছত UGC ৰ পৰা নতুন অনুদান পোৱা নহব — এতিয়া (২০২৪ চন) এই পুঁজি বা তেতিয়াৰ বিভিন্ন উৎপাদনশীল কামবোৰ কেনেদৰে চলিছে সেয়া আমাৰ জ্ঞাত নহয়। উল্লিখিত ব্যৱহাৰিক জ্ঞানখিনি সদ্ব্যৱহাৰ কৰি আজিৰ বহু চর্চিত Start up নামৰ আত্ম সংস্থাপনৰ পথ বাচি লব পৰা এটা ব্যৱস্থা ২০০৭ - ২০১২ চনতে আমাৰ কলেজত PGDRD ৰ যোগেদি কৰা হৈছিল।

(ট) বায়'টেক হাব (Biotech hub) স্থাপন ঃ

ভাৰত চৰকাৰৰ বায়'টেকন'লজী বিভাগৰ (Biotechnology Department) ৰ যোগেদি কলেজত এটা অত্যাধুনিক বিজ্ঞানাগাৰ প্ৰতিষ্ঠা কৰা হয়, এই বিজ্ঞানাগাৰ পৰিচালনাৰ বাবে এজন

Scanned with OKEN Scanner

বিজ্ঞানী আৰু বিজ্ঞানাগাৰ সহায়কৰ নিয়োগ সম্পন্ন কৰা হয়। এই বিজ্ঞানাগাৰত উপলব্ধ বৈজ্ঞানিক সঁজুলিবোৰৰ যোগেদি ওচৰৰ শিক্ষানুষ্ঠান (বিশেষকৈ বিদ্যালয়ত) সমূহত বৈজ্ঞানিক অনুসন্ধান আৰু কলা কৰ্ষণৰ (Tissue Culture) পৰীক্ষা সমূহ কৰি দেখুওৱা হয়। এনে এটা উল্লেখনীয় বিজ্ঞানাগাৰ প্ৰতিষ্ঠা কৰিব পৰাটো গৌৰৱৰ বিষয় পিচে পৰৱৰ্তী সময়ত ইয়াৰ পৰিৱৰ্ধন কেনেদৰে হৈছে আমাৰ জ্ঞাত নহয় যদিও সুচাৰুৰূপে চলি থকাটোকে কামনা কৰো।

(ঠ) আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ স্থাপন ঃ

অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদৰ (Assam Science Technology and Enviroment Council - ASTEC) অৰ্থ সাহাৰ্যত কলেজত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ এটা স্থাপন কৰি সমীপৰ শিক্ষানুষ্ঠান সমূহত বিজ্ঞানৰ আলোচনা, প্ৰদৰ্শনী আৰু অন্ধ বিশ্বাস দূৰীকৰণৰ বিভিন্ন কাৰ্যসূচী চলোৱা হয়।

(ড) গ্ৰন্থাগাৰৰ উন্নয়ন ঃ

আজিৰ ইণ্টাৰনেট, Google, AI আদিৰ বহুল প্ৰয়োগে গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তাৰ বহুখিনি হ্ৰাস কৰিছে যদিও আমাৰ কাৰ্যকালত (২০০৪-২০১৫) গ্ৰন্থাগাৰটি সকলোৰে বাবে এক অপৰিহাৰ্য তথা নিৰ্ভৰশীল অংগ অছিল আৰু সেয়ে ব্যৱহাৰকাৰীসকলৰ বাবে অধিক সুবিধাজনক আৰু আৰাম দায়ক (A.C. স্থাপন) কৰাৰ উপৰিও নতুন নতুন পুস্তক - আলোচনী - জাৰ্ণেল আদিৰে পূৰ কৰা হৈছিল, Internet ৰ সংযোগ কৰা হৈছিল, সহজ আৰু খৰতকীয়া লেনদেনৰ বাবে নতুনকৈ ওলোৱা SOUL-I, II Software প্ৰয়োগ কৰি আধুনিকীকৰণ কৰা হৈছিল। বিজ্ঞান চৌহদ গ্ৰন্থাগাৰৰ পৰা দূৰত অৱস্থিত হোৱা বাবে তাতো এটা উপ-গ্ৰন্থাগাৰ খুলি ছাত্ৰী-শিক্ষকৰ ব্যৱহাৰৰ সুবিধা দিয়া হৈছিল।

(ঢ) e – গ্ৰন্থাগাৰ প্ৰতিষ্ঠা ঃ

বিশ্বৰ সকলো প্ৰান্তৰ লগত কিতাপ, জাৰ্ণেল আদি আদান-প্ৰদান কৰিব পৰা সুবিধা কৰি অঞ্চলটোৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাবে পৰিগণত হৈছিল।

(ণ) ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ স্থাপন ঃ

UGC ৰ যুগান্তকাৰী পুৰুষ সকলৰ নামত অধ্যয়ন কেন্দ্ৰ খোলাৰ অনুমতি পোৱা হয়, সেই সূত্ৰে প্ৰথমবাৰ আবেদনতে ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যয়ন কেন্দ্ৰ এটা খুলিবলৈ ৫ বছৰৰ বাবে অৰ্থ সাহাৰ্য পোৱা হয়। কিন্তু তিনি বছৰ শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ প্ৰতিষ্ঠাৰ বাবে আবেদন কৰিও অনুমতি পোৱা হোৱা নাছিল যিহেতু দুৰ্ভাগ্য বশতঃ শঙ্কৰদেৱৰ নাম UGC ৰ যুগান্তকাৰী পুৰুষৰ তালিকাত নাছিলেই। সেয়ে উপৰ্যুপৰি কৰা চেষ্টাত অৱশেষত গুৰুজনাৰ নাম সেই তালিকাত সোমোৱাবলৈ সক্ষম হওঁ আৰু লগে লগে তেওঁৰ নামত অধ্যয়ন কেন্দ্ৰ খোলাৰ অনুমতি লাভ কৰো। এয়া আছিল আমাৰ কলেজ তথা অসমীয়া জাতিৰ এটা মহৎ প্ৰাপ্তি। কিয়নো তাৰ পাছৰ পৰা ভাৰতৰ যিকোনো কলেজ-বিশ্ববিদ্যালয়তে শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ খুলিব পাৰে আৰু UGC এ অৰ্থ সাহাৰ্য দিয়ে। এই দুয়োটা

Scanned with OKEN Scanner

কেন্দ্রৰ অন্তর্গত কেইবাখনো গ্রন্থ প্রকাশ, কর্মশালা, চেমিনাৰ, মুখা নির্মাণৰ প্রশিক্ষণ, গ্রন্থাগাৰ স্থাপন, সত্রীয়া নৃত্যৰ প্রশিক্ষণ, বাংলা ভাষাৰ প্রশিক্ষণ আদি কাম সমূহ সম্পন্ন কৰা হয়।

(ত) উপস্থিতি/প্রস্থান নথি ৰখা যন্ত্র স্থাপন (Installation of Punching Machine)ঃ

২০১০ চনত চিন্তা কৰা হৈছিল যে শিক্ষক কর্মচাৰী সকলৰ উপস্থিতি আৰু প্রস্থানৰ হিচাব ৰেজিষ্টাৰ বহীৰ ঠাইত আধুনিক Punching Machine (বজাৰত নতুনকৈ উপলব্ধ হৈছিলহে) ব্যৱহাৰ কৰিলে অধিক স্বচ্ছ আৰু বিজ্ঞানসন্মত হ'ব সেয়ে এনে এটা যন্ত্র স্থাপন কৰি এনে নথি ৰখাৰ ব্যৱস্থা কৰা হৈছিল, প্রথম অৱস্থাত বহুতৰ আপত্তি হৈছিল যদিও পিছলৈ সকলোৱে এই মেচিনৰ ব্যৱহাৰ কৰিবলৈ ললে। সদৌ অসম কলেজ শিক্ষক সংস্থাইও (ACTA) এই যন্ত্রৰ বিৰোধ কৰিছিল কিন্তু শিক্ষা মন্ত্রীয়ে অতি চতুৰতাৰে আওপকীয়াকৈ এনে যন্ত্র নির্বাচিত অনুষ্ঠানৰ পৰা যোগান দিয়াই বাধ্যতামূলক কৰিলে।

(থ) ছাত্রী নিবাসৰ সম্প্রসাৰণ ঃ

ৰংপুৰ ছাত্রী নিবাসৰ পুৰণা গৃহটিৰ সংলগ্নকৈ আন এটি দুমহলীয়া গৃহ নির্মাণ কৰা হয়। বণিয়াবাৰীতো এমহলীয়া এটা ছাত্রী নিবাস নির্মাণ কৰা হয়।

(৩) উদ্ভাৱনীমূলক নতুন চিন্তাৰ বাস্তৱায়ন (Implementation of Innovative ideas) ঃ

আগতেই উল্লেখ কৰি অহা হৈছে যে সুবিধাযুক্ত, চাপমুক্ত আৰু স্পন্দনশীল বাতাবৰণে ছাত্র-ছাত্রী শিক্ষক কর্মচাৰী সকলোকে অনুপ্রাণিত কৰে সেয়ে এনেবোৰ দিশৰ চিন্তা কৰিয়েই কার্যকৰী কৰা কেতবোৰ আঁচনি এনে ধৰণৰ আছিল—

(ক) বিকল্প সম পোচাক ঃ ছাত্রী সকলৰ বহু দিনীয়া অভিযোগ আছিল যে দূৰৰ পৰা চাইকেল চলাই বা ৰাজহুৱা বাহনত আহোঁতে মেখেলা চাদৰৰে কেতিয়াবা জোঁট পোট লাগে সেয়ে চুৰিদাৰ কামিজৰ অনুমতি দিব লাগে — সকলোৰে লগত কৰা আলোচনা মর্মে মেখেলা চাদৰৰ উপৰিও বাওঁ হাতত কলেজৰ প্রতীক থকা চুৰিদাৰ কামিজ সম পোচাক (Uniform) হিচাপে স্বীকৃতি দিয়া হয়।

(খ) স্থায়ী কলেজ সংগীত ঃ কলেজত আমাৰ যোগদানৰ সময়লৈকে স্থায়ী কলেজ সংগীত এটা নাছিল আৰু ইয়াৰ অভাৱ দূৰ কৰা হয় কলেজৰ প্রাক্তন ছাত্রী ডিব্রুগড় বিশ্ববিদ্যালয়ৰ প্রাক্তন প্রাধ্যাপিকা স্বনামধন্য ড° কৰবী ডেকা হাজৰিকাৰ ৰচিত আৰু তেওঁৰ অনুমতি সাপেক্ষে দুই এটা সংযোজনেৰে ভাতৃ প্রতীম শ্রীমান প্রবিন হাজৰিকা সুৰাৰোপিত এটি গীতেৰে, যিটো চিৰদিনৰ বাবে কলেজৰ মান-মর্যাদাৰ প্রতীক হৈ পৰে।

(গ) কলেজ আলোচনীৰ নামকৰণ ঃ নির্দিষ্ট নাম নোহোৱাকৈ প্রকাশ হৈ থকা (প্রায় অনিয়মীয়াকৈ) কলেজ আলোচনীখনো 'প্রবাহিনী' নামকৰণেৰে নিয়মীয়াকৈ প্রকাশৰ ব্যৱস্থা কৰি ছাত্রী-শিক্ষক-কর্মচাৰী সকলক সাহিত্য চর্চাৰ সুবিধা প্রদান কৰা হয়।

(ঘ) দূৰ শিক্ষাৰ প্রতিষ্ঠান ঃ ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয় (Indira Gandhi National

Scanned with OKEN Scanner

Open University - IGNOU) ৰ কেন্দ্রটি অধিক সক্রিয় কৰি নতুন নতুন পাঠ্যক্রমৰ সুবিধা কৰা হয় আৰু সমাজৰ বহু লোক ইয়াৰ পৰা উপকৃত হয়। ছাত্রী-শিক্ষক-কর্মচাৰী সকলক এনেবোৰ পাঠ্যক্রমত সমান্তৰালভাবে নাম ভর্তি কৰিবলৈ উদ্‌গনি যোগাবলৈ নিজেও এটা পাঠ্যক্রমত (Diploma in Aids & Family Education - DAFE) ভর্তি হৈ সমাপ্ত কৰিছিলো।

(ঙ) নতুন পাঠ্যক্রম প্রৱর্তন (Introduction of New Subject) :

ছাত্রী তথা শিক্ষক সকলকো একঘেঁয়ামি পৰিবেশৰ পৰা উলিয়াই নি নতুন নতুন বিষয়ৰ সোৱাদ দিবলৈ একাধিক পৰিকল্পনা হাতত লোৱা হৈছিল। সেইবোৰৰ ভিতৰত বিশেষকৈ সাজ-পোছাক নির্মাণৰ শিক্ষা (Apparel Construction), বিউটিচিয়ানৰ শিক্ষা (Beautician Training) কাপোৰ বোৱাৰ শিক্ষা (Weaveing), কেচুসাৰ উৎপাদনৰ শিক্ষা (Vermicompost) মৌ পালন (Bee Keeping), কাঠফুলা উৎপাদন (Mushroom Cultivation), সমন্বিত হাঁহ-মাছ পালন (Integrated fish-duck farming), শাক-পাচলি তথা কল খেতিৰ প্রশিক্ষণ (Vegetable and Banana Cultivation) মেচিনত মুগা সূতা কটা ইত্যাদিবোৰ বিষয় সামৰা গৈছিল, যিবোৰে ছাত্রী এগৰাকীক পৰৱর্তী কালত বাস্তৱৰ লগত সাহসিকতাৰে মুখামুখি হ'বলৈ প্রশিক্ষিত কৰি তুলিব পাৰে। বুজন সংখ্যক ছাত্রীক (বিশেষকৈ ছাত্রী নিবাসৰ) ঢোল বজাবলৈ উদগনি যোগোৱা হৈছিল আৰু ইয়াৰে কেইবাগৰাকীও এতিয়া প্রতিষ্ঠিত ঢুলীয়া হিচাবে স্বীকৃতি পাইছে।

ইয়াৰোপৰি স্নাতক পর্যায়ত বিষয় হিচাবে ল'ব পৰাকৈ সমাজতত্ত্ব (Sociology) বিষয়টি ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অনুমতি সাপেক্ষে এজন শিক্ষক নিযুক্তিৰে ২০১২ চনৰ পৰাই চলাই থকা হৈছে।

(চ) ধ্বনি বিবর্দ্ধন ব্যৱস্থা স্থাপন (Mike Fitting)

১০০-১২০ গৰাকী ছাত্রী থকা কোঠাৰ একেবাৰে শেষৰ ফালেও শিক্ষকৰ বক্তৃতা শুনিব পৰাকৈ ডাঙৰ শ্রেণীকোঠাবোৰত সৰু সৰু বিৱর্দ্ধক যন্ত্র স্থাপন (কাষৰ কোঠাত আমনি নকৰাকৈ) কৰি শিক্ষাদান অধিক ফলপ্রসু কৰা হৈছে।

(ছ) ভাষা প্রয়োগ শালা স্থাপন (Establishment of Language lab)

লৈ ফুৰিব পৰা সৰু সৰু বিৱর্দ্ধক আৰু শ্রৱণ যন্ত্রৰ যোগেদি ইংৰাজী ভাষা শিকোৱাৰ ব্যৱস্থা কৰা হয়।

(জ) ম'বাইলৰ প্রয়োগ সীমিত কৰণ (Limitation in Mobile use)

দুর্ব্যৱহাৰ বন্ধ কৰিবলৈ আৰু জ্ঞান আহৰণত বাধা নহ'বলৈ কলেজ চৌহদত ম'বাইলৰ ব্যৱহাৰ সীমিত কৰা হয় আৰু ছাত্রী নিবাসত ব্যক্তিগত ভাৱে কাৰো হাততে ম'বাইল ৰাখিবলৈ অনুমতি দিয়া নহয়, বিকল্প হিচাবে এটা সকলোৰে ব্যৱহাৰ কৰিব পৰা লেণ্ড ফ'ন ৰখা হয়।

(ঝ) ছাত্রী নিবাসত সাধাৰণ সংযোগৰ ঠাইত V.I.P বিদ্যুৎ সংযোজন :

Scanned with OKEN Scanner

সঘন বিদ্যুৎ কর্তনত নিৰাপত্তাৰ দিশলৈ চকু ৰাখি ছাত্ৰী নিবাসৰ বিদ্যুৎ যোগান V.I.P সংযোগেৰে কৰোৱা হয় যাৰ ফলত অতি কম সময়ৰ বাবেহে এনে কর্তনৰ সন্মুখীন হয়।

(ঞ) জেনেৰেটৰ স্থাপন ঃ

অনিয়মীয়া বিদ্যুৎ যোগানৰ বাবে বিজ্ঞানাগাৰৰ পৰীক্ষা, কম্পিউটাৰ প্ৰয়োগশালাত বিজুতি, কার্যালয়ত কাম চলোৱাত অসুবিধা, ইণ্টাৰনেট চলোৱাত অসুবিধা আদি অনেক অসুবিধা নাইকীয়া কৰিবলৈ মূল, বিজ্ঞান আৰু ছাত্ৰী নিবাস চৌহদত মুঠ ৫টা (প্ৰত্যেকটো ১৫ KWৰ) নামজ্বলা কোম্পানীৰ (যেনে — কিৰলস্কাৰ, জেকচন, অশোক লীলেণ্ড আদি) জেনেৰেটৰ স্থাপন কৰি অবিৰত বিদ্যুৎ যোগনৰ ব্যৱস্থা কৰা হয়, তাৰোপৰি ৰাতি কাম চলোৱাত অধ্যক্ষৰ কোঠা আৰু কার্যালয়ত সৌৰ চাকিৰ (শক্তি উদ্যানৰ) ব্যৱহাৰ কৰা হয়।

(ট) জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী মূৰ্ত্তি স্থাপন ঃ

ছাত্ৰী সকলৰ আগ্ৰহ আৰু ছাত্ৰী একতা সভাৰ আবেদন মর্মে মূল চৌহদৰ এঠাইত জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী মূৰ্ত্তি (লোহা, চিমেণ্টৰে নির্মিত) স্থায়ী ভাৱে স্থাপন কৰি পূজা সেৱাৰ সুবিধা কৰি দিয়া হয়।

(ঠ) বিজ্ঞান শাখাৰ চৰকাৰী কৰণ ঃ

কার্যকালৰ এটা ডাঙৰ সফলতা হ'ল, নিৰন্তৰ প্ৰচেষ্টা আৰু চৰকাৰৰ ধনাত্মক সঁহাৰিত ২০১৩ চনৰ পৰা কার্যকৰী হোৱাকৈ ১৯৮৯ চনতে সংযোজন কৰা বিজ্ঞান শাখাটি চৰকাৰী ব্যৱস্থাৰ অধীনলৈ অনাটো, যাৰ ফলত ১২ জন শিক্ষক, এজন কার্যালয় সহায়ক আৰু ৮ জন চতুর্থ বর্গৰ কর্মচাৰীৰ চাকৰি চৰকাৰী দর্মহা পাতি আৰু অন্যান্য সা-সুবিধাৰে স্থায়ীকৰণ, শিক্ষক কর্মচাৰী সকলৰ প্ৰায় ২৫ বছৰীয়া মনোকষ্ট আৰু দুর্ভাৱনাৰ অৱসান ঘটাবলৈ সক্ষম হৈ নিজেও পৰম সন্তোষিত হওঁ।

(ড) সুচৰিত্ৰ, সু স্বভাৱ গঢ় দিয়াত কলেজ পৰিয়ালৰ প্ৰচেষ্টা ঃ

শিক্ষা গ্ৰহণৰ সমান্তৰাল ভাৱে ছাত্ৰীসকলক ভৱিষ্যতৰ একো গৰাকী উপযুক্ত নাগৰিক হিচাবে গঢ় দিয়াত কলেজ পৰিয়ালে সদায়ে চেষ্টা চলাই গৈছে, সুচৰিত্ৰ গঠন, সামাজিক দায়িত্ববোধ, সাহিত্য-সংস্কৃতি, নৃত্য-গীতৰ চর্চ্চা আদিৰ যোগেদি সম্পূর্ণ এগৰাকী ব্যক্তি হিচাবে প্ৰতিষ্ঠিত হোৱাৰ প্ৰেৰণা যোগোৱা হয়, প্ৰয়োজন সাপেক্ষে প্ৰয়োজনীয় বাধা নিষেধ যেনে — ম'বাইলৰ সীমিত ব্যৱহাৰ, নিয়মীয়া উপস্থিতি, অবাবত চৌহদৰ বাহিৰলৈ যোৱা ইত্যাদিবোৰত চকু ৰখা হয়, কলেজখনক পবিত্ৰ জ্ঞান মন্দিৰ হিচাবে গণ্য কৰিবলৈ দিয়া শিক্ষাই এক সুদৃঢ় সম্বন্ধ গঢ় দিয়াত সহায়ক হয়। ছাত্ৰীসকলে প্ৰতি দিনে কলেজ প্ৰবেশ দ্বাৰত ভৰি দিয়েই ওলগ লোৱা দৃশ্য অতিকে মন পৰশা আৰু ই এনে আত্মিক সম্বন্ধৰে চানেকি। কার্যকালত এনে ছাত্ৰীও পাইছো ফুৰিবলৈ আহি ৰাতি ৮-৯ বজালৈকে কাম কৰি থকা দেখি 'চাৰ চাহ একাপ আনো' বুলি অনুমতি বিচাৰি চাহ একাপ খুৱাই থৈ যোৱা, ছাত্ৰী নিবাসৰ ছাত্ৰীয়ে ঘৰৰ পৰা আহোঁতে মিঠাই-পিঠাৰ টোপোলা আনি ভয়-ভক্তিৰে আগবঢ়াই

Scanned with OKEN Scanner

দিয়া এয়াও আমাৰ জীৱনৰ পৰম প্ৰাপ্তি আৰু শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী সকলৰ কলেজ পৰিয়ালৰ প্ৰতি থকা আত্মীয়তা আৰু আকুণ্ঠ মৰমৰ চিন।

(ঢ) সামাজিক দায়িত্ব আৰু প্ৰশাসনীয় সহযোগিতা ঃ

কেইবাজনো শিক্ষকক সামাজিক কাম কাজ, বিভিন্ন অনুষ্ঠান আৰু জিলা প্ৰশাসনৰ লগত জড়িত কৰি কলেজখনৰ সামৰ্থ সম্পৰ্কে অবগত কৰোৱাৰ চেষ্টা চলোৱা হৈছিল যাৰ ফলত কলেজৰ সামাজিক মৰ্যাদা বৃদ্ধি পাইছিল।

(ণ) জৰুৰী চিকিৎসা কোঠা ঃ

হঠাতে আহি পৰা জৰুৰী অৱস্থাৰ বাবে এটি আছুতীয়া কোঠাত প্ৰাথমিক সা-সঁজুলিসহ, দৱৱপাতি আৰু বিচনা সহিতে এটা জৰুৰী কোঠা সাজু ৰখা হয়।

(ত) সংস্কৃতি জুনিয়ৰ কলেজ স্থাপন ঃ

বিজ্ঞান শাখাটো চৰকাৰীকৰণ নোহোৱা বাবে শিক্ষক-কৰ্মচাৰী সকলে অতি কম পাৰিতোষিকেৰে চলিব লগা হৈছিল, নিজে এজন বিজ্ঞানৰ শিক্ষক হৈ শাখাটোৰ অৱক্ষয় সহ্য হোৱা নাছিল। তেওঁলোকক আৰ্থিক সকাহ দিবলৈ আলোচনা মৰ্মে বিজ্ঞানৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীটো (Higher Secondary Class) সেই সময়ত ক্ৰমে জনপ্ৰিয় হৈ উঠা জুনিয়ৰ কলেজৰ আৰ্হি লৈ পৰিৱৰ্তন কৰাৰ সিদ্ধান্ত কৰো, তাৰোপৰি কেৱল ছোৱালীৰ পৰিৱৰ্তে ল'ৰাৰো নাম ভৰ্ত্তি কৰিবলৈ দিয়া হয় যাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ে। জুনিয়ৰ কলেজ হিচাবে মাচুল উচ্চ হাৰত (আনৰ তুলনাত কমকৈ) লোৱাৰ ব্যৱস্থা হোৱাত সকলোকে মোটা অংকৰ পাৰিতোষিক দিব পৰা হ'ল। এই ব্যৱস্থা কৰিবলৈ যাওঁতে প্ৰতিষ্ঠা কালৰ দুই এজনকে ধৰি আন বহুতেই বিধি পথালি দিয়াৰ চেষ্টা কৰিছিল যদিও আমাৰ এটাই যুক্তি আছিল যে কোনোবাই কেৱল বিৰোধেই নহয় বিকল্পৰ সন্ধান দিব পাৰিলেও প্ৰস্তাৱিত ব্যৱস্থা বাতিল কৰা হ'ব। পিছে সকলোৱে 'বাটৰ কচু গাত .....' জ্ঞান কৰি নিমাতে থাকিল। আনহাতে অধ্যক্ষ হিচাবেও সমালোচনা তথা বিভাগীয় নীতি উলংঘা কৰা বুলি জৱাবদিহিৰো সন্মুখীন হ'বলগীয়া হয়। সি যি কি নহওঁক 'সংস্কৃতি জুনিয়ৰ কলেজ' নামকৰণেৰে ২০০৭ চনৰ পৰা ২০১৩ চনলৈকে অতি সুখ্যাতিৰে কলেজখনি চলি থাকিল আৰু ২০১৩ চনৰ পৰা শাখাটি চৰকাৰীকৰণ হোৱাৰ সময়ৰ পৰা বন্ধ কৰা হ'ল।

(থ) সংস্কৃতি প্লে স্কুল ঃ

শিক্ষক আৰু কৰ্মচাৰীসকলৰ সন্তানৰ উপৰিও অঞ্চলটিৰ শিশুৰ বাবে খেলা-ধূলাৰ মাজেৰে শিক্ষা প্ৰদান কৰিব পৰা এখন আদৰ্শ স্কুল গাৰ্হস্থ্য বিজ্ঞানৰ তত্বাৱধানত (শিশুৰ মনস্তাত্বিক দিশৰ ব্যৱহাৰিক অধ্যয়ন কৰাৰ উত্তম থলী) চলোৱা হয় আৰু স্কুলখনৰ পৰিবৰ্ধনৰ বাবে নতুন গৃহ নিৰ্মাণ আৰু অন্যান্য সা-সুবিধা বৃদ্ধি কৰা হয়।

Scanned with OKEN Scanner

(দ) ছাত্রী নিবাসৰ চিকিৎসক নিয়োগ ঃ

প্ৰায় এশৰো অধিক ছাত্রী থকা আবাসটোত নিৰ্মলীকৰণে (বিশেষকৈ মেঘালয়ে), প্ৰতি চিকিৎসকক দুটাকৈ প্ৰয়োজনীয় চিকিৎসা কৰোৱা হয়।

(ধ) ছাত্রী নিবাসত মেট্রন নিয়োগ ঃ

নিবাসীসকলৰ সুবিধাৰ্থে তেওঁলোকৰ লগতে থকাকৈ এগৰাকী মেট্রন নিয়োগ কৰা হয়।

(ন) মাচুল বেহাই ঃ

বিশেষ পাৰদৰ্শিতা দেখুওৱা ছাত্রীক নম্বৰৰ ভিত্তিত মাচুল বেহাই দিয়াৰ ব্যৱস্থা কৰি উৎসাহ যোগোৱা হয়।

চৰকাৰী নিয়ম মতে ২০১৫ চনৰ জুলাই মাহত আমাৰ কৰ্মকালৰ সমাপ্তি পৰাৰ দিন অবধাৰিত ভাবেই আহি পালেহি। কলেজখনৰ পৰা বিদায় লৈ যোৱাটি অৱশ্যে সকলো দিনৰোৱত কৰিবলৈ পৰিকল্পনা কৰা কামখিনিৰ ১০০ শতাংশই পূৰ কৰি আহিবলৈ পাই আজিও পুলকিত হওঁ। কাৰ্যকালৰ শেষৰ দিনকেইটাত বহু চেষ্টাৰ ফলত নগাঁৱক গঠিত হোৱা বহুটীয়া উচ্চতৰ শিক্ষা অভিযানৰ (RUSA) নতুন এক আঁচনিত কলেজখনক অন্তৰ্ভুক্ত কৰোৱাবলৈ সক্ষম হৈছিলো যাৰ ফলত কলেজখনে ৫ কোটি টকাৰ অনুদান পোৱাৰ উপৰিও 'আৰ্হিমূলক ডিগ্রী কলেজ' (Model Degree Collage) হিচাপে গণ্য হয়, এই অল্প সময়ত এনে এটা খবৰ লৈ যাবলৈ পাই পুলকিত হৈ পৰো। আশা কৰো প্ৰথমবাৰৰ বাবে কলেজখনে এনে এটা বৃহৎ অনুদান পাই উপযুক্ত ভাবেই ব্যবহাৰ কৰিছে আৰু ভবিষ্যতৰ বাবে অধিক অনুদান পোৱাৰ বাট মুকলি কৰিছে, কেইটামান দিন পোৱা হ'লে বনিয়াবাৰী চৌহদলৈ চকুৰোৱাকৈ গড় দি নতুন বিষয় সংযোজন কৰি, কলেজখনক বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীত কৰিবলৈ চেষ্টা কৰিব পাৰিলোঁহেঁতেন, এই কাম উত্তৰ পুৰুষলৈ এৰিলো।■

(লেখাটোৰ লগত জড়িত ভালেসংখ্যক ফটো সংগ্ৰহ কৰি দিয়া স্বত্ত্বেও বিশেষ অসুবিধাবশতঃ সন্নিবিষ্ট কৰিব পৰা নগ'ল। —সম্পাদক)

শিৰসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ।

সোঁৱৰণীৰ বৰপেৰা মেলি

মনোৰাৰা বেগম

১৯৭১ চনৰ জানুৱাৰী মাহৰ ৪ তাৰিখ, সম্ভৱতঃ সোমবাৰ আছিল। মোৰ চাকৰিৰ যোগদানৰ সময়ত শিৱসাগৰ ছোৱালী কলেজ আছিল তেনেই সৰু ৩১৫ (তিনিশ পোন্ধৰ গৰাকী) ছাত্ৰী আৰু ১৬ (ষোল্ল) জন শিক্ষক শিক্ষয়িত্ৰীৰে সৈতে অতি কম পৰিসৰৰ ভিতৰত কেইটামান সৰু ডাঙৰ কোঠাতে শ্ৰেণীবোৰ অনুষ্ঠিত হৈছিল। তিনিভাগ মানত বিভক্ত এটা নাতি- বৃহৎ ঘৰৰ ভিতৰতে অধ্যক্ষ, উপাধ্যক্ষৰ কোঠা আৰু কাৰ্য্যালয় আছিল। এফালে আছিল সৰু কিন্তু মূল্যবান কিতাপেৰে ভৰা গ্ৰন্থাগাৰ।ওচৰতে এখন কেন্টিন আছিল। কেন্টিনখন সৰু হ'লেও তাত সুস্বাদু খাদ্য পোৱা গৈছিল।

কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত তোষেশ্বৰ দত্ত আৰু তেওঁৰ পৰৱৰ্তী অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়াক মই লগ পোৱা নাছিলো। মই চাকৰিত যোগ দিয়াৰ সময়ত অধ্যক্ষা আছিল প্ৰয়াত নীলিমা বৰুৱা বাইদেউ। সেই সময়ত কলেজৰ অধ্যাপক অধ্যাপিকাসকল আছিল ১) নীলিমা বৰুৱা (শিক্ষা), ২) হাফিজুৰ ৰহমান, ৩) সত্যভূষণ বৰুৱা (অৰ্থনীতি), ৪) সমৰপতি সান্যাল, ৫) সোনাৰাম বৰুৱা (ইংৰাজী) ৬) মুনীন্দ্ৰ বৰগোহাঁই, ৭) বীৰেন্দ্ৰ নাথ তালুকদাৰ, ৮) দিলীপ কুমাৰ চক্ৰৱৰ্তী (ৰাজনীতি বিজ্ঞান), ৯) সুৰেন্দ্ৰনাথ গোস্বামী, ১০) জিতেন্দ্ৰনাথ বৰদলৈ (বুৰঞ্জী), ১১) দ্ৰোণকান্ত কলিতা, ১২) যমুনা বৰগোহাঁই, ১৩) নীলিমা ভট্টাচাৰ্য (অসমীয়া), ১৪) অৰুণচন্দ্ৰ বৈৰাগী, ১৫) কিৰণ বৰুৱা (ভূগোল), ১৬) গিৰিকুমাৰী গগৈ (গাৰ্হস্থ্য বিজ্ঞান)। মই তালিকাখনৰ শেষত ঠাই পালোহি। সেই সময়ত অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিষয়তহে অনাৰ্চ আছিল।

কাৰ্যালয়ত প্ৰয়াত ত্ৰিলোচন দত্ত আছিল সৰ্বেসৰ্বা। ৰবীন হাজৰিকাক আৰম্ভণিতে নে কিছু পিছলৈ কাৰ্যালয়ত লগ পাইছিলোঁ মনত নপৰে। চতুৰ্থ বৰ্গৰ চাকৰিয়াল হিচাপে ফটিক শইকীয়া আছিল জ্যেষ্ঠ। উপেন নামৰ হৈ- হাল্লা কৰি থকা স্ফুৰ্তিবাজ এজন পিয়নকো আৰম্ভণিতে পাইছিলোঁ। পিছলৈ ক্ৰমান্বয়ে কলেজখনৰ শ্ৰীবৃদ্ধি হৈ আহিল। ছাত্ৰী শিক্ষক কৰ্মচাৰী সকলোৰে সংখ্যা বাঢ়িল। সম্ভৱতঃ ১৯৭১ চনৰ জুলাই মাহত বীৰেন বৰকটকী ছাৰে অধ্যক্ষৰূপে আমাৰ কলেজত যোগ দিয়েহি। তাৰ দুমাহ মানৰ পাছত ইংৰাজী বিভাগত শিৱীষ কুমাৰ ভট্টাচাৰ্য আৰু অসমীয়া বিভাগত এখুদি দুৱৰাই যোগ দিয়েহি।

সেই সময়ৰ পৰা আজি পৰ্যন্ত যি পৰিবৰ্তন আৰু পৰিবৰ্ধনৰ ৰূপ পৰিগ্ৰহণ কৰি শিৱসাগৰ ছোৱালী কলেজ (আজিকালি বেছিভাগেই 'কলেজৰ' সলনি মহাবিদ্যালয় শব্দটোৱে ব্যৱহাৰ কৰে। মই পিছে ব্যক্তিগত ভাবে 'কলেজ' শব্দটোৱেই পছন্দ কৰোঁ, কিয়নো মই চাকৰিত যোগদান কৰিবলৈ

সোমাওঁতে অধ্যক্ষৰ কার্যালয়ৰ বাহিৰফালে ওপৰত থকা ডাঙৰ বোর্ডখনত শিৱসাগৰ ছোৱালী কলেজ বুলিহে লিখা আছিল। সন্মুখৰ ডাঙৰ গেটখন তেতিয়া নাছিল সেইবাবে হয়তো নামটোৰ ক্ষেত্রত 'কলেজ' শব্দটোৱেই মোৰ স্মৃতিপটত মচিব নোৱাৰাকৈ থৈ গ'ল।) বর্তমানত থিয় দি আছে, তাৰ মাজৰ সুদীর্ঘ ইতিহাস। আজিৰ চাম শিক্ষক কর্মচাৰী, ছাত্রীয়ে হয়তো শুনাও নাই।

আমাৰ তেতিয়াৰ সেই অধ্যাপক-অধ্যাপিকা কেইগৰাকীৰ মাজত তিনিজনমানক বাদ দি আমি সকলোৱে আছিলোঁ সম্প্রীতিৰে বান্ধ খাই থকা। 'বাদ দি' বুলি কোৱা কেইজনৰ সৈতে যে আমাৰ কিবা বিবাদ বা মতানৈক্য আছিল এনে নহয়, মাত্র তেওঁলোকৰ চিন্তাধাৰাৰ লগত আমাৰ চিন্তাধাৰা কিছু পৃথক আছিল। হ'লেও আমি সকলোৱে মিলাপ্রীতিৰে আছিলোঁ। তেতিয়া আমাৰ একমাত্র সৰু জিৰণি কোঠাটোত বেছিভাগ সময় কথা বার্তা আৰু হাঁহি ধেমালিৰে গমগমাই আছিল। নীলিমা বাইদেৱে কার্যালয়ৰ চকীৰ সলনি আমাৰ মাজত থাকিয়েই বেছি ভাল পাইছিল। পিছলৈ শিক্ষক শিক্ষয়িত্রীৰ সংখ্যা বাঢ়িল, জিৰণি কোঠাটো বেলেগ আৰু আগতকৈ ডাঙৰ হ'ল, কিন্তু আমাৰ থকাৰ ধৰণ একেই থাকিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰৰ দিনত অন্য কলেজৰ পৰা নিৰীক্ষক হৈ অহা অথবা স্কুটিনী (scrutiny)ৰ কামত অহা প্রতিজন শিক্ষকে আমাৰ কলেজৰ ঘৰুৱা পৰিবেশৰ প্রশংসা কৰি গৈছিল। নাজানো, এতিয়া সেই পৰিৱেশ আছেনে নাইঞ্চ

কলেজৰ ইতিহাসৰ কথা উল্লেখ কৰিছিলোঁ, তাৰ ভিতৰত ক'ব লগীয়া এটা ডাঙৰ কথা হ'ল কলেজৰ পূব সীমা সংলগ্ন 'চেটলমেন্ট অফিচ' (settlement office) থকা পৰিত্যক্ত চৰকাৰী মাটিডোখৰৰ অধিকাৰ লাভ। সেই মাটিডোখৰৰ বাবে আমি বহু বছৰ যুঁজিব লগা হৈছিল। চৰকাৰৰ ওচৰলৈ দর্খাস্ত সাধাৰণতে আমি কেইবাজনো একেলগে বহি আলোচনা কৰি লিখিছিলোঁ। কলেজখনৰ উন্নতি ভাল নোপোৱা লোকৰ অভাৱ নাছিল। তেওঁলোকৰ কোনো কোনোৱে আনকি ইতিকিং কবি উপদেশ দিছিল মাটি বিচৰা কাম এৰি দিবলৈ। আমি কৈছিলোঁ লাগিলে এশ বছৰ যুদ্ধ কৰিম, তথাপি এই মাটি লৈহে এৰিম। অৱশেষত আমাৰ প্রচেষ্টা সফল হ'ল। তদানীন্তন ৰাজহ মন্ত্রী মুকুট শর্মাদেৱৰ সহায় সহযোগিতাত মাটিডোখৰ আমাৰ অধিকাৰলৈ আহিল। পিছলৈ সেই ঠাইতে নতুন ঘৰ দুৱাৰ নির্মাণ কৰা হ'ল। বর্তমান সেইবোৰ ব্যৱহাৰ কৰি থকা সকলৰ সকলোৱে হয়তো কথাবোৰ নাজানে। সেয়ে সুবিধা পাই ইয়াতে উল্লেখ কৰিলোঁ। কিয়নো অতীতৰ বুকুতে থাকে বর্তমানৰ অস্তিত্ব।

শিৱসাগৰ ছোৱালী কলেজ প্রতিষ্ঠাৰ ক্ষেত্রত আছিল বহুজনৰ কষ্টসাধ্য প্রচেষ্টা। কোনোবাই হয়তো বিশ্বাস কৰিবলৈ টান পাব যে সেই সময়ত শিৱসাগৰত দুগৰাকীমান ব্যক্তিয়ে কলেজত নামভর্তি কৰিবলৈ সাজু হোৱা ছাত্রীৰ ঘৰে ঘৰে গৈ তেওঁলোকক আৰু তেওঁলোকৰ অভিভাৱকক ইয়াত নামভর্তি নকৰিবলৈ উপদেশ দিছিল। পিছত সেই কামত তেওঁলোক বিফল মনোৰথ হ'ব লগা হ'ল। ইয়াৰ বিপৰীতে বহুজন কলেজৰ হিতৈষী নাগৰিক আৰু একাংশ ছাত্রীৰ প্রচেষ্টাত কলেজে সকলো বাধা বিঘিনি অতিক্রম কৰি প্রতিষ্ঠা লাভ কৰিলে। চাকৰিত যোগদানৰ সময়ত আমি শুনামতে কলেজ

Scanned with OKEN Scanner

স্থাপনৰ বাবে প্ৰয়োজনীয় পুঁজি সংগ্ৰহৰ বাবে কেইগৰাকীমান ছাত্ৰীয়ে আনকি নগৰৰ পথত পথচাৰীৰ সন্মুখত চাদৰৰ আঁচল পাতিও সহায় বিচাৰিছিল আৰু এইক্ষেত্ৰত তেওঁলোক সফলো হৈছিল।

এনেদৰেই এদিন সাকাৰ হ'ল এচাম শিৱসাগৰীয়াৰ নগৰৰ মাজতে প্ৰয়োজনীয় বুলি অনুভৱ কৰা শিৱসাগৰ ছোৱালী কলেজখনৰ সপোন। কলা শাখাৰ কেইটামান বিষয়ৰে আৰম্ভ কৰা কলেজখন পিছলৈ বিজ্ঞান শাখাৰ প্ৰৱৰ্তনেৰে পৰিণত হ'ল এখন পূৰ্ণাংগ কলেজলৈ। এই শুভ দিনত মই সেইচাম শিৱসাগৰীয়াক (প্ৰয়াত আৰু জীবিত, মই লগ পোৱা বা নোপোৱা) শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কিয়নো এই কলেজেই মোক এটা প্ৰতিষ্ঠিত জীৱন আৰু জীৱিকা দিলে। তাৰ ফলশ্ৰুতিত মই আজিও এটা চিন্তাশূন্য সুন্দৰ অৱসৰ জীৱন কেৱল কটোৱাই নহয়, উদযাপন কৰিবলৈ সমৰ্থ হৈছোঁ। বৰ্তমান সময়ত কলেজৰ অৱস্থা আৰু পৰিৱেশ-পৰিস্থিতি কেনে সেই কথা মই নাজানো। কিন্তু মোৰ সোঁৱৰণীৰ বৰপেৰাত বন্ধ হৈ থকা দেখা-শুনা-জনা ঘটনা-পৰিঘটনা, কথা কৰ্মৰ কিছু অংশ উলিয়াই দিয়াত কোনো অসুবিধা নাই। সেয়েহে চমুকৈ কিছু কথা ইয়াত সন্নিবিষ্ট কৰিলোঁ।

মোৰ মনত ভুমুকিয়াই থকা চাকৰি জীৱনৰ প্ৰথমৰ ফালৰ কিছু স্মৃতিৰ ভিতৰত এটা বিষয় হ'ল আমাৰ কলেজৰ সৈতে থকা স্থানীয় বহুকেইগৰাকী ব্যক্তিৰ মধুৰ সম্পৰ্ক। এইসকলৰ ভিতৰত আছে গণ্যমান্য নাগৰিক, বিশিষ্ট চিকিৎসক, অধিবক্তা, ব্যৱসায়ী আদি যিসকলৰ কলেজখনৰ প্ৰতি আছিল স্নেহৰ দৃষ্টি। আমাৰ কলেজলৈ সেই সকলৰ সঘন অহা-যোৱা আছিল। 'সৰস্বতী পূজা' আৰু 'কলেজ সপ্তাহ'ৰ বিভিন্ন কাৰ্যসূচীত বিশেষকৈ শেষৰ দিনা সাংস্কৃতিক অনুষ্ঠানত এইসকলৰ উপস্থিতি সততে দেখা গৈছিল। এইখিনিতে উল্লেখ কৰিবলৈ মন গ'ল যে সত্তৰৰ দশকৰ শেষৰ ফালৰ পৰা কেইবছৰমান অসমত বিৰাজ কৰা অশান্ত, অস্থিৰ পৰিৱেশৰ বাবে মাজতে কেইবাৰমান কলেজ সপ্তাহৰ শেষৰ দিনৰ সাংস্কৃতিক অনুষ্ঠানটো সন্ধিয়াৰ পৰিৱৰ্তে দিনৰ ভাগতে সমাপ্ত কৰিবলৈ আমি বাধ্য হৈছিলোঁ। এতিয়াৰ কথা নাজানো।

কলেজৰ লগত নিকট সম্পৰ্ক থকা এজন ব্যক্তিৰ বিষয়ে উল্লেখ নকৰিলে মোৰ স্মৃতি ৰোমন্থন অসম্পূৰ্ণ হৈ ৰ'ব সেই গৰাকী ব্যক্তি হ'ল শিৱসাগৰৰ বিশিষ্ট সংগীত শিল্পী শ্ৰীযুত মাখন বৰা। আমাৰ সময়ত শ্ৰীযুত বৰা আছিল শিৱসাগৰ ছোৱালী কলেজত অপৰিহাৰ্য অংগ স্বৰূপ। শ্ৰীযুত বৰাক বাদ দি কলেজৰ সাংস্কৃতিক দিনটোৰ কোনো কাৰ্য আছিল অকল্পনীয় আৰু অসম্পূৰ্ণ।

মোৰ চাকৰি জীৱনৰ তেনেই সামান্য এটি আভাসহে ইয়াত আগবঢ়ালোঁ। আশা আছে সোঁৱৰণীৰ বৰপেৰাটোত ঠাহ খাই থকা অফুৰন্ত কাহিনী বিশদভাৱে মেলি দিম মোৰ অন্য এটা লেখাত য'ত সন্নিৱিষ্ট হ'ব মোৰ সুদীৰ্ঘ শিৱসাগৰীয়া দিনবোৰৰ কৰা।

শিৱসাগৰ ছোৱালী কলেজৰ সৰ্ব দিশত সৰ্ব প্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ।■

শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা।

Scanned with OKEN Scanner

শিৱসাগৰ ছোৱালী কলেজৰ বিজ্ঞান শাখাৰ পঁয়ত্রিছ বছৰীয়া বর্ণিল পৰিক্রমা....

ভাস্কৰ দত্ত
দীপশিখা দত্ত ভূঞা

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ বিজ্ঞান শাখাটি এক গৌৰৱোজ্জ্বল ইতিহাসৰ সাক্ষী স্বৰূপ। কলেজৰ স্নায়ুকেন্দ্ৰ সদৃশ বিজ্ঞান শাখাটি পঁয়ত্রিছ বছৰীয়া বর্ণিল পৰিক্রমাৰে সমৃদ্ধ হৈ হীৰক জয়ন্তী বর্ষত প্রৱেশ কৰিছে। ১৯৮৯ চনতে শিৱসাগৰ ছোৱালী কলেজৰ ৰূপালী জয়ন্তী বর্ষ উপলক্ষে এক ব্যতিক্রমী কার্যসূচী হিচাবে কেইগৰাকীমান প্রাতঃস্মৰণীয় সমাজহিতৈষী লোকৰ ঐকান্তিক প্রচেষ্টাৰ ফলশ্রুতিত বিজ্ঞান শাখাৰ শুভাৰম্ভণি হৈ নতুন দিগন্তৰ সূচনা হয়।

প্রকৃতার্থত এক মহান উদ্দেশ্যক সাৰোগত কৰি ১৯৮৯ চনৰ ১০ মার্চত অনুষ্ঠিত হোৱা এক ৰাজহুৱা সভাত বিজ্ঞান শাখাৰ আৰম্ভণিৰ প্রস্তুতিৰ বাবে এখন কার্যকৰী সমিতি গঠন কৰা হয় আৰু প্রস্তাৱিত বিজ্ঞান ভৱনৰ বাবে উপযুক্ত স্থান নির্বাচন কৰা হয়। সেই হেতুকে যোৰহাট আঞ্চলিক গৱেষণাগাৰ (RRL/ CSIR-NEIST) ৰ বিশেষজ্ঞৰ দ্বাৰা মাটিৰ গুণাগুণ পৰীক্ষণ কৰাৰ পিছত তিনিমহলীয়া বিজ্ঞান ভৱনৰ নক্সা (Blue Print) আদি যোৰহাটৰ "মেছার্ছ হিন্দুস্থান ইঞ্জিনিয়াৰিং কনষ্ট্রাকচন্ কোম্পানী"ৰ দ্বাৰা বিধিগতভাবে প্রস্তুত কৰি তোলা হয়।

পৰবর্তী সময়ত অর্থাৎ ১৯৮৯ চনৰ ১১ এপ্রিলত পূর্বাঞ্চল তেল গেছ আয়োগৰ তদানীন্তন সঞ্চালক প্রধান মাননীয় ৰবীন্দ্রনাথ মিশ্রদেৱে বিজ্ঞান ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেখেতৰ উদ্যোগতে এককালীন দুইলাখ টকাৰ আর্থিক অনুদান আয়োগৰ তৰফৰ পৰা মঞ্জুৰ হয় আৰু প্রস্তাৱিত ভৱনৰ এক অংশ 'ONGC BLOCK' ৰূপে নামাংকিত কৰাৰ বাবে প্রস্তাৱ গৃহীত হয়। কিন্তু সময়ৰ পাকচক্রত প্রস্তাৱিত ভৱনটো আর্থিক সংকটৰ বাবে সাকাৰ ৰূপত গঢ়লৈ নুঠিল। সেয়েহে ভৱনটোৰ বিকল্প হিচাবে কলেজৰ পুৰণা গ্রন্থাগাৰৰ ওপৰমহলাত প্রায় ১,০০০ বর্গফুটৰ কোঠালী সম্পূর্ণ কৰা হয়। উক্ত নির্মাণ কার্যত ONGC ৰ উচ্চপদস্থ বিষয়া শ্রীযুত পূর্ণকান্ত বড়াদেৱ আৰু তেতিয়াৰ ভূগোল বিভাগৰ মূৰব্বী অধ্যাপক প্রয়াত অৰুণ চন্দ্র বৈৰাগীদেৱৰ উল্লেখনীয় অৱদান অনস্বীকার্য্য। তাৰোপৰি নির্মাণকার্যৰ পৰামর্শদাতা হিচাবেও বড়াদেৱ, হৰকান্ত গগৈকে প্রমুখ্য কৰি আন কেইগৰাকীমান সদাশয়

Scanned with OKEN Scanner

ব্যক্তিয়েও যৎপৰোনাস্তি সহযোগিতা আগবঢ়াইছিল। অৱধাৰিতভাৱে ১৯৮৯ চনৰ ২২ আগষ্টত বহুপ্রত্যাশিত বিজ্ঞান শাখাৰ পাঠদান আৰম্ভ হয় আৰু এনেদৰেই এক নতুন ইতিবাচক, অনন্য সম্ভাৱনাপূর্ণ বৌদ্ধিক উত্তৰণৰ যাত্রাই গতি লাভ কৰে।

প্রাৰম্ভিক কালছোৱাত কেইগৰাকীমান চিৰনমস্য আৰু অভিজ্ঞ শিক্ষাবিদে নৱাগত ছাত্রীসকলক উচ্চতৰ মাধ্যমিক পর্যায়ত বিজ্ঞান শাখাৰ বিভিন্ন বিভাগত পাঠদান কৰি কলজৰ জ্ঞান- বর্ত্তিৰ শলিতাগছি প্রজ্জ্বলিত কৰিছিল। প্রসঙ্গক্রমে সেইসকল মনীষীৰ নাম প্রণিধানযোগ্য। তেখেতসকল আছিল প্রয়াত নকুল বৰুৱা, প্রয়াত ৰনেন বুঢ়াগোঁহাঞি, প্রয়াত গোলাপ দেৱগোস্বামী, প্রয়াত আনন্দ শর্মা আৰু সর্বশ্রী পদুম দত্ত, অজিত কাকতি, ৰেৱতী দত্ত, প্রবীণ বড়া আৰু হকিকুৰ ৰহমান।

১৯৮৯ চনৰ ১৫ চেপ্তেম্বৰত তদানীন্তন অধ্যক্ষ প্রয়াত হাফিজুৰ ৰহমানদেৱৰ কার্যকালত বিজ্ঞান শাখাৰ প্রতিটো বিভাগতে বিধিগতভাৱে কেইগৰাকীমান উদীয়মান, মেধাসম্পন্ন যুৱক-যুৱতীয়ে স্থায়ী অধ্যাপক হিচাবে যোগদান কৰে। তেওঁলোক হ'ল প্রয়াত মার্জিয়ানা বেগম (ৰসায়ন বিজ্ঞান), সর্বশ্রী বিমল দত্ত (উদ্ভিদ বিজ্ঞান), ভাস্কৰ দত্ত (পদার্থ বিজ্ঞান), দীপশিখা ভূঞা (প্রাণী বিজ্ঞান), ইন্দ্রেশ্বৰ কোঁৰৰ (গণিত বিভাগ)। কিন্তু ইন্দ্রেশ্বৰ কোঁৰৰদেৱে চাকৰিৰ পৰা অব্যাহতি লোৱাত শ্রী যুগল খাৰঘৰীয়াদেৱে পৰৱর্তী সময়ত অংশকালীন অধ্যাপক ৰূপে পাঠদান কৰিছিল। উচ্চতৰ মাধ্যমিক পাঠ্যক্রমৰ প্রথম বর্ষত মাত্র পাঁচগৰাকী ছাত্রীয়ে বিজ্ঞান শাখাত নামভর্ত্তি কৰিছিল।

প্রাথমিক পর্যায়ত নৱনিযুক্ত অধ্যাপক সকলৰ পাৰিতোষিক আগবঢ়াই কলেজ কর্তৃপক্ষক কৃতার্থ কৰিছিল সেই সময়ৰ সমাজৰ গণ্য-মান্য ব্যক্তি ৰূপে পৰিচিত শ্রদ্ধাৰ প্রয়াত গিৰিজা প্রসাদ বৰুৱা, প্রয়াত দেৱীপ্রসাদ মজিন্দাৰ বৰুৱা, প্রয়াত থানেশ্বৰ দত্ত, গৌৰীভূষণ বৰুৱা আৰু ডাঃ তিলেশ্বৰ বৰুৱাদেৱে। তাৰোপৰি বিজ্ঞান শাখাৰ অন্যান্য শিতানৰ বাবে ONGC,' মেছার্ছ এইছ.কে.দাস এণ্ড চন্সচ্ আৰু শ্রী ৰাজীৱ দত্তদেৱেও আর্থিক বৰঙণি আগবঢ়াইছিল। অন্যান্য বিভিন্ন ক্ষেত্রত তদানীন্তন উপায়ুক্ত মাননীয় প্রসন্ন কুমাৰ শর্মা, বিশিষ্ট সাহিত্যিক প্রয়াত বীৰেণ বৰকটকী, প্রয়াত শৰৎ বৰকটকী, প্রয়াত ডিম্বেশ্বৰ বৰুৱা, প্রয়াত হাফিজুৰ ৰহমান, প্রয়াত বীৰেণ তালুকদাৰ, প্রয়াত অৰুণ চন্দ্র বৈৰাগী, প্রয়াত শিৰীষ কুমাৰ ভট্টাচার্য্য, প্রয়াত সত্যভূষণ বৰুৱা, পূণ্যমোহন বৰুৱা, ড° কৃষ্ণকুমাৰ মিশ্র, ড° নাহেন্দ্র পাদুন, সূর্য চলিহা, নৱজ্যোতি বড়া, শ্রী সোণাৰাম বৰুৱা, শ্রী বুদ্ধিন মিশ্র, প্রমুখ্যে কলেজৰ সমূহ অধ্যাপক অধ্যাপিকাসকল, সমিতিৰ সদস্য সকলোৱে সাধ্যানুসাৰে সহায়ৰ হাত আগবঢ়াইছিল।

১৯৯৩ চনত সমৰজিৎ চৌধুৰীয়ে গণিত বিভাগত স্থায়ী অধ্যাপক হিচাবে যোগদান কৰে। ইতিমধ্যে পূর্বৰ গণিত বিভাগৰ অধ্যাপক খাৰঘৰীয়াদেৱে অব্যাহতি লয়। কলেজ কর্তৃপক্ষই ১৯৯৩ চনত বিজ্ঞান শাখাত স্নাতক পাঠ্যক্রম আৰম্ভ কৰাৰ বাবে সর্বসম্মতিক্রমে সিদ্ধান্ত গ্রহণ কৰে আৰু সমান্তৰালভাৱে যাৱতীয় কার্যপন্থা গ্রহণ কৰে। যথাক্রমত ১৯৯৪ চনৰ ২৩ নৱেম্বৰত তদানীন্তন চৰকাৰে আপোচ বিহীন পত্র (N.O.C.) প্রদান কৰে। লগে লগে ১৯৯৫ চনত চাৰিগৰাকী কীর্তিমান যুৱক

ক্রমে ইনামুল হুছেইন (উদ্ভিদ বিজ্ঞান), শ্রী অংকুৰ ভৰালী (গণিত বিভাগ), শ্রী চিৰাজুল হুছেইন বৰবৰা (প্রাণী বিজ্ঞান) আৰু শ্রী প্রসন্ন ভূঞা (পদার্থ বিজ্ঞান) ই স্থায়ী অধ্যাপক ৰূপে যোগদান কৰে। ১৯৯৬ চনত শ্রী প্রণৱ জ্যোতি ভৰালী (ৰসায়ন বিভাগ) য়ে স্থায়ী অধ্যাপকৰূপে যোগদান কৰে। পূর্ণ উদ্যমেৰে স্নাতক পাঠ্যক্রমতো পাঠদান আৰম্ভ হয় আৰু এক স্বর্ণিল অধ্যায়ৰ সূত্রপাত হয়।

পৰবর্তী সময়ত ১৯৯৬-৯৭ চনৰ শিক্ষাবর্ষত চৰকাৰে তিনিবছৰীয়া স্নাতক পাঠ্যক্রমৰ বাবে সম্মতি পত্র (Govt. Concurrence cum Affiliation for General B.Sc. Course) প্রদান কৰে। পিছৰ পর্যায়ত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰা সম্মানসহ স্নাতক (B.Sc. with Honours / Major) পাঠ্যক্রম প্রবর্তনৰ বাবে প্রয়োজনীয় অনুমোদন আহৰণ কৰা হয়। কলেজ কর্তপক্ষই ১৯৯৭ চনত প্রতিটো বিভাগতে পুনৰ এজনকৈ অধ্যাপকক নিযুক্তি দিয়ে। সেইসকল মেধাসম্পন্ন ব্যক্তি হ'ল- সর্বশ্রী বিদ্যুত বৰুৱা (গণিত বিভাগ), জাকিৰ হুছেইন (প্রাণী বিজ্ঞান), প্রাঞ্জল ৰাজখোৱা (ৰসায়ন বিজ্ঞান) নিবেদিতা বৰুৱা (উদ্ভিদ বিজ্ঞান) আৰু মানসী গগৈ (পদার্থ বিজ্ঞান)।

১৯৯৬-৯৭ শিক্ষাবর্ষত ডিব্রুগড় বিশ্ববিদ্যালয়ে উদ্ভিদ বিজ্ঞান আৰু গণিত বিভাগত সম্মানসহ স্নাতক (B.Sc. with Honours / Major) পাঠ্যক্রম প্রবর্তন কৰিবৰ বাবে সম্মতি পত্র (Affiliation letter) প্রদান কৰে। একাদিক্রমে ১৯৯৭-৯৮ শিক্ষাবর্ষত পদার্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিভাগেও সম্মানসহ স্নাতক পাঠ্যক্রমৰ বাবে বিশ্ববিদ্যালয়ৰ সম্মতি পত্র লাভ কৰিবলৈ সক্ষম হয়। স্নাতক পর্যায়ত সম্মানসহ পাঠ্যক্রম বিধিগতভাৱে প্রযোজ্য হোৱাৰ লগে লগে পার্শ্বৱর্তী গ্রাম্যাঞ্চলৰ ছাত্রীসকলৰো নগৱৰ মাজমজিয়াতে বিজ্ঞান শিক্ষাগ্রহণৰ পথ প্রশস্ত হৈ পৰে।

১৯৯৯ চনত অধ্যাপক মানসী গগৈয়ে পদত্যাগ কৰাত পদার্থ বিজ্ঞান বিভাগত শ্রী প্রাঞ্জল পংকজ বৰুৱা স্থায়ী পদত উপবিষ্ট হয়। ২০০০ চনত শ্রী অংকুৰ ভৰালীয়ে চাকৰিৰ পৰা অব্যাহতি লোৱাত শ্রীমতী বর্ণালী দত্তই গণিত বিভাগত যোগদান কৰে। পুনৰ বর্ণালী দত্ত, চিৰাজুল হুছেইন বৰবৰা আৰু প্রসন্ন ভূঞাই পদত্যাগ কৰাত ২০০৩ চনত গণিত বিভাগত শ্রী ৰঞ্জন দাস, ২০০৭ চনত প্রাণী বিজ্ঞান বিভাগত শ্রীমতী চিত্রলেখা গগৈ, পদার্থ বিজ্ঞান বিভাগত শ্রীমতী গায়ত্রী ম'হনে পর্যায়ক্রমে স্থায়ী পদত নিযুক্তি লাভ কৰে।

২০০৭ চনত তদানীন্তন স্থায়ী অধ্যক্ষ ৱৰেণ্য শিক্ষাবিদ ড° হেমন্ত কুমাৰ ফুকনদেৱ আৰু কলেজৰ অধ্যাপকসমূহৰ সবল তথা সাহসী পদক্ষেপত সংস্কৃতি জুনিয়ৰ কলেজ (কলেজৰ তত্ত্বাৱধানত) প্রতিষ্ঠা কৰি বিজ্ঞান শাখাৰ সমূহ শিক্ষকসহ কর্মচাৰীবৃন্দক আর্থিক নিৰাপত্তা দিবলৈ প্রয়াস কৰা হয়। ঈর্ষনীয় সাফল্যৰে এইখন জুনিয়ৰ কলেজেও ২০১৫ চনলৈকে উচ্চতৰ মাধ্যমিক পর্যায়ত শিক্ষা প্রদানেৰে শৈক্ষিক ক্ষেত্রত অভূতপূর্ব অৱিহণা যোগায়। সেয়েহে কলেজৰ ইতিহাসত ই এক যুগান্তকাৰী পদক্ষেপৰূপে বিবেচিত হয়।

২০১৪ চনৰ ২০ জানুৱাৰীত তদানীন্তন মুখ্যমন্ত্রী প্রয়াত তৰুণ গগৈদেৱৰ কার্যকালত

তেতিয়াৰ শিক্ষামন্ত্রী ড° হিমন্তবিশ্ব শর্মাৰ সদ্দিছাত বিজ্ঞান শাখাই চৰকাৰী স্বীকৃতিপ্রাপ্ত অর্থাৎ প্রাদেশিকীকৰণ (Provincialisation) ৰ আওতালৈ আহে। অৱশ্যে ২০১৩ চনৰ পহিলা জানুৱাৰীদ পৰাই সামগ্রিকভাৱে পদসমূহৰ প্রাদেশিকৃত পর্যায়ৰ সময়সীমা নির্ধাৰিত হয়। বহু প্রতীক্ষাৰ অন্তত কলেজৰ বিজ্ঞান শাখাই এক নিশ্চিত ভৱিষ্যতৰ পূর্ণতাপ্রাপ্ত হৈ সর্বাংগসুন্দৰ শিক্ষানুষ্ঠানলৈ পৰিণত হয়।

২০১৮ চনত স্বাস্থ্যজনিত কাৰণত ড° মার্জিয়ানা বেগমে স্বেচ্ছামূলক অৱসৰ গ্রহণ কৰাত অস্থায়ী অধ্যাপকেৰে ৰসায়ন বিভাগত পাঠদান কৰাব লগা হয়। তেনে প্রেক্ষাপটত ২০২১ চনত ড° প্রণামী সন্দিকৈয়ে উক্ত বিভাগত স্থায়ী অধ্যাপিকাৰ পদত উপবিষ্ট হয়। শেহতীয়াকৈ ২০২২ চনত ড° বিমল দত্তই অৱসৰ লোৱাত ড° বনশ্রী চেতিয়া ফুকনে ২০২৪ চনত উদ্ভিদ বিজ্ঞান বিভাগত স্থায়ী অধ্যাপিকা ৰূপে নিযুক্তি লাভ কৰে। ২০২৪ চনত শ্রী সমৰজিৎ চৌধুৰীয়ে অৱসৰ গ্রহণ কৰে আৰু ক্রমান্বয়ে আমি দুয়ো অৱসৰ গ্রহণ কৰো। সম্প্রতি বিজ্ঞান শাখাটো ১৯ গৰাকী অধ্যাপক অধ্যাপিকা আৰু প্রায় দুশৰো অধিক স্নাতক শিক্ষার্থীৰে সমৃদ্ধ।

জন্ম লগ্নৰে পৰা বিজ্ঞান শাখাৰ ছাত্রীসকলে বিদ্যায়তনিক ক্ষেত্রৰ লগতে সামঞ্জস্য ৰাখি ক্রীড়া আৰু সাংস্কৃতিক দিশতো সুনাম অর্জন কৰি ডিব্রুগড় বিশ্ববিদ্যালয়ত এক সুকীয়া স্থান দখল কৰি আহিছে। প্রসংগক্রমে শৈক্ষিক পাৰদর্শিতা প্রদর্শন কৰা কেইগৰাকীমান ছাত্রীৰ নাম বিশেষতঃ উল্লেখনীয়। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্রথম শ্রেণীৰ প্রথম স্থান প্রাপ্তসকল ক্রমে- সর্বশ্রী মন্দাকিনী দত্ত (ৰসায়ন বিজ্ঞান বিভাগ, ২০০৪ চন), ৰেচমা আহমেদ (উদ্ভিদ বিজ্ঞান বিভাগ, ২০১১ চন), বণিতা মহন্ত (উদ্ভিদ বিজ্ঞান বিভাগ, ২০১৩ চন), সুকন্যা বৰঠাকুৰ (প্রাণী বিজ্ঞান বিভাগ, ২০১৯ চন) আৰু প্রিয়াক্ষী বুঢ়াগোঁহাঞি (উদ্ভিদ বিজ্ঞান বিভাগ, ২০২০ চন)। তাৰোপৰি প্রতিটো বিভাগেই ১০০% ছাত্রীৰ সফলতাৰে শৈক্ষিক উত্তৰণৰ যাত্রা অব্যাহত ৰাখিছে। স্বকীয় কর্মদক্ষতাৰে সুপ্রতিষ্ঠিত প্রবাসী ছাত্রীয়েও বিজ্ঞান শাখাৰ সৈতে আত্মিক বান্ধোনেৰে জড়িত হৈ ইতিবাচক বার্তা বহন কৰি আহিছে।

অনাগত দিনত নৱপ্রজন্ম (Gen.Z) ৰ বৌদ্ধিক বিকাশেৰে সর্বাংগীন উৎকর্ষ সাধন কৰি শ্রেষ্ঠ মানৱ সম্পদ গঢ়াব প্রতিশ্রুতিৰে বিজ্ঞান শাখাই আশাব্যঞ্জক সাফল্য কঢ়িয়াই আনক। সীমাৰ পৰিধি ভেদি প্রজ্ঞাৰ এই যাত্রা অনন্ত, অপ্রতিৰোধ্য আৰু সমাদৃত হওঁক।

পৰিশেষত মহান জার্মান দার্শনিক কাণ্টৰ এযাৰি উক্তি- "Science is organized knowledge. Wisdom is organized life "-Immanual Kant.■

শ্রীযুত ভাস্কৰ দত্ত শিৱসাগৰ ছোৱালী কলেজৰ পদার্থ বিজ্ঞান বিভাগৰ অৱসৰপ্রাপ্ত মুৰব্বী অধ্যাপক আৰু শৈক্ষিক উপাধ্যক্ষ আৰু শ্রীযুতা দীপশিখা দত্ত ভূএগা প্রাণী বিজ্ঞান বিভাগৰ অৱসৰপ্রাপ্ত অধ্যাপিকা।

Scanned with OKEN Scanner

সোঁৱৰণীৰ কুঁৱলী ফালি
কলেজৰ কর্মচাৰীসকল আৰু কিছু অনুভৱ

ৰাজকুমাৰ কনচেং

সাধাৰণতে সকলোতকৈ আগত কর্মচাৰীসকলেই কলেজখনত উপস্থিত হ'বলগীয়া হয়। পুৱা পাঠদানৰ আৰম্ভণিৰ আগতেই শ্রেণীকোঠা সমূহ খুলি দিয়া, কার্যালয় আৰু শিক্ষকৰ কোঠা খুলি দিয়াৰ লগতে চাফাই কর্মীৰ হতুৱাই পৰিষ্কাৰ কৰা, বেল বজোৱা ইত্যাদিকে ধৰি বহু কামেই কৰিবলগীয়া হয়। বিয়লিলৈ পুনৰ পাঠদানৰ সামৰণিৰ অন্তত শ্রেণীকোঠা বন্ধ কৰা, কার্যালয়ৰ কর্মচাৰীসকল যোৱাৰ পাছত কার্যালয় বন্ধ আৰু অধ্যক্ষৰ কোঠা বন্ধ কৰাৰ এই কর্তব্য সমাপন কৰিব লাগে। ইয়াৰোপৰি কলেজ সমূহত থকা নৈশ চকীদাৰসকলে ৰাতি কলেজখনৰ পহৰা দিয়াৰ লগতে কিবা কাৰণত নৈশ চকীদাৰ উপস্থিত নাথাকিলে দিনৰ এজন চতুর্থ বর্গৰ কর্মচাৰীয়ে এই দায়িত্ব পালন কৰিবলগীয়া হয়। এইদৰেই কর্মচাৰীসকলে কামৰোৰ সম্পাদন কৰোতে সুযোগ, অসুবিধা আৰু সন্তুষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ঠিক তেনেদৰে তৃতীয় বর্গৰ কর্মচাৰীসকলেও অফিচৰ সময়তকৈ দেৰিলৈকে থাকি বা বন্ধ বাৰত কলেজলৈ আহি বা ঘৰৰ পৰা হ'লেও কলেজৰ বিভিন্ন কাম সম্পাদন কৰি আহিছে। কর্মচাৰীসকলে নিজৰ দায়িত্ব কর্তব্যক সন্মান জনাই যিকোনো প্রকাৰে আমাৰ কর্তব্য সম্পাদন কৰাটো অতি প্রয়োজনীয় বুলি হৃদয়ংগম কৰি আহিছে। এই কর্মস্থলীৰ পৰাই আমাৰ জীৱন নির্বাহৰ সুবিধা আৰু নিজৰ পৰিয়ালক ভৰণ-পোষণ দিয়াৰ সুবিধা পাইছো। গতিকে আমি কলেজখনক ভগৱানৰ মন্দিৰ বুলি অন্তৰৰ পৰা গণ্য কৰো।

মহাবিদ্যালয় এখনৰ সর্বাংগীন উন্নতি আৰু পৰিচালনাৰ ক্ষেত্রত পৰিচালনা সমিতি, অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্রীসকল, কলেজৰ কর্মচাৰীসকল আৰু ছাত্র-ছাত্রীসকল। ইয়াৰে শিক্ষক আৰু শিক্ষার্থীসকলকে শিক্ষা ব্যৱস্থাৰ মুখ্য কেন্দ্রবিন্দু বুলি অভিহিত কৰা যায় যদিও শিক্ষানুষ্ঠানৰ বাকী অংশীদাৰ সকলৰ ভূমিকাও লেখত ল'বলগীয়া। আনহাতে, সামগ্রিকভাৱে শিক্ষা ব্যৱস্থা পৰিচালনা কৰাৰ ক্ষেত্রত শিক্ষাখণ্ডৰে সংযুক্ত হৈ থকা এই কর্মচাৰীসকলেই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তথাপিও এই কর্মচাৰীসকল যেন কিছু পৰিমাণে প্রাপ্যৰ পৰা বঞ্চিত হৈ থকা যেন অনুভৱ হয়।

শিৱসাগৰ ছোৱালী কলেজত ১৯৯৮ চনৰ এপ্রিল মাহত এই কণিষ্ঠ সহায়ক হিচাবে যোগদান

কৰাৰ পৰা দেখি আহিছোঁ। আমাৰ অগ্রজ কর্মচাৰীসকলেই হওক অথবা বর্তমানৰ কর্মচাৰীসকলেই হওক বহুত আন্তৰিকতাৰে কলেজৰ কর্তব্যসমূহ সম্পাদন কৰি আহিছে। এইখন কলেজত যোগদান কৰাৰ আগতে শিৱসাগৰ কলেজ বর্তমান শিৱসাগৰ মহাবিদ্যালয়ত মই প্রায় চাৰে চাৰিবছৰ কাল অস্থায়ী কর্মচাৰীৰূপে আছিলো। তাত কাম কৰাৰ অভিজ্ঞতাৰ ভিত্তিত শিৱসাগৰ ছোৱালী কলেজতো নিজৰ কর্তব্য পালন কৰিবলৈ চেষ্টা কৰিলো। মই এই লেখাটোত কলেজ কর্মচাৰীসকলৰ কিছু ইতিহাস লিখিবলৈ যত্ন কৰিছো। ছোৱালী কলেজত যোগদান কৰাৰ পাছতে তেতিয়াৰ মুখ্য সহায়ক শ্রদ্ধাৰ ৰোহিত বড়া দা আৰু প্রয়াত প্রমোদ গগৈৰ লগত আলোচনা কৰি সদৌ অসম কলেজ কর্মচাৰী সস্থাৰ অন্তর্গত শিৱসাগৰ ছোৱালী কলেজ কর্মচাৰী গোট গঠন কৰা হয়। ৰোহিত বড়া দা সভাপতি আৰু মই সম্পাদক হিচাপে এই গোটৰ সমিতিখন গঠন কৰা হয়। প্রতিজন কর্মচাৰীৰ পৰা গোটৰ বৰঙনি হিচাবে প্রথমতে পঞ্চাছ টকা আৰু পিছলৈ এশ টকাকৈ মাহে সংগ্রহ কৰা হয়। লগতে গোটৰ নামত অসম কো-অপাৰেটিভ এপেক্স বেংকত এটা একাউণ্ট খোলা হয়। ইয়াৰ দ্বাৰা কেতিয়াবা কেতিয়াবা কর্মচাৰীসকলৰ কাৰোবাৰ বিয়া-বাৰু, শ্রাদ্ধ বা বেমাৰৰ চিকিৎসাৰ বাবে অনুদান দিয়া হয়। পিছলৈ আমাৰ মাজৰ পৰাই কর্মচাৰী সদৌ অসম কলেজ কর্মচাৰী সস্থা কেন্দ্রীয় সমিতিৰ দায়িত্ব আৰু জিলা সমিতিৰ সভাপতিৰ দৰে দায়িত্বও পালন কৰিবলৈ সক্ষম হয়।

শিৱসাগৰ ছোৱালী কলেজত দক্ষতাৰে কর্তব্য পালন কৰি যোৱা কর্মচাৰীসকলৰ নাম উল্লেখ কৰিব বিচাৰিছো— কলেজৰ আৰম্ভণিতে প্রায় ১৯৬৬ চনতে চতুর্থ বর্গৰ কর্মচাৰী হিচাবে ফটিক শইকীয়াই যোগদান কৰি ১৯৯৮ চনত অৱসৰ গ্রহণ কৰে। তাৰপাছতে ১৯৭৩ চনত কার্যালয়ত ৰিপুনাথ দত্ত কার্যালয়ৰ সহায়ক ৰূপে যোগদান কৰি ১৯৯৫ চনত মুখ্য সহায়ক হিচাবে অৱসৰ গ্রহণ কৰে। ক্রমান্বয়ে ১৯৬৮ চনত ৰবীন হাজৰিকাই যোগদান কৰি কর্মজীৱন চলি থাকোতেই ১৯৯৩ চনত দুৰাৰোগ্য ৰোগত আক্রান্ত হৈ মৃত্যুক সাৱটিব লগা হয়। তেনেদৰে ১৯৭২ চনত যোগদান কৰা চতুর্থবর্গৰ কর্মচাৰী মানিক বৰাই চাকৰি কার্যকাল সম্পূর্ণ হোৱাৰ পূর্বে ২০০৬ চনত, ১৯৭৬ চনত যোগদান কৰা তৃতীয় বর্গৰ কর্মচাৰী প্রমোদ গগৈয়ে ২০২১ চনত আৰু ২০০৮ চনত স্থায়ী চতুর্থ বর্গৰ কর্মচাৰী হিচাবে নিযুক্তি পোৱা প্রশান্ত শইকীয়াই ২০২৩ চনত কার্যকালৰ আধাতেই মৃত্যুক সাৱটি ল'বলগা হয়।

ইয়াৰ আগতে কেইবাজনো কর্মচাৰীয়ে এই মহাবিদ্যালয়ত চাকৰি জীৱনৰ পাতনি মেলি বেলেগ বিভাগত চাকৰি কৰিবলৈ আঁতৰি গৈছিল। তেওঁলোক হ'ল— দুর্গা বৰঠাকুৰ, দণ্ডেশ্বৰ বড়া, মামনি কাকতি, পলাশ কটকী আৰু হবিবুৰ ৰহমান।

১৯৯৮ চনত মই এই মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত মুখ্য সহায়ক হিচাবে পাইছিলো শ্রদ্ধাৰ ৰোহিত বড়াদেৱক। তেখেতে ১৯৭৬ চনত কণিষ্ঠ সহায়ক হিচাবে যোগদান কৰি ২০০৯ চনত অৱসৰ গ্রহণ কৰে। লগ পাইছিলো ১৯৭৪ চনত চতুর্থ বর্গৰ পদত যোগদান কৰি পৰৱর্তী সময়ত তৃতীয় বর্গ কর্মচাৰীলৈ পদোন্নতি লাভ কৰি ২০১৫ চনত জ্যেষ্ঠ সহায়ক হিচাবে অৱসৰ

Scanned with OKEN Scanner

গ্রহণ কৰা গগণ চন্দ্র কাকতিক। ইতিমধ্যে অৱসৰ গ্রহণ কৰা গীতাঞ্জলি বৰঠাকুৰ (১৯৮৮-২০১৮), বিৱেণ গগৈ (১৯৯২-২০২০), আৰু শেহতীয়াকৈ ১৯৮৭ চনত যোগদান কৰা চিত্রলেখা শইকীয়া নেওগে মুখ্য সহায়ক হিচাবে যোৱা ছেপ্তেম্বৰ মাহত (২০২৪) অৱসৰ গ্রহণ কৰে।

ফটিক শইকীয়াৰ লগতে আৰু বহুকেইজনে চতুর্থ বর্গৰ কর্মচাৰী হিচাবে কলেজত কর্ম কৰি গৈছে। তেখেতসকল হ'ল— ক্রমে পৱন দত্ত, আনুমানিক ১৯৭০ চনত আৰু ৰতিকান্ত বৰুৱা ১৯৭৫ চন মানত যোগদান কৰিছিল। মোৰ কার্যকালত লগপোৱা সকল হ'ল— যোগেশ্বৰ দত্ত (১৯৭৬-২০০৮), বিমল শইকীয়া (১৯৭৩-২০১০), তোলন বৰদলৈ (১৯৭২-২০১৪), সোনপোৱাল কলিতা (১৯৮১-২০১৭), আৰু কৈলাশ দত্ত (১৯৮৭-২০১৪)। ইয়াৰ মাজতে ২০০৮ চনত স্থায়ী কর্মচাৰী হিচাবে নিযুক্তি লাভ কৰা অমিয়া কোঁৱৰে শাৰীৰিক অসুস্থতাৰ বাবে ২০২৪ চনৰ মার্চ মাহত চাকৰি জীৱনৰ পৰা অব্যাহতি গ্রহণ কৰে। এই সকলো কর্মচাৰীয়ে কলেজৰ শিক্ষাদানৰ ব্যৱস্থাপনাই হওক বা কলেজ পৰিচালনাৰ ক্ষেত্রতে হওক অতি দক্ষতাৰে তেওঁলোকে কর্তব্য সম্পাদন কৰি থৈ গ'ল।

উল্লেখযোগ্য যে কলেজৰ প্রতিষ্ঠা কালৰে পৰা বহুকেইজন ব্যক্তিয়ে এই মহাবিদ্যালয়ত বর্তমানলৈকে অস্থায়ী ভিত্তিক কর্মচাৰী হিচাবে কাম কৰি গৈছে। বর্তমানো বহুকেইজন অস্থায়ী কর্মচাৰীয়ে কর্তব্য পালন কৰি আছে। বর্তমান কলেজখনত কর্মৰত হৈ আছে (স্থায়ী) প্রায় ২১ জন কর্মচাৰী। ৬টাকৈ পদ বর্তমানো খালী হৈ আছে। এই সকলো কর্মচাৰীয়ে বৰ আন্তৰিকতাৰে আৰু দক্ষতাৰে তেওঁলোকৰ কর্তব্য সমূহ পালন কৰি আহিছে।

শেষত, প্রথমতেই উল্লেখ কৰি অহা লিখনিৰ আঁত ধৰি ক'ব বিচাৰিছো অসমৰ কলেজ কর্মচাৰী সকলে উচ্চ শিক্ষাৰ প্রসাৰ, মান বিশিষ্ট শিক্ষা ব্যৱস্থাৰ প্রতিষ্ঠা তথা সঠিক ব্যৱস্থাপনাৰ ক্ষেত্রত কৰি অহা গুৰুত্বপূর্ণ ভূমিকাক মর্যদা দিয়া দেখা পোৱা নাযায়। কলেজ এখনত বহু সমস্যা আছে। সেই বিলাকৰ সমাধানৰ ক্ষেত্রত সকলোৰে পৰাই সমর্থন আগবঢ়োৱাটো অতিকৈ প্রয়োজনীয়। কর্মচাৰীসকলৰ বহু সমস্যা আছে, তাৰে কিছু সমস্যা কর্মচাৰীসকলৰে নহয়, কলেজখনৰো সমস্যা। দীর্ঘদিন আমি কলেজ কর্মচাৰীসকলে দাবী জনাই আহিছো যে কলেজ সমূহত স্থায়ী নৈশ চকীদাৰ, মালি, চাফাই কর্মী আৰু ইলেক্ট্রিচিয়ান আদিৰ দৰে পদ সৃষ্টি কৰিব লাগে। আশাকৰোঁ সকলোৰে পৰাই এই ক্ষেত্রত সহযোগিতা আগবঢ়াব।

শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° প্রতিম শর্মা, কলেজৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাসকল, মৰমৰ ছাত্রীসকল আৰু কলেজৰ মোৰ বন্ধুসদৃশ কর্মচাৰী সকলোকে প্রমুখ্য কৰি কলেজখনৰ শুভাকাংক্ষী, সকলোকে শিৱসাগৰ ছোৱালী কলেজৰ হীৰক জয়ন্তী উপলক্ষ্যে আন্তৰিক শুভ কামনা জনালো। জয়তু শিৱসাগৰ ছোৱালী কলেজ।■

শিৱসাগৰ ছোৱালী কলেজ কার্যালয়ৰ মুখ্য সহায়ক।

Scanned with OKEN Scanner

কেন্দ্রীয় গ্রন্থাগাৰ আৰু তথ্য কেন্দ্ৰ, শিৱসাগৰ ছোৱালী কলেজ ঃ অতীত আৰু বৰ্তমান

অভিজিত বৰপূজাৰী

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ জন্ম হৈছিল ১৯৬৪ চনৰ ৮ জুলাইত। ইয়াৰ লগতে জন্ম লাভ কৰিছিল শিৱসাগৰ ছোৱালী কলেজৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰে। জন্মলগ্নৰে পৰা গ্ৰন্থাগাৰটিয়ে মহাবিদ্যালয়খনিৰ ছাত্ৰীসকলৰ গ্ৰন্থৰ অভাৱ দূৰ কৰি আহিছে। বৰ্তমান সময়ৰ দৰে সেই সময়ত চৰকাৰৰ তৰফৰ পৰা ছাত্ৰীসকলৰ প্ৰতি বিনামুলীয়া গ্ৰন্থ প্ৰদানৰ কোনো ব্যৱস্থা নাছিল। সেয়েহে সকলো ছাত্ৰীয়ে তেওঁলোকৰ পাঠ্যপুথিৰ লগতে অন্যান্য গ্ৰন্থসমুহ অধ্যয়ন কৰিবলৈ পুথিভঁৰালটোৰ ওপৰতে নিৰ্ভৰশীল হ'ব লগা হৈছিল। বৰ্তমান সময়ৰ দৰে গ্ৰন্থ ক্ৰয় কৰাৰ বাবে কোনো অনুদান গ্ৰন্থাগাৰসমূহে লাভ কৰা নাছিল। বহু কষ্টৰে সৈতে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে গ্ৰন্থাগাৰৰ কাৰণে গ্ৰন্থ সংগ্ৰহ কৰিবলগা হৈছিল।

চমু ইতিহাস

গ্ৰন্থাগাৰ পৰিচালনাৰ ক্ষেত্ৰটো আজিকালিৰ দৰে বিজ্ঞানসন্মতভাৱে গ্ৰন্থ সংৰক্ষণৰ ব্যৱস্থা কৰিব পৰা নাছিল। গ্ৰন্থাগাৰ বিজ্ঞানৰ বৃত্তিধাৰী ব্যক্তি সেই সময়ত অসমত নাছিল বাবেই মহাবদ্যিালয়ৰ শিক্ষকসকলেই গ্ৰন্থাগাৰ পৰিচালনাৰ দায়িত্ব ল'ব লগা হৈছিল। প্ৰথম অৱস্থাত শিৱসাগৰ ছোৱালী কলেজৰ গ্ৰন্থাগাৰ পৰিচালনা কৰিছিল শান্তা থমাছে। তেখেত আছিল গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ প্ৰৱক্তা। তেখেতৰ পিছত উক্ত বিভাগৰে শিক্ষয়িত্ৰী গীৰি কুমাৰী গগৈয়ে গ্ৰন্থাগাৰটি পৰিচালনা কৰিছিল। ইয়াৰ পিছতে কাৰ্যালয়ৰ কৰ্মচাৰী ক্ৰমে বিনু দেৱী, ৰবিন হাজৰীকা আদিয়ে গ্ৰন্থাগাৰৰ ভাৰপ্ৰাপ্ত অধিকাৰীৰূপে দায়িত্ব পালন কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত গ্ৰন্থাগাৰ পৰিচালনাৰ বাবে নতুন নিযুক্তিৰ ব্যৱস্থা কৰা হৈছিল। ১৯৭৩ চনৰ আগষ্ট মাহত মায়াশীলা হাজৰিকাই গ্ৰন্থাগাৰিক ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে। তেখেতৰ দিনতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিত কিছু নতুনত্ব অনাৰ প্ৰচেষ্টা কৰা হৈছিল। বহুসংখ্যক

Scanned with OKEN Scanner

গ্ৰন্থ ক্ৰয় কৰাৰ লগতে গ্ৰন্থাগাৰটিৰ বাবে কিছুসংখ্যক আঁচৰাব ক্ৰয় কৰাও হৈছিল। তেখেতৰ উক্ত প্ৰচেষ্টাত সহকাৰী হিচাপে ভিন্ন সময়ত ক্ৰমে ৰাণুমনি চাংকাকতি, অসীমা বেজবৰুৱা, সংগীতা দাস বৰুৱা আৰু অভিজিত ৰৱপূজাৰীৰ সহচর্য লাভ কৰিছিল। পৰৱর্তী সময়ত অভজিত ৰৱপূজাৰীয়েই ২০০৭ চনত শিৱসাগৰ ছোৱালী কলেজত গ্ৰন্থাগাৰিক হিচাপে যোগদান কৰে। উক্ত সময়ৰ পৰা বর্তমানলৈকে তেখেতে উক্ত পদৱীতে কার্যনিৰাহ কৰি আছে।

শিৱসাগৰ ছোৱালী কলেজৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰটিৰ অৱস্থিতি প্ৰতিষ্ঠাকালৰে পৰা বর্তমানে থকা স্থানত নাছিল। প্ৰথম অৱস্থাত গ্ৰন্থাগাৰটি আছিল বর্তমানে অধ্যক্ষৰ কার্যালয়ৰ লগতে লাগি থকা কক্ষ কেইটাত য'ত বর্তমান RUSA, IQAC আৰু পৰীক্ষা নিয়ন্ত্ৰণ কক্ষ অৱস্থিত। পৰৱর্তী সময়ত অধ্যক্ষৰ কার্যালয়ৰ বিপৰীত দিশত থকা কক্ষ (বর্তমান কার্যালয় অৱস্থিত) ত গ্ৰন্থাগাৰটি বহুদিন ধৰি পৰিচালিত হৈ আছিল। ইয়াৰ পৰৱর্তী সময়ত অর্থাৎ ৯০ ৰ দশকত গ্ৰন্থাগাৰটিৰ অৱস্থান বর্তমান বিজ্ঞান শাখাৰ পদার্থ বিজ্ঞান বিভাগ থকা ভৱনত আছিল। উক্ত স্থানৰ পৰাই বহুদিন সেৱা আগবঢ়োৱাৰ অন্ততঃ বর্তমানৰ স্থানত এটি নতুনকৈ পৃথক গ্ৰন্থাগাৰ ভৱন নির্মাণ কৰি উলিওৱা হয়। উক্ত স্থানত গ্ৰন্থাগাৰটি নির্মাণ কৰিলৈ যাওঁতে মহাবিদ্যালয় কর্তৃপক্ষ যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হব লগা হৈছিল। কিয়নো উক্ত স্থানত এখন গভীৰ জলাশয় আছিল। তৎস্বত্বেও অতি সুন্দৰকৈ গ্ৰন্থাগাৰ ভৱনটি নির্মাণ কৰি উলিয়াবলৈ সক্ষম হৈছিল। একবিংশ শতিকাৰ আৰম্ভণীতে গ্ৰন্থাগাৰ ভৱনটিৰ ওপৰ মহলাটি নির্মাণ কৰি উলিওৱা হয়। উক্ত মহলা নির্মাণৰ পিছত গ্ৰন্থাগাৰটিৰ পৰিসৰ সম্প্ৰসাৰণ কৰিব পৰা হৈছিল। সুবিধাজনকভাৱে ছাত্ৰীসকলে গ্ৰন্থাগাৰটিৰ পৰা গ্ৰন্থ আদান-প্ৰদান কৰিব পৰা হৈছিল। ২০১৭ চনত গ্ৰন্থাগাৰটিৰ সন্মুখভাগত এটি অসম আৰ্হিৰ কক্ষ নতুনকৈ সংযোজিত হয়। RUSA ৰ অনুদানেৰে উক্ত কক্ষটি নির্মাণ কৰা হৈছিল। গ্ৰন্থাগাৰটিৰ মজিয়াখনত টাইলছ লগোৱা হয়।

সম্পদসমূহৰ বিৱৰণ

বর্তমান সময়ত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিত ৪৯,০০০ ত কৈও অধিক গ্ৰন্থ মজুত আছে। ইয়াৰোপৰি ১৫ খন জনপ্ৰিয় আলোচনী আৰু ১২ খন সংবাদ পত্ৰিকাৰে সমৃদ্ধ। এই বিলাকৰ ওপৰিও গ্ৰন্থাগাৰটিয়ে ছাত্ৰীসকলৰ সুবিধার্থে ৩২,০০০ ই বুকু আৰু ৬০০০ ত কৈও অধিক ই-জার্ণেল Library Consortium যোগে প্ৰদান কৰি আহিছে। এই সমুহৰ ওপৰিও পুৰণি সাঁচিপাতৰ পুথি বুৰঞ্জী বিভাগৰ সহযোগত সংৰক্ষিত কৰি ৰখা হৈছে। বর্তমানে প্ৰকাশ বন্ধ হোৱা বহুতো বিৰল গ্ৰন্থৰ সংগ্ৰহো গ্ৰন্থাগাৰত ৰখা হৈছে। কিছুসংখ্যক পুৰণি সাঁচিপাতৰ পুথি আৰু পুৰণি আপুৰুগীয়া গ্ৰন্থ ডিজিটেল ব্যৱস্থাৰে সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে। এতিয়ালৈকে সংগৃহীত পত্ৰিকা-আলোচনীসমুহ সযতনে বন্ধাই ৰখা হৈছে। এনে বন্ধোৱা গ্ৰন্থৰ সংখ্যা ১০০০ তকৈও অধিক। গ্ৰন্থাগাৰটিত মহাবিদ্যালয়ত প্ৰচলিত কলা আৰু বিজ্ঞান শাখাৰ বিভাগসমূহৰ পাঠ্যপুথিসমুহৰ ওপৰিও যথেষ্ট সংখ্যক প্ৰসংগ পুথি, ৰচনাৱলী, জীৱনী-আত্মজীৱনী, শব্দকোষ, অভিধান গ্ৰন্থ, উপন্যাস, ভ্ৰমন কাহিনী, ভূচিত্ৰাৱলী, আধ্যাত্মিক গ্ৰন্থ

আদি সংগৃহীত হৈ আছে।

গ্ৰন্থাগাৰৰ আধুনিকীকৰণ

শিৱসাগৰ ছোৱালী কলেজৰ গ্ৰন্থাগাৰৰ স্বয়ংক্ৰিয়কৰণ প্ৰক্ৰিয়াৰ আৰম্ভণী হৈছিল একবিংশ শতিকাৰ প্ৰথম ভাগতে। শিৱসাগৰ ছোৱালী কলেজৰ গ্ৰন্থাগাৰত প্ৰথম কম্পিউটাৰৰ ব্যৱহাৰ কৰা হৈছিল ২০০৩ চনত। সেই সময়ত Microsoft Access Software ব্যৱহাৰৰ যোগেদি গ্ৰন্থসমূহৰ বিৱৰণ সংৰক্ষিত কৰাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত ২০০৬ চনত গুজৰাট বিশ্ববিদ্যালয়স্থিত INFLIBNET চেণ্টাৰে দেশৰ গ্ৰন্থাগাৰসমূহৰ বাবে এটি Software SOUL 1.0 নিৰ্মাণ কৰি উলিয়াইছিল। সেই সময়ৰ গ্ৰন্থাগাৰিকা মায়াশীলা হাজৰিকাই গুজৰাটলৈ গৈ এই বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। তেখেতে এই চফটৱেৰ মহাবিদ্যালয় গ্ৰন্থাগাৰত প্ৰয়োগ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল। অৱশ্যে ২০০৬ চনত তেখেতে অৱসৰ গ্ৰহণ কৰাৰ পৰপ্ৰেক্ষিতত ইয়াৰ পৰৱৰ্তী সময়ত ২০০৭ চনত বৰ্তমানৰ গ্ৰন্থাগাৰিক অভিজিত বৰপূজাৰীয়ে দায়িত্বভাৰ গ্ৰহণ কৰি ইয়াৰ পূৰ্ণাংগ বিকাশৰ ওপৰত মনোনিৱেশ কৰে। ইয়াৰেই ফলশ্ৰুতিত এই ছফটৱেৰৰ দ্বাৰা গ্ৰন্থসমূহ শৃংখলাবদ্ধভাৱে তালিকাভুক্ত কৰাৰ লগতে 'লাইব্ৰেৰী অটমেছন' প্ৰক্ৰিয়াও সম্পূৰ্ণ হৈ উঠে। ইয়াৰ পিছত ২০১১ চনত SOUL 2.0 প্ৰকাশ হয়। গ্ৰন্থাগাৰিক অভিজিত বৰপূজাৰীয়ে ইয়াৰ প্ৰশিক্ষণ গ্ৰহণ কৰাৰ লগতে এই Software ৰ দ্বাৰা অধিক ক্ষীপ্ৰ আৰু শুদ্ধ ৰূপত গ্ৰন্থাগাৰৰ কামসমূহ সম্পন্ন কৰাৰ ক্ষেত্ৰত আগবাঢ়ে। ইয়াৰ দহটা বছৰৰ পিছত ২০২১ চনত SOUL 3.0 আৰম্ভ হয়। শিৱসাগৰ ছোৱালী কলেজটো এই Software Upgradation কৰা হয়। অৱশ্যে ইয়াৰ সমান্তৰালকৈ ২০২০ চনত শিৱসাগৰ ছোৱালী কলেজ গ্ৰন্থাগাৰটিত সংৰক্ষিত গ্ৰন্থৰ তালিকা, কিছুসংখ্যক গ্ৰন্থ, আলোচনী, প্ৰশ্নকাকত আদি আধুনিক প্ৰযুক্তিৰে সকলো সময়তে সকলোৱে চাব পৰাকৈ তথা Cloud Backup সহ এক Online Software ৰ ব্যৱস্থা কৰা হয় যিটো চফটৱেৰক কোৱা হয় KOHA. বৰ্তমান এই চফটৱেৰৰ দ্বাৰাই গ্ৰন্থাগাৰৰ আদান প্ৰদান প্ৰক্ৰিয়া সম্পন্ন হয়।

ইয়াৰ মাজতে আৰু কেতবোৰ প্ৰযুক্তিগত উন্নয়ন কৰা হৈছিল তাৰ ভিতৰত ২০১৩ চনত গুৱাহাটিৰ Bibliophilla Cafe ৰ সহযোগত এটি E-Library ৰ ব্যৱস্থা কৰি ছাত্ৰীসকলক গ্ৰন্থ আৰু আলোচনী জগতৰ নৱতম বৈদুতিন সামগ্ৰীসমূহ ব্যৱহাৰৰ সুবিধা প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত ২০১৪ চনত Digital Library Development ৰ কাৰণে DSpace Software ক্ৰয় কৰি Digitizationৰ ব্যৱস্থা কৰা হয়। ইয়াৰ দ্বাৰা বৰ্তমান এটি Institutional Repository গঢ়ি তোলা হৈছে। মহাবিদ্যালয়ৰ আলোচনী, পূৰ্বৰ বছৰসমূহৰ পৰীক্ষাৰ প্ৰশ্নকাকত, মহাবিদ্যালয়ৰ প্ৰকাশন আদি Digital ৰূপত সংৰক্ষণ কৰি সকলোৱে ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়া হৈছে।

EDUSAT আছিল ভাৰত চৰকাৰৰ এক শৈক্ষিক উত্তৰণৰ ব্যৱস্থা। এই ব্যৱস্থাৰ দ্বাৰা মহাবিদ্যালয়সমূহক চেটেলাইট সংযোগৰ মাধ্যমেৰে সংযোজিত কৰা হৈছিল। শিৱসাগৰ ছোৱালী

Scanned with OKEN Scanner

কলেজতো এই ব্যৱস্থা গ্ৰহণ কৰি ভাৰত চৰকাৰৰ লগতে ব্যক্তিগত খণ্ডৰ কেইবাটাও শৈক্ষিক চেনেলৰ প্ৰচাৰ আৰু ৰেকৰ্ডিং কৰাৰ ব্যৱস্থা কৰা হৈছিল। যিবোৰ ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ CD ৰূপত বৰ্তমানেও সংৰক্ষিত কৰি ৰখা হৈছে।

মহাবিদ্যালয় গ্ৰন্থাগাৰত প্ৰথম Internet Connection আৰম্ভ কৰা হৈছিল ২০০৯ চনত। BSNL ৰ দ্বাৰা এই Connection প্ৰদান কৰা হৈছিল। সেই সময়ত Dial Up Connection আছিল যদিও বৰ্তমান 100 MBPS Fiber Connection ৰ দ্বাৰা এই সুবিধা প্ৰদান কৰি অহা হৈছে।

INFLIBNET Centre ৰ দ্বাৰা Online Journal সমূহ অতি কম খৰছতে ছাত্ৰীসকলে ব্যৱহাৰ কৰিব পৰাকৈ এক ব্যৱস্থা N-List প্ৰৱৰ্তন কৰা হৈছে। এই ব্যৱস্থা ২০১১ চনৰ পৰাই গ্ৰন্থাগাৰত প্ৰদান কৰি অহা হৈছে। ইয়াৰোপৰি ২০১৭ চনত শিৱসাগৰ ছোৱালী কলেজ গ্ৰন্থাগাৰ National Digital Library of India (NDLI) ৰ অংশীদাৰ হয়। ২০২২ চনত E-Sodh Sindhu ৰ পঞ্জীয়নভুক্ত হয়।

প্ৰযুক্তিগত উন্নতিৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে বৰ্তমান গ্ৰন্থাগাৰত ১৭ টা কম্পিউটাৰ কাৰ্যক্ষম হৈ আছে আৰু এইবোৰৰ দ্বাৰা ছাত্ৰীসকলৰ Web Browsing, Content Search, Social Communication আদিৰ ক্ষেত্ৰত সুবিধা হোৱাৰ লগতে গ্ৰন্থাগাৰৰ আভ্যন্তৰীণ কামসমূহ ক্ষীপ্ৰতাৰে কৰিবৰ বাবে সুবিধা কৰা হৈছে। ইয়াৰোপৰি Xerox Machine, Scanner আদিৰ দ্বাৰা Reprography সেৱা আগবঢ়োৱা হৈছে। ১৬ টা CCTV Camera ৰ দ্বাৰা গ্ৰন্থাগাৰৰ ভিতৰে বাহিৰে নিৰাপত্তা সুনিশ্চিত কৰা হৈছে। ছাত্ৰীসকলৰ বাবে Purified Drinking Water ৰ সুবিধা কৰা হৈছে। ২৪ ঘন্টাই বিজুলী সংযোগ অব্যাহত ৰাখিবৰ বাবে Uninterupted Power Supply ৰ ব্যৱস্থা কৰা হৈছে। ক্ষীপ্ৰতাৰে গ্ৰন্থ আদান প্ৰদান আৰু গ্ৰন্থ বিচাৰিবৰ বাবে Barcode Scanner আৰু OPACৰ ব্যৱস্থাও কৰা হৈছে। ইয়াৰোপৰি সৰু বৰ কিছুমান প্ৰযুক্তিৰ দ্বাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিক আধুনিক উন্নয়নৰ লগত ফেৰ মাৰিব পৰাকৈ সাজু কৰি ৰখাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। মহাবিদ্যালয়ৰ মূল ৱেবচাইটৰ লগত গ্ৰন্থাগাৰৰ এটি ৱেৱচাইট সংযোজিত হৈ আছে যাৰ দ্বাৰা ছাত্ৰীসকলে গ্ৰন্থাগাৰত থকা গ্ৰন্থসমূহৰ বিৱৰণ অনায়সে লাভ কৰিব পাৰে। অথবা Smart Phone Scan কৰিব পৰাকৈ QR Code ৰো ব্যৱস্থা কৰা হৈছে। যাৰ দ্বাৰা অধিক ক্ষীপ্ৰতাৰে গ্ৰন্থাগাৰৰ গ্ৰন্থ, আলোচনী, প্ৰশ্নকাকত আদি বিচাৰি ল'ব পাৰে।

গ্ৰন্থাগাৰত সংযোজিত শাখাসমূহৰ বিৱৰণ

বুক বেংক-শিৱসাগৰ ছোৱালী কলেজৰ গ্ৰন্থাগাৰত আৰ্থিকভাৱে পিছপৰা ছাত্ৰীসকলক অতিৰিক্তভাৱে গ্ৰন্থ দিয়াৰ ব্যৱস্থা আছে। ২০০৫ চনত লায়নচ ক্লাৱ, শিৱসাগৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ কিছুসংখ্যক গ্ৰন্থ বুক বেংক আচনিৰ অধীনত প্ৰদান কৰিছিল। উক্ত গ্ৰন্থ সমূহৰ দ্বাৰা আৰম্ভ কৰা এই ব্যৱস্থা নতুন নতুন গ্ৰন্থ সংযোজনৰ দ্বাৰা বৰ্তমানেও বাহাল ৰখা হৈছে।

ছাত্ৰীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰি গঢ়ি তোলাৰ উদ্দেশ্যে

Scanned with OKEN Scanner

পৰীক্ষা সম্পৰ্কীয় গ্ৰন্থৰ এটি ভাণ্ডাৰ গ্ৰন্থাগাৰত ২০১০ চনৰ পৰাই সংযোজন কৰা হৈছে। ইয়াৰোপৰি কেৰিয়াৰ সম্পৰ্কীয় কেইবাখনো আলোচনী গ্ৰন্থাগাৰলৈ ক্ৰয় কৰা হৈছে।

গ্ৰন্থাগাৰত ছাত্ৰীসকলৰ পঢ়াৰ সুবিধা পৰ্যাপ্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। প্ৰথম অৱস্থাত ছাত্ৰীসকলৰ পঢ়াৰ বাবে সুবিধা সীমিত আছিল যদিও ২০১০ চনৰ পৰা ১২০ গৰাকী ছাত্ৰীয়ে একেসময়তে পঢ়িব পৰাকৈ এটি আহল-বহল শীত-তাপ নিয়ন্ত্ৰিত পঢ়ুৱৈ কক্ষৰ ব্যৱস্থা কৰা হৈছে।

অসমৰ এজন প্ৰথিতযশা সাহিত্যিক তথা শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষ বীৰেন বৰকটকীদেৱৰ পৰিয়ালবৰ্গই তেখেতসকলৰ ঘৰত থকা ২৫০০ মূল্যবান গ্ৰন্থ কেইটিমান আলমাৰিসহ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দান কৰে। মহাবিদ্যালয় পৰিয়ালে তেখেতসকলৰ এই দানক উপযুক্ত মৰ্যদা দিয়াৰ ব্যৱস্থা কৰে আৰু উক্ত সম্পদসমূহকে লৈ "বীৰেন বৰকটকী সাহিত্য কোণ" প্ৰতিষ্ঠা কৰে। যোৱা ইংৰাজী ১৮/০৬/২০২২ তাৰিখে অসমৰ স্বনামধন্য সাহিত্যিক ড° ৰীতা চৌধুৰীয়ে এই কোণৰ দ্বাৰ মুকলি কৰে। ইয়াত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ লগতে বাহিৰৰ পৰা অহা পঢ়ুৱৈৰ বাবেও অধ্যয়নৰ সুবিধা প্ৰদান কৰা হয়।

আমাৰ গুৰু দুজনাৰ গ্ৰন্থৰাজি আৰু তেখেতসকলৰ সন্দৰ্ভত প্ৰকাশিত গ্ৰন্থসমূহ একত্ৰিত কৰি এটি কোণ তৈয়াৰ কৰাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰোপৰি অসমৰ কেইজনমান নক্ষত্ৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা, ড° ভূপেন হাজৰিকাৰ সাহিত্য, সংস্কৃতিৰ অৱদানসমূহ একত্ৰিত কৰি ৰখাৰো ব্যৱস্থা কৰা হৈছে।

মহান ব্যক্তিসকলৰ জীৱনী, আত্মজীৱনী, প্ৰখ্যাত লিখকসকলৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ৰচনাৱলী, অসমীয়া আৰু ইংৰাজী ভাষাৰ অভিধান আৰু শব্দকোষসমূহ পৃথক পৃথককৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে।

মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত বিভিন্ন গ্ৰন্থ, আলোচনীৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰী তথা বৰ্তমানৰ ছাত্ৰীসকলৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰাজী সংৰক্ষণ আৰু আদান-প্ৰদানৰ হেতু College Corner নামেৰে এটি কোণ গ্ৰন্থাগাৰত প্ৰতিষ্ঠা কৰা হৈছে।

ঠিক একেদৰে মহাবদ্যিালয়ৰ গ্ৰন্থাগাৰলৈ বুজন পৰিমানৰ গ্ৰন্থ প্ৰদান কৰা ব্যক্তিসকলৰ বাবেও এটি পৃথক কোণৰ ব্যৱস্থা কৰি সকলোৱে গ্ৰন্থসমূহ আদান-প্ৰদান কৰিব পৰাকৈ আছুতীয়াকৈ ৰখাৰ ব্যৱস্থাও কৰা হৈছে। ইয়াৰ ভিতৰত প্ৰয়াত ক্ষীৰদা কুমাৰী বৰুৱাৰ পৰিয়ালবৰ্গৰ পৰা পোৱা গ্ৰন্থ আৰু আঁচবাব, বিশিষ্ট শিক্ষাবিদ মণিকা শইকীয়া বাইদেউৰ পৰা পোৱা গ্ৰন্থ, স্বৰ্গীয় দিলীপ কুমাৰ চক্ৰৱৰ্তী আৰু স্বৰ্গীয় মণিদীপা বৰঠাকুৰ চক্ৰৱৰ্তীৰ পৰা পোৱা গ্ৰন্থ, প্ৰাক্তন অধ্যাপিকা মুকুতা দাস বৰকাকতি আৰু তৃপ্তিমল্লিকা বৰুৱা বাইদেউৰ পৰা পোৱা গ্ৰন্থসমূহ অন্যতম। বৰ্তমানৰ উপাধ্যক্ষ উৎপলা গোঁহাই চমুৱাইয়ো এক বুজন পৰিমানৰ গ্ৰন্থ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ দান দিছে। ২০১৭ চনত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ পুঁজিৰ অন্তৰ্গত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ প্ৰায় দহ হাজাৰ বিভিন্ন বিষয়ক গ্ৰন্থ আৰু আলোচনী ক্ৰয় কৰা হৈছিল। ইয়াৰে ভিতৰত সৰ্বাধিক পাঠ্যপুথি,

Scanned with OKEN Scanner

প্রসংগ পুথি ৰচনাৱলী আৰু ছাত্ৰীসকলৰ কেৰিয়াৰ সম্পৰ্কীয় গ্ৰন্থাৱলী ক্ৰয় কৰা হয়। কিছুসংখ্যক গৱেষণা পত্ৰিকা, অনলাইন জার্ণেল আৰু ই-বুকছো এই শিতানত ক্ৰয় কৰা হয় যাৰ ফলত গ্ৰন্থাগাৰটি পূৰ্বৰ তুলনাত অধিক সম্পদশালী হৈ উঠে। সমস্যা আহি পৰিল গ্ৰন্থসমূহ এতিয়া কত ৰখা হ'ব? সেই সময়ত পৰ্যাপ্ত স্থানৰ অভাৱ। অৱশ্যে 'ৰুচা'ৰ আন এটি গ্ৰাণ্টেৰে গ্ৰন্থাগাৰৰ সন্মুখভাগলৈ এটি অসম আৰ্হিৰ কক্ষ নিৰ্মাণ কৰি উলিওৱা হয়। উক্ত স্থানৰ বাবে কিছুসংখ্যক আঁচবাব গ্ৰন্থাগাৰৰ পুঁজিৰ পৰাই ক্ৰয় কৰি গ্ৰন্থসমূহ সুনিৰ্দিষ্ট ৰূপত সজোৱাৰ ব্যৱস্থা কৰিব পৰা হয়।

গ্ৰন্থাগাৰৰ বিদ্যায়তনিক কার্যসুচীসমূহ

মহাবিদ্যালয়ত বর্তমান পঢ়ুৱৈৰ সংখ্যা সম্পূর্ণ ক্লাছ চলি থকা সময়ত গড়ে ১০০ ৰ পৰা ১২০। এই সংখ্যা অৱশ্যে পূর্বৰ তুলনাত বৃদ্ধি পাইছে বুলিও ক'ব নোৱাৰি। ক'ভিড কালৰ পিছৰপৰাই একেধৰণৰ বাতাবৰণেই দেখিবলৈ পোৱা গৈছে। ছাত্ৰীসকলৰ মাজত গ্ৰন্থ অধ্যয়নৰ হাবিয়াস কম হৈছে বুলি একে আষাৰে কৈ দিব নোৱাৰি যদিও পঢ়ুৱৈৰ জুতি সলনি হোৱা পৰিলক্ষিত হৈছে। ছাত্ৰীসকল পূর্বতকৈ অধিক কেৱল পাঠ্যপুথিকেন্দ্ৰীক হৈ পৰা পৰিলক্ষিত হৈছে।

গ্ৰন্থাগাৰৰ ফালৰ পৰা ছাত্ৰীসকলৰ মাজত অধ্যয়নস্পৃহা বৃদ্ধি কৰাৰ উদ্দেশ্যে কেতবোৰ পদক্ষেপ হাতত লোৱা হৈছে। প্ৰতিবছৰে নতুনকৈ নামভর্তি কৰা ছাত্ৰীসকলৰ বাবে Library Orientation Class ৰ ব্যৱস্থা আছে। ছাত্ৰীসকলক গ্ৰন্থাগাৰ ব্যৱহাৰৰ প্ৰতি আকর্ষিত কৰাৰ উদ্দেশ্যে ২০১৭ চনৰ পৰা গ্ৰন্থাগাৰৰ শ্ৰেষ্ঠ পঢ়ুৱৈ গৰাকী নির্বাচিত কৰি বঁটা প্ৰদান কৰি অহা হৈছে। শিৱসাগৰ ছোৱালী কলেজ গ্ৰন্থ উৎসৱ উদ্‌যাপনৰ দ্বাৰা ছাত্ৰীসকলৰ গ্ৰন্থৰ চাহিদা পূৰণ কৰাৰ লগতে তেওঁলোকৰ বৌদ্ধিক আৰু মানসিক উত্তৰণৰ বাবে বিভিন্ন বিদ্যায়তনিক ক্ষেত্ৰৰ প্ৰতিযোগিতা যেনে গ্ৰন্থ পর্যালোচনা প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, কুইজ, চিত্ৰাঙ্কন প্ৰতিযোগিতা, গ্ৰন্থপঞ্জী সংগ্ৰহ প্ৰতিযোগিতা ইত্যাদি। প্ৰতিবছৰে ১২ আগষ্ট তাৰিখে গ্ৰন্থাগাৰত ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ ড. এছ. আৰ. ৰংগনাথনৰ পৱিত্ৰ জন্মদিৱসটি গ্ৰন্থাগাৰিক দিৱসৰূপে পালন কৰি অহা হৈছে। এই দিৱসৰ লগত সংগতি ৰাখি ২০২২ চনৰ পৰা এখনি Library Newsletter প্ৰকাশ কৰাৰো ব্যৱস্থা কৰা হৈছে।

২০০৩, ২০১০ আৰু ২০২৩ চনত তিনিবাৰ ৰাষ্ট্ৰীয় মুল্যায়ন আৰু প্ৰত্যায়ন পৰিষদে মহাবিদ্যালয় পৰিদর্শন কৰে। এই পৰিদর্শনৰ সময়ত প্ৰতিবাৰেই কেন্দ্ৰীয় গ্ৰন্থাগাৰে উল্লেখনীয় সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ পঢ়ুৱৈৰ সংখ্যা, গ্ৰন্থাগাৰৰ স্বয়ংক্ৰিয়কৰণ ব্যৱস্থাৰ উন্নয়ন, বিদ্যায়তনিক পৰিবেশ প্ৰদান, উদ্ভাৱনীমূলক কার্যসূচী ইত্যাদিৰ ক্ষেত্ৰত পৰিদর্শনকাৰী দলৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল।

সামাজিক মাধ্যমৰ ব্যৱহাৰ

২০১৯ চনৰ পৰা ২০২১ লৈকে এই সময়ছোৱা সমগ্ৰ বিশ্বতে কভিড মহামাৰীৰ প্ৰাদুর্ভাৱ দেখিবলৈ পোৱা গৈছিল। সেই সময়ত সকলো প্ৰকাৰৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে শিক্ষানুষ্ঠানসমূহো

Scanned with OKEN Scanner

বন্ধ হৈ পৰিছিল। শিৱসাগৰ ছোৱালী কলেজৰ পাঠদানো বন্ধ হৈছিল। শিক্ষকসকলে অনলাইনযোগে পাঠদান কৰাৰ ব্যৱস্থা আ�ৰম্ভ কৰিছিল। কেন্দ্রীয় গ্রন্থাগাৰো এই সময়ত পিছপৰি থকা নাছিল। বিভিন্ন সামাজিক মাধ্যম যেনে Facebook, Whatsapp, Instagram আদিৰ যোগে ছাত্রীসকলৰ সুবিধা হোৱাকৈ অনলাইনত উপলব্ধ অধ্যয়ন সামগ্রীসমূহৰ যোগান ধৰিছিল। গ্রন্থাগাৰৰ ৱেবচাইটৰ যোগেদি বিভিন্ন ই-সম্পদসমূহৰ লিংক প্রদান কৰা হৈছিল। Online Video Conferencing মাধ্যমসমূহ Zoom, Google Meet, Webesx আদি ক্রয় কৰি বিভিন্ন বিষয়ত Webinar, Online Workshop অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ ছাত্রীসকলৰ লগতে শিক্ষকসকলকো সহায় কৰিছিল। এই সময়ত কৰা আন এটা উল্লেখযোগ্য ব্যৱস্থা আছিল অনলাইনযোগে অনুষ্ঠিত কৰা প্রাক্তন ছাত্রী সমাৱেহ। কলেজৰ কেইবাটাও বিভাগৰ লগতে হোষ্টেলৰ প্রাক্তন আৱাসীসকলক লৈও এই অনুষ্ঠানৰ আয়োজন কৰি যথেষ্ট সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। এই ক্ষেত্রতো কেন্দ্রীয় গ্রন্থাগাৰে এক সবল ভুমিকা পালন কৰিছিল।

গ্রন্থাগাৰ পৰিচালনা

মহাবিদ্যালয়ৰ গ্রন্থাগাৰ সমিতিখনে গ্রন্থাগাৰটিৰ উন্নয়নত যথেষ্ট সহায়-সহযোগিতা আগবঢ়ায় আহিছে। গ্রন্থাগাৰ সমিতিখনত মহাবিদ্যালয়ৰ অধ্যক্ষই সমিতিৰ অধ্যক্ষ হিচাপে থাকে। গ্রন্থাগাৰিকজন সম্পাদক হয়। ইয়াৰোপৰি উপাধ্যক্ষ, দুয়োটা শাখাৰ জ্যেষ্ঠতম শিক্ষক দুজন, কার্যালয়ৰ মুখ্য সহায়কজন সদস্য হিচাপে থাকে। এই গাঁঠনি অনুযায়ী ২০০৮ চনৰ পৰা শিৱসাগৰ ছোৱালী কলেজত গ্রন্থাগাৰ সমিতিৰ বৈঠক প্রতিবছৰে নতুন শিক্ষা বর্ষৰ আৰম্ভণিতে অনুষ্ঠিত হৈ আহিছে। ২০১৮ চনৰ পৰা কলেজৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়কজন আমন্ত্রিত সদস্য হিচাপে সমিতিৰ অন্তর্ভুক্ত হয়। মহাবিদ্যালয়ৰ গ্রন্থাগাৰিকজন ২০১৮ চনৰ পৰা উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ এক নির্দেশনাযোগে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিত পদেন সদস্যৰূপে অন্তর্ভূক্ত কৰা হয়। শিৱসাগৰ ছোৱালী কলেজতো উক্ত সময়ৰ পৰাই গ্রন্থাগাৰিকজনে পৰিচালনা সমিতিত অংশ লৈ আগিছে।

উপসংহাৰ

শেষত, মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ দুৰদর্শী দৃষ্টিভংগী আৰু প্রত্যেকজন শিক্ষক-কর্মচাৰীৰ সহযোগিতাই গ্রন্থাগাৰটিক অদূৰ ভৱিষ্যতে ৰাজ্যখনৰ ভিতৰতে এটি উল্লেখনীয় জ্ঞান-মন্দিৰ আৰু তথ্য আহৰণৰ কেন্দ্র হিচাপে গঢ়ি তুলিব বুলি আমি আশাবাদী। মানৱ সম্পদ গঢ়াৰ প্রতিশ্রুতিত আমি দায়বদ্ধ। এই ক্ষেত্রত গ্রন্থাগাৰটিয়ে সদায় ইতিবাচক ভুমিকা গ্রহণ কৰি আহিছে আৰু ভৱিষ্যতলৈও কৰি আহিব। হীৰক জয়ন্তী বর্ষত মহাবিদ্যালয়ৰ অধ্যক্ষ, পৰিচালনা সমিতিৰ সভাপতিকে প্রমুখ্য কৰি প্রতিজন সদস্য, মহাবিদ্যালয়ৰ প্রতিজন শিক্ষক-কর্মচাৰী আৰু শুভাকাংক্ষী সকললৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।■

শিৱসাগৰ ছোৱালী কলেজৰ মুখ্য গ্রন্থাগাৰিক।

Scanned with OKEN Scanner

শিৱসাগৰ ছোৱালী কলেজৰ "প্ৰাক্তন ছাত্ৰী মঞ্চ"ৰ ইতিহাস বিচাৰি ...

চিত্ৰলেখা গগৈ

"শিৱসাগৰ ছোৱালী কলেজ"... মাথোঁ এটি নাম নহয়, ই যে এক আবেগ; প্ৰতিগৰাকী এই কলেজৰ ছাত্ৰীৰ বাবে, এক গৌৰৱ, এক অহংকাৰ। হয়, প্ৰতিগৰাকী ছাত্ৰীয়েই অতি উৎসাহেৰে কব খোজে "মই শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী"। বৰ্তমানৰ লগতে পুৰণি ছাত্ৰী সকলেও অত্যন্ত আবেগেৰে জড়িত হৈ থাকিব বিচাৰে কলেজখনৰ প্ৰত্যেকটো সুখ দুখৰ মুহূৰ্তৰ সৈতে।

বুৰঞ্জীয়ে গৰকা শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত স্ত্ৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজ। নাৰী শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে ১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰা কলেজখনে এইটো বৰ্ষতে হীৰক জয়ন্তী উদযাপনৰ দিশে আগবাঢ়িছে। একোখন কলেজৰ সামগ্ৰিক বিকাশত প্ৰাক্তন ছাত্ৰ অথবা ছাত্ৰী সকলৰ অৱদান অনস্বীকাৰ্য্য। শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী সকলক একত্ৰিত কৰি, কলেজখনৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত কৰোৱাৰ উদ্দেশ্যে, ২০০২ চনৰ ২৮ ছেপ্টেম্বৰত "শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী মঞ্চ" গঠন কৰা হয়। কলেজখনৰ প্ৰথমটো বৰ্ষৰ উত্তীৰ্ণ ছাত্ৰী তথা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° আস্না চেতিয়া বাইদেউক সভানেত্ৰী ৰূপে লৈ গঠিত প্ৰাক্তন ছাত্ৰী মঞ্চৰ যুটীয়া সম্পাদিকাৰ দায়িত্বত আছিল শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ভা�ৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীযুতা অনু শৰ্মা বাইদেউ আৰু অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা প্ৰয়াত অজন্তা বৰুৱা বাইদেউ।

প্ৰতিষ্ঠাৰ দিনটোতেই ২৪,০০০/- টকা জমা পুঁজিৰে আৰম্ভ হোৱা এই মঞ্চই, ছাত্ৰী সকলৰ মাজত বিভিন্ন অনুষ্ঠান আয়োজন কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে মহাবিদ্যালয়খনিৰ সৰ্বাংগীন বিকাশৰ বাবে সাধ্যনুসাৰে বৰঙণি তথা সহায় সহযোগিতা আগবঢ়াই আহিছে। "প্ৰাক্তন ছাত্ৰী মঞ্চ"ৰ ইতিহাস বিচাৰি যাওঁতে আমি প্ৰতিষ্ঠাৰ সময়ৰ পৰা বৰ্তমানলৈকে কলেজখনৰ প্ৰতি থকা ছাত্ৰী মঞ্চৰ আন্তৰিকতা তথা দায়বদ্ধতাৰ বিষয়ে নিশ্চয়কৈ অনুধাৱন কৰিব পাৰিব লাগিব। কলেজখনৰ লগত জড়িত হৈ থাকি বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত এই মঞ্চই আগবঢ়াই অহা কিছু সহযোগিতাৰ বিষয়ে এই লিখনিৰ মাধ্যমেৰে যৎকিঞ্চিতভাৱে জনাবলৈ চেষ্টা কৰা হৈছে।

Scanned with OKEN Scanner

সকলোবে সুবিধাব প্রতি লক্ষ্য বাখি মহাবিদ্যালয়ব গ্রন্থাগাবলৈ এই মঞ্চই প্রায় ১০ বছব আগতেই ৬০,০০০/- টকা ব্যয়েবে এক জেবক্স মেচিন ক্রয় কবাব লগতে অর্থনীতি বিভাগে অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যলয় তর্ক প্রতিযোগিতাখনতো আর্থিক সাহায্য প্রদান কৰিছিল। (বর্তমান এই জেৰক্স মেচিন বিকল অৱস্থাত থকাব বাবে মঞ্চৰ তৰফৰপৰা ইয়াৰ বিকল্প ব্যৱস্থাৰ বিষয়ে চিন্তা চর্চা কৰি থকা হৈছে)। কেইবাটাও বিভাগত কিতাপ বাখিবৰ বাবে মঞ্চৰ তৰফৰপৰা আলমাৰীৰ যোগান ধৰা হৈছিল। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্রাক্তন ছাত্রী সকলে মাজে সময়ে নিজ নিজ বিভাগলৈ অথবা মূখ্য গ্রন্থাগাৰলৈ কিতাপৰ টোপোলা আগবঢ়াই আহিছে। শিৱসাগৰ ছোৱালী কলেজৰ প্রাক্তন ছাত্রী শ্রীযুতা মনীষা মজিন্দাৰ বৰুৱাই ২০০৪ চনত ২,৫৪,০০০/- টকা ব্যয়েৰে কলেজৰ বাবে এটা ভৱন নির্মাণ কৰি দিয়ে, যিটো বর্তমান কলেজ কর্তৃপক্ষই অত্যাধুনিক ভাবে গঢ় দি MCH (Mini Conference Hall) হিচাপে ব্যৱহাৰ কৰি আহিছে।

২০১৯ চনত, আন্তর্জাতিক নাৰী দিৱস উপলক্ষ্যে মঞ্চৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত, কলেজৰ প্রাক্তন ছাত্রী তথা বিশিষ্ট লেখিকা শ্রীযুতা দীপালী ভট্টাচার্য্য বৰুৱাই ছাত্রী সকলৰ মাজত নাৰীৰ সুৰক্ষা বিষয়ে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এক সুন্দৰ বিশ্লেষণ দাঙি ধৰে। পুৰণি ছাত্রী সকলৰ বহুতেই সময় সাপেক্ষে মহাবিদ্যালয়খনিৰ লগত প্রত্যক্ষভাৱে সংযুক্ত হৈ আহিছে। কেইবাগৰাকীও প্রাক্তন ছাত্রী বর্তমান এই কলেজৰ বিভিন্ন বিভাগৰ অধ্যাপিকা ৰূপে কর্মৰত।

বিভিন্ন সময়ত মঞ্চৰ তৰফৰপৰা আর্থিক ভাৱে দুর্বল ছাত্রী সকলক সাহার্য প্রদান কৰি অহাৰ লগতে ছাত্রী সকলৰ অবিদ্যায়তনিক দিশৰ বিকাশৰ প্রতিও লক্ষ্য ৰাখি, নৃত্য, গীত, ৰচনা কবিতা আবৃত্তি ইত্যাদি প্রতিযোগিতা অনুষ্ঠিত কৰি অহা হৈছে। প্রতিষ্ঠা কালৰে পৰা আজি পর্যন্ত এই মঞ্চই ছাত্রী সকলৰ সামগ্রিক বিকাশৰ প্রতি লক্ষ্য ৰাখি বিভিন্ন দিশত সুপ্রতিষ্ঠিত কিছু সংখ্যক প্রাক্তন ছাত্রীৰ দ্বাৰা বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰাব লগতে কাৰিকৰী শিক্ষাৰ আৱশ্যকীয়তা অনুধাৱন কৰি ব্যৱসায়িক ভাৱে সফল কিছু প্রাক্তন ছাত্রীৰ দ্বাৰা বিভিন্ন ধৰণৰ প্রশিক্ষণৰো (যেনে বিভিন্ন ডিজাইনৰ কেক প্রস্তুতকৰণ, পেলনীয়া বস্তুৰে প্রয়োজনীয় সামগ্রী প্রস্তুত কৰা, যোগাভ্যাস ইত্যাদি) আয়োজন কৰি আহিছে।

২০২০ চনৰ ৮ জুলাই তাৰিখে মহাবিদ্যালয়ৰ প্রতিষ্ঠা দিৱসৰ দিনটোতে, কলেজৰ পৰা ইতিমধ্যে শিক্ষা সাং কৰি ওলোৱা ১৯৮২ বর্ষৰ ছাত্রী সকলৰ অৱদানেৰে নির্মান কৰি উলিওৱা শ্বহীদ স্মৃতি সৌধটো কলেজ প্রাংগনত সেই সময়ৰ ভাৰপ্রাপ্ত অধ্যক্ষ শ্রীযুত বুদ্ধীন মিশ্র দেৱ তথা সেই সময়ৰ জিলা উপাযুক্ত শ্রীযুত লক্ষীনন্দন গগৈদেৱৰ দ্বাৰা উন্মোচন কৰা হয়।

২৯/০১/২০২৩ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ প্রাক্তন ছাত্রী মঞ্চই কলেজৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগিতাত এক বর্ণাঢ্য কার্যসূচীৰে এখন অতিশয় সফল প্রাক্তন ছাত্রী সমাৰোহৰ আয়োজন কৰে। উক্ত সমাৰোহত প্রায় দুই শতাধিক প্রাক্তন ছাত্রীয়ে প্রত্যক্ষভাৱে

Scanned with OKEN Scanner

তথা কিছু সংখ্যক দূৰণিৰ দেশ বিদেশত কর্মৰত প্ৰাক্তন ছাত্ৰীয়ে ভাৰছুৱেল মাধ্যমৰ জৰিয়তেও সংযুক্ত হৈ সমাৰোহখনত অংশগ্ৰহণ কৰিছিল। প্ৰাক্তন ছাত্ৰী সকলে নিজৰ নিজৰ অভিজ্ঞতা পুষ্ট বক্তব্যৰ লগতে তেওঁলোকৰ নৃত্য, গীত, কবিতা আবৃত্তি ইত্যাদিৰে সমাৰোহখন সাফল্যমণ্ডিত কৰি তোলে। উক্ত সমাৰোহৰ বাবে পঞ্জীয়ন কৰি প্ৰাক্তন ছাত্ৰী সকলে ছাত্ৰী মঞ্চলৈ প্ৰায় এক লক্ষাধিক টকাৰ অৱদান আগবঢ়ায়।

২০২৩ চনৰ জুন মাহত, বৰ্তমানৰ ছাত্ৰী মঞ্চৰ সভানেত্ৰী শ্ৰীযুতা জ্যোতি দত্ত বাইদেৱে কলেজৰ গ্ৰন্থাগাৰলৈ এটা বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা (Aqua guard) আগবঢ়াই সকলোৰে এক প্ৰয়োজন পূৰাবলৈ সক্ষম হয়। উক্ত বৰ্ষৰ জুন মাহৰ ২৭ আৰু ২৮ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ তৃতীয় পৰ্যায়ৰ "নাক"ৰ (National Assessment and Accreditation Council) পৰিদৰ্শনৰ পৰিপ্ৰেক্ষিতত কলেজৰ সন্মুখ ভাগত সাজি উলিওৱা আদৰণি তোৰণখনৰ বাবে প্ৰাক্তন ছাত্ৰী মঞ্চই ১৫,০০০/- টকা অনুদান আগবঢ়ায়। "নাক"ৰ পৰিদৰ্শনৰ বিষয়ে লক্ষ্য ৰাখি ২০২৩ চনৰ মে মাহত প্ৰাক্তন ছাত্ৰী মঞ্চৰ চৰকাৰী পঞ্জীয়নৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰি তোলা হয়।

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী সকলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত বিভিন্ন বিভাগৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে বিশ্ববিদ্যালয় তথা ৰাজ্যিক পৰ্যায়ত আয়োজিত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি যথেষ্ট সুনাম কঢ়িয়াই আনিছে। শিৱসাগৰ ছোৱালী কলেজৰ গৌৰৱ প্ৰাক্তন ছাত্ৰী সকল। দেশে বিদেশে কর্মৰত, বিভিন্ন ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত তথ্য নিজস্ব প্ৰতিভাৰে উজ্জ্বলিত আমাৰ প্ৰাক্তন ছাত্ৰী সকল। সকলোৰে নাম উল্লেখ কৰিবলৈ গ'লে হয়তো এই তালিকা যথেষ্ট দীঘলীয়া হৈ পৰিব। তথাপিও কলেজখনৰ লগতে সমগ্ৰ অসমবাসীয়ে গৌৰৱ কৰিব পৰা কিছুসংখ্যক প্ৰাক্তন ছাত্ৰীৰ নাম নললে হয়তো এই লিখনি আধৰুৱা হৈ ৰ'ব।

প্ৰথমতেই ক'ব বিচাৰিম আমাৰ সকলোৰে শ্ৰদ্ধাৰ ড° কৰবী ডেকা হাজৰিকা বাইদেউৰ বিষয়ে। আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰী বাইদেউ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপিকা, প্ৰবীণা শইকীয়া বঁটা, কাব্য হৃদয় সম্মান, মামণি ৰয়ছম গোস্বামী বঁটা ইত্যাদি বিভিন্ন সন্মানীয় বঁটাৰে বিভূষিত। একেধাৰে কবি, সাহিত্যিক, উপন্যাসিক তথা বিশিষ্ট শিক্ষাবিদ বাইদেউ আমাৰ সকলোৰে গৌৰৱ। শিৱসাগৰ ছোৱালী কলেজৰ "কলেজ সংগীত"টি শ্ৰদ্ধাৰ বাইদেউৰ দ্বাৰাই ৰচিত। এইবাৰ ল'ব খুজিছোঁ, আমাৰ কলেজৰ প্ৰাক্তন ছাত্ৰী শ্ৰদ্ধাৰ দীপালী দত্ত শইকীয়া বাইদেউৰ নাম। অসম চৰকাৰৰ দ্বাৰা শিল্পী সন্মান লাভ কৰা বাইদেউ অনাতাঁৰ স্বীকৃতিপ্ৰাপ্ত বিশিষ্ট গায়িকা। অসম বিধানসভাৰ প্ৰাক্তন উপাধ্যক্ষা ৰেণুপমা ৰাজখোৱা বাইদেউ, শিৱসাগৰ ছোৱালী কলেজৰে প্ৰাক্তন ছাত্ৰী। বিশিষ্ট সাহিত্যিক ড° অৰুন্ধতী মহন্ত বাইদেউৰ লগতে প্ৰৱন্ধকাৰ বেবী সোণোৱাল হাজৰিকা, শিশু সাহিত্য অকাডেমি বঁটাৰে বিভূষিত মাধুৰীমা ঘৰফলীয়া, "আমেৰিকাৰ ইটো সিটো" খ্যাত বিভিন্ন কাকত আলোচনীৰ নিয়মীয়া লেখিকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৱাসী মানসী বৰা, নৱ প্ৰজন্মৰ জনপ্ৰিয়

Scanned with OKEN Scanner

লেখিকা ইন্দ্রানী শর্মা এই সকলো শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী। উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ মহিলা বাগিচা পৰিচালক শ্ৰদ্ধাৰ মঞ্জু বৰা বাইদেউৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত কৰ্মৰত চিকিৎসক, অধিবক্তা, স্বাধীন ব্যৱসায়ী, ডিজাইনাৰ, উদ্যোগপতি, ইঞ্জিনিয়াৰিং ক্ষেত্ৰত, প্ৰশাসনিক সেৱাত, সাংস্কৃতিক ক্ষেত্ৰত, গৱেষণাৰ ক্ষেত্ৰত, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াৰ লগত শিৱসাগৰ ছোৱালী কলেজৰ কিমান ছাত্ৰী সফলতাৰ শীৰ্ষত বিচৰণ কৰি আছে সেয়া শব্দৰ জৰিয়তে প্ৰকাশ কৰিবলৈ আমি অপাৰগ। নিজস্ব প্ৰতিভাৰে উজ্জ্বলিত হৈ আমাৰ লগতে সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰত্যেক গৰাকী ছাত্ৰীলৈ সকলোৰে হৈ অভিনন্দন জ্ঞাপন কৰিছোঁ লগতে সকলোৰে নাম প্ৰকাশ কৰিবলৈ অসমৰ্থ হোৱাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সৰ্বশেষত শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী মঞ্চৰ গুৰি ধৰোঁতা সকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ, তথা যিসকল প্ৰাক্তন ছাত্ৰী আমাৰ মাজৰ পৰা ইতিমধ্যে হেৰাই গৈছে তেখেতে সকললৈও গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"।

"জয়তু শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী মঞ্চ"।■

শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী, বৰ্তমান প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা।

Scanned with OKEN Scanner

শিৱসাগৰ ছোৱালী কলেজৰ মণ্টেছৰী শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী

গৈৰিকা দেৱী

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগে ২০০৬ চনৰ পৰা মণ্টেছৰী শিক্ষক প্ৰশিক্ষণ আঁচনি চলাই আহিছে। বিশ্ববিদ্যালয় অনুদান আয়োগে দক্ষতাভিত্তিক পাঠ্যক্ৰম মুকলি কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়সমূহে প্ৰচেষ্টা কৰাত সদায় উৎসাহ প্ৰদান কৰি আহিছে। সেই ভিত্তিতে ২০০৬ চনত শিক্ষা বিভাগে উক্ত আঁচনিৰ শিক্ষাদান মুকলি কৰে। এই আঁচনি চলাই নিয়াত বিশেষ উদ্যোগ হাতত লয় সেই সময়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা কুসুম ফুকন বাইদেউৱে। ইতিমধ্যে প্ৰশিক্ষণ লৈ অহা এগৰাকী প্ৰশিক্ষকে ব্যৱহাৰিক (Pratical) শিক্ষাদান কৰিছিল। মণ্টেছৰী শিক্ষা পদ্ধতি প্ৰশিক্ষণৰ বিশেষ দিশ হৈছে— ড° মেৰীয়া মণ্টেছৰীয়ে প্ৰস্তুত কৰা আত্ম নিৰ্দেশনাত্মক সঁজুলি সমূহৰ ব্যৱহাৰ কৰিবলৈ শিকোৱা। ব্যৱহাৰিক প্ৰশিক্ষণৰ বাহিৰেও শিশু মনোবিজ্ঞানৰ বিষয়েও এই আঁচনিত জ্ঞান প্ৰদান কৰা হয়। বৰ্তমান শিক্ষা বিভাগৰ অধ্যাপকসকলেও এই প্ৰশিক্ষণৰ তাত্ত্বিক দিশটোৰ জ্ঞান দিয়ে। এই প্ৰশিক্ষণ কাৰ্যসূচী ছয়মহীয়া। তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা বিষয়ৰ ওপৰতে পৰীক্ষা লোৱা হয়। শিৱসাগৰ ছোৱালী কলেজৰ তৰফৰ পৰা একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।

বৰ্তমান সময়ত মণ্টেশ্বৰী শিক্ষক প্ৰশিক্ষণ আঁচনি-ৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে উন্নত কাৰ্য্যসূচী কিছুমান হাত লোৱা হৈছে। প্ৰায়সকল ছাত্ৰীয়ে প্ৰশিক্ষণৰ অন্ততঃ সংস্থাপন লাভ কৰিছে। মহাবিদ্যালয়ৰ সামূহিক বিজ্ঞান বিভাগৰ অধীনৰ "সংস্কৃতি প্লে স্কুল"ত তেওঁলোকক ব্যৱহাৰিক প্ৰশিক্ষণৰ (Pratical teaching) প্ৰশিক্ষণ দিয়া হয়। ২০১৫ চনৰ পৰা এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰা ছাত্ৰীসকলৰ এটা খতিয়ান দাঙি ধৰা হৈছে—

চন	ছাত্ৰীৰ সংখ্যা
২০১৪	৪০ গৰাকী
২০১৫	২২ গৰাকী
২০১৬	২৬ গৰাকী

Scanned with OKEN Scanner

২০১৭	৪৪ গৰাকী
২০১৮	৪৫ গৰাকী
২০১৯	৪৭ গৰাকী
২০২০	১৯ গৰাকী
২০২১	৩০ গৰাকী
২০২২	২৭ গৰাকী
২০২৩	৩৫ গৰাকী
২০২৪	২৮ গৰাকী

প্ৰশিক্ষণৰ অন্তত ছাত্ৰীসকলৰ কেবাগৰাকীয়ে নিজাকৈ বিদ্যালয় মুকলি কৰিছে। প্ৰায়সংখ্যক ছাত্ৰীয়ে শিৱসাগৰৰ স্থানীয় প্লে' বিদ্যালয় সমূহত চাকৰি পাবলৈ সমৰ্থ হৈছে। এইখিনিতে এটা গুৰুত্বপূৰ্ণ স্বীকৃতিৰ বিষয়ে ক'ব বিচাৰিছো। ২০২৩ চনৰ পৰা এই মণ্টেশ্বৰী শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰাও স্বীকৃতি পাবলৈ সমৰ্থ হৈছে।

এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ ববে সম্পূৰ্ণ মাচুল হিচাবে ৪৫০০ টকা ভৰ্তি মাচুল হিচাবে লোৱা হয়। এই প্ৰশিক্ষণ বছেৰেকত দুবাৰ দিয়া হয়। জানুৱাৰীৰ পৰা জুন মাহলৈ প্ৰথমটো আৰু দ্বিতীয়তো আগষ্টৰ পৰা ডিচেম্বৰলৈ চলে। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত শিক্ষাতত্ত্ব বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে শ্ৰী গৈৰিকা ভট্টাচাৰ্য্য, ড° ৰণ্টু গোঁহাই, শ্ৰী বৰ্ণালী লহকৰ আৰু শ্ৰী জুৰি গোঁহায়ে তাত্বিক পাঠ্যক্ৰম প্ৰদান কৰে। ব্যৱহাৰিক পাঠ্যক্ৰম প্ৰদান কৰে শ্ৰীমতী ববী বৰবৰুৱাই।■

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক।

Scanned with OKEN Scanner

কণ কণ চৰাইৰ চুবুৰি ঃ সংস্কৃতি প্লে' স্কুল

ড° ৰাজশ্ৰী ফুকন

সংস্কৃতি প্লে স্কুল য'ত কুমলীয়া মনবোৰ পুষ্পিত হয়, মূল্যবোধে শিপা লয় আৰু আনন্দময় শিক্ষাৰ যাত্ৰা আৰম্ভ হয়। শিৱসাগৰ ছোৱালী কলেজৰ সামূহিক বিজ্ঞান বিভাগৰ এক অবিচ্ছেদ্য অংগ হৈছে 'সংস্কৃতি প্লে স্কুল'। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান বিভাগৰ পাঠ্যক্ৰমৰ অন্তৰ্গত Human Development and Family Relation শাখাৰ অধ্যয়নৰ বাবে বিভাগীয় ছাত্ৰীসকলক এখন প্লে স্কুলৰ প্ৰয়োজন হয়, য'ত ছাত্ৰীসকলে শিশুসকলক প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে পৰ্যবেক্ষণ কৰিব লগীয়া হয়। ছাত্ৰীসকলে তত্ত্ববিষয়ত অধ্যয়ন কৰা প্ৰাক-প্ৰাথমিক স্তৰৰ শিশুসকলৰ শাৰীৰিক, মানসিক, সামাজিক, আবেগিক আদি সৰ্বাঙ্গীন বিকাশৰ ব্যৱহাৰিক বিষয়ত পৰ্যবেক্ষণ কৰিব লাগে, লগতে শিশুসকলৰ পিতৃ-মাতৃ অথবা অভিভাৱকসকলৰ লগতো ছাত্ৰীসকলে প্ৰাক-প্ৰাথমিক স্তৰৰ শিশুৰ বিকাশ সম্পৰ্কে প্ৰস্তুত কৰা প্ৰশ্নাৱলী আলোচনা কৰে। এনেদৰে শিশুৰ বিকাশৰ সম্পূৰ্ণ অধ্যয়নৰ অন্তত ছাত্ৰীসকলে প্ৰতিজন শিশুৰ অধ্যয়নৰ এটা Report প্ৰস্তুত কৰি সামূহিক বিজ্ঞান বিভাগত জমা দিব লাগে। প্ৰয়োজন সাপেক্ষে এই অধ্যয়নৰ টোকা শিশুটিৰ পিতৃ-মাতৃ অথবা অভিভাৱককো জনোৱা হয়। শিশুসকলৰ এই অধ্যয়নৰ টোকাই অভিভাৱকক শিশুটিৰ বিকাশৰ ধৰণ সম্পৰ্কে বুজি উঠাত সহায় কৰে। গতিকে সামূহিক বিজ্ঞান বিভাগৰ ছাত্ৰীসকলে Human Development and Family Relation এই শাখাৰ ব্যৱহাৰিক অধ্যয়নৰ বাবে শিৱসাগৰ ছোৱালী কলেজৰ দাতিকাষৰীয়া প্ৰাক-প্ৰাথমিক বিদ্যালয়লৈ প্ৰায় প্ৰতিদিনে গৈ শিশুসকলক পৰ্যবেক্ষণ কৰাত বিভিন্ন ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। এই অসুবিধাসমূহৰ প্ৰতি লক্ষ্য ৰাখি বিভাগীয় অধ্যাপিকাসকলে শিৱসাগৰ ছোৱালী কলেজৰ পৰিচালনা সমিতি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ অনুমতি সাপেক্ষে সামূহিক বিজ্ঞান বিভাগৰ অধীনত এখন প্লে স্কুল স্থাপন কৰাৰ প্ৰস্তুতি আৰম্ভ কৰে। তাৰ ফলশ্ৰুতিতে ২০০৩ চনৰ ৪ আগষ্ট তাৰিখে সংস্কৃতি প্লে স্কুল প্ৰতিষ্ঠা কৰা হয়। এই সংস্কৃতি প্লে স্কুল স্থাপনৰ জৰিয়তে বিভাগীয় ছাত্ৰীসকলক শিশুসকলৰ বিকাশৰ theory অধ্যয়নৰ সমান্তৰালকৈ practical ৰ

Scanned with OKEN Scanner

বাবেও এটা সুন্দৰ পৰিৱেশ মহাবিদ্যালয়ৰ সামূহিক বিজ্ঞান বিভাগৰ লগতে সুবিধা কৰি দিয়া হয়। ছাত্ৰীসকলে প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ শিশুসকলৰ উপযোগীকৈ শিক্ষণ সঁজুলি তৈয়াৰ কৰে আৰু এই সঁজুলিসমূহ বিদ্যালয়ৰ পাঠদান কাৰ্যত ব্যৱহাৰ কৰা হয়।

সামূহিক বিজ্ঞান বিভাগৰ Human Development and Family Relation শাখাৰ পৰীক্ষাগাৰ হিচাবে প্ৰতিষ্ঠিত সংস্কৃতি প্লে' স্কুলৰ প্ৰতিষ্ঠা দিনৰে পৰা বৰ্তমানলৈকে প্ৰশিক্ষিত শিক্ষকৰ দ্বাৰা পাঠদান কৰি শিশুসকলক আনুষ্ঠানিক স্কুলীয়া শিক্ষাৰ বাবে প্ৰস্তুত কৰি আহিছে। তাৰ বাবে আৰম্ভণিতেই সংস্কৃতি প্লে' স্কুললৈ অহা প্ৰতিটো কণ কণ শিশুকে ভালকৈ বুজিবলৈ চেষ্টা কৰা হয়, কিয়নো প্ৰত্যেক শিশুৱেই সুকীয়া সুকীয়া গুণৰ অধিকাৰী। গতিকে সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি সংস্কৃতি প্লে স্কুলৰ বাবে কেতবোৰ নিয়মাৱলী প্ৰস্তুত কৰা হৈছে। নিয়মাৱলী অনুসৰি প্ৰতিটো শিশুকেই প্ৰতিদিনে বিদ্যালয়লৈ উষ্ম আদৰণি জনোৱা হয়। তাৰ পাছত নিৰ্দিষ্ট সময়ত প্ৰাৰ্থনা, জাতীয় সঙ্গীত আদি পৰিৱেশনেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। য'ত সকলো শিশুৱে শান্ত হৈ এই কাৰ্যত ভাগ লয়। বিজ্ঞানসন্মত ভাৱে প্ৰতিদিনৰ কাৰ্যসূচী আগতীয়াকৈ প্ৰস্তুত কৰি লোৱা হয়। খেল-ধেমালিৰ মাধ্যমেৰে শিশুসকলক ৰং কৰা, ছবি আঁকা, সাধুশুনা আৰু কোৱা, গান গোৱা, নৃত্য কৰা, কবিতা আবৃত্তি, আখৰ চিনাকি, সংখ্যা চিনাকি, পাজ'ল গেমচ্, শাৰীৰিক ব্যায়াম আদি বিভিন্ন শিক্ষা প্ৰদান কৰা হয়। এই কাৰ্যসমূহৰ যোগেদি শিশুৰ সৃজনীমূলক প্ৰতিভাৰ বিকাশ হয়, শৃংখলাবদ্ধতা শিকে, নতুন নতুন শব্দৰ লগত চিনাকি হয়, আত্মবিশ্বাস জাগে, লগতে একতা আৰু বন্ধুত্ব ভাৱ গঢ়ি উঠাত সহায়ক হয়। শিশুসকলক পৰিষ্কাৰ-পৰিচ্ছন্নতা, শৃংখলাবদ্ধতা, নিয়মানুৱৰ্তিতা জ্ঞান আদিৰ খেলৰ মাধ্যমেৰে দিয়া হয়। প্ৰতিবছৰে সংস্কৃতি প্লে' স্কুলৰ শিশুসকলৰ বাবে বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, শিশু দিৱস, শিক্ষক দিৱস আদিৰ উপৰিও সামূহিক বিজ্ঞান বিভাগৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানবিলাকত শিশুসকলক জড়িত কৰি সামাজিক দিশত উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা কৰা হয়।

সংস্কৃতি প্লে' স্কুলৰ জন্মৰে পৰাই সামূহিক বিজ্ঞান বিভাগৰ দ্বাৰাই প্ৰশাসনিক দিশবোৰ নিষ্ঠাৰে পৰিচালনা কৰাৰ লগতে শিশুসকলক শিক্ষাদান তথা সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত গঠনমূলক পৰামৰ্শ আগবঢ়াই আহিছে। প্ৰথম বছৰত আঠ্ৰে বছৰ বয়সৰ পৰা তিনিবছৰ বয়সৰ সোতৰটি কণ কণ শিশুক লৈ আৰম্ভ কৰা এই প্লে' স্কুলখনে পৰৱৰ্তী বৰ্ষত ৰাইজৰ পৰা বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ত কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ সন্তানসকলৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ শিশুসকলৰ উপৰিও শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ পৰাও কণ কণ শিশুসকলে প্ৰতি বছৰে সংস্কৃতি প্লে' স্কুলত নাম ভৰ্তি কৰা পৰিলক্ষিত হয়, যিয়ে প্লে' স্কুলখনৰ উন্নত মানদণ্ডৰ কথা প্ৰতিপন্ন কৰে। পূৰ্বৰ সংস্কৃতি প্লে স্কুলে পৰ্যায়ক্ৰমে ইয়াৰ পৰিসৰ সম্প্ৰসাৰিত কৰিবলৈও সক্ষম হৈছে। Human Development and Family Relation ৰ স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলে এই প্লে' স্কুলত ইণ্টাৰশ্বিপ

Scanned with OKEN Scanner

কৰে। তাৰোপৰি আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগে তেওঁলোকৰ মণ্টেছ্বৰী শিক্ষকৰ ব্যৱহাৰিক শ্রেণীসমূহ সংস্কৃতি প্লে' স্কুলতে শিক্ষাদান কার্যসূচী সম্পন্ন কৰি আহিছে।

সামূহিক বিজ্ঞান বিভাগৰ তৰফৰ পৰা সংস্কৃতি প্লে' স্কুলৰ সৈতে জড়িত সকলোৰে প্রতি শ্রদ্ধা তথা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে আগন্তুক বর্ষবোৰত এনেদৰেই সহায়-সহযোগৰ বাবে আমি আশাবাদী। সংস্কৃতি প্লে' স্কুলৰ বিকাশৰ এই সফল যাত্রা আব্যাহত থকাৰ লগতে সততা আৰু নিষ্ঠাৰে প্লে' স্কুলৰ প্রতিটো কণ কণ শিশুৰ বাবে এক উজ্জ্বল আৰু অনুপ্রেৰণাদায়ক ভৱিষ্যত গঢ়াত নিৰন্তৰ প্রয়াসৰ বাবে অলেখ শুভকামনা থাকিল।■

শিৰসাগৰ ছোৱালী কলেজৰ সামূহিক বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা।

Scanned with OKEN Scanner

শিৱসাগৰ ছোৱালী কলেজ এক চমু ইতিবৃত্তি

অধ্যক্ষ মঃ হাফিজুৰ ৰহমান

শিৱসাগৰ। একালৰ স্বাধীন অসমৰ প্রাণকেন্দ্র। অসমীয়া ভাষা-সংস্কৃতিৰ কেন্দ্রস্থল। ষাঠিৰ দশকত শিৱসাগৰ মহকুমাত প্রায় ৮০ খন হাইস্কুল। তাৰে ১৪খন আছিল একচেটিয়াকৈ কেৱল ছোৱালীৰ বাবে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্রীৰ সংখ্যাও ক্রমাগতভাৱে বাঢ়ি আহিব ধৰিলে। ইয়াৰ পৰিপ্রেক্ষিতত এই নগৰখনত এখন ছোৱালীৰ উচ্চ শিক্ষাৰ অনুষ্ঠানৰ প্রয়োজন সকলোৱে অনুভৱ কৰিব ধৰিলে। এইয়া আছিল প্রগতিৰ দাবী। সমাজ সচেতন লোকৰ আলোচনা-বিলোচনাৰ উপৰিও সংবাদ-পত্রাদিতো শিৱসাগৰত এখন ছোৱালী কলেজ প্রতিষ্ঠাৰ সপক্ষে মতামত ব্যক্ত হ'ল। এচাম লোকে ইয়াৰ বিৰোধিতা কৰিলেও সময়ৰ সোঁতক ভেটিব নোৱাৰিলে। এই সম্পর্কতে ১৯৬৩ চনৰ অক্টোবৰ মাহৰ আগভাগতে 'আসাম ত্রিবিউন' কাকতৰ Letters to the Editor শিতানত জনৈক প্রফুল্ল চন্দ্র কাকতিৰ এখন চিঠি প্রকাশ পায়। শিৱসাগৰ উকীল সস্থাৰ (কেইজনমান সদস্যই) বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি ততাতৈয়াকৈ এখনি ৰাজহুৱা সভা আহ্বান কৰিলে। ৰাজহুৱা স্বার্থৰ এনে এটা বিষয়ৰ ওপৰত জনমত আহ্বান কৰি প্রয়োজনীয় কার্য্য ব্যৱস্থা হাতত লোৱাটোৱেই এই সভাৰ মূল উদ্দেশ্য আছিল। সভাখন অনুষ্ঠিত হ'ল স্থানীয় নাট মন্দিৰত ১৩ অক্টোবৰ (১৯৬৩ চন) তাৰিখে পুৱা ১ বজাত। এই সভাত সভাপতিত্ব কৰিছিল স্থানীয় শিক্ষাবিদ শিৱসাগৰ টেকনিকেল স্কুলৰ প্রধান শিক্ষক শ্রী অজিত কুমাৰ গগৈদেৱে। সভাত উপস্থিত আন বিশিষ্ট ব্যক্তি সকল হ'ল প্রাক্তন সংসদী সদস্য শ্রীপ্রফুল্ল চন্দ্র বৰুৱা, শ্রীপুষ্পধৰ চলিহা (বিধায়ক), শ্রীবৈদ্যনাথ বৰপূজাৰী (অধিবক্তা), প্রাক্তন বিধায়ক শ্রীঠানুৰাম গগৈ, শ্রীনবীন চন্দ্র ভাগৰতী, শ্রীকমল চন্দ্র চুতীয়া, শ্রীসুৰেশ বৰঠাকুৰ, শ্রীপ্রণৰ কুমাৰ গগৈ (অধিবক্তা), শ্রীগিৰিজা প্রসাদ বৰুৱা, শ্রীকিৰণ কুমাৰ গগৈ (অধিবক্তা), শ্রীতোষেশ্বৰ দত্ত (অধিবক্তা) আৰু শ্রীযুতা ফুলেশ্বৰী দত্ত। সভাত উপস্থিত সকলোৱে শিৱসাগৰ নগৰত এখন ছোৱালী কলেজ স্থাপন কৰা বিষয়ত পূর্ণ সমর্থন জনায় আৰু প্রস্তাৱ যোগে এই দিশত খৰটকীয়াভাৱে প্রয়োজনীয় ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। এই অনুক্রমে উপস্থিত সদস্যক লৈ এখন কর্ণধাৰ

Scanned with OKEN Scanner

সমিতি (Steering Committee) গঠন কৰে। এই Steering Committeeৰ সভাপতি মনোনীত হয় শ্ৰী প্ৰফুল্ল চন্দ্ৰ বৰুৱা (সংসদী সদস্য), উপ-সভাপতি শ্ৰীঅজিত কুমাৰ গগৈ আৰু যুটীয়া সম্পাদকদ্বয় শ্ৰীযতীন্দ্ৰ নাথ শইকীয়া আৰু শ্ৰীপ্ৰদ কুমাৰ গগৈ। সভাত প্ৰয়োজন সাপেক্ষে অধিক সদস্য অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাব ৰাখে সিদ্ধান্ত লোৱা হয় আৰু সেই অনুক্ৰমে সভাপতিৰ পৰামৰ্শ মতে Steering Committeeত অন্তৰ্ভুক্ত কৰা ব্যক্তিসকল হ'ল মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহা, শ্ৰীগিৰীন্দ্ৰ নাথ গগৈ, শিবসাগৰ মহকুমাৰ কেওজন বিষয়ক, তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ সঞ্চালক, সকলো চৰকাৰী কাৰ্যালয়ৰ মুৰব্বী বিষয়াসকল শ্ৰী চন্দনৰাম খেমকা, শ্ৰীমাঙ্গীলাল বাগৰী, সৰ্ব্বশ্ৰী অধ্যক্ষ শ্ৰীপৰাগধৰ চলিহা, শ্ৰীজীউতৰা ভৰালী, শ্ৰীকীৰদা কুমাৰী বৰুৱা, শ্ৰীসৰজাৰতী কাকতী, শ্ৰীলাবণ্য হাজৰিকা, শ্ৰীদেবৰালা দত্ত, শ্ৰীমেলিনা ৰামস্বামী, শ্ৰীত্ৰৈলোক্যদা গগৈ, এন. বৰুৱা, ডাঃ জগন্নাথ বৰুৱা, শ্ৰীকালীপ্ৰসাদ চন্দ (অবিবক্তা), জলালুদ্দিন আহমেদ (অবিবক্তা), শ্ৰীঅমৃত গোহাঞি (অবিবক্তা), শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰকতি, আনন্দ চন্দ্ৰ বেজবৰুৱা (অবিবক্তা), গীতাম্বৰ হাজৰিকা (অবিবক্তা), জ্যোতিষেতা চলিহা, কমলা বৰদলৈ, তাৰা বেগম, উমেশ্বৰ দিহিঙ্গিয়া (অবিবক্তা), সহজানন্দ ভৰালী, মহেন্দ্ৰ বৰা, গোবিন্দ চন্দ্ৰ বৰুৱা, জগন্নাথ ঠাকুৰ, বিভূতি চলিহা, যাদৱ ঠাকুৰ, পুতুল ফুকন, নাৰায়ণ বৰুৱা, হেম হাজৰিকা, পি.চি. দত্ত, বি.আৰ. দত্ত।

— উক্ত সভাত গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি "This meeting of the representative of the Sibsagar public after due deliberation decided to start a Girls, College at the Sibsagar town from the next session (1964) and necessary steps be taken towards that end in right earnest". প্ৰাৰম্ভিক খৰচৰ বাবে সমিতিৰ সদস্যসকলৰ পৰা গইপতি ১০ টকাকৈ ধৰণি তোলাৰ সিদ্ধান্ত লোৱা হ'ব।

পৰৱৰ্তী পৰ্যায়ত Steering Committee অৰ্থাৎ কৰ্মধাৰ সমিতিৰ প্ৰথম বৈঠক ২২ অক্টোবৰ তাৰিখে কালীপ্ৰসাদ স্মৃতি ভৱনত অনুষ্ঠিত হয়। উক্ত সভাত প্ৰস্তাবিত কলেজখনিৰ বাবে এখনি উপদেষ্টা সমিতি গঠন কৰি দিয়া হ'ল। এই উপদেষ্টা সমিতিৰ সদস্যসকল হ'ল সৰ্বশ্ৰী প্ৰফুল্ল চন্দ্ৰ বৰুৱা, এম.পি. অজিত কুমাৰ গগৈ, যতীন্দ্ৰ নাথ শইকীয়া, ঠানুৰাম গগৈ, সহজানন্দ ভঁড়ালী, তোষেশ্বৰ দত্ত, গোবিন্দ চন্দ্ৰ বৰুৱা, পুষ্পধৰ চলিহা, বৈদ্যনাথ বৰপূজাৰী, মহকুমাধিপতি উমাচৰণ শৰণয়া, তাৰিণীচৰণ শৰ্মা, গিৰিজা প্ৰসাদ বৰুৱা, আনন্দ চন্দ্ৰ বেজবৰুৱা, অধ্যক্ষ পৰাগধৰ চলিহা, গুণ বৰুৱা, চন্দনৰাম খেমকা, প্ৰণব কুমাৰ গগৈ, তাৰা বেগম, মেলিনা ৰামস্বামী, ফুলেশ্বৰী দত্ত, জালালউদ্দিন আহমেদ। প্ৰয়োজন সাপেক্ষে অধিক সদস্য মনোনীত কৰিবৰ বাবে এই কমিটিক কৰ্তৃত্ব দিয়া হয়।

উক্ত সভাতে কলেজ প্ৰস্তুতি সমিতিৰ অস্থায়ী কাৰ্য্যালয় শিবসাগৰ মহকুমাৰ গান্ধীস্মাৰক নিধি তত্ত্ব প্ৰচাৰ কেন্দ্ৰতেই আৰম্ভ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। মাহিলী ৭৫ টকা দৰমহাৰ এজন পিয়ন নিযুক্তি দিয়াৰো সিদ্ধান্ত লোৱা হয়। ৩-১১-৬৩ তাৰিখৰ বৈঠকত কলেজ পৰিচালনা সমিতিয়ে

কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এই সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱিত কলেজখনৰ নাম 'শিৱসাগৰ ছোৱালী কলেজ' ৰখা, ১৯৬৪ চনৰ জুলাই মাহত আৰম্ভ হ'বলগা শিক্ষাবছৰৰ পৰাই কলেজখনি আৰম্ভ কৰা আৰু কলেজৰ যি Steering Committee য়ে কাৰ্য্যনিৰ্বাহ কৰি আছিল আৰু সেই সমিতিক শিৱসাগৰ ছোৱালী কলেজ সমিতি ৰূপে আৰু উপদেষ্টা সমিতিখনক Steering Committee হিচাপে গণ্য কৰিবলৈ আৰু Steering Committee ৰ সদস্যসকলৰ কেইজনমানক লৈ এখনি সৰু কাৰ্য্যকৰী সমিতি (Executive Committee) গঠন কৰি দিয়াৰ পৰামৰ্শ মূল সমিতিলৈ বিবেচনাৰ বাবে আগবঢ়োৱা হয়। লগতে আগন্তুক শিক্ষা বছৰৰ পৰাই কলেজৰ শ্ৰেণীসমূহ স্থানীয়, কালীপ্ৰসাদ স্মৃতিভৱনতে পুৱা আৰম্ভ কৰাৰ প্ৰস্তাৱ এই সভাত আগবঢ়ায়। সভাই তিনিখন উক্ত সমিতি গঠন কৰি দিয়ে— ১। পুঁজি উপ-সমিতি, ২। স্থায়ী স্থান নিৰ্ণয় কৰা সমিতি ৩) শিক্ষাদান বিষয়ৰ এখনি Academic Committee। কলেজ স্থাপনৰ অগ্ৰগতিৰ বিষয়ে অধিক সক্ৰিয়ভাৱে আগবঢ়াত সহায়ক হোৱাৰ বাবে কলেজৰ কাৰ্য্যালয়ৰ সময় পুৱা ৮ বজাৰ পৰা ১১ বজালৈ, বিয়লি ৩ বজাৰ পৰা ৫ বজালৈ, দেওবাৰে কেৱল আগবেলা খোলা ৰখাৰ সিদ্ধান্ত লোৱা হয়। ১৩-১১-৬৩ তাৰিখৰ উপদেষ্টা সমিতিৰ বৈঠকত শিক্ষক নিযুক্তিৰ বিষয়ে আলোচনা কৰা হয়। লগতে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক সাক্ষাত কৰি কলেজ স্থাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰামৰ্শ আৰু ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে কলেজৰ বাব পুঁজি সংগ্ৰহৰ কাম ১৪ নৱেম্বৰতে আৰম্ভ কৰাৰ আৰু কালীপ্ৰসাদ স্মৃতি ভৱনত Trust Board ৰ ওচৰত কলেজৰ শ্ৰেণীসমূহ অস্থায়ীভাৱে আৰম্ভ কৰিবলৈ ভৱনটি আগবঢ়াবৰ বাবে অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উপদেষ্টা সমিতিৰ ২৮/১১/৬৩ তাৰিখৰ এখন জৰুৰী বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু অসম চৰকাৰৰ শিক্ষামন্ত্ৰীক স্মাৰক-পত্ৰ সহিতে এটা সজাতি দল লৈ লগ কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু এই সজাতি দল শ্ৰী আনন্দ বেজবৰুৱাদেৱৰ নেতৃত্বত সৰ্বশ্ৰী অজিত কুমাৰ গগৈ, গোবিন্দচন্দ্ৰ বৰুৱা, যতীন্দ্ৰ নাথ শইকীয়া আৰু তোষেশ্বৰ দত্তক লৈ গঠিত হোৱাৰ প্ৰস্তাৱ দিয়া হয়।

১৯৬৪ চন আহিল। বছৰৰ প্ৰথম দিনটোতেই কলেজৰ Steering Committee ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক বহে। এই বৈঠকত উপদেষ্টা সমিতিৰ পৰামৰ্শ অনুযায়ী কলেজখন 'শিৱসাগৰ ছোৱালী কলেজ' হিচাবে নামকৰণ কৰাৰ সিদ্ধান্ত লোৱা হয়। উপদেষ্টা সমিতিৰ পৰামৰ্শমতেই উপদেষ্টা সমিতিখনক Steering Committee আৰু আগৰ Steering Committee খনক কলেজ সমিতি হিচাবে গণ্য কৰাৰ সিদ্ধান্ত লোৱা হয়। লগতে কলেজৰ বাবে এখনি Ad-hoc Governing Body তলত দিয়া সদস্য সকলেৰে গঠন কৰা হয়।

সভাপতি ঃ— শ্ৰী প্ৰফুল্ল চন্দ্ৰ বৰুৱা
উপ-সভাপতি ঃ— শ্ৰী অজিত গগৈ
সদস্যা ঃ— সৰ্বশ্ৰী আনন্দ চন্দ্ৰ বেজবৰুৱা, সহজানন্দ ভড়ালী, গোবিন্দ চন্দ্ৰ বৰুৱা, তাৰিণী

Scanned with OKEN Scanner

চৰণ শৰ্ম্মা, অমৃতলাল গোহাঁই, চাবলবাম খেমকা, জালালুদ্দিন আহমেদ, পৰাগধৰ চলিহা, পুষ্পধৰ চলিহা, মহকুমাধিপতি (শিবসাগৰ), দুৰ্গেশ্বৰ শইকীয়া, বৈদ্যনাথ বৰপূজাৰী, সত্যব্ৰত চলিহা, ঠানুৰাম গগৈ, কমলচন্দ্ৰ চুতীয়া।

সাধাৰণ সম্পাদক ঃ— শ্ৰীতোষেশ্বৰ দত্ত

বুটীয়া সম্পাদক ঃ— শ্ৰীযতীন্দ্ৰ নাথ শইকীয়া আৰু শ্ৰীপ্ৰণৱ কুমাৰ গগৈ

কোষাধ্যক্ষ ঃ— শ্ৰীগিৰিজা প্ৰসাদ বৰুৱা

দুৰ্ভাগ্যবশতঃ শ্ৰীযতীন্দ্ৰনাথ শইকীয়াই তিনিতৰপৰীয়া ব্যবস্থাৰ বিৰোধিতা কৰি সভাত কিছু কথা ক'বলৈ চেষ্টা কৰোঁতে সভাপতিয়ে অনুমতি নিদিয়াত অসন্তুষ্ট হৈ সভাগৃহ ত্যাগ কৰে আৰু পিছত কলেজ সমিতিৰ সদস্য পদৰ ইস্তফা পত্ৰ পঠায়। এই সভাতে কালীপ্ৰসাদ স্মৃতি ভৱনৰ কৰ্ত্তৃপক্ষই কলেজৰ শ্ৰেণীসমূহ সাময়িকভাৱে তাতে আৰম্ভ কৰিবলৈ অনুমতি দিয়াৰ কথা সদস্যসকলক অবগত কৰোৱা হয়।

তদৰ্থ কলেজ পৰিচালনা সমিতিৰ Ad-hoc Governing Body ৰ ইয়াৰ পিছৰ প্ৰথম বৈঠক ১৬/১/৬৪ তাৰিখে অনুষ্ঠিত হয় আৰু জুলাই মাহত আৰম্ভ হ'ব লগা শিক্ষা বছৰৰ পৰাই প্ৰাক্-স্নাতক আৰু স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰীৰ নাম ভৰ্ত্তি কৰাৰ ব্যবস্থা হাতত ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লোৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ১০,০০০+৫০০০ টকাৰ স্থায়ী আমানত ৩০ জানুৱাৰীৰ ভিতৰতে সংগ্ৰহ কৰি বিধিগতভাৱে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত আবেদন জনাবৰ বাবে স্থিৰ কৰে। লগতে কলেজৰ অধ্যক্ষ আৰু শিক্ষক নিযুক্তিৰ বিষয়টি আলোচনা কৰি পদসমূহৰ বাবে স্থানীয়ভাৱে জাননী দিয়াৰ ব্যবস্থা কৰে। কলেজত ভৰ্ত্তি হ'ব খোজা দূৰণিৰ ছাত্ৰীসকলৰ বাবে এটি ছাত্ৰী নিবাসৰ ব্যবস্থা কৰিবলৈ সাধাৰণ সম্পাদকক দায়িত্ব দিয়ে। এই বৈঠকতে কলেজৰ কাৰ্য্যালয় সহায়ক হিচাপে শ্ৰীত্ৰিলোচন দত্ত আৰু পিয়ন শ্ৰীসাধন দত্তক নিযুক্তি দিয়া হয়।

তদৰ্থ পৰিচালনা সমিতিয়ে দ্বিতীয় বৈঠকত (১১/১/৬৪ তাৰিখে বহা), শ্ৰী তোষেশ্বৰ দত্তক অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ লগতে ইংৰাজী বিভাগৰ বাবে শ্ৰীজীৱনচন্দ্ৰ ভট্টাচাৰ্য্য, শিক্ষা বিভাগত নীলিমা বৰুৱাক, অসমীয়া বিভাগত শ্ৰীঅনিমা ভৱালী আৰু শ্ৰীমিনতি বেজবৰুৱাক, অৰ্থনীতি বিভাগত মঃ হাফিজুৰ ৰহমানক আৰু ৰাজনীতি বিভাগৰ বাবে শ্ৰীজয়চন্দ্ৰ বৰাক অধ্যাপক/অধ্যাপিকা হিচাপে নিযুক্তি দিয়া হয়। অধ্যক্ষ শ্ৰীতোষেশ্বৰ দত্তকে সাময়িকভাৱে বুৰঞ্জী বিষয়ৰ পাঠদান কৰিবলৈ কোৱা হয়। ইতিমধ্যে ২০/১/৬৪ তাৰিখে কটন কলেজত তেতিয়াৰ অধ্যক্ষ শ্ৰীনুকুল ইচলাম ডাঙৰীয়াই বিশ্ববিদ্যালয়ৰ তৰফে কলেজ পৰিদৰ্শন কৰি যায়হি। ইচলাম ডাঙৰীয়াক যদিও প্ৰাক্ স্নাতক শ্ৰেণী প্ৰবৰ্ত্তনৰ কাৰণেহে পৰিদৰ্শনৰ দায়িত্বত বিশ্ববিদ্যালয়ে পঠাইছিল। কলেজ সমিতিৰ ফালৰ পৰা তেখেতক স্নাতক শ্ৰেণী সম্পৰ্কে এটি মন্তব্য যথাস্থানত দিবলৈ অনুৰোধ জনোৱা হৈছিল। ইফালে বেজবৰুৱা হাইস্কুলৰ ওচৰতে হোষ্টেল হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ এটা ঘৰ পোৱা গ'ল। হোষ্টেলৰ

Scanned with OKEN Scanner

উপযোগীকৈ ঘৰটো সজাই পৰাই ল'বৰ বাবে যথেষ্ট টকা (৬০০০ ৰো ওপৰ) ব্যয় কৰিব লগা হয়।

কলেজৰ বাবে পুঁজি সংগ্রহৰ এক বিশেষ অভিযান হাতত লোৱা হ'ল। ১৯৬৪ চনৰ ৬ জুনৰ পৰা ১২ জুনলৈ এসপ্তাহ জোৰাকৈ কলেজ সপ্তাহ উদ্‌যাপন কৰা হ'ল। নগৰৰ মানুহবিলাকৰ ঘৰে ঘৰে গৈ যি পায় তাকে কলেজৰ কাৰণে সংগ্রহ কৰিলে। এই কলেজ সপ্তাহত স্থানীয় স্কুল কলেজৰ ছাত্র-ছাত্রীসকলক লৈ কলেজৰ পৃষ্ঠপোষক, শুভানুধ্যায়ী ব্যক্তিসকলে এক বিৰাট শোভাযাত্রাৰ আয়োজন কৰিলে; লগতে ৰাজহুৱা সভা, চিনেমা হলত ফলক প্রদর্শন আদিৰ ব্যৱস্থা হ'ল। স্মৰণযোগ্য যে কলেজ সপ্তাহৰ সেই শোভাযাত্রাৰ উদ্বোধনী অনুষ্ঠানত বিশেষভাৱে অংশগ্রহণ কৰিলে পদ্মশ্রী নলিনীবালা দেৱীয়ে। ৰাইজৰ আশীষ শিৰত লৈ শিৱসাগৰ ছোৱালী কলেজ আনুষ্ঠানিকভাৱে উন্মোচন হ'ল ৮/৭/৬৪ তাৰিখে। সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয় উপাচার্য্য H.J. Taylor ডাঙৰীয়াই কলেজৰ দুৱাৰ মুকলি কৰে। উপাচার্য্য Taylor ডাঙৰীয়াক শিৱসাগৰলৈ অনাৰ ক্ষেত্রত সেইসময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা শ্রী গুণ বৰুৱাই বিশেষ তৎপৰতাৰে আগভাগ লৈছিল বুলি জনা যায়। আৰম্ভণিতে কলেজত ছাত্রীৰ সংখ্যা প্রাক্‌স্নাতক শ্রেণীত ১৭ গৰাকী আৰু ডিগ্রী প্রথম বার্ষিকত ৩০ গৰাকী মাত্র। এই ছাত্রীসকল বিচাৰি কলেজ সমিতিৰ সদস্যসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হোৱা ছোৱালীবিলাকৰ ঘৰলৈ গৈ অভিভাৱকসকলক ব্যক্তিগতভাৱে কলেজখনত তেওঁলোকৰ ছোৱালীবিলাকক ভর্ত্তি কৰিবলৈ অনুৰোধ জনাইছিল।

ইতিমধ্যে স্থানীয় অসামৰিক কর্তৃপক্ষই কলেজৰ বাবে নতুন ফুলেশ্বৰী ছোৱালী হাইস্কুলৰ কাষতে ৫১/২ বিঘা মাটি আৱণ্টন দিয়ে। কলেজৰ বাবে আন এটা দিশত সৌভাগ্য উদয় হ'ল। শিৱদ'লৰ কাষত থকা Settlement Buildingটো নির্দ্ধাৰিত কর্ম্মসূচীৰ অন্ত পৰাত খালী হোৱাৰ উপক্রম হ'ল। কলেজ কর্তৃপক্ষই ইয়াৰ পূর্ণ সুযোগ গ্রহণ কৰিবৰ বাবে অকনো সময় নষ্ট নকৰি চিলঙলৈ এটা সজাতি দল মুখ্যমন্ত্রী শ্রী বিমলা প্রসাদ চলিহাকে মুখ্য কৰি বিত্তমন্ত্রী, শিক্ষামন্ত্রী আৰু ৰাজহমন্ত্রীক লগ ধৰিবলৈ পঠালে। এই যাত্রা শুভযাত্রা। মুখ্যমন্ত্রী চলিহাদেৱৰ আন্তৰিক প্রচেষ্টাৰ ফলত অসম চৰকাৰৰ তৰফৰ পৰা মাত্র ১০,০০০ (দহ হাজাৰ) টকাৰ এটা নাম মাত্র মূল্যত Settlement Buildingটো শিৱসাগৰ ছোৱালী কলেজে লাভ কৰিলে। নতুনকৈ স্থাপিত হোৱা এখন কলেজৰ বাবে ই কম সৌভাগ্যৰ নহয়। ৪-৭-৬৬ তাৰিখে কলেজখন কালীপ্রসাদ স্মৃতিভৱনৰ পৰা এতিয়াৰ ঠাইলৈ অনা হয়।

১৯৬৬ চনৰ ২৫ জুনত তেতিয়াৰ কেন্দ্রীয় শিক্ষা মন্ত্রী মাননীয় এম,চি চাগলা শিৱসাগৰলৈ আহিব বুলি গম পাই কলেজ কর্তৃপক্ষই Settlement Buildingত কলেজখনি আনুষ্ঠানিক বাৰে মুকলি কৰাৰ বাবে খৰটকীয়া ব্যৱস্থা লৈছিল। সেই সভাত পৌৰহিত্য কৰিবৰ কাৰণে অসমৰ মুখ্যমন্ত্রী শ্রীবিমলা চলিহাদেৱক নিমন্ত্রণ জনোৱা হৈছিল। পিছে শেষ মুহূর্তত শ্রীচাগলা ডাঙৰীয়া শিৱসাগৰলৈ

অহাটো নহ'লগৈ। ফলত কলেজৰ উদ্বোধনী অনুষ্ঠান পিছুৱাই দিব লগা হ'ল। শেষত কলেজত ছাত্রীৰ সংখ্যা বছৰে বছৰে বাঢ়ি আহিবলৈ ধৰিলে। ছাত্রীসকলক উচ্চ শিক্ষাৰ বাট প্রশস্ত কৰি দিয়াৰ বাবে কলেজ কর্তৃপক্ষই বিভিন্ন বিষয়ত সন্মানৰ পাঠ্যক্রম (Hons. Course) খোলাত আগ্রহী হৈ পৰিল। সেই অনুক্রমে প্রথম পর্য্যায়ত অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ সন্মান শ্রেণী ১৯৬৮ চনত আৰম্ভ কৰা হয়। তাৰ পিছত ১৯৭৪ চনত ইংৰাজী বিভাগ, ১৯৭৫ চনত শিক্ষা বিভাগ, ১৯৮২ চনত অর্থনীতি বিভাগ, ১৯৮৪ চনত ভূগোল বিভাগত আৰু এই বছৰ ১৯৮৯ চনত বুৰঞ্জী বিভাগত সন্মানৰ পাঠ্যক্রম আৰম্ভ কৰা হয়। বর্ত্তমান কলেজত ডিগ্রী পর্য্যায়লৈকে পাঠদান কৰা বিষয়সমূহৰ ভিতৰত কেৱল গার্হস্থ্য বিজ্ঞান বিভাগত সন্মানৰ শ্রেণী খুলিবলৈ বাকী আছে। অদূৰ ভৱিষ্যতে এই বিভাগতো সন্মানৰ পাঠ্যক্রম প্রৱর্ত্তন কৰাৰ আশা কৰিব পাৰি। সুখৰ বিষয় যে বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পৰীক্ষাত বিভিন্ন সময়ত আমাৰ কলেজৰ ছোৱালীয়ে সন্মান পাঠ্যক্রমত উল্লেখযোগ্য সাফল্য প্রদর্শন কৰিবলৈ সমর্থ হৈছে।

এই কলেজলৈ দূৰ-দূৰণিৰ পৰা অহা ছাত্রীসকলৰ বাবে ছাত্রী নিবাসৰ প্রয়োজনীয়তা বুজি আৰম্ভণিতেই বেজবৰুৱা হাইস্কুলৰ সন্মুখত এটি ভাড়া ঘৰত ৩০/৩৫ গৰাকী ছাত্রী থাকিব পৰা ব্যৱস্থা এটা কৰি লোৱা হৈছিল। তাতেই বহু কষ্টৰে ছাত্রীসকলে আনন্দ মনেৰেই দিন নিয়াইছিল। কাৰণ আগত এক মহৎ উদ্দেশ্য। ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা অনুদানৰ সহায়ত ফুলেশ্বৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত চৰকাৰৰ পৰা পোৱা মাটিত এটি দুমহলীয়া ছাত্রী নিবাস নির্মাণ কৰা হয়। এই ছাত্রী নিবাসৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা ৩,৪২,১২৩ টকাৰ লগতে অসম চৰকাৰৰ পৰা প্রাৰম্ভিক ব্যয়ৰ শিতানত (matching grant) ১,৩৭,৮৩০ টকা ব্যয় হয়। এই ছাত্রী নিবাসে কলেজৰ এক ডাঙৰ অভাৱ পূৰণ কৰিলে যদিও ক্রমবর্দ্ধমান সংখ্যালৈ চাই ছাত্রীৰ চাহিদা পূৰাবলৈ ইয়েই যথেষ্ট নহয়। কেৱল এশগৰাকী ছাত্রীৰ বাবেহে এই হোষ্টেলত ব্যৱস্থা আছে। এনে হোষ্টেল আৰু দুই তিনিটা হ'লেহে ছাত্রীৰ চাহিদা পূৰণ কৰিবলৈ কলেজ কর্তৃপক্ষ সমর্থ হ'ব। অৱশ্যে সুখৰ বিষয় এই বছৰ জনজাতি উন্নয়ন পৰিষদৰ যোগে এই হোষ্টেলৰ লগত আৰু ১৫ গৰাকী ছাত্রী থাকিব পৰাকৈ এটি অংশ সংযোজিত হৈছে। অদূৰ ভৱিষ্যতে এনে দুই এক ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ পৰা অধিক সুবিধা লাভৰ আশা ৰাখিছো।

বর্ত্তমান লাইব্রেৰী হিচাপে ব্যৱহাৰ কৰি থকা ঘৰটি নির্ম্মাণৰ বাবে UGC পৰা ৩,৪২,১২৩ টকা আৰু অসম চৰকাৰৰ পৰা ১,৩৭,৮৩০ টকাৰ অনুদান লাভ কৰা হৈছিল।

কলেজৰ ৰূপালী জয়ন্তী বছৰতেই এক গুৰুত্বপূর্ণ পদক্ষেপ লৈ কলেজ কর্তৃপক্ষই বিজ্ঞান শাখা ১৯৮৯-৯০ (শিক্ষা বছৰৰ পৰাই মুকলি কৰিছে। ছাত্রীৰ সংখ্যা নিচেই কম হ'লেও উপযুক্ত শিক্ষকৰ জৰিয়তে নির্দ্ধাৰিত বিষয়সমূহৰ (গণিত, ৰসায়ন, পদার্থ বিজ্ঞান আৰু উদ্ভিদ বিদ্যা) শিক্ষাদান দিয়াৰ ব্যৱস্থা লোৱা হৈছে। সময়ত উচ্চতৰ মাধ্যমিক পৰিষদৰ অনুমোদন ক্রমে ভূগোল, গার্হস্থ্য

Scanned with OKEN Scanner

বিজ্ঞান বিষয় কেইটিত বিজ্ঞান শাখাৰ বাবে মুকলি কৰি দিয়াৰ চিন্তা কৰা হৈছে। বিজ্ঞান শাখা খোলাৰ বেলিকা শিৱসাগৰ কলেজৰ বিজ্ঞান শাখাৰ শিক্ষক কেইগৰাকীমানৰ হিত পৰামৰ্শৰ যোগে আমি উপকৃত হৈছিলো। কেইজনমান শিক্ষকে আৰম্ভণিতে অবৈতনিক ভাৱে কেইটিমান শ্ৰেণীত পাঠদান কৰিও আমাৰ প্ৰতি সহৃদয়তা প্ৰকাশ কৰিছিল। তেখেতসকলৰ নাম এইখিনিতে শ্ৰদ্ধাৰে উল্লেখ কৰিছো— সৰ্বশ্ৰী নকুলচন্দ্ৰ বৰুৱা, দয়ানন্দ ভৰালী, ৰণেন্দ্ৰ নাথ বুঢ়াগোহাঁই, গোলাপ গোস্বামী পদুম দত্ত, অজিত কাকতী, ডিম্বেশ্বৰ হাজৰিকা, ৰেৱতী দত্ত।

শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাৰ বিষয় শিক্ষক শ্ৰীহকিকুৰ ৰহমান আৰু এন আৰ বড়া, ফুলেশ্বৰী উঃ মাঃ স্কুলৰ শ্ৰীআনন্দ চন্দ্ৰ শৰ্ম্মাই তেনেদৰে আমাৰ সহায় কিৰলে। ইতিমধ্যে বিজ্ঞান সাখাৰ বাবে প্ৰয়োজনীয় ঘৰ-দুৱাৰ নিৰ্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছে। উল্লেখযোগ্য যে বিজ্ঞান ভৱন নিৰ্মাণৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পৰা দুই লাখ টকাৰ আৰ্থিক অনুদান দিয়াৰ কথা ঘোষণা কৰা হৈছে। যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰ কেন্দ্ৰৰ কেইজনমান উচ্চপদস্থ বিষয়াৰ সদিচ্ছাৰ বলত কম খৰছতে প্ৰস্তাৱিত বিজ্ঞান ভৱনৰ বাবে কলেজ হোষ্টেলৰ সন্মুখৰ মাটিডোখৰৰ ভূমি পৰীক্ষা (Soil Testing)ৰ কাম সহজতে সমাধা কৰা হৈছে। এই খৰালি দিনকেইটাতেই নিৰ্মাণৰ প্ৰাৰম্ভিক কামসমূহ আৰম্ভ কৰা হ'ব। ইতিমধ্যে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উত্তৰ পূৰ্বাঞ্চলৰ জেনেৰেল মেনেজাৰ R.N. Misraৰ দ্বাৰা প্ৰস্তাৱিত বিজ্ঞান ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ল। প্ৰস্তাৱিত বিজ্ঞান ভৱনৰ এটা অংশৰ বাবেহে আয়োগে আৰ্থিক সাহায্য আগবঢ়াইছে। বাকী অংশৰ বাবে স্থানীয় দুই চাৰিজন গণ্যমান্য ব্যক্তিৰ সাহায্য প্ৰাৰ্থনা কৰা হৈছে। সকলোৰে সদিচ্ছা আৰু সক্ৰিয় সহযোগত এইখিনি কাম অচিৰে সমাধা কৰিব পৰা যাব বুলি বিশ্বাস ৰাখিছোঁ। বিজ্ঞান ভৱনৰ কামত আশানুৰূপ ভাৱে আগবাঢ়িব পৰাকৈ এই দিশত সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ দিবলৈ আৰু প্ৰয়োজনীয় কাৰ্য্যব্যৱস্থা ল'বলৈ কলেজৰ কেইজনমান শুভানুধ্যায়ী ব্যক্তিক লৈ এখনি 'বিজ্ঞান উপদেষ্টা সমিতি' গঠন কৰি দিয়া হৈছে। এই সমিতিৰ উদ্যোগত স্থানীয় কেইজনমান ব্যক্তিৰ বদান্যতাৰ বলত গ্ৰন্থাগাৰৰ ওপৰত প্ৰথম মহলাত শ্ৰেণীকোঠা নিৰ্মাণৰ কাম ভালেখিনি আগবাঢ়িছে।

১৯৬৯ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা শিৱসাগৰ কলেজ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজসমূহৰ তালিকাভুক্ত হ'ল। আৰম্ভণিৰ পৰা কলেজখনৰ গুৰি ধৰা প্ৰতিস্থাপক অধ্যক্ষগৰাকী তাৰ আগতেই কলেজ এৰি গুছি গ'ল। দ্বিতীয়জন অধ্যক্ষৰূপে আহিল শিৱসাগৰ কলেজৰ এজন জ্যেষ্ঠ অধ্যাপক শ্ৰীমুহিৰাম শইকীয়া। এটা নিৰ্দিষ্ট পৰিসৰৰ মাজত আৱদ্ধ থকা কলেজখনৰ ক্ৰমাগতভাৱে বাঢ়ি অহা ছাত্ৰীৰ সংখ্যাই স্বাভাৱিকতেই কৰ্তৃপক্ষক অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ বাধ্য কৰাইছিল। ছাত্ৰীনিবাসত যথোপযুক্ত ব্যৱস্থা নাই। শ্ৰেণীকোঠা প্ৰয়োজনতকৈ কম কাৰ্য্যালয়ৰ কোঠা সৰু, কেণ্টিনত ঠাইৰ অভাৱ, গ্ৰন্থগাৰ সৰু আৰু ইমানবোৰ ছোৱালী বহি পঢ়িবলৈ ঠাই নাই, কিতাপৰ সংখ্যাও সীমিত,

এশ এবুৰি সমস্যা। অধ্যক্ষ শইকীয়াই সমস্যাবোৰৰ সম্যক উপলব্ধিৰে সমাধানৰ বাটত বাট বুলিবলৈ লৈছিলহে, তেনেতে আহিল তেখেতলৈ নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ বাবে নিযুক্তি। '৭১ চনত তেখেতে নগাঁৱলৈ গ'লগৈ। কিছুদিন উপাধ্যক্ষা নীলিমা বৰুৱাই ভাৰপ্রাপ্ত অধ্যক্ষৰ দায়িত্বৰে কলেজ চলাব লগাত পৰিল। তাৰ পিছত ১৯৭১ চনত আহিল কলেজৰ তৃতীয়জনা অধ্যক্ষ শ্রীবীৰেন বৰকটকী। তেখেতৰ আশাশুধীয়া প্রচেষ্টাত কলেজখনৰ সকলো দিশৰে পৰিবেশ ক্রমাগতভাৱে উন্নতি হোৱা দেখা গ'ল। তেখেতৰ তৎপৰতাৰে জোৰতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পোৱা আৰ্থিক অনুদান আৰু অসম চৰকাৰৰ পৰিপূৰক সাহায্যৰে মুঠ ৩,৯৯,৪৬৩.১৫ টকা ব্যয়ত এটি স্থায়ী আৰু দুমহীয়া ছাত্রী নিবাস নির্মাণ কৰা হ'ল। অৱশ্যে এই ঘৰলৈকে শেহতীয়াকৈ কলেজৰ গ্রন্থাগাৰ স্থানান্তৰিত কৰি অনা হয়। কলেজৰ গ্রন্থাগাৰ এতিয়া যথেষ্ট ডাঙৰ আৰু কিতাপ-পত্রও যথেষ্ট আছে বুলিব পাৰি। সুখৰ সময় ছাত্রীসকলক গ্রন্থাগাৰত বহি কিতাপ-পত্রাদি পঢ়ি থকা দেখিবলৈ পোৱা যায়। শিৱসাগৰ ছোৱালী কলেজ আৰু ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় দুয়োটি মহিলা শিক্ষা অনুষ্ঠান নগাঁলৈকে থকাত পৰিৱেশটোৱেই বেছ ভাল লগা। দুয়োটা অনুষ্ঠানৰ মাজত পাৰস্পৰিক বুজা পৰা আৰু সহযোগৰ প্রয়োজন। সময় সুবিধা হ'লে এই ঠাইতে এখনি প্রাক্ প্রাথমিক আৰু প্রাথমিক পর্যায়ৰ স্কুল খুলি গোটেই অঞ্চলটোকেই মহিলা শিক্ষাৰ বাবে এক আছুতীয়া অঞ্চল হিচাপে গঢ়ি তোলাৰ চিন্তা কৰিব পাৰি। বিশেষকৈ, শ্রেণীকোঠাৰ অভাৱ দূৰীকৰণৰ বাবেই কলেজ কর্তৃপক্ষৰ তৰফৰ পৰা সুবিধাজনক ভাৱে ঘৰ নির্মাণ কৰিব পৰাকৈ মাটি বিচাৰিব লগা হ'ল। শিৱসাগৰ পৌৰসভাৰ অনুগ্রহত ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক স্কুলৰ আগৰ লেবৰেটৰীৰ কাষতে এডোখৰ মাটি পোৱা গ'ল তাৰে গাতে লাগি থকা চৰকাৰী মাটি পোৱা গ'ল তাৰ গাতে লাগি থকা চৰকাৰী মাটি অকণমানো উপ্রতি সমাহর্তাৰ কার্য্যালয়ৰ পিছফালে কলেজৰ নামত আৱণ্টন দিয়া হ'ল। ইয়াৰে এডোখৰৰ লগত পাৰস্পৰিক বুজা-পৰাৰে সালসলনি কৰি মাটিৰ সীমাবোৰ পোনাই লৈ কলেজৰ ঘৰ-দুৱাৰবিলাক পৰিকল্পিতভাৱে নির্মাণ কৰাৰ উদ্দেশ্যেৰে ফুলেশ্বৰী উচচতৰ মাধ্যমিক বিদ্যালয়ৰ কর্তৃপক্ষৰ লগত কেইবাবাৰো যোগাযোগ কৰা হ'ল। কিন্তু দুর্ভাগ্যৰ বিষয়, সেই বিষয়টোত বিশেষ আগবঢ়ৰ সুবিধা নহ'ল। বৰকটকীদেৱ অধ্যক্ষ থকা কালতেই শ্রেণীকোঠাৰ প্রয়োজনত অস্থায়ী ভাৱে দুটা ঘৰ নির্মাণ কৰি সময়ৰ চাহিদা পূৰণ কৰিব লগা হ'ল। সেই ঘৰকেইটা স্থায়ীভাৱে নির্মাণ কৰাৰ জ্বলন্ত সমস্যা এটা কলেজ কর্তৃপক্ষৰ সন্মুখত বিদ্যমান। নির্দ্ধাৰিত পৰিমাণৰ মাটি নথকাৰ কাৰণে ডিব্রুগড় বিশ্ববিদ্যালয়ে শিৱসাগৰ ছোৱালী কলেজক স্থায়ীভাৱে Affiliation দিয়া নাছিল। পিছে অনাগতে চৰকাৰে কলেজৰ নামত পলাশনি পথাৰ আৰু কলেজৰ কাষতে থকা যমুনা বিলত কিছু মাটি দিয়াত কলেজৰ বর্তমান মাটিৰ পৰিমাণ বিশ্ববিদ্যালয়ে বিচৰা অনুপাতে হৈছেগৈ আৰু কলেজে Permanent affiliation পোৱাৰ বাট মুকলি হ'ল।

প্রাসঙ্গিকতাৰ হেতু এইখিনিতে উল্লেখ কৰিব খোজোঁ যে কলেজৰ গাতে লাগি থকা একমাত্র

Scanned with OKEN Scanner

চৰকাৰী অফিচ উপ-প্ৰতি সমাহৰ্তাৰ কাৰ্য্যালয়টো আৰু সেই কাৰ্য্যালয়ৰ চৌহদটো কলেজ কৰ্তৃপক্ষই কলেজৰ বাবে বিচাৰি ৰাজ্যিক চৰকাৰৰ ওচৰত গত ১৯৭১ চনৰ পৰাই আবেদন নিবেদন কৰি থকা হৈছে। সেই কাৰ্য্যালয়টো থকাৰ বাবে কলেজৰ বাবে যি এটা আছুতীয়া নিড়িবিলি পৰিৱেশ গঢ়ি তোলাৰ আৱশ্যক সেইটো হৈ উঠা নাই। যথেষ্ট লোকৰ সমাগম হোৱা এই চৰকাৰী কাৰ্য্যালয়টো চৰকাৰে অন্য ঠাইলৈ নিয়াৰ ব্যৱস্থা কৰি বৰ্ত্তমানৰ ঘৰ-দুৱাৰ, মাটি সকলো কলেজখনৰ ব্যৱহাৰৰ বাবে আগবঢ়ালে নথৈ উপকাৰ কৰা হয়। এটা সীমিত পৰিৱেশ, সীমাহীন অভাৱ অভিযোগৰ মাজতো কলেজৰ শিক্ষক শিক্ষয়িত্রী আৰু কৰ্মচাৰীসকলৰ দায়িত্বশীল চিন্তাধাৰা, সক্রিয় সহযোগিতা, ঐকান্তিক প্রচেষ্টাৰ বলত ছাত্রীসকলে এটা পৰিয়ালৰ দৰে থাকি পঢ়া শুনা, খেলা-ধূলা, নাচ-গান, তৰ্ক আদি সকলো বিষয়তে আৰম্ভণিৰে পৰা এতিয়ালৈকে কলেজৰ সুনাম অৰ্জনত যথেষ্ট অৱদান যোগাই আহিছে। বিশ্ববিদ্যালয় পৰীক্ষাসমূহত, আন্তঃকলেজ ভিত্তিক ক্রীড়া, সঙ্গীত, তৰ্ক আদি সকলো দিশতে পাৰদর্শিতা প্রদর্শন কৰি ছাত্রীসকলে আনন্দ দিব পৰাটো আমাৰ বাবে গৌৰৱৰ বিষয়। অৱশ্যে শিক্ষানুষ্ঠানৰ মর্য্যাদা অটুট ৰখাত ছাত্রীসকলৰ প্রতিভাৰ লগতে নিয়মানুবর্ত্তিতা, শৃঙ্খলাবদ্ধতা, পাৰস্পৰিক বুজাপৰা আদি অনেক গুণৰ খুউব আৱশ্যক। অনুষ্ঠানটিৰ সুনাম অক্ষুণ্ণ ৰখাৰ বাবে সকলোৱে নিজ নিজ দায়িত্বৰ প্রতি সচেতন হোৱাটো অতি প্রয়োজন আৰু সেই ক্ষেত্রত ছাত্রীসকলৰ ওপৰত আমাৰ গভীৰ আস্থা আছে আৰু মাননীয় শিক্ষক শিক্ষয়িত্রীসকলেও এই দিশত ছাত্রীসকলক সুস্থ চিন্তাৰে আগবঢ়াই নিয়াৰ দায়িত্ব বহন কৰিছে।

কলেজৰ বিষয়ে এইখিনি কথা লিপিবদ্ধ কৰাৰ সময়ত স্বাভাৱিকতে এই অনুষ্ঠানটি গঢ় দিয়াত যি সকল বৰেণ্য ব্যক্তিয়ে আশাশুধীয়া প্রচেষ্টাৰে আগবাঢ়িছিল সেই সকললৈ আমাৰ সশ্রদ্ধ প্রণাম জনাইছো। কলেজৰ গুৰি ধৰোঁতা সকলৰ ভালে কেইজন ইতিমধ্যে আমাৰ মাজৰ পৰা অনন্তধামলৈ গতি কৰিলে। যিসকলৰ ভিতৰত সততে মনলৈ অহা সকল হ'ল প্রয়াত প্রতিস্থাপক সভাপতি প্রফুল্ল চন্দ্র বৰুৱা, বিমলা প্রসাদ চলিহা, আনন্দ চন্দ্র বৰুৱা, বৈদ্যনাথ বৰপূজাৰী, তাৰিণী চৰণ শর্মা, অমৃতলাল গোহাঁই, পুষ্পধৰ চলিহা, জালালউদ্দিন আহমেদ, টঙ্কেশ্বৰ দিহিঙ্গীয়া, যতীন্দ্রনাথ শইকীয়া।

এইসকলৰ উপৰিও সততে নাম ল'ব লগা ব্যক্তিসকলৰ ভিতৰত আছে সৰ্ব্বশ্রী তোষেশ্বৰ দত্ত, গোবিন্দ চন্দ্র বৰুৱা, অজিত কুমাৰ গগৈ, গিৰিজা প্রসাদ বৰুৱা, কালীপ্রসাদ চন্দ্র, ঠানুৰাম গগৈ, চাৰলৰাম খেমকা, পৰাগধৰ চলিহা, দেৱীপ্রসাদ মজিন্দাৰ বৰুৱা, ক্ষীৰোদ বৰুৱা, প্রণৱ কুমাৰ গগৈ, প্রমোদ গগৈ। কলেজ পৰিচালনা সমিতিৰ সন্মানিত সদস্য ৰূপে কলেজৰ উন্নতি কল্পে বিভিন্ন সময়ত তেখেতসকলৰ ভিতৰত আছে প্রয়াত তাৰা বেগম, ড° নুৰুল হুদা, পূর্ণেশ্বৰ দিহিঙ্গীয়া আৰু সৰ্ব্বশ্রী ডঃ জগন্নাথ শর্মা বৰুৱা, হাজী দৰছেদ আলি, লিখনেশ্বৰ বৰুৱা, দেৱানন্দ কোঁৰৰ, ডঃ তাৰানাথ দাস, ভৱেন্দ্র নাথ গগৈ, ডিম্বেশ্বৰ বৰুৱা, ক্ষীৰদা কুমাৰী বৰুৱা, বুলু বৰুৱা, প্রফুল্ল চন্দ্র বেজবৰুৱা, আচানুদ্দিন বৰা, দীপালি চলিহা, খগেন গগৈ, প্রদীপ গগৈ, বসন্তলাল দুৱৰা, ডঃ এম.পি. বৰদোহাঞি, ডঃ ভৱেন্দ্র

নাথ ভট্টাচার্য্য, লাবণ্যপ্রভা শইকীয়া, পঙ্কজানন্দ ভবালী। সদৌটিলৈ আমাৰ আন্তৰিক শলাগ যাচিছোঁ। ইতিমধ্যে বিজ্ঞান শাখাৰ বাবে আমি স্থায়ী শিক্ষক নিযুক্তি দিবলৈ সক্ষম হৈছো। সেই শিক্ষকসকলক যেনেদৰে পাৰিতোষিক দিব লাগে দিব পৰা নাই। পুঁজিৰ অভাৱ। তথাপি শিক্ষক-শিক্ষয়িত্রী কেইগৰাকীয়ে বেচ আন্তৰিকতাৰে খাটি ছাত্রীসকলক পাঠদান কৰিছে। আশা ৰাখিছো শিক্ষক আৰু ছাত্রী দুয়ো পক্ষৰ ঐকান্তিক প্রচেষ্টাত বিজ্ঞান শাখাৰ ফলাফল আশাপ্রদ হৈ উঠিব। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হ'ব বুলি বিবেচনা কৰিছো। শিক্ষক-শিক্ষয়িত্রী কেইগৰাকীক বি অলপ বেতন দিয়া হৈছে তাকে নিয়মীয়াকৈ দি থাকিব পৰাৰ ব্যৱস্থা এটা কৰাৰ মানসেৰে আমি কেইজনমান ব্যক্তিৰ কাষ চাপি অন্তঃ এজন এজন শিক্ষকৰ দায়িত্ব এবছৰলৈ বহন কৰিবলৈ অনুৰোধ জনাইছিলো আৰ সুখৰ বিষয় এই অনুৰোধৰ প্রতি সমুচিত সঁহাৰিৰে আমাক বাধিত কৰিছে সর্বশ্রী গিৰিজা প্রসাদ বৰুৱা, দেৱী প্রসাদ মজিন্দাৰ বৰুৱা, গৌৰীভূষণ বৰুৱা, থানেশ্বৰ দত্ত আৰু তিলেশ্বৰ বৰুৱাদেৱে। তেখেতসকলৰ এই দান শিৱসাগৰ ছোৱালী কলেজৰ ইতিহাসত অৱশ্যে স্মৰণীয় হৈ ৰ'ব।■

(কলেজৰ বহু কথা সামৰি লোৱা এই লেখাটো ৰূপালী জয়ন্তী বর্ষৰ স্মৃতিগ্রন্থ 'স্মৃতিৰূপা'ৰ পৰা সংগ্রহ কৰা হৈছে।)

প্রয়াত মঃ হাফিজুৰ ৰহমান শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্রাপ্ত অধ্যক্ষ আছিল।

Scanned with OKEN Scanner

আমি কাম কৰি অহা কলেজখন

দ্রোণকান্ত কলিতা

আহোম স্বৰ্গদেউসকলে সাতৰাজ এক ৰাজ মাৰি এক ৰাজ কৰি পাটকাই পাহাৰ পাৰ হৈ প্ৰাচীন কামৰূপ ৰাজ্যলৈ আহিছিল। তেওঁলোকৰ শৌৰ্য-বীৰ্যৰ বাবেই এই ভূ-খণ্ডৰ নাম 'অসম' (ন-সম) হ'বলৈ পালে। সেই সময়ৰ প্ৰবল প্ৰতাপী ৰজাসকলৰ ভিতৰত এজন মহাবলী কোঁৱৰ আছিল গদাধৰ বা গদাপাণি। তেওঁৰ দুজন ৰাজকোঁৱৰ— লাই আৰু লেচাই (ৰুদ্ৰসিংহ আৰু শিৱসিংহ)। শিৱসিংহ স্বৰ্গদেউৰ ছত্ৰভংগ যোগ পৰাৰ কাৰণে তেওঁৰ ৰাণী (ফুলেশ্বৰী) অম্বিকা দেৱী ৰাজপাটত উঠিছিল। তেওঁৰ ৰাজত্ব কালতেই ১৭৩৩-৩৪ চনত শিৱসাগৰ নগৰত শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱীদ'ল নামৰ তিনিটা দ'ল আৰু পুখুৰী খন্দাইছিল। এই ঐতিহ্যমণ্ডিত শিৱসাগৰ পুখুৰীৰ পাৰতেই আমাৰ 'শিৱসাগৰ ছোৱালী কলেজ' (Sibsagar Girls' College) অৱস্থিত। উজনি অসমৰ ডিব্ৰুগড় জিলাৰ পিছতেই শিৱসাগৰ জিলাৰ স্ত্ৰী-শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আমাৰ 'শিৱসাগৰ ছোৱালী কলেজ'খন। এই কলেজতেই বিংশ শতিকাৰ তিনি দশকৰ ওপৰ বৰ্ষ আমি শিক্ষাদান কৰি আছিলোঁ। আমাৰ জীৱন কালতেই এই কলেজৰ দুটাকৈ জয়ন্তী বৰ্ষ উদ্‌যাপন সৌভাগ্যক্ৰমে আমি লাভ কৰিম। ১৯৬৪ চনতেই এই কলেজ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত হয়। তেতিয়াৰ পৰাই কলেজখনে সকলো দিশৰ পিছলৈ চাব লগা হোৱা নাই বুলি আমি ভাবো।

বিংশ শতিকাৰ মাজভাগৰ পৰাই আমি তৈল নগৰী ডিগবৈত চৰকাৰী অফিচৰ কৰ্মচাৰী আছিলোঁ। তাৰ পৰা গুৱাহাটীলৈ গৈ মালিগাঁৱত ৰেলৱেৰ প্ৰধান কাৰ্যালয়ত (The Head Quarters of N.E.F. Railways at Maligaon) সম পদমৰ্যদাৰ নিম্নবৰ্গৰ কেৰাণীৰ চাকৰিত নিযুক্তি লাভ কৰিছিলোঁ। আমাৰ বাল্যকালৰ পৰাই উচ্চ শিক্ষাৰ প্ৰবল ধাউতি আছিল। বিশেষকৈ শিক্ষকধৰ্মী চাকৰি কৰাতো মোৰ হেঁপাহ আছিল। আমি পঢ়া ৰাতিৰ কলেজখনত সন্মান খাপটো (Honours in Economics only) কেৱল মাত্ৰ অৰ্থনীতি বিষয়তহে আছিল। সেই সময়ত (With Hons in Economics) স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত স্নাতকোত্তৰ ডিগ্ৰীলাভ কৰাবো আকাংক্ষা উপজিছিল। অফিচৰ চাকৰি, কেৰাণী, মহৰী (নিম্ন/উচ্চ খাপৰ অফিচৰ চাকৰি) অথবা অন্য চাকৰি কৰাবো মোৰ মন নাছিল। কলেজত পঢ়াৰ সময়ৰে পৰা অসমীয়া বিষয়টোৰ প্ৰতি মোৰ এক দুৰ্বলতা আছিল। সেইবাবে কি উপায়েৰে অসমীয়াত (এম.এ. বিষয়ত) স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব পাৰি চিন্তা-

Scanned with OKEN Scanner

চর্চা কৰি থাকোতেই একেলগে ডিগ্রীত পঢ়া কেইবাগৰাকী বন্ধুৱে বিশ্ববিদ্যালয়ত অসমীয়া শ্রেণীত নাম লগোৱাতো জানিব পাৰিলোঁ। তেওঁলোকে বিশ্ববিদ্যালয়ত মই শ্রেণী কোঠাত সদায় উপস্থিত থাকিব পৰা নহ'লেও (তেওঁলোকে) কিবা পদ্ধতিৰে মোক সহায় কৰিব পৰা হ'ব বুলি কোৱাত বিশ্ববিদ্যালয়ত সেই বিষয়তে ময়ো নাম লেখোৱাইছিলোঁ। তেওঁলোকৰ সহায়-সহযোগতেই ময়ো গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সাহিত্যৰ শাখাত অসমীয়া স্নাতকোত্তৰ ডিগ্রী লাভ কৰিলোঁ। তিনি বছৰমানৰ পিছত ভাষাৰ শাখাতো স্নাতকোত্তৰ ডিগ্রী লাভ কৰিবলৈ সমর্থ হ'লোঁ।

স্নাতকোত্তৰ ডিগ্রী লাভ কৰাৰ পিছত খবৰ কাগজত বিজ্ঞাপন পালোঁ যে তেল নগৰী দুলীয়াজানৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া, ইংৰাজী আদি বিষয়ত শিক্ষকৰ প্রয়োজন হৈছে। ১৯৬৪ চনৰ পৰাই কেৰাণীৰ চাকৰিতকৈ কিছু ভাল দৰ্মহাত শিক্ষকৰ দৰ্মহা হ'ব বুলি ভাবি শিক্ষকৰ বাবে সাক্ষাৎকাৰ দি শ্রেষ্ঠতাৰ ভিত্তিত স্কুলৰ চাকৰি লাভ কৰি চাকৰি কৰি আছিলোঁ। দুলীয়াজানত বিষয় শিক্ষক স্বৰূপে কাম কৰি থাকোঁতেই (The Assam Tribune) আসাম ট্রিবিউন কাগজত জাননী দেখিলো 'শিৱসাগৰ ছোৱালী কলেজ'ত 'সাহিত্য গ্রুপ'ত অধ্যাপকৰ প্রয়োজন হৈছে। কলেজৰ অধ্যক্ষলৈ এড্রেছ (সম্বোধন) কৰি দৰ্খাস্ত দিবলৈ কৈছে। যেই নির্দেশ সেই কাম। কলেজৰ অধ্যাপকৰ চাকৰিটোৰ কাৰণে নিজ হাতৰ আখৰেৰে ইংৰাজীতে এখন দৰ্খাস্ত লিখি সেই সময়ৰ অধ্যক্ষ প্রয়াত তোষেশ্বৰ দত্ত এম.এ. (বুৰঞ্জী বিভাগ), এল.এল.বি দেৱৰ হাতত দি গ'লোঁ। তেখেতে কলেজৰ গভর্নিং বডি বহুৱাই নিযুক্তি দিয়া হ'ব বুলি মোক জনালে। দুমাহ মানৰ পিছত মৌলৈ অধ্যক্ষই এখন টেলিগ্রাম পঠালে— "Come and join as early as possible" এই বাতৰি পাই আমি কাম কৰি থকা চাকৰিৰ পৰা তিনি দিনৰ নৈমিত্তিক ছুটী লৈ শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষৰ কাষ পালোহি। তেখেতে মোক চাকৰিৰ নিযুক্তি পত্র দি পাঁচদিন ছাত্রীসকলক অসমীয়া পঢ়ুৱাবলৈ অনুৰোধ কৰিলে। অধ্যক্ষ দত্তদেৱে সেই সময়ত 'অসমীয়া দ্বিতীয় ভাষা' (Assamese Second Language) চূড়ান্ত ডিগ্রীৰ শ্রেণীত ক্লাচ ল'বলৈ দি ছাত্রীসকলক মোৰ পৰিচয় কৰি দিলে। ১৯৬৬ ছেপ্তেম্বৰ মাহৰ ২৯ তাৰিখে আমি কলেজত যোগদান কৰিছিলোঁ। আমি নিযুক্তি পোৱাৰ কেইদিনমানৰ পূর্বতে আমাৰ জ্যেষ্ঠ ভাতৃস্বৰূপ শ্রীসত্যভূষণ বৰুৱাদেৱেও (অর্থনীতি বিভাগত) আৰু মোৰ কেইদিনমানৰ পিছত ইংৰাজী বিভাগৰ শ্রী সোণাৰাম বৰুৱাদেৱেও নিযুক্তি হৈছিলহি। আমি তিনিওজনে কেইদিনমানৰ অগাপিছাকৈ স্থায়ীভাৱে কর্মৰত হৈছিলোঁ। তেতিয়াৰপৰা আমি অৱসৰ গ্রহণ কৰালৈকে তিনিওজন এই কলেজতে আছিলোঁ। সত্যভূষণদেৱে মোতকৈ আগতে আৰু সোণাৰাম বৰুৱাই মোতকৈ পিছত অৱসৰ গ্রহণ কৰে। আমি কলেজত শিক্ষাদানৰ নিচিনা পৱিত্র কর্ম কৰি থাকোতে শিক্ষাতত্ত্ব বিভাগত জন্মলগ্নৰে পৰা থকা স্বর্গীয় নীলিমা বৰুৱা বাইদেউ আৰু ৰীণা শর্মা একে বিভাগতে আছিল। তাৰ পিছত শিক্ষা বিভাগলৈ নিতাইপুখুৰী কলেজৰ পৰা স্বর্গীয় সুৰেশ ফুকন আৰু কুসুম ফুকনো আহিছিল। এই বিভাগতে অনু শর্মা আদি অধ্যাপিকা স্বৰূপে যোগদান কৰিছিল।

Scanned with OKEN Scanner

অসমীয়া বিভাগত আমাতকৈ পূর্বত আছিল অঞ্জলি (দেৱী) শর্মা আৰু মিনতি বেজবৰুৱা (ৰুণজুন)। কলেজৰ পৰা বেজবৰুৱা বৈবাহিক সূত্রে যোৱাৰ পিছতহে মই তেওঁৰ ঠাইত অসমীয়া সাহিত্য বিভাগৰ পদত নিযুক্তি পাইছিলোঁ। অঞ্জলি শর্মাও সেই একে সূত্রে আমাৰ কলেজৰ পৰা আঁতৰি যোৱাত সেই ঠাইত গড়গাঁও কলেজৰ পৰা ভাষাৰ গ্রুপলৈ শ্রী যমুনা বৰগোহাঁই আহে। আমাৰ অসমীয়াত মনোৱাৰা বেগম আৰু স্বর্গীয় এখুদি দুৱৰায়ো শিক্ষাদান কৰিছিল। নীলিমা ভট্টাচার্য নামৰ এগৰাকী অধ্যাপিকায়ে যমুনা বৰগোহাঁইৰ আগতে কাম কৰিছিল। তেওঁ আমাৰ লগৰপৰা বৈবাহিক সূত্রে আঁতৰি যাবলগা হৈছিল। তাৰ কিছুদিনৰ পিছতে শ্রী ৰঞ্জিত তামুলী সাক্ষাৎকাৰত উত্তীর্ণ হৈ কাম কৰি আছে। বর্তমান তেওঁ বিভাগৰ মুৰব্বীৰূপে আমাৰ কলেজত কাম কৰি আছে। মন্বন্তৰৰ কবি সাহিত্যিক স্বর্গীয় বীৰেন বৰকটকীদেৱ শিৱসাগৰ কলেজত অসমীয়া বিভাগত মুৰব্বী হৈ আছিল। তেখেত আমাৰ শিৱসাগৰ ছোৱালী কলেজলৈ জুলাইৰ পহিলা তাৰিখ, ১৯৭১ চনত আহি অধ্যক্ষ স্বৰূপে যোগদান কৰিছিল। অসমীয়া বিষয়ত তেখেতৰ বেচ সুন্দৰভাৱে দখল আছিল। সেয়ে সপ্তাহত নূন্যতম এটাকৈ তেখেতক চূড়ান্ত বর্ষৰ শ্রেণীত ক্লাছ ল'বলৈ অনুৰোধ কৰিছিলোঁ। তেখেতে আমাৰ অনুৰোধ ৰক্ষা কৰি আনন্দিত কৰিছিল। পিছৰ বছৰ ১৯৭২ চনত আমাৰ কলেজৰ ছাত্রী শ্রী কৰবী হাজৰিকাই ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ডিগ্রী চূড়ান্ত পৰীক্ষাত প্রথম শ্রেণীৰ প্রথম হৈ উত্তীর্ণ হৈছিল। তেওঁ এতিয়াও ডিব্রুগড় বিশ্ববিদ্যালয়ত দায়িত্বশীল অধ্যাপিকা। অৱশ্যে সম্প্রতি কলেজসমূহত চেমিষ্টাৰ পদ্ধতি প্রচলিত হোৱাৰ কাৰণে চূড়ান্ত পৰীক্ষাত প্রায়েই ভাল ৰিজাল্ট হোৱা দেখা গৈছে। সাম্প্রতিক শিৱসাগৰ ছোৱালী কলেজৰ ডিগ্রীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহ অসমীয়া বিভাগৰ দৰে অন্যান্য বিভাগবিলাকতো ভাল ফলাফল হোৱা পৰিলক্ষিত হৈছে।

আমাৰ কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক মণ্ডলীৰ ভিতৰত শ্রী সমৰ পতি সান্যাল আছিল বিভাগীয় মুৰব্বী। তেখেতৰ পিছত লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্রী লৈ অহা অধ্যাপক শ্রী সোণাৰাম বৰুৱা, শ্রী শিৰীষ কুমাৰ ভট্টাচার্য, ড° লীলা মহন্ত বৰচেতিয়া, আব্দুল হামিদ আদি অধ্যাপকসকলে কাম কৰি আছে।

ৰাজনীতি বিভাগৰ অধ্যাপকসকল মঃ চাহাবুদ্দিন আহমেদ, বীৰেন তালুকদাৰ, পিছত শিৱসাগৰ কলেজৰ পৰা অহা ড° মুনীন বৰগোহাঁই, দিলীপ (কুমাৰ) চক্রৱর্তী আদি এই বিভাগতেই আছিল।

গার্হস্থ্য বিজ্ঞান বিভাগৰ শ্রী গিৰি কুমাৰী গগৈ, স্বান্তা থমাচ আছিল। পিছত ড° মণিদীপা চক্রৱর্তী, নাজনীন আহমেদ আৰু ৰীতা বৰকটকী আদি আহি সেই বিভাগত যোগদান কৰিছিল।

অর্থনীতি বিভাগৰ হাফিজুৰ ৰহমান, শ্রী সত্য ভূষণ বৰুৱা, তৃপ্তি মল্লিকা বৰুৱা, বুধীন মিশ্র আদি অধ্যাপক-অধ্যাপিকাসকল আছিল। বুৰঞ্জী বিভাগত প্রয়াত জীতেন্দ্র নাথ বৰদলৈ, ড° সুৰেন্দ্র নাথ গোস্বামী, মুকুতা দাস বৰকাকতি, উৎপলা আদি অধ্যাপক-অধ্যাপিকাসকল আছিল। ভূগোল বিজ্ঞান বিভাগত শ্রী হৰেন বৰা, অৰুণ চন্দ্র বৈৰাগী, কিৰণ বৰুৱা, দুগ্ধ শর্মা আৰু ফনীন্দ্র চন্দ্র মাউৎ

Scanned with OKEN Scanner

আদি আছিল।

কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ উপৰিও তেওঁলোকৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত কিছুমান সা-সুবিধা থকাটো দৰকাৰ। আমাৰ কলেজৰ ছাত্ৰীসকলৰ বাবে যদিও নিজা খেল-ধেমালিৰ কাৰণে মুকলি খেলপথাৰ নাছিল তথাপিও সীমিত সা-সুবিধাৰ মাজত থাকিও ক্ৰীড়াৰ ক্ষেত্ৰত আমাৰ কলেজৰ ছাত্ৰীসকলে কেইবাবছৰো ছোৱালীৰ খেলা-ধূলাৰ সংক্ৰান্তত বিশ্ববিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া মহোৎসৱত সৰ্বশ্ৰেষ্ঠ দল স্বৰূপে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এয়া আমাৰ কলেজৰ খেলা-ধূলাৰ দায়িত্বত থকা কালছোৱাত স্বৰ্গীয় অৰুণ বৈৰাগীদেৱৰ কৃতিত্ব আছিল। কাৰণ তেওঁ বিশ্ববিদ্যালয়ত থকা কালছোৱাত নিজেও এজন সুদক্ষ নামজ্বলা খেলুৱৈ আছিল। বাহিৰত হোৱা খেল-ধেমালিৰ বাহিৰেও কলেজত ছাত্ৰীসকলে তৰ্ক, আবৃত্তি আদিৰ উপৰিও নাচ-গান-নাটক পৰিবেশনত নিজৰ যোগ্যতা দেখুৱাব পাৰিছিল। ইণ্টাৰ কলেজৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আমাৰ কলেজৰ ছাত্ৰীসকলে কেইবাবাৰো সৰ্বশ্ৰেষ্ঠ দলৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল।

এখন কলেজ সুচাৰুৰূপে চলাবলৈ শিক্ষক-শিক্ষয়িত্ৰীৰ বাহিৰেও অফিচৰো প্ৰয়োজন আছে। আমাৰ কলেজত ছাত্ৰীসকলক অফিচৰ লোকসকলেও তেওঁলোকৰ প্ৰয়োজন সাপেক্ষে দৰকাৰ হোৱা কিছুমান কাম-বনত সহায় কৰি দিয়ে। শিক্ষানুষ্ঠান এখনৰ কাৰণে ছাত্ৰীসকলৰ জিৰণি ঘৰ, অধ্যয়নৰ বাবে অধ্যয়ন কক্ষ, প্ৰতিভা আৰু জ্ঞান বিকাশৰ বাবে এটা কলেজ লাইব্ৰেৰীৰ অতি দৰকাৰী সম্পদ। আমাৰ কলেজত ছাত্ৰীসকলক এই সকলো ব্যৱস্থা সুন্দৰভাৱে দিয়া আছে বুলি জানো। আজৰি সময়ত তেওঁলোকে পুথিভঁৰালৰ কিতাপ-পত্ৰ সাময়িকভাৱে আনি অধ্যয়ন কৰিবৰ অৰ্থে ছাত্ৰীৰ অধ্যয়ন কোঠাও আছে। কলেজৰ লাইব্ৰেৰীৰ লাইবেৰীয়ানক সহায় কৰিবৰ বাবে সহযোগী কেৰাণী আৰু পিয়নে সহায়-সুবিধা যতনাই দিয়াৰ সুবিধা আছে।

এখন কলেজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰীৰ বাহিৰেও অফিচৰো প্ৰয়োজন। আমি কলেজত অধ্যাপনা কৰি থকা সময়ত অধ্যক্ষৰ অফিচ কোঠাৰ লগতে এটা অফিচৰ ঘৰো। আমাৰ কলেজৰ আৰম্ভণিৰ সময়ত অফিচলৈ অৱসৰপ্ৰাপ্ত অভিজ্ঞ এগৰাকী লোকক আমন্ত্ৰণ কৰি লোৱা হৈছিল। তেখেত আছিল স্বৰ্গীয় ত্ৰিলোচন দত্তদেৱ। অফিচৰ গাণনিক বিভাগত স্বৰ্গীয় ৰিপুনাথ দত্ত, ৰবীন হাজৰিকা, ৰোহিত বৰা, প্ৰমোদ গগৈ, গগণ কাকতি, চিত্ৰলেখা নেওগ, গীতাঞ্জলি বৰঠাকুৰ আছিল। বৰ্তমানৰ গাণনিক কনছেং ৰাজকোঁৱৰ, বীৰেন গগৈ আৰু স্বৰ্গীয় ৰবীন হাজৰিকাৰ পুত্ৰও আছে।

কলেজৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু অফিচৰ বিভিন্ন কাম-কাজত সহায় কৰিবলৈ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰো বৰ বেছি ধৰণেই আৱশ্যক আছে। আমি থকাৰ সময়ত কলেজৰ জন্মলগ্নৰ পৰা কৰ্মচাৰী স্বৰ্গীয় ফটিক শইকীয়াক পাইছিলোঁ। তেওঁ কলেজৰ কৰ্মৰ পিছত কেতিয়াবা বন্ধতো কলেজৰ ভগা-ছিগা বেঞ্চ-ডেস্ক বিলাক মেৰামতি কৰিছিল। অৱশ্যে সেইবিলাক মেৰামতিৰ বাবে তেওঁক

Scanned with OKEN Scanner

উপৰঞ্চি পাৰিতোষিক দিয়া হৈছিল। অৱশ্যে ফটিকৰ পিছত তোলন, বিমল, শ্রীকান্ত, দেৱ, কৈলাশ দত্ত আৰু সোণোৱাল নামৰ এজন পিয়ন আছিল। স্বীকৃতি দিবলগা কথা যে চতুর্থ শ্রেণীৰ এজন কর্মচাৰী সোণপোৱাৰ ল'ৰা এটিয়ে অর্থনীতি বিষয়ত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্রীত প্রথম শ্রেণী লাভ কৰিবলৈ সক্ষম হয়।

আমি কলেজত কাম কৰাৰ সময়ত নির্দিষ্ট সময়ৰ ধৰা-বন্ধা নিয়ম-নীতি নাছিল। অৱশ্যে আমাৰ সময়ত দর্মহা-পাতিবোৰ আজিকালিৰ দৰে নাছিলেই। আমাৰ সময়ত সামান্য দর্মহাতে আমি বৰ সুখী আছিলোঁ আৰু আমাৰ মাজত মিলা-প্রীতিৰ ভাৱৰ আছিল। পৰস্পৰে পৰস্পৰক সঁচা ভালপোৱা আছিল। আমাৰ চাকৰিৰ কালত যদি কোনোবা এজনে নতুন চোলা বা পেণ্ট লয় তেন্তে সেই বস্তুটোৰ প্রকৃত দামৰ দুগুণ-ডেৰগুণ দাম আদায় কৰোঁহক চাহ-মিঠাই খাওঁতে। এয়া এক সম্প্রীতিৰ চিহ্ন বুলি ক'ব পাৰি। আমাৰ চাকৰিৰ কালত শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্রীসকলৰ মাজত সদ্ভাৱ আৰু বুজা-পৰাৰ অভাৱ নাছিল। আজিৰ দিনৰ শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্রীসকলৰ মাজতো এই সদ্ভাৱ-সম্প্রীতি আছে বুলি আমি ভাবোঁ।

আমি ১৯৬৬ চনত কর্মত নিয়োগ হোৱাৰ সময়ত শিৱসাগৰ ছোৱালীল কলেজৰ অধ্যক্ষ আছিল স্বর্গীয় তোষেশ্বৰ দত্ত এম.এ (বুৰঞ্জী বিষয়), এল.এল.বি। কিন্তু কিবা কাৰণত দত্তছাৰে কলেজৰ অধ্যক্ষ পদ ত্যাগ কৰিবলগা হোৱাৰ কাৰণে স্বর্গীয় নীলিমা বৰুৱা (শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিক) বাইদেউ হৈছিল কলেজৰ অধ্যক্ষা। তেখেতৰ পিছত স্বর্গীয় মুহিকান্ত শইকীয়াদেৱ অধ্যক্ষ পদত আছিল। আমাৰ কলেজৰ অধ্যক্ষ হৈ থাকোঁতেই তেখেত নগাঁও কলেজলৈ অধ্যক্ষ স্বৰূপে যাবলগা হ'ল। তেখেত এটা সময়ত নগাঁও সমষ্টিৰৰ পৰা এম.পি.ও আছিল। তেখেত নগাঁৱলৈ যাব লগা হোৱাৰ পিছত ১৯৭১ চনৰ পহিলা জুলাই তাৰিখে শিৱসাগৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী স্বর্গীয় বীৰেন বৰকটকীদেৱে শিৱসাগৰ ছোৱালী কলেজত অধ্যক্ষ ৰূপে যোগ দিয়ে। তেখেতে ১৯৮৫ চনত আমাৰ কলেজৰ পৰাৰ অৱসৰ গ্রহণ কৰে। মহম্মদ হাফিজুৰ ৰহমানদেৱে বৰকটকীৰ পিছত কলেজৰ অধ্যক্ষ পদৰ দায়িত্বভাৰ গ্রহণ কৰিছিল। তেওঁৰ অধ্যক্ষতাৰ কালতে ১৯৯৭ চনৰ পহিলা এপ্রিলত আমি কলেজৰপৰা অৱসৰ ল'লো। তেওঁৰ পিছত বীৰেন্দ্র কুমাৰ তালুকদাৰৰ (নির্বাচিত অধ্যক্ষ), মঃ চাহাবুদ্দিন আহমেদ, সোণাৰাম বৰুৱা, যমুনা বৰগোহাঁই, দিলীপ চক্রৱর্তী আদি অধ্যক্ষৰ আসনত আছিল। চক্রৱর্তীৰ পিছত নির্বাচিত অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনদেৱে ছোৱালী কলেজৰ অধ্যক্ষৰ পদ সালংকৃত কৰে।

আমি কলেজত কাম কৰি থকাৰ সময়তে ১৯৮৮-৮৯ চন মানত আমাৰ কলেজত বিজ্ঞান শাখা এটা খোলা হৈছিল। সেই সময়ত কলেজৰ অধ্যক্ষ আছিল মঃ হাফিজুৰ ৰহমান। কিন্তু কিবা কাৰণত গ্রাণ্ট-ইন-এইড্ (Grant-in-Aid) নহ'ল। সেয়েহে কলেজৰ ভালেমান তীক্ষ্ণবুদ্ধিসম্পন্ন অধ্যাপক-অধ্যাপিকাই কম পাৰিতোষিকতে কর্ম কৰি থাকিবলগীয়া হৈছিল। সম্প্রতি ড° হেমন্ত কুমাৰৰ

ফুকনদেৱৰ তৎপৰতাত শাসকীয় বিভাগে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ নিৰিখত বিজ্ঞান শাখাৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ দৰ্মহা-পাতি দিব বুলি জানিবলৈ পাই আমি বৰ আনন্দিত হৈছোঁ। বৰ্তমান কলেজখন থকা ঠাইৰ পৰা ডেৰ-দুই কিলোমিটাৰ দূৰত, ধাই আলিৰ কাষৰ বনিয়াবাৰী নামৰ ঠাইত কলেজৰ নামত ৬-৭ বিঘা মান মাটি আছে। সেই ঠাইখিনিত পকী বেৰো দিয়া আছে। ৰুৰেল ডেভেলপমেণ্ট (Rural Development) নামৰ কৰ্চ এটা বৰ্তমান কলেজত চলি আছে। এই কৰ্চৰ যোগেদি অধ্যক্ষৰ তত্ত্বাৱধানত বনিয়াবাৰীত ২০০৬-০৭ বৰ্ষ মানত এখন কলবাৰী পাতিছিল। সেই ঠাইত কলেজৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ কাৰণে আবাস গৃহ আৰু ছোৱালীসকলৰ বাবে ছাত্রী নিবাস নির্মাণ কৰিব পাৰিলে কলেজৰ পৰিসৰ বৃদ্ধি হোৱাৰ লগতে দূৰণিৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকলৰ সকলৰো সুবিধা হ'ব বুলি আমি ভাবোঁ।

বৰ্তমান আমাৰ কলেজৰ অধ্যক্ষগৰাকী বৰ কর্মতৎপৰ আৰু অনুসন্ধিৎসু লোক। তেখেতৰ দিনতে পুৰণা কলেজ চৌহদৰ ভিতৰত কেইবাটাও নতুন গৃহ নির্মাণ হ'ল। তাৰ উপৰিও Solar System ৰ জৰিয়তে শক্তি আহৰণ কৰিব পৰা ব্যৱস্থা কৰিলে। বৰ্তমান ছাত্রী নিবাসৰ ঠাইত নতুনকৈ বিজ্ঞান ভৱন এটি নির্মীয়মান অৱস্থাত আছে। মুঠতে ড° হেমন্ত কুমাৰ ফুকনকেৰে তেখেতৰ নেতৃত্বত প্রশাসনিক, বিদ্যায়তনিক আদি সকলো দিশতে কলেজখন আগবঢ়াই নিবলৈ সক্ষম হ'ব বুলি আমি আশাবাদী। জয়তু শিৱসাগৰ ছোৱালী কলেজ।■

বিঃদ্রঃ- বিস্মৃতিৰ হেতু শিক্ষক-শিক্ষয়িত্রী আৰু বিভিন্ন কর্মচাৰীসকলৰ নাম উল্লেখ কৰিব পৰা নহ'বও পাৰে। তাৰ বাবে অসন্তুষ নকৰে যেন।

(কলেজৰ সোণালী জয়ন্তী বর্ষৰ স্মৃতিগ্রন্থ 'উপায়ন'ৰ পৰা এই লেখাটো পুনৰ প্রকাশ কৰা হৈছে।)

প্রয়াত দ্রোণকান্ত কলিতাদেৱ শিৱসাগৰ ছোৱালী কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল।

Scanned with OKEN Scanner

চিন্তন শিতান

নতুন শিক্ষানীতি আৰু অসমৰ কলেজসমূহ

হেম ফুকন

যোৱা ১৯ জুলাই, ২০২৪ তাৰিখে 'ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০'এ চাৰি বছৰ অতিক্ৰম কৰিলে। ২০২০ চনৰ ২৯ জুলাই তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা নতুন শিক্ষানীতিখন জনসাধাৰণৰ হাতত তুলি দিয়া হৈছে বুলি সংবাদ মেল যোগে ঘোষণা কৰাৰ লগে লগে ই আনুষ্ঠানিক মান্যতা লাভ কৰিছিল। পৰৱৰ্তী সময়ত ৰাজ্যসমূহৰ ভিতৰত কৰ্ণাটক চৰকাৰে নতুন শিক্ষানীতি গ্ৰহণ কৰাৰ কথা প্ৰথমতে ঘোষণা কৰিছিল। অসম চৰকাৰো পিছ পৰি নাথাকিল। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২২ চনৰ ভিতৰত নতুন শিক্ষানীতিৰ ৭৫ শতাংশ আৰু ২০২৩ চনত অৱশিষ্ট ২৫ শতাংশ ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰি 'ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০'ক আদৰণি জনাইছিল। উল্লেখ্য যে, শিক্ষা হৈছে ভাৰতীয় সংবিধানখনে ধাৰ্য কৰা অন্যতম উমৈহতীয়া সূচী(Concurrent list)ৰ বিষয়। সেইমতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰে শিক্ষা বিষয়টোত অধিকাৰ আছে। সেই অধিকাৰ খটু�ৱাই কেন্দ্ৰীয় শিক্ষানীতিৰ দুই এটা কথা ৰাজ্য চৰকাৰে সালসলনিও কৰিব পাৰে। অসমত অৱশ্যে নতুন শিক্ষানীতিৰ এশ শতাংশই কাৰ্যকৰী কৰাৰ কথা মুখ্যমন্ত্ৰীৰ ঘোষণাত ইতিমধ্যে নিশ্চিত হৈছে।

'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০' হৈছে ভাৰতবৰ্ষত প্ৰৱৰ্তিত তৃতীয়টো শিক্ষানীতি। পূৰ্বতে ১৯৬৮ আৰু ১৯৮৬ চনত ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীৰ প্ৰধানমন্ত্ৰিত্বৰ কাৰ্যকালত যথাক্ৰমে প্ৰথমটো আৰু দ্বিতীয়টো শিক্ষানীতি প্ৰৱৰ্তন কৰা হৈছিল। কোৱা বাহুল্য যে শিক্ষানীতি আৰু শিক্ষা আয়োগ সমাৰ্থক নহয়। শিক্ষা আয়োগে শিক্ষা বিষয়ত চৰকাৰক দিহা পৰামৰ্শ দিয়ে। আনহাতে শিক্ষানীতিৰ ভিত্তিত চৰকাৰে শিক্ষা বিষয়ত নীতি নিৰ্দেশনা জাৰি কৰে। শিক্ষা আয়োগৰ পৰামৰ্শৰ ভিত্তিত অৱশ্যে চৰকাৰে শিক্ষানীতি ঘোষণা কৰিব পাৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে কোঠাৰী আয়োগ (১৯৬৪-১৯৬৬)ৰ পৰামৰ্শাৱলীৰ ওপৰত ভিত্তি কৰিয়েই ইন্দিৰা গান্ধীৰ আমোলত ১৯৬৮ চনত ভাৰতৰ প্ৰথমটো শিক্ষানীতি (National Policy on Education চমুকৈ NPE) ঘোষণা কৰা হৈছিল। ১৯৮৬

Scanned with OKEN Scanner

চনত প্ৰৱৰ্তিত শিক্ষানীতিয়ে দেশৰ কাৰিকৰী শিক্ষা, বিশেষকৈ কম্পিউটাৰ শিক্ষা খণ্ডত এক নতুন যুগৰ সূচনা কৰিছিল আৰু বিশ্বায়নৰ বাবে পথ প্ৰশস্ত কৰিছিল। ৩৪ বছৰৰ ব্যৱধানত ২০২০ ৰ শিক্ষানীতিখনত গাঁথনিগত (Structural) আৰু ভাৱাদৰ্শগত (Ideological) ভাবে ভাৰতৰ শিক্ষা ব্যৱস্থাটোক পৰিৱৰ্তন কৰাৰ লক্ষ্য আৰু উদ্দেশ্য নিতান্তই প্ৰত্যাশিত আছিল। বিদ্যালয় শিক্ষা আৰু উচ্চশিক্ষা— এই দুয়োটা স্তৰতে অনাগত দিনবিলাকত এনে পৰিৱৰ্তন দ্ৰুত গতিত অনুভূত হ'ব।

৬৬ টা পৃষ্ঠাত লিপিবদ্ধ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অৰ্ধেক অংশত বিদ্যালয়ৰ শিক্ষাৰ কথা কোৱা হৈছে। ভাৰতৰ সংবিধানত ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক বিনামূলীয়াকৈ শিক্ষাদান কৰাৰ দায়িত্ব চৰকাৰৰ হাতত ন্যস্ত কৰাৰ কথা নিৰ্দেশনাত্মক নীতি (Directive Principle)ত কোৱা হৈছে। ২০০৯ চনৰ 'শিক্ষাৰ অধিকাৰ আইন' (Right to Education চমুকৈ RTE)খনে এই নিৰ্দেশনাক আইনী ৰূপ প্ৰদান কৰিছে। নতুন শিক্ষানীতিত পূৰ্বৰ ৬ বছৰৰ ঠাইত ৩ বছৰ আৰু ১৪ বছৰৰ ঠাইত ১৮ বছৰলৈকে বিদ্যালয় শিক্ষাৰ ভিতৰত সাঙোৰা হৈছে। এনে প্ৰেক্ষাপটত শিক্ষাৰ অধিকাৰ আইনখনৰ সংশোধন জৰুৰী হৈ পৰিছে। স্মৰ্তব্য যে, শিক্ষানীতিৰ খচৰাখনত আইনখন সংশোধন কৰাৰ কথা কোৱা হৈছিল। অথচ চৰকাৰে এই পৰ্যন্ত কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। ফলত এই দফাটো বলবৎ কৰোঁতে ভৱিষ্যতে আইনগত অসুবিধা ভৱিষতে উদ্ভৱ হ'ব পাৰে।

গাঁথনিগত পৰিৱৰ্তনৰ ক্ষেত্ৰত বিদ্যালয় শিক্ষাৰ উল্লেখযোগ্য কথাটো হ'ল এয়ে যে বৰ্তমানলৈকে চলি থকা ১০+২ ৰ ঠাইত অনতিপলমে ৫+৩+৩+৪ গাঁথনিত পাঠ্যক্ৰমৰ নতুন স্তৰ বিন্যাস হ'ব। এই নতুন গাঁথনিটো তলত দিয়া ধৰণৰ—

স্তৰ	শ্ৰেণীসমূহ	বয়স	মুঠ বছৰ
বুনিয়াদী স্তৰ (Foundational Stage)	প্ৰাক-প্ৰাথমিক, প্ৰথম আৰু দ্বিতীয়	৩ৰ পৰা ৮	৫
প্ৰস্তুতি স্তৰ (Preparatory Stage)	তৃতীয়, চতুৰ্থ আৰু পঞ্চম	৯ৰ পৰা ১১	৩
মজলীয়া স্তৰ (Middle Stage)	ষষ্ঠ, সপ্তম আৰু অষ্টম	১২ৰ পৰা ১৪	৩
মাধ্যমিক স্তৰ (Secondary Stage)	নৱম, দশম, একাদশ আৰু দ্বাদশ	১৫ ৰ পৰা ১৮	৪

প্ৰবন্ধৰ বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয় শিক্ষাৰ মূলগত পৰিৱৰ্তনকেইটাৰ কথা নামমাত্ৰ উল্লেখ কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত দৃষ্টি নিবন্ধ কৰিবলৈ বিচৰা হৈছে। উচ্চ শিক্ষাৰ সংস্কাৰ সাধনৰ লক্ষ্যেৰে নতুন শিক্ষানীতিত আঠোটা বিষয়ত বিশেষভাৱে আলোকপাত কৰা দেখা গৈছে। বিষয়কেইটা এনেধৰণৰ—

(১) একবিংশ শতিকাৰ কথা মনত ৰাখি কস্তুৰীৰংগন কমিটিৰ পৰামৰ্শ আনুযায়ী সমগ্ৰ উচ্চ শিক্ষা ব্যৱস্থাটোকে উদাৰনৈতিকভাৱে পুনৰ নিৰ্মাণ কৰাৰ কথা নতুন শিক্ষানীতিত কোৱা হৈছে। এনে কৰাৰ উদ্দেশ্য হৈছে নাগৰিক চেতনা বৃদ্ধি কৰা।

(২) উদাৰবাদী উচ্চ শিক্ষাক বহুমাত্ৰিক (Multidisciplinary) কৰাৰ ওপৰত নতুন শিক্ষানীতিয়ে গুৰুত্ব আৰোপ কৰিছে।

Scanned with OKEN Scanner

(৩) স্নাতক স্তৰত শিক্ষা গ্ৰহণৰ সময় পূৰ্বৰ তিনি বছৰৰ ঠাইত চাৰি বছৰ কৰা হৈছে। এই চাৰিবছৰত প্ৰৱেশ (Entrance) আৰু বহির্গমন (Exit) দুয়োটাৰে ব্যৱস্থা আছে। সেইমতে প্ৰত্যেক বছৰতে ইচ্ছা কৰিলে শিক্ষাৰ্থী এজনে বহির্গমন কৰিব পাৰিব। এবছৰ পঢ়াৰ পাছত চাৰ্টিফিকেট, দুবছৰত ডিপ্লমা, তিনি বছৰত সাধাৰণ ডিগ্ৰী আৰু চাৰিবছৰ সম্পূৰ্ণ কৰিলে অনাৰ্চসহ ডিগ্ৰী প্ৰদান কৰা হ'ব।

(৪) একমাত্ৰিক (Single-Stream) কলেজবিলাক লগ লগাই 'কলেজ কমপ্লেক্স' কৰাৰ কথা শিক্ষানীতিত আছে। অন-লাইন শিক্ষাৰ জৰিয়তে একত্ৰিত কলেজসমূহত পাঠদান কৰাৰ ব্যৱস্থা থাকিব। একে সময়তে উচ্চ শিক্ষাৰ নিয়ামক (Regulatory) সংস্থাবোৰক একেটা ছাটিৰ তললৈ অনাৰ কথা কোৱা হৈছে। সেইমতে UGC, AICTE, NCTE আদি সংস্থাবোৰৰ বিলোপ সাধন কৰি Higher Education Commission of India (HECI) নামৰ একক সংস্থা গঠনৰ ব্যৱস্থা কৰা হৈছে।

(৫) নতুন শিক্ষানীতিত মাত্ৰাভিত্তিক স্বতন্ত্ৰতা (Graded autonomy)ৰ এক নতুন আৰ্হি নিৰ্মাণ কৰা হৈছে। সেইমতে তিনিটা বৰ্গ (Grade)ত উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ ভাগ কৰা হ'ব। প্ৰথম বৰ্গ বা টাইপ-এত থাকিব গৱেষণা প্ৰধান বিশ্ববিদ্যালয়সমূহ, দ্বিতীয় বৰ্গ বা টাইপ-বিত থাকিব শিক্ষণ প্ৰতিষ্ঠানসমূহ আৰু সৰ্বনিম্ন বৰ্গ টাইপ-চিত থাকিব কলেজসমূহ। প্ৰত্যেকৰে কৰ্মক্ষেত্ৰ সুকীয়া, মৰ্যাদা সুকীয়া আৰু স্বতন্ত্ৰতাও সুকীয়া হ'ব।

(৬) উচ্চ শিক্ষাত চৰকাৰৰ আৰ্থিক ব্যয় বৃদ্ধি কৰি দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP)ৰ ৬ শতাংশ নিৰ্ধাৰণ কৰা হ'ব।

(৭) কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকৰ পদসমূহ অস্থায়ী হ'ব।

(৮) এম. ফিল. (M.Phil.) পাঠ্যক্ৰমৰ বিলোপ সাধন কৰা হ'ব।

নতুন শিক্ষানীতিত প্ৰস্তাৱিত এনেধৰণৰ সংস্কাৰসমূহে আমাৰ দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত আশানুৰূপভাৱেই ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যথেষ্ট সমালোচনাও হৈছে। সমালোচনাসমূহ ক্ৰমানুসৰি এনেধৰণৰ—

(১) শিক্ষানীতিখনত উল্লেখ কৰা প্ৰস্তাৱিত উদাৰবাদী দৃষ্টিভংগীৰে নাগৰিক চেতনা বৃদ্ধি কৰাৰ লক্ষ্য প্ৰশংসনীয়। কিন্তু যিখন দেশত মুছলমানৰ ইতিহাস, ডাৰউইনৰ বিৱৰ্তন তত্ত্ব আদি বিষয়সমূহ NCERT ৰ দৰে সংস্থাই পাঠ্যপুথিৰ পৰা বিলোপ কৰিছে, হৰপ্পা বা সিন্ধু সভ্যতাৰ ঠাইত বৈদিক সভ্যতাক আগস্থান দিয়া হৈছে, ৰোহিত ভেমুলা (১৯৮৯-২০১৬)ৰ হত্যাৰ দৰে ঘটনাবিলাকৰ অবাধে পুনৰাবৃত্তি ঘটিছে, সেইখন দেশত উদাৰতাবাদৰ পাঠ শিক্ষাৰ্থীসকলে কেনেকৈ গ্ৰহণ কৰিব সেয়া এক চিন্তনীয় বিষয়। অন্যহাতে যিখন দেশত শিক্ষাৰ গতিপথ বজাৰৰ চাহিদাই নিৰ্ণয় কৰে, সেইখন দেশত উচ্চ শিক্ষাক নাগৰিক চেতনা বৃদ্ধি কৰা কামত সঁচা অৰ্থত ব্যৱহাৰ কৰা কথাটো কিদৰে আশা কৰিব পাৰি? এনে নীতি আদৰ্শৰ অন্তৰালত যদি কিবা পৰিকল্পিত ৰাজনৈতিক অভিসন্ধি আছে সেয়া ভৱিষ্যতৰ দিনবিলাকৰ বাবে মাৰাত্মক হৈ উঠিব। এটা উদাহৰণ দিয়া হওক। CAA,

Scanned with OKEN Scanner

NRC আদিৰ মাধ্যমত আমাৰ দেশত নাগৰিকত্বৰ সংজ্ঞা সলনি কৰাৰ এক ৰাজনৈতিক পৰিকল্পনা চলিছে। মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম আৰু পঠন-পাঠনৰ সহায়ত নাগৰিক চেতনা বৃদ্ধিৰ অচিলা লৈ তেনে পৰিকল্পনাবিলাক গ্ৰহণযোগ্য কৰি তোলা কামটো অতি সহজ হ'বগৈ পাৰে। আইনক আক্ষৰিক ৰূপ দিয়াৰ কাম সংসদ, বিধানসভা আৰু ন্যায়ালয়ৰ। সেই আইনক জনমতত পৰিণত কৰাবৰ বাবে উচ্চ শিক্ষাৰ পাঠ্যপুথিসমূহ সহায়ক হ'ব পাৰে। সেয়েহে তথাকথিত উদাৰবাদী নাগৰিক চেতনাপ্ৰদত্ত শিক্ষাৰ অন্তৰালত অভিসন্ধি থকাৰ কথা নুই কৰিব নোৱাৰি। আৰ্য-সভ্যতাৰ পুনৰুত্থানৰ পোষকতা কৰা চৰকাৰ এখনে 'হিন্দুত্বৰ আধিপত্য' বিস্তাৰৰ বাবে শিক্ষানীতিৰ এই ঘোষিত লক্ষ্যটো ব্যৱহাৰ কৰিলেও সেয়েহে আচৰিত হ'বলগীয়া একো কথা নাথাকিব।

(২) শিক্ষানীতিত প্ৰস্তাৱিত বহুমাত্ৰিক (Multidisciplinary) উচ্চ শিক্ষাক লৈও বিজ্ঞমহলত অনেক জল্পনা-কল্পনা চলিছে। এনে ব্যৱস্থাত বৰ্তমানৰ কলা, বিজ্ঞান, বাণিজ্য আদিৰ দৰে পানী নসৰকা ধৰণৰ ভাগসমূহ নাথাকিব। এজন শিক্ষাৰ্থীয়ে একেসময়তে ৰসায়ন বিজ্ঞান, ৰাজনীতি বিজ্ঞান, বেংকিং, দৰ্শনশাস্ত্ৰ, সাহিত্য আদি বেলেগ বেলেগ বিষয় পঢ়াৰ সুবিধা এই শিক্ষা ব্যৱস্থাত লাভ কৰিব। ওপৰে ওপৰে চালে কথাটো যথেষ্ট উদাৰ আৰু চমৎকাৰী। কিন্তু এই ব্যৱস্থাত উপলব্ধ শিক্ষা কিমানদূৰ উচ্চমানৰ হ'ব সেই লৈ অনেকে শংকা প্ৰকাশ কৰিছে। ইংৰাজীত এষাৰ কথা আছে— Jack of all trades, master of none. আমাৰ শিক্ষাৰ্থীসকলৰো অৱস্থা যদি এনে হয়গৈ তেতিয়াহ'লে কোনো এটা বিষয়তে তেওঁলোক পাৰ্গত আৰু দক্ষ হ'ব নোৱাৰিব। এই অদক্ষ অথচ তথাকথিত শিক্ষিত প্ৰজন্মক কৰ্পৰেট গোষ্ঠীয়ে বিভিন্ন কামত কম মজুৰিতে নিয়োগ কৰিবলৈ সুবিধা পাব। উদাহৰণ স্বৰূপে, গুদামৰক্ষক হিচাপে নিয়োজিত কৰ্মচাৰী এজনক প্ৰয়োজন সাপেক্ষে একেটা প্ৰতিস্থানৰ হিচাপৰক্ষক হিচাপে কাম কৰোৱাৰ সুবিধা মালিক পক্ষই পাব; এখন বিদ্যালয়ৰ ৰসায়ন বিজ্ঞানৰ শিক্ষকজনে প্ৰয়োজন হ'লে সংস্কৃত বিষয়টোও শিকাব পাৰিব; মোবাইল মেৰামতি কৰা মেকানিকজনে বিক্ৰীদাৰ হিচাপেও কাম কৰিব পাৰিব। এনে ব্যৱস্থাত সুবিধা হ'বগৈ নিয়োগকৰ্তাসকলৰহে। আনহাতে এজন শিক্ষিত কৰ্মচাৰী মূৰকত গৈ অৰ্ধ-দক্ষ অস্থায়ী শ্ৰমিকত পৰিণত হ'বগৈ। ই কৰ্ম সংস্থাপনৰ ক্ষেত্ৰখন সংকোচিত কৰিব। ফলত নিবনুৱা সমস্যা অধিক ভয়াবহ হ'বগৈ। আৰু এটা কথা, বহুমাত্ৰিক (Multidisciplinary) শিক্ষা আৰু আন্তঃবিষয়ক (Interdisciplinary) শিক্ষা সমাৰ্থক নহয়। দুয়ো দুয়োৰে বিপৰীত মেৰুত অৱস্থিত। উচ্চ শিক্ষাত প্ৰকৃততে আন্তঃবিষয়ক শিক্ষাৰহে প্ৰয়োজন আছে।

(৩) প্ৰস্তাৱিত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমত প্ৰৱেশ আৰু প্ৰস্থান পথৰ যি ব্যৱস্থা কৰা হৈছে সেই ব্যৱস্থাই উচ্চ শিক্ষিত যুৱ প্ৰজন্মৰ মাজত বৈষম্যৰ ভাৱ অধিক বৃদ্ধি কৰাৰ আশংকা আছে। পূৰ্বতে আছিল সাধাৰণ পাঠ্যক্ৰম আৰু প্ৰধান বা সন্মান (Major/Honours) পাঠ্যক্ৰম। এই দুটা ভাগে বিশেষ বৈষম্যৰ সৃষ্টি কৰা নাছিল। ২০২০ চনৰ শিক্ষানীতিত অন্তৰ্ভুক্ত চাৰ্টিফিকেট, ডিপ্লমা আদি পাঠ্যক্ৰমসমূহ কিমান ছাত্ৰ-হিতৈষী (Students' friendly) হ'বগৈ সেয়া এতিয়াই ঠাৱৰ কৰা

Scanned with OKEN Scanner

টান। কিন্তু এই ব্যৱস্থাই ছাত্রসমাজৰ বৃহৎ অংশ এটাক যে চাকৰিৰ বজাৰখনত সস্তীয়া শ্রমিকতহে পৰিণত কৰিব ই ধুৰূপ। আজিৰ তাৰিখত পূৰ্ণাংগ স্নাতকসকলৰে সংস্থাপন হোৱা নাই। সেইসকলৰ তুলনাত এবছৰীয়া বা দুবছৰীয়া পাঠ্যক্রম পঢ়া ছাত্র-ছাত্রীসকলৰ সংস্থাপন অধিক অন্ধকাৰাচ্ছন্ন নহ'বনে? সেইসকল ছাত্র-ছাত্রী হীনমন্যতাৰ চিকাৰ নহ'বনে? তদুপৰি, চাৰিবছৰীয়া পাঠ্যক্রম সম্পূর্ণ কৰাসকলে নিয়োগৰ বাবে এটা বছৰ অতিৰিক্তভাৱে অপেক্ষা কৰিবলগীয়া হোৱা কথাটোৱে দেশত নিবনুৱাৰ সংখ্যা অধিক মাত্রাত বৃদ্ধি নকৰিব নে? উল্লেখ্য যে, এই পর্যন্ত প্রচলন হৈ থকা ব্যৱস্থাত ইউ.পি.এছ.চি-এ.পি.এছ.চিৰ দৰে প্রতিযোগিতামূলক পৰীক্ষা, বিত্তীয় প্রতিষ্ঠান আদিৰ দৰে কর্মক্ষেত্রসমূহত উচ্চ পর্যায়ৰ পদসমূহৰ লগতে তৃতীয় বর্গৰ চাকৰিৰ বাবে আৱেদন কৰিবলৈ তিনিবছৰীয়া স্নাতক ডিগ্রীৰ প্রয়োজন আছিল। পৰিৱর্তিত শিক্ষাব্যৱস্থা মতে সেই একেখিনি চাকৰিৰ বাবে চাৰিবছৰীয়া ডিগ্রীৰ প্রয়োজন হ'বগৈ। চাকৰিৰ নিম্নতম অর্হতাৰ বাবে প্রয়োজনীয় ডিগ্রীটো লাভ কৰিবলৈ এতিয়াৰ তুলনাত এটা বর্ষৰ অধিক প্রয়োজন হ'ব।

(৪) নতুন শিক্ষানীতি বলবৎ হোৱাৰ লগে লগে একমাত্রিক (Single Steam) কলেজবিলাকৰ অস্তিত্বৰ সংকট আহিব আৰু তেনে কলেজসমূহৰ ছাত্র-ছাত্রীৰ অৱস্থা না-জল, না-থল হ'বগৈ। 'কলেজ কমপ্লেক্স' ধাৰণাৰ সৈতে উচ্চ শিক্ষা প্রতিষ্ঠানৰ সংকোচন নীতি জড়িত হৈ আছে। এনে ব্যৱস্থাত কলেজৰ সংখ্যা কমিব, কিন্তু শিক্ষার্থীৰ সংখ্যা দিনে দিনে বৃদ্ধি পাব। তেনে অৱস্থাত কলেজবিলাকত প্রশাসনীয় আৰু শৈক্ষিক নৈৰাজ্যও সৃষ্টি হ'বগৈ পাৰে।

(৫) মাত্রাধিক স্বতন্ত্রতাৰ সুবিধা লৈ বিদেশী বিশ্ববিদ্যালয়সমূহে ভাৰতবর্ষত নিজৰ বজাৰখন সম্প্রসাৰণ কৰাৰ অধিক সুবিধা লাভ কৰিব। টাইপ 'এ'ৰ স্বতন্ত্রতা লাভ কৰি তেনেবিলাক প্রতিষ্ঠানে নিজৰ ইচ্ছামতে শিক্ষার্থীসকলৰ পৰা মাচুল আদায় কৰাত বাধা নাথাকিব। ফলত উচ্চ শিক্ষা আৰু গৱেষণা কর্ম অতি ব্যয়বহুল হৈ পৰিব। গৱেষণা কর্মবিলাক তেনেস্থলত ধনী শ্রেণীৰ একচেটিয়া সম্পদ হ'বগৈ।

(৬) নতুন শিক্ষানীতিত চৰকাৰৰ আর্থিক ব্যয় বৃদ্ধি কৰি মুঠ ঘৰুৱা উৎপাদনৰ ৬ শতাংশ উচ্চ শিক্ষাৰ বাবে ধার্য কৰা বিষয়টো অতি প্রশংসনীয় পদক্ষেপ। অৱশ্যে ই এটা নতুন কথা নহয়। তাহানি ১৯৬৬ চনৰ কোঠাৰী আয়োগৰ পৰাই এই কথাটো উচ্চাৰিত হৈ আহিছে। অথচ বিগত সময়ছোৱাত দেখা গৈছে যে চৰকাৰে এই ক্ষেত্রত ৩ বা ৪ শতাংশৰ সীমাকে অতিক্রম কৰিব পৰা নাই। ২০২০ ৰ শিক্ষানীতিখনৰ মূল লক্ষ্যটোৱেই চৰকাৰী ব্যয় সংকোচন বুলি সহজেই অনুমান কৰিব পাৰি। এতেকে ৬ শতাংশ জিডিপি ব্যয় আভুৰা ভৰা কথা যেনহে লাগে। আৰু এটা কথা, বর্তমান আমাৰ দেশৰ আর্থিক অৱস্থা টনকিয়াল নহয়। অর্থনৈতিক বিকাশত নিগেটিভ্ ধাৰা অব্যাহত আছে। এনে প্রেক্ষাপটত চৰকাৰে ৬ শতাংশ জিডিপিৰ ধন শিক্ষাৰ বাবে খৰচ কৰিলেও সেই ধনৰ পৰিমাণ বিগত বছৰৰ মুঠ ব্যয়তৈ কমহে হ'বগৈ পাৰে।

Scanned with OKEN Scanner

(৭) কলেজ আৰু বিশ্ববিদ্যালয়ত শিক্ষকৰ পদসমূহ অস্থায়ী কৰা কথাটো কোনোপধে সমৰ্থনযোগ্য নহয়। 'অল ইণ্ডিয়া চাৰ্ভে অন হায়াৰ এডুকেশান, ২০১৮-১৯'ৰ মতে বিগত ৫ বছৰত উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত ৫৭,০০০ শিক্ষক পদৰ বিলুপ্তি ঘটিছে কিম্বা ৪০ শতাংশ স্থায়ী পদ খালী হৈ আছে। সেই পদসমূহত কৰ্মৰত 'গাৰ্ট টাইম/কন্ট্ৰেক্টুৱেল/এড্হক' শিক্ষকসকলে এতিয়ালৈকে থকা নিয়ম অনুসৰি অদূৰ ভবিষ্যতে স্থায়ী পদত নিযুক্তি পালেহেঁতেন। নতুন শিক্ষানীতিয়ে সেই সম্ভাবনা নিলাংহ কৰিছে। অনাহাতেদি, শিক্ষাদান আৰু শিক্ষাগ্ৰহণৰ দৰে ধাৰাবাহিক আৰু পদ্ধতিগত বিষয় এটাত অস্থায়ী শিক্ষকৰ মাত্ৰাধিক্যই সমগ্ৰ শিক্ষা ব্যৱস্থাটোত বিৰূপ প্ৰভাব পেলাব। লাভবান হ'ব কেৱল নিয়োগকৰ্তাসকল।

(৮) এম.ফিল. পাঠ্যক্ৰম বন্ধ কৰা কথাটো গ্ৰহণীয় নহয়। শিক্ষানীতিত এই সম্পৰ্কত কোনো কাৰণো দৰ্শোৱা হোৱা নাই। বাস্তবিক কথাটো এয়ে যে এম. ফিল. পাঠ্যক্ৰমে স্নাতকোত্তৰ শিক্ষাৰ্থীসকলক বিগত সময়ছোৱাত গৱেষণা কৰ্মত জড়িত হ'বলৈ উদ্গনি দি আহিছে। এই পাঠ্যক্ৰমৰ যোগেদি তেওঁলোকে কম সময়ৰ ভিতৰতে গৱেষণা কৰ্ম সম্পন্ন কৰি হয় চাকৰিৰ বাবে নহয় দীঘলীয়া পি. এইচ. ডি. পাঠ্যক্ৰমৰ বাবে নিজকে যোগ্য কৰি তুলিব পাৰে। সকলো প্ৰতিভাৱান শিক্ষাৰ্থীৰ বাবে পি. এইচ. ডি.ত নামভৰ্তি কৰা সম্ভৱো নহয়। দেখা যায় যে বিভিন্ন কাৰণত দলিত, আদিবাসী, আৰ্থিকভাৱে অনগ্ৰসৰ আৰু মহিলা শিক্ষাৰ্থীৰ বুজন সংখ্যকৰ বাবে দীঘলীয়া সময়ৰ গৱেষণা বহুসময়ত বলে নোৱৰা শিল হৈ পৰে। এনে শিক্ষাৰ্থীসকলে এম.ফিল. ডিগ্ৰীৰ জোৰতো কলেজ বা অন্যান্য শিক্ষা প্ৰতিষ্ঠানত চাকৰি কৰাৰ সুযোগ ইমানদিনে পাই আহিছিল। তেওঁলোকৰ অনেকেই চাকৰি পোৱাৰ পাছত পি.এইচ.ডি. কৰাত মনোনিৱেশ কৰিছিল। ফলত গৱেষণা কৰ্মই প্ৰসাৱতা লাভ কৰিছিল। নতুন শিক্ষানীতিয়ে এই সকলোবিলাক সম্ভাৱনাৰ মুদা মাৰিব। চৰকাৰী পৰিসংখ্যামতে আমাৰ দেশত উচ্চ শিক্ষাত প্ৰৱেশৰ হাৰ ২৬.৩ শতাংশ। গৱেষণা কৰ্মত সেই হাৰ ০.৫ শতাংশৰো কম। এনে এটা দুৰৱস্থা চলি থকাৰ পাছতো এম.ফিল. পাঠ্যক্ৰম বন্ধ কৰা কাৰ্য সঁচাকৈয়ে এক চিন্তনীয় বিষয়।

পূৰ্বতে উল্লেখ কৰা হৈছে যে অসমত ইতিমধ্যে 'ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০' ৰূপায়ণ কৰা হৈছে। উচ্চশিক্ষাৰ ক্ষেত্ৰত দেখা গৈছে যে অসমৰ দুখন প্ৰধান ৰাজ্যিক বিশ্ববিদ্যালয় ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০২৩-২৪ বৰ্ষৰ পৰা চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰিছে। এনে প্ৰেক্ষাপটত অসমৰ কলেজসমূহত নতুন নতুন আশা প্ৰত্যাশাৰ উদ্ৰেক হৈছে। একেসময়তে প্ৰত্যাহ্বানো আহিছে। সাধাৰণভাৱে সমগ্ৰ দেশৰ কলেজসমূহে সম্মুখীন হ'বলগীয়া সমস্যাৰাজিৰ কথা ইতিমধ্যে উনুকিয়াই দিয়া হৈছে। তদুপৰি অসমৰ কলেজসমূহৰ নিজা কিছু সমস্যাও আছে। এই সন্দৰ্ভত দুটামান কথা চমুকৈ আলোচনা কৰা হ'ল—

(১) 'নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি'ত গুৰুত্ব আৰোপ কৰা বহুমাত্ৰিক (Multidisciplinary) শিক্ষা অসমৰ কলেজসমূহত প্ৰকৃতাৰ্থত প্ৰবৰ্তন কৰা কামটো বৰ সহজ নহ'ব। অসমৰ বহুসংখ্যক কলেজ এই

পর্যন্ত একমাত্রিক (Single Stream) হৈ আছে। শেহতীয়াকৈ অসম চৰকাৰে স্থাপন কৰা (দীনদয়াল কলেজেই হওক বা মডেল কলেজেই হওক) কলেজসমূহৰো প্রায়বিলাকতে এটাই মাথোন শাখা। নতুন শিক্ষানীতি অনুসৰি এই কলেজসমূহক কিদৰে বহুমাত্রিক শিক্ষাব্যৱস্থাৰ আওতালৈ আনিব পৰা হ'ব সেয়া হৈছে সংশ্লিষ্ট সকলো পক্ষৰ বাবে এক ডাঙৰ প্রত্যাহ্বান। একত্রীকৰণৰ ধামখুমীয়াত কিছু কলেজ চিৰদিনৰ বাবে বন্ধ হৈ যোৱাৰো আশংকা আছে। আমি ভাবোঁ, এনে পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ অসম চৰকাৰে প্রত্যেকখন কলেজতে কমেও দুটা শাখা খুলিবৰ কাৰণে আগবাঢ়ি আহিব লাগিব আৰু দুটা শাখা থকা কলেজসমূহ তিনিটা শাখালৈ উন্নীত কৰিব লাগিব। অসম চৰকাৰে নিবনুৱাসকলক সংস্থাপন দিয়া বিষয়টোত অগ্রাধিকাৰ দিয়াৰ কথা মেলে-মিটিঙে সদায়ে ঘোষণা কৰি আহিছে। অসমত যিহেতু শিল্প-উদ্যোগৰ সংখ্যা তেনেই কম, প্রাথমিক পর্যায়ৰ পৰা বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষানুষ্ঠানসমূহেই কর্ম সংস্থাপনৰ প্রধান থলী। যোৱা ২০১৩ চনৰ প্রাদেশিকীকৃত কলেজ আৰু পৰৱর্তী সময়ত স্থাপিত চৰকাৰী কলেজসমূহত এক বুজন সংখ্যক উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে নিয়োগৰ সুবিধা লাভ কৰিছে। শেহতীয়াকৈ পুৰণি কলেজসমূহত খালি হৈ থকা শিক্ষক-কর্মচাৰীৰ পদসমূহো পূৰণ কৰা হৈছে। চৰকাৰৰ এই পদক্ষেপ প্রশংসনীয়। কিন্তু নতুন শিক্ষানীতিৰ লগত তাল মিলাব নোৱাৰি এই কলেজবিলাক অদূৰ ভৱিষ্যতে বন্ধ হৈ গ'লে সেই প্রশংসা এদিন সমালোচনা আৰু গৰিহণালৈ পর্যৱসিত হ'ব। সেয়ে শিক্ষানীতি প্রৱর্তন কৰাৰ সমান্তৰালভাৱে ৰাজ্য চৰকাৰখনে এইবিলাক দিশতো মনোনিৱেশ কৰিব লাগিব।

(২) অসমৰ কলেজসমূহৰ বেছিভাগতে +২ স্তৰটো এই পর্যন্ত সংলগ্ন হৈ আছে। ছেমেষ্টাৰ পদ্ধতি অসমৰ কলেজসমূহত আৰম্ভ হোৱাৰ সময়ত তেতিয়াৰ শিক্ষামন্ত্রীৰ দায়িত্বত থকা এতিয়াৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই ২০১২ চনতে হায়াৰ ছেকেণ্ডাৰী স্তৰটো পর্যায়ক্রমে কলেজসমূহৰ পৰা আঁতৰাই দিয়া হ'ব বুলি ঘোষণা কৰিছিল। যোৱা ১২ বছৰত সেই কাম কৰা নহ'ল। এতিয়া হঠাতে সেই কাম কৰিবলৈ গ'লে উদ্ভৱ হ'বলগীয়া জটিলতাসমূহ দূৰ কৰাটো হ'ব অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্রখনৰ বাবে এক ডাঙৰ প্রত্যাহ্বান।

(৩) অসমৰ বাজহুৱা খণ্ডৰ কলেজসমূহত ছাত্র-ছাত্রীসকলে কম পৰিমাণৰ মাচুল দিয়েই উচ্চ শিক্ষা গ্রহণৰ সুবিধা পাই আহিছে। চাৰিবছৰীয়া স্নাতক পাঠ্যক্রমত প্রস্থান (Exit) পথৰ যি ব্যৱস্থা কৰা হৈছে সেই ব্যৱস্থাত শেষৰ দুবছৰমানৰ পাঠ্যক্রমত ছাত্র-ছাত্রীৰ নামভর্তিৰ সংখ্যা দেখ দেখকৈ হ্রাস পাব। যিহেতু ছাত্র-ছাত্রীৰ মাচুলৰ পৰাই কলেজসমূহৰ উন্নয়নৰ কাম-কাজ চলাবলগীয়া হয়, প্রৱেশ (Entrance) পথ আৰু প্রস্থান (Exit) পথৰ মাজত সমানুপাত (Ratio) ৰক্ষা নহ'লে কলেজসমূহ আর্থিক সংকটৰ গৰাহত পৰিব। এনে আর্থিক সংকটৰ পৰা ৰক্ষা পাবলৈ ছাত্র-ছাত্রীৰ মাচুল বৃদ্ধি কৰিবলৈ কলেজ কর্তৃপক্ষ বাধ্য হ'ব। তেতিয়া বহু মেধাবী তথা আর্থিকভাৱে দুর্বল ছাত্র-ছাত্রীয়ে আধাতে কলেজ এৰিবলগীয়া হ'ব। অন্যহাতেদি ছাত্র-ছাত্রীৰ সংখ্যা কমি অহাৰ বাবে কলেজ কর্তৃপক্ষক জগৰীয়া

Scanned with OKEN Scanner

কৰা হ'ব। কলেজসমূহৰ অৱস্থা 'যত দোষ, নন্দ ঘোষ' হ'বগৈ।

উল্লিখিত সীমাবদ্ধতাসমূহ অতিক্রম কৰি অসমত নতুন ৰাষ্ট্রীয় শিক্ষানীতি কেনেকৈ ৰূপায়ণ কৰিব পৰা যাব সেয়া অনাগত দিনবিলাকত বেচ লক্ষ্যণীয় হ'ব। এইখিনিতে এটা প্রশ্ন উত্থাপন হ'ব পাৰে— কোনো পূর্বপ্রস্তুতি অবিহনে হুৰামূৰাকৈ 'ৰাষ্ট্রীয় শিক্ষানীতি ২০২০'ক অনুমোদন আৰু বলবৎ কৰা হ'ল নেকি? শিক্ষানীতিখন উন্মোচন কৰাৰ পাছত বিৰোধী দলসমূহে প্রতিক্রিয়া প্রকাশ কৰি কৈছিল যে সংসদৰ মজিয়াত আলোচনা-বিলোচনা নকৰাকৈ সমগ্র দেশখনত ক'ভিদ অতিমাৰীৰ ভৰপক হৈ থকাৰ সময়ত শিক্ষানীতিখন সংবাদমেলত ৰাজহুৱা কৰা ঘটনাটো আছিল গণতন্ত্রৰ পৰিপন্থী। ৪৮৪ পৃষ্ঠাৰ শিক্ষানীতিৰ খচৰাখন অৱশ্যে ২০১৯ চনৰ মে' মাহত জনসাধাৰণৰ জ্ঞাতার্থে আৰু প্রতিক্রিয়া প্রকাশার্থে কম্পিউটাৰ ফাইল যোগে ৰাজহুৱা কৰা হৈছিল। তৎসত্ত্বেও সংসদীয় গণতন্ত্রত সংসদ আৰু ৰাজ্য বিধানসভাক সমগ্র প্রক্রিয়াৰ পৰা আঁতৰাই ৰখা বাবে চৰকাৰখন সেইসময়ত সমালোচনাৰ পাত্র হ'বলগীয়া হৈছিল। এটা কথা ঠিক যে সংসদ বা ৰাজ্য বিধানসভাসমূহত আলোচনাৰ যোগেদি নতুন শিক্ষানীতিখনত কিছু কথা সংযোজন-বিয়োজন কৰিব পৰাৰ থল এটা থাকি গ'ল। সি যি কি নহওক, কস্তুৰীৰংগন প্রতিবেদনখনত উল্লেখ আছে যে যিহেতু চৰকাৰী শিক্ষা খণ্ডৰ মুঠ ব্যয়ৰ ৭৫ শতাংশ ৰাজ্যবিলাকৰ পৰা আহে, সেয়েহে ৰাজ্য চৰকাৰসমূহৰ সাহার্য আৰু সদিচ্ছা অবিহনে শিক্ষা সংস্কাৰ অসম্ভৱ। অসমৰ ৰাজ্য চৰকাৰৰ পৰা অৱশ্যে নতুন শিক্ষানীতিখনে সদিচ্ছা আদায় কৰিবলৈ ইতিমধ্যে সক্ষম হৈছে। ই নিশ্চয় এটা ভাল কথা। তাতোকৈ ভাল কথা হ'ব তেতিয়া— যেতিয়া অসম চৰকাৰে প্রয়োজনীয় আন্তঃগাঁথনি নির্মাণ, মানৱ শক্তি (Man-power) সৃষ্টি আদি শিতানসমূহত পর্যাপ্ত সাহার্য প্রদান কৰি অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়/মহাবিদ্যালয়সমূহক নতুন শিক্ষানীতিখন সঠিকভাৱে ৰূপায়ণ কৰিব পৰাকৈ সুসজ্জিত কৰি তুলিব। অন্যথা, অসমত 'ৰাষ্ট্রীয় শিক্ষানীতি ২০২০'খন 'বহুৱাৰম্ভে লঘু ক্রিয়া' হ'বগৈ।

ঋণ স্বীকাৰ ঃ

'ৰাষ্ট্রবাদের কারখানা ঃ নয়া জাতীয় শিক্ষানীতির ইতিকথা', দেবাদিত্য ভট্টাচার্য, 'অনীক', সম্পাঃ রতন খাসনবিশ আরু অন্যান্য, নভেম্বর, ২০২০।■

'নতুন সাহিত্য পৰিষদ'ৰ অক্লান্ত কর্মী, নিবন্ধকাৰ শ্রীযুত হেম ফুকন গোলাঘাট দেৱৰাজ ৰয় কলেজৰ অৱসৰপ্রাপ্ত অধ্যাপক।

Scanned with OKEN Scanner

অসমীয়া সাহিত্যৰ বিকাশ, বিস্তাৰ আৰু সমৃদ্ধিত অনুবাদৰ ভূমিকা

ড° কৰবী ডেকা হাজৰিকা

অনুবাদ এনে এক কলা আৰু বিজ্ঞানো। তাত্বিক পদ্ধতিৰ ৰীতিবদ্ধতাৰ ফালৰ পৰা ই এক বিজ্ঞান, কিন্তু পৰিৱেশনৰ কৌশলৰ ফালৰ পৰা কলাৰ দৰে নমনীয়। সাহিত্যৰ জগতত অনুবাদৰ স্থান গুৰুত্বপূর্ণ। সাম্প্রতিক কালত হাতৰ মুঠিত সোমাই পৰা বিশ্বসাহিত্যৰ দিনত অনুবাদ প্রায় অপৰিহার্য হৈ পৰিছে। কাৰণ আঞ্চলিক সাহিত্য হ'ল বন্ধ পুখুৰীত ফুলি থকা ভেট ফুলৰ দৰে। নিকটত থকা ৰসগ্রাহীয়েহে ইয়াৰ ৰূপ আৰু সুবাসৰ উমান পায়। দূৰৰ মলয়াই কঢ়িয়াই নিনিয়ালৈকে অন্য ঠাইত এই সুবাস বিয়পিব নোৱাৰে। গতিকে আঞ্চলিক সাহিত্যৰ প্রচাৰৰ বাবে অনুবাদৰ প্রয়োজন। আনহাতে এখন বন্ধ ঘৰৰ খিৰিকী খুলি দিলে যিদৰে ৰ'দ আৰু বতাহ সোমাই ভিতৰখন ফৰকাল কৰি তোলে, অনুবাদেও সেইদৰে বর্হিজগতৰ বাতৰি আৰু সাহিত্যৰ সোৱাদ আনি মানুহৰ মন মুকলি কৰে, লগতে আঞ্চলিক সাহিত্যত দিয়ে নতুন নতুন ভাৱ-ধাৰণাৰ ইংগিত। দিয়া আৰু নিয়া এই দুই প্রক্রিয়াৰে অনুবাদে সাহিত্যৰ জগত সমৃদ্ধ কৰি তোলে।

অসমীয়া সাহিত্যত নানা স্তৰত অনুবাদৰ প্রচুৰ অৱদান লক্ষ্য কৰা যায়। প্রকৃততে অসমীয়া সাহিত্যৰ বিকাশৰ ঘাই সোপানেই হ'ল অনুবাদ। সাহিত্যৰ বুৰঞ্জীত প্রাক্-শংকৰী আখ্যা দিয়া সময়খিনি; যিখিনি সময়ত মনকৰ, দুর্গাবৰ, মাধৱ কন্দলি, আদি কবিৰ ৰচনাই অসমীয়া শ্রোতাক সাহিত্যৰ মধুৰ সোৱাদ দান কৰিছিল। অনুবাদ-আশ্রিত সাহিত্যৰ বাবেই প্রখ্যাত। মাধৱ কন্দলিৰ ৰামায়ণৰ অনুবাদ এনে মধুৰ আৰু এনে মূল অক্ষুণ্ণ ৰাখিও বঢ়া-টুটাৰ যোগেদি স্থানীয় শ্রোতা-পাঠকৰ মন চুব পৰা গুণেৰে চহকী যে মুকলি অনুবাদৰ ই এক সার্থক উদাহৰণ হৈ আছে। ঘাইকৈ মহাকাব্য আৰু পুৰাণসমূহে প্রাচীন অসমীয়া কবিৰ অনুবাদ সাহিত্যৰ মূল আধাৰৰূপে স্থান লাভ কৰিছিল। অসমীয়া সাহিত্য-সংস্কৃতিত মহাজাগৰণ তোলা নৱবৈষ্ণৱ যুগত অনুবাদে অন্য এক মাত্রা লাভ কৰে। শংকৰদেৱে

ভাগৱত-পুৰাণ অনুবাদ কৰাৰ লগে লগে অসমীয়া সাহিত্যৰ এক বিশাল অংশ বিষ্ণুভক্তিমূলক সাহিত্যৰূপে বিকশি উঠে। তদুপৰি শংকৰদেৱৰ ৰামায়ণৰ উত্তৰকাণ্ডৰ অনুবাদত মৌলিক প্রতিভাৰ স্বাক্ষৰ এক অভিনৱ দিশ। অসমীয়া সাহিত্যৰ সবাতোকৈ নিমজ অনুবাদ বোধকৰো মাধৱদেৱৰ 'নাম-ঘোষা' পুথি। এহেজাৰ ঘোষাৰ ভিতৰত ইয়াৰ পাঁচশমান ঘোষাই হ'ল বিভিন্ন সংস্কৃত শাস্ত্রৰ শ্লোকৰ অনুবাদ। অথচ নিমজ অনুবাদৰ মাজত মূলৰ প্রতিটো শ্লোকেই যেন মাধৱদেৱৰ অনুভূতিৰ গাঢ়তাত ডুব দি নতুন জনম লাভ কৰিছে। অনুবাদৰ কোনো চিনেই ইয়াত পোৱা নাযায়। এয়েই হ'ল অনুবাদকৰ দক্ষতা আৰু সৃষ্টিশীলতাৰ উদাহৰণ। শংকৰোত্তৰ যুগৰ সাহিত্যত অনুবাদ থাকিলেও তাৰ গুৰুত্ব আৰু সৌন্দর্য দীপ্তিমান নাছিল। অৰুণোদই যুগত কাহিনী আৰু সাধুকথাৰ মাজেৰে অনুবাদ সাহিত্যই অন্য ৰূপত ভূমুকি মাৰে। এই অনুবাদত সৌন্দর্য বা ৰসসৃষ্টিৰ হাবিয়াস নাছিল, আছিল নতুন ধর্মীয় মত এটি মানুহৰ মাজত বিয়পাই দিয়াৰ প্রচেষ্টা। এই একে প্রচেষ্টাকে শংকৰদেৱেও কৰিছিল। শংকৰদেৱৰ ৰচনাত ভাৰতীয় মন আৰু অসমীয়া মানুহৰ অনুভূতিৰ লগত অনূদিত বিষয়মূহ খাপ খোৱাকৈ তুলি ধৰাৰ বাবে সেইবোৰ গ্রহণীয় আৰু স্মৰণীয় হৈ পৰিছিল। কিন্তু অৰুণোদয় যুগৰ অনূদিত কাহিনীসমূহৰ (যেনে— যাত্রিকৰ যাত্রা, এলোকেশী বেশ্যাৰ বিষয়) মাজত তথ্য আৰু প্রচাৰহে আছিল, 'সাহিত্য' আছিল কম। সেয়েহে প্রাচীন অসমীয়া অনুবাদ সাহিত্যৰ বিশেষ বিকাশ শংকৰদেৱৰ পাচত হোৱাটো পৰিলক্ষিত নহয়। অনুবাদ হৈছিল, কিন্তু সৌন্দর্যময় অনুবাদৰ আছিল অভাৱ। সেই অভাৱ দূৰ হৈ এক নতুন ধাৰাৰে জকমকাই উঠিছিল জোনাকী যুগত।

অসমীয়া সাহিত্যৰ জোনাকী যুগ প্রকৃততেই আছিল নতুন চেতনাৰ জোনাকেৰে ভৰা। পাশ্চাত্য সাহিত্যত অংকুৰিত হৈ বাংলা সাহিত্যতো বিকশিত হোৱা ৰোমাণ্টিকতাৰ নতুন পোহৰে অসমীয়া তৰুণ চাম সাহিত্যপ্রেমীৰ মন জয় কৰিছিল। তাৰ ফলস্বৰূপে অসমীয়া সাহিত্যলৈও নতুন চেতনা আনি মৃতপ্রায় অসমীয়াবাসীক জগাই তুলিবলৈ অহোপুৰুষার্থ কৰিছিল বেজবৰুৱা আৰু তেওঁৰ সতীর্থসকলে। এই প্রচেষ্টাত অন্যতম ভূমিকা গ্রহণ কৰিছিল অনুবাদে। ঘাইকৈ নাটকৰ অনুবাদৰ কথা লক্ষণীয়। সেই সময়ত বিশ্ব সাহিত্যত খলক লগোৱা শ্বেক্সপীয়েৰৰ নাটকসমূহ অসমীয়া নব্যশিক্ষিত যুৱকৰ বাবে অপূর্ব অভিজ্ঞতাত পৰিণত হৈছিল। তাৰে ভালেমান নাটক অসমীয়ালৈ তেওঁলোকৰ বহুতেই অনুবাদ কৰিছিল। আনহে নালাগে কমেডী অৱ এৰৰ'ছখন 'ভ্রমৰংগ' নাম দি চাৰিজন যুৱকে যৌথভাৱে অনুবাদ কৰাটো অসমীয়া অনুবাদ সাহিত্যৰ বাবে লেখৰ খবৰ। নবীনচন্দ্র বৰদলৈয়ে তিনিখন, অম্বিকানাথ গোস্বামীয়ে এখন, পদ্মধৰ চলিহাই এখন, অতুলচন্দ্র হাজৰিকাই দুখন নাট অনুবাদ কৰাৰ কথা প্রসংগক্রমে সুঁৱৰিব পাৰি। প্রকৃততে আৰু কেইবাজনো অনুবাদকে শ্বেক্সপীয়েৰৰ নাটক অনুবাদ কৰিছিল। এই অনুবাদ আছিল মুকলি অনুবাদ। নাটকৰ নাম, চৰিত্রৰ নাম আৰু পৰিবেশো কেতিয়াবা নিজৰ ঠাঁচলৈ আনি নতুনকৈ দিয়া হৈছিল। যেনে 'কিং লীয়েৰ' নাটকৰ নাম দিয়া হৈছিল 'বিষাদ কাহিনী' বা 'অশ্রু-তীর্থ', 'মার্চেণ্ট অৱ ভেনিচ'ৰ নাম দিয়া হৈছিল 'বণিজ কোঁৱৰ' ইত্যাদি। এই

Scanned with OKEN Scanner

অনুবাদবোৰক অনুবাদ বোলাতকৈ অভিযোজনা বোলা ভাল। কাৰণ এই অনুবাদ মূলৰ আত্মাক একে ৰাখি নতুন সাজ-পাৰ পৰিধান কৰোৱা এক নতুন ৰূপ। অৱশ্যে যিহেতু মূলৰ অর্থ আৰু বার্তাৰ বিকৃতি দেখা নাযায়, এইবিধ অনুবাদ সৃষ্টিশীল সাহিত্যৰ বাবে সেইকালত উত্তম আছিল। তাৰ কাৰণ হ'ল সেই সময়ৰ অসমীয়া পাঠকৰ বাবে বাহিৰৰ পৃথিৱী, বিদেশৰ মানুহৰ জীৱন-ৰীতি আৰু সামাজিক জীৱন আছিল তেনেই অচিনাকি। মূলৰ নাম-ধাম, সামাজিক ৰীতিৰ বর্ণনাই পাঠবোৰ অসমীয়া পাঠকৰ বাবে আচহুৱা কৰি তুলিলেহেঁতেন। সেয়েহে পাঠকৰ বোধগম্যতাৰ প্রতি লক্ষ্য ৰাখি অতুলচন্দ্র হাজৰিকাই 'নীলা চৰাই' নামৰ বিশ্ববিখ্যাত কাহিনীটো (মেটাৰলিংকৰ 'ব্লু বার্ড'ৰ অনুবাদ) বর্ণনা কৰোঁতে খ্রীষ্টমাছ ইভ বা বৰদিনৰ আগৰটো দিনক বুলিছে মাঘ বিহুৰ উৰুকা। এইটো এটা সৰু উদাহৰণহে মাথোন।

ৰোমাণ্টিক সাহিত্যৰ যুগৰ অৱসানৰ পাছত অসমৰ লেখক আৰু পাঠক উভয়েই নানা দিশত কিছু নতুন ধাৰণাৰ অনুভৱ লাভ কৰিছিল। ইতিমধ্যে সাহিত্য-সচেতন হৈ পৰা আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত হৈ সাহিত্যৰ শেহতীয়া প্রকাশসমূহৰ বিষয়ে অৱগত হোৱা, বাংলা সাহিত্যৰ পঠন একপ্রকাৰ অভ্যাসত পৰিণত কৰি লোৱা অসমীয়া লেখকৰ মনত সেই সময়ত নানা হেঁপাহৰ উকমুকনি। বিশেষকৈ নাটক আৰু শিশু সাহিত্যত এই চিন্তাৰ প্রতিফলন অধিক হৈ পৰিল। ইতিমধ্যে অসমীয়া সমাজ আৰু সাহিত্যত থকা হীনমান্যতাৰ বাবেই অসমৰ ৰংগমঞ্চসমূহ দখল কৰি লৈছিল বাংলা যাত্রা পার্টিসমূহে। অসমীয়া বায়নেই ওস্তাদ আখ্যা লৈ উজনি অসমত দপদপাই ফুৰাৰ কথা বেজবৰুৱাই লিখি থৈ গৈছে। তেনে পৰিৱেশত অসমীয়া লেখক-নাট্যকাৰৰ দল যেতিয়া ৰংগমঞ্চ দখলৰ বাবে আগবাঢ়ি আহিল, তেতিয়া অনূদিত নাটকেও লক্ষণীয় সহায় কৰিছিল। অতুলচন্দ্র হাজৰিকাৰ কলমত ছেক্সপীয়েৰ, কালিদাস আৰু ৰবীন্দ্রনাথৰ নাটকৰ অনুবাদে দর্শকৰ মন জয় কৰাৰ লগতে অসমীয়া নাট্য সাহিত্যলৈও বৰঙনি আগবঢ়াইছিল। অৱশ্যে এইবোৰ অনুবাদ আছিল অভিযোজনাহে, নিজা পৰিৱেশ আৰু সংস্কৃতিৰ লগত খাপ খুৱাকৈ কৰা পৰিৱেশন। সেই সময়ত প্রয়োজনো আছিল তেনেকুৱাই। অনুবাদ কলাৰ বিশেষত্বই এনেকুৱা যে সদায়ে ই লক্ষ্য কৰে "কাৰ বাবে কৰা হৈছে" সেই প্রশ্নলৈ। সেয়েহে 'উৎস পাঠ' আৰু 'লক্ষ্য পাঠ' অনুবাদ-তত্ত্বৰ দুটা ঘাই শব্দ। সম-সাময়িক পাঠকৰ গ্রহণযোগ্যতাৰ প্রতি লক্ষ্য ৰাখি মূল পাঠত সামান্য হাত ফুৰোৱা স্বাধীনতা অনুবাদকৰ থাকে, সেয়া অৱশ্যে মূলক বিকৃতি কৰি নহয়, অধিক গ্রহণযোগ্য কৰিহে। এই স্বাধীনতা গ্রহণ কৰি চল্লিশ আৰু পঞ্চাশ-ষাঠিৰ দশকৰ অনুবাদকসকলে প্রচুৰ পৰিমাণে নাটক, সাধুকথা আৰু কবিতাৰ অনুবাদ কৰিছিল। এইবোৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে এচাম মনোযোগী পঢ়ুৱৈৰ সৃষ্টিত সফল ভূমিকা গ্রহণ কৰিছিল। এই আলোচনাৰ আঁত ধৰি ক'ব পৰা যায় যে অসমীয়া সাহিত্যৰ শিশু সাহিত্যৰ শাখাটোক অনুবাদে সবাতোকৈ সহায় কৰিছে। বিশ্ব সাহিত্যৰ লগত কোমল বয়সতে পাঠকক চিনাকি কৰাই দিছে। সেইবোৰ সময়ৰ অনূদিত শিশু-সাহিত্য ইমানেই ওপৰখাপৰ আছিল যে পাছৰ কালৰ অসমীয়া সাহিত্যৰ নিপুণ

লেখকসকলৰ কেইবাজনো সেই শিশু-সাহিত্য পাঠৰ পৰিমণ্ডলৰ সৃষ্টি বুলি নিশ্চিতভাবে ক'ব পাৰি।

উত্তৰ জোনাকী কালৰ পৰা সাম্প্ৰতিক কাললৈকে অনূদিত শিশু-সাহিত্যই ঈছপ, এণ্ডাৰছন, গ্ৰীমচ্ আদিৰ বিখ্যাত সাধুবোৰৰ লগতে মেটাৰলিংক, জনাথন চুইফট, কাৰভেনটেজ, জে.এম. বেৰী, হাৰমেন মেলভাইল, হেৰিয়েট বিচ্চাৰ, জে.কে. ৰাওলিং, চাৰ্লট ব্ৰণ্টি আদি অসংখ্য লেখকৰ বহু বহু ৰচনাৰে শিশু আৰু কিশোৰৰ মন জয় কৰি আহিছে। অতুলচন্দ্ৰ হাজৰিকা, ৰায়হান শ্বাহ, আবুল লেইচ, মহেন্দ্ৰ বৰা আদি অসমীয়া শিশু আৰু কিশোৰ সাহিত্যিক অনুবাদৰ যোগেদি সমৃদ্ধ কৰা ৰৰণীয় নাম। বিশদভাৱে তালিকা কৰিলে আৰু কেইবাজনৰো নাম পোৱা যাব। এই লেখাত মাথো আভাসহে দিয়া হৈছে।

সৃষ্টিশীল সাহিত্যৰ অনুবাদৰ ভিতৰত কবিতা জনপ্ৰিয় যদিও অতি কঠিন ইয়াৰ অনুবাদ। তাৰ মাজতো অসমীয়া সাহিত্যত মূলৰ চিন হেৰাই মৌলিক যেন হৈ পৰা অনুপম অনূদিত কবিতা দুই এটা পোৱা যায়। আনন্দচন্দ্ৰ আগৰৱালাৰ অনুবাদ কৌশলৰ নিদৰ্শনৰূপে 'চহা আৰু পণ্ডিত', 'জীৱন সংগীত', 'সুখৰ ঠাই' আদি কবিতাৰ নাম প্ৰথমেই মনলৈ আহে। "ভাল কবিতা অননুবেদ্য"— এই উক্তিৰ এক সমুচিত প্ৰত্যুত্তৰ যেন আগৰৱালাৰ অনুবাদ কবিতাসমূহ। একে কথাকে ক'ব পাৰি যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ-তীৰ্থ'ৰ প্ৰসংগত। অনায়াসে বৈ যোৱা নদীৰ গতিৰ দৰে ছন্দ-প্ৰবাহ আৰু পাঠকৰ বুকু চুই যোৱা অচিন ভাবৰ সহজ উপস্থাপনে এই কবিতাসমূহত মূলৰ আত্মাটো ধৰি ৰাখিও কবিতাৰ সাজ-পাৰ নতুন কৰিছে। পদ্মধৰ চলিহাৰ 'স্বদেশপ্ৰেম' কবিতাতো সেইদৰে উৎস পাঠ ঢাক খাই পৰিছে নতুন সৃষ্টিৰ আঁৰত। অথচ মূলৰ বিকৃতি ঘটা নাই। প্ৰসংগতঃ উল্লেখ কৰিব পাৰি যে 'ওমৰ তীৰ্থ' আকৌ অনুবাদৰো অনুবাদ। মূল পাঠ আছিল কবি ওমৰ ৰুবায়তখিনি। তাৰ ইংৰাজী কৰিলে ফিটজাৰলেণ্ডে। ইংৰাজীৰ পৰা অসমীয়ালৈ ভাঙিলে কবি দুৱৰাই। উৎস কবিতাৰ লগত অনূদিত পাঠ মিলাই চাবৰ বাবে মাজতে এখন সেতু পাৰ হৈহে যাব লাগিব। হয়তো অমিল ওলাব। উৎস পাঠত থকা নৈৰাশ্যবাদ, প্ৰচলিত পাপ-পুণ্যৰ ধাৰণাৰ প্ৰতি থকা অনাস্থাৰ তীব্ৰতা দুৱৰা কবিৰ অনুবাদত ভালেখিনি কুমলিছে বুলি মহেশ্বৰ নেওগে মন্তব্য কৰিছে। কিন্তু অনুবাদে যিখিনি দিলে তাতে সোমাই আছে কবি ওমৰৰ মন আৰু জীৱন-দৰ্শন। 'অনুবাদ' পৰিচয় লুকুৱাই মৌলিক পৰিচয়েৰে চলি আছিল। ইয়াৰ আঁৰত অনুবাদক কবিৰ অসৎ অভিপ্ৰায় দেখা নাযায়, মূল কবিতাটোৰে তেওঁক অভিভূত কৰা বাবে সেইটো অসমীয়াতে লিখি পাঠকৰ মাজত প্ৰচাৰ কৰাহে হয়তো উদ্দেশ্য আছিল। তেনে এটি কবিতা নলিনীবালা দেৱীৰ 'অশ্বাৰোহী'। এই কবিতাটো কবিগৰাকীৰ মৌলিক সৃষ্টিৰ শাৰীতে সংকলনত ঠাই পাইছে।

আধুনিক যুগৰ সাহিত্যত কবিতা অনুবাদৰ যোগেদি দুটিমান নতুন দিশৰ লগত অসমীয়া পাঠকৰ পৰিচয় হয়। চীনা কবিতা, ফৰাচী কবিতা আৰু জাপানী কবিতাৰ বিষয়ে পাঠকৰ ধাৰণা এটি হয়। সেই বুলি প্ৰতিটো অনূদিত কবিতাকে সৎ অনুবাদ বুলিব নোৱাৰি। এই অনুবাদসমূহৰ

Scanned with OKEN Scanner

একাংশ মূলৰ পৰা কিছু আঁতৰতে ৰৈ গৈছে। কাৰণ কবিতাৰ অনুবাদ এক দুৰূহ কলা। যি অনুবাদকৰ ভিতৰত সৃষ্টিশীলতা নাথাকে আৰু উৎস ভাষাৰ লগতে লক্ষ্য ভাষাৰ পৰিপূৰ্ণ জ্ঞান নাথাকে তেওঁ কবিতাৰ অনুবাদত হাত দিয়া উচিত নহয়। সৌন্দৰ্যতাত্ত্বিকৰ মতে কবিতাত যিহেতু ভাববস্তু আৰু আংগিক এই দুয়োটা এটাৰ লগত আনটো সাঙোৰ খাই থাকে, সেয়েহে এটাক এৰি অথবা দুয়োটাকে একেলগে অনুবাদ কৰা সম্ভৱ নহয়। সৃষ্টিশীল সাহিত্যৰ প্ৰতিটো দিশতে কিছুমান প্ৰত্যাহ্বান লক্ষ্য কৰা যায়। কাৰণ সাহিত্যৰ পাঠত সদায়ে থাকে শব্দগত অৰ্থ, বাক্যগত অৰ্থ, উচ্চাৰিত অৰ্থ, আৰোপিত অৰ্থ, শৈলী, ষ্টাইল আৰু বাৰ্তা। মূল ভাষা আৰু লক্ষ্য ভাষা দুয়োটাৰে তৃণমূল পৰ্যন্ত জ্ঞান, শব্দ ভাণ্ডাৰৰ পৰিচয়, ব্যাকৰণৰ নীতিৰ বিষয়ে পূৰ্ণ জ্ঞান আৰু দুয়োটা ভাষাৰে লিখিত আৰু কথিত ভাষাৰ বৈশিষ্ট্যসমূহ নাজানিলে সাহিত্যৰ সৎ অনুবাদ সম্ভৱ নহয়। অনুবাদ ইমানেই কঠিন কলা যে মূলক ইয়াত একেধৰণে ৰাখিব লাগে; মূলতকৈ অৱনমিত কৰিবটো নালাগেই, মূলতকৈ অধিক সুন্দৰো কৰিব নালাগে। অনুবাদৰ এই মাপকাঠিৰ উচিত প্ৰয়োগ কৰা বৰ জটিল। অসমীয়া সাহিত্যৰ বহুতো অনুবাদকে এই জটিলতা অতিক্ৰম কৰিব পৰা নাই।

লেখন কলাও অনুবাদকৰ বাবে মনোযোগৰ দিশ হোৱা উচিত। কাৰণ মুদ্ৰা লেখনৰ বৈশিষ্ট্যসমূহৰ (বৰফলা, তলত আঁচ টনা, বেঁকাকৈ লিখা, বন্ধনিৰ ভিতৰত লিখা ইত্যাদি) মাজত বহুতো প্ৰয়োজনীয় দিশ সোমাই থাকে। অনুবাদত সেইবোৰো হেৰাই যাব নালাগে। অসমীয়ালৈ কৰা কবিতাৰ অনুবাদত কেতিয়াবা উচিত শব্দ সন্ধান কৰাৰ শ্ৰম নকৰি অথবা দক্ষতাহীনতাৰ বাবেও পাদটীকাত শব্দৰ অৰ্থ দিয়া হয়। নিৰুপায় অৱস্থাৰ বাহিৰে কবিতাত পাদটীকা ব্যৱহাৰ নকৰাই ভাল। অৱশ্যে সাংস্কৃতিক দিশৰ পৰিচয়সূচক কিছুমান বিশিষ্ট শব্দৰ প্ৰতিশব্দ নাথাকিবও পাৰে। তেনে ক্ষেত্ৰত টোকা দিয়াৰ বাহিৰে উপায় নাথাকে।

সাম্প্ৰতিক কালত অনুবাদৰ যোগেদি গদ্য সাহিত্য যথেষ্ট সমৃদ্ধ হৈছে। সাহিত্য অকাডেমী আদি কিছুমান প্ৰতিষ্ঠানৰ যোগেদি নিয়মিতভাৱে বছা বছা উপন্যাস আদি অনূদিত হৈ আছে। তাৰে কিছুমান শুৱলা আৰু কিছুমান ঠৰঙা ভাষাৰ বাধ্যতামূলক তৰ্জমাৰ দৰে। শুৱলা ভাষা হ'লে পাঠকক টানি ৰাখিব পাৰে আৰু শেষলৈকে পাঠ কৰাৰ আগ্ৰহ ৰৈ যায়। তদুপৰি অনুবাদৰ মাজত বাংলা ভাষাৰ (যি ভাষা বহুতো অসমীয়া অনুবাদৰ ক্ষেত্ৰত সাঁকো হৈ থাকে) শব্দ চিনি পালে সচেতন পাঠকৰ মনলৈ বিৰূপ ভাৱ আহে। (সৰু উদাহৰণ, 'আখৈ' শব্দক 'খৈ' বুলি লিখাটো। অনুবাদকে 'খৈ' মানে কি নাজানে, গতিকে তেনেকৈয়ে ৰাখি থলে।) যান্ত্ৰিক আৰু আক্ষৰিক অনুবাদ সৃষ্টিশীল সাহিত্যৰ সাহিত্যৰ বাবে নহয়। অনুবাদকে এজন অচিনাকি লেখকৰ মনৰ ভিতৰত সোমাই তেওঁৰ ৰীতি, মেজাজ, ৰুচি আৰু বাৰ্তাসমূহ বুজি পাব লাগে। তাৰপিছত সেইসমূহ তেওঁৰ লক্ষ্য ভাষাৰ পাঠকৰ উপযোগীকৈ প্ৰকাশ কৰিব লাগে। তাকে কৰিবলৈ যাওঁতে প্ৰতিটো শব্দ, বাক্য, অনুচ্ছেদ, অধ্যায় আদি মিলিহে যি বক্তব্য মূল পাঠত আছে তাক তেওঁ সাৱধানে মাটিৰ পাত্ৰ দাঙি অনাৰ

দৰে তুলি আনিব লাগিব। অলপ সাৱধান হ'লেই পাত্ৰ ভাঙি পৰাৰ আশংকা। এই সাৱধানতা বৰ্তমান অসমীয়া সাহিত্যৰ অনুবাদকৰ মাজত কম। নিৰ্দিষ্ট সময়ৰ ভিতৰত কিতাপ একোখনৰ অনুবাদ শেষ কৰিবৰ বাবে তেওঁ খৰধৰ কৰে, সাৱধানতালৈ মন নিদিয়ে। ফলত তেনে অনুবাদে অসমীয়া সাহিত্যত আৰু একোখন অনুবাদ শেষ কৰিবৰ বাবে তেওঁ খৰধৰ কৰে, সাৱধানতালৈ মন নিদিয়ে। ফলত তেনে অনুবাদে অসমীয়া সাহিত্যত আৰু নিজৰ ভাষাৰ পৰা অন্য ভাষালৈ বা অন্য ভাষাৰ পৰা নিজৰ ভাষালৈ থূলমূল সাহিত্যৰ শৰীৰ এটা উপহাৰ দিয়ে মাথোন। বহু সময়ত সেই শৰীৰত প্ৰাণ-সঞ্চাৰ নহয়গৈ। মূল পাঠকৰ কালিকা অনূদিতে পাঠত ঢিমিকঢামাককৈহে বৰ্তি থাকে।

তথাপিও সাম্প্ৰতিক অনুবাদে অসমীয়া সাহিত্যত ভাৰতীয় উপন্যাস সাহিত্য, গল্প, কবিতা, শিশু সাহিত্য আদিৰ প্ৰচুৰ সোৱাদ দান কৰিছে। অসমীয়া সাহিত্যৰ অনুবাদকসকল নানাধৰণৰ কামত ব্ৰতী হোৱাৰ বাবে 'কেৱল অনুবাদক' হৈ থকা নাই। সেয়েহে নিজকে সাজু কৰি লৈ অনুবাদ কৰাতকৈ থাপ মাৰি একোখন কিতাপ হাতত লৈ আজৰি সময়ৰ কাম বুলি অনুবাদক গ্ৰহণ কৰাৰ প্ৰৱণতা চকুত পৰে। সেয়েহে অনুবাদ কাৰ্যক জাতীয় দায়িত্ব বুলি মানি লোৱা অনুবাদক কম। সেয়েহে সৌৰভ চলিহাৰ গল্প আৰু ভূপেন হাজৰিকাৰ গীত-সাহিত্য উপযুক্ত সময়ত অনূদিত নহ'ল। বিশেষ মনোযোগৰ আৰু মানসিক শ্ৰম দান নকৰাকৈ অনুবাদ কৰা অসমীয়া কবিতা বা উপন্যাস একোখন যেতিয়া বাহিৰৰ পাঠকলৈ উলিয়াই দিয়া হয়, তেতিয়া অনুবাদৰ সাধাৰণ মানৰ বাবে পাঠকৰ মনত একেজন লেখকৰ অধিক ৰচনাৰ বাবে আগ্ৰহ নজন্মে। ভাৰতীয় সাহিত্যৰ বিশদ আলোচনাত অসমীয়া সাহিত্যৰ নাৰীবাদী লেখা, পৰিৱেশ-সংৰক্ষণ আধাৰিত লেখা, অসমীয়া শেহতীয়া নাটক, অসমীয়া গীতি-সাহিত্য আদি দিশবোৰ বিশেষ আলোচিত নহয়। কাৰণ আলোচকৰ হাতত সেই পাঠবোৰৰ অনুদিত ৰূপ সহজলভ্য নহয়। সেয়েহে নিপুণ অনুবাদকে সাধনাৰ দৰে অসমীয়া সাহিত্যৰ নানা দিশৰ ৰচনাৰ সৎ অনুবাদ কৰাটো এক জাতীয় দায়িত্ব বুলি গণ্য কৰা উচিত। অমনোযোগী অনুবাদ কৰাতকৈ নকৰাই ভাল, সেইবোৰে পাঠকৰ মনোযোগ আকৰ্ষণ নকৰিব আৰু অসমীয়াৰ বিষয়ে ভুল ধাৰণাহে দিব। অন্য ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰা প্ৰয়োজন যদিও অসমীয়াৰ পৰা অন্য ভাষালৈ অনুবাদ কৰাটো অধিক প্ৰয়োজন আৰু অধিক গুৰুত্বপূৰ্ণ। আলোচনাৰ শেষত এই কথা স্বীকাৰ্য যে অনুবাদে অসমীয়া সাহিত্যৰ পাঠক বৃদ্ধি কৰিছে। অসমীয়া সাহিত্যৰ বিকাশ আৰু বিস্তাৰতো অনুবাদে গ্ৰহণ কৰিছে গুৰুত্বপূৰ্ণ ভূমিকা।■

সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকা শিৰসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

Scanned with OKEN Scanner

একবিংশ শতিকাৰ অসমীয়া ভাষালৈ ধ্রুপদী মর্যাদা ঃ প্রত্যাহ্বান, সমস্যা আৰু সমাধান

ড° অর্পণা কোঁৱৰ

প্রতিজন ব্যক্তিয়ে ভাব প্রকাশৰ বাবে ভাষা ব্যৱহাৰ কৰে। সেই ভাষাটো মাতৃভাষাও হ'ব পাৰে অথবা মাকৰ মুখৰ ভাষা নহৈ আন কোনোবা ব্যক্তিৰ পৰা আহৰণ কৰা ভাষা হ'বও পাৰে। মুঠৰ ওপৰত শিশু এটি জন্ম হোৱাৰ পাছৰে পৰা লাহে লাহে মগজুৰ বিকাশ ঘটে; প্রায় এবছৰৰ পৰা দুবছৰমানলৈকে শিশুটিৰ মনৰ গতি বৃদ্ধি পায়। মনৰ গতি বৃদ্ধিৰ লগে লগে শিশুৰ মনটোৱেও আত্মপ্রকাশৰ চেষ্টা কৰে। তেতিয়া শিশুটোৱে চৌপাশৰ পৰিৱেশত থাকি যি মাত-কথা শুনে, সেইবোৰ ব্যৱহাৰৰ কৌশল আয়ত্ব কৰাৰ চেষ্টা কৰে। বিশেষকৈ পৰিয়ালৰ মানুহৰ কথা-বতৰা অনুকৰণ কৰে। সেয়ে শিশুৱে ভাষা শিকাৰ সময়তে যাতে শুদ্ধভাৱে ভাষাটো আহৰণ কৰিব পাৰে তাৰ বাবে পৰিয়ালৰ সকলোৱে অলপ মন দিয়া উচিত। আনহাতে নিজৰ ভাষাটোৰ ব্যৱহাৰৰ অবিহনে যাতে মৃত্যু মুখত নপৰে তাৰ বাবে প্রতিজন মাতৃভাষীয়ে সচেতন আৰু সজাগ হোৱাটো উচিত। যিহেতু ভাষা এটাৰ মৃত্যু হোৱা মানেই সেই ভাষাত অন্তর্নিহিত থকা লোকসাাহিত্য-সংস্কৃতিৰ অপমৃত্যু ঘটা; লগতে সেই জাতি পৰিচয়বিহীন হৈ পৰাও আশংকা থাকে। সেয়ে অসমীয়া জাতিয়ে মূৰ দাঙি জীয়াই থাকিবলৈ আমি অসমীয়া ভাষাক জীয়াই ৰখাটো উচিত।

অসম ভূমিৰ প্রধান ৰাজ্যিক ভাষা অসমীয়া। ভাৰতীয় অষ্টম অনুচ্ছেদৰ সংবিধান স্বীকৃত ই এক সমৃদ্ধিশালী আৰু মর্যাদাসম্পন্ন ভাষা। অসমীয়া ভাষাই চৰকাৰী ভাষাৰূপে মর্যাদা লাভ কৰাৰ পাছত এই ভাষাৰ জৰিয়তে উচ্চ শিক্ষা গ্রহণৰ সুবিধা পোৱাৰ উপৰি গৱেষণাৰ মাধ্যমৰূপেও গ্রহণ কৰাৰ সুবিধা লাভ কৰি আহিছে। তদুপৰি অসমীয়া ভাষাই অসমত বসবাস কৰি থকা বিভিন্ন জাতি-জনগোষ্ঠী— বড়ো, মিচিং, কার্বি, গাৰো, ৰাভা, দেউৰী, ডিমাছা, সোণোৱাল কুৰী, চাহ জনগোষ্ঠী, কলিতা, কোচ, ব্রাহ্মণ, ফাকে, খামতি, আইতন, টুৰুং, আহোম, বঙালী, হাজং, তিৰা, চিলতীয়া,

আদিভাষী, চিংফৌ আদি লোকৰ মাজত এক সংযোগী ভাষাৰূপে সমন্বয় সাধনত অবিহণা যোগাই আহিছে। আনহাতে অসমীয়া ভাষা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কাৰোবাৰ বাবে মাতৃভাষা, কাৰোবাৰ বাবে প্ৰথম ভাষা, দ্বিতীয় ভাষা অথবা তৃতীয় ভাষা ৰূপেও ব্যৱহৃত হৈ আছে।

অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা ঃ

অসমী আইৰ মুখৰ অসমীয়া ভাষাক ভাৰত চৰকাৰে আনুষ্ঠানিকভাৱে 'ধ্ৰুপদী ভাষা'ৰ মৰ্যাদা প্ৰদান কৰিলে। 'চিৰ চেনেহী মোৰ ভাষা জননী' অসমীয়া ভাষাই নিজৰ মৌলিকতা আৰু স্বকীয়তা প্ৰতিষ্ঠা কৰি ধ্ৰুপদী ভাষা ৰূপে ঐতিহাসিক স্বীকৃতি লাভ কৰা খবৰটোৱে স্বাভিমানী সকলো অসমীয়া ভাষীৰ মন উৎফুল্লিত কৰি তুলিছে। বেজবৰুৱাই কোৱা অতিকৈ আপোন অসমৰ সুৱদি শুৱলা অসমীয়া ভাষাটো আজি বিশ্বৰ দৰবাৰত পৰিচিত হ'ল। জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া ভাষাক লৈ সপোনদেখিছিল — 'কামৰূপা মোৰ সুৱদি সুৰীয়া অসমীয়া ভাষা জগত-সভালৈ যাব, উজ্জ্বল সুজ্জ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ'ব (জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, অসমীয়া ডেকাৰ উক্তি, পৃ.৭৩৯)। জ্যোতিপ্ৰসাদে আশা কৰাৰ দৰে সচাঁকৈয়ে আজি অসমীয়া ভাষাটো জগত সভালৈ গ'ল। ভাষাটো এনে মৰ্যাদাৰ গৰাকী হোৱাৰ বাবে প্ৰত্যেকজন অসমীয়া ভাষীৰ বুকু গৌৰৱত উফন্দি উঠিছে। ভাষাটোলৈ অহা এনে স্বীকৃতিয়ে সকলো অসমীয়া ভাষীক গৌৰৱান্বিত কৰিছে যদিও সৰহ সংখ্যক অসমীয়া ভাষীয়ে ভাষাটোৱে 'ধ্ৰুপদী ভাষা'ৰ মৰ্যাদা লাভ কৰাৰ অন্তৰালত থকা কাৰণটো বুজি পোৱা নাই। ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভৰ বাবে অসমীয়া ভাষা কি কি গুণৰ অধিকাৰী হ'ব লাগে? মনত উদয় হোৱা এনেবোৰ প্ৰশ্নৰ সমিধান বিচাৰি এই লেখাটো যুগুতোৱা হৈছে।

'ধ্ৰুপদী ভাষা' বুলি কোৱাৰ লগে লগে আমাৰ মনলৈ কেইবাটাও কথা আহে। সাধাৰণতে ধ্ৰুপদী ভাষা (Classical Language) বুলিলে শাস্ত্ৰীয় ভাষাৰ কথাই আমাৰ মনলৈ আহে। যি ভাষাত শাস্ত্ৰ ৰচনা হৈছিল, সেই ভাষাকেই শাস্ত্ৰীয় ভাষাৰ শাৰীত ধৰিব পাৰি। ভাৰতীয় পৰম্পৰাত প্ৰাচীন ঐতিহ্য, ঐতিহাসিক তাৎপৰ্য বহন কৰা প্ৰাচীন লিখিত সাহিত্যত ব্যৱহৃত বিশিষ্ট ভাষাবোৰক ধ্ৰুপদী ভাষা হিচাপে নামকৰণ কৰা হৈছিল। অৰ্থাৎ যি ভাষাত স্বতন্ত্ৰ সাহিত্যিক পৰম্পৰা আৰু প্ৰাচীন লিখিত সাহিত্য যথেষ্ট পৰিমাণে আছে; এই ভাষাসমূহৰ প্ৰায়ে ঐতিহাসিক তাৎপৰ্য থাকে আৰু লগতে এই ভাষা চহকী সাংস্কৃতিক ঐতিহ্যৰ সৈতেও জড়িত, তেনে ভাষাক ধ্ৰুপদী ভাষা শাৰীত ধৰা হৈছিল। (A Classical language is defined as a language that possesses an independent literary tradition and a substantial body of ancient written literature. These languages often have historical significance and are typically associated with a rich cultural heritage) (Wikipedia). ভাৰতীয় পৰম্পৰাত সংস্কৃত ভাষাক ধ্ৰুপদী ভাষা বোলা হৈছিল। খৃঃ পূঃ ৪র্থ-৫ম শতিকাতে পাণিনীয়ে সংস্কৃত ভাষাত অষ্টাধ্যায়ী ৰচনা কৰি ভাষাটোক মান্যতা প্ৰদান কৰিছিল। পৰৱৰ্তী কালত সংস্কৃত ভাষাত মহাভাৰত ৰামায়ণৰ দৰে মহাকাব্য, বৃহৎ সংখ্যক

Scanned with OKEN Scanner

পুৰাণ, গীতা, ভাগৱত, নাটক, কাব্য আদি ৰচনা কৰা হৈছিল। বৰ্তমান সংস্কৃত ভাষাটো সৰহ সংখ্যক লোকৰ চলতি ভাষা নহয় যদিও এই ভাষাটো আজিও লিখিত ৰূপত ব্যৱহাৰ হৈ আছে। ভাৰতীয় পৰম্পৰাত 'ধ্রুপদী ভাষা' বোলা আৰু বৰ্তমান ধ্রুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ দ্বাৰা নিৰ্ধাৰণ কৰা চৰ্তাৱলীয়ে সামৰি লোৱা ভাষাৰ লক্ষণৰ মাজত পাৰ্থক্য আছে। পূৰ্বতে ধৰ্মীয় অৰ্থাৎ শাস্ত্ৰীয় চিন্তা-চৰ্চাত ব্যৱহৃত লিখিত ৰূপৰ ভিত্তিত ধ্রুপদী বা ক্লাচিকেল ভাষা বুলি নামকৰণ কৰা হৈছিল। বেদ-উপনিষদৰ ভাষা বৈদিক সংস্কৃতৰ পিছতে পালি-প্ৰাকৃতৰ আদি ৰূপ পাণিনীয়ে অষ্টাধ্যায়ী ৰচনা কৰা এক লৌকিক ৰূপ আছিল ক্লাচিকেল সংস্কৃত, ধৰ্মীয় সাহিত্য ৰচিত হোৱা তিব্বতীয় ক্লাচিকেল, তামিল বেদ ৰচিত হোৱা তামিল ক্লাচিকেল ৰূপ আদিক ধ্রুপদী ভাষাৰ আখ্যা দিয়া হৈছিল। আনহাতে ইউৰোপৰ ভাষাসমূহৰ ভিতৰত শাস্ত্ৰীয় অধ্যয়নকাৰী ভাষা ৰূপে গ্ৰীক আৰু লেটিন ভাষাক শাস্ত্ৰীয় মৰ্যাদা প্ৰদান কৰিছিল। বৰ্তমান ধ্রুপদী ভাষাক স্বীকৃতি দিয়া হৈছে ভাষাটোৰ ঐতিহাসিক গুণগত মানদণ্ড, ভাষাটোৰ স্বতন্ত্ৰতা আৰু মৌলিকতা নিৰূপণৰ ভিত্তিত।

বৰ্তমান অসমীয়া ভাষাই ভাৰত চৰকাৰৰ দ্বাৰা ধ্রুপদী ভাষাৰ মৰ্যাদা লাভ কৰিছে। ভাষাটো এনে মৰ্যাদাৰ গৰাকী হোৱাৰ বাবে আমি আমাৰ ভাষাক লৈ গৌৰৱ অনুভৱ কৰিছোঁ। অসমীয়া ভাষাই ধ্রুপদী ভাষাৰ মৰ্যাদা পোৱাৰ অন্তৰালৰ এনে কি যোগ্যতা আছে এনে প্ৰশ্ন বিদ্বৎ মহলত চিন্তা-চৰ্চা চলিছে। এই সন্দৰ্ভত বিজ্ঞজনে গণ মাধ্যম অৰ্থাৎ ইণ্টাৰনেটত উপলব্ধ সামাজিক সংযোজন ক্ষেত্ৰসমূহ বিশেষকৈ ফেচবুক, ৱাটছআপ, টুইটাৰ, বাতৰি-কাকত, আলোচনী আদি মাধ্যমৰ জৰিয়তে নিজৰ মত বিনিময় কৰিছে। তথাপিও দেখা গৈছে যে, এক শ্ৰেণীৰ মানুহ অসমীয়া ভাষাৰ এনে স্বীকৃতিৰ অন্তৰালত নিহিত হৈ থকা চৰ্তাৱলীৰ সম্পৰ্কে জ্ঞাত নহয়। অসমীয়া ভাষাই ধ্রুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পিছত এই ভাষাৰ কি লাভ হ'ব আৰু আমাৰ কৰণীয় কি হ'ব? এনে দিশসমূহৰ বিষয়ে আমাৰ মনত উদয় হোৱা কিছু চিন্তা ব্যক্ত কৰিব খুজিছোঁ।

প্ৰথমে ভাৰত চৰকাৰে বান্ধি দিয়া চৰ্তাৱলীৰ বিষয়ে ক'ব বিচাৰিছোঁ আৰু এই চৰ্তাৱলীৰ সপক্ষে থকা অসমীয়া ভাষাৰ যুক্তিযুক্ততাও বিচাৰ কৰি চাব বিচাৰিছোঁ। ধ্রুপদী ভাষাৰ সন্দৰ্ভত ২০২৪ চনত ভাৰত চৰকাৰে বান্ধি দিয়া চৰ্তাৱলী হৈছে —

- ভাষাটোত ১৫০০ ৰ পৰা ২০০০ বছৰৰ ভিতৰত প্ৰাচীন পাঠ বা নথিভুক্ত ইতিহাসে ভাষাটোৰ প্ৰাচীনত্ব প্ৰতিপন্ন হ'ব লাগিব।
- ভাষাটোত প্ৰাচীন সাহিত্য বা গ্ৰন্থ থাকিব লাগিব, যিবোৰক সেই ভাষীৰ বক্তাসকলে তেওঁলোকৰ সাংস্কৃতিক উত্তৰাধিকাৰৰ অংশ বুলি গণ্য কৰে।
- ভাষাটোৰ সাহিত্য ঐতিহ্য মৌলিক হ'ব লাগিব আৰু আন ভাষাৰ পৰা ঋণকৃত নোহোৱা সাহিত্যিক নিৰ্দশন থাকিব লাগিব।
- ধ্রুপদী ভাষাক ভাৰতৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্যৰ ৰক্ষক হিচাপে গণ্য কৰা হয়। ধ্রুপদী

Scanned with OKEN Scanner

ভাষা আৰু সাহিত্য ইয়াৰ বৰ্তমানৰ ৰূপৰ সৈতে পৃথকত্ব থকা উচিত। অৰ্থাৎ ধ্রুপদী ভাষাৰ পৰা উদ্ভৱ হোৱা শাখা-প্রশাখাৰ মাজত স্পষ্ট ৰূপত বিচ্ছিন্নতা থাকিব লাগিব।

অসমীয়া ভাষাৰ ১৫০০ ৰ পৰা ২০০০ বছৰৰ ভিতৰৰ প্রাচীন পাঠ বা নথিভুক্ত ইতিহাস ঃ

অসমীয়া ভাষাক ধ্রুপদী ভাষাৰ মর্যাদা দিয়াৰ ক্ষেত্রত উল্লেখ থকা চর্তটো বিশ্লেষণ কৰিলে আমি ক'ব পাৰোঁ যে অসমীয়া ভাষাৰ ১৫০০ ৰ পৰা ২০০০ বছৰৰ ভিতৰত প্রাচীন পাঠ বা নথিভুক্ত ইতিহাস সমৃদ্ধ এক ভাষা। অসমীয়া ভাষাই জন্মলগ্নৰে পৰা বিবিধ সাহিত্য ৰচনাৰ মাজেৰে সমৃদ্ধ হৈ স্তৰে স্তৰে বিভিন্ন পৰিৱর্তনৰ খেও ধৰি আজিৰ অৱস্থাত উপনীত হৈছেহি। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী প্রণেতাসকলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই সাহিত্যৰাজিৰ যুগ বিভাজন কৰি প্রত্যেক যুগৰ সাহিত্যৰাজিৰ বিশ্লেষণ দাঙি ধৰিছে। অসমীয়া সাহিত্য বুৰঞ্জী প্রণেতা সত্যেন্দ্র নাথ শর্মাৰ মতে—

'সপ্তম শতিকাৰ পৰাই অসমীয়া ভাষাই স্বকীয়তা লাভ কৰাৰ পথত ক্রমে আগবাঢ়িবলৈ উপক্রম কৰে। প্রসিদ্ধ চীনা পৰিব্রাজক হিউৱেন চাঙে তেওঁৰ বিৱৰণত লিখি থৈ গৈছে যে কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাৰ পৰা পৃথক আছিল।'

হিউৱেন চাঙে লিখা এই মন্তব্যটিৰ পৰা অনুমান কৰিব পাৰি যে, অসমত এটা সুকীয়া ৰূপৰ প্রচলন আছিল, সেই ভাষাটো স্বকীয় বিশেষত্বপূর্ণও আছিল।

আনহাতে প্রাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ দিনত ৰচিত তাম্র ফলিবোৰৰ (ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈ) ভাষা সংস্কৃত আছিল এইবোৰত মাজে মাজে উল্লেখ থকা অসমৰ নদীৰ নাম, ঠাইৰ নাম, মানুহৰ নাম আৰু অসমীয়া আন শব্দত অসমীয়া ৰূপৰ প্রথম নিদর্শন পোৱা যায়। শাসনাৱলীৰ মাজত থকা প্রাকৃতৰ ভাষাক কামৰূপী প্রাকৃতৰ নিদর্শন বুলি মত দাঙি ধৰিছে। (উপেন্দ্র নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ পৃ. ৪-৫)।

আনহাতে পণ্ডিতসকলে চর্যাপদসমূহৰ মাজতেই অসমীয়া ভাষাৰ প্রাচীনতম নিদর্শন পোৱাৰ কথা একে মুখে স্বীকাৰ কৰে। দশম শতিকামানতে অসমীয়া ভাষাই স্বকীয় ৰূপ গ্রহণ কৰি পঞ্চদশ শতিকাৰ আৰম্ভণিতে এই ভাষাই সাহিত্যিক ৰূপ লাভ কৰি ষোড়শ শতিকাত উৎকৃষ্ট অসমীয়া গদ্য ৰচনাৰ জৰিয়তে ভাষাটোক এক নতুন ৰূপ প্রদান কৰে। যদিও বহু ঘাত-প্রতিঘাতৰ মাজেৰে আহি ঊনবিংশ শতিকাত আধুনিক ৰূপ পৰিগ্রহ কৰে। কালক্রমত অসমীয়া ভাষাই আজিৰ এই বিশ্বায়ন প্রভাৱিত স্তৰত উপনীত হৈছেহি।

অসমীয়া ভাষাৰ প্রাচীন সাহিত্য বা গ্রন্থ ঃ

অসমীয়া ভাষাটোৰ সাহিত্যত ব্যৱহাৰ হোৱা অনুসৰি অসমীয়া ভাষাৰ ক্রমবিকাশ সম্পর্কে মত দাঙি ধৰা ভাষাবিদসকলে অসমীয়া ভাষাৰ যুগ বিভাজন কৰিছে। ড° বাণীকান্ত কাকতি, ড° সত্যেন্দ্র নাথ শর্মা, ড° মহেশ্বৰ নেওগ, ড° উপেন্দ্র নাথ গোস্বামী, লীলাৱতী শইকীয়া আদি পণ্ডিতসকলে প্রত্ন অসমীয়া নিদর্শন ৰূপে চর্যাপদ আৰু শ্রীকৃষ্ণকীর্তনৰ ভাষাৰ কথা উল্লেখ কৰিছে।

Scanned with OKEN Scanner

১৯০৪ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজকীয় গ্ৰন্থাগাৰৰ পৰা উদ্ধাৰ কৰা চৰ্যাচৰ্যবিনিশ্চয়, সৰোজৱজৰ দোহাকোষ, কৃষ্ণাচার্যৰ দোহাকোষ আৰু ডাকার্ণৱ এই চাৰিখন পুথি ১৯০৮ চনত 'হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধ গান ও দোহা' নাম দি বঙ্গীয় সাহিত্য পৰিষদে প্ৰকাশ কৰে। মূল গ্ৰন্থখনৰ নাম আছিল 'চৰ্য্যাগীতিকোষ'। এই পুথিক পৰৱৰ্তী কালত বাংলা আৰু অসমীয়া দুয়োটা ভাষাই নিজৰ নিজৰ প্ৰাচীন ৰূপ বুলি দাবী জনায়। চৰ্যাপদৰ ভাষাৰ লগত অসমীয়া ভাষাৰ ধ্বনিগত, ৰূপগত, বাক্যগত দিশত যথেষ্ট মিল আছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু ড° প্ৰবোদ চন্দ্ৰ বাগচীৰ মতে চৰ্যা সিদ্ধাচার্যসকলৰ কাল থূলমূলকৈ দশম আৰু দ্বাদশ শতিকাৰ ভিতৰত পৰে। তদুপৰি চৰ্যাৰিচক ২৪ জন সিদ্ধাচার্যৰ ভিতৰত লুইপা (লুইপাদ), সৰহপা (সৰহপাদ), কাহ্নুপাদ, মীননাথ, মৎসেন্দ্ৰনাথ (মচ্ছীন্দ্ৰ) আদি কামৰূপৰ লোক আছিল। তিব্বতী ঐতিহ্যমতে মীননাথ কৈৱর্ত সম্প্ৰদায়ৰ লোক আছিল আৰু তেওঁৰ আন নাম হৈছে লুইপা। আনহাতে তিব্বতৰ (Pag sam Jon Zan) গ্ৰন্থত সৰহপা, সৰহভদ্ৰ বা ৰাহুলভদ্ৰ প্ৰাচ্যদেশৰ ৰাজ্ঞী নামে মহানগৰৰ এজন ব্ৰাহ্মণ আৰু এজনী ডাকিনীৰ পৰা জন্ম লাভ কৰা এজন বৌদ্ধ সিদ্ধ আছিল বুলি উল্লেখ কৰিছে। সেই ৰাজ্ঞী অঞ্চল বর্তমান কামৰূপৰ ৰাণী অঞ্চল বুলি পণ্ডিতসকলে অনুমান কৰিছে (মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৪৩)। চৰ্যাপদকে অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদর্শন ৰূপে মানি লোৱা হৈছে।

আনহাতে ড° বাণীকান্ত কাকতিয়ে অসমীয়া আৰু বাংলা ভাষাৰ বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি শ্ৰীকৃষ্ণকীর্তনৰ ভাষাক এই ভাষা দুটাই স্পষ্ট ৰূপে পৃথক হৈ ওলোৱা আগৰ এক উমৈহতীয়া ৰূপ বুলি উল্লেখ কৰিছে। মহেশ্বৰ নেওগে বড়ু চণ্ডীদাসৰ ৰচনা শ্ৰীকৃষ্ণকীর্তন গ্ৰন্থৰ ৰচক ভাষাক কামৰূপ-গৌড়ৰ সীমা মূৰিয়লিৰ অঞ্চলৰ বুলি মন্তব্য দিছে (অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৪৮), সত্যেন্দ্ৰ নাথ শর্মাই বড়ু শব্দ বৰুৱা (বড়ুৱা) শব্দৰে এক ৰূপান্তৰ বুলিছে। আনহাতে শ্ৰীকৃষ্ণকীর্তনৰ ৰচনাকাল চতুর্দশ শতিকাৰ পাছলৈ কোনো মতে নিব নোৱাৰি বুলি উল্লেখ কৰিছে।(অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৮৬)। লীলাৱতী শইকীয়া বৰাই (সম্পাদক ঃ শ্ৰীকৃষ্ণকীর্তন) শ্ৰীকৃষ্ণকীর্তনত থকা পর্যাপ্ত অসমীয়া ভাষাৰ বৈশিষ্ট্যলৈ চাই বড়ু চণ্ডীদাসক কামৰূপৰ লোক বুলি অনুমান কৰিছে।

উক্ত আলোচনাৰ পৰা ক'ব পাৰি যে, চৰ্যাপদসমূহ দশমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচনা কৰা হৈছিল আৰু এই পুথিত সংৰক্ষিত হৈ থকা ভাষাৰ পৰাই অসমীয়া ভাষাই দশমৰ পৰা দ্বাদশ শতিকাতে যে এক স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰিছিল এই কথা অনুমান কৰিব পৰা যায়। আনহাতে শ্ৰীকৃষ্ণকীর্তনৰ ভাষাইও অসমীয়া প্ৰত্ন ৰূপৰ নিদর্শন দাঙি কৰে। সেয়ে পণ্ডিতসকলে চৰ্যাপদ আৰু শ্ৰীকৃষ্ণকীর্তন দুয়োখন পুথিয়ে অসমীয়া আৰু বাংলা ভাষাৰ উমৈহতীয়া সম্পদ বুলি মত প্ৰকাশ কৰিছে।

ভাষা-সাহিত্যৰ মৌলিক ঐতিহ্য ঃ

অসমীয়া ভাষা-সাহিত্যৰ এক মৌলিক ঐতিহ্য বিৰাজমান। অসমীয়া ভাষাত ৰচিত পদ্য আৰু

Scanned with OKEN Scanner

গদ্যৰ এক সুদীৰ্ঘ ইতিহাস আছে। প্ৰাক্-শঙ্কৰী আৰু শঙ্কৰী যুগত পদ্যৰ মাধ্যমত সাহিত্য ৰচনাৰ নিদৰ্শন পোৱা যায়। আনহাতে শঙ্কৰদেৱৰ ৰচিত অংকীয়া শৈলীৰ নাটৰ সংলাপত গদ্য ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ হাততেই অসমীয়া পূৰ্ণ পৰিণত গদ্যৰ সৃষ্টি হৈছিল। যি গদ্যক লৈ আমি গৌৰৱ কৰিব পাৰোঁ। আনকি তেওঁলোকৰ হাতত সৃষ্ট গদ্যই সৰ্বভাৰতীয় খ্যাতি লাভ কৰাৰ উপৰি বিশ্বৰ পণ্ডিত বিদ্বান লোকসকলেও ভূয়সী প্ৰশংসা কৰিছিল। আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ে মন্তব্য দাঙি ধৰিছিল এনেদৰে—

"Assamese prose literature developed to a stage in the far distance which no other literature of the world reached except the writings of Homer and Latimer in England."

আনহাতে বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰেও বাংলা ভাষাৰ গদ্যৰ লগত তুলনা কৰি এনেদৰে কৈছিল —

"You may very well be proud of the author (Bhattadeva) of this book (Gita) who could handle prose in such a remarkable lucid style more than a century before we had any prose in Bengali."

আহোম যুগত অসমীয়া ভাষাত ৰচিত বুৰঞ্জীবোৰেও অসমীয়া সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন। অসমীয়া ভাষাৰ আগতে কোনো ভাৰতীয় ভাষাত ইতিহাস সমৃদ্ধ অৰ্থাৎ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক তথ্য সমৃদ্ধ বুৰঞ্জী ৰচনা হোৱা নাছিল। আনহাতে সত্ৰীয়া পৰিবেশত ৰচিত চৰিত পুথিৰোৰও অসমৰ ভাষিক ক্ষেত্ৰৰ লগতে ৰাজনৈতিক আৰু সামাজিক জীৱনৰ একোখন দলিল। পৰৱৰ্তী কালত মিছনেৰীসকলৰ প্ৰযত্নত অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান প্ৰণয়ন কৰা হ'ল আৰু অসমীয়া ভাষাই মান্যতা লাভ কৰিলে। অৰুনোদই, জোনাকী, বাঁহী আলোচনীয়ে অসমীয়া ভাষাক আধুনিক ৰূপ প্ৰদান কৰিলে আৰু পৰৱৰ্তী সময়ত আৱাহন, ৰামধেনু কাকতৰ জৰিয়তে অসমীয়া ভাষাত লিখা বিবিধ সাহিত্যৰাজিৰ ভাষাটোৰ আধুনিক ৰূপ প্ৰতিষ্ঠা কৰাত সহায় কৰিলে।

অসমীয়া এক স্বতন্ত্ৰ লিপি। ব্ৰাহ্মী লিপিৰ ক্ৰম বিকশিত ৰূপ গুপ্ত লিপিৰ মাজেৰে বিকাশ ঘটা অসমীয়া লিপিৰ ইতিহাস ৪র্থ-৫ম শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে বিভিন্ন ৰজাসকলৰ দিনত লিখিত শাসনাৱলী, শিলালিপি, তাম্ৰলিপি আদিত পোৱা যায়। অসমীয়া লিপিৰ প্ৰাচীন নিদৰ্শন সৰুপথাৰৰ নগাজৰী গাঁৱৰ পৰা উদ্ধাৰ কৰা ৪র্থ শতিকাৰ 'নগাজৰী খনিকৰ গাঁৱৰ লিপি' আৰু নীলাচল পাহাৰত উদ্ধাৰ হোৱা ৫ম শতিকাৰ কামৰূপৰ 'সুৰেন্দ্ৰবৰ্মাৰ উমাচল শিলালিপি'ত পোৱা যায়। উক্ত লিপি দুখনৰ আগৰ বুলি অনুমান কৰা গোলাঘাটৰ ৰৰপথাৰৰ ডুবৰাণি গাঁৱত বসুন্ধৰ বৰ্মনৰ 'ডুবৰাণি লিপি' উদ্ধাৰ কৰা হৈছে। অৱশ্যে এই লিপিৰ বিষয়ে বিস্তৃত অধ্যয়ন নোহোৱাৰ বাবে এই লিপিৰ ৰচনাকাল সঠিকভাৱে ক'ব পৰা নাযায়। ত্ৰয়োদশ শতিকাত উত্তৰ গুৱাহাটীত উদ্ধাৰ হোৱা 'কানাই বৰশী বোৱা লিপি'ত খোদিত হৈ থকা আখৰে অসমীয়া লিপিৰ আধুনিক ৰূপৰ নিদৰ্শন দাঙি ধৰে। মধ্যযুগত সাঁচিপাত আৰু তুলাপাতত লিখা তিনি প্ৰকাৰৰ অসমীয়া লিপি হৈছে — বামুণীয়া, গড়গঞা,

Scanned with OKEN Scanner

কাইথেলী বা লহকৰী লিপি। এই তিনিবিধ লিপিৰে লিখা গুৰু দুজনাৰ সাহিত্যবাজি, আহোম যুগৰ বুৰঞ্জী আৰু বিবিধ বিষয়ক সাহিত্যবাজি পোৱা যায়। উক্ত লিপিৰ নিদর্শনবোৰে অসমীয়া ভাষা আৰু লিপিৰ প্ৰাচীনতা, ঐতিহাসিক ৰূপৰ প্ৰামাণিক তথ্য দাঙি ধৰে।

অসমীয়া ভাষা আৰু সমকালত বিকাশ লাভ কৰা ভাষাৰ পৰা পৃথকত্ব ঃ

ভাৰতীয় আৰ্যভাষাৰ ক্ৰম বিবৰ্তিত ৰূপ বৈদিক সংস্কৃত, লৌকিক সংস্কৃত, পালি, প্ৰাকৃত, অপভ্ৰংশৰ মাজেৰে এক দীৰ্ঘ পৰিক্ৰমাৰ মাজেৰে আহি আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ জন্ম হৈছিল। অসমীয়া ভাষাৰ সমান্তৰালকৈ বাংলা, উড়িয়া, মৈথেলী, ভোজপুৰী আদি মগধীয় ভাষাসমূহে গঢ় লৈ উঠে। একে পৰিয়ালৰ পৰা উদ্ভৱ হোৱাৰ বাবে এই ভাষাবোৰৰ লগত অসমীয়া ভাষাৰ সৈতে সম্বন্ধৰ আঁতডালি বিচ্ছিন্ন হোৱা নাই। বৰ্তমানো এই ভাষাবোৰৰ সৈতে অসমীয়া ভাষাৰ এটা সম্পৰ্ক আছে অথচ তাৰ লগতে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে উজ্বলি আছে। ভাৰতীয় আৰ্যভাষা সম্ভূত অসমীয়া, বাংলা, উড়িয়া, মৈথেলী, ভোজপুৰী আদি ভাষাবোৰ প্ৰত্যেকেই একোটা একোটা স্বতন্ত্ৰ ভাষা আৰু প্ৰত্যেকৰে ধ্বনিগত, শব্দগত, ৰূপগত, শব্দগত আৰু বাক্যগত স্তৰত সুকীয়া ভাষিক বৈশিষ্ট্য বিদ্যমান।

তদুপৰি অসমীয়া ভাষাই স্বকীয় ৰূপ গ্ৰহণ কৰাৰ পৰৱৰ্তী কালত সাহিত্যৰ মাজেৰে ভিন্ন স্তৰত, যেনে — প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্য, শঙ্কৰী যুগৰ সাহিত্য, শঙ্কৰোত্তৰ যুগৰ সাহিত্য, বুৰঞ্জী সাহিত্য, চৰিত পুথিৰ সাহিত্য, ব্যৱহাৰিক পুথিৰ সাহিত্য, প্ৰাক্-অৰুনোদই আৰু অৰুনোদই সাহিত্য, হেমচন্দ্ৰ-গুণাভিৰাম বৰুৱাৰ সাহিত্য, জোনাকী-বাঁহীৰ সাহিত্য, আৱাহন-ৰামধেনুৰ সাহিত্য, সাম্প্ৰতিক কালৰ সাহিত্য আদিয়ে বিকাশ লাভ কৰিছে। এনেদৰে সাহিত্যৰ মাজেৰে বিকশিত হোৱা ভাষিক ৰূপসমূহৰ মাজতো পৃথকত্ব দেখিবলৈ পোৱা যায়।

ধ্ৰুপদী ভাষা ৰূপে অসমীয়া ভাষাৰ সুবিধা ঃ

অসমীয়া ভাষাই ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি লাভ কৰাটো অসমীয়া জাতীয় জীৱনৰ বাবে এক বিশেষভাৱে গুৰুত্বপূৰ্ণ দিশ। বৰ্তমান অসমীয়া ভাষাটোৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰাৰ লগতে বিভিন্ন দিশত উপকৃত হ'ব বুলি আশা কৰা হৈছে। এনে দিশবোৰৰ বিষয়ে থোৰতে আলোচনা কৰা হৈছে।

- অসমীয়া ভাষাক ২০০০ বছৰৰ এক প্ৰাচীন ভাষা ৰূপে স্বীকৃতি প্ৰদান।
- অসমীয়া ভাষাৰ গৱেষণাৰ বাবে কেন্দ্ৰৰ পুঁজি যোগান ধৰিব। এই পুঁজিৰ জৰিয়তে অসমীয়া ভাষাৰ গৱেষণা আৰু পৌৰাণিক সমলসমূহ সংৰক্ষণ কৰাৰ বাবে সুবিধা হ'ব। বিশ্ববিদ্যালয়কে ধৰি অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ গৱেষকসকলে গুৰু আৰু লঘু প্ৰকল্প সম্পন্ন কৰাৰ বাবে সুবিধা পাব। প্ৰকল্পৰ জৰিয়তে সংগৃহীত সমলে অসমীয়া ভাষাক বিশ্বৰ দৰবাৰত স্থান দখল কৰোৱাত সুবিধা পাব।
- অসমীয়া ভাষাৰ উৎকৰ্ষ সাধনৰ বাবে ভাষা কেন্দ্ৰ স্থাপনকে ধৰি ভাষাটোৰ প্ৰচাৰ, প্ৰসাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰ চৰকাৰৰ বিশেষ সহযোগিতা আগবঢ়াব। ইতিমধ্যে মহীশূৰস্থ 'কেন্দ্ৰীয় ভাৰতীয়

ভাষা সংস্থা'ই (Central Institute of Indian Languages) তামিল, তেলেগু, মালয়ালম, সংস্কৃত ভাষাৰ বাবে অধ্যয়নকেন্দ্ৰ মুকলি কৰি এই ভাষাবোৰৰ উৎকৰ্ষ সাধনৰ বাবে কাম কৰি আছে।

- অসমীয়া ভাষাৰ উৎকৰ্ষ সাধনৰ বাবে কাম কৰা কমেও দুজন গৱেষকক আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত কৰিব।
- ইউনিকডকে ধৰি অসমীয়া ভাষাই আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰতিপন্ন হ'ব আৰু অসমীয়া লিপি স্বতন্ত্ৰ ৰূপে বিবেচিত হ'ব।
- নিয়োগৰ সুবিধা লাভ কৰিব।

উক্ত সুবিধাবিলাক গ্ৰহণ কৰিবলৈ অসমীয়া ভাষীয়ে হাতে-কামে কাম কৰিব লাগিব। ধ্ৰুপদী মৰ্যাদা লাভ কৰিলোঁ বুলি হাত সাবটি বহি থাকিলে নহ'ব। আমি প্ৰত্যেকেই অসমীয়া ভাষা শুদ্ধকৈ কোৱা, লিখাত গুৰুত্ব দিব লাগিব।

অসমীয়া ভাষাই সন্মুখীন হোৱা সংকট তথা প্ৰত্যাহ্বান ঃ

সময়ে সময়ে অসমীয়া ভাষাই নানা সংকটৰ সন্মুখীন হৈ আহিছে। অসমীয়া ভাষাই ন্যায্যতা প্ৰাপ্তিৰ বাবে সময়ে সময়ে সংগ্ৰাম চলাবলগীয়া হৈছে। ছশ বছৰীয়া আহোম শাসনৰ অন্ত পৰাত ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চুক্তি মতে অসমত ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ পিছতেই উনবিংশ শতিকাৰ চতুৰ্থ দশকত অৰ্থাৎ ১৮৩৬ চনত অসমৰ বিদ্যালয় আৰু অফিচ-আদালতত অসমীয়া ভাষাক আঁতৰাই বাংলা ভাষা প্ৰৱৰ্তন কৰা হৈছিল। আনহাতে ১৮৩৭ চনৰ মাতৃভাষা আইন আৰু দণ্ডবিধিৰ ৩৩৭ ধাৰামতে দেৱানী আৰু ৰাজহ বিষয়ত প্ৰত্যেক প্ৰদেশত নিজা মাতৃভাষাহে চলিব লাগিছিল। কিন্তু অসমৰ ক্ষেত্ৰত এইয়া হৈ নুঠিল। অসমৰ মানুহৰ অসমীয়া মাতৃভাষা নহয়, ই বাংলা ভাষাৰ এটা উপভাষাহে, এনেদৰে বংগদেশৰ পৰা আমোলাসকলে ইংৰাজক বুজাই দিয়াত অসমত বাংলা ভাষাকে মাতৃভাষাৰূপে স্কুল-আদালতত চলি থাকিল। এনেদৰে অসমৰ স্কুলসমূহত বঙলা ভাষাৰ মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা ১৮৭৩ চনলৈকে চলি থাকিল। সেই সময়ত ভাষাটোৰ স্বকীয়তাৰ বাবে লগা যুঁজখনত অংশ গ্ৰহণ কৰা মিছনেৰী লোকসকলৰ ভিতৰত আছিল নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, অলিভাৰ টি কাট্টাৰ, এ.কে গার্নী আদি। তদুপৰি আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিয়েও এওঁলোকৰ লগলাগি অসমীয়া ভাষা বাংলা উপভাষা নহয়, এই কথাটো প্ৰতিপন্ন কৰিবলৈ যুক্তিপূৰ্ণ নথি-পত্ৰ যোগান ধৰিছিল। অৱশেষত মুষ্টিমেয় কেইজনমান অসমীয়া আৰু খৃষ্টান মিছনেৰীৰ নেতৃত্বত অসমীয়া ভাষা অসমৰ বিদ্যালয় আৰু অফিচ-আদালতত পুনৰ প্ৰচলন হ'ল।

বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্ৰন্থত অসমীয়া ভাষা বাংলা ভাষাৰ উপভাষা নহয় বুলি উপযুক্ত প্ৰমাণ সহকাৰে যুক্তি দাঙি ধৰিছিল। আনহাতে১৯৬০ চনৰ পৰা চলি অহা অসমীয়াৰ ভাষাৰ মাধ্যম আন্দোলন আছেই। অৱশ্যে অসমীয়া ভাষাৰ মাধ্যমত স্নাতক পৰ্যায়লৈকে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী হ'ল যদিও এতিয়াও পূৰ্ণ ৰূপত হৈ উঠা নাই। অসমীয়া ভাষাই ধ্ৰুপদী

Scanned with OKEN Scanner

ভাষাৰ মৰ্যাদা পোৱাৰ পিছত অন্ততঃ বাংলাৰ উপভাষা বুলি যি পৰিকল্পিত অপপ্রচাৰ চলি আছিল, সেই অপপ্রচাৰ চিৰদিনৰ বাবে নসাৎ হ'ল। ভাষাটোলৈ অহা ধ্রুপদী ভাষাৰ স্বীকৃতিৰ বাবে যেন ৰক্ষা কবচ খোল খাইছে আৰু ভাষাৰ উন্নতিৰ বাবে আমি কি কৰিব পাৰোঁ; এনে কথাহে চিন্তা কৰিব লাগে।

এটা জাতিৰ ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা যদি দিনক দিনে কমি যায় আৰু সেই অঞ্চলত বসবাস কৰা আন আন ভাষা-ভাষীৰ সংখ্যা দিনক দিনে বাঢ়ি যায়, তেতিয়া সেই জাতিটোৰ বাবে শুভ লক্ষণ নহয়। ২০১১ চনৰ লোক পিয়ললৈ মন কৰিলে, অসমীয়া ভাষীৰ সংখ্যা প্রতি দহ বছৰে যথেষ্ট কমি আহিছে। ই অসমীয়া ভাষাৰ বাবে শুভ লক্ষণ নহয়। ২০০১ চনৰ লোকপিয়লৰ মতে অসমীয়া ভাষীৰ সংখ্যা আছিল ৪৮.৮০ শতাংশ আৰু ইয়াৰ বিপৰীতে ২০১১ চনত ৪৮.৩৮ শতাংশ; বাংলা ভাষীৰ সংখ্যা আছিল ২৭.৫৪ শতাংশৰ বিপৰীতে ২৯.৯১ শতাংশ; হিন্দী ভাষীৰ সংখ্যা আছিল ৫.৮৯ শতাংশৰ বিপৰীতে ৬.৭৩ শতাংশ। অসমীয়া ভাষীৰ সংখ্যা ৫০ শতাংশ তললৈ নামি যোৱাটো এক চিন্তনীয় বিষয়। আনহাতে খিলঞ্জীয়া বড়ো, ৰাভা, চাওতালীসকলৰ জনসংখ্যাও দিনক দিনে কমিছে। অসমলৈ বাংলা হিন্দু আৰু মুছলমান লোকৰ অনুপ্রবেশকাৰীৰ সোঁত বলাৰ বাবে অসমীয়া ভাষীৰ সংখ্যা কমিছে আৰু দ্রুতভাৱে অনুপ্রবেশকাৰীৰ বৃদ্ধি পাই আছে। এনে অনুপ্রবেশ ৰোধ কৰিব লাগিব।

বর্তমান সময়ছোৱা হ'ল বিজ্ঞান-প্রযুক্তিবিদ্যাৰ যুগ। বিজ্ঞান-প্রযুক্তিবিদ্যাই সম্প্রতি সমগ্র পৃথিৱীখনকে এটা নতুন ৰূপলৈ লৈ গৈছে। এক অর্থত ক'বলৈ গ'লে পৃথিৱীখন বিশ্বায়ন (Globalization)ৰ সমাহাৰ হৈ পৰিছে। সাম্প্রতিক সময়ত গণসংযোগৰ ক্ষেত্রত গণমাধ্যমেই আটাইতকৈ শক্তিশালী ব্যৱস্থা। আনফালেদি সমাজক প্রতিনিধিত্ব কৰাৰ ক্ষেত্রত গণ মাধ্যমসমূহৰ ভূমিকাও গুৰুত্বপূর্ণ। গণসংযোগৰ দুই মাধ্যম— ৰেডিঅ' শ্রব্য মাধ্যম আৰু টেলিভিচন হ'ল দৃশ্য-শ্রব্য মাধ্যম। গণমাধ্যমৰে এটা নতুন শাখা হ'ল নব্য মাধ্যম। ইন্টাৰনেটত উপলব্ধ সামাজিক সংযোজন ক্ষেত্রসমূহ বিশেষকৈ ফেচবুক, ৰাটছআপ, টুইটাৰ আদি নব্য মাধ্যমৰ ভিতৰুৱা। মানুহৰ মাজত যোগাযোগ স্থাপনৰ ক্ষেত্রত এক প্রভাৱশালী গণমাধ্যম হিচাপে সাম্প্রতিক সময়ত নব্য মাধ্যমসমূহে বৃহৎ সংখ্যক জনসমষ্টিক সামৰি লৈছে।

এফালেদি বিজ্ঞান প্রযুক্তিবিদ্যাৰ অগ্রগতিৰ লগে লগে ইন্টাৰনেটৰ সংযোগৰ দ্বাৰা ফেচবুক, ৰাটচএপ, টুইটাৰ, ই মেইল, ইউটিউব, লিংকডইন আদিৰ জৰিয়তে বিভিন্নজনৰ সৈতে বিভিন্ন ক্ষেত্রত যোগাযোগ কৰিবলৈ সক্ষম হৈছে যদিও এইবোৰত ব্যৱহৃত অসমীয়া ভাষাটোৰ শুদ্ধতা, সৌন্দর্য আৰু কালিকা যেন লাহে লাহে ম্লান পৰি আহিছে, এনে কথা দৃষ্টিগোচৰ হৈছে। জনসাধাৰণৰ কাষলৈ সংবাদ, তথ্য বা সূচনা কঢ়িয়াই নিয়া যি কোনো মাধ্যমৰে ভাষা শুদ্ধ ৰূপত প্রয়োগ হোৱাটো অতিশয় জৰুৰী। কাৰণ গণ-মাধ্যমত প্রয়োগ হোৱা ভুল প্রয়োগবোৰেই প্রচলিত হৈ হৈ এটা সময়ত শুদ্ধ ৰূপ যেন হৈ পৰে আৰু ই ভাষাটোৰ বাবে শুভলক্ষণ নহয়।

অসমীয়া ভাষাৰ প্রয়োগগত সমস্যা ঃ

Scanned with OKEN Scanner

অসমীয়া ভাষা শিকা আৰু শিক্ষণৰ ক্ষেত্ৰত কিছুমান সমস্যা নথকা নহয়। সাধাৰণতে অসমীয়া ভাষাৰ গঠন ৰীতিটো ভালদৰে নাজানিলে এনে সমস্যাবোৰৰ সন্মুখীন হ'ব লগা হয়। আনহাতে ব্যাকৰণগত নীতি উলংঘা কৰিলে ভাষাৰ শুদ্ধতা অক্ষুন্ন নাথাকে। সেয়ে ব্যাকৰণ নীতি অক্ষুণ্ণ ৰাখি ভাষাটোৰ শুদ্ধ প্ৰয়োগত মনোনিৱেশ কৰিব লাগে। অসমীয়া ভাষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা বিশেষকৈ ধ্বনিৰ উচ্চাৰণগত, ৰূপৰ প্ৰয়োগ, বাক্যৰ গঠন আৰু অৰ্থ সম্পৰ্কীয় মন কৰিবলগীয়া কিছু কথা অৱগত কৰিব বিচাৰিছোঁ।

ধ্বনিগত সমস্যা ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত অসমীয়া ভাষাটো শিকাৰ ক্ষেত্ৰত বিশেষকৈ ধ্বনিৰ উচ্চাৰণত কিছু অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। অসমীয়া ভাষা স্বৰধ্বনি 'ই' আৰু 'ঈ'; 'উ' আৰু 'ঊ' ৰ উচ্চাৰণৰ পাৰ্থক্য নাই। এই ধ্বনিকেইটা যুক্ত শব্দৰ উচ্চাৰণ আৰু লিখনত বহুসময়ত অসুবিধাতপেলায়। ঠিক সেইদৰে অসমীয়া পশ্চ-তালব্য 'স' আৰু নাসিক্য 'ঙ' ধ্বনিটোৰ উচ্চাৰণত অসুবিধা পায়। অসমীয়া ভাষাৰ নতুন প্ৰজন্ম আৰু দ্বিতীয় ভাষাৰূপে আহৰণ কৰিব বিচৰা ব্যক্তিয়ে 'শ, ষ, স'-ৰ উচ্চাৰণত অসুবিধাৰ সন্মুখীন হয়। 'শ, ষ, স'- এই ধ্বনিকেইটাক 'চ' হিচাপে উচ্চাৰণ কৰা পৰিলক্ষিত হয। যেনে— শাক> চাক, শনি> চনি , ৰস > ৰচ, শক্তি > চক্তি ইত্যাদি। 'ঙ' যুক্ত শব্দবোৰ উচ্চাৰণ কৰোঁতেও প্ৰায়ে ঙ্-ৰ দৰে উচ্চাৰণ হয়। যেনে— আঙুৰ-ক আঙ্গুৰ, অঙঠা-ক অঙ্গঠা হিচাপে উচ্চাৰিত কৰে। তেনেদৰে হিন্দী ভাষাত 'চ' আৰু 'ছ'-ৰ মাজত উচ্চাৰণৰ পাৰ্থক্য আছে। কিন্তু অসমীয়া ভাষাত সেই এই ধ্বনি দুটা উচ্চাৰণৰ পাৰ্থক্য নাই। দুয়োটাই দন্তমূলীয় উষ্ম ধ্বনিৰূপে উচ্চাৰণ কৰা হয়। অসমীয়া ভাষাৰ নতুন প্ৰজন্মৰ মাতৃভাষা আহৰণ আৰু দ্বিতীয় ভাষাৰূপে আহৰণ কৰিব বিচৰা ব্যক্তিৰ ক্ষেত্ৰত উচ্চাৰণৰ পাৰ্থক্য নথকা 'ন' আৰু 'ণ'ৰ উচ্চাৰণত সমস্যাৰ সৃষ্টি কৰে।

ৰূপগত সমস্যা ঃ

প্ৰথম ভাষা অথবা দ্বিতীয় ভাষা শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ বেছি ভুল হোৱা দেখা যায় ৰূপগত দিশৰ প্ৰয়োগৰ ক্ষেত্ৰত। কাৰণ একোটা ভাষাৰ ৰূপতাত্ত্বিক দিশটো অত্যন্ত জটিল আৰু বৈচিত্ৰ্যপূৰ্ণ। প্ৰত্যেক ভাষাৰে ৰূপতাত্ত্বিক দিশত বচন আৰু লিঙ্গ নিৰ্ণয়, কাৰক-বিভক্তিৰ প্ৰয়োগ, প্ৰত্যয়ৰ ব্যৱহাৰ, ক্ৰিয়াৰ কাল নিৰ্ণয় আদি অনেক কথা নিহিত হৈ থাকে। ভাষা শিকোঁতে এজন শিকাৰুৱে ৰূপতাত্ত্বিক দিশত গুৰুত্ব প্ৰদান কৰে যদিও সঘনে ইয়াৰ ভুল প্ৰয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে, প্ৰথম বা দ্বিতীয়ৰূপে অসমীয়া ভাষাটো ব্যৱহাৰ কৰোঁতে ক্ৰিয়াৰ ৰূপৰ প্ৰয়োগত বহুতেই ভুল প্ৰয়োগ কৰা দেখা যায়। 'মই যাম-ৰ ঠাইত 'মই যাব', 'তুমি গৈছিলা'-ৰ ঠাইত 'তুমি যাইছিলা' আদি ৰূপৰ প্ৰয়োগ কৰা দেখা যায়।

অসমীয়া ভাষাৰ সন্মানাৰ্থত সৰ্বনামৰ ব্যৱহাৰত অধিক সমস্যাৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে, 'আপুনি

যায়' কিন্তু 'তুমি যোৱা' আৰু 'তই যা' এইকেইটা শুদ্ধ প্ৰয়োগ। ন-শিকাৰুৱে কিন্তু 'আপুনি যোৱা' আৰু 'তুমি যোৱা' নতুবা 'তুমি যায়' আৰু 'আপুনি যোৱা' ৰূপেও ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

অসমীয়া ভাষাৰ বৈশিষ্ট্য বহন কৰা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ প্ৰয়োগতো ন-শিকাৰুৱে ভুল কৰে; অসমীয়া ভাষাৰ কোনো বস্তুৰ আকৃতি, প্ৰকৃতি অনুসৰি নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ বিশেষ্য, বিশেষণ শব্দৰ পাছত যোগ কৰা হয়। যেনে— গৰুটো, ল'ৰাটো, মানুহটো, মানুহজন, ফুলপাহি, ফুলপাহ, গছজোপা, চুলিটাৰী, কলথোকা এনেদৰে বিশেষ্য অনুসৰি নিৰ্দিষ্টবাচক ৰূপবোৰ বহে। কিন্তু ন-শিকাৰুৱে এই বিশেষ্যৰূপবোৰৰ পাছত সকলোতে 'টো' প্ৰত্যয়টো ব্যৱহাৰ কৰে। আনকি ন-শিকাৰুৱে ক্ৰিয়াৰ ব্যৱহাৰত বাৰে বাৰে ভুল কৰে। যেনে— পাৰোঁ-নাপাৰোঁ, যাম-নাযাম, ৰখি আছোঁ, খোৱা নাই (নাই খোৱা), যাই (গৈ) আছোঁ ইত্যাদি।

অসমীয়া ভাষাৰ বাক্যত বিভক্তি আৰু প্ৰত্যয়ৰ প্ৰয়োগহীনতা দেখিবলৈ পোৱা যায়। নিমিত্ত কাৰকত চতুৰ্থী বিভক্তিৰ 'লৈ'ৰ সলনি সপ্তমী বিভক্তি 'ত' ৰ প্ৰয়োগ। যেনে — মই ফুৰিব যাম (মই ফুৰিবলৈ যাম), ৰামে ঘৰত যাব (ৰাম ঘৰলৈ গৈছে), অঙ্কিতাই অফিচত গৈছে (অঙ্কিতাই অফিচলৈ গৈছে), তুমি ক'ত যাবা (তুমি ক'লৈ যাবা), মই কলেজ যাম (মই কলেজলৈ যাম), ৰামে কলিকতাত যাব (ৰামে কলিকতালৈ যাব) আদি। তদুপৰি অসমীয়া ভাষাৰ পুৰুষ নিদেৰ্শক বিভক্তি -এৰ, -এৰা, - এক ৰ ব্যৱহাৰ নতুন প্ৰজন্মৰ মুখত প্ৰায়ে লোপ পাইছে। যেনে— মোৰ দেউতা আহিছে, তোমাৰ দেউতা আহিছে (তোমাৰ দেউতাৰা আহিছে), ৰামৰ দেউতা আহিছে (ৰামৰ দেউতাক আহিছে), তোমাৰ ভাই আহিছে (তোমাৰ ভায়েৰা আহিছে) আদি।

বাক্যগত সমস্যা ঃ

ভাষাৰ বাক্যৰ গঠন আয়ত্ত কৰাৰ ক্ষেত্ৰতো ভাষাৰ ন-শিকাৰুৰ সমস্যা আহি পৰে। সাধাৰণতে দ্বিতীয় ভাষা শিকাৰুক প্ৰথম ভাষাৰ বাক্য গঠনৰ নিয়মে দ্বিতীয় ভাষাৰ বাক্যৰ গঠনৰ নিয়মত প্ৰভাৰ পেলায়। সাম্প্ৰতিক সময়ত ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিছু সংখ্যকে অসমীয়া ভাষা প্ৰয়োগ কৰোঁতে ইংৰাজী ভাষাৰ দৰে প্ৰয়োগ কৰা দেখা যায়। তেওঁলোকেও ইংৰাজীৰ অনুকৰণত নিজৰ নামটো আনৰ আগত কওঁতে 'মোৰ নাম অমল হয়', 'মোৰ ঘৰ গুৱাহাটীত হয়', মই এজন শিক্ষক হয় আদি বাক্য ব্যৱহাৰ কৰে, কিন্তু অসমীয়া ভাষাত এনে বাক্যত ক্ৰিয়াতো উহ্য হৈ থাকে। যেনে — 'মোৰ নাম অমল', 'মোৰ ঘৰ গুৱাহাটীত', 'মই এজন শিক্ষক' আদি।

অসমীয়া ভাষাৰ বাক্য গঠনত পদৰ ক্ৰম হৈছে — কৰ্তা+ কৰ্ম + ক্ৰিয়া (মই কাম কৰোঁ)। আনহাতে ইংৰাজী বাক্যৰ পদৰ ক্ৰম হৈছে — কৰ্তা+ ক্ৰিয়া+ কৰ্ম (I do work)। সাধাৰণতে অসমীয়া ভাষাৰ প্ৰায়বোৰ বাক্যকে সৰল ৰূপত কোৱা বা লিখা হয়। সৰল ৰূপত প্ৰকাশ কৰা বাক্য হৈছে — 'মই গধূলি ফুৰিবলৈ যাওঁতে বাটতে লগ পোৱা মানুহজনেই তোমাৰ ককা আছিলনেকি?' এই বাক্যটো দেখাত দীঘল যদিও ইয়াৰ গাঁথনিক ৰূপটো সৰল।

Scanned with OKEN Scanner

উক্ত সৰল অসমীয়া বাক্যটো দ্বিতীয় ভাষা হিচাপে শিকা এজন লোকে অথবা অসমীয়া ভাষা ভালদৰে আয়ত্ত নকৰা এজনে সৰল বাক্যত কথাখিনি উপস্থাপন কৰিবলৈ অসুবিধা পায়। তেনে ক্ষেত্রত সেই ব্যক্তিজনে ইংৰাজী ভাষাৰ বাক্যৰ অনুকৰণত এনেদৰে কোৱা দেখা যায়— 'মই গধূলি ফুৰিবলৈ যাওঁতে যিজন মানুহ বাটত লগ পাইছিলোঁ, সেইজনেই তোমাৰ ককা আছিল নেকি? ই এটা জটিল বাক্য।

কেতিয়াবা দেখা যায় যে, প্রথম বা দ্বিতীয় ভাষাটোৰ ধ্বনি, শব্দ, ৰূপ সম্পর্কে জ্ঞান থকা সত্ত্বেও বাক্য গঠন কৰোঁতে সমস্যাৰ সৃষ্টি হয়। বহুক্ষেত্রত বাক্য গঠনত অসমীয়া ভাষাৰ পদৰ ক্রম উলংঘা কৰাও দেখা যায়।

অর্থগত সমস্যা ঃ

প্রত্যেক ভাষাৰে অর্থগত দিশটোৰ কিছুমান সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। আনহাতে অর্থ হৈছে ভাষাৰ প্রধান উপাদান। ভাষাৰ শুদ্ধতা অক্ষুন্ন ৰাখে উপযুক্ত অর্থ প্রকাশক শব্দ প্রয়োগৰ জৰিয়তে। লেখকে দাঙি ধৰা বা ক'বলৈ বিচৰা কথাবোৰ প্রসঙ্গ অনুসৰি অভিধানগত অর্থযুক্ত শব্দবোৰ উপযুক্ত স্থানত সংস্থাপিত কৰিলেহে বক্তব্যৰ ভাবৰ পূর্ণ প্রকাশ ঘটিব। অসমীয়া ভাষাৰ -তা প্রত্যয়ৰ যোগত সৃষ্টি হোৱা গুণবাচক শব্দবোৰ মধুৰতা, স্থিৰতা, শিথিলতা, সৰলতা আদি শব্দৰ ঠাইত মাধুর্য, শৈথিল্য, স্থবিৰতা আদি ৰূপ বাংলা ভাষাৰ অনুকৰণত সৃষ্টি কৰা দেখা যায়।

অসমীয়া ভাষা সুৰদি শুৱলা এক ভাষা। এই ভাষাত ব্যৱহৃত কিছুমান শব্দৰ অর্থগত দিশত কালিকা লুকাই আছে। ন-শিকাৰুৱে অসমীয়া ভাষাৰ সমাজ জীৱন তথা পৰিৱেশৰ লগতো একাত্ম স্থাপন কৰিব নোৱাৰিলে ভাষাৰ অর্থগত দিশৰ কালিকা জনাটো অধিক জটিল বুলিব পাৰি। ভাষাৰ যথার্থ ৰীতিৰ প্রয়োগ ভঙ্গ কৰিলে, ভাষাৰ বৈশিষ্ট্য তথা সৌন্দর্য নষ্ট হৈ পৰে। ভাষাৰ শব্দৰীতিৰ শুদ্ধ প্রয়োগে অর্থ তথা যথার্থ তাৎপর্য উপলব্ধিত অৰিহণা যোগায়। অসমীয়া ভাষাৰ নাম শব্দ অনুসৰি বিশেষ বিশেষ ক্রিয়াৰূপৰ প্রয়োগ হয়। যেনে — ধান দাই, মাছ মাৰে, চাহ কৰে, ভাত ৰান্ধে, মাছ বাছে, মাংস কুটে, বাট-পথ মেৰামতি কৰে, গুচি সিঁচে, শস্য ৰোপন কৰে, পাহাৰ বগায়, বিহু গায়, হুচৰি মৰা ইত্যাদি। কিন্তু হিন্দী ভাষাৰ প্রভাৱত কিছুমান ক্রিয়াৰ প্রয়োগত 'বনা' ধাতুৰ প্রয়োগ মন কৰিবলগীয়া। যেনে — ভাত বনাই, চাহ বনাই, ঘৰ বনাই, ৰাস্তা বনাই আদি। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা কিছুমান অতি সুন্দৰ শব্দ পৰিহাৰ কৰি বাংলা বা হিন্দী ভাষাৰ শব্দ প্রয়োগ কৰিবলৈ লৈছে। যেনে— আঞ্জাৰ ঠাইত তৰকাৰী, চবজি, দাইলৰ ঠাইত দাল, জোলৰ ঠাইত গ্রেভী, পানী লগাৰ ঠাইত চর্দি আদি। আনহাতে কিছুমান শব্দৰ ভুল প্রয়োগ লক্ষ্য কৰা যায়। যেনে — অহা কালি, যোৱা কালি, সোচ্চাৰ, ফাদিল, সাচিল আদি শব্দ।

অসমীয়া ভাষাত গৰম, ঠাণ্ডা, চেঁচা, তপত, গভীৰ, দ, প্রচণ্ড, ভীষণ আদি শব্দৰ প্রয়োগ বিশেষ বিশেষ অর্থতহে ঘটে। আমাৰ ঠাণ্ডা লাগে নতুবা গৰম উঠে; কিন্তু তপত বা চেঁচা নালাগে।

Scanned with OKEN Scanner

পানীহে চেঁচা বা তপত হয়। আনহাতে গভীৰ সাগৰ, কিন্তু পুখুৰী দ হয়। ঠিক তেনেদৰে প্ৰচণ্ড ধুমুহা হয়, প্ৰচণ্ড বতাহ নামাৰে; ভীষণ গাজনি মাৰে।

পৰিৱেশ অনুসৰিও প্ৰকৃতিৰ কিছুমান চিত্ৰ ফুটাই তুলিবলৈ যথোপযুক্ত অৰ্থ বহন কৰা শব্দ ব্যৱহাৰ কৰা হয়। অসমৰ সেমেকা জলবায়ুৰ বাবে বৰষুণৰ পৰিমাণ বেছিকৈ হয়। সেয়ে বৰষুণৰ প্ৰকৃতি অনুসৰি বৰষুণ বুজাবলৈ ভিন্ন ভিন্ন ৰূপবাচক শব্দ পোৱা হৈছে। যেনে — কণিওৱা বৰষুণ, কিনকিনীয়া বৰষুণ, চিপচিপীয়া বৰষুণ, দ্বাপিটা বৰষুণ, ডবালপিটা বৰষুণ, কলহৰ কাণে ঢলা বৰষুণ, মুষলধাৰ বৰষুণ ইত্যাদি। এনেধৰণৰ শব্দৰ অৰ্থগত প্ৰয়োগৰ প্ৰতি ভাষা শিকাৰুৱে মনোযোগ দিব লাগে।

অসমীয়া ভাষাত বিজতৰীয়া শব্দ বা ৰূপৰ প্ৰয়োগ ঃ

অসমীয়া ভাষালৈ অহা তৎসম, তদ্ভৱ, দেশী আৰু বিদেশী শব্দবোৰে হাড়ে-হিমজুৰে অসমীয়া শব্দ হৈ যোৱাৰ বাবে অসমীয়া ভাষাটো শক্তিশালী হৈছে। এই শব্দবোৰে অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশত অৰিহণা যোগাইছে, এইটো কথা ভাষাবিদসকলে স্বীকাৰ কৰিছে। আনহাতে অসমীয়া ভাষালৈ বিভিন্ন উৎসৰ পৰা অহা শব্দৰ উপৰি আজিকালি নৱ-প্ৰজন্মৰ মুখত কিছুমান নতুন নতুন শব্দ শুনিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

পুৰুষে ব্যৱহাৰ কৰা শব্দ — বহুত শুনিলোঁ বে, তেনেকে নকবি ৰে, আৰে, আবেব, ফটুৱা, ভক্‌সেল, তোৰ চালটো অলপ বেছি হৈছে, কি যে বাজে কথাবোৰ কৈ থাক, সি আফা মাৰিলে তোৰ আগত, তামাম ধুনীয়া দেই, চালিয়া লাগিছে, সিহঁতৰ লগত থাকিলে লাফ্‌ৱা হ'বই, ইমান লেবেল অ' সিহঁতৰ, জেং কৰি দিম, ছোৱালীকেইজনী বৰ কামোৰ (দিগদাৰ), সিঁহতে টেমা (মূৰ) টো গৰম কৰি দিলে, মোক বেল (বুৰ্বক) বুলি ভাবিছ নেকি? ইত্যাদি।

মহিলাই ব্যৱহাৰ কৰা শব্দ— মজ্জা লাগিছে (ধুনীয়া), ছোৱালীজনী বৰ কিউট (ধুনীয়া), পিক্‌নিকত আজি বৰ মস্তি (আনন্দ, ভাল) কৰিলোঁ, ছিহ্‌ কটা (বৰ লেতেৰা), ল'ৰাটো বৰ কামোৰ (আমনি, অশান্তি) ইত্যাদি। তদুপৰি মহিলাসকলে কথাই প্ৰতি 'ভাই' শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। যেনে — মোৰ কামখিনি নহ'ল ভাই, আজি ফুৰিবলৈ নাযাওঁ ভাই, তুমি বিয়ালৈ আহিব লাগিব ভাই ইত্যাদি ৰূপৰ ব্যৱহাৰ দেখা যায়।

নতুন প্ৰজন্মই ব্যৱহাৰ কৰা উক্ত শব্দবোৰ কিছুমান গ্ৰহণীয় আৰু কিছুমান গ্ৰহণযোগ্য নহয়। গ্ৰহণীয় শব্দবোৰেও অসমীয়া ভাষাৰ সমৃদ্ধিত অৰিহণা যোগাব।

তদুপৰি অসমীয়া ভাষাৰ দৈনন্দিন বাক্ ব্যৱহাৰতো ভাষাটোৰ কিছুমান বিৰূপ ৰূপৰ প্ৰয়োগ কৰা দেখা যায়। যেনে— জোনটো (যিটো), ৰখি আছোঁ (ৰৈ আছোঁ), আহি কেনে (আহিয়েই), গৈ কেনে (গৈয়ে), অহা কালি (কালি), যোৱা কালি (কালিলৈ), বজাৰলে (বজাৰলৈ) যাম পাই, মাংচ (মাংস) খাম পাই, আহিম বুলি ক'লে (আহিব বুলি ক'লে), ঘৰত যাম (ঘৰলৈ যাম) আদি।

অসমীয়া ভাষাৰ বাবে আমাৰ কৰণীয় ঃ

Scanned with OKEN Scanner

ভাষা এটাৰ মৃত্যু হোৱা মানেই সেই ভাষাত অন্তর্নিহিত হৈ থকা লোকসাহিত্য-সংস্কৃতিৰ অপমৃত্যু ঘটা; লগতে সেই জাতি পৰিচয়বিহীন হৈ পৰাও আশংকা থাকে। সেয়ে নিজৰ ভাষাটোৰ ব্যৱহাৰৰ অবিহনে যাতে মৃত্যু মুখত নপৰে তাৰ বাবে প্রতিজন মাতৃভাষীয়ে সচেতন আৰু সজাগ হোৱাটো উচিত। অসমীয়া জাতিয়ে মূৰ দাঙি জীয়াই থাকিবলৈ আমি অসমীয়া ভাষাক জীয়াই ৰখাটো উচিত। অসমীয়া ভাষাৰ ভৱিষ্যত উন্নতিৰ বাবে আমাৰ ল'বলগীয়া পদক্ষেপ সম্পর্কে থোৱতে উল্লেখ কৰা হৈছে —

- অসমৰ প্রত্যেকখন ইংৰাজী মাধ্যমৰ বিদ্যালয়ত দশমমান শ্রেণীলৈকে অসমীয়া ভাষাটো শিকোৱাৰ ব্যৱস্থা গ্রহণ কৰিব লাগিব।
- অসমৰ চৰকাৰী আৰু বেচৰকাৰী সকলো অনুষ্ঠানত অসমীয়া ভাষাত যাতে যাৱতীয় নথি-পত্র প্রস্তুত কৰে, এই কথাটো চৰকাৰে গুৰুত্ব সহকাৰে ল'ব লাগিব।
- অসম লোক সেৱা আয়োগৰ পাঠ্যক্রমত অসমীয়া বিষয়টো বাধ্যতামূলক হ'ব লাগে।
- আন্তর্জাতিকভাৱে বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা ধ্রুপদী অসমীয়া ভাষাৰ জ্ঞান আহৰণ কৰিবলৈ বা চর্চা কৰিবলৈ গৱেষকসকল আহিব লাগিব, তেতিয়াহে ভাষাটোৱে আন্তর্জাতিক মর্যাদা লাভ কৰিব। এই ক্ষেত্রত অসম চৰকাৰৰ লগতে কেন্দ্রীয় চৰকাৰে উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগিব।
- প্রত্যেকজন অসমীয়া ভাষীয়ে আমাৰ মাতৃভাষা অসমীয়া শিকাৰ বাবে গর্ব কৰিবলৈ শিকিব লাগিব আৰু নিজৰ সন্তান আৰু আত্মীয় স্বজনৰ লগত অসমীয়া ভাষাত কথা পাতিবলৈ অভ্যাস কৰিব লাগিব।
- অসমীয়া ভাষাক সন্মান বিষয় লৈ পঢ়িলেনো কি লাভ হ'ব ! শিক্ষার্থীসকলে এনে মনোবৃত্তি পৰিহাৰ কৰি নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ চেষ্টা কৰিব লাগিব।
- অসমীয়া আৰু অসমৰ প্রচলিত আর্যভিন্ন ভাষাবোৰে প্রত্যেকেই প্রত্যেকৰ উপাদান গ্রহণ কৰি নিজৰ নিজৰ ভাষা চহকী কৰিছে। এনে উপাদানবোৰৰ সৰবৰাহৰ কাৰণ আৰু কি কি ভাষাৰ পৰা কোনবোৰ ভাষিক উপাদানৰ আদান-প্রদান ঘটিছে আদি দিশবোৰৰ বিষয়ে বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাটো অতি জৰুৰী। পূর্বসূৰী ভাষাবিদসকলে এনে দিশত কিছু আলোচনা আগবঢ়াই থৈ গৈছে যদিও তেনে দিশবোৰৰ পুনৰ মূল্যায়নৰো প্রয়োজন আছে। অসমীয়া আৰু অসমৰ আর্যভিন্ন ভাষাবোৰৰ উমৈহতীয়া লক্ষণকে ধৰি আদান-প্রদান ঘটা উপাদানবোৰ সঠিকভাৱে নির্ণয় হ'লেহে অসম এখন উমৈহতীয়া
- অসমীয়া ভাষাৰ অঞ্চল বিশেষে, জনগোষ্ঠী ভেদে, সমাজ ভেদে সৃষ্ট, যেনে —আঞ্চলিক উপভাষা, সামাজিক উপভাষা, নৃগোষ্ঠীয় উপভাষা আদি যথেষ্ট সংখ্যক ঔপভাষিক ৰূপ পোৱা যায়। এই ঔপভাষিক ৰূপবোৰ অধ্যয়নৰ জৰিয়তে পোহৰলৈ আনি এইবোৰত ব্যৱহৃত শব্দভাণ্ডাৰ অভিধানত সন্নিৱিষ্ট কৰিব লাগে। যিহেতু উপভাষাৰ অধ্যয়নে মান্য ভাষাৰ পৰিপুষ্টিত ইন্ধন যোগায়। অসমীয়া

Scanned with OKEN Scanner

ভাষাৰ উপভাষাৰ অধ্যয়নেও মান্য অসমীয়া ভাষাৰ শব্দসম্ভাৰ চহকী কৰাৰ লগতে ইয়াৰ সামগ্রিক পৰিপুষ্টিতো ইন্ধন যোগাব বুলি আশা কৰিব পাৰি।

• অসমীয়া ভাষাত লেখক আৰু পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। বাংলা আৰু উড়িয়া ভাষাৰ তুলনাত আমাৰ ভাষাত লেখক তথা সাহিত্যিকৰ সংখ্যা বহু কম। দিনক দিনে লেখকৰ সংখ্যা বৃদ্ধি পোৱাৰ বিপৰীতে কমি হে যোৱা পৰিলক্ষিত হৈছে। অসমীয়া ভাষাত প্রকাশিত অৰুনোদই কাকত, জোনাকী, বাঁহী, আৱাহন, ৰামধেনু আলোচনী আদিয়ে একোটা যুগৰ সৃষ্টি কৰিছিল আৰু বহু লেখকক লিখিবলৈ প্রেৰণা যোগোৱাৰ লগতে অধিক সংখ্যক পঢ়ুৱৈৰ জন্ম দিছিল। কিন্তু আজি অসমীয়া ভাষাৰ আলোচনী, বাতৰি কাকতৰ দুখ লগা অৱস্থা। আজিৰ প্রজন্মই প্রকাশ, গৰীয়সী, সাতসৰী আদি আলোচনী; বাতৰি কাকত, গ্রন্থ আদিৰ পঢ়াৰ সলনি মবাইলত উপলব্ধ ৰাটছ এপ, টুইটাৰ, ফেচবুক আদিতহে ব্যস্ত হৈ থকা দেখা যায়। এইবোৰত ব্যস্ত হৈ থকাৰ বিপৰীতে প্রতিদিনে এক পৃষ্ঠাকৈ অসমীয়া ভাষাত নিজৰ মনৰ ভাব ব্যক্ত কৰিব লাগিব নতুবা মনলৈ অহা চিন্তাক লিখিত ৰূপ দিবলৈ যত্ন কৰিব লাগিব। ছাত্র-ছাত্রীসকলে পাঠ্যপুথিৰ বাহিৰেও পাঠ্যক্রম বহির্ভূত অসমীয়া গ্রন্থ পঢ়িবলৈ অভ্যাস কৰিব লাগিব।

১০. বিজ্ঞান প্রযুক্তিবিদ্যাৰ অগ্রগতিৰ লগে লগে ইন্টাৰনেট সংযোগৰ দ্বাৰা ফেচবুক, ৰাটচ এপ, টুইটাৰ, ই মেইল, ইউটিউব, লিংকডইন আদিৰ জৰিয়তে বিভিন্নজনৰ সৈতে বিভিন্ন ক্ষেত্রত যোগাযোগ কৰিবলৈ সক্ষম হৈছে যদিও এইবোৰত ব্যৱহৃত অসমীয়া ভাষাটোৰ শুদ্ধতা, সৌন্দর্য আৰু কালিকা যেন লাহে লাহে ম্লান পৰি আহিছে, এনে কথা দৃষ্টিগোচৰ হৈছে। জনসাধাৰণৰ কাষলৈ সংবাদ, তথ্য বা সূচনা কঢ়িয়াই নিয়া যি কোনো মাধ্যমৰে ভাষা শুদ্ধ ৰূপত প্রয়োগ হোৱাটো অতিশয় জৰুৰী। কাৰণ গণ-মাধ্যমত প্রয়োগ হোৱা ভুল প্রয়োগবোৰেই প্রচলিত হৈ হৈ এটা সময়ত শুদ্ধ ৰূপ যেন হৈ পৰে আৰু ই ভাষাটোৰ বাবে শুভলক্ষণ নহয়। সেয়ে এই প্রচাৰ মাধ্যমবোৰত ব্যৱহৃত অসমীয়া ভাষা যাতে শুদ্ধ ৰূপত ব্যৱহাৰ কৰা হয়, তাৰ প্রতি প্রতিজন অসমীয়া ভাষী, লেখক, সাহিত্যিক, বুদ্ধিজীৱী, সাংবাদিক, শিল্পী সকলো সচেতন হ'ব লাগিব।

ভাষাৰ উন্নতিৰ বাবে ল'বলগীয়া পদক্ষেপ ঃ

ভাষা শিক্ষকক প্রশিক্ষণ আৰু শিক্ষণৰ বাবে শিকন সামগ্রী প্রস্তুতকৰণ ঃ

অসমীয়া ভাষাটো যাতে শুদ্ধ ৰূপত ছাত্র-ছাত্রীসকলক শিকাব পাৰে তাৰ বাবে প্রশিক্ষণ প্রাপ্ত শিক্ষকৰ প্রয়োজন। সেয়ে ভাষা শিক্ষকক উপযুক্ত কৰি তুলিবলৈ প্রশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। আনহাতে দেখা যায়, মাতৃভাষাতেই হওক বা প্রথম বা দ্বিতীয় ভাষাতেই হওক ৰাজহুৱা স্থান বা মেলে-মিটিঙে কথা ক'বলগীয়া হ'লে ছাত্র-ছাত্রীসকলে প্রায়েই সংকোচবোধ কৰে। ছাত্র-ছাত্রীসকলৰ কথন দক্ষতাৰ প্রতিও শিক্ষকসকলে মনোযোগ দিব লাগিব। অসমীয়া ভাষাৰ ডিজিটেলকৰণৰ জৰিয়তে ভাষা শিকা আৰু প্রয়োগিক দিশত ব্যৱহাৰৰ প্রতিও ছাত্র-ছাত্রীসকলক আগ্রহী কৰি তুলিব লাগিব।

Scanned with OKEN Scanner

ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ মতে ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ অন্তৰ্গত হিচাপে কমেও তিনিটা ভাষা শিকাৰ পোষকতা কৰিছে। আঞ্চলিক ভাষা যদি নিজৰ মাতৃভাষা হয়, তেতিয়া সেই ছাত্ৰ-ছাত্ৰীসকলে মাতৃভাষা শিকাৰ উপৰি হিন্দী, ইংৰাজী ভাষা শিকিব লাগে। আনহাতে অসমৰ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মাতৃভাষাৰ উপৰি আঞ্চলিক ভাষা অসমীয়া শুদ্ধকৈ শিকাৰ ব্যৱস্থা কৰিব লাগিব। বৰ্তমান বিদ্যায়তনিক প্ৰেক্ষাপটত ভাষা শিকাৰ কৌশল আয়ত্ত কৰাটো অতি জৰুৰী হৈ পৰিছে। এনে ভাষাবোৰৰ শিক্ষণৰ বাবে শিকন সামগ্ৰী প্ৰস্তুত কৰাৰ লগতে ভাষা শিক্ষকসকলকো আনুষ্ঠানিক আৰু প্ৰণালীবদ্ধভাৱে উপযুক্ত প্ৰশিক্ষণ দিয়াই উপযুক্ত কৰি তুলিব লাগিব।

সামাজিক আৰু অৰ্থনৈতিক প্ৰতিষ্ঠাৰ সংগ্ৰামত ভাষাৰ ভূমিকা ঃ

যি কোনো জাতিৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰতিষ্ঠাৰ সংগ্ৰামত নিজৰ ভাষাটোৱে যদি সহায় নকৰে আৰু সেই ব্যক্তিজনে ভাষাটোৰ পৰা উপৰঞ্চি সুবিধা ল'ব নোৱাৰে, তেতিয়া সেই ভাষা-ভাষী লোকসকলে সেই ঠাইত প্ৰচলিত ভাষা বা চুবুৰীয়া অঞ্চলত প্ৰচলিত ভাষাৰ সহায় ল'ব লগা হয়। সেয়ে অসমীয়া ভাষাই যাতে অসমীয়া ভাষী লোকৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰতিষ্ঠাৰ সংগ্ৰামত সহযোগিতা আগবঢ়াব পাৰে তাৰ বাবে ভাষা পৰিকল্পনা (Language planing) যুগুত কৰি উপযুক্ত পদক্ষেপ ল'ব লাগে।

ভাষা সমলৰ বাণীবদ্ধকৰণ, নথিভুক্তকৰণ আৰু ডিজিটেলাইজৰ ব্যৱস্থা গ্ৰহণ ঃ

একবিংশ শতিকাৰ আৰম্ভণিৰে পৰা সমগ্ৰ পৃথিৱীতে ভাষিক জাগৰণ আৰম্ভ হৈছে। ইউনেস্ক'ৰ ২০০২ আৰু ২০০৩ চনত কৰা সমীক্ষা অনুসৰি বৰ্তমান ভাৰতবৰ্ষৰ ৭৮০টা জীৱিত ভাষাৰ ভিতৰত প্ৰায় ১৯৭টা মান ভাষাই বিপন্নতাৰ গৰাহত পৰিছে। এই সংস্থাটোৱে বৰ্তমান ভাষাসমূহ জীয়াই ৰাখিবৰ বাবে আৰু বিপন্ন অৱস্থাৰ পৰা উদ্ধাৰ কৰিবৰ বাবে অহৰহ চেষ্টা চলাই আহিছে। ভাষা এটাৰ অৱস্থাৰ পৰিমাপন কৰিবলৈ ভাষাবিদসকলে EGIDS (the Expanded Graded Intergenerational Disruption Scale) ৰ ব্যৱহাৰ কৰে। ভাষা একোটাৰ গতিশীলতা নিৰ্ণয়ৰ বাবে ব্যৱহাৰ কৰা আহিলা হিচাপে প্ৰথমে ফিচমেনে তেওঁৰ Reversing Language Shiftত EGIDS বুলি ভাষাৰ শ্ৰেণীবিভাগৰ এক কৌশল আৱিষ্কাৰ কৰিছিল। পাছত ইয়াক প'ল লীৱিচ আৰু গ্ৰে. চিমনচ এ বিকাশ কৰি EGDISৰ আৰম্ভ কৰে। ইউনেস্ক'ৱে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ ভাষাবিজ্ঞানীসকলৰ সহায়ত ভাষা এটা জীয়াই থাকিবৰ বাবে ভাষাটোৰ মাজত থাকিবলগীয়া কেইটামান গুণ বা বৈশিষ্ট্য বিচাৰি উলিয়াইছে। সেয়ে অসমীয়া ভাষাৰ লগতে অসমৰ ভাষাসমূহৰ বৰ্তমানৰ ভাষিক স্থিতি পৰ্যবেশন কৰি সংৰক্ষণৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগে।

কম্পিউটাৰ বিজ্ঞান প্ৰযুক্তিৰ সহায়ত অসমীয়া ভাষাত উচ্চাৰিত হোৱা ধ্বনিকেইটাৰ শুদ্ধ উচ্চাৰণ প্ৰথমে বাণীবদ্ধকৰণ কৰিব লাগিব; যাতে অসমীয়া ভাষা শিকাৰ প্ৰতি আগ্ৰহী লোকসকলে এইবোৰৰ শুনি শুনি ভাষাটো শুদ্ধৰূপত উচ্চাৰণ কৰিব পাৰে। উক্ত প্ৰযুক্তিৰ সহায়ত wordnet

ত অসমীয়া ভাষাৰ কিছুমান সমল সংগ্ৰহ কৰা হৈছে যদিও সেয়া সমল ভাষা শিকন, শিক্ষণ আৰু গৱেষণাৰ ক্ষেত্ৰত পৰ্যাপ্ত নহয়। এনে প্ৰযুক্তিৰ সহায়ত wordnet ত অসমীয়া ভাষাৰ শব্দ আৰু বাক্যৰ সংগ্ৰহ আৰু বিশ্লেষণ বহুল পৰিমাণে সংৰক্ষণ কৰিব পাৰিলে, অসমীয়া ভাষাক ডিজিটেলাইজ কৰাত সুবিধা হ'ব। এনে কাৰ্যই অনা অসমীয়া ভাষীৰ অসমীয়া ভাষা শিকাৰ ক্ষেত্ৰত সহায়ক হ'ব আৰু অসমীয়া ভাষীৰ ভাষিক সংখ্যাও বৃদ্ধি পাব।

আনহাতে অসমত ভাষাবিদ আৰু প্ৰযুক্তিবিদসকলে সুকীয়া সুকীয়াকৈ ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চা চলাই আছে যদিও এতিয়ালৈকে উমৈহতীয়া ভাষা-চৰ্চাৰ মঞ্চ এখন গঠন হোৱা নাই। ফলত অসমীয়া ভাষাই বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আশানুৰূপভাৱে আগবাঢ়িব পৰা নাই। দুই এজন গৱেষকে এনে দিশবোৰত কিছু অধ্যয়ন কৰিছে যদিও এনে কথাবোৰৰ কাৰিকৰী সমস্যাৰ বাবেও সৰ্বসাধাৰণলোকৰ মাজত জনপ্ৰিয় হোৱা নাই। অসমৰ প্ৰযুক্তিবিদ আৰু ভাষাবিজ্ঞানীসকলে মিলি অসমীয়া ভাষাৰ বিষয়ে চিন্তা-চৰ্চা কৰিলে অসমীয়া ভাষাক আৰু সুন্দৰকৈ বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ব।

উপসংহাৰ ঃ

সামৰণিত ক'ব বিচাৰোঁ যে — যি সন্তানে নিজৰ মাতৃভাষা নাজানে তেওঁৰ নিজৰ পৰিচয় নাথাকে। তেনে সন্তান শিপাৰ পৰা একেবাৰে বিচ্ছিন্ন হৈ পৰে। বেজবৰুৱাই কৈছিল — "মাতৃভাষা জাতিৰ সিংহ দুৱাৰ আনহাতে আমি অসমৰ প্ৰত্যেকজন সন্তানে জনাটো উচিত।" অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস সম্পৰ্কীয় সমলবোৰে এই অঞ্চলৰ প্ৰাচীনতা আৰু ঐতিহ্যৰ ছবিখন স্পষ্ট কৰি তোলে। ভাষাটোৱে ধ্ৰুপদী ভাষাৰ মৰ্যাদা পালে বুলি হাত সাবটি বহি নাথাকি অসমৰ বৌদ্ধিকমহল, সংবাদ মাধ্যম, অসম সাহিত্য সভাকে ধৰি অন্যান্য জাতীয় অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে অসমীয়া ভাষাক শুদ্ধ পথে পৰিচালিত কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব, অন্যথা অসমীয়া জাতিৰ অস্তিত্ব লগত সাঙোৰ খাই থকা অসমীয়া ভাষা আৰু পুনৰ সংকটৰ সন্মুখীন হ'ব লাগিব।

পৰিশেষত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাত সদিচ্ছা আৰু অৰিহণা যোগোৱা কেন্দ্ৰীয় চৰকাৰৰ হৈ প্ৰধানমন্ত্ৰী, অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী, অসম সাহিত্য সভাৰ সভাপতিকে ধৰি বিষয়ৱৰীয়াসকল, সাহিত্য অকাডেমীৰ সদস্য, ধ্ৰুপদী ভাষাৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প প্ৰতিবেদনত জড়িত ব্যক্তিসকল আৰু অসমীয়া ভাষাৰ বাবে আজীৱন অৱদান আগবঢ়োৱা ব্যক্তিসকললৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।■

শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন ছাত্ৰী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

Scanned with OKEN Scanner

লেখকৰ সপোন আৰু যন্ত্ৰণা

ইছমাইল হুছেইন

বেছিভাগ লোকৰে সৃষ্টিকৰ্মৰ আৰম্ভণি হ'ল যৌৱনকাল; অৰ্থাৎ ওঠৰ বছৰৰ পৰা পয়ত্ৰিছ বছৰলৈকে ঊৰ্ব্বৰ সময়, যাক যৌৱনকাল বুলি ধৰা হয়। অধ্যয়ন, অভিজ্ঞতা, অৱলোকন আৰু উদ্ভাৱনী শক্তিৰে এই সময়ছোৱাত এগৰাকী ব্যক্তি উজ্জীৱিত হৈ উঠে, তেওঁৰ চিন্তা-চেতনাই নতুন গতি লাভ কৰে।

উল্লিখিত সময়ছোৱা এগৰাকী লেখকৰ বাবেও সোণালী সময়। এই সময়ছোৱাত অব্যাহত ৰখা অধ্যয়ন আৰু শাৰীৰিক তথা মানসিক শ্ৰমৰ বাবেই সাহিত্য, সংগীত, শিল্প, গৱেষণা ইত্যাদিকে কৰি সকলো দিশতে ব্যক্তি এজনৰ ভৱিষ্যত গতিপথ নিৰ্ণয় হয়। লেখক এজনৰ বাবে এই সময়ছোৱা হ'ল যুদ্ধজয়ৰ লেখীয়া। পৃথিৱীৰ বিভিন্ন দেশৰ সফল আৰু উদ্ভাৱনী শক্তিসম্পন্ন লেখকে এই সময়ছোৱাত ৰচনা কৰা সাহিত্যৰ যুগ যুগৰ বাবে নিজৰ নাম জিলিকাই ৰাখিবলৈ সক্ষম হৈছে। সেইবাবেই এই সময়ছোৱাৰ যৌৱনকালক কোৱা হয় আশাৰ কাল (Season of hope)।

কলমেৰে কাগজত লিখি গ্ৰন্থ বা কাকত-আলোচনীত লেখা এটা প্ৰকাশ কৰিলেই তেওঁ প্ৰসিদ্ধ বা প্ৰতিষ্ঠিত লেখক হ'ব নোৱাৰে। কাৰণ, প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে লেখক এগৰাকীৰ থাকিব লাগিব ভৱিষ্যতৰ সপোন আৰু দৃষ্টি। সেই সপোনক বাস্তৱ ৰূপ দিবলৈ হ'লে সকলো ধৰণৰ যন্ত্ৰণা সহি জীৱনক জয়ী কৰাৰ কষ্টকৰ তথা সংগ্ৰামী মানসিকতা।

বিষয়টো সন্দৰ্ভত আলোচনা কৰিবলৈ যোৱাৰ প্ৰাৰম্ভতে বিশ্ব সাহিত্যৰ সফল লেখকৰ জীৱন-যন্ত্ৰণাৰ দুটামান ৰহস্যময় উদাহৰণ দিয়াটো প্ৰয়োজন হ'ব। জীৱনৰ অন্তিম ভাগত মানসিক যন্ত্ৰণাত ভূগি আত্মহত্যা কৰিব খোজা লেখকসকলৰ এগৰাকী হ'ল বিশ্ববিশ্ৰুত ৰাছিয়ান গদ্যশিল্পী লিও টলষ্টয়। টলষ্টয়ৰ কালজয়ী সাহিত্যিক উৎকৰ্ষতাৰ চৰম শিখৰত অৱতাৰণ কৰা টলষ্টয়ৰ দৰে আন এগৰাকী ৰাছিয়ান সাহিত্যিক তথা 'মা' (Mother) উপন্যাসৰ স্ৰষ্টা মেক্সিম গৰ্কীয়েও নিজে নিজৰ বুকুত গুলী মাৰি আত্মহত্যা কৰিবলৈ ওলাইছিল। আন এগৰাকী বিখ্যাত ৰাছিয়ান সাহিত্যিক মায়াকোভস্কিয়ে আত্মহত্যা কৰি জীৱন নাটৰ সামৰণি মাৰিছিল। আমেৰিকান সাহিত্যিক আৰ্নেষ্ট হেমিংৱে। ১৯৫৪ চনত বিশ্ব সাহিত্যৰ নোবেল বঁটা লাভ কৰিয়ো 'বুঢ়া আৰু সাগৰ'ৰ (The Old man and The Sea) স্ৰষ্টা হেমিংৱেই ১৯৬১ চনত নিজৰ বন্দুকেৰে গুলী কৰি আত্মহত্যা কৰে। আন এগৰাকী জাপানী সাহিত্যিক; ১৯৯৪ চনৰ বিশ্ব সাহিত্যৰ নোবেল বঁটা বিজয়ী কানজিবাৱো ওয়েও আত্মহত্যা কৰিছিল।

জীৱনৰ লক্ষ্য আৰু উদ্দেশ্যৰ উচ্চ শিখৰত অৱস্থান কৰি আত্মহত্যা কৰা লোকৰ মাজত

অনেক শিল্পী, ৰাজনীতিবিদ আৰু অধ্যাপকো আছে। পিছে জীৱনক জয়ী কৰিবলৈ সমগ্ৰ জীৱন জুৰি শব্দক শিল্পত পৰিণত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা এইসকল বিশ্ববিশ্ৰুত সাহিত্যিকে আত্মহত্যাকেই জীৱন নাটৰ সামৰণিৰ অন্তিম বাটৰূপে বাছি ল'লে কিয়? যদিহে আত্মহত্যাৰ দৰে হতাশজনক পথেই বাছি ল'লে তেনেহ'লে এইসকলে সমগ্ৰ জীৱন শব্দৰ পিছে পিছে দৌৰিলে কিয়?

এনেবোৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ দিব নোৱাৰি যদিও একো একোজন সৃষ্টিশীল লেখক, শিল্পী বা কলাকাৰৰ জীৱন আৰু চিন্তাৰ বিশ্লেষণ কৰি পৰোক্ষভাৱে হ'লেও তেওঁলোকৰ জীৱন তাড়নাৰ অন্তৰালৰ কথা-কাহিনী জানিব পাৰি। বহুতো লেখকে সাহিত্যৰ মাজেৰে বা গীতিকাৰে গীতৰ মাজেৰেও নিজক প্ৰকাশ কৰে। বুদ্ধিমান পঢ়ুৱৈসকলে তেনে সাহিত্যৰ পৰা বিচাৰি উলিয়ায় লেখক এগৰাকীৰ ভিতৰৰ মানুহজনক।

কালোত্তীৰ্ণ লেখাৰ মাজেৰে লেখক এগৰাকী যুগ যুগ ধৰি পঢ়ুৱৈৰ মাজত জীয়াই থাকে যদিও সময়ত তেওঁ পাঠকৰো ৰোষৰ বলি হয়। ৰোষ আৰু ভালপোৱা— এই দুটাৰ মাজত লেখক এগৰাকীয়ে ভালপোৱাক মৰ্যদা দিব জানিলে তেওঁক বেয়া পোৱা পঢ়ুৱৈয়ো এটা সময়ত প্ৰেমিক হৈ পৰে।

এগৰাকী লেখকে আত্মপ্ৰকাশ কৰাৰ পিছৰ প্ৰতিষ্ঠাৰ দীৰ্ঘ বাটছোৱা বৰ কষ্টকৰ আৰু প্ৰত্যাহ্বানমূলক। নিজৰ বুদ্ধিমত্তা আৰু প্ৰতিভাৰ উপৰি প্ৰকাশকৰ সহাঁৰিয়ে লেখকৰ উত্তৰণত সহায় কৰে যদিও কেতিয়াবা কঠিন প্ৰত্যাহ্বান মুখামুখী হৈ তেওঁ নিজৰ বাট বিচাৰি লয় বা কলমে তেওঁক বাট দেখুৱায়। এই ক্ষেত্ৰত উদাহৰণস্বৰূপে কেইবাগৰাকী বিশ্ববিখ্যাত সাহিত্যিকৰ জীৱন ৰ প্ৰত্যাহ্বানমূলক ঘটনাৰ উল্লেখ কৰিব পাৰি। তাৰে এগৰাকী লেখক উৰ্দু লেখক ছাদাত হাছান মাণ্টো। মাণ্টোৱে প্ৰৱেশিকা পৰীক্ষাত উৰ্দু বিষয়ত অনুত্তীৰ্ণ হৈছিল, কিন্তু চেষ্টাৰ বলত তেওঁক পৃথিৱীৰ শ্ৰেষ্ঠ উৰ্দু সাহিত্যিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। বিশ্ববিখ্যাত ইংৰাজী সাহিত্যিক জোচেফ কন্ৰেডে পঁচিশ বছৰ বয়সলৈকে ইংৰাজীৰ এটাও শব্দ ক'ব পৰা নাছিল। আৰু পঁচিছ বছৰৰ পিছত অৰ্থাৎ পঞ্চাশ বছৰ বয়সত তেওঁ মহান ইংৰাজী সাহিত্যিকৰূপে সন্মান পাবলৈ সক্ষম হ'ল। বিখ্যাত লেখক এলাইচ পোলকে তেওঁৰ সৰ্বোৎকৃষ্ট তথা বিখ্যাত গ্ৰন্থ 'প'ট্ৰেট অৱ মাই ভিক্টোৰিয়ান ইউথ' খন প্ৰকাশ কৰিবলৈ ১০২ বছৰলৈকে অপেক্ষা কৰিবলগীয়া হৈছিল। বিশ্ববিখ্যাত নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰ জীৱনৰ আৰম্ভণি কালত ঘোঁৰাৰখীয়া আছিল। পিচলৈ তেওঁ ৩৬ খন নাটকেৰে পৃথিৱীৰ অবিসম্বাদী নাট্যকাৰৰূপে নিজৰ নাম এৰি থৈ গ'ল। বিখ্যাত ঔপন্যাসিক ডেনিয়েল ডিফো প্ৰাথমিক স্তৰত এগৰাকী কচাই আছিল।

বহুতৰ ধাৰণা যে এগৰাকী লেখক হ'বলৈ হ'লে উচ্চশিক্ষিত বা উচ্চ মেধাৰ অধিকাৰী হ'ব লাগিব। পৃথিৱীৰ অনেক লেখকৰ জীৱন কাহিনীয়ে প্ৰমাণ কৰিছে যে এগৰাকী প্ৰতিষ্ঠিত লেখক হ'বলৈ হ'লে মেধা বা শিক্ষাতকৈ প্ৰয়োজন ইচ্ছাশক্তি আৰু মনৰ তাড়ণা। এইক্ষেত্ৰত বিশ্ববিখ্যাত চিন্তাবিদ তথা সাহিত্যিক বাট্ৰাণ্ড ৰাছেলৰ নাম ল'ব পাৰি। শৈশৱতে ৰাছেলৰ পিতৃ-মাতৃৰ বিয়োগ ঘটিছিল। যদিও ককা-দেউতা আৰু আইতাৰ তত্বাৱধানত থাকি ইচ্ছাশক্তিৰ বলত তেওঁ বিশ্বসাহিত্যৰ সুউচ্চ জখলা বগাবলৈ সক্ষম হৈছিল। ১৯৫০ চনৰ নোবেল বঁটা বিজয়ী, হলেণ্ডৰ নাগৰিক বাট্ৰাণ্ড ৰাছেল এগৰাকী শ্ৰেষ্ঠ দাৰ্শনিকো আছিল। বৈচিত্ৰ্যময় জীৱনৰ অধিকাৰী ৰাছেলৰ কালজয়ী গ্ৰন্থৰ অন্যতম হ'ল 'কংকুৱেষ্ট অৱ হেপীনেচ',

Scanned with OKEN Scanner

'বোড অব ফ্রিডম' আদি। ১৯৬৮ চনত নোবেল বঁটা বিজয়ী জাপানী সাহিত্যিক ইয়াছুনাৰীও কাৱাবার্তাও আছিল অনাথ। শৈশৱত পিতৃমাতৃৰ বিয়োগ হোৱাত কাৱাবার্তাই অঘৰী জীৱন যাপন কৰি গভীৰ সাধনাৰ মাজেৰে সাহিত্য জগতত নিজক প্রতিষ্ঠা কৰিবলৈ সক্ষম হয়। আন এগৰাকী চুইডিছ সাহিত্যিক ১৯৭৪ চনৰ নোবেল বঁটা বিজয়ী আইভিন্দ জনচনে কম বয়সতে পিতৃক হেৰুওৱাৰ পিছত মাতৃয়েও তেওঁক এৰি গুচি যায়। পৱৱর্তী সময়ত জনচন অনাথ আশ্রমৰ বাসিন্দা হয়। পিছলৈ কঠোৰ পৰিশ্রমৰ বলত তেওঁ বিশ্ব সাহিত্যৰ শ্রেষ্ঠ সন্মানটিৰ মুকুট পৰিধান কৰিবলৈ সক্ষম হয়।

বিশ্ব-সাহিত্যৰ কথা-কাহিনী অধ্যয়ন কৰিলে দেখা যায় যে অনেক শ্রেষ্ঠ লেখকৰ জীৱনৰ প্রথমছোৱা অতিবাহিত হৈছিল ৰেল বিভাগৰ চতুর্থ শ্রেণীৰ কর্মচাৰী, চহকী মানুহৰ ঘৰৰ বনুৱা, জোতা চিলাই কৰা মুচি ইত্যাদিৰূপে। অনেক বিখ্যাত লেখকে গৃহযুদ্ধ, বিশ্বযুদ্ধ ইত্যাদিৰ কাৰণৰ উপৰি দেশদ্রোহিতাৰ অপৰাধত দেশ এৰি বিদেশত আশ্রয় লৈ সাহিত্য সাধনাৰে বিশ্বজয় কৰিবলৈ সক্ষম হৈছিল। তেনে লেখক এগৰাকী আছিল ১৯৬৬ চনৰ সাহিত্যৰ নোবেল বঁটা বিজয়ী লেখিকা নেলী ছাকচ্। জার্মানীৰ নাৎচি বাহিনীৰ অত্যাচাৰত ছাকচে দেশ এৰি চুইডেনলৈ গৈ সাহিত্য সাধনাত ব্রতী হয়। নেলীয়ে তেওঁৰ কবিতাত কৈছে— "মৃত্যুৱে মোক ভাষা দিছে। লেখা মোৰ বাবে এক চেপা আর্তনাদ।" ১৯৬২ চনৰ নোবেল বঁটা বিজয়ী আমেৰিকান সাহিত্যিক জন ষ্টেইনবেকে আধাতে লিখা সামৰি নির্মাণ কাৰখানাৰ দিন হাজিৰা কৰা শ্রমিক হিচাপে দিনটো কাম কৰি গধুলি সময়ত গৃহলৈ উভতি আহি লেখা-মেলা কৰিছিল।

উপৰি উক্ত লেখকসকলৰ জীৱন কাহিনীৰ পৰা ধাৰণা কৰিব পাৰি যে এগৰাকী লেখক হ'বলৈ হ'লে তেওঁ যশস্যা বা ডিগ্রীৰ সলনি প্রজ্ঞাৰ পিছে পিছে ঘূৰি ফুৰিব লাগিব। এই প্রজ্ঞা বহুতৰ জন্মগত যদিও একাংশই চেষ্টাৰ বলত নিজক উত্তৰণ ঘটাবলৈ সক্ষম হয়। সেয়ে প্রজ্ঞাৰ অধিকাৰী হ'ব পাৰিলে যিকোনো লেখকেই তেওঁৰ লেখাৰ মাজেৰে নতুন কিবা এটা সমাজক দিবলৈ চেষ্টা কৰে। লেখকৰ সেই প্রজ্ঞাৰ সৈতে জড়িত হৈ থাকে ঐতিহ্যৰ সৈতে থকা তেওঁৰ অভিজ্ঞতা। কাৰণ, এগৰাকী সফল লেখক হ'বলৈ হ'লে তেওঁ প্রথমে নিজৰ জন্মভূমিৰ সমাজ, সংস্কৃতি, ভাষা আৰু ঐতিহ্যৰ সৈতে সম্পর্ক গঢ়িব পাৰিলে তেওঁৰ সাহিত্যৰ ভেটি শক্তিশালী হয় আৰু সেই ভেটিত থিয় হৈ তেওঁ দিগন্তলৈ চোৱাৰ সুযোগ পায়।

পেলিকান চৰাইৰ পোৱালীৰ ভোক লাগিলে মাকে ঠোঁটেৰে গাৰ মঙহ কাটি পোৱালীবোৰক খাবলৈ দি নিজে বিষণ্ণতাত ভোগে। এগৰাকী সমাজদৰদী আৰু অনুভৱী লেখকো হ'ব লাগিব পেলিকান চৰাইৰ দৰে। তেতিয়াহে তেওঁ জীৱনৰ সকলো যন্ত্রণা আৰু বিষণ্ণতাক একাষৰীয়া কৰি সমাজ, জাতি, দেশ আৰু বিশ্বক দিব পাৰিব অমৃতৰ সন্ধান।■

ভালেসংখ্যক গ্রন্থ প্রণয়ন কৰা চিন্তাশীল লেখক ইছমাইল হোছেইন প্রিন্স অব ৰেলচ্ ইনষ্টিটিউট অব ইঞ্জিনিয়াৰিং এণ্ড টেকন'ল'জী, যোৰহাটৰ জ্যেষ্ঠ প্রবক্তা।

Scanned with OKEN Scanner

যুক্তিৰ কষটি শিলেৰে বন্ধা

দিগন্ত ওজা

গেলিলিও-আৰ্কিমিডিছে নজনা কথা এটাও আজিৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ এজনে জানে। সেইবুলি আজিৰ এল পি স্কুলৰ ছাত্ৰজন গেলিলিও-আৰ্কিমিডিছতকৈ ডাঙৰ বিজ্ঞানী নিশ্চয় নহয়।

১৯৮০ৰ দশকত অসম আন্দোলনে জাতীয় চেতনা তীব্ৰতৰ কৰি তোলাৰ মাজেৰে এচাম মাজত বাঙালী বিদ্বেষ গঢ়ি তোলাৰ সময়তে অসমত ঊনবিংশ শতিকাত বঙালী ভাষাৰ প্ৰচলনক কেন্দ্ৰ কৰি গঢ় লৈ উঠা 'বাঙালী আমোলাৰ ষড়যন্ত্ৰ' তত্ত্বৰ বিপৰীতে গুৱাহাটীৰ পৰা শিৱনাথ বৰ্মন আৰু ডিব্ৰুগড়ৰ পৰা প্ৰসেনজিৎ চৌধুৰীয়ে এলানি প্ৰবন্ধ লিখিছিল। সেইলানি প্ৰবন্ধৰ বিপৰীতে প্ৰচলিত ধাৰণাত অভ্যস্ত একাংশ বিদ্বানে স্বাভাৱিকভাৱেই যুক্তি প্ৰদৰ্শন কৰিছিল। তেনে এগৰাকী বিশিষ্ট লোকে এনেধৰণৰ এটা সমালোচনামূলক প্ৰবন্ধত দুগৰাকী ববেণ্য সাধকৰ উল্লেখেৰে এইবুলি লিখিছিল যে অমুক আৰু অমুকেও নভৱা কথা দেখোন শিৱনাথ বৰ্মন আৰু প্ৰসেনজিৎ চৌধুৰীয়ে ক'ৰ খুজিছে। সেই মন্তব্যৰ বিপৰীতে যুক্তি প্ৰদৰ্শন কৰি শিৱনাথ বৰ্মনে লিখিছিল যে পূৰ্বৰ খ্যাতিমান পণ্ডিত 'অমুকে' নভৱা কথা এটা কোৱা মানেই বৰ্মন বা চৌধুৰী ডাঙৰ পণ্ডিত হৈ যোৱা নুবুজায়। বৈজ্ঞানিক চিন্তৰ ভেটিয়েই গঢ়ি উঠে পূৰ্বজসকলৰ চিন্তাৰ আধাৰত। পূৰ্বৰ কোনোবাই নাভাবিলে বাবেই আমিও নাভাবিম, এনে মানসিকতাই মানৱ উত্তৰণৰ বুনিয়াদ গঢ়ি তুলিব নোৱাৰে। গেলিলিওৱে নজনা কথা এটা জানিলে বাবেই এতিয়াৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ এজনো গেলিলিওতকৈ ডাঙৰ পণ্ডিত নহয়। আমাৰ হাইস্কুলীয়া মনটোক শিৱনাথ বৰ্মনৰ এই যুক্তিয়ে এনেদৰে জোকাৰি গৈছিল যে দুই-এটা শব্দৰ স্থানচ্যুতি ঘটিলেও মূল কথাটো আজিও মনত বৈ গৈছে।

পদাৰ্থ বিজ্ঞানৰ অধ্যয়ন আৰু মাৰ্ক্সীয় দৰ্শনৰ অনুৰাগেই শিৱনাথ বৰ্মনৰ মনত যুক্তিবাদী চিন্তৰ উন্মেষ ঘটাইছিল। আত্মকথাত তেওঁ লিখি থৈও গৈছে যে আইনষ্টাইন-বাছেলে তেওঁক শিকাইছিল বিজ্ঞান মনস্কতাৰ কথা, মাৰ্ক্সে দিলে সমাজ চেতনা আৰু সামাজিক পৰিবৰ্তনৰ জ্ঞান। আমাৰ ধাৰণা, এই দুই ধাৰাৰ অন্বয় ঘটিছিল তেওঁৰ তাত্ত্বিক মনত। কলেজীয়া দিনৰে পৰা শিৱনাথ বৰ্মনৰ মাজত তাত্ত্বিক পদাৰ্থ বিজ্ঞানৰ প্ৰতি আগ্ৰহ উপজিছিল। বিজ্ঞানৰ ছাত্ৰ হৈও পৰীক্ষামূলক সত্যত উপনীত হোৱাতকৈ পদাৰ্থ জগতৰ তাত্ত্বিক কথাবোৰেহে তেওঁক অধিক আকৃষ্ট কৰিছিল। অৰ্থনৈতিক বাধা

Scanned with OKEN Scanner

নথকাহ'লে হয়তো তেওঁ তাত্ত্বিক পদার্থ বিজ্ঞানৰেই গৱেষণাত অধিক নিয়োজিত হ'লহেঁতেন— বর্মনে কে যোৱা এই কথাষাৰ তেওঁৰ যুক্তিবাদী মননটো উপলব্ধি কৰাৰ বাবে অতি তাৎপর্যপূর্ণ। তাৎপর্যটি হৃদয়ংগম কৰাৰ বাবে এলবার্ট আইনষ্টাইনৰ এটা প্রসংগৰ অৱতাৰণা কৰিব পাৰি। তাত্ত্বিক পদার্থবিজ্ঞানী হিচাপে আইনষ্টাইনক আমি জানো— তেওঁৰ মগজুটোৱেই আছিল বিজ্ঞানৰ বিশাল গৱেষণাগাৰ। তাত তত্ত্বই মূল, ব্যৱহাৰিক প্রমাণ গৌণ। আইনষ্টাইনৰ যুগান্তকাৰী অৱদান আপেক্ষিকতাবাদ প্রকাশৰ সময়তে ইয়াৰ শুদ্ধাশুদ্ধক লৈ হৈ-চৈৰ সৃষ্টি হৈছিল। এচামে দেখিলে যে এই তত্ত্ব শুদ্ধ হ'বলৈ হ'লে সূর্যৰ পিনে চাই দেখা তৰাবোৰ সিহঁতৰ স্বস্থানৰ পৰা অলপ আঁতৰত থকা যেন লাগিব লাগে, আৰু এইটো নিশ্চিত হ'বলৈকে ৰয়েল ছচাইটী অব ইংলেণ্ডৰ এটা বিজ্ঞানীৰ দলে ১৯১৯ চনত হোৱা পূর্ণগ্রাস সূর্যগ্রহণৰ ফটো তুলিছিল। ফটোত কথাটো নিশ্চিত হোৱাৰ পাছত আইনষ্টাইনৰ মহামতি বিজ্ঞানীগৰাকীক যেতিয়া পত্নীয়ে 'তুমি প্রমাণ পালা' বুলি মন্তব্য কৰিছিল, তেওঁ হেনো মন্তব্য কৰিছিল ঃ "প্রমাণ মোক কেলৈ? প্রমাণ তেওঁলোকেহে বিচাৰিছিল।" ইয়াৰ অর্থ এইটোৱেই যে তাত্ত্বিকসকলে তত্ত্বৰ মাজেৰেই সকলো বিশ্লেষণ কৰিব পাৰে, কিন্তু সেই তত্ত্ব ঠিয় কৰোৱাৰ পূর্বে মনৰ মাজতেই সকলো যৌক্তিক বিচাৰ পুংখানুপুংখভাৱে সম্পাদন হয়। বর্মনৰ মনটোও আছিল এনে। তেওঁৰ মাজত আইনষ্টাইন-ৰাছেল প্রদত্ত দর্শনৰ সৈতে মার্ক্স প্রদত্ত দর্শনৰ যি 'কলয়ডেল' (colloidal ঃ যি মিশ্রণত এটাক আনটোৰ পৰা নিলগাব নোৱাৰি) সংমিশ্রণ হৈছিল, সিয়েই তেওঁক অনন্যতা দান কৰিছিল। উদাহৰণস্বৰূপে নক্সাল আন্দোলনৰ মাজেৰে যি মার্ক্সীয় দর্শনৰ নিৰন্তৰ অধ্যয়নে তেওঁৰ মনত যৌক্তিক চিন্তাৰ বিৱর্তন আৰু বিৱর্ধন ঘটাইছিল, সেই যুক্তিবাদেই আকৌ মার্ক্সীয় চেতনাৰ সীমাবদ্ধতাও তেওঁৰ মনত উন্মোচিত কৰাইছিল। সেইবাবেই বর্মনে লিখিছিল ঃ "প্রতিটো দর্শনৰে কিবা নহয় কিবা সীমাবদ্ধতা থাকে। মার্ক্সবাদো তাৰ ঊর্ধ্বত নহয়। মার্ক্সে ব্যক্তিৰ সম্পূর্ণ সামাজিকীকৰণৰ কথা কৈছিল। কিন্তু ইয়াৰ ঔচিত্য বাস্তৱ জীৱনত তাকৰ বুলি মই ভাবোঁ।... মানুহক মানুহ হিচাপে জ্ঞান কৰিব লাগিব, মানুহৰ মানৱিক অস্মিতাৰ প্রতি ৰাষ্ট্রই সন্মান দেখুৱাব লাগিব। স্বাভাৱিকতে এনে সুবিধা একনায়কত্ববাদে দিব নোৱাৰে, তেহেলৈ সি ফেচীবাদী একনায়কত্ববাদেই হওক বা কমিউনিষ্ট একনায়কত্ববাদেই হওক।" তেওঁ মার্ক্সবাদীৰ সীমাৱদ্ধতাও মন কৰিছিল। বিশ্ব সর্বহাৰা এক হোৱাৰ মার্ক্সৰ আহ্বানক ভুল বুজি অনেক মার্ক্সবাদীয়ে আঞ্চলিকতাবাদ নেওচি বৈশ্বিক সমস্যাক অধিক গুৰুত্ব আৰোপ কৰাটো যে বিসংগতিমূলক, সেয়া বর্মনে ভালকৈয়েই উপলব্ধি কৰিছিল।

পাৰিবাৰিক কাৰণত পোনতে জীৱনৰ ব্যক্তিগত প্রয়োজনীয়তাকেই সর্বহ বুলি বিবেচনা কৰা বর্মনৰ সাধাৰণ মধ্যবিত্তীয় ধাৰণাক অৱশ্যে মার্ক্সৰ দর্শনেই পৰিপক্কতা দি সমাজৰ এজন হিচাপে সামাজিকতাৰ প্রতি মনোনিৱেশ কৰিবলৈ আগ্রহী কৰিছিল। এই সামাজিকতা ৰাজনৈতিক প্রাণী হিচাপে মানুহৰ প্রয়োজনীয়তাতে সীমাৱদ্ধ নাছিল। মানুহৰ সাংস্কৃতিক অৱস্থানৰ প্রতিও বর্মনৰ আছিল সমানে তীর্যক দৃষ্টি। অধিক স্পষ্টকৈ ক'বলৈ গ'লে সেয়া দৃষ্টি নাছিল, আছিল বৈজ্ঞানিক যুক্তিনিষ্ঠ কৌতূহল।

Scanned with OKEN Scanner

বর্মনৰ এনে কৌতূহলৰ সীমা নাছিল। মানুহৰ উপাধি ক'ৰ পৰা আহিল জাতীয় প্ৰশ্নৰ পৰা সাংস্কৃতিক ৰুচি-অভিৰুচি ঠিৰাং কৰি দিয়া অৱস্থানটো সৃষ্টি হ'ল কিদৰেলৈষ ভাষাৰ গঠনৰ পৰা নিজৰ ভাষাৰ শব্দবোৰ আৰু তাৰ ধ্বনিতাত্ত্বিক-বৰ্ণতাত্ত্বিক ৰূপলৈকে ভিন্ন দিশলৈ বিস্তৃত ভাৱনাই তেওঁৰ মনত কৰা ৰেখাপাতৰেই ফলাফল শিৱনাথ বর্মনৰ সমূহ সৃষ্টি। শংকৰদেৱ তেওঁৰ শ্ৰদ্ধেয়, কিন্তু সেই শংকৰক মানুহ হিচাপে ব্যাখ্যা কৰাৰ প্ৰতিহে সচেষ্ট। এইকথা ক'বই লাগিব যে শংকৰদেৱক ধর্মগুৰুৰ মাজতে সীমাৱদ্ধ নাৰাখি 'নির্মোহ বীক্ষা'ৰে অসমীয়া সমাজ জীৱনৰ 'বহুগুণনিধি ব্যক্তি' হিচাপে তুলি ধৰা অগ্ৰণী বস্তুনিষ্ঠ আলোচকসকলৰ অন্যতম আছিল শিৱনাথ বর্মন। অথচ তেওঁৰেই 'কৰতল কমল' যে শংকৰদেৱে আ-কাৰ, ই-কাৰ নিশিকাকৈ লিখা সম্ভৱ নাছিল সেইকথা যুক্তিনিষ্ঠভাৱে প্ৰথমবাৰলৈ প্ৰতিষ্ঠা কৰিছিল। বর্মনে স্তৰে স্তৰে, বিভিন্ন যুক্তিৰে কৰতল কমল সন্দর্ভত থকা প্ৰচলিত ধাৰণাৰ বিপৰীতে "শংকৰদেৱ কৰতল কমলৰ ৰচক— ইয়াত সন্দেহৰ প্ৰচুৰ অৱকাশ আছে" বুলি যিদৰে প্ৰতিষ্ঠা কৰিলে, সেয়া অসমীয়া সাহিত্যৰ এই শতিকাৰ প্ৰথমটো সিকিৰ এক গুৰুত্বপূৰ্ণ কথা বুলিয়েই বিবেচিত কৰিব পাৰি।

শিৱনাথ বর্মনৰ যুক্তিবাদী চিন্তাৰ আঁৰত মার্ক্সবাদী ধাৰণা আৰু বৈজ্ঞানিক মানসিকতাৰ অন্বয় সাধনেই হয়তো একমাত্ৰ কাৰক নহয়। চর্চাৰ বৈচিত্ৰ্যৰো এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আছে বুলি ঠাৱৰ কৰিব পাৰি। বর্মনৰ সমস্ত সৃষ্টিৰাজীত চকু ফুৰালে দেখা যায়, বৈজ্ঞানিক যুক্তিবাদে তেওঁক এপিনে প্ৰচলিত ঈশ্বৰ বিশ্বাসৰ বিপৰীতে অৱস্থান কৰাইছে, অথচ আপাতদৃষ্টিত বিপৰীত মেৰু যেন লগা ভাৰতীয় ভক্তি আন্দোলন— আনকি বেদ-বেদান্ত-বেদাংগৰো গভীৰ চর্চাৰ প্ৰতি ধাউতি বঢ়াইছে। এপিনে সত্তাৰ জগত, আনপিনে বস্তুৰ জগত; আপাত বৈপৰীত্যৰ মাজত সমন্বিতকৰণৰ এই প্ৰয়াসৰ আঁৰতো কিন্তু সেই যৌক্তিক অৱস্থান, য'ত জ্ঞানৰ কোনো শাখাৰ প্ৰতি বিৰাগ নাথাকে— বিপৰীত বিন্দুৰ আলোকসম্পাত অথবা অন্ধকাৰৰ মাজতো নিজৰ বৌদ্ধিকতাই শানত দিয়া যায়। আৰু এই পথতেই বেদ-ব্ৰাহ্মণৰ পৰা চৈনিক চিন্তা হৈ বর্মনে স্পিনোজাৰ পৰা কাণ্টৰ দার্শনিক চিন্তাৰ সন্ধান কৰিছিলগৈ, আনহাতে মীথৰ সাঁফৰ ভাঙি লিখি উলিয়াইছিল *লোককৃষ্টিৰ উৎসৰ* দৰে গ্ৰন্থ।

দৰাচলতে দর্শন হৈছে তত্ত্ব, সত্য আৰু সত্বাৰ সামগ্ৰিকতা— বিজ্ঞানৰ দৰেই পদ্ধতি নির্ভৰ জ্ঞানচর্চা আৰু সত্য উদ্ঘাটনৰ প্ৰয়াসী। কিন্তু বিজ্ঞানত থকাৰ দৰে দর্শনত কোনো একক দৃষ্টান্ত নাই। দর্শন হৈছে সেই সত্যৰ অনুসন্ধান, যাক জানিলে জীৱন আৰু জগতৰ গভীৰ ৰহস্যৰ দুৱাৰ মুকলি হয়। মুকলিহে হয়, পৰম সত্যত উপনীত হোৱা নাযায়। বৈজ্ঞানিক যুক্তিবাদে পৰম সত্যৰ ধাৰণাই অস্বীকাৰ কৰে। পৰমত্বৰ ধাৰণাটোৱেই বিমূর্ত, সেয়া ভাৱবাদীসকলৰহে আশ্ৰয়। বর্মনৰ ৰচনাৰ মাজত এনে পৰমত্ব বিচৰাটোৱেই নিৰর্থক। সেইবাবেই তেওঁ কাণ্টৰ দর্শনৰ বিষয়ে কিতাপ লিখিলেও, ভাৰতীয় দর্শনৰ মণি-মুকুতা বুটলি আনিলেও বর্মনৰ প্ৰিয় দার্শনিকগৰাকী আছিল স্পিনোজা— যি প্ৰকৃতিকেই ঈশ্বৰ বুলি (Deus sive Natura) ঘোষণা কৰি সপ্তদশ শতিকাৰ ভাৱবাদীসকলক কঁপাই তুলিছিল।

Scanned with OKEN Scanner

লক্ষণীয় কথাটো হ'ল বর্মনৰ আন এগৰাকী প্ৰিয়তম বিজ্ঞানী আইনষ্টাইনো আছিল স্পিনোজাৰ ঈশ্বৰতে বিশ্বাসী— হ'ব পাৰে, বর্মনৰ স্পিনোজালৈ যাত্ৰা আইনষ্টাইনৰে হাত ধৰি। কিন্তু বর্মন স্পিনোজাৰ ঈশ্বৰৰ সাধাৰণ আলোচনাতে থমকি ৰোৱা নাই, তেওঁ এই বিষয়ক বিস্তৃত আলোচনাটোত সর্বেশ্বৰবাদৰ সন্ধান কৰি শ্বেতাশ্বতৰ উপনিষদৰ শ্লোকো পাইছেগৈ, গ্যেটেৰ ফাউষ্টতো বিচাৰি চাইছে স্পিনোজাৰ অনুৰণন। তাৰ মাজতে পদুৱৈৰ মনত স্তৰীভূত হয় চিন্তাৰ ক্ৰিমান মনোমোহা স্তৰ।

এই প্ৰসংগতেই আহে *লোককৃষ্টিৰ* উৎস্ৰ প্ৰসংগ। জীৱনৰ সৈতে অংগাগীভাৱে জড়িত মানৱ সংস্কৃতিৰ এনে কিছু ৰূপ থাকে, যিবোৰৰ মাজত মানৱীয় চিন্তাৰ, চেতনাৰ, সামগ্ৰিকভাৱে মানৱ সভ্যতাৰ ৰূপান্তৰৰ সন্ধান পাব পাৰি— মানৱ চেতনাত সুপ্ত হৈ থকা বিষয় বিচাৰি চাব পাৰি। বিষয়বোৰ চিত্তাকর্ষক যিমান, নিজৰ অৱস্থানৰ সন্ধানো পাব পাৰি সিমান। বর্মনৰ এই গ্ৰন্থ তেনে সাংস্কৃতিক সমলৰ মাজেৰে কুৰুকি কুৰুকি বর্তমানৰ পৰা অতীতলৈ যাত্ৰাৰ মাদকতাসম। এই যাত্ৰা কেৱল নিজক জনাৰ নহয়, যুক্তিৰে জীৱনক জুখি চোৱাৰো সুযোগ। এনে যৌক্তিকতা আৰু তাৰ মাজেৰে পদুৱৈক মধুৰ আৱেশত আচ্ছন্ন কৰাৰ সমান্তৰাল অভিজ্ঞতা সমসাময়িক অসমীয়া কিতাপত খুব সুলভ নহয়।

দৰাচলতেই শিৱনাথ বর্মনৰ চিন্তা আৰু কর্ম যুক্তিৰ ভেটিতেই সৃষ্ট। তেওঁৰ এনে কোনো সৃষ্টিকর্ম নাই, যাক ইয়াৰ পৰা নিলগাই চাব পাৰি। অথচ বর্মন লিখামেলাত জড়িত বা অধিক সক্ৰিয় হৈছিল সেই সময়ত, যেতিয়া এই ৰাজ্যত মাধ্যম আন্দোলনৰ পৰা অসম আন্দোলন হৈ এটাৰ পাছত আন এটা আবেগিক আন্দোলনৰ জোৱাৰ নামিছিল। মার্ক্সীয় দর্শনৰ প্ৰতি তেওঁৰ অনুৰাগৰ আঁৰতো আছিল নক্সালবাদী আন্দোলন, যাক পাছত আবেগিক বুলি বর্মনৰো হয়তো ধাৰণা হৈছিল। অন্ততঃ উপযুক্ত পৰিৱেশ নাথাকিলে জোৰ কৰি বিপ্লৱ ঘটাব নোৱাৰি— তেওঁৰ এই উপলব্ধিৰ মাজত আমি এনে ধাৰণাৰেই আভাস পাওঁ। অসম আন্দোলনৰ অপুদ্‌ঘাটী পৰিণতিত বর্মনৰ এজন অতি ঘনিষ্ঠ বন্ধু আৰু অতি বিদ্বান পুণ্ডৰীকাক্ষ ভৰালী কাললৈ নোহোৱা হৈছিল। এনেবোৰ প্ৰতিকূল পৰিৱেশতো আৱেগক একাষৰীয়া কৰি তেওঁ বাচি লৈছিল যুক্তিৰ পথ। কিন্তু শিৱনাথ বর্মনৰ যি গ্ৰন্থই পঢ়া নাযাওক, এইকথা সহজেই উপলব্ধি হয় যে এনে যৌক্তিক বিচাৰ আৰোপিত নহয়, স্বজ্ঞা (intuition) জনিত। সেইবাবেই তেওঁৰ ভাষাতেই থাকে যুক্তিৰ তৰপলৈ নিয়াৰ, যুক্তিৰ তৰপ ভঙাৰ আহ্বান। সমান্তৰালভাৱে লক্ষণীয় ভাষাৰ নিয়ন্ত্ৰণ; ব্যক্তি আক্ৰমণ বা ব্যক্তি-বিদ্বেষৰ পৰা মুক্ত। এটা মাত্ৰ উদাহৰণ। শংকৰদেৱৰ কৃতি আৰু কৃতিত্ব যে প্ৰচলিত আলোচনাৰ পৰা মুক্ত, পূর্বজসকলৰ সীমাবদ্ধতা অতিক্ৰমৰ প্ৰয়াস, সেয়া বুজাই দিয়া হৈছিল মাত্ৰ দুটামান বাক্যতে; আৰু এই বাক্যকেইটিয়েই বৃদ্ধি কৰে নৱচিন্তাৰ আলোকেৰে শংকৰদেৱক জনাৰ প্ৰতি আগ্ৰহী পদুৱৈৰ উৎসুকতা—

"অসমত শংকৰী আলোচনাৰ পথিকৃৎসকলৰ ভাব-গগন আছিল শংকৰী প্ৰভাৱৰ ঘন মেঘেৰে

আবৃত। শংকৰদেৱ আৰু তেওঁৰ চিন্তাৰাজিৰ লগত এক নিবিড় আত্মীয়তাৰ ডোলেৰে তেওঁলোক বান্ধ খাই আছিল। শংকৰী আদর্শৰ সনাতন সত্যতা সম্পর্কে তেওঁলোকৰ নিষ্ঠা আছিল অটল। স্বভাৱতে, শংকৰদেৱ সম্পর্কীয় আলোচনাৰ ক্ষেত্রত আৱেগৰ হেঙাৰ পাৰ হোৱা তেওঁলোকৰ পক্ষে সহজ নাছিল। হয়তো ই তেওঁলোকৰ উদ্দেশ্যও নাছিল, কাৰণ তেওঁলোকৰ সৰহভাগেই আৱেগক গণ্য কৰিছিল উপলব্ধিৰ অন্তৰায় হিচাপে নহয়, বৰং উপায় হিচাপেহে।...”

এইটো নহয় যে বর্মনৰ যুক্তি অকাট্য, কিন্তু বক্তব্য প্রদানৰ বা সিদ্ধান্ত গ্রহণৰ পথত ভিন্ন বিষয় চালিজাৰি চোৱাৰ প্রতি তেওঁৰ সচেতন প্রয়াসে পঢ়ুৱৈকো সমানে প্রবুদ্ধ কৰে। এইটোৱেই হৈছে শিৱনাথ বর্মনৰ সমগ্র সৃষ্টি পঠনৰ আনন্দ। হয়তো লিখকৰো আছিল সেয়াই উদ্দেশ্য।■

২০২২ বর্ষৰ সাহিত্য অকাডেমিৰ ‘শিশু সাহিত্য’ বঁটাপ্রাপক দিগন্ত ওজা এগৰাকী সাংবাদিক, যুক্তিবাদী লেখক।

Scanned with OKEN Scanner

যুৱক-যুৱতীৰ হাততেই সমাজখন

চামচুল বাৰিক

এই পৃথিৱীৰ যি প্ৰান্তৰেই নহওক, যি ভাষা-ভাষীয়েই নহওক, যি ধৰ্ম-গোষ্ঠীৰে নহওক, যি দেশৰে নহওক, যি ৰাজ্যৰেই নহওক তৰুণ চামৰ ভূমিকাক বাদ দি আমি এখন ব্যৱহাৰিক পৃথিৱী কল্পনা কৰিব নোৱাৰোঁ। অতীতৰ ভাল-বেয়াখিনিও তদানীন্তন সমাজৰ যুৱ শক্তিৰ চিন্তাধাৰা আৰু কাম-কাজৰ ওপৰত নিৰ্ভৰশীল। ভৱিষ্যতৰ সমাজৰ বাবে যুৱচামক গঢ় দিয়াৰ দায়িত্ব সমাজখনৰ ওপৰতে।

বিশ্ব প্ৰেক্ষাপটত অতীতৰ সোণালী ঐশ্বৰ্য আৰু গৰিমাৰ সোঁৱৰণ কৰিবলৈ গ'লে বহু ঐতিহাসিক ঘটনা বা বাস্তৱতাৰ সাক্ষী স্বৰূপে যুৱ শক্তিকে আৰ্হি হিচাপে পাব পাৰোঁ। ইতিহাস প্ৰসিদ্ধ ফ্ৰান্স বিপ্লৱ, অক্টোবৰ বিপ্লৱ, বৃটিছ শাসিত আমাৰ দেশত নৱ জাগৰণৰ সূচনা.... এইবিলাকৰ নেতৃত্বত বহু সাহসী প্ৰগতিশীল যুৱক-যুৱতীৰ অপৰিসীম ভূমিকাৰ বিষয়ে ক'বলৈ গ'লে হয়তো এখন বিৰাট আকাৰৰ গ্ৰন্থই হ'বগৈ। আমাৰ স্বাধীনতা আন্দোলন আমাৰ বাবে হাততে পোৱা উদাহৰণ।

আধুনিক অসমত কু-সংস্কাৰ বিৰোধী আন্দোলনৰ সূত্ৰপাত ঘটোৱাত শিক্ষিত যুৱ সমাজৰ পদক্ষেপক পাহৰাটো সম্ভৱনে? ভাষা আন্দোলন, মাধ্যম আন্দোলন, তেল শোধনাগাৰ আন্দোলনত অগ্ৰণী অংশ গ্ৰহণ তেওঁলোকৰেই। ছয় বছৰীয়া অসম আন্দোলনটো মূলতঃ ছাত্ৰ-যুৱৰ দ্বাৰাই পৰিচালিত হৈছিল। স্বাধীন অসমৰ দাবীত ৰাজ্যৰ যুৱক-যুৱতীসকলেইতো একত্ৰিত হৈছিল। পৰৱৰ্তী 'কা' আন্দোলনত যিসমূহ ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীৰ নেতৃত্ব পৰিলক্ষিত হৈছিল তেওঁলোকে প্ৰতিনিধিত্ব কৰিছিল ছাত্ৰ-যুৱ সংগঠনৰ।

সমাজৰ এনেকুৱা এটা দিশ নাই য'ত নতুন চাম বা উদীয়মানৰ বলিষ্ঠ ভূমিকা নাই। কি সাংস্কৃতিক, কি আৰ্থিক, কি ৰাজনৈতিক.... সকলোতে সমাজৰ অত্যন্ত সক্ৰিয় শ্ৰেণী বুলিলে এওঁলোকলৈকে আঙুলিয়াব লাগিব।

সাংস্কৃতিক কাম কাজ আগুৱাই নিয়াৰ বাবে স্থায়ী আৰু অস্থায়ীভাৱে সংগঠিত হৈ এওঁলোকে ৰাজ্যখনৰ ঠায়ে ঠায়ে বিশেষ দৃঢ় দায়িত্ব গ্ৰহণ কৰি আহিছে। বিভিন্ন দিৱস উদ্‌যাপনৰ সময়ত বিভিন্ন উৎসৱ পালনৰ সময়ত উদ্‌যাপন সমিতি গঠনৰ যোগে কাৰ্যক্ৰমণিকা আগুৱাই আহিছে। কিন্তু একোটা নিৰ্দিষ্ট অঞ্চলত একাধিক যুৱ সংগঠন সংগঠিত হৈ এই দিৱসবোৰ বা উৎসৱবোৰ পালন কৰে তেতিয়া

Scanned with OKEN Scanner

উদ্‌যাপনৰ প্ৰাসংগিকতা আৰু গুৰুত্ব দুয়োটাই বৃদ্ধি পাব। অৰ্থনীতিৰ দিশতো সহায়ক হ'ব। জন সমৰ্থনো বাঢ়িব। উৎসৱে বা দিৱস পালনৰ ক্ষেত্ৰত জাকজমকতাত গুৰুত্ব দিবলৈ গৈ আমাৰ বেছিভাগ যুৱকে চান্দা সংস্কৃতিত নামি পৰা দেখা গৈছে। যাৰ ফলত, তেনেবোৰ অনুষ্ঠানৰ প্ৰতি জনসাধাৰণৰ মোহভংগ হৈছে। পূৰ্বৰ সেই আস্থা ঘূৰাই আনিবৰ বাবে যুৱ প্ৰজন্মক সচেতন পুৰণা প্ৰজন্মই বাট দেখুৱাব লাগিব।

সাংস্কৃতিক আন্দোলন বুলিলে কেৱল দিৱস বা উৎসৱ উদ্‌যাপনেই নহয়, একোটা অঞ্চলৰ জীৱনশৈলীৰ মান উন্নত হ'ব লাগিব। কোনো এটা অঞ্চলৰ জীৱন প্ৰৱাহৰ সৈতে জড়িত থলুৱা সম্পদ সমূহ যাতে সুৰক্ষিত হৈ থাকে তাৰ বাবেও কাম কৰিব লাগিব। সেইদৰে এই সাংস্কৃতিক সম্পদসমূহ সঠিকভাৱে আৰু বহুলৰূপত ব্যৱহাৰ কৰাৰ বাবে যুৱক-যুৱতীসকলে নিজকে মানসিকভাৱে প্ৰস্তুত কৰি তুলিব লাগিব। এই ক্ষেত্ৰত চৰকাৰবোৰে জাতীয় সম্পদসমূহ ব্যক্তিগত কোম্পানীৰ হাতত তুলি দিয়ে যদি তেতিয়া মাত মাতিব পৰা ক্ষমতা আৰু নৈতিক সাহস লাগিব। কিন্তু, আজিৰ তাৰিখত প্ৰায়বোৰ যুৱ সংগঠনে এই সন্দৰ্ভত মূৰ পোলোকা মৰা পৰিলক্ষিত হয়। অৰ্থাৎ, তেওঁলোকৰ জাতীয় স্বাৰ্থতকৈ ব্যক্তিস্বাৰ্থই প্ৰাধান্য পাইছে। আমাৰ ঘৰবোৰত কিবা নহয় কিবা প্ৰকাৰে মূল্যবোধৰ অৱক্ষয় ঘটিছে নেকি? আমাৰ শিক্ষা ব্যৱস্থাৰ কোনখিনিত বেমেজালি লাগিছে? প্ৰসংগক্ৰমে এনেকোৱা এটা প্ৰশ্নও আহি পৰা নাই নে? যিবোৰত আঞ্চলিক পৰিস্থিতিৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিলৈকে আলোচনা হয়। ৰাজনৈতিক সংগঠন এটাৰ জনপ্ৰিয়তা কিদৰে বৃদ্ধি কৰিব পাৰি সেই বিষয়ে নবীন বয়সৰ সকলক দায়ৱদ্ধ কৰি তোলা হৈছেনে নাই? ৰাজনৈতিক সততা সম্পৰ্কত তেওঁলোকক সজাগ কৰা হৈছেনে? নে প্ৰবীণ নেতৃত্বই ব্যৱহাৰ কৰি আছে? ৰাজনৈতিকভাৱে যদি নবীন প্ৰজন্মক সাজু কৰি তোলা নহয় একোটা ৰাজনৈতিক দলৰ আয়ুস তেনেই ক্ষীণ। সেয়ে নেকি ৰাজনৈতিক জ্ঞানৰ অভাৱত বহু যুৱক-যুৱতীয়ে হুৰমূৰকৈ কোনো ৰাজনৈতিক দলত প্ৰৱেশ কৰি আৰু হুৰমূৰকৈ দলত্যাগ কৰাৰ উদাহৰণো বহুতো আছে। অৱশ্যে বামপন্থী ৰাজনৈতিক সংগঠনৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰম। কেৱল জিকা-হৰা ৰাজনীতিত নিৰাশ নহয় বাওঁ ৰাজনীতি কৰা যুৱক-যুৱতীসকল। গতিকে, যুৱশক্তিয়ে সঁচা ৰাজনীতি কৰিব লগা হ'লে ৰাজনৈতিক আদৰ্শবাদ গঢ়ি তুলিব পাৰিব লাগিব।

অৰ্থনৈতিক স্বাৱলম্বিতা, যুৱ সমাজৰ বাবে আন এক এৰাব নোৱাৰা বিষয়। কেৱল নিজৰ বাবেই নহয়, সমাজৰ অৰ্থনীতিৰ মেৰুদণ্ড পোন কৰি ৰাখিবৰ বাবেও যুৱকসকলে চিন্তা-চৰ্চা কৰিব লাগিব। অতি সম্প্ৰতি ৰাজহুৱা চাকৰি - বাকৰিত অংশ গ্ৰহণৰ পথ বন্ধৰ দৰে। ব্যক্তিগতকৰণ আৰু চৰকাৰীকৰণৰ এই দিনত যুৱক-যুৱতীয়ে ব্যক্তিগত খণ্ডৰ চাকৰিৰ বাবে মন মেলাৰ দিন। কিন্তু, প্ৰতিযোগিতা সৰ্বস্ব এই যুগত এজন যুৱক বা যুৱতী কেৱল সৎ হ'লেই নহ'ব। দক্ষ আৰু ব্যৱসায়মুখী হ'ব লাগিব। এই কামটো সকলো যুৱকৰ বাবে সম্ভৱনে? গতিকে, সকলো শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ বাবে কিদৰে ৰাজহুৱা খণ্ডৰ সেৱা ব্যৱস্থা বাহাল ৰাখিব পাৰি এই ক্ষেত্ৰত দৃষ্টি নিক্ষেপ কৰিব পাৰিব

Scanned with OKEN Scanner

লাগিব। প্রয়োজন সাপেক্ষে ৰাজহুৱা খণ্ডৰ সেৱাক সুৰক্ষিত কৰাৰ বাবে সংগঠিতভাৱে আন্দোলনতো নামিব লাগিব যুৱক-যুৱতীয়ে।

আমাৰ ৰাজ্যৰ ল'ৰা-ছোৱালীসকলৰ যাতে অসমত সম্পদৰূপে ব্যৱহৃত হ'ব পাৰে সেই দিশটোত যুৱশক্তিক নেতৃত্ব দিয়াসকলে প্ৰাথমিকভাৱে ভবাৰ সময় আহি পৰিছে। অৰ্থনৈতিক সক্ষমতা অৰ্জনৰ বাবে আমাৰ বহুবোৰ যুৱক-যুৱতী বহিঃ ৰাজ্যলৈ প্ৰতি বছৰে ঢাপলি মেলিছে। অসমত কৰ্মসংস্থাপনৰ ব্যৱস্থা স্থবিৰ বাবেই এই দশা নহয় জানো? কেৱল চাকৰি বাকৰিৰ ক্ষেত্ৰই নহয় আমি এই নৱপ্ৰজন্মৰ মাজত ব্যৱসায়িক মনোবৃত্তি গঢ়ি তুলিবলৈ সময় সাপেক্ষ ব্যৱস্থা লব নোৱাৰোনে? চৰকাৰে ঋণ প্ৰদানৰ যোগেদি ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ৰ ক্ষেত্ৰ একোখন কিয় গঢ়ি তুলিব নোৱাৰে য'ৰ পৰা উঠি অহা চামে উৎসাহ লাভ কৰি নিজৰ ৰাজ্যত নিজকে আত্ম নিৰ্ভৰশীল কৰাৰ ওপৰিও ৰাজ্যৰ জনমূৰি আৰু জাতীয় আয় বৃদ্ধিত ইন্ধন যোগাব পাৰিব।

(২)

এইখিনিতে মনলৈ আহিছে যুৱ সংঘৰ প্ৰসংগলৈ। আমাৰ ৰাজ্যত যুৱক-যুৱতীসকলে জন্ম দিয়াই নহয় তুলি তালি ডাঙৰ-দীঘল কৰা যুগ যুগ ধৰি বৰ্তি থকা এনে সংঘবোৰৰ এক বিৰাট বৈপ্লৱিক সামাজিক ভূমিকা আছে। পথৰুৱা অঞ্চলৰ পৰা বিশ্ববিদ্যালয়কেন্দ্ৰিক অঞ্চললৈকে এই জাতীয় অনুষ্ঠানৰ প্ৰভাৱ সকলোৱে স্বীকাৰ কৰিব।

সাধাৰণতে মহানগৰীয়া জীৱনত এই সংঘবোৰৰ সদস্য হোৱা সৰহ সংখ্যক ল'ৰা-ছোৱালীয়েই উচ্চ শিক্ষাধাৰী হোৱাটো স্বাভাৱিক। গতিকে, পৰিবৰ্তিত প্ৰেক্ষাপটত মহানগৰত দেখা দিয়া অপসংস্কৃতিৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ এইসকল যুৱ নেতৃত্বই সাংস্কৃতিক আৰু বৌদ্ধিক আন্দোলনৰ গুৰি ধৰিব লাগিব। আমাৰ সমগ্ৰ জাতিটো আৰু সমাজক গঢ় দিয়া মহান পুৰোধা ব্যক্তিসকলক স্মৃতি দিৱস আয়োজন কৰাটো সময়ৰ আহ্বান হিচাবে লব লাগিব। উচ্চ শিক্ষানুষ্ঠানসমূহত যাতে সমাজবিৰোধী শক্তিবোৰৰ অনুপ্ৰৱেশ ঘটিব নোৱাৰে তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। যুৱ সংঘবোৰৰ প্ৰাসংগিকতা তেতিয়াহে বৃদ্ধি পাব। নগৰীয়া অঞ্চলবোৰতো যুৱসংঘবোৰে এনে সজাগতা অনুষ্ঠানৰ কাৰ্যসূচী গ্ৰহণ কৰিব পাৰে। আজিৰ ভোগ সৰ্বস্ব ব্যৱস্থাত অধ্যয়নমুখীতা গৌণ হৈ পৰিছে। অধ্যয়নশীল জাতি এটায়েহে দোপতদোপে আগুৱাব পাৰে। গতিকে, শিক্ষামূলক কাৰ্যসূচী গ্ৰহণেৰে নগৰীয়া - মহানগৰীয়া এলেকাৰ যুৱক-যুৱতীসকলে সংঘৱদ্ধ প্ৰচেষ্টাৰে ভূমিকা গ্ৰহণ কৰিব পাৰে এয়াযে বাস্তৱৰে আহ্বান।

আমাৰ ৰাষ্ট্ৰীয় জীৱন বা আঞ্চলিক জীৱনৰ শিপা চিনি লব নোৱাৰিলে আমাৰ যুৱক-যুৱতীসকলে নিজস্বভাৱে আগুৱাব পাৰিব জানো? পাশ্চাত্যৰ সংস্কৃতিৰ পটভূমিত যিদৰে সেই যুৱক শক্তিয়ে সুকীয়া সুকীয়া কাৰ্যসূচী আৰু পৰিকল্পনাৰে দিক্ নিৰ্ণয় কৰিব লাগিব, সেইদৰে প্ৰাচ্য সংস্কৃতিৰ

অন্তর্ভূক্ত সকলেও নিজা নিজা ধৰণে ভাবিব লাগিব। মনত পৰি গৈছে আমাৰ ৰাজ্যখনৰ এগৰাকী সু-পৰিচিত কবি পুঞ্জন বৰুৱাৰ এটা কবিতালৈ। কবিতাটোৰ শিৰোনাম আছিল 'ভাৰতখন হেনো গাঁৱতহে আছে'। অসমৰ ক্ষেত্ৰতো এই শিৰোনামটো প্ৰণিধানযোগ্য নহয়নে? এনেস্থলত আমি গ্ৰাম্য জীৱনৰ আধাৰত গঢ় লৈ উঠা যুৱ সংঘবোৰে বাহিৰৰ পৃথিৱীখনকো বাট দেখুৱাব পাৰে। আজিৰ শিল্পায়নৰ যুগত আমি যিধৰণৰ অৰ্থনৈতিক জীৱন যাত্ৰাৰ কথা ভাবোঁ তাৰ উৎসটো পথাৰখনেই বা খেতিয়ক সমাজেই। গতিকে কৃষিক্ষেত্ৰক বাদ দি আমি সামগ্ৰিকভাৱে আমাৰ উত্তৰণৰ কথা ভাবি পাৰিম জানো? সেয়েহে গ্ৰাম্য অঞ্চলত গঢ় লৈ উঠা যুৱ সংঘবোৰে গাঁৱৰ অৰ্থনীতি টনকিয়াল কৰা কাৰ্যসূচীবোৰ ধাৰাবাহিকভাৱে গ্ৰহণ কৰিব পাৰে, যিবোৰ পৰিকল্পনাৰ মাজেৰে গাঁৱৰ যুৱক-যুৱতীসকলে নিজা নিজা সপোনবোৰক সাকাৰ ৰূপ দিব পাৰে। সেইদৰে, আজিৰ ডিজিটেল যুগত গাঁৱৰ পৰাই ল'ৰা-ছোৱালীয়ে কিদৰে অন লাইন পদ্ধতিত শিক্ষা আহৰণ কৰা আৰু জীৱিকাৰ পথ আৱিষ্কাৰ কৰিবৰ বাবে পথ বিচাৰি পাই, এই দিশতো সমান্তৰালভাৱে আগুৱাই যাবৰ বাবে গাঁৱৰ মাণিকস্বৰূপ নতুন প্ৰজন্মক বাহিৰৰ পৃথিৱীকো থিয় কৰাব পাৰে সেই চিন্তা চেতনাক প্ৰাধ্যন্য দিয়াৰ সূত্ৰধাৰ হিচাপে কাম কৰক গাঁৱৰ যুৱ সংঘবোৰে।

প্ৰসংগ ক্ৰমে আৰু এটা কথা। বাস্তৱতঃ দেখা যায় যে ক্ৰমাৎ গাঁৱৰ মুকুটা স্বৰূপ নতুন প্ৰজন্ম যদি নগৰ বা মহানগৰতে স্থায়ীভাৱে বসতি কৰিবলৈ লৈছে। এনে প্ৰেক্ষাপটত আমাৰ মনত এনে প্ৰশ্ন উদয় হয় যে, প্ৰকৃততে গাঁওবোৰৰ উত্তৰণ হৈছে জানো? যদি হৈছেই তেন্তে গাঁৱৰ সম্পদস্বৰূপ যুৱক-যুৱতীসকলে গাঁৱৰ শিপা খামুচি তাতেই বৈ গ'ল হয়। এই সন্ধিক্ষণত যুৱক-যুৱতী সংগঠনবোৰে গাঁৱৰ সৰ্বাংগীন উন্নতিৰ বাবে চিন্তা কৰাৰ আৰু কাম কৰাৰ মনোবৃত্তি আহৰণ কৰাবো সময়। চৰকাৰবোৰেও এনে চিন্তাক নিৰ্বাচনী ইস্তাহাৰৰে আৱদ্ধ নকৰি পিছলৈ আওকাণ কৰাৰ অভ্যাস এৰিবনে?

আমাৰ সভ্যতা সংস্কৃতিৰ উৎস পথাৰবোৰ সুৰক্ষিত কৰিবৰ বাবে গাঁও অঞ্চলত ধাৰাবাহিকভাৱে কাম কৰি থকা যুৱ সংগঠনবোৰে সময়ৰ লগত খোজ মিলাই ইতিবাচক ভূমিকা গ্ৰহণ কৰিব লাগিব। দক্ষ আৰু কৰ্ম সংস্কৃতিপৰায়ণ কৃষকক পুৰষ্কৃত কৰাৰ চিন্তাও আমি কৰিব লাগিব। ভোট সৰ্বস্ব চৰকাৰবোৰে এই ক্ষেত্ৰত ৰাজনৈতিকভাৱে সাৰ পাবনে? আমাৰ গাঁৱৰ নতুন প্ৰজন্মই কৃষি আৰু কৃষকক কেন্দ্ৰ কৰি কাম-কাজ কৰি গ'লে গাঁৱতেই তেওঁলোকে সোণালী সৰগ ৰচনা কৰিব পাৰিব।

উপৰুক্ত চিন্তাধাৰাৰ ভিত্তিত সৰ্বশেষত আমি ক'ব পাৰোঁযে, যুৱক-যুৱতীসকলৰ হাত আৰু মগজুতে সমাজৰ নিচানখন তুলি দিওঁ আহক। ■

'তিনিদিনীয়া অগ্ৰদূত' কাকতৰ নিয়মীয়া লেখক, শিৱসাগৰৰ চামচুল বাৰিক এজন নিবন্ধকাৰ।

Scanned with OKEN Scanner

বীৰেন বৰকটকীৰ কবিতা

ড° জ্যোতিৰেখা হাজৰিকা

১৯২৪ চনৰ ২৩ মার্চৰ দিনা শোণিতপুৰ জিলাৰ চতিয়াৰ অন্তর্গত বগলীবাৰীত বীৰেন (স্থানান্তৰে বীৰেণ, বীৰেন্দ্রনাথ) বৰকটকীৰ জন্ম হয়। পিতৃ পদ্মনাথ বৰকটকী আৰু মাতৃ চন্দ্রপ্রভা বৰকটকীৰ সুযোগ্য সন্তান বৰকটকীয়ে চতিয়াতে শিক্ষাগ্রহণ আৰম্ভ কৰে। ১৯৪২ চনত মেট্রিক পৰীক্ষা দিয়েই ভাৰত ত্যাগ আন্দোলনত জঁপিয়াই পৰি এবছৰ পর্যন্ত কাৰাবাস খটা বীৰেন বৰকটকীয়ে পাছলৈ গুৱাহাটীৰ নিউ প্রেছত ৪৫ টকা দৰমহাৰে কর্মজীৱন আৰম্ভ কৰে। সেই তেতিয়াই বৰকটকীয়ে নিউ প্রেছৰপৰা প্রকাশ পোৱা 'সাদিনীয়া অসমীয়া' কাকতৰ স'তে জড়িত হৈ পৰে। তাৰপাছত কাশী হিন্দু বিশ্ববিদ্যালয়ৰপৰা আই.এ আৰু কটন কলেজৰপৰা বি.এ পৰীক্ষাত উত্তীর্ণ হৈ তেওঁ 'দৈনিক অসমীয়া' কাকতৰ সহযোগী সম্পাদকৰ দায়িত্ব লয়। কটন কলেজত পঢ়ি থাকোঁতেই বীৰেন বৰকটকীয়ে গুৱাহাটীৰপৰা 'জাগৰণ' মুখপত্র সম্পাদনা কৰি আলোড়নৰ সৃষ্টি কৰিছিল। উল্লেখযোগ্য যে, বীৰেন বৰকটকীয়ে বি.এ. পৰীক্ষাত উত্তীর্ণ হৈয়েই 'নতুন অসমীয়া'ৰ সম্পাদনা বিভাগত কাম কৰিছিল। 'সাদিনীয়া অসমীয়া', 'দৈনিক অসমীয়া' কাকতৰ স'তেও তেওঁ জড়িত আছিল। পৰৱর্তী কালত একে সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিষয়ৰ এম.এ. পাঠ্যক্রমত নাম ভর্তি আৰু জামুগুৰি হাইস্কুলত শিক্ষকৰূপে কর্মজীৱনৰ পাতনি মেলাটো আছিল বৰকটকীৰ বাবে অন্য এক প্রত্যাহ্বান। ১৯৫২ চনত দ্বিতীয় শ্রেণীৰ উচ্চ স্থান লৈ এম.এ. পৰীক্ষাত উত্তীর্ণ হৈ তেওঁ শিৱসাগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত শিক্ষক হিচাপে নিযুক্ত হোৱাৰ পৰৱর্তী কালত ১৯৭১ চনৰ ১ জুলাই তাৰিখে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰি ১৯৮৫ চনৰ ২৮ ফেব্রুৱাৰী তাৰিখে অৱসৰ গ্রহণ কৰে। বীৰেন বৰকটকীয়ে শিৱসাগৰত কর্মজীৱনৰ সমান্তৰালভাৱে সম্পাদনা কৰা 'হিমাচল' আলোচনীয়ে অসমত এক বৌদ্ধিক পৰিৱেশৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। তেওঁৰদ্বাৰা অন্যান্য সম্পাদিত আলোচনী হ'ল 'দিগবলয়' আৰু 'জনজ্যোতি'। ১৯৮৬ চনত অসম সাহিত্য সভাৰ দ্বি-পঞ্চাশৎ কামপুৰ অধিৱেশনৰ সভাপতি হিচাপে অভিষিক্ত হোৱা বীৰেন বৰকটকীৰ ২০০২ চনৰ

Scanned with OKEN Scanner

৪ নবেম্বৰত পৰলোকপ্ৰাপ্তি ঘটে।

কুৰি শতিকাৰ চতুৰ্থ দশকৰ শেষ তৰংগৰপৰা পৰলোকপ্ৰাপ্তিৰ আগলৈকে (১৯৪০-২০০২) সম্পাদনিভাৱে কাব্যচৰ্চা কৰি অহা বীৰেন বৰকটকী 'মনন্তৰ'ৰ কবি হিচাপে সুপৰিচিত। মূলতঃ 'জয়ন্তী', স্ব-সম্পাদিত 'জাগৰণ', 'পছোৱা' আৰু 'ৰামধেনু' আলোচনীৰ জৰিয়তে কাব্যপ্ৰতিভাৰ স্ফূৰণ আৰু বিকাশ ঘটা এইগৰাকী কবিৰ মুঠ কাব্য সংকলন চাৰিখন ঃ 'মন্বন্তৰ' (১৯৫৯), 'চিৰন্তন' (১৯৭৯), 'চিনাকি পৃথিৱী' (১৯৮৬) আৰু 'ওপজা মাটিৰ মৰম' (১৯৯০)। বৰকটকীৰ কবিতা ইংৰাজী, হিন্দী, বাংলা, কানাড়া আদি ভাষালৈও অনূদিত হৈছে।

একাধাৰে কবি, ঔপন্যাসিক, সাংবাদিক, নিবন্ধকাৰ আৰু সমালোচক হিচাপে বীৰেন বৰকটকীয়ে অসমীয়া সাহিত্যৰ বিভিন্ন বিধা সমৃদ্ধ কৰি থৈ গৈছে। 'ভৰলীৰ পাৰে পাৰে', 'মৃত্যু গছকি আনা জয় জিনি' আৰু 'পিতামহ' বৰকটকীৰ তিনিখন উল্লেখযোগ্য উপন্যাস। সাহিত্য-সংস্কৃতিমূলক গ্ৰন্থ ক্ৰমে,'অসমীয়া সাহিত্যত এভুমুকি', 'পাশ্চাত্য সাহিত্যত এভুমুকি', 'সাহিত্যৰ পটভূমি', 'অসমীয়া সাহিত্য-সংস্কৃতিৰ এটি-দুটি', 'সাহিত্যৰ চিন্তা-চৰ্চা', 'অসমীয়া গীতি-সাহিত্য', 'ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য-প্ৰতিভা'ৰ সমাদৰ আজিও কমা নাই।

অনুবাদ সাহিত্য আৰু শিশু-সাহিত্যলৈকো বৰকটকীয়ে বিশেষ অৱদান আগ বঢ়াই গৈছে। অনুবাদ সাহিত্যৰ ক্ষেত্ৰত 'কুমাৰী পৃথিৱী' (টলষ্টয়ৰ Virgin Soil-ৰ ভাঙনি), 'প্ৰেম আৰু শঙ্কাৰে' (টলষ্টয়ৰ Creutzere Sonata-ৰ ভাঙনি); শিশু-সাহিত্যৰ ক্ষেত্ৰত প্ৰথমা কন্যাৰ অকাল বিয়োগত ৰচনা কৰা 'শিশু মনৰ সাধু' (৩৫টা সাধুৰ সমষ্টি)ৰ লগতে শিশু উপযোগী জীৱনী গ্ৰন্থ 'খোজতে মিলাওঁ খোজ' বিশেষভাৱে উল্লেখযোগ্য। বিভিন্ন আলোচনীত সিঁচৰতি হৈ থকা প্ৰবন্ধৰাজিৰ ভিতৰত 'মহৰ্ষি টলষ্টয়ক বুজাৰ চেষ্টাৰে' (প্ৰকাশ, একাদশ বছৰ, পঞ্চম সংখ্যা, ফেব্ৰুৱাৰী ১৯৮৬ চন) এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ। বৰকটকী সম্পাদিত দুখন উল্লেখযোগ্য গ্ৰন্থ হ'ল ঃ 'ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ' আৰু 'বেজবৰুৱাৰ সাহিত্য প্ৰতিভা'। সহযোগী লেখকদ্বয় প্ৰফুল্ল কুমাৰ বৰুৱা আৰু ইমৰান শ্বাহৰ স'তে লিখা গল্প সংকলন ঃ 'তুলিকাৰ প্ৰাণ' আৰু 'দৃষ্টি'।

বিংশ শতিকাৰ তৃতীয় দশকৰপৰা প্ৰগতি বা প্ৰগতিশীল কবিতাৰ প্ৰত্যক্ষ প্ৰভাৱ ভাৰতীয় সাহিত্যত পৰে আৰু 'আৱাহন' আলোচনীৰ জৰিয়তে প্ৰথমে আৰু পৰৱৰ্তী কালত প্ৰত্যক্ষভাৱে ঘাইকৈ 'জয়ন্তী' আৰু পৰৱৰ্তী কালত 'পছোৱা', 'ৰামধেনু' আলোচনীৰ মাজেৰে এই প্ৰগতিশীল ভাবনাৰ ধ্বনি-প্ৰতিধ্বনি অসমীয়া সাহিত্যত ব্যঞ্জিত হৈ উঠে। 'জোনাকী' যুগৰ ৰমন্যাসিক পৃষ্ঠভূমিৰপৰা জাতীয়তাবাদী চেতনাৰে দুচকুত 'মিলন', 'আৱাহন', 'জয়ন্তী'ৰ আদৰ্শ লৈ কাব্য-চৰ্চা কৰি অহা এগৰাকী বিশিষ্ট কবি হ'ল বীৰেন বৰকটকী। উল্লেখযোগ্য যে, ৰঘুনাথ চৌধাৰী সম্পাদিত 'জয়ন্তী' আলোচনীৰ ৩য় বছৰ, ১১শ সংখ্যা (৩০ জুন, ১৯৪০ চন)ত বীৰেন্দ্ৰনাথ বৰকটকীৰ 'ভাৰতে বিচৰা নাই তপত শোণিত' শীৰ্ষক কবিতাটি প্ৰকাশ পায়। সম্ভৱতঃ এইটোৱেই তেওঁৰ প্ৰথম প্ৰকাশিত কবিতা। দ্বিতীয়

Scanned with OKEN Scanner

মহাযুদ্ধৰ বিভীষিকা, পৰাধীন ভাৰতত মানৱীয়তাৰ স্খলন দেখি আনুমানিক ১৬ বছৰমান বয়সতে কিশোৰ কবিগৰাকীয়ে লিখা এই কবিতাটিৰ মূল ভাবাদর্শ ঃ স্বদেশ-স্বজাতিৰ স্বতন্ত্রতা। গান্ধীজীৰ আদর্শ সাৰোগত কৰি কবিয়ে তপত শোণিতৰ বিপৰীতে বিচাৰিছে মাথোঁ সত্যৰ সন্ধান। বিচাৰিছে মানৱৰ জন্মস্বত্ব ঃ শান্তি আৰু স্বাধীনতা। সেয়েহে কিশোৰ বীৰেন্দ্রনাথে কৈছে ঃ

"শান্তিৰ সফুৰা লই শত আবর্জ্জনা ঠেলি
জাগে আজি ভাৰতত সত্যনাৰায়ণ
দেখুৱাব জগতক নৰৰূপী নাৰায়ণে
অবিলম্বে শান্তিযুগ হব আৰম্ভন।"

— *ভাৰতে বিচৰা নাই তপত শোণিত, পৃঃ ৫৭৩*

উল্লেখযোগ্য যে, কমল নাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্য্য সম্পাদিত 'জয়ন্তী'ৰ ৬ষ্ঠ বছৰ, ২য় সংখ্যা (পুহ, ১৯৪৩ চন)ত বীৰেন্দ্রনাথ বৰকটকীৰ 'তেজৰ ফটিকা' শীর্ষক আন এটি কবিতা (*আজি মানুহৰ/বুকুৰ বাঙলি তেজ/উচ্চতম এজাতিৰ/ফটিকা প্রাণৰ;/তৃষ্ণাতুৰ কণ্ঠটিত/তেজৰে ফটিকা ঢালি/আদর্শ প্রচাৰ কৰে/উচ্চ জীৱনৰ।*) প্রকাশ পায়। 'জয়ন্তী'ত প্রকাশিত এই দুয়োটা কবিতাৰ জৰিয়তে ছাত্র কবিগৰাকীৰ তেজ টল্‌মল্ বিদ্রোহী মনীষাৰ উমান পাব পাৰি।

ভাৰতৰ হৃত স্বাধীনতা ঘূৰাই অনাৰ অর্থে অহিংস আন্দোলনত জঁপিয়াই পৰা কটন কলেজ হোষ্টেলৰ ফার্ষ্ট ব্লকৰ এই ছাত্রজনে ১৯৪৭চনত 'অসম প্রাদেশিক ছাত্র কংগ্রেছ'ৰ মুখপত্র 'জাগৰণ'ৰ সম্পাদকৰ দায়িত্বও গ্রহণ কৰে। 'স্বাধীনতাঙ্গ শান্তিঙ্গঙ্গ প্রগতিঙ্গঙ্গঙ্গ' — এয়ে আছিল 'জাগৰণ'ৰ মূলমন্ত্র। সম্পাদনা সমিতিত আছিল বীৰেন বৰকটকী (সম্পাদক), প্রতাপ মেধী, বিশ্বদেৱ শর্মা, বিশ্ব গোস্বামী আৰু বৈদ্য বৰপূজাৰী। মুখপত্রখনৰ প্রথম বছৰ, প্রথম সংখ্যা (জানুৱাৰী, ১৯৪৭)ত বীৰেন বৰকটকীয়ে 'বঙা চিয়াহী'ৰে লিখা 'তেজৰ পথ' শীর্ষক প্রতিবাদী কবিতাটি প্রকাশ পায়। স্বদেশৰ মুক্তিৰ পথত তেজৰ প্রদীপ জ্বলাই ধৰণীত নতুন যুগৰ সৃষ্টিৰ অর্থে সাহসেৰে খোজ দিবলৈ প্রতিগৰাকী ভাৰতীয়ক আহ্বান জনাই বৈপ্লৱিক চেতনাৰে স্ব-অধিকাৰ স্বাধীনতা বিচাৰি যুৱ কবিজনে লিখিলেঃ

"অধিকাৰ—
মানুহৰ ন্যায্য অধিকাৰ/মুখৰ কথাতে পোৱা
সভ্যতাৰ পাতনিত লিখা হোৱা নাই
আছে কিন্তু সেই পাতনিতে
স্বার্থপৰ এজাতিৰ/লাগে যদি স্বার্থত আঘাত
তাৰ সেই প্রতিক্রিয়াই পৃথিৱী কঁপায়।" —*তেজৰ পথ, পৃঃ ৬*

এই মুখপত্রখনৰে তৃতীয় সংখ্যাত প্রকাশিত হোৱা বীৰেন বৰকটকীৰ আন এটি কবিতা 'সফল

Scanned with OKEN Scanner

স্বপ্ন' (পৃঃ ৬৭) মূলতঃ ৰোমান্টিক ধ্যান-ধাৰণাৰে লিখা পৰীক্ষামূলক, প্ৰভাৱপুষ্ট শিথিলধৰ্মী কবিতা। উল্লেখযোগ্য যে, 'জাগৰণ'ৰ ১ম বছৰ ৪র্থ সংখ্যাত তেওঁৰ 'আজিৰ ত্ৰিবাঙ্কুৰ' শীৰ্ষক (পৃষ্ঠা ১৩-১৬) এটি প্ৰবন্ধ প্ৰকাশ পাইছিল। ইয়াৰ পাছৰ বছৰটোতে হেম বৰুৱা সম্পাদিত মাথোঁ দহটা মাহ কৰ্তি হকা মাহেকীয়া আলোচনী 'পছোৱা'ত বীৰেন বৰকটকীৰ দুটি কবিতা প্ৰকাশ পায় ঃ 'ৰাজপুতনা' (প্ৰথম বছৰ, ৫ম সংখ্যা, অক্টোবৰ, ১৯৪৯, পৃঃ ৬৬) আৰু 'অপথেদি' (প্ৰথম বছৰেকীয়া সংখ্যা, ৰঙালী বিহু, ১৯৪৯)। 'অপথেদি' কবিতাটি উন্মনা ফাগুনৰ বাহ্যিক ৰূপৰ প্ৰতি কবিৰ যেন তীব্ৰ কুটি। কবিতাটিত প্ৰকৃতিক মানৱায়ন কৰা হৈছে। যি ফাগুনে যৌৱন উন্মনা কৰি সপোন ভাঙেহি প্ৰেয়সীৰ, যি ফাগুনে ধ্বংসৰ শক্তিৰে সৃষ্টি হোৱা 'ৰঙা ঘোঁৰা' মেলি ধৰাৰ বুকুত হাঁহাকাৰ তোলে সেই ফাগুনৰ প্ৰতি কবিৰ আহ্বান ঃ

"যি আকাশত তোৰেই পৰশ লাগি
আনন্দে উপচি পৰা, ৰাশি ৰাশি ঢউবোৰে
তোলে প্ৰতিধ্বনি
একে সেই আকাশতে, 'পৃথিৱী দুপিঠি গঢ়'
শিশুৰ কান্দোন আৰু হতভাগা মানুহৰ শেষ চকুলোৰে
ধোঁৱাময় ধৰণীত, নিলাজ ফাগুনী
পাবি জানো কাৰোবাক মৰমেৰে চাই
দিবলই সাগৰৰ একোষাৰি মাত?
জুইৰ ফিৰিঙতিবোৰ বোকোচাত বান্ধি লই
হঠাতেই এচুকেদি আহি
দিয়া জানো তয়ে নাই বুকুত কামোৰ।"

উল্লেখযোগ্য যে, 'পছোৱা'ৰ সমান্তৰালভাৱে বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত 'ৰংঘৰ' আলোচনী (১৯৪৯, পাছলৈ 'ৰামধেনু')ৰ পঞ্চম সংখ্যা (পৃঃ ১৭৫)ত 'প্ৰতিবিম্ব' আৰু অষ্টম সংখ্যা (পৃঃ ২৯০)ত বীৰেন বৰকটকীৰ 'আমি মৰা নাই' শীৰ্ষক দুটি কবিতা প্ৰকাশ হয়। 'প্ৰতিবিম্ব' কবিতাত প্ৰতিবিম্বিত হৈছে মানৱতাৰ ওলোটা স্বৰূপ ঃ "শতিকাৰ পাহৰণি তুমি 'নাৰ্চিচাছ' /নিজৰ ৰূপত আজি নিজেই বলিয়া।" হেম বৰুৱাৰ কবিতাৰ ঈষৎ প্ৰভাৱ পৰা 'আমি মৰা নাই' কবিতাটিৰ মূল বিষয় হ'ল ঃ মানুহৰ উদগ্ৰ লালসা। নীল, সিন্ধু, ভল্গাৰ পাৰৰ বননি ভাঙি জীয়াই থকাৰ বাবে সৃষ্টিৰ কঠীয়া সিঁচা মানুহৰ প্ৰতি তীব্ৰ ব্যংগাত্মক ভাবেৰে কবিয়ে কৈছে ঃ

"আমি ক্ষমতাৰ বোজাবাহী জীৱ/মৰুৰ উটৰ দৰে
পৃথিৱীৰ বালি ভাঙি ভাঙি/আগবাঢ়ো মঙ্গল গ্ৰহৰ পিনে
তাতো বিয়পাব খুজি/আমাৰ তেজতে থকা স্থিতিৰ বীজাণু।"

'জয়ন্তী', 'জাগৰণ', 'পছোৱা', 'ৰংঘৰ', 'ৰামধেনু', 'মণিদীপ', 'আমাৰ প্রতিনিধি', 'অসম বাণী', 'প্রকাশ', 'প্রান্তিক' আদি অনেক আলোচনীত নব্য ৰমন্যাসিক দৃষ্টিভংগী, প্রতীকবাদী আৰু প্রগতিবাদী চিন্তা— এই সংমিশ্রিত ভাবনাৰে আজীৱন কাব্যচর্চা কৰা বীৰেন বৰকটকীৰ হৃদয়ত প্রাণৱন্ত হৈ আছিল অসমৰ লোক-সমাজখন। হোমেন বৰগোহাঞি সম্পাদিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ ষষ্ঠ খণ্ডটিত সন্নিৱিষ্ট কবীন ফুকনে 'আধুনিক অসমীয়া কবিতা ঃ প্রকৃতি আৰু পটভূমি'ত এইদৰে উল্লেখ কৰিছে ঃ "...ৰমন্যাস, প্রতীকবাদ, প্রগতিবাদ কেউবিধৰে প্রতিফলন বৰকটকীৰ কবিতাত আছে। তেওঁৰ ভাব-ভাষা সৰল আৰু তেওঁৰ প্রেৰণাত ঐতিহ্য-অনুৰাগ আৰু সমকাল বিহ্বলতা চকুত পৰে।"[১]

'জয়ন্তী'ৰ বাটেৰে যাত্রা আৰম্ভ কৰা বীৰেন বৰকটকীৰ কবিতাই সঞ্চালনি গতি লাভ কৰাৰ মূল ক্ষেত্র আছিল 'ৰামধেনু'। 'ৰংঘৰ'ৰপৰাই 'ৰামধেনু'লৈ কবিগৰাকীয়ে বাট এটা কাটিছিল। 'ৰামধেনু' আলোচনীত প্রকাশিত কবিগৰাকীৰ কেইটিমান উল্লেখযোগ্য কবিতা হ'ল 'অহল্যা পৃথিৱী' (৬ষ্ঠ বছৰ, ৫ম-৬ষ্ঠ সংখ্যা, শাৰদীয়, ১৮৭৫ শক, পৃঃ ৩২৯), 'মহাসাগৰৰ সেতু' (৬ষ্ঠ বছৰ, ৯ম সংখ্যা, পুহ, ১৮৭৫ শক, পৃঃ ৬১৩-৬১৪), 'মন্বন্তৰ' (৬ষ্ঠ বছৰ, ১১শ সংখ্যা, ফাগুন, ১৮৭৫ শক, পৃঃ ৭৬৮), 'নৱজাতক' (৮ম বছৰ, ২য় সংখ্যা, জেঠ, ১৮৭৭ শক, পৃঃ ৯২), 'ৰঙা গড়া' (৮ম বছৰ, ৪র্থ সংখ্যা, শাওণ, ১৮৭৭ শক, পৃঃ ২৫৮), 'কল্লোল' (৮ম বছৰ, ৭ম সংখ্যা, কাতি, ১৮৭৭ শক, পৃঃ ৪৩৭-৪৩৮), 'বুদ্ধগয়া কিমান দূৰত' (৯ম বছৰ, ৮ম সংখ্যা, আঘোণ, ১৮৭৮ শক, পৃঃ ৬২৫), 'প্রাণ বন্দৰ' (১১শ বছৰ, ৫ম সংখ্যা, ভাদ, ১৮৮০ শক, পৃঃ ৩৯৪), 'প্রশ্ন' (১৫শ বছৰ, ৪র্থ সংখ্যা, শাওণ, ১৮৮৪ শক, পৃঃ ৩২৫) আদি।

বীৰেন বৰকটকীৰ প্রথম কাব্য সংকলন 'মন্বন্তৰ' (প্রথম প্রকাশ ঃ ১৯৫৯, মুঠ পৃঃ ৪৪)ত ইতিপূর্বে বিভিন্ন আলোচনীত প্রকাশিত মুঠ ১৮টা কবিতা সন্নিৱিষ্ট হৈছে। কবিতাকেইটি ক্রমে, 'মন্বন্তৰ', 'প্রাণ বন্দৰ', 'আমি কি বিচাৰোঁ তেনে', 'অহল্যা পৃথিৱী', 'নবজাতক', 'বুদ্ধগয়া কিমান দূৰত?', 'ৰঙাগড়া', 'আঘোণ', 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি', 'কল্লোল', 'দিনপঞ্জিকাৰ পাণ্ডুলিপি', 'মহাসাগৰৰ সেতু', 'পৰিচয়', 'প্রতিবিম্ব', 'চিনাকি পৃথিৱী', 'বাৰিষা আহে', 'আমি মৰা নাই' আৰু 'ৰাজপুতনা'।

সংকলনটিত সন্নিৱিষ্ট বীৰেন বৰকটকীৰ এটি বহুচর্চিত কবিতা হৈছে 'মন্বন্তৰ'। ১৯৫৩ চনত 'ৰামধেনু' আলোচনীত প্রকাশিত এই কবিতাটি ভাৰতীয় ঐতিহ্য আৰু সভ্যতাৰ সার্থক বহিঃপ্রকাশ। কবিতাটিৰ অভিধেয় অর্থৰ সৈতে জড়িত হৈ আছে ভাৰতীয় ঐতিহ্য। পুৰাণৰ মতে, মনু হ'ল স্বায়ম্ভুৱ, স্বৰোচিষ, ঔত্তমি, তামস, ৰৈৱত, চাক্ষুষ, ৱৈৱস্বত, সাৱর্ণি, দক্ষসাৱর্ণি, ব্রহ্মসাৱর্ণি, ধর্মসাৱর্ণি, ৰুদ্রসাৱর্ণি, ৰৌচা-দেৱ-সাৱর্ণি আৰু ইন্দ্র সাৱর্ণি— ব্রহ্মাৰ এই ব্রহ্মাৰ চৌধ্যজন পুত্র। পুৰাণ অনুসৰি একোজন মনুৰ ৰাজত্বকালেই হ'ল মন্বন্তৰ।[২] 'মন্বন্তৰ' মূলতঃ দুষ্কৃতিৰ বিপৰীতে কৃষ্ণসংস্কৃতিৰ জয়গান। অন্যায়ৰ কুৰুক্ষেত্রত ন্যায়ৰ জয়ডংকা। ভাৰতবর্ষত হোৱা প্রগতিৰ সুন্দৰ অভিলেখ।[৩] জীৱনৰ সকলো গৰল

পান কৰি একতাৰে মাটিতে সৰগ ৰচিবলৈ কবিয়ে জনোৱা আহ্বান সর্বকালৰ। অন্যায়ৰ কুৰুক্ষেত্ৰত ন্যায়ৰ জয়ডংকা বজোৱা সুকুমাৰ কৃষ্ণ আৰু বোধিসত্ত্ব গৌতমৰ 'মহতী প্ৰতিভা'ৰ উল্লেখ কৰি ভাৰতবৰ্ষৰ এসময়ৰ উচ্চস্তৰীয় সভ্যতাৰ গৰিমা কবিয়ে প্ৰকাশ কৰিছে এইদৰে ঃ

"দুষ্কৃতিৰ কুৰুক্ষেত্ৰ জিনি/সুকুমাৰ কৃষ্ণ জন্ম হয়
বুদ্ধই সপোন দেখে অনাদি যুগৰ।
হিমালয় উচ্চ শিখৰত/তুষাৰ মানৰে শুনে
পৃথিৱীৰ উৰ্বৰা ভূমিক/মুখৰিত কৰি গোৱা
মানুহৰ সমদল গান।" —*মন্বন্তৰ*

মানৱ হিয়াখনেই প্ৰতীকী ৰূপত এখন সমুদ্ৰ। 'প্ৰাণ বন্দৰ' কবিতাটি যাত্ৰাপথত বাধাহীন জোৱাৰৰ মাজে মাজে অহা প্ৰাণ বন্দৰত, সময়ৰ চৰাইখানাত ক্ষণিক জিৰাই পুনৰ যাত্ৰা কৰা অঘৰী পথিকৰ যেন আত্মগাথা ঃ "মনৰ নগৰী জাগে অচিনাকি পদধ্বনি শুনি/ সময়ৰ চৰাইখানাত অঘৰী যাত্ৰীৰ ভিৰ /সিহঁতৰ দুচকুত জিজ্ঞাসাধ জেউতিৰ বোল/তেজাল বোলেৰে আঁকি পৃথিৱীলৈ নামি অহা/ সন্ধিয়াৰ আকাশত কাণপাতি সিহঁতে শুনিলে/ভৱিষ্যৰ প্ৰসূতি কোলাত মনে গঢ়া আশা সূৰ্যৰ/ মৃত্যুমুখী অসহায় শৈশৱ কান্দোন।"

ৰাজপুতনা মানেই তৃষ্ণাতুৰ পথিকক পানী বুলি কৰা মৰীচিকাৰ চলনা। মৰণৰূপে অহা দাৰুণ পিয়াহে ৰূপালী বালিত জমা কৰে মানুহৰ জঁকা— "কোনজনে প্ৰাণ হেৰুৱায় এটুপি পানীৰ বাবে বালিময় ৰাজপুতনাত?" 'পছোৱা' আলোচনীত পূৰ্বে প্ৰকাশিত কবিতাটিত ৰমন্যাসিক আৱেশৰ মাজেৰে বিদ্রোহী মনীষা আৰু ব্যক্তিগত ভাবানুভূতি উজলি উঠিছে। ...বালিময় ৰাজপুতনাৰ মৰুভূমিৰ মৰীচিকাই হতভগীয়া পথিকৰ জীৱনক ছাৰখাৰ কৰা দেখি কবিসত্তা প্ৰতিবাদী সত্তা জাগৰূক হৈ উঠিছে। কিয়নো,

"মৰু-উদ্যানৰ গছৰ শীতল ছাঁত/ৰসাল খেজুৰ খাই
ক্লান্তিহীন সদাগৰ দলে/দূৰণিত দেখি সউ হতভগা পতিকৰ দল
প্ৰাণহীন হাঁহি মৰা/আজিৰ জগতে তাক নেদেখা নহয়।"

বীৰেন বৰকটকীৰ কবিতাৰ মাজত প্ৰকৃতি আৰু সমাজৰ ওতপ্ৰোত সম্বন্ধ সততে পৰিলক্ষিত হয়। এখন সৃষ্টিশীল ভাৰতীয় মিলিত সমাজ গঢ়াৰ উদ্দেশ্য আগত ৰাখি তেওঁ কেৱল কলাৰ বাবে নহয়, জীৱনৰ বাবে লিখিছিল কবিতা। কবিতাৰ মাজত কৃষ্ণ, কংস, জৰাসন্ধ, ৰাম, সীতা, বুদ্ধ প্ৰসংগ উল্লেখেৰে বৰকটকীয়ে ভাৰতীয় সনাতন প্ৰমূল্যক আগস্থান দিয়াটো এই ভাবনাৰে অংশ। 'মন্বন্তৰ'ত সংকলিত আৰু 'ৰামধেনু' আলোচনীত পূৰ্বে প্ৰকাশিত 'বুদ্ধগয়া কিমান দূৰত' (৯ম বছৰ, ৮ম সংখ্যা, আঘোণ, ১৮৭৮ শক, পৃঃ ৬২৫) কবিতাত মহাভাৰতীয় প্ৰসংগৰ সৈতে বুদ্ধ একাকাৰ হৈ পৰিছেঃ

"বুদ্ধ ক'ত? বুদ্ধগয়া কিমান দূৰত?

Scanned with OKEN Scanner

সান্ত্বনাৰ পেগোডাত পৃথিবীৰ উচুপনি শুনো
পাঞ্চালীৰ উঠন বুকুত কীচকৰ লোভী চকু দেখো।
সাগৰৰ অশান্ত পাবত পাখি ভগা শান্তিবাহী পখীৰ কান্দোন তুনি শুনা নাই?
শুনাঙ্গ আকাংক্ষাৰ দুৱাৰ ভাঙি সমদল আগবাঢ়ি যায়
মুখৰিত প্রশ্নৰ জোৱাৰ-বুদ্ধ ক'ত? বুদ্ধগয়া কিমান দূৰত?"—*বুদ্ধগয়া কিমান দূৰত*

'হিমাচল প্রকাশ'ৰদ্বাৰা সম্পাদিত 'চিৰন্তন' কাব্য সংকলনটিৰ মুঠ পঁচিছটা কবিতা (*চিৰন্তন, অন্বেষণ, অৰণ্য, পখী, সেই সূর্য মই দেখা নাই, দ্বিতীয় সূর্যৰ ছবি, এই ছবি, স্মৃতিৰ পৰশ, সেই নদী, পৰিহাস, উৰ্বৰা, দুটি পখী, দৃষ্টি, শেষ ৰং, সেইবাবে, উচ্ছাস, দূৰণি গাঁৱৰ চাকি, ইমান মৰম আছে, চিনাকি দিন, তোমালোক আকৌ আহিবা, বৰজহা গাঁৱলৈ কিমান দূৰ?, হেমন্তৰ সন্ধ্যা নামে, মনত পৰে, অহাৰ বাটে, এতিয়া গধূলি হ'ল*)ৰ মাজেৰে কবিৰ ব্যক্তিগত ভাবানুভূতি, স্মৃতি কাতৰতাৰ লগতে অসমৰ লোকজীৱন আৰু নগৰীয়া জীৱনৰ তুলনামূলক প্রতিচ্ছবি এখন সুন্দৰকৈ প্রতিফলিত হৈছে। নগৰীয়া আৰু গ্রাম্যজীৱনৰ সমন্বয় আৰু সংঘাত চিত্রিত হৈছে 'এতিয়া গধূলি হ'ল', 'বৰজহা গাঁৱলৈ কিমান দূৰ' আদি কবিতাৰ জৰিয়তে। বীৰেন বৰকটকীয়ে 'এতিয়া গধূলি হ'ল' কবিতাটিত লোক-জীৱনৰ কেইবাখনো অতি মোহনীয় খণ্ডচিত্র কাব্যিক ভাষাৰে অংকন কৰিছে— য'ত ফাগুনৰ আবেলি বেলি বুৰাৰ সময়ত নৈৰ চঞ্চলা ঘাটত মনত বাবৰি ফুলা ৰংদৈৰ উতলা মন, চাপৰিত খেতি কৰি দিন পাৰ কৰা অকলশৰীয়া সৰুধনৰ মনত ৰংদৈৰ স'তে ঘৰ এখন পতাৰ বাসনা, পানীমলা আইতাই পুৰণি দিনৰ সোঁৱৰণ কৰোঁতে আজিৰ দিনৰ নাতিহঁতে আইতাকে ভেজাল নেতাৰ দৰে মিছাৰ আশ্রয় লোৱা বুলি ভবা, যৌৱনৰ দুপৰত ভীমৰ বচন মাতি নামঘৰ জিনা জুৰমন সাতোলাৰ জীৱনৰ বিষণ্ণ গধূলিৰ মাজেদি পুৰণি আৰু অর্বাচীনৰ মাজৰ কৰুণ সংঘাতৰ সার্থক প্রতিফলন ঘটিছেঃ

"এতিয়া গধূলি হ'ল,
পানীমলা আইতাই ফাগুনতো জুই কাষ চাপি
এটি দুটি নাতিনীক কাষত চপাই বহু কথা ক'ই যায় তাহানি দিনৰ—
ৰূপৰ টকাটো দিলে ঘিউ সেৰ পোৱা
চাউলৰ ভাৰখন দুকুৰি সেৰৰ বজাৰত বেচি আহে ঘৰৰ মানুহে
হাঁহি হাঁহি চিকাৰূপ মাথোঁ দুটি ল'ই।
নাতিহঁতে সঁচা বুলি, আইতাই ক'লেও নামানে,
সিহঁতে ভাবিলে মাথোঁ—
আইতাই এইবোৰ সাধুকথা ক'লে,
নহ'লেবা ভেজাল নেতাৰ দৰে আইতাও হ'ল মিছলীয়া।
আইতাই পাহৰিলে ফাগুনৰ কথা, আইতাই পাহৰিলে বহাগৰ কথা,

Scanned with OKEN Scanner

আইতাৰ জীৱনত আছে মাথোঁ পুহ আৰু মাঘৰেই বেলা
কপাহী ৰিহাৰে স'তে তামোলৰ পিকেৰে বোলোৱা।
এতিয়া গধূলি হ'ল,
জুৰমন সাতোলাৰ পঘাৰ গুণত জীৱনৰ বহু কথা মেৰ খাই গ'ল,
নিজকেই পতিয়ন নোৱাৰে নিয়াব— ভীমৰ বচন মাতি নামঘৰ জিনা,
বাৰিষাৰ ভৰলীত সাঁতুৰি সিপাৰ হোৱা,
আছিল সিয়েই জানো জুৰমন বৰা? —*এতিয়া গধূলি হ'ল*

কবিতাটিৰ নামকৰণ প্রতীকাত্মক। 'গধূলি' প্রকৃতার্থত পৰিৱর্তিত সময়-পৰিক্রমাত ম্লান হৈ পৰা জীৱনধাৰাৰ গধূলি। প্রথম স্তৱকটিত উল্লেখ কৰা 'তৃতীয়াৰ জোন' যেন অৱক্ষয়িত সমাজৰ প্রতিভূ— যাক দহ কেৰেটৰ এপদ স্বর্ণ অলংকাৰ বেনাৰ স'তে কবিয়ে তুলনা কৰিছে ঃ

"এতিয়া গধূলি হ'ল,
আকাশত ওলমিল তৃতীয়াৰ জোন
কৃষ্ণাৰূপা বৰুৱাৰ ডিঙিত ওলমি থকা
বেনা যেন দহ কেৰেটৰ।"

ঠিক সেইদৰে কবিৰ 'বৰজহা গাঁৱলৈ কিমান দূৰ' কবিতাটিও লোক জীৱনৰ পটভূমিত লিখা এটি অতীৱ সুন্দৰ কবিতা। এয়া যেন কবিতা নহয়— তাহানিৰ অসমৰ এখন প্রাণৱন্ত গাঁৱৰ জীৱন্ত ছবি, য'ত নাই কৃত্রিমতাৰ মেৰপাক...

"এতিয়া চাগৈ বুঢ়া-মেথা গাঁৱৰ ধৰণী/নামঘৰৰ বকুল তলত বহি
গুণ লয় বিহুৰ পঘাৰ/গুণৰ প্রতিটো পাকে কিমান মেৰালে
সোঁৱৰণী জীৱনৰ ফাগুন দিনৰ।
বৰজহা গাঁৱলৈ নাই আৰু বহুদূৰ বাট/পাবা গ'ই পানী অনা ঘাট
শুনিবা দূৰৰ পৰা পেঁপাৰ টিহিটি মাত
ম'হৰ পিঠিত উঠি ঘাটেদিনি পাৰ হোৱা /চিনাকি চিনাকি লগা কোনোবা ডেকাৰ
কিমান পিছল খাই কমলা বিমলা
পানীৰ কলহ লই এইটো বাটত।
বৈ বৈ বাজি থাকে ঢোলৰ ছেওটি, গগণাই সঁহাৰি জনায়
কোনোবাই ক'ৰবাত বনগীত গাই
প্রতিটো ঢেকীৰ মাতে বিহু অহা বাতৰি শুনায়।
বৰজহা গাঁৱলৈ নাই বহুদূৰ /সেইখন বৰজহা গাঁও। —*বৰজহা গাঁৱলৈ কিমান দূৰ?*

'চিৰন্তন'ত সংকলিত আন এটি কবিতা 'দূৰণি গাঁৱৰ চাকি' মহেন্দ্র বৰা সম্পাদিত 'মণিদীপ'

Scanned with OKEN Scanner

আলোচনী (১ম বছৰ, ৩য় সংখ্যা, জানুৱাৰী, ১৯৬১)ত প্ৰকাশ পাইছিল, য'ত আন্ধাৰৰ মাজে মাজে শলিতাৰ তেল পুৰি চাকিয়ে উজলোৱা গ্ৰাম্যসমাজৰ আৰ্থিক অনাটনৰ মাজেৰে জীৱন-এষণা মূৰ্তমান হৈ উঠিছে। সেই চাকিৰ পোহৰত আকৰ্ষিত হৈ জাহ যোৱা চগাৰ বাবে চাকিৰ আক্ষেপ নাই। তথাপি চগাৰ দৰে সৰল আৰু নিষ্পাপ মানুহখিনিৰ বাবে অনুকম্পাৰে কবিয়ে কৈ উঠিছে ঃ

"তথাপিও চগাৰোতো জীৱনত
আন্ধাৰত উৰি অহা সজীৱ কাহিনী আছে
জীৱন মমতা আছে, পৃথিৱীৰ মৰমেৰে ভৰা।"

'চিৰন্তন'ত সংকলিত 'সেইবাবে' কবিতাটি পূৰ্বে 'অসম বাণী'ৰ বিহু সংখ্যা (১৮৯১ শক)ত প্ৰকাশ পাইছিল। মানৱতাবাদী চেতনা উদ্দীপক কবিতাটিত মানুহৰ প্ৰতি অগাধ ভালপোৱা, মৃত্যুঞ্জয়ী মানুহৰ মহান শক্তিৰ কথা ব্যঞ্জিত হৈছে এইদৰে ঃ

"সেইবাবে পৃথিৱীক ভাল পালোঁ
মানুহে মানুহৰ বাবে বুলি/বাৰে বাৰে ক'লোঁ।
পৃথিৱীৰ ক্ষুদ্ৰ তাণ্ডৱণ/মোৰ দেশ নোহে ব্যতিক্ৰম
পৱিত্ৰ মাটিৰ মোহে/কৰে মোক নিতউ উন্মনা..."

'চিনাকি পৃথিৱী' মুখ্যতঃ বীৰেন বৰকটকীৰ স্ব-নিৰ্বাচিত কাব্য সংকলন। অসম সাহিত্য সভাৰ সভাপতিৰ আসনত অভিষিক্ত হোৱাৰ বছৰটি (২১ ফেব্ৰুৱাৰি, ১৯৮৬)তে এই কাব্য সংকলনটি সমীৰ তাঁতীৰ আটকধুনীয়া প্ৰচ্ছদৰ সৈতে গুৱাহাটীৰ 'ত্ৰিমূৰ্তি' প্ৰকাশনৰপৰা প্ৰকাশ পাইছিল। ইতিপূৰ্বে প্ৰকাশিত দুখন কাব্য সংকলন ক্ৰমে 'মন্বন্তৰ'ৰপৰা ৯ টা কবিতা আৰু 'চিৰন্তন'ৰপৰা ১২ টা স্ব-নিৰ্বাচিত কবিতাৰ লগতে ১১টা অসংকলিত কবিতাৰে মুঠ ৩২ টা কবিতা এই সংকলনটিত সন্নিৱিষ্ট হৈছে। অসমৰ অমৰ শ্বহীদসকলৰ স্মৃতিত উৎসৰ্গিত এই সংকলনটিত অসম আন্দোলনত প্ৰাণ আহুতি দিয়াসকলক উদ্দেশ্যি লিখা 'ৰক্তজবা', 'ওপজা মাটিৰ তিলকৰে' আৰু 'মামৰে নধৰা বন্ধ তলা' এই তিনিটা কবিতাত স্পৰ্শকাতৰ ভাবানুভূতি বাংময় ৰূপত প্ৰকাশ পাইছে। দুঃসময়ৰ দৃশ্য স্বচক্ষুৰে দেখি কবিৰ মনত জাগ্ৰত হোৱা ভাবনাৰ এটি ব্যঞ্জনা ঃ

"ভূগোলৰ সীমা ৰেখাবোৰৰ ওপৰত
তেজৰে লেখা ইতিহাসৰ পাতবোৰ
সিঁচৰতি হৈ আছে
আহাৰৰ বান, আঘোণৰ কুঁৱলীয়ে
এতিয়াও আখৰবোৰ মচিব পৰা নাই।
দেশে দেশে মানুহৰ কলিজাৰে বন্ধা
ৰাজআলিবোৰত/বহুতো মাইলৰ খুঁটি হৈছে...

...ইটাৰ দেৱালেৰে ঘেৰা ঘৰযোৰত
মামৰে নধৰা বন্ধ ডাণ্ডৰ তলা
মহাকাশৰ পৰা নেদেখি
ভাগৰ নেলাগিলে বাটত নৰ'লে
সময়ে কিন্তু এদিন/খোলা তলা দেখিব।"

কবিৰ দৃঢ় বিশ্বাস আছিল ওপজা মাটিৰ তিলক লৈ বুকুৰ তেজেৰে ইতিহাস লিখা লুইতপাৰৰ বহুতো সন্তানৰ ত্যাগ অমৰ হৈ ৰ'ব, হাজাৰ গণ্ডাৰ মন ফুলনিত ৰক্ত জবা কিম্বা ৰঙা গোলাপৰ পাহি হৈ ৰ'ব; কিন্তু সময়ে দেখিলেনে মানুহৰ মন-মগজু-হৃদয়ৰ মুক্ততা? প্ৰকৃতাৰ্থত দেখিলেনে সময়ে এদিন কবিয়ে মনশ্চক্ষুৰে দেখা খোলা তলা?

ঐতিহ্য-চেতনাৰ সমান্তৰালভাৱে সমকালীন সমাজ আৰু মানুহৰ প্ৰতি জাগৰূক চেতনাই বীৰেন বৰকটকীৰ কবিতাক একে সময়তে সৰল আৰু বাস্তৱ সচেতন কৰি তুলিছে। মানুহ, সমাজ আৰু দেশৰ ওপৰত গভীৰ আস্থাৰে তেওঁৰ কবিতাত প্ৰকাশ পায় সমকালীন চেতনা। আলংকাৰিক অথচ সজীৱ তেওঁৰ কাব্যভাষাত থলুৱা বায়ু-পানী-মাটিৰ সুবাস সততে লক্ষ্যণীয়।[৪]

'ওপজা মাটিৰ মৰম' (প্ৰথম প্ৰকাশ ঃ ৩০ মে' ১৯৯০, পৃষ্ঠা ঃ ৭৪) কাব্য সংকলনটি বীৰেন বৰকটকীৰ জীৱিত কালত প্ৰকাশিত চতুৰ্থ কাব্য সংকলন। শিৱসাগৰৰ 'হিমাচল প্ৰকাশ'ৰ উদ্যোগত প্ৰকাশিত এই সংকলনটিত মুঠ ৩১ টা কবিতা সংকলিত হৈছে। পৰিশিষ্ট অধ্যায়ত 'মোৰ কবিতা সম্পৰ্কে ড° হীৰেন গোহাঁই, ড° নগেন শইকীয়া, ড° চন্দ্ৰ কটকী আৰু ড° কৃষ্ণ মিশ্ৰৰ আলোচনা' সন্নিৱিষ্ট হৈছে। এই অধ্যায়ত ইতিপূৰ্বে প্ৰকাশিত গগণচন্দ্ৰ অধিকাৰী সম্পাদিত 'বীৰেন বৰকটকী ঃ ব্যক্তিত্ব আৰু প্ৰতিভা' (১৯৮৬) শীৰ্ষক গ্ৰন্থখনৰপৰা ড° নগেন শইকীয়া আৰু ড° চন্দ্ৰ কটকীৰ দুটা প্ৰবন্ধ আৰু 'চিনাকি পৃথিৱী' কাব্য সংকলনত সন্নিৱিষ্ট ড° হীৰেন গোহাঁইৰ 'মুখবন্ধ'ৰ লেখাটি কবিগৰাকীয়ে পুনৰ সংলগ্ন কৰিছে। পৰিশিষ্টৰ চতুৰ্থ লেখা হিচাপে একালৰ শিৱসাগৰ কলেজৰ সহকৰ্মী ড° কৃষ্ণ মিশ্ৰৰ আলোচনাটিয়ে কবিগৰাকীৰ কাব্যকৃতিক সুন্দৰকৈ পৰিচয় কৰাই দিয়াত সহায়ক হৈছে।

'ওপজা মাটিৰ মৰম' — অভিধাটিতে যেন কবিৰ স্বদেশৰ প্ৰতি অফুৰন্ত মৰম ব্যক্ত হৈছে। চৰম দুৰ্যোগৰ সময়ত স্বজন-স্বজাতিৰ আৰ্তনাদ শুনি অসহায় হৈ পৰা কবিৰ কলমেদি নিগৰিছে ঃ

"জুইৰ কাষত বহা মানুহবোৰৰ
মনৰ জুই নুনুমায়
হিংসা দ্বেষ নোপোৱে
কলিজা পোৰে
প্ৰীতিৰ সাঁকো জ্বলায়
জন অৰণ্যত শুনো, কেৱল আৰ্ত্তনাদ

কেৱল আৰ্ত্তনাদ।" — *আৰ্ত্তনাদ,*

জুৰিৰ পাৰৱপৰা, নৈৰ বলুকা গচকি তাহানিতে জ্ঞান সমুদ্রৰ পাৰলৈ ওলাই অহা মানুহবোৰে অশৰীৰী অতীত হৈয়ো যেন চাই আছে আমাৰ যাত্রাপথ, লক্ষ্যৰ দূৰত্ব। অথচ "মৰতত সৱগ ৰচিম বুলি প্রতিশ্রুতি দিয়া এচাম মানুহে মৰতত নৰক ৰচনা কৰে কিয়?" এই প্রশ্নকে কবিয়ে বাৰে বাৰে উত্থাপন কৰিছে। ওপজা মাটিৰ মৰম পাহৰি কৌৰৱৰ কিৰিলি শুনি, বাটে ঘাটে দলে দলে কীচক ওলোৱা দেখি কবিয়ে ক'বলৈ সেয়ে বাধ্য ঃ

"কুৰুক্ষেত্র এখন নহয়/কুৰুক্ষেত্র সৃষ্টি হয়—
ঘৰে ঘৰে সমাজে সমাজে
ৰাজ পথে কথা কয়
দুষ্কৃতিক বুকুত সাবটি
অনাগত আন্ধাৰ দিনৰ।" — *ৰণাঙ্গনৰ পৰা*

বীৰেন বৰকটকীৰ ৰমন্যাসিক আৱেশসনা স্বদেশ-প্রেমবিষয়ক কবিতাসমূহ দেশ-জাতি আৰু মানুহৰ প্রতি অশেষ শ্রদ্ধা-ভালপোৱাৰ বাংময় প্রকাশ। উত্তৰ-স্বাধীনতা কালৰ মানুহৰ মানসিকতা বহু কবিতাত তেওঁ অকপটে উল্লেখ কৰিছে। নিজ চকুৰে কবিয়ে দেখিছে দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকা, ভাৰত ত্যাগ আন্দোলনৰ দৃশ্যপট, স্বৰাজ-পৰৱর্তী ভাৰতবর্ষৰ শোষণ-শাসন, চীনা যুদ্ধ, অসম আন্দোলন, অসম চুক্তিৰ পৰৱর্তী ফল ইত্যাদি ইত্যাদি। এনে প্রেক্ষাপটত কবিৰ কবিতাৰ মাজেৰে সাংস্কৃতিক জাতীয়তাবোধ, স্বদেশৰ প্রতি অফুৰন্ত ভালপোৱা ব্যক্ত হৈছে।

বীৰেন বৰকটকীয়ে শিৱসাগৰৱপৰা সম্পাদনা কৰা 'হিমাচল' আলোচনীখনৰ ১ম বছৰ ১ম সংখ্যাটি ১৯৬১ চনত প্রকাশ পায়। উল্লেখ্য যে এই আলোচনীখন আছিল ছমহীয়া (বসন্ত সংখ্যা আৰু শাৰদীয় সংখ্যা) আৰু পোন প্রথম মূল্য আছিল ৩ টকা। উল্লেখ্য যে, ১ম বছৰ, ২য় সংখ্যাত বৰকটকীৰ 'অসমীয়া ৰোমাণ্টিক কবিতা' (পৃঃ ৮২-৮৮) শীর্ষক এটি প্রবন্ধ প্রকাশ পাইছিল। বৰকটকীৰ ইতিপূর্বে আলোচনা কৰা কবিতাত ৰমন্যাসিক চিন্তন মন কৰিবলগীয়া বিষয়। তেওঁ লিখিছিল ঃ "...অসমীয়া ৰোমাণ্টিক সাহিত্যই পাশ্চাত্যৰ অনুকূল পৰিস্থিতিত মূৰ দাঙি উঠিলেও অসমৰ বায়ু-মাটিৰ এটা প্রভাৱ নোহোৱা নহয়। ইংলণ্ডৰ শ্বেলীৰ পছোৱাই সাগৰৰ তলিৰ বুকুত কঁপনি তুলিলে, অসমত পছোৱাই কঁপনি তুলিব লুইতৰ বুকুতহে, পাৰৰ কঁহুৱা কঁপাব, তামোলপাণৰ বাৰীখন ভাঙি-ছিণ্ডি থৈ যাব। ... আদর্শত পাশ্চাত্য আৰু ওচৰ-চুবুৰীয়াৰ সাহিত্যৰ প্রভাৱ মানি লৈ অসমীয়া কবি সাহিত্যিকসকলে নিজৰ দৃষ্টিভঙ্গী, ভাবধাৰা নিজাকৈ ৰাখিবলৈ সততে যত্নবান হৈছিল। কিয়নো অসমীয়া কবিতাৰ বনগীত-সুৰীয়া আৰু আধ্যাত্মিকতাৰ বিৰাট ঐতিহ্যই তেওঁলোকক অতীতলৈ উভতি চাবলৈ আন্তৰিক আহ্বান জনাইছিল। এই আহ্বানে তেওঁলোকৰ কবিতাত অসমীয়া পৰিৱেশৰ দৃষ্টিভঙ্গী দিলে।" কেৱল প্রবন্ধতে এই ভাবনা সীমিত নাৰাখি বৰকটকীৰ কবিতাতো এই আহ্বান ৰক্ষিত হৈছে।

বীৰেন বৰকটকীৰ ৰমন্যাসিক চেতনাৰ মুক্ত প্ৰকাশৰ এটি নিদৰ্শন ঃ 'বিৰহীৰ বেদনা' কবিতাটি। সম্পূৰ্ণ স্বচ্ছন্দ ছান্দিক বিন্যাসেৰে সজ্জিত কবিতাটিত ৰমন্যাসিক কবিতাৰ বিশেষত্ব প্ৰতিভাত হৈছে। প্ৰকৃতি-প্ৰীতি, ঐতিহ্য-চেতনা, প্ৰেম আৰু বিৰহৰ বাহ্যিক প্ৰকাশ কবিতাটিৰ ছত্ৰে ছত্ৰে অনুভূত হয়ঃ

"বিৰহৰ শত বোজা চিৰদিন বুকুতে সাৱটি
(সিযে) লক্ষ্যহীন বাটৰুৱা অনন্ত পথৰ
অতীতৰ স্মৃতিবোৰ বেদনা ৰূপত আহি
মাৰ যায় শূইন হিয়াত ব্যৰ্থ জীৱনৰ।" —*বিৰহীৰ বেদনা*

উল্লেখযোগ্য যে, বীৰেন বৰকটকীৰ কবিতাৰাজিক ৰোমাণ্টিক, প্ৰগতিবাদী, প্ৰতীকবাদী, ভাববাদী আদি কোনো এটা বিশেষ থূলত সন্নিৱিষ্ট কৰি আলোচনা কৰিব নোৱাৰি। এই সন্দৰ্ভতে 'আধুনিক অসমীয়া কবিতা' শীৰ্ষক গ্ৰন্থত চন্দ্ৰ কটকীয়ে কবিগৰাকীৰ কবিতাৰ প্ৰকৃতি সম্পৰ্কে অতি সুন্দৰকৈ ব্যাখ্যা আগ বঢ়াইছে ঃ

> "...বৰকটকীয়ে সুদীৰ্ঘ কাল ধৰি কবিতা লিখিছে; কিন্তু তেওঁৰ কাব্যিক এফিলিয়েচন এতিয়াও নিৰ্ণিত হোৱা নাই। ইমপ্ৰেচনিষ্ট-ইমাজিষ্টসকলৰ লগতেই তেওঁৰ মিল অধিক হ'লেও মাজে সময়ে তেওঁৰ কবিতাত প্ৰগতিবাদ আৰু প্ৰতীকবাদৰ এনে মোহন মূৰ্চ্ছনা শুনা যায় যে একে আষাৰে তেওঁক এটা নিৰ্দিষ্ট মূলত ৰাখিব নোৱাৰি।" [৫]

ৰিণিকি ৰিণিকি পাশ্চাত্যৰ কবিসকলৰদ্বাৰা প্ৰভাৱিত বীৰেন বৰকটকীৰ কবিতাত প্ৰতীকৰ যথাৰ্থ প্ৰয়োগ মন কৰিবলগীয়া। এই সম্পৰ্কে জ্ঞানানন্দ শৰ্মা পাঠকে আগবঢ়োৱা এটি মন্তব্য অতি গুৰুত্বপূৰ্ণ ঃ

> "...বীৰেন বৰকটকীয়ে ভালেমান প্ৰতীকৰ ব্যৱহাৰ তেওঁৰ কবিতাত কৰিছে; এই প্ৰতীকৰ ব্যৱহাৰ বদেলিয়ৰ বা মালার্মৰ অনুসৰণকাৰী প্ৰতীকবাদীসকলৰ প্ৰতীকৰ ব্যৱহাৰৰ দৰে নহয়। তেওঁ প্ৰতীকবিলাক সাধাৰণতে আমাৰ কাহিনী, ধৰ্মপুথি আদিৰ পৰা লয় আৰু সেইবিলাক পঢ়ুৱৈয়ে সহজতে বুজি পায়। বুজি পোৱা সকলৰ ভিতৰত জুৰমন সাতোলা, পানীমলা আইতা, ৰংদৈ বা সৰুকণো আছে। এনেবিলাক এলিয়টৰ দৃষ্টিভঙ্গীৰ মূল কথা 'কবিতা যিমান সম্ভৱ তিমান লোকৰ আনন্দৰ কাৰণে' এই কথা অনুসৰণ কৰি বৰকটকীয়ে কবিতা লেখিছে।"[৬]

শোণিতপুৰৰ বৰঙাবাৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ কবি সম্মিলনৰ উদ্বোধনী ভাষণ (২৪ ডিচেম্বৰ, ১৯৮৪)ত বীৰেন বৰকটকীয়ে কৈছিল ঃ "কবিতাৰ মৌলিক চৰিত্ৰ হ'ল স্মৰণ, লোকৰঞ্জন আৰু লোক-শিক্ষা। পৰিদৃশ্যমান জগত আৰু জীৱন কবিতাৰ উৎস। বাস্তৱ জনসত্তা হ'য়াৰ

Scanned with OKEN Scanner

লগত মিহলি হৈ থাকে। বাস্তৱ জনগণ, জনগণৰ আশা-আকাংক্ষা, সুখ-দুখ, তেওঁলোকৰ সহজ-সৰল ভাষা, তেওঁলোকৰ সংস্কৃতিৰ মাজতে বিচাৰি পোৱা যায়।" এই দৃষ্টিভংগীৰেই আজীৱন কাব্য-চর্চা কৰি বীৰেন বৰকটকীয়ে অসমীয়া কবিতাৰ ক্ষেত্রখনত নিজাববীয়াকৈ এটি বাট কাটি থৈ গ'ল। সেই বাট সৰলতাৰ বাট।

স্বদেশ-প্রীতি আৰু ঐতিহ্যৰ প্রতি শ্রদ্ধাশীল মনোভাবেৰে হাতত কলম লৈ ছটা দশকৰো অধিক কাল অসমীয়া কাব্য-সাহিত্য সমৃদ্ধ কৰা বীৰেন বৰকটকীয়ে কবিতাৰ আলোচনা-সমালোচনাৰ ক্ষেত্রখনত বেছিকৈ চর্চা লাভ কৰিবলৈ সক্ষম নোহোৱাটো মন কৰিবলগীয়া বিষয়। অতি কমসংখ্যক আলোচক-সমালোচকেহে এইগৰাকী কবিৰ কবিতাক আলোচনাৰ মজিয়ালৈ আনিছে। জ্ঞানানন্দ শর্মা পাঠকৰ 'নতুন কবিলৈ মুকলি চিঠি' শীর্ষক গ্রন্থত কবিগৰাকীৰ বিষয়ে এনেদৰে আলোচিত হৈছে:

> "বীৰেন বৰকটকীৰ কবিতাই নলিনীধৰৰ দৰেই সুতি সলাইছে। এওঁৰ কবিতাত উল্লেখ আৰু পৰোক্ষসূচনা প্রীতি আছে। নলিনীধৰৰ দৰেই এওঁৰ কবিতাতো যুগৰ বাণী পোৱা যায়। বৰকটকীৰ ৰচনাত গভীৰ অধ্যয়নশীলতাৰ চিনাকিও পাওঁ। 'দিন পঞ্জিকাৰ পাণ্ডুলিপি' তাৰ প্রমাণ। 'পাণ্ডুলিপি'ৰ ৪১ লাইনৰ আভাসমূলক প্রতিকৃতিত বিশ্ব ইতিহাসৰ এটা দিক পৰিস্ফুট হৈছে। 'পাণ্ডুলিপি'য়ে ফ্রয়দীয় চিন্তাধাৰাৰ পৰিপোষণ কৰে।..." (শর্মা পাঠক, পৃঃ ৪৭)।

১৯৫৩-৫৬ চনৰ ভিতৰত লিখা এই গ্রন্থখনৰ উল্লিখিত মন্তব্যই বীৰেন বৰকটকীৰ 'জয়ন্তী'ৰপৰা 'ৰামধেনু'লৈকে আলোচনীৰ পাতত প্রকাশিত মুষ্টিমেয় কবিতাই তদানীন্তন কালতে অসমৰ কাব্যসমাজত সুপ্রতিষ্ঠা লাভ কৰাৰ কথাকে প্রতীয়মান কৰে। চল্লিছৰ দশকৰ প্রাৰম্ভণি কালছোৱাত অসমত প্রগতিবাদী আৰু সমাজবাদী ধাৰাৰে কাব্য-চর্চা কৰাৰ পৰম্পৰা এটাই গা কৰি উঠিছিল। 'জয়ন্তী'ৰ পাতত 'নচিকেতা' ছদ্মনামত ভবানন্দ দত্ত, অমূল্য বৰুৱা, বীৰেন্দ্র কুমাৰ ভট্টাচার্য, হেম বৰুৱা, নৱকান্ত বৰুৱা আদি কবিৰ নাম এই প্রসংগতে উল্লেখ কৰিব পাৰি। এই সময়ছোৱাতে অসমীয়া কবিতাই ৰূপান্তৰৰ বাটেদি সাজ সলাইছিল। তেনে সন্ধিক্ষণতে ছাত্র বীৰেন বৰকটকীয়েও কবি হিচাপে আত্মপ্রকাশ কৰাটো লক্ষ্যণীয় বিষয়। কবিগৰাকীৰ 'জয়ন্তী', 'জাগৰণ', 'পছোৱা'ত প্রকাশিত কবিতাত থকা স্বদেশ-প্রেম আৰু প্রগতিবাদী ধ্যান-ধাৰণাই 'ৰংঘৰ' আৰু 'ৰামধেনু'ৰ প্রথম পর্বত প্রকাশিত কবিতাৰাশিৰ মাজত বিস্তাৰ লাভ কৰিছে। কবিৰ ঐতিহ্যৰ প্রতি শ্রদ্ধাশীলতা, মানৱতাবাদী দৃষ্টিভংগী আৰু অনুভূতি প্রকাশৰ ক্ষেত্রত অকৃত্রিম সৰলতা, ভাব প্রকাশৰ ক্ষেত্রত সাৱলীলতা মন কৰিবলগীয়া। অনস্বীকার্য যে, হেম বৰুৱা, নৱকান্ত বৰুৱা, বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ কবিতাৰ শৈলী, আংগিক, শাব্দিক ক্ষেত্রৰ প্রভাৱ বৰকটকীৰ কবিতাত স্থানবিশেষে বিদ্যমান। হেম বৰুৱাৰ কবিতাৰ বহু চিনাকি শব্দ বৰকটকীয়ে শ্রদ্ধাসহকাৰে গ্রহণ কৰিছে। সেইদৰে বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ এটি

কবিতাৰ কথা তেওঁ 'মন্বন্তৰ' কাব্য সংকলনটিৰ 'আমাৰ কথা'ত অকপটে এইদৰে উল্লেখ কৰিছে ঃ

> "(মন্বন্তৰৰ) কৱিতাকেইটিৰ ভিতৰৰ এটা কৱিতাৰ শিৰোনাম আৰু বিষয়বস্তু কোনোবা এটা কৱিতাৰে সৈতে প্ৰায় মিল যেন লাগিব। সেয়ে হৈছে 'বিষ্ণু ৰাভাঙ্গ এতিয়া বহুত ৰাতি' কৱিতাটো। এই কৱিতাটো মই মোৰ বন্ধুবৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'বিষ্ণু ৰাভাঙ্গ এতিয়া কিমান ৰাতি?' কৱিতা পঢ়ি তাৰ সম্পূৰক হিচাপে লেখিছিলোঁ। পাঠকৰ মনত এই বিষয়ে যাতে কোনো ৰকমৰ সন্দেহ নাজাগে সেই কাৰণে উল্লেখ কৰিলোঁ।"

বীৰেন্দ্ৰনাথ বৰকটকী এই আনুষ্ঠানিক নামেৰে কবিগৰাকীৰ 'মন্বন্তৰ' কবিতাটি মহেন্দ্ৰ বৰাই সম্পাদনা কৰা প্ৰাক-স্নাতক মহলাৰ পাঠ্য 'অসমীয়া কবিতা চয়ন' (দ্বিতীয় সংস্কৰণ-১৯৭৪, পৃঃ ৩৯৫)ত সংকলিত কৰাৰ লগতে (কবিগৰাকীৰ জন্ম ১৯২৭ চন বুলি ভুলকৈ উল্লেখ হৈছে) বৰকটকীৰ কবিতাৰ বিষয়ে উল্লেখ কৰি কৈছে ঃ "...নিৰলংকাৰ ভাষা আৰু স্বচ্ছন্দ ছন্দ গতিৰ মাজেদি চিন্তাৰ প্ৰকাশ এওঁৰ কবিতাৰ বৈশিষ্ট্য।[৭] আনহাতে পাছলৈ মহেন্দ্ৰ বৰাই সম্পাদনা কৰা 'নতুন কবিতা' (১৯৫৬)ত কবিগৰাকীৰ কবিতা অন্তৰ্ভুক্ত নোহোৱাটো মন কৰিবলগীয়া। সেইদৰে যজ্ঞেশ্বৰ শৰ্মা সম্পাদিত 'শতপত্ৰ' আৰু নীলমণি ফুকন সম্পাদিত 'কুৰি শতিকাৰ অসমীয়া কবিতা' গ্ৰন্থতো এইগৰাকী কবিৰ কবিতা উপেক্ষিত হৈ ৰ'ল। সি যি নহওক, যোৱা শতিকাত প্ৰকাশিত অসমীয়া কাব্য সংকলনৰ ভিতৰত মহেশ্বৰ নেওগ সম্পাদিত 'সঞ্চয়ন' (১৯৭১)ত 'মন্বন্তৰ'; নিৰ্মলপ্ৰভা বৰদলৈ সম্পাদিত 'কবিতামঞ্জৰী' (১৯৯০)ত 'এতিয়া গধূলি হ'ল' শীৰ্ষক কবিতা; একবিংশ শতিকাত প্ৰকাশিত অসমীয়া কাব্য সংকলনৰ ভিতৰত হোমেন বৰগোহাঞি সম্পাদিত 'এশ বছৰৰ অসমীয়া কবিতা' (২০০০)ত 'চিনাকি গাঁৱৰ বাটে'; ড° কৰবী ডেকা হাজৰিকা সম্পাদিত 'এহেজাৰ বছৰৰ অসমীয়া কবিতা' (২০১৩)ত 'বিৰহীৰ বেদনা', পংকজ গোবিন্দ মেধিৰ 'সম্পূৰ্ণ অসমীয়া কবিতা' (২০১৫)ত 'বৰজহা গাঁৱলৈ কিমান দূৰ'; ৰাজীৱ বৰা সম্পাদিত 'অসমীয়া কবিতা বিন্দুৰপৰা সিন্ধুলৈ' (২০১৮)ত 'মন্বন্তৰ' কবিতাৰ অন্তৰ্ভুক্তিয়ে বৰকটকীক কবি হিচাপে প্ৰকৃত মৰ্যাদা প্ৰদান কৰিছে (কিছু তথ্য বাদ পৰিব পাৰে)।

অসম সাহিত্য সভাৰ সভাপতিৰূপে দায়িত্ব লোৱাৰ সময়তে এইগৰাকী সাহিত্যিকৰ জীৱন আৰু সাহিত্য-কৃতিৰ বিষয়ে আলোকপাত কৰি দুই এখন গ্ৰন্থ প্ৰকাশ পাইছিল। তাৰ ভিতৰত বিনন্দ বৰুৱাৰ 'শ্ৰীবীৰেন বৰকটকী এটি জীৱনালেখ্য' (১৯৮৬) আৰু গগণচন্দ্ৰ অধিকাৰীৰদ্বাৰা সংকলিত আৰু সম্পাদিত 'বীৰেন বৰকটকী ঃ ব্যক্তিত্ব আৰু প্ৰতিভা' (১৯৮৬) গ্ৰন্থ দুখন বিশেষভাৱে উল্লেখযোগ্য। উল্লেখযোগ্য যে, যোৱা ২১ জুন, ২০২৪ তাৰিখে প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভাই বংকিম বৰুৱাৰ 'বীৰেন বৰকটকীৰ জীৱন আৰু সাহিত্যকৃতি' শীৰ্ষক গ্ৰন্থখনি বীৰেন বৰকটকীৰ জন্ম শতবাৰ্ষিকীৰ স'তে ৰজিতা খুৰাই প্ৰকাশ কৰি

Scanned with OKEN Scanner

উলিয়াইছে। গ্রন্থখনিত বীৰেন বৰকটকীৰ জীৱন সম্পর্কে বিস্তৃত আলোচনা সন্নিৱিষ্ট হৈছে।

গুৱাহাটীৰ ত্রিমূর্তি প্রকাশনৰপৰা প্রকাশিত 'বীৰেন বৰকটকী ঃ ব্যক্তিত্ব আৰু প্রতিভা' শীর্ষক গ্রন্থখনত মুঠ আঠোটা প্রবন্ধ সন্নিৱিষ্ট হৈছে। গ্রন্থখনিত ড° চন্দ্র কটকীয়ে 'বীৰেন বৰকটকীৰ কবিতা' শীর্ষক প্রবন্ধটিৰ জৰিয়তে কবিগৰাকীৰ কাব্যিক বিশেষত্বৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে ঃ "আধুনিক অসমীয়া কাব্য পৰিক্রমাত বীৰেন বৰকটকী এক সুখশ্রুত নাম। আধুনিক কবি হৈও, অসমীয়া আধুনিক কবিতাৰ জটিল আংগিকৰ কুৰৎ কৰিবলৈ নিবিচৰা বাবেই তেওঁ বহুজনৰ সমাদৃত এজন আপোন কবি। এইজন কবিয়ে **'পছোৱা' আলোচনীৰ দিনতে** আধুনিক অসমীয়া কবিতাৰ ৰংগমঞ্চত প্রৱেশ কৰে।" ('পছোৱা' (১৯৪৮)আলোচনীৰ পূর্বতেই যে 'জয়ন্তী', 'জাগৰণ' আলোচনীত বীৰেন বৰকটকীয়ে কবিতা লিখিছিল সেই কথা ইতিমধ্যে তথ্য সহকাৰে দাঙি ধৰা হৈছে।)

বীৰেন বৰকটকীয়ে নিজে নিজৰ কবিতাৰ বিষয়ে কি কয়? এই সন্দর্ভত অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৱনি কৰা বর্ষত প্রকাশ পোৱা কবিৰ স্ব-নির্বাচিত কাব্য সংকলন 'চিনাকী পৃথিৱী' (১৯৮৬)ৰ 'আমাৰ কথা' শিতানত এইদৰে উল্লেখ কৰিছে— " ...মোৰ কবিতাৰ প্রকাশৰ মাধ্যম হ'ল বিভিন্ন আলোচনী আৰু কাকতৰ দেওবৰীয়া সংখ্যা। ...নিজৰ মনৰ আবেগ অনুভূতিবোৰ মনোমোহা শব্দৰে প্রকাশ কৰিবলৈ মন যায় কাৰণেই কবিতা লেখোঁ আৰু ভাবোঁ তাৰ মাজেদিয়েই চিনাকি পৃথিৱী, ওপজা মাটি আৰু ওপজা মাটিৰ জনসাধাৰণৰ প্রাণৰ কথা প্রকাশ পাওক।" এই সংকলনখনিতে 'মুখবন্ধ' হিচাপে হীৰেন গোহাঁয়ে লিখা সংক্ষিপ্ত কথাখিনিৰ মাজেদি বীৰেন বৰকটকীৰ কাব্যসত্তা হীৰামূলীয়া হৈ উজলি উঠিছে ঃ

> "চহৰীয়া কবিসকলৰ আত্মক্ষয়ী সংশয় আৰু কুটিল দ্বন্দ্ব তেওঁৰ বাবে অপৰিচিত। সেয়ে আংগিকৰ নতুন নতুন পৰীক্ষা-নিৰীক্ষা তেওঁৰ কবিতাত নাই। শব্দচয়ন, কল্পচিত্র, সকলো সুপৰিচিত; কিন্তু তাৰ মাজত এটি সহৃদয় মনৰ স্পন্দন অনুভৱ কৰিবলৈ অসুবিধা নহয়। হাজাৰ হাজাৰ অখ্যাত গঞা মানুহৰ জীৱনৰ মহত্ত্বখিনি ধৰিব পৰা এই প্রচাৰবিমুখ কবিগৰাকীয়ে আমাৰ গর্বিত, আত্মসর্বস্ব আৰু প্রচাৰসর্বস্ব পুৰুষক শিকাব পাৰে। অৱশ্যে যদি আমি শিকো ! তেওঁৰ অনুভূতি-উপলব্ধিয়ে 'অৰণ্য'ৰ দৰে কবিতাত সার্থক প্রতীকী ৰূপ লৈছে। বুজা যায় যে সহজ আংগিক নির্বাচন তেওঁৰ সচেতন সিদ্ধান্ত। সন্দেহ নাই যে আমাৰ সমাজৰ এই সন্ধিক্ষণত তেখেতৰ কবিতাই সুস্থ মূল্যবোধ উঠি অহা পুৰুষৰ মাজত সঞ্চাৰ কৰিব।"

বীৰেন বৰকটকীয়ে "নতুন কৱিতাৰ দৃষ্টিভঙ্গীৰে চালে আমাৰ কৱিতাত আঙ্গিকৰ নিপুণতা, শব্দৰ মধুৰতা আৰু ছন্দৰ বিচিত্রতা আছেনে নাই ক'ব নোৱাৰোঁ আৰু তাৰ বিচাৰো আমি নিজে

Scanned with OKEN Scanner

কৰি দীঘল পাতনি মেলি কবি হিচাপে নিজে জয়তিলক লোৱাৰ ধৃষ্টতা আমাৰ নাই" ('আমাৰ কথা', *মন্বন্তৰ*) বুলি পাঠকসমাজক ক'বলৈ তিলমানো সংকোচ কৰা নাই। 'সাহিত্য সভাৰ নতুন সভাপতি বীৰেন বৰকটকী' শীৰ্ষক অতি সংবেদনশীল কবিগৰাকীৰ বিষয়ে চন্দ্রপ্রসাদ শইকীয়াই সঠিক মন্তব্যই আগবঢ়াইছে ঃ "...তেওঁৰ গোটেই জীৱন আচলতে কাব্যময়। জীৱনৰ আৰু জগতৰ যিখিনি মধুৰ আৰু সুন্দৰ, সেইখিনিৰ উপলব্ধিৰে তেওঁৰ জীৱন সমৃদ্ধ।"

কুৰি শতিকাৰ চতুর্থ দশকৰ অন্তিম তৰংগত কাব্য জীৱনৰ পাতনি মেলি মৃত্যুৰ আগলৈকে অসমৰ সকলো কাকত-আলোচনীত কবিতা লিখি অসমীয়া কাব্য-সাহিত্যলৈ উল্লেখযোগ্য বৰঙনি যোগালেও কবিগৰাকীৰ কাব্যকৃতিৰ প্রকৃত অধ্যয়ন হ'বলৈ এতিয়াও বাকী। বীৰেন বৰকটকীৰ চতুর্থ কাব্যগ্রন্থ 'ওপজা মাটিৰ মৰম' (১৯৯০)ৰ পাছৰপৰা মৃত্যুৰ আগমুহূৰ্তলৈকে 'প্রান্তিক', 'গৰীয়সী', 'সাতসৰী' আদিৰ লগতে অন্যান্য কাকত-আলোচনীত লিখা কবিতা আৰু প্রবন্ধসমূহো এতিয়ালৈকে সংকলিত হৈ উঠা নাই। ১৯৯০ চনৰ আগতে প্রকাশ পোৱা কেতবোৰ কবিতা (যেনে, 'কিজানি আহিব ঘূৰি', *প্রকাশ* ঃ দ্বিতীয় বছৰ ঃ প্রথম সংখ্যা ঃ এপ্রিল,১৯৭৬ চন ইত্যাদি) তেওঁ সংকলিত নকৰাৰো কাৰণ জনা নাযায়। সি যি নহওক, ইতিপূর্বে প্রকাশিত চাৰিটা কাব্য সংকলনৰ লগতে কাকত-আলোচনীৰ পাতত সিঁচৰতি হৈ থকা সমগ্র কবিতাৰাশি উদ্ধাৰ কৰি একত্র সংকলন ৰূপত প্রকাশ কৰিব পাৰিলেহে কবিগৰাকীৰ যথার্থ মূল্যায়ন হ'ব বুলি আশা কৰিব পাৰি। গৱেষকসকলৰ বাবেও জন্ম-শতবর্ষ গৰকা বৰকটকীৰ সুদীর্ঘ কালজোৰা কাব্য পৰিক্রমাৰ বিষয়ে বিস্তৃত অধ্যয়ন আৰু গৱেষণাৰ বাট মুকলি হৈ আছে।

প্রসংগ-সূত্র ঃ

১. ফুকন, কবীন ঃ *আধুনিক অসমীয়া কবিতা ঃ প্রকৃতি আৰু পটভূমি*, '*অসমীয়া সাহিত্যৰ বুৰঞ্জী*' ষষ্ঠ খণ্ড, পৃঃ ৩৬১।

২. নেওগ, মহেশ্বৰ (মুখ্য সম্পা.) ঃ *চলন্ত অভিধান*, পৃঃ ৮৫৭, ৮৫৯

৩. কটকী, চন্দ্র ঃ *আধুনিক অসমীয়া কবিতা*, অসম সাহিত্য সভা, পৃঃ ৭৬

৪. দাস, শোণিত বিজয়, মুনীন বায়ন ঃ *কথা বৰেণ্য ১০০*, পৃঃ ২৩৮-২৩৯

৫. কটকী, চন্দ্র ঃ *আধুনিক অসমীয়া কবিতা*, অসম সাহিত্য সভা, পৃঃ ৭৬

৬. শর্মা পাঠক, জ্ঞানানন্দ ঃ *'মন্বন্তৰ'ৰ কবি বীৰেন বৰকটকী*, 'সাহিত্য-বীথিকা', পৃঃ ১৪২-১৪৯

৭. বৰা, মহেন্দ্র (সম্পা.) ঃ *অসমীয়া কবিতা চয়ন*, পৃঃ ৩৯৫

গ্রন্থপঞ্জী ঃ

মুখ্য উৎস ঃ

Scanned with OKEN Scanner

মহন্তৰ, প্রথম প্রকাশ ঃ ফেব্রুৱাৰী, ১৯৫৯
চিৰন্তন, শিৱসাগৰ, হিমাচল প্রকাশ, প্রথম প্রকাশ ঃ মার্চ, ১৯৭৯
চিনাকি পৃথিৱী (কবিৰ স্ব-নির্বাচিত কবিতা সংকলন), গুৱাহাটী, ত্রিমূর্তি, প্রথম প্রকাশ ঃ ২১ ফেব্রুৱাৰী, ১৯৮৬
ওপজা মাটিৰ মৰম, শিৱসাগৰ, হিমাচল প্রকাশ, প্রথম প্রকাশ ঃ ৩০ মে' ১৯৯০

গৌণ উৎস ঃ

অধিকাৰী, গগণচন্দ্র (সং আৰু সম্পা.) ঃ *বীৰেন বৰকটকী ঃ ব্যক্তিত্ব আৰু প্রতিভা*, গুৱাহাটী, ত্রিমূর্তি, ফেব্রুৱাৰী, ১৯৮৬
দাস, শোণিত বিজয়, মুনীন বায়ন ঃ *কথা বৰেণ্য ১০০*, গুৱাহাটী, কথা পাব্লিকেশ্যন, ২০০৬
নেওগ, মহেশ্বৰ (মুখ্য সম্পা.) ঃ *চলন্ত অভিধান*, ৰাজনৈতিক বিভাগ, অসম চৰকাৰ, ২০০১
বৰা, মহেন্দ্র (সম্পা.) ঃ *অসমীয়া কবিতা চয়ন*, ডিব্রুগড় বিশ্ববিদ্যালয়, দ্বিতীয় সংস্কৰণ-১৯৭৪
বৰুৱা, বিনন্দ ঃ *শ্রীবীৰেন বৰকটকী এটি জীৱনালেখ্য*, যোৰহাট, প্রথম প্রকাশ ১৯৮৬
মেধি, পংকজ গোবিন্দ ঃ *সম্পূর্ণ অসমীয়া কবিতা*, ডিব্রুগড়, প্রথম প্রকাশ ২০১৫
শর্ম্মা পাঠক, জ্ঞানানন্দ ঃ *নতুন কবিলৈ মুকলি চিঠি*, গুৱাহাটী, লয়ার্ছ বুক ষ্টল, ৰচনা কাল ১৯৫৩-৫৬
শর্মা পাঠক, জ্ঞানানন্দ ঃ *সাহিত্য-বীথিকা*, গুৱাহাটী, ১৯৯৩
হাজৰিকা, গংগা প্রসাদ (সংক.) আৰু জ্যোতিৰেখা হাজৰিকা(পুনঃ সম্পা.) ঃ *হেম বৰুৱা সম্পাদিত পছোৱাৰ কবিতাসমগ্র*, গুৱাহাটী, বিতান প্রকাশন, ২০১৮
হোমেন বৰগোহাঞি (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, ষষ্ঠ খণ্ড, গুৱাহাটী, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, প্রথম প্রকাশ, ১৯৯৩

আলোচনী ঃ

জয়ন্তী, জাগৰণ, ৰংঘৰ, ৰামধেনু, মণিদীপ, আমাৰ প্রতিনিধি, অসম বাণী, প্রকাশ আদি।

গ্রন্থাগাৰ অধ্যয়ন ঃ

কৃষ্ণকান্ত সন্দিকৈ কেন্দ্রীয় গ্রন্থাগাৰ, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, যোৰহাট
ছুকাফা গ্রন্থাগাৰ, স্বর্গদেউ চাওলুং ছুকাফা সমন্বয় ক্ষেত্র, যোৰহাট
নন্দ তালুকদাৰ ফাউণ্ডেচন, গুৱাহাটী
শৰৎ চন্দ্র গোস্বামী পুথিভঁৰাল, অসম সাহিত্য সভা, যোৰহাট

Scanned with OKEN Scanner

শিৱসাগৰ কলেজ গ্ৰন্থাগাৰ, শিৱসাগৰ
শিৱসাগৰ ছোৱালী কলেজ গ্ৰন্থাগাৰ, শিৱসাগৰ।

ডিজিটেল আংকিক অভিলেখাগাৰ ঃ
assamarchive.org
https://assamarchive.org
Digitizing অসম।

কৃতজ্ঞতা ঃ
ড° ৰশ্মিৰেখা গগৈ, ড° মায়াশ্ৰী গোস্বামী।

অসমৰ এগৰাকী প্ৰতিষ্ঠিত সাহিত্যিক ড° জ্যোতিৰেখা হাজৰিকা জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ সহযোগী অধ্যাপিকা।

Scanned with OKEN Scanner

বৈষ্ণৱ যুগৰ নাৰী ঃ মধ্যকালীন অসমৰ সামাজিক প্ৰস্থিতি

ড° অৰুন্ধতী মহন্ত

মধ্যকালীন অসমৰ সামাজিক দৃষ্টিভংগী আছিল অতি উদাৰ-উন্নত মানসিকতাৰ। এই সময়ছোৱা আছিল-ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰৰ সেউজ ভূমিত বিভিন্ন জাতি-জনজাতি লোকসকলে স্বাধীন ভাবে বসবাস কৰাৰ লগতে পৰস্পৰৰ প্ৰতি সম্ভাৱনা-সম্প্ৰীতি অব্যাহত ৰখাৰ সময় আৰু সমাজ এখন পাতি উজু জীৱন ধাৰণ পদ্ধতি গঢ়ি লোৱা সুস্থ উপায়। এই সবল পদ্ধতিত নাৰী সকলকো সমাজৰ এক অপৰিহাৰ্য অংগ হিচাবে গণ্য কৰা হৈছিল। এনে প্ৰেক্ষাপটতে আমি বৈষ্ণৱ যুগৰ নাৰীৰ প্ৰস্থিতি সম্পৰ্কে এক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰিছোঁ। মহাপুৰুষ শংকৰদেৱে পঞ্চদশ শতিকাৰ মাজভাগত যি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল সেই সময়ৰ অসমৰ সৰ্বস্তৰৰ মানুহকে জাতি-বৰ্ণ-নিৰ্বিশেষে সামৰি লৈছিল। ফলত নাৰী সকলেও পুৰুষৰ সমানে ধৰ্ম আচৰণত অংশ গ্ৰহণ কৰিব পাৰিছিল, সহযোগিতা আগবঢ়াইছিল। শংকৰদেৱৰ যুগ আছিল- আধ্যাত্মিক, বৌদ্ধিক-সাংস্কৃতিক আদি চিন্তন-অনুশীলনৰ যুগ। সেয়ে এই যুগটোত, বিস্তৃত ভূ-খণ্ডৰ সমাজ জীৱনত নাৰী প্ৰস্থিতি সম্পৰ্কে বিচাৰ-অন্বেষণৰ প্ৰয়োজনীয়তা আছে। বিষয় নিৰ্বাচন যিহেতু বৈষ্ণৱ যুগৰ নাৰী ভিত্তিক, সেয়ে সেই পৰিবেশতে সৃষ্টি হোৱা চৰিত পুথি সমূহক আধাৰ হিচাবে গ্ৰহণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বৈষ্ণৱ পটভূমিত ৰচিত হোৱা চৰিত সাহিত্য সমূহত বৌৰঞ্জিক সত্যতা প্ৰতিষ্ঠিত হোৱাৰ অৱকাশ সততে নাথাকে। আমাৰ সাহিত্যত মাধৱদেৱৰ দিনৰ পৰা 'গুৰু চৰিত্ৰ কীৰ্তন' ব্যৱস্থা আৰম্ভ হয় যদিও যিসকল সন্ত পণ্ডিতে চৰিত পুথি লিখিছিল, তেওঁলোক পৰৱৰ্তীকালৰ হোৱা বাবে ঘটনা সমূহ প্ৰত্যক্ষভাৱে দেখা নাছিল, পৰম্পৰাক্ৰমে শ্ৰৱণ কৰা কথা লিপিবদ্ধ কৰিছিল। এই প্ৰসংগত দৈত্যাৰি ঠাকুৰ, ভূষণ দ্বিজ, বৈকুণ্ঠ দ্বিজ, ৰামানন্দ দ্বিজ, গোবিন্দ দাস আদি চৰিতকাৰৰ চৰিত পুথি কেইখন অধিক প্ৰমাণযোগ্য বুলি গ্ৰহণ কৰা হয় যদিও নাৰী বিষয়ক কথা সমূহ প্ৰধানকৈ সপ্তদশৰ শেষ বা অষ্টাদশ শতিকাৰ প্ৰথম স্তৰৰ বুলি পণ্ডিত সকলে গ্ৰহণ কৰা চক্ৰপাণি বৈৰাগী ৰচিত 'গুৰু চৰিত কথা' আৰু অষ্টাদশ শতিকাৰ ৰামচৰণ ঠাকুৰৰ 'গুৰু চৰিত' খনকে আধাৰ গ্ৰন্থ হিচাপে ল'বলগীয়া

হয়। অৱশ্যে এই ৰামচৰণ ঠাকুৰ মাধৱদেৱৰ ভাগিনীয়েকজন হয় নে নহয় পণ্ডিতসকলৰ মাজত মতভেদ আছে। তদুপৰি দ্বাৰিকা নাথ মিশ্ৰৰ 'সন্তাৱলী' পুথিখনেও নাৰী বিষয়ক বহু তথ্য ডাঙি ধৰে। যিয়েই নহওক গ্ৰন্থকেইখনে বুজায় শংকৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজন আৰু তেখেত সকলৰ অনুগামী সন্তসকলেও নাৰীৰ প্ৰতি অতি উচ্চ ধাৰণা গ্ৰহণ কৰিছিল আৰু মুক্ত মনেৰে নাৰীৰ প্ৰতিভাক স্বীকৃতি দিছিল। উল্লিখিত 'চৰিত' কেইখনে মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰৰ সময়ত জীৱনলৈ আগবঢ়োৱা অৰিহণা আৰু সন্ত সমাজখনৰ নাৰীৰ প্ৰতি থকা শ্ৰদ্ধাশীল মনোভাব প্ৰকাশৰ দ্বাৰা কেইবাগৰাকী নাৰীক উজলাই তুলিছে। চিৰ নমস্য এই নাৰী কেইগৰাকীৰ বিষয়ে এটি আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ'ল।

বিদুষী তৃণসুতী বা খেৰসূতী ঃ

দৈত্যাৰি ঠাকুৰ ৰচিত 'শংকৰ-মাধৱ চৰিত', ভূষণ দ্বিজৰ 'শংকৰ চৰিত' আদি অনুসৰি শংকৰদেৱক বুঢ়ীআই তৃণসুতী বা খেৰসুতীয়ে প্ৰতিপালন কৰিছিল। শংকৰদেৱে দহ-বাৰ বছৰ এনেই খেলি ধূলি পাৰ কৰিছিল। উল্লেখনীয় যে প্ৰাচীন ভাৰতৰ শিক্ষা ব্যবস্থাতো সন্তান বাৰ বছৰ বয়সতহে গুৰুৰ আশ্ৰমলৈ শিক্ষা গ্ৰহণৰ বাবে যোৱাৰ নিয়ম আছিল। শংকৰদেৱ জীৱন চৰিত প্ৰণেতা সকলৰ মাজত শংকৰদেৱৰ শিক্ষা গ্ৰহণৰ সময়ৰ ভিন্নতা আছে। কোনোৰ মতে পাঁচ, কোনোৰ মতে বাৰ বছৰ। যি নহওক বৈৰাগীৰ গুৰু চৰিত কথা মতে, বুঢ়ী আই গৰাকী হ'লে গভীৰভাৱে চিন্তিত হৈছিল— কাৰণ দৈৱজ্ঞই পণ্ডিত হ'ব বুলি ভৱিষ্যতবাণী কৰিছিল যদিও কিবা কৰ্মফল হেতু নফলিল। এটি উচ্চ সভ্ৰান্ত পৰিয়ালৰ নাৰী হিচাপে খেৰসুতীৰ উপলব্ধি অনন্য ঃ ৰাজাক স্বদেশেহে পূজে ঃ বিদ্যাৰন্ত সৰ্বদেশে পুজ্য। মাতা শত্ৰু পিতা বৈৰী ঃ জেন বালান পাঠিতা ঃ সভা মধ্যে নোশোভন্তি হংস, মাজে বকো জথা। (ছেদ ৪৯) নীতি শাস্ত্ৰই স্থান দিয়া এনে উচ্চ নৈতিক আদৰ্শ সাৰোগত কৰি নাতি 'বালকক দাসী জোবাই চাউল এপাচি টকা এটি বস্ত্ৰ' সম্ভাৰেৰে মহেন্দ্ৰ অধ্যাপকৰ ওচৰলৈ বিদ্যাৰম্ভ হোৱাৰ কামনাৰে লৈ গৈছিল। শংকৰদেৱৰ বিস্তৰ অধ্যয়নশীল গুণ; চতুৰ্বেদ চৈধ্য শাস্ত্ৰ অধ্যয়ন 'আনে শতবৰ্ষেও পঢ়িব নোৱৰা সমস্ত শাস্ত্ৰ এক বৰ্ষতে সামৰি লোৱা গুৰু স্তম্ভিত হোৱা এই দীপ্তিমন্ত পুৰুষৰ জীৱন চৰ্যা, এই সমস্ত সামৰি জীবন গঢ়াৰ ভেটি বান্ধোতা আছিল খেৰসূতী। কেৱল সেয়ে নহয় উপযুক্ত বয়সত বৈবাহিক সম্বন্ধ স্থাপন কৰা আৰু প্ৰথমা পত্নী বিয়োগ কালতো শংকৰৰ পাৰ্থিব জীৱন কালক সুস্থিৰ কৰি ৰাখিবলৈ দ্বিতীয় বাৰৰ পাণি গ্ৰহণৰ ব্যৱস্থা কৰি অভিভাৱকৰ দায়িত্ব কৰ্তব্য অত্যন্ত নিষ্ঠাৰে সম্পন্ন কৰা এই গৰাকী বিদুষী নাৰী বৈষ্ণৱ প্ৰেক্ষাপট অসমত নিৰ্মিত হোৱাৰ অন্তৰালৰ এটি স্তম্ভ আছিল।

শান্তি ৰাধিকা ঃ

মহাপুৰুষ শংকৰদেৱৰ সমাজ প্ৰতিষ্ঠাৰ বহু দিশৰ অন্যতম এটি, তথাকথিত সমাজত হীন কুলোৎস্তৱা বুলি প্ৰতিপন্ন হোৱা এগৰাকী নাৰীৰ জৰিয়তে 'টেম্বুৱানী' নামৰ, ভকতৰ জীৱন বিপৰ্যস্ত কৰি তোলা জানৰ বান্ধ কাৰ্যৰ দৰে ব্যতিক্ৰম পদক্ষেপ। অবশ্যে টেম্বুৱানী জান বন্ধাৰ দৰে কাহিনী

Scanned with OKEN Scanner

অন্য দেশতো আছে বুলি জনা যায়। গুৰুচৰিত কথা অনুসৰি 'ৰা' নামৰ ব্ৰহ্মপুত্ৰৰ সৃতিৰ পানী টেম্বুৰানী নামৰ জানেৰে সোমাই ভক্ত কৃষক সমাজৰ শস্য পথাৰ বিনষ্ট কৰিছিল। জানটিত বান্ধ এটা নির্মাণ কৰি শস্যসমূহ ৰক্ষা কৰাটো শংকৰদেৱৰ বাবে অত্যন্ত প্ৰয়োজনীয় বিষয় আছিল। উল্লেখনীয় যে, টেম্বুৰানী জানে ভূঞা ৰাজ্যত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এইকথা চৰিত পুথি সমূহে কয় শংকৰদেৱে বৰদোৱা, আলিপুখুৰীৰ পৰা টেম্বুৰানীতে স্থায়ীভাবে বসতি আৰম্ভ কৰি কীৰ্তনঘৰ সাজি, ধৰ্ম প্ৰচাৰ কাৰ্য আৰম্ভ কৰিছিল। 'তুলাপাতত সাত বৈকুণ্ঠ' লিখি চিহ্নযাত্ৰাভিনয়ৰ প্ৰেমময় পৰিবেশ ৰচনাৰে 'বায়ুমণ্ডলি ৰাগত পোটিসোন্দা গছৰ পাত সৰি' 'মেঘুমণ্ডলি ৰাগত পুনৰ গছত লাগি' মৰ্ত্যতে 'গোপ-গোপী-কৃষ্ণ'ৰ সৈতে বৈকুণ্ঠ ব্ৰজক দেখুৱাই আশ্চৰ্যান্বিত-বিমোহিত কৰাৰ এইটো পৰৱৰ্তীকালৰ ঘটনা। অনন্ত কন্দলি, মহেন্দ্ৰ কন্দলি, গোবিন্দ মিশ্ৰ সমন্বিতে সকলোজন সাধু সন্তই বাৰম্বাৰ বান্ধ ভাগি বিপৰ্যস্ত হোৱা ভক্ত বৈষ্ণৱক ৰক্ষাৰ উদ্দেশ্যে শংকৰদেৱৰ ওচৰত শৰণাপন্ন হোৱাত তেওঁ উপায় দিছিল- এই জান সাধ্বী এগৰাকীৰ জৰিয়তেহে বান্ধিব পাৰি ঃ 'পলেৰে, ব্ৰহ্মপুত্ৰৰ জল আনিব লাগে বলেহে পতিব্ৰতা সতী'। পলেৰে জল আনিবলৈ কোনো পতিব্ৰতা নাৰী নোলাল। চিন্তিত ব্ৰাহ্মণ সমাজ। এনেতে 'লুইতে পুৰানন্দ নামে পত্নী যোগমায়াৰে (ৰাধিকা বুলি কতোসবে কই) উজাইছে ঃ 'পূৰ্ণানন্দৰ মুখেৰে জানিব পাৰি যোগমায়াই (ছেদ- ৭৮) ক'লে মই সান্তিঃ হীন বৰ্ণত ওপজা পত্নীৰ মুখত এনে কথা শুনি স্বামীয়ে তিৰস্কাৰহে কৰিলে- 'সবাতে হীন তুচ অধম জাত আমাৰ তই জো সান্তিঃ'। পত্নীয়ে ক'লে কাৰণ 'বোলে কিৰ তোমাত বাজে পৰ পুৰুষত মুখ জি নচাঞ চাতো ভৰি দিয়া আচে নাই ' (ছেদ -৭৮) সেৱাকৈ গুৰু আজ্ঞা সিৰে ধৰি অনা জল জানৰ ভগা অংশত দিয়াৰ লগে লগে পানীৰ বেগ কমি আহিল। ৰাধিকাই কঢ়িয়াই পানী (বা মাটি) ৰে মাটি খুন্দি বন্ধা জানৰ নামেই 'শান্তিজান' নামেৰে প্ৰখ্যাত হ'ল।

আধুনিক সাহিত্যত ৰাধিকাৰ জল বন্ধা প্ৰসংগ বেজবৰুৱা দেৱে 'শ্ৰী শংকৰদেৱ আৰু শ্ৰী মাধৱদেৱ' গ্ৰন্থত বৰ্ণনা কৰিছে। তেখেতৰ মতে চৰিতত বৰ্ণিত এই জান বন্ধা ঘটনা অলৌলিক যদিও অৱশ্যে মূল কথাখিনি ৰামচৰণ ঠাকুৰ প্ৰণীত 'গুৰু চৰিত'ৰ পৰা উদ্ধৃত কৰা হৈছে (পৃঃ ২৮,৩০)।

গুৰুচৰিত প্ৰণেতা ৰামচৰণ ঠাকুৰে এই কাহিনী 'যত্ন কৰি পট বৈকুণ্ঠ' লিখাৰ পৰৱৰ্তী কালৰ ঘটনা বুলি কৈছে। গ্ৰন্থৰ তৃতীয় খণ্ডত সন্নিবিষ্ট বিষয় অনুসৰি বৈশাখ মাহত টেম্বুৰানী জানৰ বান্ধ ভাঙি শস্য হানি হোৱা হেতু সকলো ভূঞাকে একত্ৰিত কৰি শংকৰদেৱ টেম্বুৰানীৰ পাৰত উপস্থিত হ'ল। গুৰুচৰিত কথাৰ এটা মাত্ৰ ছেদত বৰ্ণিত কথাংশ ৰামচৰণৰ গ্ৰন্থত ১৬৮৬ সংখ্যক পদৰ পৰা পদলৈকে বৰ্ণিত। ইয়াতো সমগ্ৰ ভূঞা ৰাজ্যৰ অনন্ত কন্দলী, ৰত্নাকৰ কন্দলী, ৰত্নপাঠক চন্দ্ৰসৰস্বতী সকলো প্ৰধান ভূঞা সমস্যা সমাধানৰ প্ৰতি সচেষ্ট হ'ল। সকলোতে জান দিলে। শুনিলে নদীয়াল স্বামী ভাৰ্যাই। ইয়াতো নদীয়াল পত্নীৰ সেই আত্ম প্ৰত্যয়সূচক গম্ভীৰ বাণী- 'মোত পৰে শান্তি নাহি একোজনী (১৭১১)। শংকৰদেৱৰ 'নদী হন্তে এক পলো জল ভৰি আন নির্দেশ পাই নদীয়াল পত্নীয়ে

পানী আনি 'পল মাটি ওপ্রত থৈল' যদিও 'চাৰি আঙ্গুল কম'। পৰম ভক্তি ভাৱেৰে পুনৰ লৌহিত্যৰ পৰা পানী আনি নমালে 'বাম হাতে ধৰিলন্ত পলোৰ তলত'। দেখি বিপ্রগণৰ মুখৰ মাত হৰিল। শংকৰদেৱে 'অন্তর্জতো দেখা কেন শান্তি বিপৰীত' বুলি প্রথম নাম উচ্চাৰিত কৰিলে 'ৰাধিকা' আৰু আকৌ মৃত্তিকা এপল জানত দিবলৈ পৰামর্শ দিলে। শংকৰদেৱৰ মনৰ আনন্দ ৰূপ প্রসাদ লাভ কৰি 'ৰাধিকা' নামেৰে খ্যাত হৈ সেই পবিত্র স্থানৰে বাসিন্দা হ'ল।

শ্রীদ্বাৰিকানাথ দ্বিজৰ সন্তাৱলী নামৰ গ্রন্থৰ 'শংকৰদেৱৰ মহিমা' শীর্ষক অধ্যায়ত পৰম শক্তিশালী টেম্বুৱানী জানৰ 'শান্তি জান' সম্বন্ধে বর্ণনা কৰা হৈছে- ৪৫২ সংখ্যক পদৰ পৰা ৪৯৫ সংখ্যকলৈকে। গুৰুচৰিতৰ দৰেই হয়তো বাম সৰস্বতী, মহেন্দ্র ৰত্নাকৰ আদি পণ্ডিতৰ পৰামর্শ লৈ শংকৰদেৱে এগৰাকী 'শান্তি কন্যা' বিচাৰিছে। 'আমি শান্তি আমাসাক পুজোক শংকৰ' বুলি আগবঢ়া বিপ্রপত্নী সবৰ 'পলৰ কথা শুনি মুখ লুকাইল। চূর্ণ খোৱা জেঠীৰ দৰে মুখ শুকাল (ছেদ- ৪৬০-৬১)। ঘোষণা বিচাৰৰ তিনি মাহৰ অন্তত (যোগমায়া) 'ৰাধিকা' নামৰ কৈৱর্ত গৃহিণী গৰাকী আহি সৎসাহসেৰে গুৰুৰ আগত ঠিয় হ'ল—

কিবা হেতু শান্তি কন্যা বিচাৰা গোসাঁই।
আমি শান্তি পতিব্রতা আসিছো ইঠাই।। (৪৭৩)

দ্বাৰিকানাথ মিশ্রৰ এই শান্তি কন্যাগৰাকী আত্মবিশ্বাস আত্মপ্রত্যয়ৰে দৃঢ়মনা। বিনাদ্বিধাই পতিব্রতা শাস্ত্রীৰ লক্ষণ শংকৰদেৱৰ আগত বিৱৰি কৈছে- যি প্রসংগ তেখেতে (৪৭৪-৪৮১) মুঠ আঠটা পদত নির্ভীক ভাৱে বর্ণনা কৰিছে। শংকৰদেৱে 'শান্তি সুবদনী' ৰাধিকাক পল ভৰাই জল আনিবলৈ কলে যদিও এআঙুল কম হ'ল। দ্বিতীয়বাৰত (৪৭৩-৪৯৫) উপচি পৰা জল ভগ্নজানত দিয়া হ'ল- তেতিয়াৰ পৰাই শান্তিয়ে বন্ধা বাবে 'শান্তিজান' নামেৰে এই জান পৰিচিত হ'ল। সৎ আচৰণ চিন্তা চর্চাৰে পৰিশীলিত অসমীয়া নাৰীৰ জীৱন যাত্রাই কৰি তুলিছে- নির্ভীক, আত্মপ্রত্যয় পূর্ণা। আপোন চৰিত্রত তিল মাত্রও অবিশ্বাস নথকা যোগমায়াৰ চিন্তাই; কথা কার্যই ইয়াৰ প্রকাশ ঘটাইছে। তেওঁৰে যদি পতিব্রতা নহয় হ'ব কোন? এই গভীৰ আত্মবিশ্বাসেৰে যোগমায়া বাস্তৰ পৰীক্ষাত উত্তীর্ণ হ'ল। পলত পানী অনা কার্যই ঘটনাটিক 'মীথ' ৰূপে প্রতিপন্ন কৰাৰ অৱকাশ আছে যদিও এই কথা সঁচা যে আজৰি সময়ত বাঁহৰ কাঠিৰে পিঠাগুড়ি চলা চালনি পর্যন্ত সাজি উলিওৱা অসমীয়াৰ বাবে পানী নসৰকা পল প্রস্তুত কৰা কার্য অসম্ভৱ হয়তো নহয়। অৱশ্যে কোনোবাই কয়- 'কতো মুখে কই মাটিহে আনিছে পলৰে। শুৰু চৰিত কথা (ছেদ-৭৮)

তত্ত্বজ্ঞা চন্দৰী আহি ঃ

চৰিত্র সাহিত্যত 'চন্দৰী' নামৰ নাৰীগৰাকীৰ স্থান অনন্য। শুৰু চৰিত প্রণেতা ৰামচৰণ ঠাকুৰে সূর্যবৰৰ গৃহ দাসী অথচ গৃহকর্ত্রী সদৃশ চন্দৰীৰ বিষয়ে, শংকৰদেৱ ওপজা মুহূর্তৰ পৰা শংকৰদেৱৰ জীৱনৰ বিভিন্ন প্রসংগত দাসী গৰাকীৰ বিচক্ষণতা কর্মপটুতা শ্রদ্ধাশীল মনোভাৱেৰে বর্ণনা কৰিছে।

Scanned with OKEN Scanner

শংকৰদেৱ জন্ম হোৱা সময়ত সুবর্ণ পাত্র জল ভৰাই আনি স্নান কৰাই কোলাত তুলি লোৱাই নহয় প্রতিপালন কার্যতো তৃণসূতীৰ একান্ত সহযোগী (দ্বিতীয় খণ্ড)। শংকৰদেৱৰ কন্যা মনুৰ জন্ম কালতো 'সুৱর্ণ বাৰিয়ে জল বাকি দিয়াঙ্গ চান্দেৰী লৈলন্ত যাই' বুলি উল্লেখ হৈছে (পদ-১৭৪৫)।

'গুৰু চৰিত কথা'ত বর্ণিত বিশেষ তিনিটি প্রসংগই চন্দৰীক প্রতিভাবান আৰু অধ্যয়নশীল নাৰী ৰূপে প্রতীয়মান কৰায়। এবাৰ শংকৰদেৱৰ ধর্ম প্রচাৰ কার্য বা চিন্তাৰ বিৰুদ্ধাচৰণ কৰা আৰু বাক যুদ্ধত লিপ্ত হ'বলৈ অহা ব্রাহ্মণ পণ্ডিতৰ কথা ধনুখনা নামৰ জানত কাপোৰ ধুই থকা চন্দৰীয়ে শুনিলে আৰু তেওঁলোকক ক'লে 'ভগৱন্ত ভক্তিযুক্তঃ পুৰুষৰ অন্বোবোধঃ মাধৱৰ প্রসাদে মিলয়। কৃষ্ণস্য কৃপাত তেবেঃ গুচয় সংসাৰবন্ধঃ এহিমানে গীতাৰ নির্ণয় (ছেদ-২২৮)। চৰিতকাৰৰ মতে, ভগৱদ্গীতা, অষ্টাদশ অধ্যায়ৰ সাৰবস্তু দাসী এগৰাকীৰ মুখেৰেই শুনি শংকৰদেৱৰ সমীপলৈ যাবলৈ তেওঁলোকে সাহস নকৰিলে আৰু মাধৱদেৱেও সেই 'সংকৃত্যৰে পাছে ঘোষা কৰিছে।' অৱশ্যে ভগৱদগীতাত এনে ধৰণৰ অর্থ প্রতিনিধিত্ব কৰা শ্লোকৰ উল্লেখ হোৱা নাই।

চৰিত সাহিত্যই উল্লেখ কৰা চন্দৰীৰ শাস্ত্র জ্ঞানৰ অন্য এক প্রসংগ হৈছে- শংকৰদেৱে বৃন্দাবনী বস্ত্র তাঁতীকুছিত (এতিয়া বৰপেটা) বোওৱা সময়ৰ কথা বস্তুত 'বাৰেবন বৃন্দাবন জৎ জি মূর্তি লীলা খেলা দেখি' ৰজা নৰনাৰায়ণ আশ্চর্যান্বিত হ'ল। ঘৰত নথকা কাৰণে দেখা নোপোৱা খেৰসুতী বুঢ়ী মাতৃৰে সম বয়সীয়া চন্দৰীক চাঙ্গপাতি শংকৰদেৱে পুনৰ মেলি দেখুৱালে। চন্দৰীৰ ভক্তি কথা শ্রৱণ অভিজ্ঞতাই সোঁৱৰালে 'ভাণ্ডিৰ বট কেচি ঘাটৰ ক্রম লৰিল'। শংকৰদেৱেও স্বীকাৰ কৰিলে 'বোলে বুৰি হই ভুলিলোঁ।... বুৰি এ দাই ধৰে বুৰি বৰ বহু পাঃ (ছেদ ৩৭৭)। একে কথা 'তুলাপাতত সাত বৈকুণ্ঠ লিখি যাত্রা' কৰা সময়ত গুৰুজনে 'কল্পতৰ দিবলৈ ভ্রম হৈ ঠগিৎ খাই আছে।' ধান ৰ'দাই থকা চন্দৰীয়ে দেখুৱালে 'সেইখিনিতে নিদিয়া কিয়ঃ শ্রীমন্দিৰ কাখে সপ্তম দ্বাৰ আগকৈ তেহে গুৰু দিছেঃ (ছেদ-৭৪)।

ভক্তি পৰায়ণা ৰাৎপাল ঃ

চক্রপাণি দ্বিজ ভট্টাচার্যৰ পুত্র বৈকুণ্ঠ আৰু বৈকুণ্ঠ পুত্র ভূষণ। ভূষণ গুৰুৰ পত্নীৰ নাম ৰাৎপাল, এদিন নাৰায়ণ দাস ঠাকুৰ আতাৰ গৃহত নীতি সদাচাৰ গুৰুধর্ম দেখা পাই স্বামীকো ৰাৎমালে তিনিকুৰি ঘৰৰ যজমানি বৃত্তি এৰিবলৈ খাটনি ধৰিলে- 'বোলে আন লোকে প্রৱর্তিছে কেনেকৈ।' স্বামী ভূষণো অৱশেষত আঠোটা শ্লোক, ৰচনাৰে মহাপুৰুষ মাধৱদেৱৰ ওচৰত শৰণাপন্ন হ'ল। উল্লেখনীয় যে, এই জনেই ভূষণ দ্বিজ- শ্রীশংকৰ চৰিত প্রণেতা (ছেদ-২৪৪)। পত্নীৰ পৰামর্শতে বৈষ্ণৱ ধর্মত দীক্ষিত হোৱা ভূষণ দ্বিজ পৰৱর্তীকালত অতি প্রামাণিক চৰিতকাৰ বুলি পণ্ডিতসকলৰ দৃষ্টিত প্রতিষ্ঠিত হৈছে।

বাৰবাহি (বাৰ বাসি) আইৰ প্রেমভক্তি ঃ

নাৰায়ণ দাস ঠাকুৰ আতাৰ পত্নী আই বাৰবাহি। সুযোগ্য চাৰিপুত্র যদিও জ্যেষ্ঠ পুত্র পৰমানন্দৰ নামেৰে প্রখ্যাত 'পর্মানন্দৰ মাক। নাৰায়ণ দাসৰ পিতৃ প্রদত্ত নাম ভৱানন্দ। ডিঙ্গা নগৰৰ সাউদ। মাধৱ

দেৱব পৰম সুহৃদ। শংকৰদেৱ প্ৰদত্ত নাম- নাৰায়ণ, নাৰায়ণ দাস। নৱনাৰায়ণৰ ৰাজসভালৈ শংকৰ বিৰোধীৰ গোচৰ হেতু শংকৰদেৱক নাপাই ধৰি নিয়াৰে পৰা বাৰবাহি আইয়ে স্বামীৰ সংগ এৰা নাই (ছেদ-৩২৫)। অত্যন্ত উদাৰ মনা এই গৰাকী আইৰ পৰামৰ্শতে পাৰ্থিৱ সম্পদ তিনি ভাগ কৰা হয়- সেৱক, ৰজা আৰু পৰিয়ালৰ বাবে (ছেদ- ৩৮৭)। গুৰুৰোষৰ পৰাও ভাৱ ভক্তিৰে ৰক্ষা কৰাৰ চানেকি দেখা পাই নাৰায়ণ দাস ঠাকুৰ আতাই আপোন পত্নীক 'ধন্য ধন্যঙ্গ ভার্য্যা নহী 'মোৰ সঙ্গী' বুলি গ্ৰহণ কৰিছিল (৭৬৯) শংকৰদেৱেও 'বাৰ্ত্তাহি আই গৃহে ৰহিও গুৰুৰ মুখপদ্মেৰে নিৰ্ঝৰিত' কৃষ্ণকথা চতুৰ্দিশে বহা ভক্তসবে ভ্ৰমৰ সদৃশে কি দৰে পান কৰিছে তাৰ কাল্পনিক বৰ্ণনেৰে আত্মপ্ৰসাদ লভাৰ কথা জ্ঞাত হৈ কৈছে- 'আমাকো বাহাবাহিৰ ভক্তি এবশ্য কৈলে আইৰ সমান ভাগ্যবতী নাইঃ মায়া জিনি মদিলে। ধন্য ধন্য সখিৰ গৃহবাস (ছেদ-৭৬৯)। ভাৰতীয় ভক্তি সাহিত্যৰ ইতিহাসত আধ্যাত্মিক গুৰু আৰু স্বামী গুৰুৰ স্ত্ৰীৰ প্ৰতি এনে সম্ভ্ৰম সূচক বাক্য বৰ দুৰ্লভ। দেশৰ অকাল দুৰ্ভিক্ষত বাৰবাহি আৰু পুত্ৰ বোৱাৰীয়ে ধানৰ গচি ভৰালটি নিজে ৰাখি সমস্ত গুটি ধানৰ ভৰালটি ৰাইজলৈ আগবঢ়ায়ো যুগান্তৰৰ খ্যাতি ৰাখি গৈছে। (৭৯৬) ৰামচৰণ ঠাকুৰৰ গুৰু চৰিতত আছে বাৰবাহিৰ স্বামী ভক্তি নিৰীক্ষণ কবি নাৰায়ণ দাসে কৈছে-

পূৰ্ব পুণ্যেফলে আবে পুৰুষসকলে।
তুমি হেন ভার্যা লাভ কৰে ইহকালে।। (পদ-৩৫০০)।

উল্লেখনীয় যে, বাৰবাহিৰ আইৰ প্ৰসংগই গুৰু চৰিত কথাত 'বাৰবাহিৰ অতুলনীয় প্ৰেমভক্তি' নামেৰে ৭৬৯ সংখ্যক ছেদত স্থান লাভ কৰিছে।

মথুৰাদাসৰ পত্নী ঃ

মাধৱদেৱৰ প্ৰধান শিষ্য মথুৰা দাস বুঢ়া আতা (যাৰ তত্ত্বাৱধানত বিখ্যাত বৃন্দাবনী বস্ত্ৰখনৰ বয়ন কাৰ্য সমাপ্ত হৈছিল)। মাধৱদেৱে তাঁতীকুছিত নিৰ্মাণ কৰা ৰঙিয়াল গৃহটি বনপোৰা জুয়ে পোৰাত স্বামী মথুৰা দাসৰ পত্নীয়ে গছাৰ পৰিৱৰ্তে 'খাগৰিৰ তিনঠেকনা' কৰি বস্তি এগছ জ্বলাই ওপৰত ছৈ এখন দি ৰাখিছিল (মহাপুৰুষীয়া ধৰ্মৰ পঞ্চৰত্ন- ২৩)। ভক্তি ধৰ্মৰ প্ৰদীপ গছি এক সন্ধিক্ষণত এনেদৰে প্ৰৱৰ্তাই ৰাখি এইগৰাকী নাৰীয়ে মহাপুৰুষীয়া ধৰ্ম পৰম্পৰাত অক্ষয় কীৰ্তি ৰাখি গৈছে। বিষাদগ্ৰস্ত স্বামীক ধৰ্মকাৰ্যত ব্ৰতী হৈ মনক শান্ত কৰিবৰ বাবেও পৰমাৰ্শ আগবঢ়াইছে।

ব্যতিক্ৰম শক্তি সম্পন্ন ব্ৰজাংগী আই ঃ

ব্ৰজাংগী আই গোপালদেৱৰ মাতৃ, নাৰায়ণপুৰৰ বৃদ্ধ শংকৰ নামৰ ধাৰ্মিক লোক এজনৰ ৰূপ গুণ সম্পন্না কন্যা, অনুপম পাকৈত শিপিনী। নিপুন বয়ন শিল্প প্ৰতিভাৰ বলত বাৰকুৰিখন আহোম ৰজাঘৰীয়া শালৰ বিষয় বাব পাইছিল। 'বৰ শিপিনী' স্বীকৃতি লাভ কৰা নাৰী। স্বামীহীনা নাৰী গৰাকীয়ে ওপজা ঠাই এৰি এটা সময়ত (নাজিৰাত) 'অসম দেশ' পাই 'পোহাৰ' দি সন্তানৰ ভৰণ পোষণ দিছিল। যেনে শাৰীৰিক ভাবে শক্তিমন্ত বুদ্ধিমত্তাও তেনে। পুত্ৰ গোপালৰ ঈশ্বৰ ভক্তি, গুৰু ভক্তি দেখি

Scanned with OKEN Scanner

বজ্রাংগীও মহাভক্তত পৰিণত হয়।

সুমালিনী আই ঃ

অন্য এগৰাকী নাৰী নাম সুমালিনী; চন্দৰী আইৰ দৰে এগৰাকী পৰম তত্ত্বজ্ঞা নাৰী। জন্ম হৈছিল হীৰাৰ গৃহত। শংকৰদেৱৰ প্রচাৰিত ধর্মৰ গূঢ়তত্ত্ব ব্যক্ত কৰি কৃতকী ব্রাহ্মণক পৰাস্ত কৰিছিল ঃ আমিহে জি মূর্তি পূজা সেৱা কৰো চিন্তোঃ চৈতন্যস্বৰূপ নিত্য শুদ্ধ বুদ্ধ নির্মল নির্গুণ ঃ দিলে লই জি বাঞ্চে ফল হই। (ছেদ ৮১৫)। এই প্রসংগত গুৰুচৰিত কথা অনুসৰি মাধৱদেৱে নিন্দা অংশত সন্নিবিষ্ট উক্ত ঘোষা ফাঁকি লিখিছে—

মায়া আদি কৰি যত সমস্তে জগতে জড়
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এড়ে জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ।। (৪৭)

দায়াল মেধি ঃ

গুৰু চৰিত কথা মতে, কোচ ৰজা লক্ষ্মী নাৰায়ণৰ ছকুৰি মাদৈ ভক্তিধর্মত দীক্ষিত হয়। মাধৱদেৱে তেলি কৃষ্ণ নামৰ আতৈৰ পত্নী দায়ালক তেওঁলোকৰ ওপৰত মেধিৰ দায়িত্ব অর্পিলে। দায়ালেও সমধুৰ সুৰেৰে ছকুৰি মাদৈক ঘোষা কীর্তন গাবলৈ শিকায়, নিতৌ প্রসংগ কৰে। (ছেদ-৯৪৭)

স্বপ্রতিভা সম্পন্ন অন্য দুগৰাকী নাৰী অসমীয়া সাহিত্য-সংস্কৃতি জগতখনত ভাস্বৰ হৈ আছে। ৰামৰাইৰ কন্যা কমলপ্রিয়া আৰু গোপালদেৱৰ কন্যা **পদ্মপ্রিয়া**। ৰূপে-গুণে অনন্যা। চিলাৰাইৰ (ছোট দেৱান) লিগিৰা শ্রীদাম আহি কমলপ্রিয়াৰ ত্রৈলোক্য বিমোহন ৰূপ দেখি জনালে। চিলাৰায়ে বিবাহৰ প্রস্তাৱ আগবঢ়ালে। শংকৰদেৱৰ পৰামর্শ অনুসৰি ৰামৰায়ে চিলাৰায়ৰ সৈতে বিবাহ সম্পন্ন কৰিলে। কমলপ্রিয়া কেৱল অতীব সুন্দৰী নাছিল-চাৰঙ্গদাৰত সুৰ তুলি প্রাণ ঢালি গাব পাৰিছিল- 'পামক মন ৰামচৰণে চিত্ত দেহ ঃ অথিৰ জীৱন বাম'। কোকিল স্বৰতো অধিক কণ্ঠ নিগৰিত গীত শুনি স্বামী চিলাৰায় বিমোহিত হোৱাই নহয় শুক্লধ্বজ ৰাজনেও অর্থ উপলব্ধি কৰিব পাৰি মহাপুৰুষ শংকৰদেৱৰ শৰণাপন্ন হৈছিল (ছেদ-২১৩-১৫)।

গোপাল আতাৰ দুহিতা পদ্মপ্রিয়া। মাধৱদেৱেও পদ্মপ্রিয়াৰ সৌজন্যময় কার্য নিৰীক্ষণ কৰি 'সজ বুদ্ধি'ৰ বুলি প্রশংসা কৰিছিল (গুৰু চৰিত কথা, ছেদ ৭৪০)। পূর্ণানন্দ ৰচিত গোপালদেৱৰ চৰিততো পদ্মপ্রিয়াৰ কথা 'তান গুণে সমস্তৰে মন সন্তোষিলা' বুলি উল্লেখ কৰা হৈছে। অধ্যয়ন আৰু জন্মগত ভাবে প্রতিভাবান কবি গীতিকাৰ গৰাকীৰ গীত ঘোষা ইতিমধ্যে প্রকাশিত হৈছে। হৰিবল্লভ নামৰ এজন চৰিতকাৰে পদ্মপ্রিয়া সম্পর্কে এনেদৰে লিখিছে-

পদ্মপ্রিয়া নাম ভৈলা তাহাৰ নন্দিনী

Scanned with OKEN Scanner

অতি ৰূপৱতী গুণৱতী যশান্বিতা।

তেওঁৰ মতে সুললিত কণ্ঠৰ অধিকাৰী পদ্মপ্রিয়াই আইসকলৰ নামত 'হৰিনাম লগাৱন্ত হুয়া নম্রকায়।' পদ্মপ্রিয়া ৰচিত বহুকেইটা গীতৰ পাঠ পোৱা গৈছে। কেশদা মহন্তৰ 'মহাপুৰুষীয়া সাহিত্য' গ্রন্থত পদ্মপ্রিয়া আই শীর্ষক প্রৱন্ধত ৰামগিৰি বৰাগত পদ্মপ্রিয়া গীতৰ উল্লেখ কৰা হৈছে। প্রথম অসমীয়া মহিলা কবি হিচাপে পদ্মপ্রিয়া চিৰজোতিষ্মান।

উচ্চ ব্যক্তিত্ব সম্পন্না কনকলতা ঃ

কোচবেহাৰৰ কানু ভূঞাৰ কন্যা কনকলতা শংকৰদেৱৰ নাতি বোৱাৰী, চতুর্ভুজ ঠাকুৰৰ পত্নী। তেওঁ আইভেটি আৰু কুঁজিসত্রৰ প্রতিষ্ঠাপক। শংকৰদেৱে ১৫১৬ খৃঃত পৰিত্যাগ কৰাৰ প্রায় ১৪০/১৫০ বছৰ মানৰ পিছত অটব্য অৰণ্যত পৰিণত হোৱা বৰদোৱা কনকলতাই আহোম ৰজাৰ পৃষ্ঠপোষকতাত পুনৰুদ্ধাৰ কৰে। কনকলতাৰ আজ্ঞা পৰম্পৰাৰে সৃষ্ট সত্রসমূহক 'কনকা বাৰজনীয়া' বোলা হয়। কনকলতাৰ আজ্ঞাত চক্রপাণি বৈৰাগীয়ে প্রথম গদ্যত চৰিত পুথি 'কথা গুৰুচৰিত' আৰু ৰামচৰণ ঠাকুৰে তেওঁৰ দিনতে 'গুৰু চৰিত' ৰচনা কৰে বুলি কোনো কোনোৱে ক'ব খোজে। দ্বাৰিকা নাথ দ্বিজে কনকলতাৰ অনন্য বিচক্ষণতা কর্মপটুতা আৰু ধর্মপৰায়ণ স্বভাৱৰ কথা 'সন্তাৱলী'ত এনেদৰে লিখিছে–

কনকলতাৰ সম আছে কোনজন।
চতুর্ভুজে যাৰ বাক্য কৰয় পালন।।
কিবা অল্প দোষে স্ত্রীৰ জন্ম ভৈল তাৰ।
বুদ্ধিমতী কার্যদক্ষা পুৰুষতো চাৰ।।
স্ত্রী হুয়া শুভ কীর্তি ৰাখিল অপাৰ।
উজ্জ্বল কৰিল বৰদোৱা পুনর্বাৰ।। (পৃঃ ৪৩৯-৪০)।

গ্রন্থপঞ্জী ঃ

১। চক্রপাণি বৈৰাগী ঃ 'গুৰু চৰিত কথা', সম্পাদনা ড° মহেশ্বৰ নেওগ, ১৯৯১
২। ৰামচৰণ ঠাকুৰ ঃ গুৰু চৰিত, হৰিনাৰায়ণ দত্ত বৰুৱা
৩। দ্বাৰিকানাথ মিশ্র সন্তাৱলী, সম্পাদনা সূর্য হাজৰিকা, ২০০৮
৪। কেশদা মহন্ত ঃ মহাভাৰতীয় সাহিত্য, ১৯৮৭
৫। শিৱনাথ বর্মন ঃ শংকৰদেৱ আৰু পৰৱর্তী আচার্যসকল
৬। অর্জুন দাস বৈৰাগী মহাপুৰুষীয়া ধর্মৰ পঞ্চৰত্ন

ড° অৰুন্ধতী মহন্ত শিৱসাগৰ ছোৱালী কলেজৰ প্রাক্তন ছাত্রী তথা গড়গাঁও কলেজৰ অৱসৰপ্রাপ্ত অধ্যাপিকা, শিৱসাগৰৰ বিশিষ্ট লেখিকা।

Scanned with OKEN Scanner

বিবিধ শিতান

হেৰুৱা দিনৰ স্মৃতি

(১)

আজিৰ পৰিপূৰ্ণ শিৱসাগৰ ছোৱালী কলেজখন দেখিলে মোৰ চকুৰ আগত ভাঁহি উঠে তাহানিখন। কালিপ্রসাদ মেম'ৰিয়েল হলত আমাক লৈ শ্রেণী আৰম্ভ হোৱা দিনসমূহ। বর্তমান কলেজখন দেখিলে কোনে ক'ব ইয়াক প্রতিষ্ঠা কৰিবলৈ শিৱসাগৰ কেইজনমান বিশিষ্ট ব্যক্তিয়ে চহৰখনৰ মেট্রিক আৰু প্রাক-বিশ্ববিদ্যালয় পৰীক্ষাত সদ্য উত্তীর্ণ ছাত্র-ছাত্রীৰ অভিভাৱকক লগ ধৰি ছাত্রী ভিক্ষা কৰি ফুৰিছিল? প্রৱল আশাবাদী আৰু উচ্চভিলাসী মন লৈ এখেতসকলে আর্থিক আৰু কায়িক শ্রমদান কৰি, স্থানীয় অভিভাৱকৰ মন জয় কৰি, ছাত্রী সংগ্রহৰ অভিযানত সফল হৈছিল। সেই সময়ত শিৱসাগৰত মাত্র এখনহে কলেজ আছিল। সিও তিনি মাইল দূৰৈত; জয়সাগৰত। যাতায়াতৰ বাবে যান-বাহনৰ বিশেষ সুবিধা নাছিল। আজিকালিৰ দৰে পথৰ দুয়োকাষত ঘন বসতিও নাছিল। ছাত্রীসকলে শিক্ষা লাভৰ ক্ষেত্রত যথেষ্ট অসুবিধা ভোগ কৰিবলগীয়া হৈছিল। বোধহয় ছাত্রীসকলৰ এনেবোৰ অসুবিধা লক্ষ্য কৰিয়েই এইসকল ব্যক্তিয়ে মনত আশা আৰু উদ্যম লৈ ছাত্রীসকলৰ ভৱিষ্যত শিক্ষানুষ্ঠান এটিৰ স্বপ্ন দেখিছিল।

১৯৬৪ চনৰ শিক্ষা বছৰত প্রাক্-বিশ্ববিদ্যালয় পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ কেইদিনমানৰ পাছত আমাৰ ঘৰলৈ আহিছিল সহজানন্দ ভৰালী, শ্রীযুত গোবিন বৰুৱা আদি। তেখেতসকলে মোক আৰু মোৰ অভিভাৱকক লগ ধৰি ন কৈ গঢ়িব খোজা এই কলেজখনত নামভর্তি কৰিবলৈ উপদেশ দি কৈছিল, "আমি ইয়াত নামভর্তি কৰিলে এটি ভৱিষ্যত ছোৱালীৰ শিক্ষানুষ্ঠান গঢ়ি উঠিব; তাৰ প্রতিষ্ঠাবর্ষৰ ছাত্রী হিচাপে এটি পৱিত্র শিক্ষানুষ্ঠানৰ বাট মুকলি কৰা হ'ব।" তেখেতসকলৰ এই সাৰুৱা যুক্তিপূর্ণ উপদেশ মর্মে মর্মে উপলব্ধি কৰিছিলো যদিও প্রথমে মই ইয়াত নামভর্তি কৰিবলৈ দ্বিধাবোধ কৰিছিলো। দ্বিধাবোধৰ দুটা কাৰণ আছিল। প্রথমতে, মই শিৱসাগৰ কলেজত প্রাক্-বিশ্ববিদ্যালয় শ্রেণীটো অধ্যয়ন কৰিছিলো। যাতায়াতৰ ক্ষেত্রত অসুবিধা ভোগ কৰিলেও এই সর্বাংগ সুন্দৰ কলেজখনৰ মোহ এৰিব পৰা নাছিলো। দ্বিতীয়তে, মোৰ অসমীয়া বিষয়ত 'সম্মান' লৈ স্নাতক শ্রেণীত পঢ়াৰ ইচ্ছা আছিল। ইয়াত নামভর্তি কৰিলে মই 'সম্মান' পঢ়াৰ পৰা বঞ্চিত হ'ব লাগিব। সেয়ে ভালেমান দিনলৈ মই মন স্থিৰ কৰিব পৰা নাছিলো, কিন্তু মহৎ স্বার্থৰ ওচৰত ক্ষুদ্র স্বার্থ সদায় পৰাজয় হয়। সেই বিশিষ্ট ব্যক্তিসকলৰ সৃষ্টিশীল আদর্শ আৰু উৎসাহৰ ওচৰত মূৰ দোঁৱাই ময়ো আত্মত্যাগৰ

Scanned with OKEN Scanner

আদর্শৰে শিৱসাগৰ ছোৱালী কলেজত নামভর্তি কৰিলো।

১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আমি প্রাক্-বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীর্ণ হৈছিলো। সেই বছৰতে ডিব্রুগড় বিশ্ববিদ্যালয় প্রতিষ্ঠা হৈছিল আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ এলেকাত পৰা কলেজসমূহৰ পৰিচালনা আৰু নিয়ন্ত্রণ নিজৰ অধীনলৈ নিয়ে। আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত উত্তীর্ণ হোৱা বাবে নম্বৰ তালিকা অহাত যথেষ্ট পলম হৈছিল। সেই নম্বৰ তালিকা নোহোৱাকৈয়ে আমি নামভর্তি কৰিছিলো। কালিপ্রসাদ মেম'ৰিয়েল হলত আমাৰ শ্রেণীসমূহ আৰম্ভ হৈছিল এবছৰীয়া প্রাক্-বিশ্ববিদ্যালয় আৰু তিনি বছৰীয়া স্নাতক পাঠ্যক্রমৰ প্রথম বার্ষিক এই শ্রেণী দুটাৰ। স্নাতক প্রথম বার্ষিকত আমি সদ্য উত্তীর্ণ ছাত্রীসকলৰ উপৰিও কিছু আগৰ চামৰ ছাত্রীৰে একুৰি ছগৰাকী ছাত্রী আছিলো। মোৰ শ্রেণীত আছিল সর্বশ্রী ইভা ৰাজখোৱা, বিনু দেৱী, প্রীতিশীলা হাজৰিকা, মায়াশীলা হাজৰিকা (ছোৱালী কলেজৰ গ্রন্থগাৰিক), আনন্দি দাস, (গধুলা ব্রাউন ইংলিছ স্কুলৰ প্রধান শিক্ষয়িত্রী), অন্ন গোহাঁই, নীলিমা গোহাঁই, অঞ্জলি ঠাকুৰ, দীনময়ী সিংহ, জয়ন্তী বৰা আৰু আগৰ চামৰ ছাত্রীৰ ভিতৰত সত্যৰাণী কাকতি, সর্বশ্রী কুইন বৰঠাকুৰ, লখিমী বৰঠাকুৰ, আৰতি দত্ত, কুইন বেগম, নির্মালী গোহাঁই, দিপালী বৰঠাকুৰ (সুবিধ্যাত গায়িকা) আদি। প্রাক্-বিশ্ববিদ্যালয় শ্রেণীটোও নতুন আৰু পুৰণা ছাত্রীক লৈ আৰম্ভ হৈছিল। আমাৰ শ্রেণীতকৈ ইয়াত ছাত্রীৰ সংখ্যা বেছি আছিল। সকলোকে মোৰ মনত নাই কিন্তু সপ্রতিভ ছাত্রী হিচাপে মোৰ কলেজীয়া জীৱনৰ স্মৃতিৰ মাজত আজিও সজীৱ হৈ আছে সর্বশ্রী ৰীতা শর্মা, মঞ্জু দেৱী, ৰঞ্জুমণি বৰা (ডিগবৈ কলেজত বর্তমান অধ্যাপনা কৰিছে), জ্যোতি বৰঠাকুৰ, আৰতি ঠাকুৰ, মুচফিকা দৌল্লা, নীলু দৌল্লা, নাজমা বেগম, বাণীমা বৰুৱা, বিনু দত্ত, চফিকুন নাহাৰ ইচলাম, শুৱলা মজিন্দাৰ বৰুৱা আদি।

আমাৰ কলেজৰ প্রতিষ্ঠাপক অধ্যক্ষ আছিল শ্রীযুত তোষেশ্বৰ দত্ত এম.এ. বি.এল ডাঙৰীয়া। তেখেতে বুৰঞ্জী বিভাগত পাঠদানো কৰিছিল। বুৰঞ্জী বিভাগত তেখেতৰ সহকর্মী আছিল শ্রীযুত কান্তেশ্বৰ ডেকা ছাৰ। ইংৰাজী বিভাগত আছিল শ্রীযুত জীৱন ভট্টাচার্য আৰু শ্রীযুত ইন্দ্রসেন প্রসাদ গুপ্তা ছাৰ। ভট্টছাৰক আমি মাত্র এবছৰহে পাইছিলো। পাছৰ বছৰত তেখেতৰ ঠাইত আমি পাইছিলো শ্রীযুতা অঞ্জলি বৰুৱা বাইদেউক। অসমীয়া, ঐচ্ছিক অসমীয়া আৰু দ্বিতীয় ভাষা পঢ়াইছিল শ্রীযুতা অনিমা ভৱালী বাইদেউ আৰু শ্রীযুতা মিনতি বেজবৰুৱা বাইদেৱে। বেজবৰুৱা বাইদেউৰ বিয়া হৈ যোৱাৰ পাছত তেখেতৰ ঠাইত আমাক পঢ়াইছিল শ্রীযুতা অঞ্জলি দেৱী (বর্তমান সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা কৰি আছে)। ৰাজনীতি বিজ্ঞান পঢ়াইছিল শ্রীযুত বীৰেন তালুকদাৰ ছাৰ আৰু শ্রীযুত নিৰলা ফুকন বাইদেৱে। ফুকন বাইদেউ মাত্র এবছৰ আছিল। পাছৰ বছৰত তেখেতৰ ঠাইত আমি পাইছিলো শ্রীযুত চাহাবুদ্দিন আহমদ ছাৰক। অর্থনীতি বিষয়ত পাঠদান কৰিছিল কলেজৰ বর্তমানৰ অধ্যক্ষ শ্রীযুত হাফিজুৰ ৰহমান ছাৰে। শিক্ষা বিভাগত আছিল নীলিমা বৰুৱা বাইদেউ আৰু শ্রীযুতা বীণা শর্মা বাইদেউ। ভূগোল পঢ়াইছিল শ্রীযুত অৰুণ ঠাকুৰ ছাৰে আৰু গার্হস্থ্য বিজ্ঞান পঢ়াইছিল

সুদূৰ কেবেলা আচাম্মা মাডামে। শেষৰ দুটা বিভাগ অকল প্রাক-বিশ্ববিদ্যালয় শ্রেণীতহে আছিল। অফিচৰ দায়িত্বত আছিল ত্রিলোচন দত্তদেৱ। এখেতেই আছিল কলেজৰ বয়োজ্যেষ্ঠ লোক। 'সাধন' নামৰ অফিচৰ সহায়ক এজনো আছিল। আচাম্মা মাডামৰ তত্বাৱধানত আমোলাপট্টিত এটি ছাত্র নিবাসো আছিল। এতিয়া ভাবিলে তবধ মানিব লাগে সেই সময়ত শিৱসাগৰৰ নিচিনা এখন সৰু ঠাইত প্রতিষ্ঠা বছৰতে ইমানবোৰ পাঠ্য বিষয়লৈ, অভিজ্ঞ অধ্যাপক অধ্যাপিকাৰে কলেজখনৰ গুৰি বঠা ধৰোঁতে কিমান ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। জন্ম যন্ত্রণাদায়ক হ'লেও সৃষ্টিশীল বাবেই প্রেৰণা দায়ক। মহৎ সৃষ্টিৰ এই প্রেৰণাতে উদ্বুদ্ধ হৈ হয়তো সেই সময়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কলেজখনৰ লগত জড়িত থকা অন্যান্য সকলে আর্থিক লাভলৈ ভ্রূক্ষেপ নকৰি সকলো দায়িত্ব আন্তৰিকতাৰে লৈছিল।

'কালিপ্রসাদ মেম'ৰিয়েল হল'টোক অস্থায়ী বেৰা দি শ্রেণীকোঠা, অধ্যক্ষ আৰু অফিচৰ কোঠা, অধ্যাপকৰ জিৰণি কোঠা আদি সজাই লোৱা হৈছিল। আমাৰ স্নাতক প্রথম বার্ষিকৰ শ্রেণী বহিছিল মঞ্চটোত। প্রাক্-বিশ্ববিদ্যালয় শ্রেণী বহিছিল তাৰ কাষতে ডাঙৰ কোঠা এটাত। বেৰাবোৰ অস্থায়ী আৰু চাপৰ হোৱাত পাঠ গ্রহণত দুয়োটা শ্রেণীয়ে যথেষ্ট অসুবিধা ভোগ কৰিছিল। পাছলৈ সকলোবোৰতে আমি অভ্যস্ত হৈ পৰিছিলো। আমাৰ শ্রেণীসমূহ পুৱাৰ ভাগত বহিছিল। সেয়ে পাঠদান আৰু পাঠ গ্রহণত মনোনিৱেশ কৰিব পাৰিছিলো। প্রত্যেক মাহতে আমাৰ মাহিলী পৰীক্ষা অনুষ্ঠিত হৈছিল। সেই পৰীক্ষাত আমি সদায় বহিছিলো আৰু আমাৰ ভিতৰত কোনে সর্বোচ্চ নম্বৰ পাব পাৰে তাৰ প্রতিযোগিতা চলিছিল। এই প্রতিযোগী মনটোৰ বাবে আমি পঢ়া-শুনাত আগবাঢ়িব পাৰিছিলো। কলেজ কর্তৃপক্ষই আমাৰ পঢ়া-শুনাৰ প্রতি লক্ষ্য ৰখাৰ উপৰিও বৌদ্ধিক বিকাশৰ যত্নও পার্যমানে কৰিছিল। আর্থিক অভাৱ থাকিলেও প্রথম বর্ষৰে পৰা আমি নৱাগতা আদৰণি উৎসৱ, কলেজ সপ্তাহ, সৰস্বতী পূজা আদি অনুষ্ঠিত কৰিছিলো। এইবিলাক উদ্যাপন কৰোঁতে ক'ৰপৰা অর্থ সংগ্রহ হৈছিল নাজানো কিন্তু আমাক প্রেৰণা দিবলৈকে আয়োজন কৰা হৈছিল বুলি এতিয়া অনুভৱ কৰিছো। প্রথম নৱাগত আদৰণি উৎসৱ আয়োজনৰ অভিজ্ঞতা হলে স্পষ্ট মনত আছে। এই উৎসৱ পাতিবৰ কাৰণে আমি আর্থিক সাহার্য বিচাৰি আমাৰ সৰু চহৰখনৰ গণ্যমান্য ব্যক্তিসকলৰ কাষ চাপিছিলো। আমাক উৎসাহ দিবৰ কাৰণে তেখেতসকলৰ সামর্থ অনুসৰি সাহার্য দান কৰিছিল, কিন্তু এজন বিশিষ্ট ব্যক্তিয়ে (যাৰপৰা আমি বিশেষ সাহার্য আশা কৰিছিলো) এনে ধৰণৰ অনুষ্ঠান পতাৰ বিৰোধিতা কৰি কেৱল পঢ়াতহে গুৰুত্ব দিবলৈ কৈ আমাক শুদামুখে ঘূৰাই পঠাইছিল। আমি মনত বৰ দুখ পাইছিলো, কিন্তু হতাশ হোৱা নাছিলো। মহা সমাৰোহেৰে আমি কলেজৰ প্রথম নৱাগতা আদৰণি উৎসৱ উদ্যাপন কৰিছিলো। ইয়াৰ পৰা আমি যথেষ্ট অনুপ্রেৰণাও পাইছিলো। প্রথম বছৰতেই আমি অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু ছাত্রী সকলো মিলি বিহুবৰত বনভোজ খাবলৈ গৈছিলো। ছাত্রীসকলৰ নেতৃত্ব লৈছিল শুৱলা মজিন্দাৰ বৰুৱাই। আমাৰ স্থানীয় কলেজ ভৱন কালিপ্রসাদ মেম'ৰিয়েল হলত দুটা কলেজ

সপ্তাহো অনুষ্ঠিত কৰিছিলো। আমাৰ শ্ৰেণীত খেলা-ধূলা কৰা ছাত্ৰী নাছিল। সাহিত্যৰ সকলো বিষয়তে আৰু তাঁত শিল্প, সূচীশিল্প, উলগুঠা আদিৰ প্ৰদৰ্শনীত ভাগ লৈছিলো আৰু পুৰস্কৃত হৈছিলো। আমাৰ শ্ৰেণীৰ পৰা প্ৰত্যেকটো উৎসৱতেই একাঙ্কিকা নাট এখন অভিনয় কৰাটো নিয়মত পৰিণত হৈছিল। আমাৰ ছাত্ৰী একতা সভাৰ প্ৰথম গৰাকী সাধাৰণ সম্পাদিকা আছিল শ্ৰীমতী অঞ্জলী ঠাকুৰ। এওঁ বৰ সহজ-সৰল আছিল। এই গধুৰ দায়িত্ব কোনেও ল'বলৈ নিবিচাৰিছিল। অঞ্জলিৰ সৰলতাৰ সুযোগ লৈ সাধাৰণ সম্পাদিকাৰ গুৰু দায়িত্ব আমি তেওঁৰ কান্ধত দিছিলো যদিও শ্ৰেণীটোৰ সমূহ ছাত্ৰীয়ে তেওঁক সকলো সময়তে সহায় কৰিছিলোঁ। তদুপৰি সহকাৰী সাধাৰণ সম্পাদিকা আছিল আমাৰ শ্ৰেণীৰে ইভা ৰাজখোৱা আৰু মই আছিলো তৰ্ক, সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা।

আমাৰ স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষা কালিপ্ৰসাদ মেম'ৰিয়েল হলতে অনুষ্ঠিত হৈছিল। প্ৰথম খণ্ড পৰীক্ষাত আমাৰ কিমান ছোৱালী উত্তীৰ্ণ হৈছিল মনত নাই কাৰণ আমাৰ দিনতেই প্ৰথম স্নাতক পৰীক্ষাত 'বেক' দিয়া পদ্ধতি প্ৰচলন হৈছিল। ১৯৬৬-১৯৬৭ চনতহে আমি নিজা ভৱন পাওঁ। এই ভৱনটো আগতে অসম চৰকাৰৰ ৰাজহ বিভাগৰ অফিচ আছিল। স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা অসমৰ মুখ্যমন্ত্ৰী থকাৰ কালত, শিৱসাগৰলৈ চৰকাৰী ভ্ৰমণ সূচী লৈ আহোঁতে আমাৰ কলেজৰ তৰফৰ পৰা তেখেতক সম্বৰ্ধনা জনোৱা হৈছিল। এই সম্বৰ্ধনা সভা হৈছিল হেমন্তৰ এটি পুৱাত, অতি কম সময়ৰ বাবে, কলেজৰ পৰিচালনা সমিতি, অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু সমূহ ছাত্ৰীক লৈ। অনাড়ম্বৰ ভাৱে অনুষ্ঠিত হোৱা এই সভাৰ উদ্দেশ্য আছিল মুখ্যমন্ত্ৰীৰ বাসভূমিত গঢ়ি উঠা এই চালুকীয়া ছোৱালী শিক্ষানুষ্ঠানটিৰ নিজা ভৱনৰ অভাৱৰ কথা অৱগত কৰোৱা। সেই সময়ত শিৱসাগৰৰ পৰা নাজিৰালৈ উঠি যোৱা ৰাজহ বিভাগৰ এই ভৱনটি পাকে-প্ৰকাৰে প্ৰাৰ্থনা কৰাটোৱেই আছিল এই সম্বৰ্ধনাৰ মূল উদ্দেশ্য। এই সম্বৰ্ধনা সভাতে মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে তেখেতৰ ভাষণত স্ত্ৰী শিক্ষাত গুৰুত্ব দি, কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি ভৱন দান কৰাৰ কথা ঘোষণা কৰিছিল।

১৯৬৬-৬৭ চনৰ শিক্ষাবছৰত কলেজৰ নিজা ভৱনত আমাৰ চাৰিওটা শ্ৰেণী সুচাৰুৰূপে চলিছিল। এই ভৱনত ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। দুগৰাকীমান আমাৰ শ্ৰেণীৰ ছাত্ৰীয়ে প্ৰথম খণ্ড পৰীক্ষা দিয়াৰ পাছতে বিদায় লৈছিল আৰু তেওঁলোকৰ ঠাই পূৰণ কৰিছিল সৰ্বশ্ৰী অঞ্চলা চলিহা, মুছিদা বেগম, বিজুলী দেৱী আদিয়ে। তৃতীয় বাৰ্ষিক শ্ৰেণীত আমাৰ আগৰ উচ্ছাস কমি আহিছিল, কাৰণ এবছৰ পঢ়ি আমি চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া হৈছিল। সেইবুলি কলেজত অনুষ্ঠিত হোৱা সকলো অনুষ্ঠানতে যোগ দি যোগ্যতা প্ৰদৰ্শন কৰিছিলো। নিজা ভৱনত অনুষ্ঠিত হোৱা বাবে আগৰ দুবছৰতকৈ বেছি আড়ম্বৰপূৰ্ণভাৱে কলেজ সপ্তাহ অনুষ্ঠিত হৈছিল। অৱশ্যে ছাত্ৰীসকলৰ সক্ৰিয় সহযোগেহে অনুষ্ঠানসমূহৰ আড়ম্বৰ তীব্ৰতৰ কৰি তুলিছিল। মোৰ এতিয়াও মনত আছে স্নাতক দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰীসকলে কলেজ সপ্তাহৰ নাট প্ৰতিযোগিতাত 'লক্ষ্মীনাথ বেজবৰুৱাৰ একাংকিকা নাট 'জগৰা মণ্ডলৰ প্ৰেমাভিনয়' অভিনয় কৰাৰ কথা। প্ৰতিযোগিতাত এইখন নাট অভিনয় কৰিবলৈ

Scanned with OKEN Scanner

যথেষ্ট অসুবিধা। পুৰুষৰ চৰিত্ৰ অভিনয় কৰা আৰু জটিল। কিন্তু জগৰা মণ্ডলৰ ভাৰত নীলু দৌল্লাই সাৱলীল অভিনয় কৰি সমূহ দৰ্শকৰ হাঁহিত পেটৰ নাড়ী ছিঙাৰ উপক্ৰম কৰিছিল আৰু প্ৰথম পুৰস্কাৰো লাভ কৰিছিল।

আজিকালি থকাৰ দৰে ডাঙৰ গ্ৰন্থাগাৰ, পাঠ্যগাৰ, কলেজ কেণ্টিন, লাইট-ফেন আমাৰ দিনত নাছিল। কলেজখন নতুন বাবেই সেই অভাৱবোধ আমি কেতিয়াও কৰা নাছিলো। কলেজখনৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশটোৱে আমাক মোহিত কৰিছিল। ঐতিহ্যমণ্ডিত শিৱদ'ল, বিষ্ণুদ'ল আৰু ববপুখুৰীৰ গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ ওচৰতে আমাৰ কলেজ। কলেজখনকো তেতিয়া এটি পৱিত্ৰ মন্দিৰ যেন অনুভৱ হৈছিল। কলেজৰ চৌহদ কানা আৰু মেৰিগ'ল্ড ফুলেৰে সুশোভিত কৰা হৈছিল। নিয়মানুৱৰ্তিতাৰ লগতে পৰিস্কাৰ কৰি ৰখাত ছাত্ৰীসকলৰ পৰাও সহযোগ পাইছিল। সুনাম ৰক্ষা কৰাত আমাৰ শ্ৰেণীটো সজাগ আছিল। কোনো দিন কোনো ধৰণৰ তিক্ততা আমাৰ পৰা অধ্যক্ষ বা শিক্ষাগুৰুসকলে পোৱা নাছিল। আজৰি সময়ত আমি বাহিৰলৈ নগৈ বৰ্তমান কেণ্টিন থকা ঠাইডোখৰত বহি ঘৰৰ পৰা অনা টিফিন খাইছিলো। সেইডোখৰ ঠাই তেতিয়া সুন্দৰ ঘাঁহনি আছিল। জাৰকালি আমি কমনৰূমত নবহি সেই ঠাইডোখৰতে বহি লৈ বিভিন্ন আলোচনা কৰিছিলো। কাৰোবাৰ দুৰ্বোধ্য অধ্যায় থাকিলে জনা গৰাকীয়ে ঘাঁহনিৰ এই সেউজীয়াত বুজাই দিছিল। আমাৰ মাজত পাঠ্য আলোচনা বেছিকৈ হৈছিল। সেয়ে শ্ৰেণীটোত অধ্যয়নশীল পৰিৱেশ এটা গঢ়ি উঠিছিল। পঢ়া-শুনাৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয়ে আমাক যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। সেই সময়ত বজাৰত অসমীয়া সাহিত্যৰ পাঠ্য-পুথিৰ বৰ অভাৱ আছিল। এখন পুথি পালেই আমি শ্ৰেণীটোৱে আলোচনা কৰি পঢ়িছিলো। আমাৰ পুথিভঁৰালটোত থকা দুষ্প্ৰাপ্য পুথিসমূহ অধ্যক্ষ মহোদয়ে ক'ৰপৰা সংগ্ৰহ কৰিছিল নাজানো। সেইবোৰ ব্যৱহাৰ কৰি আমি যথেষ্ট উপকৃত হৈছিলো। আমাৰ পঢ়া-শুনাৰ ক্ষেত্ৰত যথেষ্ট সা-সুবিধা অধ্যক্ষ মহোদয়ে দিছিল। আমি তেখেতৰ ওচৰত সহজভাৱে আমাৰ অসুবিধাসমূহ ব্যক্ত কৰিব পাৰিছিলো। কিন্তু পঢ়া নুবুজিলে শিক্ষাগুৰুসকলৰ কাষ চাপিবলৈ লাজ কৰিছিলো জানোচা আমাক শ্ৰেণীত অমনোযোগী বুলি ভাৱে। সেয়ে নিজে পঢ়ি বুজিবলৈ চেষ্টা কৰিছিলো। বজাৰৰ প্ৰশ্নোত্তৰ ব্যৱহাৰ কৰা অভ্যাস আমাৰ নাছিল। পাঠ্যপুথিসমূহ সলসলীয়াকৈ পঢ়িছিলো। প্ৰথম বছৰৰ ছাত্ৰী বুলিয়েই সম্ভৱত পঢ়াশুনৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয়ে আৰু শিক্ষাগুৰুসকলৰ আদৰ যত্ন আৰু তীক্ষ্ণ দৃষ্টি আমাৰ ওপৰত আছিল। তেখেতসকলৰ সেইখিনি আন্তৰিকতাৰ বাবেই ১৯৬৭ চনত এপ্ৰিল মাহত অনুষ্ঠিত হোৱা চূড়ান্ত পৰীক্ষাত আমাৰ ফলাফল ভাল হৈছিল। সোতৰগৰাকী ছাত্ৰী সাধাৰণভাৱে উত্তীৰ্ণ হৈছিল আৰু এগৰাকীয়ে ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হৈছিল। সেই বছৰত বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ্থী আছিল ১৬১৩ গৰাকী আৰু উত্তীৰ্ণৰ হাৰ আছিল শতকৰা ৫১.২৭ আৰু তাৰে ৬২ গৰাকীয়ে সম্মান (অনার্চ) লাভ কৰিছিল আৰু ছজনে ডিষ্টিংচন লাভ কৰিছিল। উল্লেখযোগ্য যে ডিষ্টিংচনৰ প্ৰথম তিনিটা স্থান লাভ কৰিছিল ছাত্ৰীয়ে আৰু তাৰে তৃতীয় স্থান কৰিছিল বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী পৰীক্ষাৰ্থী (ৰোল নম্বৰ এক) আমাৰ কলেজৰ ছাত্ৰী এই ৰচনাৰ লেখিকাই। কলেজৰ এই

ফলাফলত সংশ্লিষ্ট সকলোৰেই আনন্দিত হৈছিল। আমিও পুলকিত হৈছিলো আমাৰ ছাত্ৰী জীৱনকে বুনিয়াদ স্বৰূপে লৈ সৰ্বোচ্চ সুন্দৰ ৰূপত শিৱসাগৰ ছোৱালী মহাবিদ্যালয় সুপ্ৰতিষ্ঠিত হ'ব বুলি। আমাৰ সেই স্বপ্ন আজি বাস্তৱত পৰিণত হৈছে। আমাৰ পাছতো এই কলেজ ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈ আহিছে। আমাৰ মৰমৰ কলেজখন দোপদোপে উন্নতি কৰি আজি ৰূপালী জয়ন্তী বৰ্ষত বিজ্ঞান শাখা খুলিবলৈ সমৰ্থ হৈছে। আমি আশা ৰাখিছো শিৱসাগৰ ছোৱালী কলেজে উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰি স্ত্ৰী শিক্ষা বিকাশত বিশেষ বৰঙনি যোগাব।

আস্না চেতিয়া
অধ্যাপিকা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়

Scanned with OKEN Scanner

(২)

"হে অতীত তুমি হৃদয়ে আমাৰ
কথা কওঁ কথা কওঁ"

— কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰ

অতীতক পাহৰিব নোৱাৰি। হৃদয়ৰ অতল গহ্বৰত সযতনে সাঁচি ৰখা অতীত স্মৃতিৰ মণি-মুকুতাবোৰ আজি এটা এটাকৈ খুচৰি খুচৰি চাবলৈ প্রয়াস কৰিছো। বিগত দিনৰ সেই সাত ৰঙৰ মই আগবঢ়াইছোঁ —

অতীতৰ বুৰঞ্জীয়ে গভীৰভাৱে স্পর্শ কৰা পুৰণি ৰংপুৰ নগৰীৰ ৰৰপুখুৰী আৰু শিৱ, বিষ্ণু আৰু দেৱীদ'লৰ কাষতে শিৱসাগৰ ছোৱালী কলেজ অৱস্থিত। ১৯৬৪ চনতে কালিপ্রসাদ স্মৃতি মন্দিৰত আমাৰ কলেজখন শুভ আৰম্ভণি হৈছিল। নতুন কলেজ হিচাপে ছাত্রীৰ সংখ্যা একেবাৰে কম নাছিল।

মনত আজিও পৰে প্রৱেশিকা পৰীক্ষা পাছ কৰাৰ পাছত মোৰ পঢ়া-শুনাৰ গুৰি ধৰোঁতা ককাদেউতা পৰম গুৰু ঁৰত্নকান্ত শর্মাদেৱে মোক এদিন ক'লে, শিৱসাগৰত এখন ছোৱালী কলেজ স্থাপন হ'ব। মই তাতে পঢ়িলে তেখেতে ভাল পাব। মই গুৱাহাটীত পঢ়াৰ কথা আছিল, তেখেতে মোক শিৱসাগৰতেই পঢ়ালে। আগতে উল্লেখ কৰিছো, কলেজটো প্রথমে কালিপ্রসাদ স্মৃতি মন্দিৰত আৰম্ভ হৈছিল। ঠাই যদিও কম, পৰিৱেশ বৰ সুন্দৰ আছিল। আমাৰ শ্রেণীসমূহ ৰাতিপুৱা বহিছিল। শীত-কালত কুঁৱলীৰ মাজত কলেজলৈ আহি খুউব ভাল লাগিছিল। বাটত আমি কোনো অসুবিধা পোৱা মনত নপৰে। ছাত্রী জীৱনৰ দিনবোৰলৈ মনত পেলালে বহুতো কথা মনত পৰে। মোৰ কলেজীয়া জীৱনৰ দিনকেইটা বৰ মধুৰ আছিল। সেই সময়ত আমাৰ শিক্ষাগুৰুসকল, অধ্যক্ষ মহোদয় আদিয়ে পঢ়া-শুনাত যথেষ্ট সহায় আৰু প্রেৰণা যোগাইছিল। প্রতিমাহে পৰীক্ষা পাতি আমাক ফাইনেল পৰীক্ষাৰ বাবে বহুত আগতে সাজু হোৱাত সহায় কৰিছিল। পঢ়া-শুনাৰ লগতে আমি কলেজত নানা অনুষ্ঠান যেনে সৰস্বতী পূজা, বার্ষিক অনুষ্ঠান, নৱাগত আদৰণি, তর্ক প্রতিযোগিতা অনুষ্ঠিত কৰিছিলো। এইদৰে কলেজৰ আৰম্ভণি সঁচাকৈ বৰ ভাল লাগিছিল। তেতিয়াই ৰাজহুৱা অনুষ্ঠান এটা নিজৰ বুলি ভাবি কাম কৰিব লাগে কথাষাৰ শিকিছিলো।

এতিয়াও শিৱসাগৰলৈ গ'লে কলেজৰ সন্মুখত ৰৈ কলেজখন সদায় চাই আহো নহ'লে মোৰ শিৱসাগৰ যাত্রা অসম্পূর্ণ যেন লাগে। বর্ত্তমান কলেজৰ ঘৰতো পাবৰ বাবে আমি কিছুমান ছাত্রী, শিক্ষক, শিক্ষয়িত্রী আৰু অধ্যক্ষ মহোদয় লগলাগি চহৰৰ বাহিৰতো দান-বৰঙণি সংগ্রহ কৰিছিলো। কলেজখন বর্ত্তমানৰ ঠাইলৈ স্থানান্তৰিত হোৱাৰ পাছত আমি আহল-বহলকৈ শ্রেণী কোঠাসমূহ পালো। এই ঠাইৰ পৰিৱেশো সুন্দৰ, কাষতে এখন ছোৱালী হাইস্কুলো আছে। লাহে লাহে ছাত্রীৰ সংখ্যাও

Scanned with OKEN Scanner

বৃদ্ধি পালে আৰু আমাকো পঢ়া-শুনা বা আন ক্ষেত্ৰত সা-সুবিধা দিয়া হৈছিল। কলেজীয়া দিনকেইটাত বহুত কথা জনাৰ, জ্ঞান আহৰণৰ সুযোগ পাইছিলো। শ্ৰেণীত প্ৰত্যেক গৰাকী শিক্ষাগুৰুৰ আন্তৰিকতা স্মৰণযোগ্য।

কলেজত সাধাৰণ সম্পাদিকা হৈ থকা দিনকেইটাত বহুতো অনুষ্ঠান অনুষ্ঠিত কৰিছিলো। খেল-ধেমালি, প্ৰদৰ্শনী, তৰ্ক প্ৰতিযোগিতা আদি অনুষ্ঠানবোৰ উলহ-মালহেৰে উদ্‌যাপন কৰিছিলো। এবাৰ অধ্যক্ষ মহোদয়ৰ পৰিচালনাত এখন ইংৰাজী নাট মঞ্চস্থ কৰি আমি প্ৰশংসা লভিছিলো। এইবিলাকত সকলো ছাত্ৰীৰে এটা Team Spirit আছিল। আন আন অনুষ্ঠানবোৰতো আমি অনুষ্ঠিত কৰাৰ লগতে যোগদান কৰি বৰ আনন্দ পাইছিলো। কলেজৰ পৰা আমাক নানা সা-সুবিধা আৰু খেলাৰ সা-সৰঞ্জাম যি পাৰে দিছিল। সেই সময়ৰ অনুষ্ঠানসমূহলৈ বিশিষ্ট লোকসকলক আমি নিমন্ত্ৰণ কৰি কৃতাৰ্থ হৈছিলো।

আৰু এটা কথা নকৈ নোৱাৰোঁ, কলেজত সেই সময়ত এন.চি.চি. খুলিছিল। মোক সেইসময়ত Senior Under Officer কৰি দিয়া হ'ল। প্ৰথমে ভয় লাগিছিল কিন্তু দুবাৰমান অসমৰ বাহিৰৰ কেম্পসমূহ, চিমলা, পঞ্জাৱৰ কুলু উপত্যকা আদিত যোগদান কৰাৰ পিছত ভাৰ হ'ল আৰু আচৰিত হৈছিলো যে ভাৰতৰ আন ঠাইৰ ছোৱালীবোৰে শিকাৰ কিমান সুযোগ পাইছে আৰু কিমান আগবঢ়া। আগ্ৰহী ছাত্ৰীসকলক সদায় এন.চি.চি.ৰ প্ৰশিক্ষণত সহায় কৰিছিলো। অতি কম কেডেট লৈও মাৰ্চপষ্টত যোগদান কৰা মনত পৰে, মনত সংকল্প আছিল শিৱসাগৰ কলেজৰ ছাত্ৰীয়ে যোগ দিব, আমাৰ ছোৱালী কলেজৰ ছাত্ৰীয়েও যোগ দিব লাগিব। কলেজটো মোৰ অতি মৰমৰ, ই পিছপৰি থকাটো মোৰ সহ্য নহৈছিল। অৱশ্যে এইবোৰ কামত বহুতো তিতা-মিঠা অভিজ্ঞতাও নথকা নহয়।

কলেজৰ এইয়া কেৱল স্মৃতি আৰু অভিজ্ঞতাৰ থূলমূল আভাসহে। আজি শিৱসাগৰ ছোৱালী কলেজ অসমৰ এখন লেখত ল'বগলীয়া পূৰ্ণাংগ কলেজ। তেতিয়া সা-সুবিধা যিমান আছিল তাতকৈ বেছি আছিল আন্তৰিকতা, বুজাপৰা আৰু গুৰুৰ প্ৰতি সন্মান। ৰাইজ, শিক্ষকসকল, ছাত্ৰীসকল আদি সকলোৰে সহযোগিতা, কলেজখনৰ আজি এই উন্নত অৱস্থা প্ৰাপ্ত হৈছে। ই নিশ্চয় সকলোৰে বাবে গৌৰৱ ও আনন্দৰ বিষয়।

আজি শিৱসাগৰ ছোৱালী কলেজৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ সময়ত কলেজখন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আগভাগ লৈ নাৰী শিক্ষাৰ অগ্ৰগতিত ইমান বলিষ্ঠ পদক্ষেপ লোৱা উদ্যোক্তাসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু নিজকে সেই কলেজৰ ছাত্ৰী বুলি ক'বলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ। এনে পবিত্ৰ ক্ষণত কলেজখন সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰিছোঁ।

ড° ৰীতা শৰ্মা
এম.এ., বি.টি., পি.এইচ.ডি, মুৰব্বী প্ৰবক্তা, অৰ্থনীতি বিভাগ, দিশপুৰ মহাবিদ্যালয়

Scanned with OKEN Scanner

(৩)

মোৰ আজি মনত পৰিছে ছাত্ৰী জীৱনৰ পাৰ হৈ যোৱা সোণালী দিনৰ টুকুৰা স্মৃতি। ১৯৬৪ চনৰ আগলৈকে শিৱসাগৰত কোনো মহিলা কলেজ নথকাত বহুতো ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে বাহিৰলৈ যাবলগা হৈছিল। তাৰে ভিতৰত ভালেমান মেধাৱী ছাত্ৰীয়ে আৰ্থিক সংকটৰ বাবে শিক্ষা জগতৰ পৰা বঞ্চিত হৈছিল। সেই সময়ত অসমৰ যিকেইখন মহিলা কলেজ আছিল তাক আঙুলিৰ মূৰতে লিখিব পাৰি। এনে এটা সন্ধিক্ষণতে শিৱসাগৰৰ কেইজনমান মহান চিন্তাশীল ব্যক্তিৰ দূৰদৃষ্টিত শিৱসাগৰ ছোৱালী কলেজখনৰ জন্ম হ'ল।

কালীপ্ৰসাদ স্মৃতি মন্দিৰ হ'ল শিৱসাগৰ ছোৱালী কলেজৰ প্ৰথম দুৱাৰ। এমুঠি ছাত্ৰীৰ সৈতে তাতেই কলেজৰ শ্ৰেণী আৰম্ভ হ'ল। আমি জনামতে প্ৰাক্ বিশ্ববিদ্যালয় আৰু স্নাতক দুয়োটাই।

১৯৬৮ চনৰ তেতিয়া আমি প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বিভাগ শ্ৰেণীৰ ছাত্ৰী। আমাৰ অধ্যক্ষ আছিল মাননীয় শ্ৰীযুত তোষেশ্বৰ দত্ত। কলেজখনৰ উন্নতিৰ হকে অধ্যক্ষ দত্ত ছাৰৰ উপৰিও তেতিয়াৰ আমাৰ মাননীয় শিক্ষাগুৰুসকলৰ ত্যাগ আৰু বৰঙনিৰ কথা ছোৱালী কলেজৰ বুৰঞ্জীয়ে সদায়ে ক'ব। ছাত্ৰী আৰু অভিভাৱক সকলৰ বৰঙনিও তাৎপৰ্যপূৰ্ণ বুলি ক'ব পাৰি। এখন কলেজ গঢ়িবলৈ কিমান কষ্টকৰ তাক আমি ছাত্ৰী হৈ থাকোতেই গভীৰভাৱে উপলব্ধি কৰিছিলো। অধ্যক্ষ দত্ত ছাৰৰ সৈতে ৰাতি-দিন গাঁৱে-নগৰে, বাগিচাই বাগিচাই, ঘৰে ঘৰে গৈ টকা সংগ্ৰহ কৰাটো আজিও মনৰ পৰা আঁতৰা নাই। মোৰ একালৰ বান্ধৱী ৰীতা শৰ্মা, সুমিত্ৰা সেন, বন্তি বেজবৰুৱা, দেৱ গগৈ আদিয়েও ছোৱালী কলেজখনৰ বাবে বহু কষ্ট ত্যাগ কৰিছিল।

১৯৬৬ চনত ঐতিহাসিক শিৱ মন্দিৰ আৰু শিৱসাগৰ পুখুৰীৰ দাঁতিত দহ হেজাৰ টকাত মাটি আৰু ভৱন কিনি কালী প্ৰসাদ স্মৃতি মন্দিৰৰ পৰা কলেজ তুলি অনা হ'ল। এডাল সাঁকোৰেদি বগাই অহা এইখনেই শিৱসাগৰ জিলাৰ একমাত্ৰ মহিলা কলেজ।

আমি ছাত্ৰী হৈ থাকোতে কেইবাজনো অধ্যক্ষ ছাৰক লগ পোৱাটো স্মৰণীয়। সেই সকলৰ ভিতৰত সৰ্বশ্ৰী তোষেশ্বৰ দত্ত ছাৰ, মুহিৰাম শইকীয়া ছাৰ আৰু বীৰেন বৰকটকী ছাৰে কলেজখনৰ প্ৰতি বহুখিনি বৰঙনি দি গ'ল। কবি-সাহিত্যিক বৰকটকী ছাৰে ৰূপালী জয়ন্তীৰ আগমুহূৰ্তলৈকে অধ্যক্ষ ৰূপে গুৰি ধৰা কলেজখনৰ নতুন দিনৰ বাটলৈ বহুখিনি আগবঢ়াই আনিলে। বৰ্তমানৰ অধ্যক্ষ হাফিজুৰ ৰহমান ছাৰ আৰু শিক্ষাগুৰুসকলে ছোৱালী কলেজখনৰ উন্নতিৰ হকে যি কৰ্মসূচী হাতত লৈছে তাৰ গৰিমা সময়ত নিশ্চয় প্ৰকাশ পাব।

Scanned with OKEN Scanner

আমাৰ মনত পৰা মতে এশ পঁশিচগৰাকী ছাত্ৰীৰে আৰম্ভ কৰা ছোৱালী কলেজখনৰ আজি এক নতুন ৰূপ। অসমৰ অন্যান্য কলেজৰ দৰে প্ৰথম পদক্ষেপতে সাহিত্য, নাট, খেলা-ধূলা আদি অনুষ্ঠানৰ জন্ম লোৱাটো স্মৰণীয়। আমি প্ৰায়বোৰতে অংশ গ্ৰহণ কৰিছিলো। মই নিজে সাহিত্য, তৰ্ক, আকস্মিক বক্তৃতা, আবৃত্তি আদিত যোগদান কৰি প্ৰথম হোৱা সেই দিনৰ কথাবোৰ আজিও মনত পৰে। আমি ইংৰাজী আৰু ভালেমান অসমীয়া নাটকৰ অভিনয় ছাত্ৰী হৈ থাকোতে কৰিছিলো। কলেজৰ দিৱসত ঁনলিনীবালা দেৱী, ড° নিৰ্মলপ্ৰভা বৰদলৈ আৰু অন্যান্য অসমৰ বৰেণ্য শিল্পী-সাহিত্যিকে কলেজৰ বহু অনুষ্ঠানত খোজ পেলাই গৈছে।

আমাৰ দিনত শিক্ষক আৰু ছাত্ৰীৰ মাজত এক অতুলনীয় সম্পৰ্ক আছিল। কলেজখনৰ প্ৰগতিৰ বাবে ছাত্ৰীসকলক শিক্ষকসকলে প্ৰেৰণা দিয়া সেই স্মৃতিখিনিৰ কথা মোৰ মানসপটত আজিও সজীৱ হৈ আছে।

আজি কলেজখনৰ বহুখিনি পুৰণা স্মৃতিয়ে মোক বাৰে বাৰে আমনি কৰি থাকেহি। মহাবিদ্যালয়ৰ পৰা অকালতে হেৰাই যোৱা ঁসুৰেণ গোস্বামী ছাৰ আৰু ঁনীলিমা বৰুৱা বাইদেউৰ স্মৃতিয়ে মোৰ দুচকুত আজিও চকুলো বোৱায়।

আজি এই শুভ ক্ষণত যিসকলে এই শিক্ষানুষ্ঠাটিৰ প্ৰতি অশেষ ত্যাগ স্বীকাৰ কৰিলে সেই সকলোটিলেকে মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। কলেজখনিৰ উত্তৰোত্তৰ উন্নতি কামনাৰে সামৰিছোঁ।■

অলকা চেতিয়া
ৰেডক্ৰছ পথ, শিৱসাগৰ

Scanned with OKEN Scanner

(৪)

১৯৬৮ চন। কলেজ জীৱনৰ প্ৰথম আৰম্ভণি। শিৱসাগৰ ছোৱালী কলেজে সেই বছৰত পঞ্চম বৰ্ষত ভৰি দিছে। নতুনকৈ হোৱা কলেজ। কলেজৰ চৌহদ তেনেই সৰু। কিন্তু ছোৱালীৰ সংখ্যা দিনে দিনে বাঢ়ি আহিছিল। কলেজত শ্ৰেণী বহিবৰ বাবে কোঠাৰ সংখ্যাও আছিল নিচেই তাকৰ। কিন্তু তাৰ মাজতে অধ্যক্ষ মহোদয় আৰু শিক্ষা গুৰুসকলৰ সহায়ত শ্ৰেণীসমূহ খুউব নিয়মীয়াকৈ চলিছিল। প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীটো সেই সময়ত এবছৰীয়া আছিল। জুলাই মাহৰপৰা ডিচেম্বৰ মাহলৈকে ক্লাছ হয়। সেই কম সময়ৰ ভিতৰতে তেতিয়াৰ কলেজখনত বাচনি পৰীক্ষাৰ উপৰিও দুটাকৈ Terminal পৰীক্ষাও পতা হৈছিল। ছোৱালীবিলাকে যাতে পৰীক্ষাত সুফল দেখুৱাব পাৰে তাৰ বাবে অধ্যক্ষ মহোদয়ে আৰু কলেজৰ শিক্ষাগুৰুসকলে বিশেষভাৱে চকু দিছিল আৰু যথেষ্ট সহায় কৰিছিল।

আমি ছাত্ৰীসকলেও শিক্ষাগুৰুসকলৰ কথাক শিলৰ ৰেখাৰ দৰে জ্ঞান কৰিছিলো। অকণমানি কলেজখনত ছোৱালীবোৰৰ ক্লাছ নোহোৱা সময়ত থাকিবলৈ ঠাইৰ অভাৱ হোৱা স্বত্বেও কোনো ছোৱালীয়ে বাহিৰলৈ ওলাই যোৱা নাছিল। সৰু কেণ্টিনখনত ছোৱালীবোৰৰ চাহ খাবলৈ যাওঁতে ঠেলা-হেঁচা সদায়েই হৈছিল। লাইব্ৰেৰী ৰুমত বহি পঢ়িবৰ বাবে ঠাইৰ অভাৱ আছিল। এই অভাৱ-অভিযোগৰ মাজতে কিন্তু আমি কলেজীয়া জীৱনটোক ছাত্ৰীসকলে প্ৰাণভৰি উপভোগ কৰিছিলো। মোৰ বিশ্বাস আমি নিজৰ বুলি ভাবি সৰু কলেজখনৰ প্ৰত্যেকটো কামতে যিদৰে হাত দিবলৈ সুবিধা পাইছিলো আন ডাঙৰ কলেজ এখনত হয়তো সেই সুবিধা নাপালোহেঁতেন।

কলেজৰ চৌহদ সৰু হ'লে কি হ'ব? ছোৱালীৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছিল আৰু অন্যান্য কলেজত হোৱাৰ দৰে নৱাগতা আদৰণি সভা, সৰস্বতী পূজা, কলেজ সপ্তাহ— এই সকলোবোৰ আমি ধুম-ধামেৰে পালন কৰিছিলো আৰু সেইবিলাক কামত সম্পূৰ্ণ সহযোগ আগবঢ়াইছিল আমাৰ শিক্ষাগুৰুৱে।

নৱাগতা আদৰণি উৎসৱ পাতিবৰ বাবে বা সৰস্বতী পূজা পাতিবৰ বাবে বাজেট ঠিক কৰোতে গেট এখনৰ কথা ওলায়। অন্যান্য কলেজবোৰত দেখিছো এখন গেটৰ বাবে হাজাৰ টকাৰ বাজেট কৰে। আমাৰ সময়ত বগা কাপোৰ কেইমিটাৰমান, ৰঙৰ টিং আৰু ব্ৰাছ আৰু আৱশ্যক হ'লে বাঁহৰ যোগান কৰ্তৃপক্ষই ধৰি দিয়ে আৰু আমাৰ লগৰ ছোৱালী সকলোৱে গোটখাই গেটখন সজোৱাত নিজৰ প্ৰতিভাৰ পৰিচয় দিয়ে। অৱশ্যে এনেবোৰ কাৰ্যত শিক্ষাগুৰুসকলে হাতে-কামে বহুমূলীয়া পৰামৰ্শৰে ছোৱালীবোৰক সহায় কৰিছিল। কলেজখনৰ বয়বস্তুবোৰক আমি নিজৰ ঘৰৰ বস্তুৰ দৰে মৰমৰ চকুৰে চাইছিলো। বস্তুবিলাকৰ অপব্যৱহাৰ যাতে নহয় আৰু অপ্ৰয়োজনীয় খৰছ যাতে নহয় তাৰ বাবে আমাৰ লগৰ সকলো ছাত্ৰী সতৰ্ক আছিল। বিশেষকৈ খেলা সামগ্ৰীবোৰ যাতে নেহেৰায় আৰু সেইবিলাকক যাতে ভালকৈ সংৰক্ষণ কৰিব পৰা হয় তাৰবাবে সকলো ছাত্ৰীয়ে চিন্তা কৰিছিল। নতুন কলেজ হ'লেও আমি খেলা-

ধূলাৰ সা-সুবিধাসমূহ সম্পূৰ্ণৰূপে পাইছিলো। কম সংখ্যক ছোৱালীৰ মাজতে প্ৰতিবছৰে নিয়মীয়াকৈ এখন আলোচনীও প্ৰকাশ কৰিছিলো। অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু আমি ছাত্ৰীসকল সকলো গোটখাই এটা পৰিয়ালৰ দৰে বাস কৰিছিলো। এতিয়া সেইবাবে কোনোবা এজনক ক'ৰবাত লগপালে পৰিয়ালৰ মানুহ এজনক লগ পোৱাৰ দৰেহে লাগে।

সৰস্বতী পূজাৰ দিনটো আমি সকলো ছাত্ৰীয়ে খুউব ৰংমনেৰে পালন কৰিছিলো। পূজা উপলক্ষে সুকুমাৰ কলা প্ৰদৰ্শনী আৰু ৰাতিলৈ সাংস্কৃতিক সন্ধিয়া আয়োজন কৰিছিলো। এতিয়া নিশ্চয় এইবিলাক অনুষ্ঠান আৰু জাক-জমকতাৰে পালন কৰা হয়।

আমি কলেজত প্ৰথম ভৰ্তি হোৱাৰ সময়ত শ্ৰীযুত তোষেশ্বৰ দত্ত ছাৰক অধ্যক্ষ হিচাবে পাইছিলো। অৱশ্যে কিবা কাৰণত তেখেতে সেই দায়িত্বভাৰ বাদ দিয়াত স্বৰ্গীয় নিলীমা বৰুৱা বাইদেউক কাৰ্যকৰী অধ্যক্ষা স্বৰূপে পাইছিলো। শিৱসাগৰ ছোৱালী কলেজৰ কথা মনত পেলালেই বাইদেউৰ কথা মনলৈ আহে। বাইদেউৰ পৰা পোৱা মৰম আৰু উপদেশৰ কথা আমি পাহৰিব নোৱাৰো। সিদিনা হঠাৎ বাইদেউৰ মৃত্যুৰ বাতৰি পাই সঁচাকৈয়ে অন্তৰত বৰ দুখ পালো। আমি পঢ়ি থকা অৱস্থাত কিছুদিন শ্ৰীযুত মুহীৰাম শইকীয়াক অধ্যক্ষৰূপে পাইছিলো। তেখেতেও কিছুদিন আমাৰ কলেজত থকাৰ পাছত নগাঁৱলৈ গ'লগৈ।

আমি বি.এ. তৃতীয় বাৰ্ষিকত পঢ়ি থকা সময়ত শ্ৰীযুত বীৰেন বৰকটকী ছাৰক অধ্যক্ষ মহোদয়ৰূপে পাইছিলো। তেখেত বৰ পৰিপাটি আছিল আৰু কলেজখনৰ চাফ-চিকুণতাৰ ওপৰত বিশেষ চকু ৰাখিছিল। কলেজ চৌহদৰ ভিতৰত কোনো ছোৱালীৰে যিকোনো ধৰণৰ কাগজ-পত্ৰ বা কমলা টেঙাৰ বাকলি আদি পেলোৱাৰ সাহস নাছিল। কলেজৰ সৰু চৌহদটোতে সৰুকৈ এখনি ফুলনিও পতা হৈছিল। ছাৰে আমাক কৈছিল— "ছোৱালী মানে ফুল। সেয়ে ছোৱালী কলেজ এখন ফুলৰ অবিহনে ভাল নেদেখি।" কলেজ ছুটীৰ পাছত কেইজনীমান ছাত্ৰীয়ে ফুলবোৰত পানী দিছিলো। তাৰবাবে ছাৰহঁতে অৱশ্যে আমাক কেতিয়াবা চাহ-বিস্কুটো খুৱাইছিল।

নতুনকৈ হোৱা কলেজখনত অভাৱ-অভিযোগৰ সীমা নাছিল। আমি ছাত্ৰীবোৰে প্ৰত্যেকটো অনুষ্ঠানতে একোটাকৈ পেৰডীৰ দ্বাৰা কলেজ কৰ্তৃপক্ষৰ আগত আমাৰ অভাৱ অভিযোগবোৰৰ কথা উনুকিয়াইছিলো। এতিয়া পিছে সেই অৱস্থা নাই। কলেজত হোষ্টেল হ'ল, নতুন লাইব্ৰেৰী হ'ল, বিজ্ঞান শাখা খোলা হৈছে বুলিও শুনিছো। অদূৰ ভৱিষ্যতে আৰু উন্নতি হ'ব বুলি আশা ৰাখিছো।

সুদীৰ্ঘ চাৰিটা বছৰ পঢ়ি যোৱাৰ পাছত মোৰ চাকৰি জীৱনৰো প্ৰথম পাতনি মেলিছিলো এইখন কলেজতেই। সেয়েহে নিজৰ ছাত্ৰী জীৱনৰ কথা বা এৰি অহা জীৱনৰ কথা মনলৈ আহিলেই শিৱসাগৰ ছোৱালী কলেজৰ কথাই মনলৈ আহে।■

দীপালী শৰ্মা বৰুৱা
নৰ্থ বেংক কলেজ, ঘিলামৰা, লখিমপুৰ

Scanned with OKEN Scanner

(৫)

মনৰ খিৰিকী খুলি, স্মৃতিৰ মণিকোঠাত সাঁচি থোৱা বৰপেৰাটোৰ মুখখন খুলিলেই এৰি অহা দিনৰ টুকুৰা-টুকুৰ স্মৃতিয়ে মনটোক খন্তেকলৈ হ'লেও বাত্ময় কৰি তোলে। সেই সোণালী অতীত কি ছন্দময়! কি মধুৰ; কি কর্মব্যস্ততা!

"শিৱসাগৰ ছোৱালী কলেজ"— এটি সুমধুৰ নাম। শিৱসাগৰ নামটোৱেই যেন কঢ়িয়াই আনে অতীত বুৰঞ্জীৰ স্থাপত্য আৰু ভাস্কর্য্যৰ উজ্জ্বল চানেকি। ৰংপুৰ কেৱল ৰাজনীতিৰ খেল পথাৰেই নাছিল। ই আছিল কৃষ্টি, সংস্কৃতিৰ, ভাষা-সাহিত্যৰ চর্চাৰো প্রাণকেন্দ্র। এইখন ৰংপুৰ নগৰৰেই মাজমজিয়াত এটি চালুকীয়া অনুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"। লহপহকৈ চন্দ্রকলাৰ দৰে বাঢ়ি অহা এই ষোড়শী গাভৰুজনী আজি পূর্ণ যৌৱনা। ৰবৰ যেন সময় নাই, উভতি চাবৰ আহৰি নাই, কি পালে, কি দিলে এই ২৫ বছৰে চামে-চামে ইয়াৰ পৰা ওলাই যোৱা ছোৱালী বোৱাৰীবোৰক। পোৱা-নোপোৱাৰ হিচাপ-নিকাচ মাথো ইয়াকে দেখিছোঁ প্রতি বছৰে শয়ে-শয়ে ছোৱালীক আদৰি লৈছে; আৰু নতুন জ্ঞানৰ সঁফুৰা ভৰাই হাঁহিমুখে উলিয়াই দিছে। এইখন কলেজত যিকেইটা দিন কটাইছিলো, তাৰ স্মৃতি কোনোদিনেই মনৰ পৰা মচিব নোৱাৰোঁ। শিৱসাগৰ ছোৱালী কলেজ বুলি ক'লেই প্রথমেই নাম ল'ব লাগিব এইজন ব্যক্তিৰ যিজন ব্যক্তিৰ অশেষ কষ্ট, ত্যাগ আৰু প্রচেষ্টাৰ বলত এই ফুকলিয়া অনুষ্ঠানটিক জীপাল কৰি তুলিলে। সেইজন ব্যক্তি হ'ল আমাৰ সকলোৰে শ্রদ্ধা আৰু হেঁপাহৰ বৰকটকী ছাৰ। এই পকাথেকেৰা যেন চেহেৰাৰ ব্যক্তিজনৰ ব্যক্তিত্বত ফুটি উঠা সাহসীকতাক প্রমাণ কৰিছে পকী ছাত্রী নিবাস, গ্রন্থাগাৰ, সুন্দৰ চৌহদ আৰু কলেজৰ ঘৰ-দুৱাৰবোৰে। প্রতি চপৰা ইটা আৰু প্রতিডাল দুৱৰিয়ে যেন অনুভৱ কৰিছে ছাৰৰ যাদুকৰি হাতৰ পৰশ। ছাত্রী নিবাসৰ ফুলনিখন পাতোঁতে ছাৰৰ ইমান দায়িত্ব যে পুৱা-আবেলি ছাৰে নাচালে নোৱাৰে। আমিও যিমান পাৰোঁ সিমানেই ফুল গোটাই কইছিলো, পানী দিছিলোঁ, জীয়াবলৈ যত্ন কৰিছিলোঁ। আমাৰ লগত ছাৰে চুপতিৰ ফেৰ মাৰিছিল-কোনে আটাইতকৈ ডাঙৰ নার্জিফুল ফুলাব পাৰে। ছাৰৰ বাইদেৱে নে? মালী ককায়েনে? আমি? "মৰিব খোজা ফুল পুলিটো জীয়াই দিব পাৰিলে পুৰস্কাৰ দিম"— এইদৰে মৰমৰ আদেশেৰে ছাৰে কামটো কৰাই লৈছিল। ছাৰে কলেজখনক, ছাত্রী নিবাসটোক ঘৰ হিচাবে লৈছিল। ঘৰুৱা খুতি-নাটিৰ পৰা পানী, চাকি, খৰিলেকে প্রতিটো খবৰ ল'বলৈ পাহৰি নগৈছিল। নৱাগতা আদৰণি সভা,

Scanned with OKEN Scanner

কলেজ সপ্তাহ, আন্তঃকলেজৰ সকলোবোৰ প্ৰতিযোগিতাত যোগ দিয়া, জ্যোতি দিৱস, সৰস্বতী পূজা, ঈদ, তিথি আদি একোকে এৰি নিদিয়ে। ছাৰৰ কি উৎসাহ, তৎপৰতা, কি কৰ্ম ব্যস্ততা, পুৱাৰ পৰা ৰাতিলৈকে খাতিব পৰা ছাৰৰ ওচৰত এলাহ আৰু ভাগৰে যেন হাৰ মানে।

এইখন কলেজৰ সোণালী স্মৃতিয়ে আমাক বাৰে বাৰে আমনি কৰে। প্ৰতিজন ছাৰ-বাইদেউৰ মুখবোৰ ভাহি উঠে আমাৰ সন্মুখত, ছাঁয়া ছবিৰ দৰে। তেখেতসকলৰ সজ পৰামৰ্শ, উপদেশ, আৰু মৰমৰ দাবীত আছিল ভগ্নী স্নেহ। প্ৰতিটো ক্ষেত্ৰতে ছাঁৰ দৰে লাগি ফুৰা বাইদেউসকলৰ স্মৃতি মনৰ পৰা মচিব নোৱাৰোঁ কোনোদিন।

আজি এই পৱিত্ৰ দিনটোৰ শুভক্ষণত এগৰাকী বাইদেউ উপস্থিতিৰ অভাৱ কলেজৰ ছাত্ৰী তথা কৰ্মকৰ্তা সকলোৱে অনুভৱ কৰিছে। গহীন, গম্ভীৰ, শান্ত, দৃঢ়মনা বাইদেউগৰাকীয়েই কলেজৰ উপাধ্যক্ষা পদত ইমান বছৰে নিয়াৰিকৈ কাম চলাই শেষত ৰূপালী জয়ন্তীৰ উলহ-মালহত যোগ দিয়াৰ আগতেই ঠেহ পাতি গুচি গ'ল। এই আপাহতে এইগৰাকী বাইদেউৰ স্মৃতি সৌধত নতশিৰে মূৰ দোঁৱাইছো। বাইদেউৰ আত্মাই চিৰশান্তি লাভ কৰক।

এইখন কলেজৰ সৰু-বৰ অলেখ স্মৃতিয়ে মনটোক আমনি কৰে। বহুত আশাৰে শিক্ষাৰ সোৱাদ ল'বলৈ গৈছিলোঁ। কি পালোঁ, কি নাপালোঁ সেয়া সময়ত হাতত ৰৈ গ'ল। মই মাথোন মোলৈ সকলো ছাৰৰ আন্তৰিকতা আছিল, চেনেহ আছিল এয়ে লৈ ধন্য। ছাৰ, বাইদেউ সকলৰ সহযোগত মই অসমৰ যিকোনো ঠাইতে তর্ক প্ৰতিযোগিতা, লেখক শিবিৰ, আলোচনা চক্ৰ, কবি সন্মিলন, বিভিন্ন সাহিত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুবিধা পাইছিলোঁ। এবাৰ তেনেকৈ মৈত্ৰেয়ী দেৱী আৰু শ্ৰী ৰামচৰণ দাসে দিয়া দুখন চিঠি শ্ৰী ৰিপু দত্তদেৱে মোৰ হাতত পৰাৰ আগতেই বৰকটকী ছাৰক নি দেখুৱাইছিল। ছাৰে মাতি নি চিঠিখনত থকা এটা শাৰী দেখুৱাই কৈছিল— "ৰাজলক্ষ্মী দেশে-দেশে, গৃহলক্ষ্মী গৃহে-গৃহে" এইটোৰ ওপৰত এটা প্ৰবন্ধ লিখিবলৈ কৈছে— লিখিবা। ছাৰ আৰু দাসদেৱ (জীয়াই থকাৰ কালত) এইষাৰ কথা ৰাখিব নোৱাৰি মই দুঃখিত।

কিয় জানো ক'ব নোৱাৰো এই কলেজখন আমাৰ বৰ আপোন, বৰ হেঁপাহৰ আছিল। কলেজৰ কাৰণে কিবা এটা কৰিবলৈ পালে আমি ভালপাইছিলো। এন.এছ.এছ. কেম্প কৰি থাকোতে আমি ৰ'দ-বতাহ নেওচি, চহৰৰ কোলাহ'ল পিছ পেলাই থৈ দৈকলঙীয়া, জেঙনিকটীয়া আৰু হৰিজন বস্তিত চাফাই কৰিছিলো। ছাৰে তেতিয়া আমাক সামাজিক পৰিস্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে বুজাইছিল। আমাৰ "ভাৰতীয় মানুহেই হওক বা অসমীয়া মানুহেই হওক ব্যক্তিগতভাৱে পৰিস্কাৰ-পৰিচ্ছন্ন। কিন্তু সামাজিকভাৱে নহয়। অন্যবোৰ ঠাই ইউৰোপ-থাইলেণ্ড আদি ঠাইৰ মানুহৰ এই বিষয়ে জ্ঞান অপৰিসীম। তেওঁলোকৰ দুয়োটাৰ ভিতৰত সুন্দৰ এক সমন্বয় আছে। কিন্তু আমাৰ অসমীয়া মানুহৰ ৰান্ধনী ঘৰ চকুত লগাকৈ সজোৱা হ'লেও চোতালৰ আগত জাবৰৰ দ'ম, বাট-পদুলিৰ অৱস্থা নাই। এটা বছৰ মই এই হৰিজন কলনিত থকা মানুহবিলাকক পঢ়াইছিলো। তেওঁলোকৰ কিন্তু শিকিবলৈ

Scanned with OKEN Scanner

আগ্রহ আৰু একাগ্রতা আছিল। প্রতি দেওবাৰে তেওঁলোকে পঢ়িবলৈ বৈ থাকে। এইখিনি মানুহৰ মৰম-চেনেহ আজিও পাহৰিব নোৱাৰো। পাহৰিব নোৱাৰো ছোৱালী কলেজৰ প্রতিজন ছাৰ আৰু প্রতিগৰাকী বাইদেউক। কোনো দিনে নাপাহৰো ৰিপু দত্তদেৱ আৰু ৰবীন হাজৰিকাদেৱক। পাহৰিব নোৱাৰি মানিক, বিমল, মালীকাই আৰু ফটিক ককাইদেউক।

শেষত ছোৱালী কলেজৰ সকলো কর্মকর্তালৈ শ্রদ্ধা যাঁচি উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। সুন্দৰ সৰু-বৰ আলিয়েদি আগবাঢ়ি অহা প্রতিগৰাকী ছোৱালীয়েই যেন এইখন কলেজত শিক্ষাৰ কৰণি ভৰাই গতিৰ বাটত যতি নপৰাকৈ আগবাঢ়ি যাওক তাকেই কামনা কৰিলো আন্তৰিকতাৰে।■

অনিমা বৰকাকতি
ধিতাইপুখুৰী

Scanned with OKEN Scanner

(৬)

"উচ্চাকাংক্ষা নাই প্রভু ক্ষুদ্র হৃদয়ত"— হ'লেও দৰিদ্র পৰিয়ালত জন্ম লাভ কৰা মোৰ বাবে কলেজত পঢ়াতো উচ্চাকাংক্ষাই আছিল। বহুতো ছাত্র-ছাত্রীৰ বাবে আজিও কলেজত পঢ়াটো উচ্চাকাংক্ষা, লগতে দূৰাকাংক্ষাও। তথাপি হিতাকাংক্ষীসকলৰ আগ্রহৰ বলতে "শিৱসাগৰ ছোৱালী কলেজ"ত ১৯৬৬ চনত নামভর্তি কৰিলো।

এক নতুন জীৱনৰ আৰম্ভ হ'ল— এক প্রকাৰ আধা নগৰীয়া জীৱন। ৰোৱা-তোলা, বনা-মৰা আদি দৈনন্দিন কামৰ পৰা ৰেহাই লৈ উদং ভৰিত চেন্দেল সুমুৱাই হোষ্টেলীয়া আৰামী তথা বিলাসী জীৱনৰ পাতনি তৰিলোঁ। আৰম্ভ হ'ল কলেজীয়া সুখৰ দিন— হাঁহিত শেৱালি সৰা, খোজত পদুম ফুলা মধুৰ দিনবোৰ। পৃথিৱীৰ নগ্ন ৰূপটোক বয়সৰ ৰঙীন চশমাৰে ঢাকি ৰখা এই দিনবোৰত কলেজখনৰ বিভিন্ন দিশৰ পুংখানুপুংখ বিশ্লেষণ কৰাৰ সমার্থ নাছিল। সেয়ে কলেজখনৰ ওপৰত এটি বিহংগম দৃষ্টি নিক্ষেপ কৰাৰ প্রচেষ্টা মাথোন কৰা হ'ল।

'শিৱসাগৰ ছোৱালী কলেজ' বুলি কোৱাৰ লগে লগেই প্রাচীন ঐতিহ্যমণ্ডিত শিৱদ'ল, দেৱীদ'ল, বিষ্ণুদ'লক সন্মুখত লৈ সৰু কলেজখনিৰ এটি গাম্ভীর্যপূর্ণ পৰিৱেশৰ ছবি মনলৈ আহে। উচ্চ শিক্ষাৰ পোহৰত আগবাঢ়ি যাব খোজা ছাত্রীসকলে সন্মুখতে দেখিবলৈ পায় এটি উর্দ্ধমুখী সংকল্প। ইয়েই যেন তেওঁলোকৰ মনলৈ আনি দিয়ে দৃঢ় সংকল্প আৰু প্রগতিৰ পণ— যেন ইতিহাসক সাক্ষী ৰাখি বর্তমান আগবাঢ়ে ভৰিষ্যতলৈ।

১৯৬৪ চনৰ ৮ জুলাইত শিৱসাগৰ ছোৱালী কলেজ স্থাপিত হয়। কালীপ্রসাদ মেম'ৰিয়েল হলত আৰম্ভ কৰা কলেজখন বর্তমান স্থায়ী ঘৰলৈ দুবছৰৰ পাছতহে আহে। এক-ডেৰ বিঘামান মাটিত শিৱসাগৰ নগৰৰ প্রায় মাজ ভাগত শিৱসাগৰ পুখুৰীৰ ওচৰত অৱস্থিত কলেজখনিক আটোম-টোকাৰিকৈ ছবিৰ দৰে সজাই তোলা হৈছিল। কলেজখনিৰ পৰিৱেশ সুন্দৰ কৰি তুলিবলৈ প্রতিষ্ঠাপক অধ্যক্ষ মহোদয় শ্রীযুত তোষেশ্বৰ দত্ত ছাৰে আপ্রাণ চেষ্টা কৰিছিল। ঠেক পৰিসৰতে গার্হস্থ্য বিজ্ঞান, ভূগোল বিষয়ৰ পৰীক্ষাগাৰকে ধৰি পুথিভঁৰাল, কেণ্টিন আদি সকলোবোৰ সুবিধা দিবলৈ কলেজ কর্তৃপক্ষ সক্ষম হৈছিল।

চালুকীয়া অনুষ্ঠানটি ইয়াৰ মূল উদ্দেশ্যতো সমানেই আগবাঢ়িব পাৰিছিল। কলেজখনৰ পৰীক্ষাৰ ফলাফল আৰম্ভণিৰ পৰাই ভাল আছিল। প্রথম চামৰ স্নাতক পৰীক্ষার্থীসকলৰ ভিতৰত শ্রীমতী আস্মা চেতিয়াই ডিষ্টিংচন পাইছিল। ১৯৭০ চনৰ প্রথমবাৰ সন্মানসহ স্নাতক পৰীক্ষা দিয়া হয়। ৭২

Scanned with OKEN Scanner

চনত অসমীয়া সন্মানত শ্রীমতী কৰবী হাজৰিকাই (বর্তমান ড° কৰবী ডেকা হাজৰিকা) ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্রথম শ্রেণীৰ প্রথম স্থান অধিকাৰ কৰে। ভাল ফলাফলৰ বাবে ছাত্রীসকলৰ আগ্রহৰ লগতে আমাৰ পৰম শ্রদ্ধেয় শিক্ষাগুৰুসকলৰ ঐকান্তিক প্রচেষ্টাক শলাগিবই লাগিব। এই সন্দর্ভত এটা কথা মোৰ মনত পৰে— অসমীয়া বিভাগৰ প্রথম মুৰব্বী অধ্যাপিকা শ্রীযুতা অঞ্জলী দেৱী বাইদেউ আমাৰ কলেজৰ পৰা গুচি যোৱাৰ পাছতো গুৱাহাটীৰ পৰা আমাৰ পঢ়া-শুনাৰ খবৰ লৈ উৎসাহ দিছিল। শ্রীযুতা নীলিমা ভট্টাচার্য বাইদেৱে হোষ্টেলত আমাৰ লগতে থাকি অনবৰতে পঢ়া-শুনাৰ তদাৰক কৰিছিল। আমাৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ আগমুহূর্তত শ্রীযুত দ্রোণ কলিতা ছাৰ আৰু শ্রীযুতা ভট্টাচার্য বাইদেৱে তেখেতসকলৰ 'সন্মান ৰক্ষা কৰিবলৈ' কোৱাত মোৰ চকুৰ পানী ওলাইছিল আশাভংগৰ ভয়ত।

বুৰঞ্জী বিভাগৰ স্নাতকোত্তৰ ডিগ্রী থকা অধ্যক্ষ মহোদয় শ্রীযুত তোষেশ্বৰ দত্ত ছাৰে মোপাচাঁৰ A piece of string পঢ়াইছিল। পূজাৰ বন্ধত ছাত্রীসকলক বিনামূলীয়াকৈ ইংৰাজীৰ কোচিং ক্লাছ'ৰ ব্যৱস্থা কৰি দিছিল। প্রতিটো বিভাগৰে শিক্ষাগুৰুসকলৰ ঐকান্তিক প্রচেষ্টাই সফলতাৰ সঁচাৰ কাঠি। সেয়েহে 'শিৱসাগৰ ছোৱালী কলেজ' প্রগতিৰ জখলাত খাপে খাপে আগুৱাব পাৰিছিল।

কেৱল বিভাগীয় শিক্ষা দানতহে যে শিক্ষাগুৰুসকলে চকু দিছিল এনে নহয়, খেলা-ধূলা আদি অন্যান্য দিশতো শিক্ষাগুৰুসকল আছিল আমাৰ সাসহৰ সোঁ-হাত। খেল-পথাৰ প্রস্তুত কৰাৰে পৰা সাংস্কৃতিক সন্ধিয়ালৈকে সকলোতে ছাত্রীসকলৰ প্রতি সহায়ৰ হাত আগবঢ়োৱাৰ লগতে শিক্ষাগুৰুসকলে সজাগ দৃষ্টি ৰাখিছিল। অধ্যক্ষ মহোদয় শ্রীযুত দত্তদেৱৰ প্রচেষ্টা আৰু সহযোগিতাত কলেজৰ ছাত্রীসকলে La Misearable পুথিৰ নাটকীয় ৰূপৰ ইংৰাজী ভাষাত অভিনয় কৰি দর্শকৰ প্রশংসা লাভ কৰিছিল।

এক কথাত ক'বলৈ গ'লে 'শিৱসাগৰ ছোৱালী কলেজ' গুৰু-ছাত্রীৰ মিলন তীর্থ আৰু নাৰী-প্রগতিৰ এক উৎস। ভাৰতীয় সংবিধানত নাৰীয়ে পুৰুষৰ স'তে সমান অধিকাৰ পালেও নাৰীয়ে পৰম্পৰাক অতিক্রমি মানসিকভাৱে আগবাঢ়িব পৰা নাই। সাজে-পাৰে অথবা বাহ্যিকতাত একৈশ শতিকাৰ দুৱাৰদলিলৈ আগবাঢ়ি গ'লেও মানসিকভাৱে আমি 'মনু'ৰ দিনতেই ৰৈ আছোঁ। শিৱসাগৰ ছোৱালী কলেজ শৈক্ষক, মানসিক সকলো দিশতে প্রগতিৰ প্রত্যাহ্বান স্বৰূপ হওক— এই আশাকেই আমি প্রাক্তন ছাত্রীসকলে নবীনাসকলৰ ওচৰত কৰো। আশা কৰো যাতে এই অনুষ্ঠানটিৰ পৰা ওলাই যোৱা ছাত্রীসকলে সমাজত অভিলেখ সৃষ্টি কৰিব পৰা কার্যৰ যোগেদি নিজক প্রতিষ্ঠা কৰি অনুষ্ঠানটিৰ নাম উজ্বলাব পাৰে।■

ৰতিপ্রভা গগৈ
প্রবক্তা, সোণাৰি মহাবিদ্যালয়

Scanned with OKEN Scanner

(৭)

'শিৱসাগৰ' মনৰ টান থকা, তেজত গোন্ধ থকা এটা নাম। এহাতেদি মোৰ ওপজা ঠাই, আনহাতেদি লব্ধপ্রতিষ্ঠ সাহিত্যিকৰ কলাক্ষেত্র আৰু ইতিহাসৰ স্বাক্ষৰ বহন কৰা শিৱসাগৰ। এটা কথা আমি ক'বই লাগিব যে জীৱনত প্রতিষ্ঠা লাভৰ বাবে যিখিনি উপকৰণৰ আৱশ্যকতা আছে তাৰ সকলোখিনিয়েই আচলতে আমি কলেজীয়া জীৱনতেই আহৰণ কৰিছিলোঁ। আজি কলেজৰ পঁচিশ বছৰ পূৰ্তিৰ এই ৰূপালী জয়ন্তী উৎসৱত আমি আন্তৰিকভাৱে স্বীকাৰ কৰোঁ যে কলেজ কর্তৃপক্ষৰ অশেষ কষ্ট, মাননীয় অধ্যাপক-অধ্যাপিকা-অধ্যক্ষ মহোদয়ৰ অক্লান্ত শ্রমৰ বিনিময়ত আজি ছোৱালী কলেজে ২৫ বছৰত ভৰি দিছেহি। আনুষ্ঠানিক শিক্ষাত শিক্ষকৰ দায়িত্ব আছে ঠিকেই কিন্তু আমাৰ কলেজত আমাৰ ছা�ৰ-বাইদেউসকল আমাৰ জন্মদাতা পিতৃ-মাতৃতকৈও বহু ওপৰত বুলি আমি আজিও মর্মে মর্মে উপলব্ধি কৰোঁ। মনত পৰে কলেজত ভর্তি হোৱাৰ দিনাৰ পৰাই কি বিষয় পঢ়িলে ভাল হয়, কি বিষয় ল'লে ৰিজাল্ট ভাল হ'ব এইবিলাক লৈ ছাৰ-বাইদেউকল ব্যস্ত আছিল। প্রিন্সিপাল ছাৰে প্রতিদিনেই কলেজৰ জপনা খুলিলেই মাতি নি মৰমৰ উপদেশ, পুথিভঁৰালৰ কিতাপ-পত্র দি মনটোক ভৱিষ্যতৰ বাবে যেনেদৰে আশাবাদী কৰিছিল, নিৰাপত্তাৰ ভাব আনিছিল সেই স্মৃতিয়ে আজিও সেইসকলৰ অভাৱ আজি চৈধ্য বছৰৰ পিছতো ইয়াত প্রতি মুহূর্ততে অনুমান কৰিছো।

প্রাচীন ঐতিহ্যৰে মণ্ডিত সাহিত্যিকৰ কলাক্ষেত্র শিৱদ'ল, দেৱীদ'ল, বিষ্ণুদ'ল আৰু বিশাল বৰপুখুৰীক সাক্ষী কৰি নগৰৰ মাজমজিয়াত জন কোলাহলত থাকিও শিৱসাগৰ ছোৱালী কলেজে বৰেণ্য পুৰুষ শ্রীযুত বৰকটকী ছাৰৰ ছত্রছাঁয়াত যি এক শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰিছিল সি ৰংপুৰীয়া মাত্রেই স্বীকাৰ কৰিব। সন্মান (Hons) বিষয়সমূহত ছাত্রীসকলে প্রত্যেক বছৰেই দেখুওৱা কৃতিত্বৰ মূলতে আছিল বিষয়ৰ অধ্যাপকসকলৰ আমাৰ মনত পৰে, সেই সময়ত আমাৰ শিক্ষা বিষয়ত সন্মানৰ অসমীয়া কিতাপ নথকাৰ বাবে পৰম শ্রদ্ধেয়া পৰলোকগতা নীলিমা বাইদেৱ (তেখেতৰ বিদেহ আত্মাই শান্তি লাভ কৰক), শ্রদ্ধেয় ফুকন ছাৰ, শ্রদ্ধেয় ফুকন বাইদেৱে অশেষ কষ্টৰে বিভিন্ন কিতাপ বিচাৰি ভাঙনি কৰি 'সন্মান' ৰখাত যি সহায় কৰিছিল, আজি চাকৰিৰ মাননি লোৱাৰ দিনাও তেখেতসৱৰ কথা মনত পৰে। ইংৰাজী বিষয়ৰ সান্যাল ছাৰৰ কথনভংগী, বৰুৱা ছাৰৰ Great Cricket test Match ভট্টছাৰৰ Jungle Book আৰু Burning Glassৰ সাৰাংশ আজিও পাহৰা নাই। কলিতা ছাৰ, দুৱৰা বাইদেউৰ অসমীয়া কবিতা, বেগম বাইদেউ, মনোমতী, শকুনিৰ প্রতিশোধ নাটকৰ যমুনা গোহাঁই বাইদেউৰ ক্লাছবোৰৰ লগত প্রিন্সিপাল ছাৰৰ সাহিত্যৰ সংযোগে (ওঁ মধুৰাতাঃ .... য়তেঃ) সোণত সুৱগা চৰাইছিল। শ্রীযুত বৈৰাগী ছাৰ, কিৰণ বাইদেউৰ ভূগোল ক্লাছবোৰ, প্রেক্টিকেলৰ

Scanned with OKEN Scanner

ক্লাছবোৰত সহযোগিতাৰ পিছত বিশ্ববিদ্যালয়ৰ প্রেক্টিকেল ক্লাছবোৰত তেখেতসৱৰ অভাৱ ৰবকৈ অনুভৱ কৰিছিলো। কলেজৰ প্রত্যেকটো অনুষ্ঠানতে ৰহমান ছাৰ, সত্যভূষণ ৰৱৱা ছাৰ, আহমেদ ছাৰ আগৰণুৱা আছিল। মনত পৰে ইণ্টাৰ কলেজ তর্ক প্রতিযোগিতাত দেৰগাঁৱৰলৈ, ইণ্টাৰ ডিষ্ট্রিক্ট ত ড্রিংগড়লৈ আমাক ৰহমান ছাৰে তেখেতৰ গাড়ীত লৈ গৈছিল, আহমেদ ছাৰে বাটে-বাটে তর্কৰ বিষয়বোৰৰ পইণ্টবোৰ আওৰাই যাবলৈ কৈছিল। আকৌ কলেজ কেণ্টিনত ভট্টছাৰ, তালুকদাৰ ছাৰ, বেগম বাইদেউ, ৰহমান ছাৰে তর্কৰ আখৰা লৈছিল।

কলেজৰ নিজৰ খেলপথাৰ নাছিল। এতিয়া লাইব্রেৰীৰ ঠাইত সেই সৰু মুকলি ঠাইখনত আমি লংপেণ্ট পিন্ধি College Weekত বেডমিণ্টন খেলিছিলোঁ। শিৱৰাত্রিৰ ভগা খোলকটি আঁতৰ কৰি শিৱদ'লৰ চৌপাশত বৈৰাগী ছাৰে College Weekত ছোৱালীবোৰক দৌৰ মৰাইছিল আৰু এই খেলুৱৈসকলেই Inter Collegeত Best Teamৰ সন্মান পাইছিল। বোকাৰ মাজত পদুম ফুল ফুলাৰ দৰে আমাৰ বৈৰাগী ছাৰে সেই সীমিত পৰিসৰৰ ছাত্রীসকলৰ অন্তর্নিহিত প্রতিভাসমূহ বিকশাই Inter Collegeত চন্দ্রমা দুৱৰী, দিব্য ৰৱৱাৰ দৰে Best Thower উলিয়াইছিল।

কলেজখন ছাত্রী প্রধান হোৱাৰ বাবেই ছাৰ-বাইদেউসকলে, বিভিন্ন সময়ত উৎসৱসমূহত যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। সৰস্বতী পূজাত চক্রৱর্তী ছাৰৰ বেদী বনোৱাত আগভাগ, পূজাত ৰৱদলৈ ছাৰ, গেটত ভট্টছাৰ, সোণাৰাম ৰৱৱা ছাৰ, ৰহমান ছাৰ, তালুকদাৰ ছাৰহঁতে গজাল মৰাৰে পৰা তম্বু-টিনপাত অনোৱা, পূজাৰ প্রসাদ, লুচি-ভাজি আদিৰ দায়িত্ব আমাতকৈয়ো আগতে লৈছিল। আমিও পিতৃ-মাতৃৰ বর্তমানত জীয়েকৰ দায়িত্বহীনতাৰ দৰে ছাৰহঁত থকা বাবে কেতিয়াবা বিভিন্ন বিভাগত দায়িত্বহীনতাৰ পৰিচয়ো দিছিলোঁ। এবাৰ তর্ক বিভাগৰ সম্পাদিকা হৈ থাকোঁতে এখন সভাৰ মাজত প্রিন্সিপাল ছাৰৰ পৰা চহী আনিবলৈ যোৱাৰ বাবে সভা শেষ হোৱাৰ পিছত সময়ৰ মূল্য নুবুজাৰ বাবে প্রচণ্ড গালি খোৱাৰ কথা মোৰ আজিও মনত পৰে। আমাৰ ছাৰো আছিল নিয়ম আৰু সময়ানুৱর্তিতাৰ প্রতীক। কলেজত থকাৰ দিনত কোনোদিনেই নির্দিষ্ট সময়ৰ পলমকৈ সভা অনুষ্ঠিত হোৱাৰ মনত নপৰে, সেয়ে সময়ৰ কাম- সময়ত নহ'লে ছাৰে বৰ বেজাৰ পাইছিল।

আজি কলেজৰ ৰূপালী জয়ন্তীৰ 'স্মৃতিচাৰণ'ত কার্যালয়ৰ শ্রীযুত ৰিপু দত্ত দাদা, ৰবীন দাদালৈও মনত পৰিছে। সেই সময়ত সেই অকণমান অফিচ ঘৰটোত এদ'ম ছোৱালীৰ ফর্ম-মার্কচীট আৰু চিঞৰ-বাখৰত ৰবীন দাদা মাজে মাজে চকীৰ পৰা উঠি দিয়ে, ৰিপুদাই ধমক্ দিয়ে, ছোৱালীহঁত শান্ত হয়। শ্রীযুত তোলন, মানিক, বিমল দিনটো কলেজৰ কামত ঘূৰিয়েই ফুৰে। মনত পৰে হাতত চিঠিৰ জাপ লোৱা মাণিক আৰু তোলনৰ পিছে-পিছে এজাক ছোৱালীৰ লৰা-ঢপৰা। মনত পৰে কলেজ কেণ্টিনত ককাৰ সেই ব্যস্ততাপূর্ণ দিনবোৰলৈ, মনত পৰে কলেজৰ ইলেকচনলৈ, কলেজৰ হোষ্টেলৰ নৱাগত আদৰণি সভাবোৰলৈ, বেগম বাইদেউ, দুৱৰা বাইদেউৰ পৰিবেষ্টিত আমাৰ হোষ্টেলৰ সেই ডাঙৰ পৰিয়ালটোলৈ। কলেজ সপ্তাহ ৰ বাবে বেগম বাইদেৱে নাটক লিখে, আমি ডাইনিং হলত

তাৰ আখৰা কৰোঁ, দুৱৰা বাইদেৱে দৰ্শক হৈ মন্তব্য দিয়ে— আমাৰ উখল-মাখল লাগে। ঠেঁটুৱে ধৰা জাৰতো ৰাতিপুৱাই উঠি ছাত্রীবাসৰ সন্মুখৰ বননিত মার্চ-পাষ্টৰ আখৰা কৰোঁ। ভৰি ঠেৰেঙা লাগে। তথাপি বিৰাম নাই— 'হোষ্টেল ফার্ষ্ট' হ'ব লাগিব। শ্রীযুতা সুৰেশ ফুকন ছাৰে কোৰাছ শিকায়। কলেজৰ আৰু হোষ্টেলৰ চাৰিটা বছৰৰ প্রতিটো মুহূর্তই আমাৰ বাবে স্মৃতি হৈ আছে।

এইবাৰ কলেজত Science Faculty খোলাৰ কথা শুনি আমাৰ অন্তৰ পুলকিত হৈছে। বিয়া দিয়া ছোৱালীয়ে আন এঘৰলৈ যোৱাৰ পিছতো মাকৰ ঘৰৰ উন্নতি বেছি আশা কৰাৰ দৰে ছোৱালী কলেজৰ বাঢ়িব ধৰা কলেৱৰে আমাক আটাইতকৈ বেছি আনন্দ দিয়ে। এটা কথা ঠিক যে বর্তমান সহ-শিক্ষাৰ যুগ হ'লেও ছোৱালীয়ে নিজকে শিক্ষা-দীক্ষাৰে পূর্ণ মানৱী ৰূপে গঢ়ি তুলিবলৈ, সাম্প্রতিক যুগৰ সকলো পৰিস্থিতিত খাপ খোৱাকৈ নিজক সাজু কৰিবলৈ ছোৱালীৰ বাবে সুকীয়া অনুষ্ঠানৰ প্রয়োজন আছে, যেনেকৈ নেতৃত্বৰ প্রশিক্ষণৰ বাবে সহ-শিক্ষাৰ অনুষ্ঠানত এজনী ছোৱালীক ইউনিয়ন চেক্রেটাৰী পদ দিয়া নহয়।

শেষত আন্তৰিকতাৰে কামনা কৰোঁ— আমাৰ কলেজৰ সমাগত বছৰবোৰত অসম তথা ভাৰতৰ সমাজ-সংস্কৃতি, জ্ঞান-বিজ্ঞান, ক্রীড়া, প্রমুখ্যে সকলো বিভাগতে অভিলেখ সৃষ্টি কৰিব পৰা ছোৱালীৰ আৰ্ৱিভাৱ হওক স্ত্রী শিক্ষাৰ সফল ৰূপায়নেৰে কলেজখনে সমতাপূর্ণ বিকাশত অধিকঅৰিহণা যোগাওক 'তমসো মা জ্যোতির্গময়' ধ্বনি অন্তৰে অন্তৰে ধ্বনিত হওক আৰু ছোৱালী কলেজৰ ৰূপালী সপোনৰ গতি সোণালীৰ পিনে চিৰযুগমীয়া হৈ বৈ ৰওক। আজি এই মুহূর্তত আমাৰ বুৰঞ্জী বিষয়ৰ অধ্যাপক,পণ্ডিত প্রবৰ ঁসুৰেণ গোস্বামী ছাৰ আৰু ঁ নীলিমা বৰুৱা বাইদেউৰ অদেহী আত্মাই সদ্গতি লাভৰ বাবে পৰমেশ্বৰৰ ওচৰত মিনতি জনাইছো।

সশ্রদ্ধ অভিনন্দন জনাওঁ কলেজৰ প্রাক্তন অধ্যক্ষ সাহিত্য সভাৰ সভাপতি অলঙ্কাৰেৰে অলংকৃত শ্রীযুত বৰকটকী ছাৰক, বর্তমানৰ অধ্যক্ষ শ্রীযুত ৰহমান ছাৰ আৰু কলেজৰ পৰম শ্রদ্ধেয় অধ্যাপক আৰু শ্রদ্ধেয়া অধ্যাপিকাসকলৰ অনুজ ছাত্রীসকলক, লগতে আৱেগ জড়িত অভিনন্দন জনাও হোষ্টেলৰ বাবা, বিমলা, মালি ককাইকে ধৰি পাণদোকানৰ কুল মামালৈকে যি কলেজৰ প্রত্যেক খোজ উন্নতিৰ সাক্ষী।■

শ্রী অমলা দেৱী
ডিমৰীয়া কলেজ, ক্ষেত্রী, কামৰূপ

('হেৰুৱা দিনৰ স্মৃতি' আলফুলে, সযতনে ধৰি ৰখা উল্লিখিত আটাইকেইগৰাকী প্রাক্তন ছাত্রী আমাৰ একো একোটি সম্পদ, আমাৰ গৌৰৱৰ উপলক্ষ্য। লেখাসমূহ 'স্মৃতিৰূপা'ৰ পৰা পুনৰ প্রকাশ কৰা হৈছে।—সম্পাদক)

Scanned with OKEN Scanner

১৯৬৪ চনত প্রতিষ্ঠা হোৱা শিৱসাগৰ ছোৱালী কলেজৰ প্রথমখন কলেজ আলোচনীৰ সম্পাদকীয়

জ্যোতি ঠাকুৰ

অসমৰ পুৰণি ৰাজধানী এই ৰংপুৰ নগৰ আৰু ওচৰ পাজৰৰ বিভিন্ন অঞ্চলৰ ছোৱালী-সকলৰ উচ্চ শিক্ষাৰ ক্ষেত্রত শিৱসাগৰ ছোৱালী কলেজ স্থাপন এটি গুৰুত্বপূর্ণ পদক্ষেপ-এই কথা বহলাই কোৱাৰ প্রয়োজন নাই। এই কলেজখন স্থাপিত হোৱাৰ তিনি বছৰৰ মূৰত পোন প্রথম বাৰৰ কাৰণে এই আলোচনীখনি প্রকাশ কৰিবলৈ সক্ষম হৈছোহঁক। পঢ়াশলীয়া শিক্ষাৰ উপৰিও অন্যান্য চর্চ্চামূলক কার্য্যসূচীৰ লগতে সাহিত্য চর্চ্চাও যে ছাত্রীসকলৰ জ্ঞান বিকাশৰ এটি অপৰিহার্য্য বিষয় সেই কথা ন দি নকলেও হব। সেই ক্ষেত্রত অনুষ্ঠানৰ সকলো ছাত্রীকে এই আলোচনীখনিয়ে অদম্য উৎসাহ আৰু প্রেৰণা যোগাৰ বুলি আমি আশা কৰে।।

এই আলোচনী পত্রখনি প্রকাশৰ ক্ষেত্রত অন্তৰায় একাধিক। ইয়াৰ বিশেষ কাৰণ এটি হ'ল-এই ছোৱালী কলেজ অনুস্থানটি বর্তমানেও শৈশৰ অৱস্থাতে আছে। ইৰাক গঢ়ি-পিতি পূর্ণাঙ্গ অৱস্থালৈ আনিবলৈ যি চেষ্টা প্রচেষ্টা চলি আছে তাৰ মাজেদি আলোচনীখনি প্রকাশ কৰাতো অতি সহজ কথা নহয় বুলি আমি অনুভৱ কৰিবলৈ বাধ্য হৈছো। এই ক্ষেত্রত ছাত্রী আৰু শিক্ষক সকলৰ পৰা পোৱা সক্রিয় সহায় সহানুভূতিৰ বাবে তেখেতসকলৰ ওচৰত সম্পাদন। সমিতি কৃতজ্ঞ।

শিৱসাগৰ ছোৱালী কলেজখনি ৰাইজৰ আশীর্ব্বাদ, আর্থিক সহায্য পৰামর্শ আৰু অসীম চেষ্টাৰ বলতে গঢ় লৈ উঠিছে। কলেজ অনুস্থানটি স্থাপন নোহোৱা হলে আলোচনীখনিৰ প্রকাশৰো কোনো প্রশ্ন নুঠিলহেঁতেন। সেই হেতুকেই সম্পাদনা সমিতিয়ে ৰাইজৰ ওচৰত মুৰ দোঁৱাইছে।

এসময়ত অসমীয়া ভাষা সাহিত্যক পুনৰজীৱিত কৰি নিজস্বতা ৰক্ষা কৰিবলৈ সফল প্রচেষ্টা চলোৱা হৈছিল এই আহোম ৰজাৰ পুৰণি ৰাজধানী শিৱসাগৰ তথ্য ৰংপুৰ নগৰৰ পৰা। এই প্রচেষ্টাৰ অন্যতম হোতা বসবাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান এই পুৰণি নগৰখনিয়েই। এই প্রাতঃ স্মৰণীয় সাহিত্যৰথী বেজবৰুৱাদেৱৰ জন্ম শতবার্ষিকীৰ আগমুহূর্ত্তত আমাৰ সাহিত্য সাধন। নিঃকিন হলেও

এটা সজ প্রচেষ্টাৰ চানেকী স্বৰূপে এই আলোচনী তেখেতৰ এই পূণ্যতীর্থ স্থানৰ পৰা প্রকাশ কৰিবলৈ সমর্থ হৈছোহঁক-ই এটা আমাৰ সকলোৰে কাৰণে বিশেষ গৌৰৱৰ কথা। আশাকৰো ৰংপুৰৰ এই গৌৰৱময় ঐতিহ্য জীয়াই ৰখাত আলোচনীখনিয়ে সামান্য ভাৱে হলেও কিছু বৰঙণি যোগাব।

সমূহীয়া জীৱনৰ পৰা আঁতৰত থাকি কোনো সাংস্কৃতিক সাধনাই প্রকৃত তাৎপর্য্য লাভ কৰিব নোৱাৰে। সেয়েহে সাহিত্য আৰু সমাজ জীৱনৰ মাজত সম্বন্ধ ওতঃপ্রোত। সমাজ শৃঙ্খলাবদ্ধ হলে আৰু স্থিৰ গতিত চলিলে সাহিত্য সাধনাও ধীৰ আৰু গভীৰ হয়। সমাজত বিশৃঙ্খলা চলিলে সাহিত্য সাধনাই বিপ্লৱীৰূপ ধৰে। আনহাতে বিপ্লৱী সাহিত্যই সমাজৰ মাজলৈ ঐতিহাসিক পৰিবর্তন আনি সমাজৰ ৰূপ সম্পূর্ণ বদলি কৰ। ঘটনা পৃথিৱীৰ বুৰঞ্জীত বিৰল নহয়।

আকৌ ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক অৱস্থাৰ ওপৰতে সমাজৰ প্রকৃত অৱস্থা নির্ভৰ কৰে। এই তিনিওটা অৱস্থাৰ যিকোনো এটাৰ গতি বেয়াৰ ফালে ঢাল ললেই সমাজখনে অসুস্থ হৈ পৰে। অসুস্থ সমাজে সাহিত্য সাধনাতো প্রত্যক্ষ বা পৰোক্ষ ভাৱে ব্যাঘাত জন্মায়।

এই কথাখিনিৰ ভিত্তিত আমি ইয়াকেই ৰাইজলৈ উনুকিয়াই দিব খুজিছো যে অসমীয়া সাহিত্য সাধনা বর্তমান সহজ সাধ্য নহয়। অসমন তথা ভাৰতৰ ৰাজনৈতিক, সামাজিক, অর্থনৈতিক অৱস্থা কোন গতিত চলিছে অতি সহজে কোৱা টান, কিন্তু এই তিনিটা অৱস্থা যে সুস্থ আৰু ধীৰ গতিত চলা নাই ই পৰিষ্কাৰ।

ৰাজনৈতিক দিশৰ পৰা ভাৰতৰ আন্তর্জাতিক সম্বন্ধ আৰু দেশৰ ঘৰুৱা অৱস্থালৈ লক্ষ্য কৰক- চীনৰ ধেমাকি পাকিস্থানৰ গোব্ গোৰনি, নগা মিজোৰ উদ্ভণ্ডালি অসমৰ বাকী পর্ব্বতীয় জিলা কিখনৰ জাতিভেদ পোষণতা প্রায়বিলাক বিধান সভাতে উচ্ছৃঙ্খলতা ঠায়ে, ঠায়ে, "ঘেৰাও" ধর্ম্মঘট, মাৰপিট্, গুলিয়াগুলি, ইত্যাদি। সেয়ে নহয়-নক্ছালবাৰীলৈ লক্ষ্য কৰক-ই কিহৰ সঙ্কেত?

সামাজিক দিশৰ ফালৰ পৰা আমি অলপতে হৈ যোৱা হাজোৰ ঘটনাটোকে আঙুলিয়াই দিব খোজো। এখন সমাজৰ নৈতিকতাব অভাৱ হলেই জানে। এনে ঘটনা নঘটে? ই এটা মাত্র সামান্য উদাহৰণ। সম্পূর্ণ হাজোৰ ঘটনাৰ নিচিনা নহলেও দেশব্যাপী এনেকুৱা ঘটনা মাহেকে পষেকে হ'বলৈ ধৰিছে। একো নহয়- সমাজত বাসকৰা লোক সকলৰ নৈতিক অৱনতিৰ চিন স্বৰূপে আমি দৈনিক বৃদ্ধি পাই অহা "ব্লেক মার্কেটিয়াব", "স্মাগ্লাৰ" সকলৰ সংখ্যাটোলৈ আঙুলিয়াই দিব পাৰো। আমি ভাবো সমূহীয়া জীৱনৰ প্রতি থাকিবলগীয়। আগ্রহকনতকৈ বা দেশপ্রেমতকৈ ব্যক্তিগত স্বার্থ পূৰণৰ সমতা কনৰ শতকৰা হাৰ বৃদ্ধি পোৱাৰ কাৰণেই আমাৰ সামাজিক অৱস্থাই এনে গতি লৈছে।

অর্থনৈতিক দিশৰ পৰা বিশেষকৈ অসমৰ সম্প্রসাৰণৰ গতি নিচেই মৃদু হৈছে বুলিয়েই ক'ব লাগিব। অসমৰ "আকালো নাই ভঁড়ালো নাই" কথাফাকি সাধুকথাৰ লগৰে হৈ পৰিছে। থলুৱা নিবনুৱা সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। আনহাতে কৃষিজাত আৰু উদ্যোগজাত সামগ্রীৰ বৃদ্ধিৰ হাৰ চাহিদাৰ তুলনাত মন্ত্রৰ হোৱা হেতুকে আৰু অত্যাৱশ্যকীয় সামগ্রীৰ সৰহ ভাগেই বাহিবৰ পৰা আনিবলগীয়া

Scanned with OKEN Scanner

হোৱা হেতুকে অসমৰ বজাৰত বয় বস্তুৰ দামে অগ্নিমূৰ্ত্তি ধাৰণ কৰিছে। ফলত কেইজন মান অবাস্থাপন্ন লোকৰ বাদে সকলোৱে কাৰণেই দুবেলাৰ দুমুঠি যোগাৰ কৰাটোৱেই অসম্ভৱ হৈ পৰিছে-প্ৰকৃত জীয়াই থকাৰ মানদণ্ড দিনে দিনে অধোগামী হ'বলৈ ধৰিছে—

অসমৰ শিক্ষা আৰু সংস্কৃতি, ৰাজনৈতিক অসুস্থতা সামাজিক অধোন্নতি আৰু অৰ্থনৈতিক অস্থিৰতা এই ত্ৰিশক্তি (বায়ু পিত্ত কফ্?) ৰোগত আক্ৰান্ত হৈ বৰ্তমান জুৰুলা হোৱাতো অতি পৰিতাপৰ বিষয়। তথাপি আমাৰ মনত আত্মপ্ৰত্যয়ৰ অভাৱ হোৱা নাই বুলিলেই আমি ভাবো নানাধৰণৰ বাধাবিঘিনি অতিক্ৰম কৰিও অসমীয়া ৰাইজে শিক্ষাৰ সম্প্ৰসাৰণৰ বাট মুকলি কৰিছে। শিক্ষাৰ বিভিন্ন শাখাত অসমৰ জীয়ৰী সকলেও মনোযোগ দিছে। নাৰী শিক্ষাৰ ক্ষেত্ৰত ই অতি প্ৰশংসনীয় আৰু উৎসাহ জনক। শিৱসাগৰৰ ছোৱালী কলেজে আমি ভাবো অসমীয়া নাৰী জাগৰণৰ এটা উজ্জ্বল দিশ নিশ্চয় ফুটাই তুলিব পাৰিব। অসমীয়া "বেনেচা"ৰ উল্লেখ যোগ্য স্ৰষ্টা সকলৰ জন্মস্থান এই শিৱসাগৰৰ জীয়াৰীসকলে নাৰী শিক্ষাৰ আৰু সাহিত্য চৰ্চ্চাৰ এটা নতুন গৌৰৱময় ঐতিহ্য সৃষ্টি কৰিব আৰু অগ্ৰজ সকলৰ প্ৰকৃত মৰ্য্যদা অক্ষুণ্ণ ৰাখিব বুলি আমাৰ দৃঢ়বিশ্বাস। সকলো বাধাবিঘিনি অতিক্ৰম কৰি অসমৰ বৰ্তমান প্ৰকৃত অৱস্থাৰ বুজ লৈ ছাত্ৰীসকলে অধ্যয়ন আৰু চৰ্চ্চাৰ মাজেদি গঠন মূলক সাহিত্য সেৱাৰ সাহায্যত সমস্যাবহুল সমস্যাবোৰ সমাধান কৰাত ৰৰঙণি যোগাব পাবে তাকেই আমি সকলোৱেই আশা কৰোঁ।■

১৯৬৬-৬৭ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

Scanned with OKEN Scanner

সাংস্কৃতিক বিপ্লৱৰ সূচনা

জ্যোতিৰাণী সিংহা

সংস্কৃতি জাতীয় অস্তিত্বৰ ধ্বজাবাহক। জাতীয়ত্ব ৰক্ষা পৰে সংস্কৃতিৰ মাধ্যমেৰে।

অসমৰ সংস্কৃতিৰ ক্ষেত্ৰ মন কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে পুৰণি ঐতিহ্যপূৰ্ণ সংস্কৃতিৰ লীলাভূমি অসমৰ সংস্কৃতি বৰ্তমান এক পতনমুখী অৱস্থাত উপনীত হৈছে। পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ, শিল্প-মুখী অৰ্থাৎ নগৰমুখী সমাজৰ স্থায়িত্ব, অসমীয়া জাতিৰ ধ্যান-ধাৰণাৰ অভাৱ, জাতীয় চেতনাহীনতা আদি ভালেমান কাৰণত অসমীয়া সংস্কৃতিৰ অৱস্থা মাজসাগৰত বাধাহীন দিক্‌ভ্ৰান্ত নাৱৰ অৱস্থাৰ দৰে হৈছে।

পশ্চিমত হিপ্পীবাদৰ অভ্যুদয় আৰু আমাৰ দেশত তাৰ অসীম প্ৰভাৱৰ কথা সৰ্ব্বজনবিদিত। এসময়ত পশ্চিমত 'Flower boy'ৰ প্ৰকোপ বাঢ়িছিল। ফুলৰ উপহাৰ দি সকলোকে আপোন কৰি ল'ব খোজাৰ যি মহান আদৰ্শৰ দ্বাৰা তেওঁলোক অনুপ্ৰাণিত হৈছিল সেই গভীৰ আদৰ্শৰ প্ৰেৰণা আমাৰ ডেকাসমাজে ল'ব নেজানিলে। মাথোন সাজসজ্জাকহে অনুকৰণ কৰিলে। আনৰ ভাল আদৰ্শলৈ আওকাণ কৰি পোনতে বাহ্যিকতাৰ প্ৰতিহে আকৰ্ষিত হ'ল। নিজৰ সকলোকে হীন বুলি ভাবি আনক অনুকৰণ কৰিলে যোৱাৰ মূলতে যে জাতীয় চেতনাৰ অভাৱ, এই কথা স্পষ্ট হৈ পৰে। সস্তীয়া, নিম্নৰুচিসম্পন্ন ছবিয়ে আমাৰ সমাজখনক বিকলাঙ্গ কৰি তুলিছে। এতিয়া কথা হ'ল- জ্বৰ হ'লে জ্বৰৰ উৎস বিচাৰিব লাগিব আৰু সেইমতে চিকিৎসা কৰিলেহে আৰোগ্য লাভ কৰিব। কিন্তু তাকে নকৰি মূৰত পানী ঢালি জ্বৰ ভাল কৰিব নোৱাৰি। এতেকে আমাৰ বিকাৰগ্ৰস্থ সমাজখনক চেতনাবোধ জগাবলৈ ইয়াৰ আঁত বিচাৰিব লাগিব। শিক্ষালয়বিলাকত সাংগঠনিক নীতিশিক্ষাৰ প্ৰৱৰ্তন কৰিব লাগিব। সৰুতেই সামাজিক চেতনাবোধ জগাই তুলিব লাগিব। বুদ্ধিজীৱিসকলৰ মাজত অপৰাধমূলক কাৰ্য্য-কলাপ নাইকিয়া হ'ব লাগিব। শিক্ষক সমাজক আদৰ্শবান হ'বলৈ অনুপ্ৰাণিত কৰিব লাগিব। জোৰকৈ জাপি দিয়াৰ পৰিবৰ্ত্তে ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজেই সজাগ-সচেতন হ'ব পাৰে তাৰ বাবে পৰিবেশ সৃষ্টি কৰিব লাগিব। ভালকৈ চালিজাৰি চালে আমি দেখা পাম যে উপৰোক্ত বিষয়সমূহৰ প্ৰতি পথ দেখুৱাওঁতা তথাকথিত বুদ্ধিজীৱিসকল উদাসীন। তেওঁলোকে কেৱল ছাত্ৰ-ছাত্ৰীৰ ওপৰতেই দোষৰ বোজা জাপি দি ক্ষান্ত থাকে। এইবিলাকৰ শুধৰণী হ'লেহে আমাৰ সমাজৰ পৰিবৰ্তন হ'ব আৰু অসমীয়া সংস্কৃতিও ৰক্ষা পৰিব। সভ্যতা আৰু সংস্কৃতি হৈছে এটা বোঁৱতী সুঁতি। যিফালেই চাপৰ পায়

Scanned with OKEN Scanner

সেইফালেই সংস্কৃতি বৈ যায়। অসমীয়া সংস্কৃতিবো পৰিৱৰ্তন ঘটিব লাগিছে। সকলৈয়া জাপি, মুগাৰ কেছুবছা বিহা-মেখেলাৰ ব্যৱহাৰ আজি আৰু নাই। এইখিনিতে এটা প্ৰশ্ন উদয় হয় যে কেৱল অসমীয়া সাজ-পোছাক পিন্ধিলেই জানো আমাৰ সংস্কৃতি ৰক্ষা কৰা হয়? যদিহে আমি নিজকে প্ৰকৃত অসমীয়া বুলি নাভাবো, অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি লেশমানো অনুকম্পা নাই, তেন্তে কেৱল কাপোৰ-যোৰেই জানো অসমীয়া বোলাবলৈ যথেষ্ট? এসময়ত মেক্সিকোত অসমৰ জাপিসদৃশ টুপীৰ ব্যৱহাৰ আছিল। আজি সেই টুপীৰ ক্ৰমপৰিবৰ্তনৰ ফলত এক সুন্দৰ টুপীলৈ পৰিবৰ্ত্তিত হৈছে; যাৰ সমাদৰ সমগ্ৰ বিশ্বতে। কিন্তু অসমীয়াৰ এসময়ৰ আদৰৰ জাপিয়ে আজি ড্ৰইংৰুমতহে শোভা বঢ়াইছে। সেইদৰে 'বিহু' যি আমাৰ বাপতি সাহোনস্বৰূপ- সেই বিহুৱে চহৰৰ নাট্যশালত ঠাই পাইছে। সংস্কৃতিৰ 'নাচনী কইনা'ই হয়, তেন্তে প্ৰকৃততে যদি বিহু আমাৰ আমি কিয় 'বিহু সন্মিলনী' পাতি জনাব লাগে যে আমি অসমীয়া আৰু অসমীয়াৰ সংস্কৃতিৰ প্ৰতীক হৈছে 'বিহু'? পথাৰত, গছৰ তলত কৰা বিহুৰ যি মাদকতা সেই মাদকতা জানো বৰ্তমানৰ বিহুত পাব পাৰি? এইবোৰবো সংশোধনৰ দৰকাৰ। নহ'লে এনে এটা সময় আহিব, যেতিয়া অসমীয়াৰ সুকীয়াত্ব বুলিবলৈ একোৱেই নাথাকিব।■

১৯৭৩-৭৪ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

আলোচনী সাহিত্য আৰু সমাজ

নিৰজা বৰুৱা

সাম্প্রতিক সময়ছোৱাত সাহিত্য, বিশেষকৈ আলোচনী সাহিত্যৰ অসমত মৃত্যু ঘটিছে-বৰ কম আয়ুসতে। মৃত্যু বুলি কোৱাতকৈ অপমৃত্যু বুলি কোৱাহে বোধকৰোঁ বেছি সমীচীন হ'ব। অসমীয়া আলোচনীৰ এনে দুঃখজনক অৱস্থাটোৰ মূলত অনেক কাৰণ আছে। তাৰ ভিতৰত মৌলিক চিন্তাগধুৰ প্রবন্ধ-পাতি লিখা মানুহ ক্রমে নাইকিয়া হৈ অহা, পাঠক-পাঠিকাসকলৰো ৰুচি বা taste ৰ পৰিবর্তন, প্রকাশগোষ্ঠীয়ে ব্যৱসায়িক দিশৰ প্রতি অধিক গুৰুত্ব দিবলৈ যাওঁতে সাহিত্যৰ মূল উদ্দেশ্যৰ প্রতি উদাসীন হৈ পৰা, পঢ়ুৱৈ সমাজৰপৰা সমুচিত সহানুভূতিৰ অভাৱ, প্রকাশক আৰু সম্পাদকৰ মাজত নীতিগত বিৰোধ, বিক্রেতাসকলে সময়মতে আলোচনী আদিৰ পা-পইচা প্রকাশকক জমা নিদিয়া, ইত্যাদিবিলাক কাৰণেই প্রধান। পঢ়ুৱৈসমাজৰ অধিকাংশেই কর্মব্যস্ততাৰ মাজত যি আজৰি পায় সেইখিনি সময় তত্ত্বগধূৰ, মৌলিক চিন্তাসমৃদ্ধ লিখনী পঢ়ি 'নষ্ট কৰাৰ' অনাগ্রহ প্রকাশ কৰে। তেওঁলোকে বাছি লয় উত্তেজনাপূর্ণ, ৰহস্যঘন আৰু সস্তীয়া ৰসৰ লিখনী, সেয়েহে উচ্চমানবিশিষ্ট নতুন নতুন ভাৱ-চিন্তাৰে সমৃদ্ধ মৌলিক লিখনীবোৰে সমুচিত সমাদৰ লাভ কৰিব নোৱাৰে। ফলত প্রকাশকসকলে ব্যৱসায়িক দিশলৈ লক্ষ্য ৰাখি সস্তীয়া গল্প অবাস্তৱ ঘটনাপ্রবাহৰ বিৱৰণীৰ যোগে বজাৰখন চলাই ৰাখিবলৈ যাওঁতে সাহিত্যৰ মান ক্রমান্বয়ে পৰি আহিবলৈ ধৰিছে। আলোচনী সাহিত্যৰ এনে নিম্নগামী মান হেতুকেই বোধহয় পঢ়ুৱৈসকলৰ গ্রাহক হৈ সিবিলাকে নিজে কিনি পঢ়াৰ অভিপ্রায় নাইকিয়া হৈছে। তাতে আকৌ ছপাশালৰ খৰচ অতিমাত্রা বাঢ়ি যোৱাৰ ফলত সাধাৰণ আকাৰৰ এখনি আলোচনীৰ দাম সর্ব্বসাধাৰণৰ ক্রয়ক্ষমতাৰ বাহিৰ হৈ গৈছে। বহুজন আলোচনী সম্পাদকৰ উক্তিৰপৰা পোৱা মতে সুপ্রতিষ্ঠিত সাহিত্যিক- সকলৰ লিখনী বিচাৰি তেওঁলোকে ভোগ কৰিবলগা হোৱা জ্বালা-যন্ত্রণাখিনি অলপ নহয়। প্রবীণ লেখক, সাহিত্যিকসকলৰ নতুন আলোচনী কাকতৰ স্থায়িত্বৰ ওপৰত সন্দেহৰ মাত্রা অতি বেছি। সেয়েহে তেওঁলোকে নিজৰ লিখনীৰ জৰিয়তে এই আলোচনীবিলাকৰ পৃষ্ঠপোষকতা কৰিবলৈ আগ্রহ প্রকাশ কৰা দেখা নাযায়। প্রকাশক, সম্পাদক আৰু প্রকাশন কর্তৃপক্ষ আৰু এজেন্টসকলৰ মাজত থকা দুর্ভাগ্যজনক বিবাদসমূহৰ কথা উল্লেখ নকৰিলেও হ'ব। ইবিলাক পৰিস্থিতিত অসমীয়া আলোচনী সাহিতাৰ অকাল- মৃত্যু অৱশ্যম্ভাৱী। এই পৰিস্থিতিৰ অৱসান ঘটোৱাৰ দায়িত্ব আমাৰ সমাজৰ সকলোৰে, প্রকাশক, সম্পাদক, লেখক, পঢ়ুৱৈ, বিক্রেতা সকলোৰে এক সমূহীয়া প্রচেষ্টাৰ প্রয়োজন।

Scanned with OKEN Scanner

সাহিত্য আৰু সমাজ দুয়োটাৰে সম্বন্ধ অতি ওচৰ। এটাত আনটোৰ প্ৰতিফলন পৰিদৃশ্যমান। সাহিত্য সৃষ্টি কৰে মানুহে সমাজখনৰ কাৰণে। সমাজৰ প্ৰয়োজনীয়তাখিনি সাহিত্যই দিব পাৰিব লাগিব। সাহিত্যিক ইয়াৰ প্ৰকৃত উদ্দেশ্য সাধনৰ বাবে সমুচিত প্ৰেৰণাও দিব লাগিব সমাজেই। সমাজে গ্ৰহণ নকৰিলে কোনো বস্তুৱেই স্থায়ী হ'ব নোৱাৰে।

অসমত অসমীয়া পাঠক-লেখক সৃষ্টি কৰি সিসকলৰ পুষ্টি সাধন কৰিছিল আমেৰিকান ব্যাপটিষ্ট মিশ্যনেৰীসকলে প্ৰকাশ কৰা 'অৰুণোদয়ে'। 'অৰুণোদয়'ৰ পিছত উচ্চ শিক্ষাৰ্থে যোৱা অসমীয়া যুৱকে কলিকতাত 'জোনাকী'ৰ জন্ম দিছিল আজিৰ- পৰা প্ৰায় এক শতিকাৰ আগত। উচ্চ শিক্ষাৰ্থে যোৱা সেইসময়ৰ অসমীয়া 'ছাতৰ'সকলৰ মাজত নিজ সাহিত্য চৰ্চ্চা কৰাটো একান্ত কৰ্ত্তব্য এটাৰ ভিতৰত পৰিছিল। সাহিত্য কলা, শিল্প-সংস্কৃতি, স্থাপত্য-ভাস্কৰ্য্য-এই সকলোবোৰৰ সৃষ্টিকৰ্তা হ'ল মানুহ। মানৱ আৰু সমাজ এই দুটাক বাদ দি সাহিত্য-কলা আদি জীয়াই থকা সম্ভৱ নহয়। সমাজখনৰ গইনালৈহে ইবিলাক জীয়াই থাকে। এই সত্যৰ প্ৰতি সচেতনবোধটোৱেই হ'ল আজিৰ প্ৰথম প্ৰয়োজন। মানুহৰ যেতিয়া এই সচেতনবোধ নাইকিয়া হয় তেতিয়া প্ৰায়বিলাক দিশতেই অধোন্নতিয়ে ঠাই পায়। সচেতনবোধে এটা জাতিক জাতিস্বৰূপে জীয়াই থাকিবলৈ শিকায়।

সাহিত্য হৈছে সমাজৰ গ্ৰাফিক ছবি একোখন। মানুহৰ মনৰ চিন্তাৰ জগতখন সুন্দৰ ধৰণেৰে যদি কৰবাত বিকাশ ঘটাৰ সম্ভাৱনা আছে সেয়া হ'ল সাহিত্যহে। এটা যুগ আৰু এটা যুগৰ চিন্তাধাৰাটো সংৰক্ষণ কৰিব পাৰে মাত্ৰ সাহিত্যইহে। এজন প্ৰখ্যাতলোকে কৈছিল তেওঁ এখন দেশৰ সাহিত্য অধ্যয়ন কৰি সেই জাতিটো কিমান উন্নতকৈ দিব পাৰিব। চমুতে, সাহিত্য জাতিৰ দাপোণ। সময়ৰ প্ৰকৃত, নিখুঁত ছবি সাহিত্যৰ বুকুতহে জীয়াই থকাৰ সম্ভাৱনা আছে। এসময়ত ফৰাচী সাহিত্যই সেই জাতিটোক জগাই তুলি শোষক আৰু শাসনৰ বিৰুদ্ধে থিয় কৰি তুলিছিল। মানুহৰ প্ৰকৃত সত্তাক জগাই তোলাত সাহিত্যৰ দায়িত্ব সবাতোকৈ অধিক। সেয়েহে কওঁ, প্ৰগতিকামী ৰাষ্ট্ৰ আমাৰ ভাৰতবৰ্ষত জাতিটোক সংগবন্ধ কৰি ভাৰতীয়স্বৰূপে জীয়াই ৰখাত সাহিত্যৰ দায়িত্ব আৰু ভূমিকা অপৰিসীম।■

১৯৭৬ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

Scanned with OKEN Scanner

সাহিত্য আৰু সমাজ

অনুৰূপা দুৱৰা

সাহিত্য আৰু সমাজ-দুয়োটাৰে সম্পর্ক অতি ওচৰ। ইটো নহ'লে সিটো জীয়াই থাকিব নোৱাৰে। সাহিত্যবিহীন সমাজ মূল্যহীন; আকৌ সমাজহীন সাহিত্যও পঙ্গু। সমাজক লৈ সাহিত্য জীয়াই আছে। সাহিত্য জীয়াই আছে সমাজৰ কাৰণে, তথা সমাজৰ জনগণৰ কাৰণে। যুগে যুগে সমাজ সচেতন লেখকে নিজৰ কর্তব্যৰ বিষয়ে চিন্তা কৰি সমাজৰ এচাম লোকক অন্ততঃ আৰ্হি দেখুৱাবলৈকে লিখে। এওঁলোকৰ সার্থকতাৰ কাৰণে সামান্যভাবে হ'লেও কিছু সজাগ। ইউৰোপীয় সাহিত্য এসময়ত জাগ্রত হৈছিল তেওঁলোকৰ দেশবিলাক বিদেশীয়ে আক্রমণ কৰোতে। সেই সচেতনতা প্রকাশ পাইছিল ৰচনাত। তাৰ আৰ্হি আমি গ্রীক সাহিত্যত পাওঁ। ফ্রান্সৰ সাহিত্যতো জাতীয়তা বোধ, অর্থনৈতিক সমীক্ষা আৰু শোষকৰ নীতিবিলাকৰ বর্ণনা আছিল। সেইধৰণৰ লেখনীয়ে জাতিটোক বেছি সজাগ কৰি দেশৰ প্রতি ধাউতি বেছিকৈ বঢ়াই তুলি বিদ্রোহৰ সৃষ্টি কৰিব পাৰিছিল। সেইবোৰক আমি দেশজয়ী সাহিত্য বুলি ক'ব পাৰো। সেই সাহিত্যবিলাকে সেই সময়ছোৱাৰ ভিতৰত মানৱ মনত ভালকৈ ৰেখাপাত কৰিছিল। সেইবাবে সিবোৰক কালজয়ী সাহিত্য আখ্যা দিলেও অত্যুক্তি কৰা নহ'ব নিশ্চয়। সময় গতিশীল। সাহিত্যও পৰিৱর্তনশীল। পৰিৱর্তনৰ চকৰিত ঘূৰা সাহিত্য আৰু মানৱ মন দুয়োটায়েই বোধকৰোঁ সচেতন। সাম্প্রতিক সময়ছোৱাত মানুহৰ অলেখ সমস্যা উদ্ভৱ হোৱাত জীয়াই থাকিবলৈ মানুহে কঠোৰ পৰিশ্রম কৰিবলগীয়া হৈছে। সেই হেতু বর্তমান সময়ৰ সাহিত্যৰ বুকুত লেখকে সমাজক সংগ্রামশীল সাহিত্যকেই দিবলগীয়া হৈছে নিশ্চয়। আজিৰ সাহিত্য সামন্তবাদী-আৰামী সাহিত্য নহয়। আজিৰ সাহিত্য সমস্যাবহুল সাহিত্য-কর্ম্মৰত এচাম মানুহৰ কাৰণে। সময়ৰ লগত খাপখোৱা সাহিত্য সৃষ্টি কৰিবলৈ সাহিত্যিক অথবা লেখকক সময়েই বাধ্য কৰায়। কাৰণ যি সাহিত্যত মানুহৰ জীৱনৰ কথা নাথাকে সেই সাহিত্যক তেওঁলোকে নিজৰ সাহিত্য বুলি স্বীকাৰ কৰি ল'বলৈ টান পায়।

(সাহিত্যিক) লেখকৰ সাহিত্যৰ বুকুত জাতিৰ ভাৱ-চিন্তা, গঢ়-গতি, সভ্যতা-সংস্কৃতি আৰু জাতীয়তাবোধ লুকাই থাকে। সাহিত্য-সংস্কৃতি, কলা-কৃষ্টি হৈছে এটা জাতিৰ উদগতিৰ সম্বল। যি

Scanned with OKEN Scanner

জাতিৰ সাহিত্য-সংস্কৃতি যিমান চহকী অথবা উন্নত সেই জাতিৰ সাহিত্যও তিমানেই প্ৰগতিশীল। উচ্চ মানদণ্ডবিশিষ্ট সাহিত্যৰ মাজত সমগ্ৰ জাতিটোৰ ভাৱাদৰ্শ আৰু সচেতনতাবোধ ঢাক খাই থাকে। কেৱল সেয়াই নহয় সাহিত্যৰ মাধ্যমেদি প্ৰকাশ কৰিবলৈ বিচৰা চিন্তাধাৰা, আদৰ্শ আৰু সচেতনতাই শেহাস্তৰত ব্যক্তি বিশেষৰ, জাতিৰ আৰু যুগৰ গভীৰ উপকাৰ সাধন কৰে বুলি অনুমান হয়। কেতিয়াবা সাহিত্যই সমাজৰ স্বাভাৱিক গতিৰপৰা উন্নীত হৈ সৰ্বলোকৰ, সৰ্বজাতিৰ আৰু সকলো যুগৰে ভাৱধাৰা, আদৰ্শ আৰু সচেতন হিচাপে ধৰা দিয়ে। এই স্তৰলৈ সাহিত্য উন্নীত হ'লেই যুগোত্তীৰ্ণ সাহিত্যৰূপে পৰিগণিত হয় যেন লাগে।

কোনো কোনো লোকে কোৱা শুনা যায় যে অসমত শিক্ষিতৰ সংখ্যা অনেক বাঢ়িছে। নতুন নতুন আলোচনী, বাতৰি কাকত ওলাইছে। বিশ্ববিদ্যালয় পৰ্য্যন্ত অসমীয়া মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা হৈছে। এটা কথাত এইবিলাক সাহিত্য অথবা জাতিৰ শুভ লক্ষণ বুলি ক'বও পাৰি। সেই বুলি পৃথিৱীৰ চহকী জাতীয় সাহিত্যৰ কথা পাহৰিলে নহ'ব।

আলোচনী সাহিত্যৰ বাবে অসমীয়া আলোচনীৰ দুখ লগা অৱস্থাৰ কথা নিশ্চয় সোঁৱৰণ কৰিব লাগিব। পূৰ্ণ বয়স নৌ-পাওঁতেই অসমীয়া আলোচনীৰ অপমৃত্যু হয়।

স্বীকাৰ কৰিব লাগিব আমাৰ জীৱন আজি বিচ্ছিন্ন, বিক্ষিপ্ত-খণ্ড-বিখণ্ড। সম্প্ৰতি আমাৰ দেশ দুৰ্ঘোৰ সংকটৰ সন্মুখীন হৈছে। পশ্চিমীয়া বস্তুবাদ আৰু বস্তুবাদী মোহে সমগ্ৰ ভাৰতীয় জীৱনক পঙ্গু কৰিছে। দেহ ৰক্ষাই, জীৱন ধাৰণেই জীৱনৰ অন্যতম সমস্যা হৈ পৰিছে। অন্ন বস্তু সমস্যা সমাধানৰ কাৰণে, ৰাষ্ট্ৰীয় কল্যাণৰ সংহতিৰ কাৰণে দুৰ্নীতিক য'ত ৰজা-প্ৰজা সকলোৱে অসহায়ভাৱে যুগধৰ্ম্ম বুলি প্ৰণাম জনায়, জীৱনৰ ওচৰত, জয়ী হোৱাৰ নামত আত্মহত্যাক যেতিয়া যুৱক-যুৱতীয়ে বীৰত্বৰ পৰাকাষ্ঠা বুলি গণ্য কৰা হয়, তেতিয়া বাল্মীকি-কালিদাসৰ কাব্য, নাটকৰ আদৰ্শ নায়কৰ জানো জন্ম হ'ব? আজি ভাৰততে নিবনুৱা সমস্যাই যি ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে তাৰ ফলস্বৰূপে ভাৰতীয় গ্ৰাম্য জীৱনৰ দৰিদ্ৰ, পীড়িত লোকসকল ক্ষুধাৰ তাড়নাত ক্ৰমাগত মৃত্যুৰ মুখলৈ গৈহে আছে। ভাৰতীয় ৰাইজৰ সন্মুখত দেখা দিয়া এই দৃশ্যই এনে এক বিকৃত অৱস্থাৰ সৃষ্টি কৰিছে, যি অৱস্থাত কোনোবা আদৰ্শবাদী কবিয়েও দুপৰৰ সূৰ্য্যটো কেহৰাজ বৰণীয়া দেখিছে।■

১৯৭৭ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

Scanned with OKEN Scanner

শত পুষ্প বিকশিত হওক

নন্দিতা গগৈ

শত পুষ্প বিকশিত হওক—

এখন ফুলনিত কেৱল এটা ৰঙৰ নাইবা এবিধ জাতৰ ফুল ফুলিলে ফুলিখনৰ শোভা বৰ্দ্ধন নহয়; বিভিন্ন ৰঙৰ আৰু বিভিন্ন জাতৰ ফুল ফুলিলেহে ফুলনিখন জাতিষ্কাৰ হৈ উঠে। আমাৰ অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি বিৰাজমান। এই প্ৰত্যেকটো জনগোষ্ঠীৰ সংস্কৃতিসমূহ একত্ৰিত হ'লেহে অসমীয়া সংস্কৃতিৰ ফুলনিখন জাতিষ্কাৰ হৈ উঠিব। কাৰণ প্ৰত্যেক জনগোষ্ঠীৰ নিজস্ব কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা আৰু জীৱন ধাৰণৰ পদ্ধতি আছে। সকলো জাতিৰ সংস্কৃতিৰ সু-সমন্বয়তহে গঢ়ি উঠে এটা সৰ্ব্বাঙ্গ সুন্দৰ সংস্কৃতি। ইয়াৰ মাজত ভালখিনি গ্ৰহণ কৰি, বেয়াখিনি বৰ্জন কৰিলে সংস্কৃতি সংস্কৃতকৰণ কৰা হয়। সুকীয়া সুকীয়াকৈ সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি। সেই হেতুকে সংস্কৃতিৰ ফুলনিখনত শত পুষ্প বিকশিত কৰাবৰ বাবে আমি চেষ্টা কৰিব লাগিব।

পাহাৰ ভৈয়ামে একে কৰা ৰামধেনুৰ ৰেখা—

ৰামধেনুৱে বিচিত্ৰ ৰঙৰ বৰ্ণালী তুলি পাহাৰ ভৈয়াম একাকাৰ কৰে। ৰামধেনুখন যেন সমন্বয়ৰ সাঁকো। ঠিক সেইদৰে আমাৰ মাজত থকা জাতি-গোষ্ঠীৰ বিভেদকামী মনোভাৱৰ বীজ আঁতৰাই ঐক্যৰ সেঁতু বান্ধিব লাগিব। কাৰণ বিভিন্ন জাতি-উপজাতি, নানা ধৰ্মাৱলম্বী লোকে লোকাৰণ্য অসমখন বৈচিত্ৰ্যৰে ভৰপূৰ। এইখন অসমৰে শাৰী শাৰী পৰ্ব্বতৰাজিয়ে আমাক সুৰক্ষা দিয়ে, সাগৰৰ বিশাল বুকুত জীনযোৱা নৈ-উপনৈ, নৈৰ বুকুত লীন যোৱা জান জুৰি নিজৰাই আমাক শিকায় সমন্বয়ৰ কথা, সেউজীয়া অৰণ্যবোৰে শিকায় উদাৰতাৰ কথা, মুক্ত আকাশখনে শিকায় বিশালতাৰ কথা, অসমৰ মাজ-মজিয়াইদি বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰই আমাক সোঁৱৰাই দিয়ে ঐতিহ্যৰ কথা। গতিকে, এইবিলাকেৰে মহিমামণ্ডিত হৈ আমিও নানা জাতি-উপজাতিৰ অনৈক্যৰ বীজ আঁতৰাই সমন্বয়ৰ এনাজৰীডাল সুদৃঢ় কৰিব লাগিব। আজি যদি আমি প্ৰত্যেকেই সুকীয়া জাতি হিচাপে স্বীকৃতি বিচাৰো, তেতিয়া হ'লে আমাৰ অসমখন খণ্ড-বিখণ্ড হৈ "অসম" নামৰ অস্তিত্বই নোহোৱা হ'বগৈ। তেতিয়া বিশ্বদৰবাৰত আমি নিজক কি বুলি পৰিচয় দিম? এটা সময় আছিল, যি সময়ত সাত ভনী লগ

Scanned with OKEN Scanner

হে ৰংঘৰৰ বাকৰিত আনন্দ উছৱৰ মেলা পাতিছিল কিন্তু আজি সেই মোহময়ী অসমখন খণ্ড-বিখণ্ড হে গ'ল, বাই-ভনীৰ সম্বন্ধ ছিন্ন হ'ল। যিখিনি বাকী ৰৈছেগৈ তাকো যাতে অৱশেষত হেৰুৱাবলগা নহয় তাৰ প্ৰতি সকলো সজাগ আৰু সচেষ্ট হ'ব লাগিব।

মানুহে মানুহৰ বাবে, যদিহে অকণো নাভাৱে—

আজিৰ বিজ্ঞানৰ চৰম উন্নতিৰ দিনত মানুহ হৈ পৰিছে যান্ত্ৰিক, মানুহৰ মাজৰ পৰা হেৰাই গৈছে চিৰন্তন মানবীয় মূল্যবোধ। ভয়াবহ যুগ-সন্ধিক্ষণত মানুহৰ মাজত অবলুপ্ত হৈছে পাৰস্পৰিক সহায়-সহযোগিতা। সন্ত্ৰাসবাদ, পুঁজিবাদী উৎপীড়নে সমাজৰ চাৰিওফালে ৰঘুমলাৰ দৰে গা কৰি উঠিছে- ফলত আমাৰ জীয়াই থকাৰ সুস্থ বাতাবৰণ কলুষিত হৈ পৰিছে। জীৱশ্ৰেষ্ঠ মানুহৰ মাজত হীনমন্যতাই গা কৰি উঠিছে। এনে অসুস্থ বাতাবৰণৰ পৰা নিজক মুক্ত কৰিবলৈ আমি সবল পদক্ষেপ ল'ব লাগিব।

আজিৰ অসমীয়াই নিজক নবচালে, অসমতে ভগনীয়া হ'ব—

অসমীয়া মানুহৰ আঁঠু মূৰতে সোণ বিচৰা স্বভাৱ আছে। কিন্তু সোণ কমাবলৈ হলে যে সোৱণশিৰিলৈ যাব লাগিব তাক নজনাটো সমীচিন নে? আজিৰ অসমীয়া মানুহৰ মাজত সহজলভ্য ধনৰ প্ৰতি তীব্ৰ মোহ। এনে মনোভাৱে মানুহক কৰি তুলিছে নিষ্কৰ্মা, এলেহুৱা, সংকীৰ্ণমনা, দুৰ্নীতি-পৰায়ণ। কাৰিকৰী জ্ঞান আৰু শাৰীৰিক পৰিশ্ৰম অবিহনে মানুহৰ উন্নতি হোৱা অসম্ভৱ। পৰিতাপৰ বিষয়, এই দুটি কৰ্মৰ পৰা অসমীয়া মানুহে গা এৰাই চলিছে। এটা সময় আছিল, একেজন অসমীয়া মানুহে হিলৈ মাৰিব পাৰিছিল, নাও বাব জানিছিল, বৰটোপ সাজিব জানিছিল। একেৰাতিৰ ভিতৰতে গড় বন্ধা বীৰসকলৰ নাতিপুতিসকলৰ আজি কি অৱস্থা ?? অসমলৈ আজি চামে চামে বহিৰাগতৰ প্ৰবজন হৈ আছে। এনে ধৰণৰ প্ৰবজনে হয়তো অসমীয়া জাতিৰ অস্তিত্ব অচিৰে শেষ কৰি পেলাব। গতিকে, সময় থাকোতেই অসমীয়াই নিজক বচাব লাগিব।

শস্য টুটিল, মৎস্য টুটিল, টুটিল বিবিষৰ গুটি—

বিংশ শতিকাৰ প্ৰান্তত ৰৈ বিজ্ঞানে আজি বিজয়ৰ গৌৰৱ ঘোষণা কৰিছে। মানুহক দিছে এক সহজসাধ্য জীৱন। তাৰবাবে বিজ্ঞান এহাতে আশীৰ্বাদৰ পাত্ৰ হৈছে, আনহাতে ই হৈ পৰিছে মানুহৰ জীৱনৰ ওপৰত খহিপৰা এক বিৰাট অভিশাপ। জীৱ শ্ৰেষ্ঠ মানৱ আজি হৈ পৰিছে কৃত্ৰিম আৰু স্বাৰ্থপৰ। প্ৰকৃতি জগতৰ গছ-বন কাটি তহিলং কৰিছে, প্ৰকৃতিৰ কোলাত মুক্তভাৱে বিচৰণ কৰা জীৱ-জন্তু, চৰাই-চিৰিকতি ধ্বংস কৰিছে। ফলস্বৰূপেই আমাৰ চাৰিওফালৰ পৰিৱেশ হৈ পৰিছে নিস্তেজ, পৃথিৱীৰ সেউজীয়াখিনি নাইকিয়া হৈ গৈছে। আজি আমি সেৱন হৈ পৰিছে হুলস্থূলীয়া। মানুহৰ কল্যাণৰ কাৰণে ব্যৱহাৰ কৰা এটম বোমাই হাজাৰ হাজাৰ মানুহৰ জীৱনলৈ নমাই আনিছে কাল আন্ধাৰ। গতিকে এনে এক অসুস্থ পৰিৱেশ আমি সুস্থ কৰিবলৈ পদক্ষেপ ল'ব লাগিব।

আমাৰ যুৱশক্তি বিশ্ববিজয়ৰ বাবে ওলাই আহক—

চিৰন্তন মানৱীয় মূল্যবোধৰ অৱক্ষয়েই বৰ্তমান যুৱ-সমাজত বাঢ়ি অহা অপৰাধ-প্ৰৱণতাৰ মূল কাৰণ। আজিৰ যুৱ সমাজৰ মাজত অনুশাসনহীনতা বাৰুকৈয়ে বিদ্যমান। যুৱকসকলৰ মাজত নানা অসামাজিক কাৰ্য্যকলাপে গা কৰি উঠিছে। যুৱ শক্তি হ'ল দেশৰ মেৰুদণ্ড স্বৰূপ। যুৱ শক্তি যদি বিপথে যায়, তেন্তে সমাজ ধ্বংসমুখী হ'বলৈ বাধ্য। গতিকে, আমাৰ যুৱশক্তি মাৰ বান্ধি, নিজৰ মাজত থকা কলুষ কালিমা ধুই নিকা কৰি বিশ্ব বিজয় কৰিবলৈ মুক্ত কণ্ঠে ওলাই আহক, তেহে সমাজ সর্বাঙ্গসুন্দৰ হ'ব।

ছাত্রানাং অধ্যয়নং তপঃ—

আদি যুগ আছিল সৰলতা, অকৃত্রিমতাৰে ভৰা। গতিকে সেই দিনত শিক্ষাৰ লগত জড়িত ল'ৰা-ছোৱালীৰ মনোভাৱ আছিল এনেধৰণৰ ছাত্রানাং অধ্যয়নং তপঃ। যুগৰ পৰিবর্ত্তন হ'ল। আজিৰ যুগ সমস্যাৰ যুগ, কৃত্রিমতাপূর্ণ যুগ। ছাত্র-ছাত্রীসকলে ইয়াত কেৱল অধ্যয়নকেই তপ কৰিলে নহ'ব, অধ্যয়নৰ লগে লগে সকলো সমস্যাৰ প্রতি সচেতন হ'ব লাগিব। ৰাজনীতি, অর্থনীতি, সমাজনীতি, শিক্ষা ব্যৱস্থাত দেখা দিয়া কেৰুণ আদি সকলোৰে প্রতি সততে দৃষ্টি নিক্ষেপ কৰিব লাগিব, তেতিয়াহে যেন ছাত্র ভৱিষ্যতে দেশৰ সু-নাগৰিক হ'ব পাৰিব।

যিমান সুষমা আছে পৃথিৱীত সকলো আমাৰ হ'ব—

আমি আজি যিখন পৃথিৱীত ৰবাস কৰিছো তাত এফালে বিৰাজ কৰিছে নিষ্ঠুৰ কদর্য্যতা আৰু আনফালে বিৰাজ কৰিছে অপৰূপ ৰূপৰ সুষমা। আমি পৃথিৱীৰ সমস্ত কদর্য্যতা নাশ কৰি ইয়াত থকা সুন্দৰ সুষমাখিনি গ্রহণ কৰিব লাগিব। কাৰণ কাঁইটৰ মাজেদি গ'লেহে গোলাপ লাভ কৰিব পাৰি। ওপৰত আলোচনা কৰি অহা সকলো সমস্যাৰ সমাধানকল্পে আমি সকলোৱে অহোপুৰুষার্থ কৰো আহক। বিশ্বৰ সকলো কুহেলিকা আঁতৰাই নতুন যুগৰ এটি উদয় হওক তেতিয়া আমি সমস্বৰে, সমকণ্ঠে গাব পাৰিম— যিমান সুষমা আছে পৃথিৱীত সকলো আমাৰ হ'ব।■

১৯৯৪-৯৫ চনত প্রকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়ৰ কিয়দাংশ।

Scanned with OKEN Scanner

দুঃসময়ৰ সাহিত্য আৰু ইয়াৰ কিছু চিন্তাধাৰা ঃ

দীপজ্যোতি শইকীয়া

বৰ্তমান সময় বৰ দুঃসময়। এই দুঃসময়ৰ বুকুতেই সাহিত্যৰ যোগেদি আমি গঢ়ি তুলিব লাগিব মানৱ জাতিৰ সুস্থ মানসিকতা। কাৰণ সাহিত্যই হৈছে এটা জাতিৰ জীৱন্ত ইতিহাস। এই ইতিহাসেই সময়ৰ লগত খোজ মিলাই মানৱ জাতিক নতুনত্ব আনি দিয়ে। ইতিহাসেই আমাক কৈ আহিছে প্ৰতিটো যুগতেই মানৱ সমাজ সন্মুখীন হৈছে জীৱনৰ হতাশগ্ৰস্ততা আৰু তাৰ পৰা উদ্ধাৰ হ'বলৈ মানুহৰ সৃষ্টিধৰ্ম্মী মনত সৃষ্টি হৈছে নতুন চিন্তাধাৰাৰ।

এই চিন্তাধাৰাৰে সময়ৰ বুকুত স্থায়ী হৈ ইতিহাস হৈছে আৰু বৰ্তমানক অতীতৰ মানৱ সমাজখনৰ লগত চিনাকী কৰি দিছে। আৰু ইতিহাস ৰচনা হয় সাহিত্যৰ যোগেদি। এই সাহিত্য সৃষ্টি কৰা সাহিত্যিকসকলৰ চিন্তাধাৰাই মানৰ সমাজক নতুন চিন্তাধাৰাৰ খোৰাক দিব পাৰে। সাহিত্যিকসকলক এজন এজন শিল্পী বুলি কোৱা হয়। কাৰণ শিল্পীসকলে মানৱ সমাজৰ জীৱন্ত ছবিখন ফুটাই তুলিব পাৰে আৰু সাহিত্যিকসকলে তেওঁলোকৰ লিখনিৰ যোগেদি এই কাম কৰিব পাৰে। মানৱ জাতিৰ সংগ্ৰামী জীৱনত সাহিত্যই প্ৰকৃত জীৱনৰ পথ দেখুৱাব পাৰে। আমি আজি দেখিবলৈ পাইছোঁ বিশ্বৰ বিভিন্ন প্ৰান্তৰ সাহিত্যৰ মাজত যি প্ৰয়োভৰ ঘটিছে ই সাহিত্যৰ বাবে সু-খবৰ। কিন্তু বৰ্তমান সময়ত ই মানৱ সমাজৰ মাজত জনপ্ৰিয়তা লাভ কৰিব পৰা নাই। কাৰণ আজিৰ সমাজৰ চিন্তাধাৰাবিলাক হৈ পৰিছে যান্ত্ৰিক। যান্ত্ৰিকতাই মানুহৰ সমাজখনক যিমান ওচৰ চপাই দিছে মানুহৰ মনবোৰ সিমানে ধ্বংসমুখীহে কৰি তুলিছে। এই সন্ধিক্ষণত আমি নিজকে সচেতন কৰি গঢ়ি তুলিব লাগিব। তেতিয়াহে ভৱিষ্যতৰ সমাজখন আমাৰ বাবে অমূল্য সম্পদ হ'ব। আমি অনুভৱ কৰিছো আজি মানৱ সমাজৰ চাৰিওফালে হাঁহাকাৰ, লুণ্ঠন, হত্যা, ধৰ্ষণ, বোমা বিস্ফোৰণ; কিন্তু এইবোৰ কিহৰ বাবে? আমি আজি বিচাৰিছো কি? আৰু এই প্ৰশ্নৰ উত্তৰ দিবই বা কোনে? এই কথাবিলাক চিন্তা কৰাৰ সময় আহি পৰিছে। যদি সাহিত্যিকসকলে তেওঁলোকৰ মননশীল লিখনিৰ যোগেদি আমাৰ সমাজখনক ৰক্ষা কৰিব পাৰে তেতিয়াহ'লে কুৰি শতিকাৰ দুৱাৰদলিত ভৰি দিম আমি এখন নতুন পৃথিবীত।

Scanned with OKEN Scanner

কুৰি শতিকাৰ দুৰাৰদলিত নাৰীসকলৰ ভূমিকা:

কুৰি শতিকাত ভৰি দিবলৈ মাত্ৰ আৰু কেইটামান দিন বাকী। আৰু এই সময়তো অতি দুখ আৰু পৰিতাপৰ কথা যে নাৰীসকলেই ভুগি আহিছে অতীতৰ পৰা বৰ্তমানলৈকে জীৱনৰ যন্ত্ৰণা। ইয়াৰ প্ৰতিবাদ কৰিও নাৰীসকলে কোনো সুফল পাবলৈ সক্ষম হোৱা নাই। আজি নাৰী স্বাধীনতাৰ নামত এচাম নাৰীয়ে বিশ্বৰ দৰবাৰত, অলিয়ে-গলিয়ে প্ৰতিবাদৰ জোৱাৰ তুলিছে আৰু এচাম নাৰী নিজৰ জীৱিকাৰ তাড়ণাত কিছুমান দুষ্ট চৰিত্ৰৰ চক্ৰত পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ হৈছে।

আমি দেখি আহিছো আধুনিক নাৰীসকলে পুৰুষৰ সমানে সকলো দিশতে নিজৰ স্থান দখল কৰি আহিছে। শিক্ষা, ৰাজনীতি, সাময়িক বাহিনীৰ পৰা খেল জগতলৈকে দপদপাই ফুৰিছে। তথাপি নাৰীসকলৰ নিৰাপত্তা নাই। প্ৰতিদিনে বিশ্বত ঘটিব লাগিছে নাৰী সংক্ৰান্তীয় বহুতো কেলেংকাৰী। গতিকে নাৰীসকলে নিজৰ স্থানত স্থিৰ হৈ থাকিবলৈ সুস্থ মানসিকতাৰে সমাজখনক পৰিচালনা কৰিব পাৰিব লাগিব। নাৰীয়ে কেতিয়াও অকলে নাৰী স্বাধীনতা লাভ কৰিব নোৱাৰে। তেওঁলোকে পুৰুষৰ সৈতে হাত মিলাইহে সুস্থ সমাজ এখন গঢ়ি তুলিব পাৰিব আৰু তেতিয়াহে নাৰী স্বাধীনতা সম্ভৱ হ'ব। আৰু তেওঁলোকেই সমাজখনক আন্ধাৰৰ পৰা পোহৰলৈ গতি কৰাই নতুনত্ব প্ৰদান কৰিব পাৰিব। গতিকে আমি সেইসকল মহীয়সী নাৰীৰ আদৰ্শ লোৱা উচিত, যিসকলে দেশ আৰু জাতিৰ উন্নতিৰ হকে কাম কৰি গৈছে।

আজি অসমৰ আকাশে-বতাহেও নাৰী স্বাধীনতাৰ জোৱাৰ উঠিছে। ইয়াৰ উপৰিও যিখন অসমত নাৰীক মাতৃ হিচাবে পূজা কৰা হয়, সেইখন অসমত কিশোৰীৰ পৰা বোৱাৰীলৈকে ধৰ্ষিতা হৈছে। সাম্প্ৰদায়িক সংঘৰ্ষ, বোমা বিস্ফোৰণ, হত্যা সকলোবিলাক চলিছে। অসমীয়া জাতিৰ আজি সংকটপূৰ্ণ অবস্থা। এই সংকটপূৰ্ণ অৱস্থাত ভাতৃত্বৰ দোলেৰে বান্ধিবলৈ নাৰীসকলেই প্ৰধান ভূমিকা লোৱা উচিত। নহ'লে এটা জাতি অনিশ্চয়তা আৰু ধ্বংসৰ গৰাহত লুপ্ত হৈ পৰিব। নাৰীসকলৰ ওপৰতেই আমি আস্থা ৰাখিছো। মাতৃময়ী, ভগ্নী, পত্নীসকলেই এই ধ্বংসৰ গৰাহৰ পৰা আমাক ৰক্ষা কৰক। তেতিয়াহে আমি হ'ব পাৰিম একবিংশ শতিকাত থিয় দিয়া এক সভ্য জাতি।■

১৯৯৭-৯৮ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

"অনন্ত অপাৰ মহা শব্দ শাস্ত্ৰৰ মহাসিন্ধু মথি আমি আহৰণ কৰো জ্ঞানৰ অমৃত"

বিনীতা চেতিয়া

"অনন্ত অপাৰ মহা শব্দ শাস্ত্ৰৰ
মহাসিন্ধু মথি
আমি আহৰণ কৰো জ্ঞানৰ অমৃত
মহা মহা জীৱনৰ গৰিমাৰ সৌধ ৰচোঁ
ৰামধেনুৰ ৰহণে জীৱন বোলাই।"

কবিৰ ভাষাৰেই কওঁ-

জীৱনৰ ডেউকাত সাতোৰঙী ৰামধেনুৰ বোল সাজি চিৰৱৰণীয়া হ'বলৈ কাৰ জানো হেঁপাহ নাজাগে? এই অদম্য হেঁপাহক তথা মধুৰ আবেগৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাক পৰিপূৰ্ণতা প্ৰদান কৰে কলেজীয়া জীৱনে। এই কলেজীয়া জীৱনক অধিক সুদূৰপ্ৰসাৰী কৰি তোলে প্ৰতিবছৰ প্ৰকাশ পোৱা মহাবিদ্যালয়ৰ একোখন মুখপত্ৰই। দুচুকুত অলেখ স্বপ্ন বান্ধি মহাবিদ্যালয়ৰ চৌহদত ভৰি দি জ্ঞানৰ সৌধ সাজিবলৈ জাক পাতি অহা আলোকপিয়াসী ছাত্ৰ-ছাত্ৰীৰ মুখপত্ৰ বা আলোচনীয়ে। স্বাধীনভাৱে লেখকৰূপে নিজকে প্ৰতিষ্ঠিত কৰাৰ প্ৰথম পদক্ষেপ হিচাপে কলেজৰ আলোচনীসমূহে এক সফল ভূমিকা গ্ৰহণ কৰিছে। শিক্ষাৰ্থী একোজনৰ কষ্টসাধ্য তথা চিন্তা প্ৰসূত কোনো ৰচনা, প্ৰবন্ধ, গল্প, কবিতা বা অন্য যিকোনো লিখনী প্ৰকাশৰ ক্ষেত্ৰত এই কলেজ আলোচনীবিলাকে প্ৰধান ভূমিকা গ্ৰহণ কৰে। ভৱিষ্যতৰ কোনো এজন বিশিষ্ট গৱেষক সাহিত্যিকৰ এনে কলেজ আলোচনীত প্ৰকাশিত কোনো লিখনীয়েই সৰ্বপ্ৰথম লিখনি হ'ব পাৰে। কলেজ আলোচনীত সৰ্বপ্ৰথম কৃতীয়েই তেনে একোজন বিশিষ্ট সন্তান সৃষ্টিত অৱিহণা যোগাব পাৰে। তেনে অৰ্থত কলেজ আলোচনীৰ মহত্ব কিমান সেয়া সহজতেই অনুমেয়। শিক্ষাৰ্থীসকলৰ একো একোটা শক্তিশালী লিখনীয়েই সমাজলৈ আনিব পাৰে শান্তি-সম্প্ৰীতিৰ এক অনুপম বাতাবৰণ। আজিৰ সময়ৰ যন্ত্ৰনাৰপৰা, মুক্তিক সঁচা অৰ্থত উদ্ধাৰ

কৰাত সহায় কৰিব পাৰে তেওঁলোকৰ শক্তিশালী শব্দসম্ভাৰে। সেইবাবে আলোচনী একোখন সমাজৰ অতন্দ্ৰ প্ৰহৰীস্বৰূপ। প্ৰচলিত সমাজ ব্যৱস্থাৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ কথা এই আলোচনীসমূহেই হৈছে সমাজৰ দাপোন স্বৰূপ।

সাহিত্যই একোটা জাতিৰ জাতীয় চৰিত্ৰ সংশোধনত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে লাগিব সাহিত্য-চৰ্চা কৰাৰ প্ৰবল ধাউতি। কিন্তু অসমীয়া জাতিয়ে সাহিত্য- চৰ্চা কৰাৰ প্ৰবল ধাউতি। কিন্তু অসমীয়া জাতিয়ে সাহিত্য সাহিত্য-চৰ্চাৰ মাজেৰে একোটা জাতিক কিদৰে আগবঢ়াই নিব পাৰিব সেইটোহে এটা ডাঙৰ প্ৰশ্ন.....।

অভিযোগ উঠে একবিংশ শতিকাতো নৱপ্ৰজন্ম কিয় উচ্ছৃংখল হৈ উঠিছে? এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। নিঃসন্দেহে পৰিস্থিতি সলনি হৈছে, সলনি হৈছে বিশ্ব অৰ্থনীতিৰ সংজ্ঞা আৰু সমীকৰণ। বিজ্ঞানে জীৱন ধাৰণৰ প্ৰণালী পৰিৱৰ্তন কৰাৰ লগে লগে মানৱ সভ্যতাত অসংখ্য বধ্যভূমিয়ে গা কৰি উঠিছে। এই পৰিৱৰ্তিত প্ৰেক্ষাপটত আজি নতুন প্ৰজন্ম দিক্‌ভ্ৰান্ত, উচ্ছৃংখল হৈ পৰিছে। কেৰিয়াৰ কেন্দ্ৰিক মানসিকতাই যুৱ সমাজক সুবিধাবাদৰ অৱস্থান লবলৈ বাধ্য কৰাইছে। আজিৰ অসমত শিক্ষিত নিবনুৱা ভয়াবহ ৰূপত বাঢ়িছে। কৰ্মসংস্থাপনৰ আশাত কেৱল উন্মাদ হৈ দৌৰি ফুৰিছে। হতাশাত ভুগি হাতত তুলি লৈছে মাৰণাস্ত্ৰ। নিঃসংগ, উদাসীন উত্তৰ-পুৰুষৰ মনত আশা-নিৰাশাই সামাজিক অনিশ্চয়তাৰ জন্ম দিছে। এনে বিপন্ন আৰু ৰোগক্ৰান্ত পৰিস্থিতিত প্ৰকৃত সত্য আৰু সুন্দৰৰ সন্ধান দি মানুহক মানৱতাৰ দুৱাৰ মুকলি কৰি আনন্দময় জগতলৈ ধাৱিত কৰিব পৰা সাহিত্য সৃষ্টি সম্ভৱ জানো। নীতি নৈতিকতাহীন, জাতীয় স্বাৰ্থৰ প্ৰতি উদাসীন এটা প্ৰজন্মৰ হাতত কিদৰে দেশ জাতিৰ ৰক্ষা হ'ব, ভৱিষ্যতৰ হাতত আজিৰ প্ৰজন্মই কি এৰি যাব সেয়া সন্দেহৰ বিষয় হৈ পৰিছে।

কিন্তু সকলোবোৰ দোষ কেৱল নতুন প্ৰজন্মৰ ওপৰত জাপি দিলেই নহ'ব। ইয়াৰ বাবে এটা পদ্ধতিগত বিচাৰ- বিশ্লেষণৰ অতি প্ৰয়োজন। অতি পৰিতাপৰ বিষয় যে, এই নতুন প্ৰজন্মক আজি বাট দেখুৱাব কোনে? আজিৰ সমাজ ব্যৱস্থাটো সম্পূৰ্ণৰূপে হৈ পৰিছে ক্ষমতাকেন্দ্ৰিক। কেইজনমান দুৰ্নীতিপৰায়ণ অসাধুৰ ক্ষমতাৰ দখলত বন্দী হৈছে আজিৰ ৰাজনৈতিক ব্যৱস্থাটো। দিকভ্ৰান্ত, বিবেকভ্ৰষ্ট অগ্ৰচামে ইতিমধ্যে নিজৰ স্বাৰ্থৰ বাবে দেশ, জাতীৰ ভৱিষ্যতক বন্ধকত ৰাখি জাতীয় সম্পদবোৰ কিদৰে লুটিব পাৰে তাকেহে দেখুৱাই গৈছে। যিচামৰ হাতত দেশ ৰক্ষাৰ ভাৰ ন্যস্ত কৰা হৈছে তেওঁলোকে কোনোধৰণৰ নৈতিকতাৰ প্ৰতিফলন স্পষ্টৰূপত দাঙি ধৰিব পৰা নাই। বৰঞ্চ দেশ ৰক্ষাৰ নামত কোটি কোটি টকা আত্মসাৎ কৰিছে। এনে অৱস্থাত 'নতুন প্ৰজন্মই জগৰীয়া' বুলি চিঞৰি অগ্ৰজসকলে হাত সাৰিলে নহ'ব।

সাম্প্ৰতিক সময়ত ভয়ানক ৰূপত বাঢ়ি অহা শিক্ষিত নিবনুৱাৰ সমস্যাটো প্ৰসংগত চালি জাৰি চালে বৰ্তমান শিক্ষা ব্যৱস্থাটোকে দায়ী বুলি অহা শিক্ষিত নিবনুৱাৰ সমস্যাটোৰ প্ৰসংগত চালি জাৰি চালে বৰ্তমান শিক্ষা ব্যৱস্থাটোকে দায়ী বুলি ক'ব পাৰি। কাৰণ, বৰ্তমান শিক্ষা ব্যৱস্থাটো

Scanned with OKEN Scanner

সম্পূর্ণৰূপে হৈ পৰিছে চাকৰিমুখী। চাকৰি অবিহনে জীৱনটো অসাৰ, বেকাৰ। কোনো কাৰিকৰী বা বৃত্তিমূলক কামৰ প্ৰতি আগবাঢ়ি যাবলৈ মানসিক প্ৰস্তুতি নাই অথবা মূলধনৰ অভাৱ। আজিৰ লাখ লাখ নিবনুৱাই অস্থিৰভাৱে জীৱন কটাইছে ঘৰতে বহি বহি। এনেক্ষেত্ৰত শিক্ষা ব্যৱস্থাতোত যদি কাৰিকৰী শিক্ষাৰে স্ব-নিৰ্ভৰশীল হোৱাৰ বাধ্যতামুলক পাঠ আগবঢ়ালেহেঁতেন। তেন্তে নিশ্চিত ৰূপে আজিৰ অসমীয়া যুৱকে দিক্‌ভ্ৰান্ত হৈ ভ্ৰমি ফুৰিবলগীয়া নহ'লহেঁতেন।

আজিৰ পৃথিৱীত হিংসাৰ দাবানলে এফালৰ পৰা যিদৰে গোটেইখন পুৰি ছাৰখাৰ কৰি নিব ধৰিছে তাক নিৰ্বাপিত কৰাৰ তীব্ৰ বাসনা, সৃষ্টিৰ পটভূমি গঢ়াৰ দায়িত্ব সমাজৰ নতুন প্ৰজন্মই ল'বই লাগিব। পৰিবৰ্ত্তিত পৰিস্থিতিত নতুন প্ৰজন্মই সন্মুখৰ বাট পিচল হ'লেও, এখন সুস্থ সমাজ প্ৰতিষ্ঠাৰ স্বাৰ্থত আজিৰ নতুন প্ৰজন্ম সচেতন আৰু দিকদৰ্শী হ'বই লাগিব। ইয়াৰ বাধাৰ প্ৰাচীৰ যিয়েই নহওঁক কিয় আমি দু�ৱাৰ মুকলি কৰিবই লাগিব। আমাৰ বিবেক আৰু বুদ্ধিয়ে যিটো শুদ্ধ আৰু সত্য বুলি ভাৱে আৰু যি কথাই আমাৰ ৰাজ্যৰ সকলো মানুহৰে কল্যাণ সাধন কৰে, যিবোৰ বান্ধোনে ৰাজ্যখনৰ সকলো মানুহকে একগোট কৰি ৰাখিব পাৰে। সেইবোৰ কথাকে আমি উদঙাই দেখু�ৱাব লাগে। বৰ্তমান ক্ষয়িষ্ণু সমাজৰ গড্ডালিকা প্ৰবাহে বাট নেদেখুৱাই। নিজৰ বাট আমি নিজেই বিচাৰি ল'ব লাগিব। কিন্তু আমি আমাৰ প্ৰতিটো খোজকেই উচিত ভাবে চোৱা উচিত যাতে ই নিভাঁজ আৰু সুশৃংখলিত হয়।■

২০০৬-২০০৮ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

Scanned with OKEN Scanner

কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি

নিকুমণি দিহিঙ্গীয়া

"জ্ঞান এবিধ ধ্বংস ৰোধ কৰিব পৰা অস্ত্ৰ। শত্ৰুৰে ধ্বংস কৰিব নোৱাৰা ই এটা ভিতৰুৱা দুৰ্গ"।

-তিৰুক্কুৰল

এটি আদৰ্শলব্ধ, সু-সংগঠিত সুন্দৰ জীবন বোধৰ বাবে অনবদ্য উপাদান বিচাৰিয়ে এদিন সাতভনী নাচোনৰ ভৰত ৰংপুৰৰ ৰংঘৰৰ বাকৰি উৎসৱমুখৰ হৈ পৰা ক্ষণত জ্ঞান বৃক্ষৰ বীজৰ পৰা যাতে শত-শত অংকুৰণে ঠন ধৰি উঠি বিজ্ঞান, বাণিজ্য, উদ্যোগ, প্ৰযুক্তিবিদ্যাৰে সমাজৰ মানসিক দিশটোৰ উৎকৰ্ষ সাধন কৰি সমন্বয়ৰ বৰঘৰ সজাৰ সপোন বুকুত বান্ধি বহুকেইজন মহান মণিষীয়ে এই তিমিৰাচ্ছন্ন সমাজখনক জ্ঞানৰ দীপাৱলীৰে আলোকিত কৰাৰ গুৰু দায়িত্ব লৈ অশেষ কষ্ট কৰি নিষ্ঠাৰে ৰংপুৰ নগৰৰ মাজ মজিয়াত গঢ়ি তুলিলে ১৯৬৪ চনত নাৰী শিক্ষাৰ এক অনন্য প্ৰাণকেন্দ্ৰ 'শিৱসাগৰ ছোৱালী কলেজ'।

আজি এই নবন্যাসৰ ৰ'দৰ কাঁচলিত অৱগাহন কৰি এই মহাবিদ্যালয়ৰ বাটচ'ৰাত উন্মুক্ত বিহংগৰ উদুলি-মুদুলি সমাৱেশত উচ্চাৰিত হয়-

"আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী।"

আজি ৫৩ টা বছৰে বহু সমস্যা বহু সংঘাতেৰে জৰ্জৰিত হৈ পাৰস্পৰিক বিশ্বাস স্থাপনেৰে মনৰ সেতু বন্ধনৰ জৰিয়তে সামাজিক, ব্যক্তিগত, মানসিক, বৌদ্ধিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশৰ প্ৰগতিৰ বাটলৈ আগবঢ়াই নিয়াৰ প্ৰচেষ্টাৰে মডেল ডিগ্ৰী কলেজ হিচাপে প্ৰতিষ্ঠিত হৈ নাৰী শিক্ষাৰ যি উজ্জ্বল বৰ্ত্তি জ্বলাই ৰাখিছে সেয়া অদ্বিতীয়।

নাৰীশিক্ষা আৰু কিছু কথাঃ

নাৰী হৈছে উৰ্ব্বৰতাৰ প্ৰতীক আৰু সৌন্দৰ্য্যৰ আধাৰ। ভগৱানে নাৰীক ৰূপ আৰু সৌন্দৰ্য্যৰ দ্বাৰা সৃষ্টি কৰিছে। নাৰীয়ে সৃষ্টি, নাৰীয়ে কৃষ্টি, নাৰীয়ে বিনাশিনী। পূৰ্বৰ সমাজত পাতৰ তলত থকা বুলি অভিহিত কৰা নাৰী বৰ্তমান সময়ত সমাজৰ কৰালগ্ৰাসৰ পৰা মুক্ত হৈ আজিৰ বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগত হাতে হাত ধৰি ওলাই আহিছে। জৱাহৰলাল নেহৰুৱে কৈছিল যে, "এজন ল'ৰাক

Scanned with OKEN Scanner

শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে সমগ্ৰ পৰিয়ালক শিক্ষিত কৰা।" বৰ্তমান যুগত নাৰী, শিক্ষাৰে শিক্ষিত হৈ বহুদূৰ আগবাঢ়ি যাবলৈ সক্ষম হৈছে। মৌনতাৰ আৱৰণ ফালি অন্যায়ৰ হকে মাত মাতিবলৈ, নেতৃত্ব দিবলৈ পাছ হুঁহকি বোৱা নাই আজিৰ যুগৰ নাৰী। ইয়াৰ মূল চাবি-কাঠি হ'ল শিক্ষা। শিক্ষাই অন্ধকাৰ বিনাশি পোহৰৰ মেলা পাতে।

এইখনেই হ'ল মূলাগাভৰুৱ দেশ, এইখনেই জয়মতীৰ দেশ, এইখনেই কনকলতাৰ দেশ। এই মহান নাৰীসকলৰ আদৰ্শৰে জীপাল হৈ উঠিছে বৰ্তমান সকলোৰে জীৱন। এইখন বৰ অসমতে উচ্চ শিক্ষাৰে শিক্ষিত হৈ নাৰীসকলে জীৱনৰ আসোঁৱাহবোৰ হেলাৰঙে নাশ কৰিছে। এগৰাকী সাধাৰণ মহিলা হৈও অসাধাৰণ হৈ পৰিছে বীৰুবালা ৰাভাৰ দৰে সাহসী নাৰী, যি সমাজৰ কু-সংস্কাৰ অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মাতিবলৈ অলপো কুণ্ঠাবোধ কৰা নাই। এইখন অসমতে এনে বহু নাৰী আছে, যি আজিৰ যুগত শিক্ষাৰে শিক্ষিত হৈ পুৰুষৰ শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ থমকি বোৱা নাই। এইখন বৰ অসমৰে জীয়ৰীয়ে শৈক্ষিক, সাংস্কৃতিক, অভিযান্ত্রিক, বৈজ্ঞানিক, ক্রীড়া, আইন আদি সকলো দিশতে ৰাজ্যিক, ৰাষ্ট্রীয় পর্যায়ৰ লগতে আন্তঃৰাষ্ট্রীয় পর্যায়তো নিজকে জিলিকাই তুলিবলৈ সক্ষম হৈছে। যিহেতু এইখন কেৱল লাচিতৰে নহয়, জয়মতীৰো দেশ।

শিক্ষা ব্যৱস্থা আৰু আমাৰ যুৱ প্রজন্ম আজি কোন বাটে ঃ

শিক্ষাই মানুহক সচেতন কৰে। কিন্তু আনুষ্ঠানিক পুথিগত শিক্ষা ব্যৱস্থাই মানৱ জীৱনৰ একমাত্র বিকল্প নহয়। ই এক আঁচনিগত প্রক্রিয়াহে। আজিৰ পাঠ্যক্রম আৰু পৰীক্ষা পদ্ধতিয়ে একাংশ ছাত্র-ছাত্রীক অধ্যয়নৰ প্রতি অমনোযোগী কৰি তুলিছে। বৰ্তমানৰ প্রতিযোগিতামূলক শিক্ষা ব্যৱস্থাই ছাত্রসকলক এহাতে মেধাৱী কৰি তুলিছে, কিন্তু অন্যহাতেদি ছাত্রসকলক হৃদয়হীন, সমাজচেতনাহীন, মানৱতাহীন, যন্ত্রৱত কৰি তুলিছে।

অন্যহাতে সাম্প্রতিক অসমত দেখা দিছে বৌদ্ধিক সংকট। জাতীয় চৰিত্রৰ অভাৱৰ ফলস্বৰূপে আজিৰ অসমত দেখা দিছে প্রবল সাংস্কৃতিক তথা নৈতিক গড়াখহনীয়া, মূৰ দাঙি উঠিছে নানাবিধ উশৃংখলতাই। এনে উশৃংখলতাৰ মাজৰ পৰা আমাক কেৱল উদ্ধাৰ কৰিব পাৰিব যুৱসমাজেহে। গতিকে, এনে এক মহাসংকটত যদি আমাৰ যুৱ সমাজে বলিষ্ঠ পদক্ষেপেৰে আগবাঢ়ি নাহে তেন্তে ভৱিষ্যতে অসমখন হেৰাই যাব নানাবিধ উশৃংখলতাৰ, অৰাজকতাৰ কালগ্রাসত। এক বলিষ্ঠ যুৱ মানসিকতা আজি সময়ৰ আহ্বান।

যুৱপ্রজন্ম ঃ

জীৱনৰ এটা সময় যৌৱন। যেতিয়া আমি কান্ধ পাতি লওঁ আমাৰ নিজৰ দায়িত্ব, নির্ণয় কৰোঁ ভাগ্য, সমাজ ব্যৱস্থা, নিজৰ পৰম্পৰা, নিজৰ সংস্কৃতি আৰু ঐতিহ্য। আমি নিজৰে জাতীয় পৰম্পৰাৰ লগত সমতা স্থাপন কৰি আমাৰ জীৱনক কিছু নিয়ম-নীতিৰ মাজেৰে পৰিচালিত কৰিব লাগে, যি নিয়ম এক সুস্থিৰ পৰিৱেশ গঢ়াৰ নিয়ম। এনে নিয়ম-নীতিৰ কচৰৎ এখন দেশৰ বা এটা

জাতিৰ প্ৰগতিৰ বাবে একান্তই প্ৰয়োজনীয়। সাম্প্ৰতিক সময়ত দেখা দিছে এখন কচৰৎহীন যুব সমাজ। যাৰ বাবে সমগ্ৰ অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক জীৱন ব্যৱস্থাত দেখা দিছে এক উশৃংখলতাই। যুৱ সমাজৰ নৈতিক স্খলনৰ এক বিভৎস ৰূপ আজি পৰিদৃশ্যমান হৈছে। এই যুগৰ নৱ প্ৰজন্মক এক সুশৃংখল আৰু সুস্থিৰ তথা শাশ্বত জীৱন দৰ্শনৰ জ্যোতিৰে জ্যোতিষ্মান কৰি তুলিব নোৱাৰাৰ বাবেই আজি অসমত সঘনাই পৰিলক্ষিত হৈছে জঘন্য কৰ্মবোৰ। যাৰ বাবে আজি যুৱসমাজ পথভ্ৰষ্ট, দিশহাৰা।

আমাৰ ভাষা সংস্কৃতি আৰু জাতিসত্বা আজি কোন দিশে ঃ

এটা সময় আছিল, চাওলুং চুকাফাই গঢ়ি যোৱা বৰ অসমৰ প্ৰতিজনেই আছিল অসমীয়া। সামাজিক, সাংস্কৃতিক আৰু ভাষিক পাৰ্থক্য থাকিলেও পৃথক জনগোষ্ঠীৰ বিভেদ নাছিল। সমন্বয়ৰ বৰঘৰ আছিল। বৰ অসমত বৰ্তমান সময়ত গা কৰি উঠা বিচ্ছিন্নতাবাদী মনোভাৱ আৰু মানসিকতাৰ বাবেই বৃদ্ধি পাইছে অসমীয়া মূল সুঁতিৰ পৰা আঁতৰি যোৱাৰ প্ৰৱণতা। ইয়াৰ প্ৰধান কাৰণ হিচাপে পৰিলক্ষিত হৈছে ৰাজনৈতিক চাতুৰী, সাম্প্ৰদায়িক গোড়ামী, ৰক্ষণশীল মানসিকতা আৰু ভাষাৰ বিসংগতি।

সাম্প্ৰতিক অসমীয়া ভাষাৰ যিটো গতিধাৰা, কথিত আৰু লিখিত ভাষাৰ বাবে যিটো বিশুদ্ধতা, শব্দৰ প্ৰায়োগিক নীতি, ৰচনাশৈলী, অভিধানিক জ্ঞানৰ দুৰ্বলতাই অসমীয়া ভাষাৰ বিপৰ্যয় মাতি আনিছে। অভিধানিক জ্ঞান আমাৰ সীমিত হৈ পৰিছে। অধ্যয়নৰ প্ৰৱণতা আমাৰ কমি আহিছে। অধ্যয়ন নকৰাকৈ আমি আনক বুজাবলৈ বা ক'বলৈ শিকাইছো। যিটো খুবেই লজ্জাজনক। বৌদ্ধিক শূন্যতাই সকলো দিশতে আগুৰি ধৰিছে। যাৰ ফলস্বৰূপে স্বাধীনোত্তৰ কালৰ পৰা অসমীয়া ভাষাটো যিমান নিমজ, সহজ উচ্চাৰণ হ'ব লাগিছিল সেয়া হৈ উঠা নাই। সেয়েহে অসমৰ ছাত্ৰ সমাজে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণৰ ক্ষেত্ৰত বিফল হৈছে।

শিৱসাগৰ ছোৱালী কলেজ হওঁক সৃষ্টিৰ অমল উৎস ঃ

মানুহ হৈছে উচ্চাকাংক্ষী প্ৰাণী। ৰবাৰ্ট ব্ৰাউনিঙৰ ভাষাত "মানুহৰ আকাংক্ষা ঢুকি পোৱাতকৈ বেছি হ'ব লাগিব। নহ'লেনো সৰগখন কিয়?" উজনি অসমৰ নাৰী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান 'শিৱসাগৰ ছোৱালী কলেজে' প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে ৫৩ টা উজ্জ্বল বসন্ত গচকিলে। 'শিৱসাগৰ ছোৱালী কলেজ' হৈছে নাৰীশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ। এইখন হৈছে এখন পুষ্পকানন-জ্ঞানৰ পুষ্পকানন। য'ত সন্মিলিত হয় অনেক উন্মুক্ত বিহংগ, য'ত সন্মিলিত হয় অগণন শিল্পী, সাহিত্যিকৰ দল। সকলোৰে উদ্দেশ্য মাথোন জ্ঞান অৰ্জন কৰা। এই কলেজৰ পৰাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিভিন্ন স্তৰত নিজকে মানৱ সম্পদ হিচাপে গঢ় দিবলৈ সক্ষম হৈছে অনেক ছাত্ৰী। 'শিৱসাগৰ ছোৱালী কলেজে' অসমৰ জাতীয় জীৱনলৈ বৰঙণি আগবঢ়াই আহিছে আৰু ভবিষ্যতেও আগবঢ়াই থাকিব আৰু ইয়াৰ পৰাই প্ৰাণ পাই উঠি উৰি যাব হাজাৰজনী জোনাকী পোহৰৰ দিশে।

আমাৰ কিছু আশা-নিৰাশাৰ দোমোজাত শেষ অনুভৱঃ

আজি প্ৰয়োজন হৈছে এটা সুস্থ দৃষ্টিভংগী আৰু বৈজ্ঞানিক বিশ্লেষণৰ। সূচনাৰ প্ৰয়োজন আহি পৰিছে এটা সেউজ বিপ্লবৰ। প্ৰয়োজন আহি পৰিছে নিজ ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ। আজি আমাৰ খুবেই প্ৰয়োজন হৈ পৰিছে একোজন ভাল অভিভাৱক, অভিজ্ঞ শিক্ষকৰ, বুদ্ধিজীবি, মানৱতাৰ আদৰ্শৰে সমৃদ্ধ চিকিৎসকৰ, অভিযন্তাৰ, সুন্দৰমৰ প্ৰতি আগ্ৰহী সাহিত্যিকৰ, বৌদ্ধিক নেতৃত্ব দিব পৰা এটা সুস্থ চিন্তাৰ, ভাষাৰ প্ৰতি আগ্ৰহী এজন সঁচা অসমীয়া আৰু এজন সঁচা মানুহৰ।

আমি এনে এখন বৰ অসমৰ দাবী কৰিব লাগে য'ত কোনো ধৰ্ম, সম্প্ৰদায়, জনগোষ্ঠী, বৰ্ণবাদৰ আৰু ৰক্ষণশীলতাৰ গোড়ামি নাথাকিব। সেয়ে এতিয়া প্ৰয়োজন হৈছে এখন দাপোণৰ। য'ত সকলোৰে মানসিক উপলব্ধিৰে নিজকে চাব পাৰিব সঁচা অৰ্থত নিকা হ'বলৈ।

আৰু হয়তো নতুন পুৰুষৰ বাবে, নতুন দিন এটাৰ বাবে, জাতিটোৰ বাবে, অসমৰ বাবে দুদিনৰ সঁচা উপলব্ধি অনুভৱেৰে সকলোৰে বাবে সূৰ্য স্পৰ্শিত নদীৰ পৰশত গজালি মেলিব সুদিনৰ সেউজীয়া শইচ।

আৰু আকৌ ৰসৰাজৰ উক্তিৰে এদিন অসমে চিঞৰি উঠিব ঃ

"কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি।"■

২০১৬-১৭ চনত প্ৰকাশ পোৱা শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ সম্পাদকীয়।

–: CONTENTS :–

- Sibsagar Girls' College: An Academic Journey of Sustainability and NAAC Accreditation
  ✍ **Deepjoonalee Bhuyan**/২৩৯
- Creativity: A Chink of Conscious Conscience
  ✍ **Dr. Jyoti Prasad Saikia**/২৪৩
- Where is the new generation heading from Generation G to Generation ALFA?
  ✍ **Dr. Soumarjyoti Mahanta**/২৪৯
- Liberal Arts Education in the context of NEP 2020
  ✍ **Dr. Protim Sharma**/২৫৩
- Assamese as a Classical Language: A Milestone in Cultural and Linguistic Recognition
  ✍ **Prof. (Dr.) Mridul Bordoloi**/২৬২
- NEP and Teachers' Professional Development
  ✍ **Pranjal Protim Borah**/২৬৫
- What Literature Teaches Beyond the Page?
  ✍ **Shiva Prasad Mili**/২৬৭
- Physical and Socio-Economic Background of Old Sibsagar District, Assam
  ✍ **Dr. Madine Hazarika**/২৭৩
- The Interplay of Geography and Politics: A Historical and Cultural Perspective
  ✍ **Probin Sarmah, Phanin Chandra Mout**/২৯০

Scanned with OKEN Scanner

Sibsagar Girls' College: An Academic Journey of Sustainability and NAAC Accreditation

Deepjoonalee Bhuyan

NAAC (National Assessment and Accreditation Council) is a public autonomous body that assesses and accredits higher education institutions (HEIs) in India. It grades institutions based on their performance in certain parameters, including:

- Curricular aspects
- Teaching, learning, and evaluation
- Research, innovations, and evaluation
- Infrastructure and learning resources
- Student support and progression
- Governance, leadership, and management
- Institutional values and best practices

NAAC accreditation can help improve an institution's performance in academic amenities and administration. It also aids in identifying new areas for progress, resource allocation, and planning.

In line with the action plan of NAAC for performance evaluation, assessment, accreditation, and quality upgradation of institutions, NAAC proposes that every accredited institution establish an Internal Quality Assurance Cell (IQAC) as a quality sustenance measure. Since quality enhancement is a continuous process, the IQAC becomes an integral part of the institution's academic mechanism and works toward the realization of the goals of quality enhancement and sustenance.

The IQAC at Sibsagar Girls' College was established in 2004. Its focus has been on improving the academic quality of the institution. The primary aim of the IQAC is to develop a system for conscious, consistent, and catalytic action for continuous improvement in the academic and administrative performance of the institution. The IQAC ensures and enhances quality in education by organizing various programs such as Faculty Development Programs (FDP), workshops, seminars, and conferences. It also monitors IT-enabled, outcome-based, student-centric, and holistic teaching-learning methodologies aligned with the mission and vision of the institution. Green

Scanned with OKEN Scanner

initiatives, career counseling programs, addressing student grievances, and tracking student progress in various fields are the main focus areas of the college.

IQAC has contributed significantly to institutionalizing quality assurance strategies and processes. It regularly reviews teaching-learning processes, structures, methodologies, and learning outcomes, recording incremental improvements in various activities.

The college voluntarily opted for assessment by NAAC and submitted its Self-Study Report to NAAC in August 2003. The peer team for the assessment consisted of:

- Prof. Ananda Deb Mukhopadhyay, Former Vice-Chancellor, Vidyasagar University, West Bengal (Chairman)
- Prof. D.N. Sansanwal, Director and Dean, Institute of Education, Devi Ahilya Vishwavidyalaya, Indore
- Father Dr. P.J. Victor, Principal, St. Joseph's College, Darjeeling

Dr. K. Rama, Deputy Adviser at NAAC, coordinated the visit. The peer team visited the college on 10th and 11th December 2003. After validating the Self-Study Report, interacting with the college community, alumni, guardians, and parents, and assessing all aspects, the team awarded the college a B+ grade. The peer team also put forward the following key recommendations and suggestions:

Key Recommendations and Suggestions:

- The collective efforts of the management, teachers, non-teaching staff, and students of the college are commendable.
- A cordial relationship exists among the college community.
- The college's initiative to introduce science courses on a self-financing basis is appreciated, despite existing limitations.
- It is notable that students have taken a major role in organizing cultural events to raise funds for the development of science courses.
- Parents, alumni, and students have expressed satisfaction with the functioning and development of the college.
- A workshop on paper setting, recently conducted by the college, is an important feature for academic development.
- The courses offered by the college are traditional in nature. The college may introduce utility and job-oriented courses like Nutrition and Dietetics, Journalism and Mass Communication, Microbiology, and Computer Science on a self-financing basis.

